শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ

(প্ৰথম খণ্ড)

GOVT. OF ASSAM
DIRECTORATE OF LIBRARY SERVICES
Call No ....

লেখক
শ্ৰীনাৰায়ন চন্দ্ৰ গোস্বামী

প্ৰকাশক
শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম

শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ (প্ৰথম খণ্ড), সত্ৰাধিকাৰ শ্ৰীযুত নাৰায়ন চন্দ্ৰ গোস্বামীৰ দ্বাৰা বিৰচিত আৰু শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম, ২৮ এম. জি. ৰোড, উজান বজাৰ, গুৱাহাটী-১ৰ হৈ সচিব প্ৰভাত চন্দ্ৰ দাসৰ দ্বাৰা প্ৰকাশিত। ২০০৯ চন, **মূল্য- এশ পসত্তৰ টকা**

মূল্য ঃ ১৭৫.০০ টকা

প্ৰকাশক ঃ প্ৰভাত চন্দ্ৰ দাস
২৮ এম, জি. ৰোড
গুৱাহাটী-১, অসম
দূৰভাষ ঃ ৯৮৬৪১-৫০১৩৯
ই-মেইল - prabhatch.das@gmail.com

মুদ্ৰক ঃ কে. ডি. কম্পিউটেক
শ্লুইশ্ব গেট, ভৰলুমুখ, গুৱাহাটী
দূৰভাষ ঃ ৯৮৬৪০-৫৫১৪৪

উছৰ্গা

যি গৰাকী মাতৃয়ে আমাক চাৰি বছৰ বয়সতে নিঠৰুৱা কৰি এৰি থৈ ইহ সংসাৰ ত্যাগ কৰি গুচি গৈছিল, সেই গৰাকী 'জননী জন্মভূমিশ্চ স্বৰ্গাদপি গৰীয়সী' আমাৰ চিৰ পূজনীয়া স্বৰ্গীয় বসুন্ধৰী দেৱী আই মাতৃৰ পৱিত্ৰ কৰকমলত আমাৰ ৰচিত 'শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ' নামৰ গ্ৰন্থলানিৰ প্ৰথম খণ্ডটি অৰ্পণ কৰিবলৈ পাই নিজকে কৃপাধন্য হোৱা বুলি অনুভৱ কৰা হৈছে।

ইতি

নাৰায়ন

GOVT. OF ASSAM
No

প্ৰকাশকৰ নিবেদন

অলপ দ-কৈ ভাবি চোৱাসকলে এটা কথা লক্ষ্য কৰিছে যে সাম্প্ৰতিক কালত শংকৰদেৱ এক দুৰ্ভাগ্যজনক খেলি-মেলিৰ মাজত সোমাই পৰিছে। গুৰু জনাৰ বিষয়ে কোনে, ক'ত, কেতিয়া আৰু কি উদ্দেশ্যত কি লিখে বা কি কয় ধৰিব নোৱৰা হৈছে। মহাপুৰুষজনাৰ বহুমুখী প্ৰতিভাৰ বিষয়ে সম্যক জ্ঞান আহৰণ নকৰাকৈয়ে হাতত কলম তুলি লোৱা এচাম পতনুৱা লেখকে তেৰাক সমাজত বিকৃত ৰূপত দাঙি ধৰিছে। লেখক হ'বলৈ সহজ, কিন্তু সু-গভীৰ চিন্তা-প্ৰসূত সৃষ্টিৰে সমাজক সঠিক পথৰ নিৰ্দেশ দিব পৰা লেখক হ'বলৈ টান। তাৰ বাবে প্ৰয়োজন হয়, গভীৰ অধ্যয়ন, চিন্তন আৰু মননৰ। তেনে এগৰাকী ক্ৰান্তিকাৰী লেখক হ'ল— শ্ৰীযুত নাৰায়ন চন্দ্ৰ গোস্বামীদেৱ। অৱশ্যে আমাৰ বাবে তেখেতৰ আছে আন এক সুকীয়া পৰিচয়।

বিবেকানন্দই ১৮৯৩ চনত চিকাগোত বহা যিখন বিশ্ব ধৰ্ম সভাত অংশ গ্ৰহণ কৰি হিন্দু ধৰ্মৰ বিষয়ে ভাষণ দি বিশ্ব দৰবাৰত হিন্দু ধৰ্মক জনপ্ৰিয় কৰি তোলাৰ পাতনি মেলিছিল, তাৰ এশ বছৰৰ পাছত জাৰ্মানত বহা ২৭ তম ত্ৰিবাৰ্ষিক বিশ্ব ধৰ্ম সভাৰ মঞ্চত এই লেখক পোন প্ৰথমবাৰৰ বাবে মহাপুৰুষ শংকৰদেৱৰ বিষয়ে এটি ভাষণ আগবঢ়াই বিশ্বৰ ধৰ্ম গুৰু সকলৰ মাজত শংকৰদেৱৰ বাবেও ঠাই এখনৰ ব্যৱস্থা কৰা হৈছিল। আমাৰ পূৰ্বে অসমৰ কোনোৱে গুৰুজনাক বিশ্ব ধৰ্ম সভাৰ মঞ্চত দাঙি ধৰিবলৈ প্ৰচেষ্টা চলোৱা নাছিল। আমাৰ এই বিনম্ৰ প্ৰয়াসৰ প্ৰতি ৰাজ্যখনৰ যিসকল ব্যক্তি আৰু শংকৰী ধৰ্মানুষ্ঠানে উদাৰ অন্তৰেৰে আমাক এধানি উৎসাহ-প্ৰেৰণা যোগোৱাটো নিতান্তই বাঞ্ছনীয় আছিল, তেওঁলোকৰ পৰা উৎসাহ-প্ৰেৰণাটো নাপালোৱেই, বৰং তেওঁলোকে আমাৰ প্ৰতি ওলোটা আচৰণহে দেখুৱালে। কিন্তু এগৰাকী সত্ৰাধিকাৰে (যিগৰাকীৰ বিষয়ে তেতিয়ালৈ নামটো শুনাৰ বাহিৰে একোকে জনা নাছিলো) বাতৰি কাকতত আমাৰ উক্ত প্ৰয়াসৰ বিষয়ে পঢ়িবলৈ পাই তেখেতৰ সত্ৰলৈ আদৰ-সাদৰেৰে মাতি নি আমাক ৰাজহুৱা সম্বৰ্ধনা জনাইছিল। উদাৰ মনৰ এই সত্ৰাধিকাৰ গৰাকীয়ে হ'ল শ্ৰীযুত নাৰাযণ চন্দ্ৰ গোস্বামী দেৱ। আজি আমি এই কথাটো ভালদৰে উপলব্ধি কৰিছো যে শ্ৰীযুত গোস্বামীৰ দৰে আৰু কেইগৰাকীমান গভীৰ অধ্যয়ন পুষ্ট, বহল হৃদয়ৰ আৰু শংকৰদেৱক গুৰু মানি তেৰাৰ নীতি-আদৰ্শৰে পৰিচালিত সত্ৰাধিকাৰৰ জন্ম হোৱাহেঁতেন, সত্ৰসমূহে কিছুমান অনাৱশ্যকীয় সমালোচনাৰ সন্মুখীন হ'ব নালাগিলহেঁতেন আৰু জাতিটোৰো মহৎ কল্যাণ সাধন হ'লহেঁতেন। এই গ্ৰন্থখনিয়ে প্ৰকাশৰ মুখ দেখাত আমাৰ লগত সহযোগিতা আগবঢ়োৱাৰ ক্ষেত্ৰত শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চৰ সভাপতি শ্ৰীযুত ডালিম পাঠকৰ নাম প্ৰথমেই ল'ব লাগিব। সৰ্বশ্ৰী নিৰঞ্জন মহন্ত, ভাৰত বৰা, কমল কাকতি, শংকৰ দাস, পৰেশ চন্দ্ৰ বৰদলৈ, কুলেন শইকীয়া, বদন চন্দ্ৰ শইকীয়া, ভগবান মৰল, নৰেন সূত্ৰধৰ, কণিকা পাঠক, মঞ্জুলা কাকতি, ভাৰতী গগৈ, মিনু লাহন আৰু আন কেবাগৰাকী ব্যক্তিৰ ওচৰত আমি ঋণী। গ্ৰন্থখনিৰ পৰা পাঠক সমাজ উপকৃত হ'লেই লেখক আৰু প্ৰকাশকৰ শ্ৰম সাৰ্থক হ'ব বুলি ভাবিছো।

১৪-০৫-০৯ প্ৰভাত চন্দ্ৰ দাস

গ্ৰন্থখনি সম্পৰ্কে যৎকিঞ্চিৎ

ঐতিহ্যপূৰ্ণ নতুন কমলাবাৰী সত্ৰৰ ধৰ্মাধিকাৰ মান্যবৰ শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামীদেৱ যেনেকৈ অসমৰ ধৰ্মীয় জগতত খ্যাতিৰে উজ্জ্বল এটি নাম, সেইদৰে অসমীয়া সাহিত্যতো সুবৃহৎ সুলিখিত গ্ৰন্থ "সত্ৰীয়া সংস্কৃতিৰ স্বৰ্ণৰেখা" আৰু "কীৰ্ত্তন-ঘোষা আৰু নামঘোষাৰ তত্ত্বাৰ্থ সমীক্ষাৰ" যোগেদি এগৰাকী নিপুণ চিন্তাশীল লেখক হিচাপে তেখেত অসমীয়া সাহিত্যতো প্ৰতিষ্ঠিত হৈছে আৰু বৈষ্ণৱ সাহিত্য-সংস্কৃতিৰ সাধকৰূপে তেখেতে পাণ্ডিত্যৰো পৰিচয় দিব পাৰিছে। আন এখনি ব্যতিক্ৰমী আপুৰুগীয়া গ্ৰন্থ "ব্ৰজাৱলী ভাষাৰ ব্যাকৰণ আৰু অভিধানে" তেখেতৰ সুক্ষ্ম ভাষাজ্ঞান আৰু নিখুঁত গৱেষনাৰ প্ৰমাণ দিছে। তেখেতে সম্প্ৰতি শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৱলীৰ সাহিত্য বিচাৰত ব্ৰতী হৈছে আৰু এখন অভিলাষী আঁচনি হাতত লৈছে। আঁচনিখন হ'ল শ্ৰীমন্ত শংকৰদেৱৰ বিপুল সাহিত্য-সম্ভাৰৰ অনুবাদৰ মৌলিকতা বিচাৰ কৰা। খণ্ড খণ্ডকৈ প্ৰকাশ পাবলগীয়া এই গ্ৰন্থখনৰ একত্ৰিত আয়তনো বিপুল হব বুলি আমি তেখেতৰ পৰা জানিব পাৰিছোঁ। গ্ৰন্থৰ নাম "শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ"। এই প্ৰথম খণ্ডত শ্ৰীমদ্ভাগৱত পুৰাণৰ শংকৰদেৱৰ দ্বাৰা অনুদিত, পৰিবৰ্দ্ধিত আৰু সংযোজিত প্ৰথম, দ্বিতীয়, তৃতীয় (অনাদি পাতন), ষষ্ঠ (অজামিল উপাখ্যান) আৰু অষ্টম (অমৃত মন্থন, হৰমোহন আৰু বলিছলন) স্কন্ধৰ সাহিত্য-সমীক্ষা সন্নিৱিষ্ট কৰা হৈছে। গোস্বামীদেৱ এগৰাকী ভক্তিমান অধ্যৱসায়ী লেখক যি ঈশ্বৰ-চিন্তা আৰু সাহিত্য-ৰচনা জীৱনৰ উদ্দেশ্য কৰি লৈছে। শ্ৰীমন্ত শংকৰদেৱ বঁটাৰে সন্মানিত ধৰ্মাচাৰ্য গৰাকীয়ে 'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ'ক যে আশানুৰূপ ৰূপ দিব পাৰিব এই বিষয়ে আমি নিশ্চিত। পিছে এনে এগৰাকী ব্যক্তিয়ে এই অভাজনক পুথিখনৰ বিষয়ে আগকথা হিচাপে কিবা এটা লিখি দিবলৈ কোৱাত অপ্ৰস্তুত হৈ পৰিছিলোঁ নিজৰ সীমাবদ্ধতাৰ প্ৰতি সজাগ হোৱা বাবেই। পিছে

তেখেতে নেৰিলে। তেখেতৰ বাৰংবাৰ অনুৰোধ উলাই কৰিব নোৱাৰি লিখিবলৈ বাধ্য হলোঁ। এই কাৰ্য মোৰ ধৃষ্টতা যেনহে লাগিছে।

শ্ৰদ্ধেয় গোস্বামীদেৱে পোনতে শ্ৰীমন্ত শংকৰদেৱ বিৰচিত বা অনুদিত শ্ৰীমদ্ভাগৱতৰ স্কন্ধ কেইটাৰ সাহিত্য-বিচাৰ কৰি শাস্ত্ৰ ভাগিৰ প্ৰতি পৰম অনুৰাগ প্ৰকাশ কৰিছে। কাৰণ কৃষ্ণ-সংস্কৃতিৰ সবিশেষ বৰ্ণনাৰঞ্জিত এই শাস্ত্ৰভাগিৰ অৱলম্বনতে গুৰুজনাই ধৰ্মশাস্ত্ৰ সমূহ প্ৰণয়ন কৰিছিল। পোনতে লেখকে ইয়াৰ আৰু অন্যান্য প্ৰধান পুৰাণ কেইখনত এটা পাণ্ডিত্য পূৰ্ণ সংক্ষিপ্ত পৰিচয় দাঙি ধৰি শংকৰদেৱৰ অনুদিত ভাগৱত পুৰাণৰ স্কন্ধকেই ৰ সাহিত্য-গুণৰ বিশ্লেষণ বিস্তাৰিতৰূপে দাঙি ধৰাৰ মূল উদ্দেশ্য হ'ল ই ক প্ৰতিপন্ন কৰা যে গুৰুজনা অকল অনুবাদকেই নাছিল, এই কাৰ্য্যত নজৰ মনোভঙ্গী আৰু সৃষ্টিশীলতা যোগ দি তেৰাই সাহিত্য-প্ৰতিভাৰ চিনাকি দিছিল। তাকে দেখুৱাবলৈ গৈ লেখকে মূল শাস্ত্ৰভাগিৰ সকলো শ্লোকৰ লগত গুৰুজনাৰ ৰচনা ৰিজাই চাইছে আৰু মন্তব্য দিছে, মাজে মাজে দীঘল অংশ চমু কৰা হৈছে, চমু অংশৰ মাজে মাজে দীঘল কৰা হৈছে আৰু নতুন কথাও যোগ দিয়া হৈছে, যাৰ ফলত গুৰুজনাৰ অনুবাদ ভালেমান ক্ষেত্ৰত মূলতকৈ অধিক মনোৰম হৈ পৰিছে আৰু সম্পূৰ্ণৰূপে অসমৰ মানুহৰ মানসিকতাৰ লগত খাপ খোৱা এখন শাস্ত্ৰ হৈ পৰিছে, শংকৰদেৱৰ কলমৰ যাদু পৰশত ভাগৱত পুৰাণৰ স্কন্ধকেইটা তেৰাই হে প্ৰণয়ন কৰা যেন লাগিছে। লেখকে যথেষ্ট উদ্ধৃতিৰে ইয়াৰ প্ৰমাণ দিছে। এতিয়ালৈকে অসমৰ কোনো সাহিত্য-সমালোচকে শংকৰদেৱে সুবিধা বুজি মূলৰ পৰা আঁতৰি যোৱা, নিজৰ কল্পনাক ব্যৱহাৰ কৰা, সালসলনি কৰি সোনতে সুৰগা চৰোৱাৰ বিষয়ে বিস্তাৰিত প্ৰমাণ দি অসমীয়া ভাগৱত পুৰাণখনৰ গুণাগুণ বিশ্লেষণ কৰা নাই। এয়া সম্ভৱ হৈছে লেখকৰ সংস্কৃত, পুৰণি অসমীয়া আৰু আধুনিক অসমীয়া ভাষাত সমানে ব্যুৎপত্তি থকা কাৰণেই। তদুপৰি তেখেতৰ প্ৰখৰ স্মৃতিশক্তিয়েও এই ক্ষেত্ৰত সহায় কৰিছে যেন লাগে। তেখেতে বিবিধ দৃষ্টান্ত আৰু উদ্ধৃতি দি বিশ্বাসযোগ্যভাৱে উপস্থাপন কৰিব পাৰিছে যে শংকৰদেৱৰ ব্যতিক্ৰমী সৰস অনুবাদে সমগ্ৰ শ্ৰীমদ্ভাগৱত খনকে সাহিত্যগুণেৰে মহিমামণ্ডিত কৰিছে। গুৰুজনাই মাজে মাজে মূল ভাগৱতৰ ভালেমান শ্লোক বাদ দি চমু কৰিছে, কেতিয়াবা আকৌ

এটা শ্লোকৰ আধাৰতে ভালেমান কথা কৈছে, গছ-গছনি আৰু ফুলৰ অনুবাদ কৰোঁতে আঞ্চলিক নাম দিছে, অধিক নাটকীয় সংঘাতৰো সৃষ্টি কৰিছে আৰু ভয়াবহ বৰ্ণনাক অধিক ভয়াবহ কৰি তুলিছে। এইবোৰৰ উদাহৰণ দিবৰ বাবে লেখকে প্ৰচুৰৰূপে উদ্ধৃতি দিয়াৰ ফলত গ্ৰন্থখনি অতিশয় মনোগ্ৰাহী হৈছে। অনুবাদৰ বহু অংশ নিমজ আৰু খোকোজা নলগা বিধৰ হোৱা বাবে ই সকলোৰে বোধগম্য হৈছে।

গোস্বামীদেৱৰ ভাগৱত পুৰাণৰ মৌলিকতা বিচাৰত এটি বিশেষত্ব চকুত পৰিছে। তেখেতৰ এই গ্ৰন্থখনি পঢ়ি গ'লে পুথিখন নপঢ়াকৈয়ে প্ৰধান আখ্যান-উপখ্যান সমূহ জানিব পাৰি। এই ক্ষেত্ৰত বহু উদ্ধৃতিয়ে প্ৰভূত সহায় কৰিছে। উদ্ধৃতি সমূহৰ পৰাই শ্ৰীমন্ত শংকৰদেৱৰ ভাষাৰ যাদুস্পৰ্শ আৰু প্ৰকাশভঙ্গীৰ সাবলীতাৰ আভাস পাব পাৰি। এই গ্ৰন্থখনি ৰচনা কৰি মান্যবৰ গোস্বামীদেৱে শংকৰী সাহিত্যৰ সমালোচনাত এক সজীৱ অভিনৱ মাত্ৰা দান কৰিছে। আশা কৰিছোঁ, ই একশৰণ হৰিনাম ধৰ্মৰ অগণন অনুগামী আৰু সাহিত্যমোদী সকলৰ সমাদৰ লাভ কৰিব। গোস্বামী প্ৰভুক অভিনন্দন যাচি 'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ'ৰ বাকীকেইটা খণ্ড পঢ়িবলৈ আশাৰে বাট চাই ৰলোঁ — কিমধিকমিতি—

পহিলা জানুৱাৰী, ২০০৯
গনেশগুৰি, ৰাজবাৰী পথ
গুৱাহাটী-৭৮১০০৫

ড° লক্ষ্মীনন্দন বৰা
প্ৰাক্তন সভাপতি
অসম সাহিত্য সভা

মুখবন্ধ

ভাৰতীয় সাহিত্য কলা সংস্কৃতিৰ এটি প্ৰধান আৰু উল্লেখযোগ্য অঙ্গ হ'ল অসমীয়া সাহিত্য কলা সংস্কৃতি। ইয়াৰ পৰম্পৰা, বিকশিত ৰূপটি কেতিয়া, কেনেকৈ, কেনেধৰণেৰে আৰম্ভ হৈছিল, তাৰ এটি থূল মূল আভাস পৰবৰ্ত্তী সাহিত্য সাধক সকলে নানা যুক্তি সহকাৰে তথা ঐতিহাসিক মূল্যাদিৰে প্ৰতিপন্ন কৰি বিশেষ বিশেষ স্থানত লিখি প্ৰকাশ কৰিছে। আমি সেই বিষয়টি পুনৰাবৃত্তি কৰিব ি ৰা নাই। প্ৰয়াত ড° মহেশ্বৰ নেওগ ডাঙৰীয়াই "অসমীয়া সাহিত্যৰ ৰূপৰেখা নামৰ প্ৰস্তুত প্ৰাক্ শঙ্কৰ যুগৰ কবিসকলৰ নাম প্ৰকাশ কৰিছে। মাধৱ কন্দলি, হ ৰবৰ বিপ্ৰ, হেম সৰস্বতী, কবিৰত্ন সৰস্বতী, আদি কৰি কবি সাহিত্যকাৰ সকলে অ সমীয়া ভাষাত মূল্যবান পুথি ৰচনা কৰি গৈছে। সিসকলৰ কাব্য প্ৰতিভাৰ বিষয়ে কিছু তথ্য সেই গ্ৰন্থখনিত পোৱা যায়। প্ৰাক্ শঙ্কৰ যুগৰ অসমীয়া ভাষাত ৰচিত শাস্ত্ৰ আৰু শঙ্কৰদেৱ মাধৱদেৱৰ ৰচিত শাস্ত্ৰীয় ভাষাৰ মাজত কিছু পাৰ্থক্য পৰিলক্ষিত হৈছে। সেইদৰে শাস্ত্ৰ ৰচনাৰ লক্ষ্য আৰু উদ্দেশ্যৰ মাজতো ব্যৱধান আছে। তদানীন্তন অসমত বৈষ্ণৱ ধৰ্ম্মই বিশেষভাবে খোপনি পুতিব পৰা নাছিল। সেই কবি সকলৰ শাস্ত্ৰোক্তি কালৰ পৰা সেই কথা প্ৰতীয়মান হয়। পূৰ্ব্ব কবি অপ্ৰমাদী মাধৱ কন্দলিয়ে তেওঁৰ ৰামায়ণী সাহিত্যত বিষ্ণুৰ কথা প্ৰকাশ কৰিলেও শৈৱ আৰু শাক্তৰ বিষয়েও কৈছে। তেওঁৰ ৰচনাত শাক্ত পূজাত ছাগ বলি দিয়াৰ কথা কেইবাঠাইতো উনুকিয়াইছে। এতেকে তেওঁৰ সমসাময়িক কবি সকলেও তদানীন্তন অৱস্থাত বৈষ্ণৱ সংস্কৃতিক সৰ্ব্বমান্য ৰূপ দিব পৰা নাছিল। কৃষ্ণ ভক্তি আৰম্ভ হৈছিল দক্ষিণ ভাৰতত। সৰ্ব্বপ্ৰথম ভক্তি আন্দোলনে দক্ষিণ ভাৰতত ভূমুকি মাৰি ক্ৰমে বিভিন্ন স্থানলৈ ই সম্প্ৰসাৰিত হ'বলৈ ধৰে আৰু আঞ্চলিক বিশেষে এই ৰূপটিত স্থানীয় ৰূপ প্ৰবেশ কৰি ইয়াৰ বৈভৱ নিজা নিজা ৰূপেৰে আত্ম প্ৰকাশ কৰিবলৈ লয়। দক্ষিণ ভাৰতৰ বৈষ্ণৱ আলৱাৰ সকলে প্ৰচাৰ কৰা বৈষ্ণৱ সংস্কৃতিৰ লগত অসমৰ শঙ্কৰদেৱৰ প্ৰবৰ্ত্তিত বৈষ্ণৱ ধৰ্ম্মৰ মাজত সেই কাৰণে কিছু প্ৰভেদ পৰিলক্ষিত হৈছে। শঙ্কৰদেৱৰ একশৰণ নাম ধৰ্ম্মৰ মাজত ভাগৱতীয় পৰম্পৰাৰ কৃষ্ণ সংস্কৃতিয়ে "একমেৱাদ্বিতীয়ম্" সূত্ৰৰ আধাৰতে আধাৰিত হৈছে।

শ্ৰীমদ্ভাগৱত মহাপুৰাণখন কৃষ্ণ সংস্কৃতিৰ এখন প্ৰধান পুথি আৰু ইয়াৰ অৱলম্বনতে গুৰুজনাই ধৰ্ম শাস্ত্ৰসমূহ ৰচনা কৰি ধৰ্ম্ম প্ৰচাৰ কৰিছিল। অৱশ্যে লুপ্তপ্ৰায় ৰামায়ণী সাহিত্যৰ আদি কাণ্ড আৰু উত্তৰা কাণ্ড ক্ৰমে মহাপুৰুষ মাধৱদেৱ আৰু মহাপুৰুষ শঙ্কৰদেৱে পদ্যভাগ সমাপ্ত কৰে আৰু লগতে ৰাম বিজয় অঙ্কীয় নাটখনিও। মাধৱদেৱে "ৰামযাত্ৰা" নামৰ এখনি ৰামায়ণী নাটক লিখি অভিনীত কৰা কথাও কথাগুৰু চৰিত পুথিত আছে। অৱশ্যে সেই খনি নাট্য সাহিত্যৰ ভাণ্ডাৰত দুষ্প্ৰাপ্য। তথাপি গুৰুদুজনাৰ ৰচনাত ৰামায়ণী সংস্কৃতিৰ প্ৰধান পুৰুষ ৰাম চন্দ্ৰক তেৰাসকলৰ প্ৰধান উপাস্য দেৱতাৰূপে প্ৰতিষ্ঠিত কৰি ৰখা নাই।

'শঙ্কৰদেৱৰ সময়ত শৈৱ শাক্তৰ একাকাৰ হৈ নৰবলি পৰ্য্যন্ত চলিছিল। শঙ্কৰদেৱৰ উপৰি পুৰুষ সকলো শাক্তই আছিল। আনকি শঙ্কৰদেৱৰ বাল্যাৱস্থাতো তেওঁৰ পিতৃ পুৰুষে শক্তি উপাসনা কৰিছিল। কিন্তু নৰবলি বিধানৰ ব্যৱস্থা তেওঁলোকৰ নাছিল। গুৰুজনাই সৰুকালৰ পৰাই পিতৃ ধৰ্ম্মৰ ওপৰত চোকা দৃষ্টি ৰাখিছিল। বয়স বাঢ়ি অহাৰ লগে লগে গুৰুজনাই ইয়াৰ ঘোৰ বিৰোধীতা কৰিছিল। ছাত্ৰাৱস্থাত থাকোঁতে গুৰুজনাই লিখা কোমল গীত (কৰতল কমল) আৰু "হৰিশ্চন্দ্ৰ উপাখ্যান" কাব্যখনিৰ পৰাই তাৰ এটি স্পষ্ট ইঙ্গিত পোৱা যায়। কেৱল সেয়ে নহয়-পিছৰ কালৰ বয়সতো গুৰুজনাৰ নিজ কাপৰ পৰা প্ৰকাশিত গধুৰ তত্ত্বপূৰ্ণ শাস্ত্ৰসমূহেও একে বিষয়কে আমাক সোঁৱৰাইছে। বহু লোকে নিজ পিতৃধৰ্ম্ম ত্যাগ অপৰাধ বুলি যুক্তি দিব খোজে। কিন্তু দেখা যায় যে ভাগৱতাদি শাস্ত্ৰ সমূহত পুত্ৰ কন্যাই পিতৃধৰ্ম্ম পালন নকৰাৰ দৃষ্টান্ত আছে। উদাহৰণ স্বৰূপে প্ৰহলাদে নিজ পিতৃ হিৰণ্যকশিপুৰ বামানয় শাস্ত্ৰ মান্য কৰা নাছিল। বলিয়ে কুলগুৰু শুক্ৰাচাৰ্য্যৰ আদেশ পালন কৰা নাছিল।

গুৰুজনাৰ শাস্ত্ৰ ৰচনাৰ মূল লক্ষ্য আৰু উদ্দেশ্য আছিল পৃথক ধৰণৰ। 'শাস্ত্ৰ' শব্দটিয়ে শাসন কৰা অৰ্থ বুজায় (শাস্+ ত্ৰ = শাস্ত্ৰ, অথবা শাস্+ ত্ৰায়তে ইতি শাস্ত্ৰ)। শাসনৰ ভাগ দুবিধ। এবিধ ৰাজনৈতিক আৰু আনবিধ ধৰ্ম্মীয়। ৰাজনৈতিক নেতাসকলে তেওঁলোকৰ হাতত থকা ক্ষমতাৰে প্ৰজাক শাসন কৰে আৰু ধৰ্ম্মগুৰু সকলে শাস্ত্ৰ সমূহৰ যোগে শিষ্য সকলক আধ্যাত্মিক চিন্তা-চৰ্চা আৰু নৈতিক শিক্ষাৰে শিক্ষিত কৰি মানৱতা প্ৰতিষ্ঠা কৰে। ৰাজনৈতিক শক্তিৰে কৰা শাসনৰ মাজত খুঁত থাকে বা তাত কেৰোণ থাকি যায়। কিন্তু শাস্ত্ৰ সমূহৰ

যোগে মানৱ সমাজক শাৰীৰিক আৰু মানসিক ভাৱে ঈশ্বৰমুখী কৰি দেৱত্বৰ শাৰীলৈ উন্নীত কৰাই দিয়াৰ পিছত আৰু একো কামেই নাথাকে। সেইকাৰণে শাস্ত্ৰ অধ্যয়ন আৰু অনুশীলনৰ অতি আৱশ্যক। গুৰুজনাৰ শাস্ত্ৰ ৰচনাৰ মূল লক্ষ্য আছিল সেইটিয়েই। মাজে মাজে অসন্ত সমাজক মূল সুতিলৈ ঘূৰাই অনা আৰু শান্তি সম্প্ৰীতিৰ স্বাৰ্থত গুৰুজনাই শাস্ত্ৰ ৰচনা কৰিবলগীয়া হৈছিল। নানা ঘাত-প্ৰতিঘাত সীমামূৰীয়া অসন্ত সমাজৰ অত্যাচাৰ, ৰজাঘৰীয়াৰ শেন চকু আৰু বিৰোধৰ ফলত উদ্ভৱ হোৱা পৰিস্থিতিত পৰি গুৰুজনে স্থান সলনি কৰি কৰি তাৰ মাজতে সুৰুঙা উলিয়াই শাস্ত্ৰ ৰচনা কৰিছিল। গুৰুজনাৰ শাস্ত্ৰ ৰচনাৰ কেইবাটিও বিভাগ আছে। সেই ভাগ সমূহ তলত দাঙি ধৰা হ'ল। যেনে -

১) প্ৰথম স্কন্ধ-
২) দ্বিতীয় স্কন্ধ-
৩) তৃতীয় স্কন্ধ- (অনাদি পাতন)
৪) ষষ্ঠ স্কন্ধ- (অজামিল উপাখ্যান)
৬) দশম স্কন্ধ- (আদ্য দশম, শেষ দশম = কুৰুক্ষেত্ৰ)
৭) একাদশ স্কন্ধ
৮) দ্বাদশ স্কন্ধ
৯) কীৰ্ত্তন ঘোষা
১০) নিমি নৱ সিদ্ধ সংবাদ
১১) ভকতি প্ৰদীপ
১২) ৰামায়ন (উত্তৰাকাণ্ড)
১৩) হৰিশ্চন্দ্ৰ উপাখ্যান
১৪) ৰুক্মিণী হৰণ (কাব্য)
১৫) বড়গীত
১৬) গুণমালা
১৭) টোটয় (কোমল গীত সহ)
১৮) ভটিমা
১৯) কালিয় দমন (নাটক)
২০) পত্নী প্ৰসাদ (নাটক)
২১) কেলি গোপাল (নাটক)

২২) ৰুক্মিণী হৰণ (নাটক)

২৩) পাৰিজাত হৰণ (নাটক)

২৪) ৰাম বিজয় (নাটক)

২৫) ভক্তি ৰত্নাকৰ (সংস্কৃত-ভক্তি সাহিত্য)

ইয়াৰ বাহিৰেও গুৰুজনাৰ ৰচিত কেইবাখনিও নাট্যসাহিত্য বহু কাৰণত হেৰোৱা বুলি কবি সাহিত্যিক সকলে অভিমত দাঙি ধৰিছে। সি যি কি নহওক, যিখিনি এতিয়া আমাৰ হাতত সঞ্চিত হৈছে সেই খিনিয়েই যথেষ্ট। গুৰুজনাৰ ৰচিত কীৰ্ত্তনঘোষা শাস্ত্ৰ আৰু মাধৱদেৱৰ নামঘোষা শাস্ত্ৰ-এই দুখনিয়েই গুৰুদুজনাক বিশ্বত যুগজয়ী, কালজয়ী কৰি ৰাখিছে। উক্ত দুয়োখনি পুথি অসমীয়া সমাজৰ অতি আপোন আৰু দাপোন দুয়োটিয়েই। প্ৰতিখন ঘৰত নহ'লেও নামঘৰ, পুথিভৰাঁল আদিত দুয়োখনি পুথিয়েই বিদ্যমান। ভাগৱতখনিও সৰ্ব্বজন সমাদৃত হৈ আছেই।

বহু সভা সমিতিত বক্তা সকলৰ মুখত আৰু দুই এগৰাকী ব্যক্তিৰ লিখিত ৰূপত শুনি আৰু জানিবলৈ পাওঁ যে শঙ্কৰদেৱ আৰু মাধৱদেৱৰ সাহিত্য কৃতি কেৱল অনুবাদ মূলকহে, ইয়াত কোনো সৃষ্টি মূলক কৃতিত্বৰ দাবী কৰিব পৰা নাযায়। আমিও এনে মন্তব্যৰ ওপৰত কিবা ক'বলৈ বা লিখিবলৈ দোধোৰ-মোধোৰত পাৰিছিলো। কাৰণ কিবা একোটা গুৰুত্বপূৰ্ণ বিষয়ত চৰ্চ্চা, অনুধাবন নকৰাকৈ যি কোনো কথা কোৱাও টান। তথাপি আমি বহুদিন এই বিষয়টি সম্পৰ্কে মনত ৰাখি সময় সাপেক্ষে ইয়াৰ এটি সিদ্ধান্ত অনাৰ কাৰণে মনতে পুহি ৰাখিলোঁ। সেই বিষয়টি আজিৰ পৰা দুবছৰমানৰ আগতে গুৱাহাটীৰ "বুক হাইভৰ" গৰাকী শ্ৰীযুত বিজয় কুমাৰ দত্তৰ অনুৰোধ অনুসৰি অসমীয়া শ্ৰীমদ্ভাগৱত পুৰাণ খনি সম্পাদনাৰ দায়িত্ব গ্ৰহণ কৰাৰ বাট মুকলি হয় আৰু ভাগৱতখন আদ্যন্ত চোৱাৰ সুযোগ পাওঁ। সেই সুবিধাতে গুৰুজনাৰ পদৰ লগত ভাগৱতৰ সংস্কৃত মূলৰ পাৰ্থক্য মিলাই চাবলৈ প্ৰয়াস কৰোঁ। আমি প্ৰথম স্কন্ধ ভাগৱত খনিত চকু ফুৰায়েই জানিব পাৰিলোঁ যে গুৰুজনাই মূল শ্লোকক মূলতে ৰাখি তেৰাৰ নিজৰ মতেৰেহে তাক সজাইছে। কোনো কোনো ঠাইত মূল শ্লোকৰ সামান্যাংশৰ সংক্ষিপ্ত ৰূপটিক নতুন ৰূপ দি তাক এনেদৰে বহলাইছে, যেন সেইখিনি ভাগৱতৰ কথাহে। এনেদৰে যাওঁতে যাওঁতে শেষলৈ ইয়াৰ অধিক ৰূপ আমাৰ দৃষ্টিলৈ আহে। বহুতে দশম স্কন্ধ ভাগৱতৰ সমস্ত শ্লোক গুৰুজনাই

অনুবাদ (এৰাধৰা নকৰাকৈ) কৰিছে বুলিছে। সেইটি সঁচা নহয়। গুৰুজনাৰ অনুবাদত ভাগৱতৰ বহু শ্লোক বাদ দিয়া হৈছে। ইয়াৰ ভিতৰত একাদশ স্কন্ধ ভাগৱতে প্ৰথম স্থান অধিকাৰ কৰিছে। আমি প্ৰতি স্কন্ধৰ আলোচনা কৰোঁতে তাৰ গৃহীত আৰু বৰ্জ্জিত শ্লোকৰ সংখ্যা, গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা আদি সমস্ত দিশ আমাৰ "পথা অনুৰূপে পথী" ৰূপে চালি-জাৰি চাই দাঙি ধৰিছোঁ। সেইদৰে গুৰুজনাৰ সমস্ত খণ্ড, অনুখণ্ডবোৰতো আমাৰ সামৰ্থ্য অনুসৰি বিচাৰ বিশ্লেষণ কৰা হৈছে। এই গ্ৰন্থখনিৰ নাম "শ্ৰীমন্ত শঙ্কৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ" দিয়া হৈছে যদিও ইয়াৰ মৌলিকতা বিচাৰ পদ্ধতি বা সমীক্ষাৰ নিৰূপিত সংজ্ঞাৰ ধাৰণা কিমান দিব পাৰিছোঁ, সেয়া পাঠক সকলেহে বিচাৰ কৰিব পাৰিব। গ্ৰন্থখনিৰ কথা জানিব পাৰি আমাৰ চিৰ পৰিচিত শ্ৰীযুত প্ৰভাত চন্দ্ৰ দাস মহোদয়ে "শ্ৰীমন্ত শঙ্কৰদেৱ সচেতন মঞ্চ, অসম" নামৰ অনুষ্ঠানটিৰ যোগে প্ৰকাশ কৰিবলৈ সিদ্ধান্ত গ্ৰহণ কৰে আৰু ইয়াক খণ্ড খণ্ডকৈ প্ৰকাশৰ ব্যৱস্থা লয়। আমি ভাবিছোঁ যে গ্ৰন্থখনি এহেজাৰ পৃষ্ঠাৰ অধিক হ'ব পাৰে। সেয়ে ৩ টি মান খণ্ডতহে হয়তো শেষ হ'বগৈ। যি কি নহওক আমি গ্ৰন্থখনি শ্ৰীমন্ত শঙ্কৰদেৱ সচেতন মঞ্চৰ জৰিয়তে ৰাইজৰ মাজলৈ ওলাই অহাত আনন্দিত আৰু গৌৰৱান্বিত বোধ কৰিছোঁ। মঞ্চৰ সভাপতি, সম্পাদক প্ৰমুখ্যে সদস্যবৃন্দলৈ আৰু সংশ্লিষ্ট সমাজলৈ ধন্যবাদ আৰু কৃতজ্ঞতা জনাই পাঠকসকলৰ পৰা মতামত বিচাৰি ভূমিকাৰ ইতিৰেখা টনা হ'ল।

শ্ৰীনাৰায়ণ চন্দ্ৰ গোস্বামী, সত্ৰাধিকাৰ
শ্ৰীশ্ৰীকমলাৰাৰী সত্ৰ, মাজুলি
তাং - ৫ মাঘ, সোমবাৰ (ইং - ১৯/০১/০৯)

ভূমিকা

ভাৰতবৰ্ষ ধৰ্ম আৰু আধ্যাত্মিকতাৰ দেশ বুলি বিশ্ববাসীয়ে শ্ৰদ্ধা কৰি আহিছে কেবাগৰাকী ইউৰোপীয় মনীষিয়ে এই দেশৰ মাটিত ওপজা জ্ঞানৰ গভীৰতা আৰু বিশালতাত মুগ্ধ হৈ ভাৰতক ভূয়সী প্ৰশংসা কৰি গৈছে। তেওঁলোকৰ ভিতৰত প্ৰাতঃস্মৰণীয় মনীষি গৰাকীয়েই হ'ল জাৰ্মান সংস্কৃত পণ্ডিত মেক্স মূলাৰ। পশ্চিমৰ জনগণে ভাৰতবৰ্ষৰ পৰা কেনেধৰণৰ শিক্ষা ল'ব পাৰে সেই বিষয়ে তেওঁ বহলাই ব্যাখ্যা কৰিছে।[১]

ভাৰতীয় চিন্তাধাৰাৰ বিকাশত চাৰিটা উল্লেখযোগ্য স্তৰ পোৱা যায়। এক, বেদৰ কৰ্মকাণ্ডৰ স্তৰ। এই স্তৰতে প্ৰাকৃতিক পৰিঘটনা সমূহৰ বিজ্ঞানসম্মত ব্যাখ্যা দিব নোৱাৰি সিবিলাকৰ ওপৰত দেৱত্ব আৰোপ কৰা হৈছিল। দুই, উপনিষদৰ স্তৰ। এই স্তৰত মানুহে জ্ঞান চৰ্চাৰ প্ৰতি আকৰ্ষিত হৈ পৰে। জ্ঞানৰ বলেৰে বিশ্ব ব্ৰহ্মাণ্ডক জনাৰ বাবে আগ্ৰহী হয়। তিনি, ষড় দৰ্শনৰ স্তৰ। এই স্তৰত মানুহৰ ব্যৱহাৰিক জীৱনবোধৰ ভিন্নমুখী প্ৰকাশ ঘটে। জন্ম-মৃত্যুৰ পৰা পৰিত্ৰাণ, দুখ নিবাৰণ আৰু মুক্তিৰ প্ৰচেষ্টা আৰু এই স্তৰতে জ্ঞান-মাৰ্গক সৰ্বাধিক গুৰুত্ব দিয়া হয় আৰু চাৰি, পুৰাণৰ স্তৰ। এই স্তৰতে বিশ্বব্ৰহ্মাণ্ডৰ সৃষ্টিকৰ্তাৰ লীলা-গুণ-যশৰে পৰিপূৰ্ণ সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ শ্ৰীমদ্ভাগৱত ৰচিত হয়। কিন্তু শ্ৰীমদ্ভাগৱতৰ দৰে ভগবান কৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু ভক্তি ধৰ্ম প্ৰকাশক সৰ্বশ্ৰেষ্ঠ গ্ৰন্থখনি সৃষ্টি হবৰ বাবে এক সুদীৰ্ঘ পৰিক্ৰমা আৰু প্ৰস্তুতিৰ প্ৰয়োজন হৈছিল।

বেদকেইখনে ভাৰতীয় সভ্যতা আৰু সাহিত্য-সংস্কৃতিৰ পৃষ্ঠভূমি ৰচনা কৰে। মেক্স মূলাৰৰ মতে আনুমানিক খৃঃ পূঃ ১০০০ বছৰ পূৰ্বে ঋগ্বেদ ৰচিত হৈছিল। তেওঁ ইয়াকো কয় যে — পৃথিৱীত এনে কোনো তত্ত্ব বা পদ্ধতি নাই যাৰ মাধ্যমেৰে ঋগ্বেদৰ সঠিক কাল নিৰ্ণয় কৰাটো সম্ভৱ। উইণ্টাৰনিজে সিদ্ধান্ত দি কৈছে যে— খৃঃ পূঃ ৩০০০-২৫০০ বছৰ আগতে বেদ প্ৰথম ৰচিত হয় আৰু খৃঃ পূঃ ৭৫০-৫০০ বছৰৰ ভিতৰত বৈদিক সাহিত্যৰ স্তৰ আছিল। বেদ সমস্ত ধৰ্ম আৰু জ্ঞানৰ ভঁৰাল।[২] যাজ্ঞবল্ক ঋষিৰ মতে যি জ্ঞান প্ৰত্যক্ষ বা অনুমানৰ দ্বাৰা জানিবৰ উপায় নাই, সেই জ্ঞান

বেদাধ্যয়নৰ দ্বাৰা সহজে উপলব্ধ হয়।[৩] বেদ গুৰু-শিষ্য পৰম্পৰাৰূপে বহুকাল ধৰি প্ৰবাহিত হৈ অহাৰ পাছত তাক লিপিবদ্ধ কৰা হয়। সেয়ে বেদৰ এটা নাম শ্ৰুতি[৪]। বেদৰ মুখ্য ভাগ দুটা— মন্ত্ৰ আৰু ব্ৰাহ্মণ। ব্ৰাহ্মণ অংশ আকৌ দুভাগে বিভক্ত— আৰণ্যক আৰু উপনিষদ। মন্ত্ৰৰ আন এটা নাম সংহিতা। ঋগ্বেদৰ অনেক শাখা পোৱা যায়। ব্যাসদেৱে বেদৰ সম্পূৰ্ণ শিক্ষা প্ৰথমে তেওঁৰ শিষ্য পৈলক প্ৰদান কৰে। তেওঁৰ পৰা নানান ঋষি-মুনিয়ে এই শিক্ষা লাভ কৰাত বেদৰ অনেক শাখা-প্ৰশাখাৰ সৃষ্টি হয়। কিন্তু শাখাৰ সংখ্যা সম্পৰ্কে খাটাংকৈ কব পৰা নাযায়। ঋগ্বেদৰ উদ্ধাৰ হোৱা পাঠসমূহত শাখাৰ সংখ্যা ভিন্ ভিন্ হিচাপে পোৱা যায়। কূৰ্মপুৰাণ মতে — ঋগ্বেদৰ একৈশটা শাখা আছে।[৫] এই মত মুক্তিকোপনিষদ[৬] আৰু অহিৰ্বুধ্ন্য সংহিতায়ো মানি লৈছে। আনকি এই সংখ্যাটো প্ৰপঞ্চহৃদয়ে (বেদ প্ৰকৰণ) আৰু পতঞ্জলিয়েও মানি লোৱা দেখা যায়। অৱশ্যে অনুভাষ্য মতে সেই সংখ্যা চৌবিশ। কিন্তু সৰহভাগ ঋষিৰ মতে ঋগ্বেদৰ ভাগ একৈশটা। বায়ু পুৰাণত ঋগ্বেদৰ শাখা সমূহৰ বিস্তৃত ব্যাখ্যা দিয়া হৈছে।[৭] ব্ৰহ্মাণ্ড পুৰাণে[৮] সামান্য সাল-সলনিৰে বায়ুপুৰাণৰ দৰেই বৰ্ণনা দাঙি ধৰিছে। বিষ্ণুপুৰাণ, অগ্নিপুৰাণ, আৰু কূৰ্মপুৰাণত উল্লেখ থকা কেইটামান প্ৰধান শাখা হল— শাকল, বাষ্কল, মাণ্ডুকায়ন, আশ্বায়ন, শাংখ্যায়ন, ঐতেৰেয়, কৌশিতকী আদি। বেদৰ সূত্ৰভাগ তিনি প্ৰকাৰে বিভক্ত— শ্ৰৌতসূত্ৰ, গৃহ্যসূত্ৰ আৰু ধৰ্মসূত্ৰ। চাৰিও বেদৰ শ্ৰৌতসূত্ৰও অনেক পোৱা যায়। ইপিনে প্ৰতিশাখ্য হল— এক শ্ৰেণীৰ বৈদিক ব্যাকৰণ। বেদৰ ৰক্ষা বা বেদাৰ্থ বিচাৰৰ বাবে এই শ্ৰেণীৰ গ্ৰন্থৰ প্ৰয়োজন হয়। চাৰিও বেদক শৰীৰ বুলি ধৰি লৈ ছয় বেদাঙ্গক তাৰ একোটি অঙ্গ বুলি ধৰা হৈছে।[৯] ছয় বেদাঙ্গৰ ভিতৰত চাৰিটা-ভাষাৰ লগত জড়িত, যেনে— শিক্ষা (Educational Institution), নিৰুক্ত (The science of etymological interpretation or exposition of Vedic words), ছন্দ (Metrical science) আৰু কল্প (Rules to be observed before any other rules)। আন দুটা হল— ব্যাকৰণ আৰু জ্যোতিষ। কল্পৰো ভাগ দুটা— এটা শ্ৰৌতসূত্ৰ (Aphorism prescribed in the *Veda*) আৰু আনটো গৃহ্যসূত্ৰ (Domestic aphorism)। ড° সুনীতি কুমাৰ চেটাৰ্জীৰ অধ্যক্ষতাত ১৯৫৬ চনত ভাৰত চৰকাৰে প্ৰস্তুত কৰা 'সংস্কৃত কমিছন'ৰ

প্ৰতিবেদনত এটা কথা প্ৰকাশ কৰা হৈছিল যে, 'The *Vedas* form the bedrock of Sanskrit literature and Indian culture, and what is more, they have played the most important role in modern researches in comparative philology and religion. (p. 209) উক্ত প্ৰতিবেদনত ইয়াকো উল্লেখ কৰা হৈছে যে, 'In Assam, Bengal and Orissa Vedic tradition is practically extinct (p. 120)। অৰ্থাৎ— অসম, বঙ্গ, আৰু উৰিষ্যাত বেদ চৰ্চাৰ প্ৰাচীন পৰম্পৰা প্ৰায় বিলুপ্ত হৈছে। অৱশ্যে ইউৰোপৰ বিভিন্ন দেশত ১৯শ শতিকাৰ শেষ ভাগৰপৰা বেদৰ ব্যাপক চৰ্চা আৰম্ভ হৱলৈ ধৰে।

পূৰ্বে উল্লেখ কৰি অহা হৈছে যে, ব্ৰাহ্মণৰ শেষ ভাগ আৰণ্যক[১০] আৰু আৰণ্যকৰ শেষ ভাগ উপনিষদ। ধৰ্মীয় দৃষ্টিকোণৰ পৰা বেদৰ ভাগ দুটা— কৰ্মকাণ্ড আৰু জ্ঞানকাণ্ড। ব্ৰাহ্মণ গ্ৰন্থসমূহৰ বিষয়বস্তু কৰ্মকাণ্ড প্ৰধান আৰু উপনিষদসমূহ জ্ঞানকাণ্ড প্ৰধান। বেদৰ ব্ৰাহ্মণ ভাগক ভিত্তি কৰি জৈমিনীয়ে ৰচনা কৰে পূৰ্ব মীমাংসা দৰ্শন; আনহাতে উপনিষদ সমূহক ভিত্তি কৰি বাদৰায়ণে ৰচনা কৰে উত্তৰ মীমাংসা দৰ্শন বা ব্ৰহ্ম মীমাংসা বা বেদান্ত দৰ্শন। অৱশ্যে বাদাৰায়ণে তেওঁৰ পূৰ্ববৰ্তী কেইগৰাকীমান বৈদান্তিকৰ নাম আৰু তেওঁলোকৰ মত সম্পৰ্কে ব্ৰহ্মসূত্ৰত উল্লেখ কৰিছে। যেনে, জৈমিনি, অত্ৰেয়, কাৰ্ষ্ণাজিনি, বাদৰি আদি। আনহাতে তেওঁলোকৰ লগত মতৰ অমিল থকা দিশবোৰ হল—

১। মোক্ষৰ স্বৰূপ (ব্ৰহ্মসূত্ৰ ৪।৫-৭)

২। অধ্যাত্ম সাধনাৰ বাবে সন্যাসৰ প্ৰয়োজনীয়তা,(ঐ৩।৩।৪।১৮-২০)

৩। জীৱ-ব্ৰহ্ম সম্পৰ্ক আদি।

গীতা হ'ল সকলো উপনিষদৰ সাৰভাগ—

সৰ্ব্বোপনিষদো গাৱো দোগ্ধা গোপালনন্দন।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।।

অৰ্থাৎ—সকল উপনিষদ ধনু দোগ্ধা ভৈল তাৰ নন্দ সূত
তাৰ বৎস ভৈল কুন্তীসূত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি স' ল সন্তোষে পান কৰয়।। নামঘোষা

উপনিষদৰ সংখ্যা ২৭৫ খন যদিও মুখ্য উপনিষদ ১৩ খনহে, যেনে, ঈশ, কেন, কঠ, মণ্ডুক্য, মাণ্ডুক্য, প্ৰশ্ন, ঐতেৰেয়, তৈত্তিৰীয়, ছান্দোগ্য, বৃহদাৰণ্যক, শ্বেতাশ্বেতৰ, কৌষিতকী আৰু নৃসিংহতাপিনী। মুখ্য ১৩ খন উপনিষদৰ ওপৰতে আচাৰ্যসকলে ভাষ্য প্ৰণয়ন কৰি গৈছে।

বেদৰ পাততেই একেশ্বৰবাদী চিন্তাৰ উন্মেষ ঘটিছিল যদিও, বেদৰ মন্ত্ৰ দ্ৰষ্টা ঋষিসকলে বেদত ভুমুকি মৰা সৰ্বময়কৰ্তা গৰাকীক স্পষ্টভাৱে চিনাকি কৰি দি ঈশ্বৰ প্ৰাপ্তিৰ সহজ মাৰ্গ দেখুৱাব পৰা নাছিল। বৰং ব্ৰহ্মাৰ দৰে মহাজ্ঞানী জনেও বেদত ঈশ্বৰৰ অস্তিত্ব বিচাৰি পাবলৈ কেবাবাৰো বেদাধ্যয়ন কৰিব লগা হৈছিল—

চাৰিও বেদক ব্ৰহ্মায়ে আনি।
বিচাৰিলা তিনিবাৰ প্ৰমাণি।।
এহিমানে মাত্ৰ কৰিলা সাৰ।
হৰি কীৰ্ত্তনেসে তৰে সংসাৰ।। (কীৰ্ত্তন ঘোষা)।

একেশ্বৰবাদ চিন্তাৰ উপৰি বেদৰ পাতত ভক্তিও সজীৱ হৈ উঠিছিল[১১]। শংকৰদেৱে লিখিছে—

পূৰ্ব্বত ব্ৰহ্মায়ে এক চিত্তে তিনিবাৰ।
বেদত বিচাৰি এহি মাত্ৰ পাইল সাৰ।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে ওপজে গোবিন্দত প্ৰেম ৰতি।। ভাগৱত

আৰণ্যক আৰু উপনিষদৰ প্ৰতিপাদ্য বিষয় আত্মতত্ত্ব, ব্ৰহ্মতত্ত্ব, সৃষ্টি ৰহস্য আদি হোৱা সত্ত্বেও সিবিলাকেও বেদৰ ধুৱলি-কুঁৱলীৰ মাজৰ পৰা ঈশ্বৰক পৰিস্কাৰ ৰূপত দেখুৱাই দিবলৈ সক্ষম হোৱা নাছিল। ইপিনে আৰণ্যক আৰু উপনিষদ বৰ্ণিত বিষয়বিলাক সকলোৰে বাবে বোধগম্যও নাছিল। অৱশ্যে সিবিলাকত যাগ-যজ্ঞাদিৰ উল্লেখ পোৱা নাযায়; মন কৰিবলগীয়া যে, মন্ত্ৰ আৰু ব্ৰাহ্মণ গ্ৰন্থৰ দ্ৰব্য যজ্ঞই আৰণ্যক আৰু উপনিষদত জ্ঞান যজ্ঞলৈ ৰূপান্তৰিত হয়। উপনিষদেও ব্ৰহ্ম বিষয়ক গভীৰ আলোচনা আগবঢ়ায় যদিও ব্ৰহ্ম প্ৰাপ্তিৰ পথ সুগম কৰি দেখুৱাব পৰা নাছিল। কিন্তু স্বীকাৰ কৰিব লাগিব যে, উপনিষদসমূহ আছিল গভীৰ জ্ঞানৰ ভৰাল —

Upanisads as a subject of scholarship have generally been left to the domain of philosophers, who see them as fundamental to many philosophical systems, and to grammarians and philologists ...... the *Upanisads* are at the level philosophical speculations on an abstract theme, but at another they are embeded in the society to which they relate They encapsulate a process that leads to the formulation of an ideology The interection of the ideology with its environment, its source of power and its historical ambience need to be inquired into (Romila Thapper, *Cultural Pasts*, p 809-10)

উপনিষদসমূহৰ ভিতৰত মত পাৰ্থক্যৰ সৃষ্টি হোৱাত সিবিলাকৰ মাজত সমন্বয় সাধনৰ উদ্দেশ্যে বাদৰায়ণে ৰচনা কৰে ব্ৰহ্মসূত্ৰ। ব্ৰহ্মসূত্ৰৰ ভাষ্যকাৰ কেবাগৰাকী আছিল আৰু তেওঁলোকে ৰচনা কৰা ভাষাৰ ওপৰত ভিত্তি কৰিয়ে একোটা সম্প্ৰদায় গঢ় লৈ উঠে। ভাৰতীয় ধৰ্ম দৰ্শনত ভাষ্য আৰু বাৰ্তিকাৰ এক উচ্চ স্থান আছে। ভাষ্য আৰু বাৰ্তিকাও এক প্ৰকাৰ ব্যাখ্যা গ্ৰন্থহে। ভাষ্যৰ লক্ষণ হ'ল—

সূত্ৰস্থং পদমাদায পদৈঃ সূত্ৰানুসাৰিভিঃ।
স্বপদানি চ বৰ্ণন্তে ভাষ্যং ভাষ্যবিদো বিদুঃ।।

অৰ্থাৎ— ব্যাখ্যাকাৰে প্ৰথমে সূত্ৰ বা শ্লোকৰ অৰ্থ ব্যাখ্যা কৰিব, আৰু ব্যাখ্যা প্ৰসঙ্গত এনে শব্দ প্ৰয়োগ কৰিব যে, সেই শব্দও সূত্ৰত পৰিণত হয় আৰু শেষত যেতিয়া নিজৰ শব্দতো ব্যাখ্যা আগবঢ়াব তেতিয়াই তাকে কোৱা হয় ভাষ্য। বাৰ্তিকা হ'ল—

"উক্তানুক্ত দুৰুক্তাৰ্থব্যক্তকৰি বাৰ্তিকম্।"

অৰ্থাৎ— মূলত যি যি বিষয় উক্ত হৈছে, বা যি যি প্ৰয়োজনীয় বিষয় কোৱা হোৱা নাই, বা সেই বিষয়বিলাক কোৱা হলেও তাক সঠিকভাৱে ব্যাখ্যা কৰা হোৱা নাই, সেইবোৰ বিষয় যি ব্যাখ্যাত পৰিস্কাৰকৈ প্ৰকাশ পায়, তাকে বাৰ্তিকা বোলে। মহাপুৰুষ শংকৰদেৱে ভাৰতৰ অন্যান্য ধৰ্মাচাৰ্য আৰু দাৰ্শনিক সকলৰ দৰে ব্ৰহ্ম সূত্ৰৰ কোনো পোনপটীয়া ভাষ্য বা বাৰ্তিকা লিখি থৈ যোৱা নাছিল; আচলতে গুৰুজনাই নিজৰ ধৰ্ম-দৰ্শন প্ৰতিষ্ঠাৰ বাবে তেনে এখন ভাষ্য লিখাৰ প্ৰয়োজনেই বোধ কৰা নাছিল। বৰং তেৰাই শ্ৰীমদ্ভাগৱত শাস্ত্ৰখনিকে "সৰ্ব্ববেদান্ত সাৰ"[১২] বুলি মান্যতা দি, তাৰ ওপৰতে

ভিত্তি কৰি অন্যান্য ধৰ্মাচাৰ্য আৰু দাৰ্শনিক সকলতকৈ সুকীয়া বৈশিষ্ট্য আৰু পৰিচয়েৰে একশৰণ হৰিনাম ধৰ্মৰ নীতি-আদৰ্শ আৰু দৰ্শন প্ৰতিষ্ঠা কৰিছিল।

এই শাস্ত্ৰবিলাকৰ উপৰি ইতিহাস-পুৰাণৰ বিচাৰ অবিহনে বেদাৰ্থ বিচাৰ সম্পূৰ্ণ নহয়। কাৰণ, ইতিহাস পুৰাণত বেদৰ বিস্তৰ বৰ্ণনা আছে। সেয়েহে, ইতিহাস পুৰাণক বেদৰ উপাঙ্গ বোলা হয়। পুৰাণবোৰ হল বেদৰ বিস্তৃত বৰ্ণনা সম্বলিত শাস্ত্ৰ।[১৩] সেয়ে পুৰাণক যে কেৱল বেদৰ সমতুল্য হিচাপেহে গণ্য কৰা হয়[১৪] এনে নহয়, বৰং তাক পঞ্চম বেদ বুলিও কোৱা হয়।[১৫] পুৰাণ শব্দৰ অৰ্থ হ'ল —

যস্মাৎ পুৰাহ্যনতীদং পুৰাণং তেন তৎস্মৃতম্।। ব্ৰহ্মপুৰাণ ১/১৯৯

অৰ্থাৎ— পুৰণি কালৰ সকলো বৃত্তান্ত এই শাস্ত্ৰসমূহত বৰ্ণনা কৰা হৈছে বাবে তাৰ নাম পুৰাণ। শংকৰদেৱে পুৰাণ শব্দৰ অৰ্থ সুন্দৰকৈ আগবঢ়াইছে" — পুৰাণমপি নৱম ইতি পুৰাণম্ (ভক্তিৰত্নাকৰ ভাগৱত মাহাত্ম্য)।

ইয়াৰ অৰ্থ হ'ল যি পুৰণি হৈয়ো সদায় নতুন। তদুপৰি পুৰাণ শাস্ত্ৰবোৰ শিক্ষাৰ এক উজ্জ্বল বিভাগ হিচাপেও স্বীকৃত। আনকি পঠনীয় বিষয়বিলাকৰ ভিতৰত চাৰিবেদ, চৈধ্য শাস্ত্ৰ, ওঠৰ পুৰাণ বুলিও ধৰা হয়।[১৬] উল্লেখ্য ভাৰতীয় ষড়দৰ্শনতকৈ পুৰাণৰ সুকীয়া দৰ্শন আছে। যেনেদৰে ন্যায় আৰু মীমাংসা দৰ্শনৰ পৰা ক্ৰমে ন্যায়িক আৰু মীমাংসক পোৱা যায়, সেইদৰে পুৰাণৰ পৰা পৌৰাণিক বা পুৰাণজ্ঞৰ সৃষ্টি হৈছে। অতীতত অনেক পৌৰাণিক ঋষি-মুনিৰ নাম পোৱা যায়। পৰৱৰ্তীকালত লোমহৰ্ষণ সূত বা তেওঁৰ পুত্ৰ উগ্ৰস্ৰৱা সূত বিখ্যাত পুৰাণজ্ঞ আৰু পুৰাণ ব্যাখ্যাকাৰ আছিল।[১৭] পুৰাণ শাস্ত্ৰত তেওঁলোক কৰ্তৃত্বশীল পণ্ডিত হিচাপে স্বীকৃত হৈছিল। লোমহৰ্ষণ সূত 'পুৰাণ বিশাৰদ'[১৮] হিচাপে বিখ্যাত আছিল। কিন্তু পৰৱৰ্তীকালত পৌৰাণিক হিচাপে সূতৰ পৰম্পৰা হ্ৰাস পাবলৈ ধৰে।

পুৰাণ তিনি প্ৰকাৰৰ— মহাপুৰাণ, অতিপুৰাণ আৰু উপপুৰাণ। প্ৰতিবিধৰে ১৮ খনকৈ পুৰাণ আছে।

পুৰাণ সম্পৰ্কে বহু শাস্ত্ৰোল্লিখিত শ্লোক এটি পোৱা যায়—

পুৰাণ ন্যায়মীমাংসাধৰ্ম্মশাস্ত্ৰাঙ্গমিশ্ৰিতাঃ।
বেদ্য স্থানানি বিদ্যানাং ধৰ্ম্মস্য চ চতুৰ্দ্দশ।।

উক্ত শ্লোকৰ জৰিয়তে পুৰাণসমূহক ধৰ্ম নিৰ্ণায়ক, ধৰ্ম প্ৰতিপাদক, ধৰ্মৰ লক্ষণ, ধৰ্মৰ নিৰূপক আদি বিষয়ত আগ ঠাই দিয়া হৈছে। এই শ্লোকটোৰ উল্লেখ কেবাখনো শাস্ত্ৰত পোৱা যায়[১৯]। পুৰাণ পাঠ সম্পৰ্কে ড° ৰমিলা থাপাৰে লিখিছে— "The *Puranas* were recited over a period of many days in connection with a religious ceremony. The geneological sections in particular were preserved by the Suta and in the Maghada, the professional bards and chroniclers who recited them in association with the epics and the heroic ballads at royal courts (*Cultural Past* p. 757). পুৰাণৰ পঞ্চ লক্ষণৰ শেষৰটো হল— বংশানুচৰিত (Succession of ruling families)। এইটো এটা গুৰুত্বপূৰ্ণ লক্ষণ বুলি গণ্য কৰা হয়— "The latter therefore, is regarded as an important component of the ideal *Purana* and is set a context which draws on the past (R.C. Hazza– *Studies on the Puranic Records of Hindu Rites and Customs*).

এখন দেশৰ সভ্যতা-সংস্কৃতিৰ সাৰখিনি লুকাই থাকে সেই দেশৰ মাটিত ওপজা দাৰ্শনিক চিন্তাধাৰাৰ মাজত। দৰ্শনে মানুহৰ জ্ঞান স্পৃহা বৃদ্ধি কৰি উচ্চৰ পৰা উচ্চতৰ সভ্যতাৰ দিশলৈ আগুৱাই যোৱাৰ পথ নিৰ্মাণ কৰে। প্ৰাচ্য আৰু পাশ্চাত্যৰ দাৰ্শনিক জগতত ভাৰতীয় দৰ্শনৰ সুকীয়া স্থান আছে। আস্তিক আৰু নাস্তিক হিচাপে ভাৰতীয় দৰ্শন দুভাগে বিভক্ত। আস্তিক দৰ্শন ছয় প্ৰকাৰৰ— ন্যায়, সাংখ্য, যোগ, বৈশেষিক, পূৰ্ব মীমাংসা আৰু উত্তৰ মীমাংসা। নাস্তিক দৰ্শন বুলিলে সাধাৰণতে চাৰ্বাক, বৌদ্ধ আৰু জৈন দৰ্শনকে বুজোৱা হয়। নাম দুয়োটাই আস্তিক আৰু নাস্তিক দুয়োটা দাৰ্শনিক ধাৰাৰ মাজত থকা পাৰ্থক্যৰ ইংগিত দিয়ে যদিও বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বোলাৰ যুক্তি বিচাৰি পোৱা নাযায়। উভয় দৰ্শনতে ঈশ্বৰৰ অস্তিত্বক নাকচ কৰা হোৱা নাই। বৰং ঈশ্বৰক সৰ্বময়কৰ্তা হিচাপে মান্য কৰি ঈশ্বৰ সৃষ্ট সৰু-বৰ সকলো জীৱকে ঈশ্বৰ-জ্ঞান কৰাতহে গুৰুত্ব আৰোপ কৰা দেখা যায়। মনকৰিবলগীয়া আস্তিক-নাস্তিক দুয়োটা ধাৰাৰ মাজত মিল বিচাৰি পোৱা যায়। যেনে—

(১) উপনিষদে ঘোষণা কৰা ব্ৰহ্মবিহাৰক বৌদ্ধ দৰ্শনত সম্পূৰ্ণৰূপে মান্যতা দিয়া হয়।

(২) বুদ্ধ ধৰ্মৰ চাৰি সত্যৰ প্ৰয়োগ বাৎসায়নৰ ন্যায় ভাষ্য, ব্যাসৰ

যোগ ভাষ্য আদিত পোৱা যায়।

(৩) বুদ্ধ ধৰ্মৰ আৰ্য্য অষ্টাঙ্গিক মাৰ্গ মহাভাৰত উল্লিখিত ধৰ্ম-মাৰ্গৰ লগত মিলি পৰে।

(৪) বুদ্ধৰ নিদানৰ লগত ন্যায় সূত্ৰৰ (১।১।২) তুলনা কৰিব পাৰি। আৰু

(৫) মহাভাৰতৰ অনেক পদৰ সামান্য সাল-সলনি কৰি বৌদ্ধ পালি সাহিত্যত ব্যৱহাৰ কৰা হৈছে। বুদ্ধ আৰু জৈনৰ উক্ত দৰ্শনৰ লগত মহাপুৰুষ শঙ্কৰদেৱৰ দৰ্শনৰ সাদৃশ্য বিচাৰি পোৱা যায় — "যত জীৱ জঙ্গম কীট পতঙ্গ অগ নগ জগ তেৰি কায়া।" (বৰগীত) আদি।

উত্তৰ মীমাংসাক বেদান্ত দৰ্শনো বোলে। বেদান্ত দৰ্শন আনকেইটা দৰ্শনৰ ভিতৰতে শ্ৰেষ্ঠ। বেদান্তৰো ভাগ দুটা — দ্বৈত আৰু অদ্বৈত। বেদান্ত দৰ্শনৰ ভিতৰত প্ৰস্থানত্ৰয় হিচাপে জনা যায় — উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰক। শংকৰাচাৰ্যই প্ৰস্থানত্ৰয়ৰ ভাষ্য ৰচনা কৰে। আস্তিক দৰ্শনৰ ভিতৰতে শঙ্কৰাচাৰ্য্যই প্ৰচাৰ কৰে কেৱলাদ্বৈতবাদ দৰ্শন। তেওঁ ব্ৰহ্মসূত্ৰৰ ভিত্তিত ৰচনা কৰা ভাষ্যৰ নাম শাৰীৰিক ভাষ্য। ৰামানুজে প্ৰতিষ্ঠা কৰা দৰ্শনৰ নাম বিশিষ্টাদ্বৈতবাদ দৰ্শন আৰু ভাষ্যৰ নাম শ্ৰীভাষ্য। সেইদৰে মাধৱাচাৰ্য্যই দ্বৈতবাদ প্ৰতিষ্ঠাৰ বাবে পূৰ্ণ-প্ৰজ্ঞা নামৰ ভাষ্য ৰচনা কৰে। আনহাতে নিম্বাকাচাৰ্য্যই দ্বৈতাদ্বৈতবাদ আৰু বিষ্ণুস্বামীয়ে শুদ্ধাদ্বৈতবাদ প্ৰতিষ্ঠা কৰে। এই চাৰিটাই হল বৈষ্ণৱ সম্প্ৰদায়। ইয়াৰ ভিতৰত ৰামানুজে প্ৰতিষ্ঠা কৰা সম্প্ৰদায়ক শ্ৰীসম্প্ৰদায়; মাধ্বই প্ৰতিষ্ঠা কৰা সম্প্ৰদায়ক— ব্ৰহ্ম সম্প্ৰদায়, নিম্বাৰ্কে প্ৰতিষ্ঠা কৰা সম্প্ৰদায়ক ৰুদ্ৰ সম্প্ৰদায় আৰু বিষ্ণুস্বামীয়ে প্ৰতিষ্ঠা কৰা সম্প্ৰদায়ক সনক সম্প্ৰদায় বুলি জনা যায়। আকৌ ৰামানুজৰ উপাস্য তত্ত্ব লক্ষ্মী-নাৰায়ণ, মাধ্বৰ শ্ৰীকৃষ্ণ, নিম্বাৰ্ক আৰু বিষ্ণু স্বামীৰ ৰাধা-কৃষ্ণ। এইকেইটা সম্প্ৰদায়ৰ ভিতৰত ফৰাচী চিন্তাবিদ ৰোঁমা ৰোলাৰ মতে বেদান্ত দৰ্শনেই হ'ল বুদ্ধিজীৱিসকলক আকৰ্ষণ কৰিব পৰা একমাত্ৰ ধৰ্ম—

The only religion that can have any hold on the intellectual people is the rationilistic religion of Advaita Vedanta (Quoted in the 'Introduction to Vedanta'; by P. Nagaraja Rao p. 43)।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ মত প্ৰধানকৈ ভাগৱতকেন্দ্ৰীক হোৱা বাবে উক্ত চাৰিটা সম্প্ৰদায়ৰ লগত তেৰাৰ ধৰ্ম-দৰ্শনৰ মৌলিক পাৰ্থক্য পৰিলক্ষিত হয়। উক্ত দাৰ্শনিক ধাৰাবিলাকৰ উপৰি ভক্তিৰ স্বৰূপ, ভক্তিৰ সাধন আৰু ভক্তি তত্ত্বৰ ওপৰত নিৰ্ভৰ কৰি নাৰদ আৰু শাণ্ডিল্যৰ নামত একোখনিকৈ ভক্তিসূত্ৰ শাস্ত্ৰ পোৱা যায়। তাকেই নাৰদীয় ভক্তিসূত্ৰ আৰু শাণ্ডিল্যৰ ভক্তিসূত্ৰ নামে জনা যায়। ভক্তি বিষয়ক এই দুখন গুৰুত্বপূৰ্ণ দাৰ্শনিক গ্ৰন্থ। শাণ্ডিল্যৰ মতে ঈশ্বৰত পৰম অনুৰক্তিয়ে ভক্তি— "সা-পৰানুৰক্তি ঈশ্বৰে"। "অনুৰক্তি' মানে হল— অনুৰাগ; অনুৰাগ— অনেক বিষয়ত হব পাৰে। বিষয়-বৈভৱ, পুত্ৰ-কন্যা-পৰিবাৰ আদিতো হব পাৰে অনুৰাগ। কিন্তু যি অনুৰাগ ভগবানতহে হয় তাকেহে 'পৰানুৰক্তি ঈশ্বৰে' বুলি কোৱা হয়। অৱশ্যে শাণ্ডিল্যৰ 'পৰানুৰক্তি ঈশ্বৰে'ৰ সলনি নাৰদে 'পৰম প্ৰেমৰূপা', 'সা তুস্মিন পৰম প্ৰেমৰূপা' বুলি উল্লেখ কৰিছে। সা (ভক্তি) তু (আন নহয়) অস্মিন্ (ঈশ্বৰত) পৰম (যাৰ পৰা নাই) প্ৰেমৰূপা (হৃদয় বিগলিত কৰা মৰম-চেনেহ) — যাক পালে মানুহে আন কাৰোৰে প্ৰতি আকৰ্ষিত নহয় বা যাক পালে আন একোকে নিবিচাৰে সেয়াই হল পৰম প্ৰেম—

'যৎ প্ৰাপ্য ন কিঞ্চিদ্ বাঞ্ছতি, ন শোকতি, ন দ্বেষ্টি, ন ৰমতে নোৎসাহী ভৱতি" (নাৰদ ভক্তিসূত্ৰ)।

ইতিপূৰ্বে ইতিহাস শব্দটোৰ উল্লেখ কৰি অহা হৈছে। আদি কবি বাল্মিকী বিৰচিত ৰামায়ণ আৰু ব্যাসদেৱ বিৰচিত মহাভাৰত হ'ল দুখনি বিখ্যাত মহাকাব্য। কিন্তু—

'The Valmiki *Ramayana*, in its original form was not a 'sacred book', as we understand sacred books today. It was narrative, a story, cast in an epic mould, It was not even described as a text on *dharma*. Nor it is generally classified as an *itihasa*-that which was believed to have happened in the past: It is more frequently referred to as a *kavya* or an *adikavya*, a poetic composition. Unlike sacred books which are rarely questioned or altered (and if they are, the change is marginal) the *Ramayana* was fashioned time and again, sometimes to convert it into a religious text and sometimes for other more literary purposes (*Cultural Pasts* : Romila Thapper; p. 1056). অৱশ্যে— "Both the

Ramayana and the *Mahabharata* had their earlier and perhaps more truely epic versions in what have been referred to as the *Rama-Katha* and the *Bharata* or *Jaya* (ibid).

ইপিনে হৰিবংশ পুৰাণখন মহাভাৰতৰ অৱশিষ্ট হোৱা বাবে তাকো ইতিহাস বুলি ধৰা হয়। ইয়াৰ উপৰি অধ্যাত্ম ৰামায়ণ, যোগাবশিষ্ঠ ৰামায়ণ আদি নামেৰে কেবাখনো ইতিহাস পোৱা যায়।

ওপৰত উল্লেখ কৰা মহাপুৰাণৰ অন্তৰ্গত শ্ৰীমদ্ভাগৱত পুৰাণে বিশিষ্ট স্থান দখল কৰি আছে। ইয়াক 'পৰমহংস সংহিতা' বুলিও জনা যায়। গভীৰ ভকতি ·সেৰে পৰিপূৰ্ণ শ্ৰীমদ্ভাগৱত ভক্তি প্ৰকাশক সৰ্বশ্ৰেষ্ঠ গ্ৰন্থ আৰু ব্যাসদেৱ বিৰচিত পৰিচ্ছেদ গ্ৰন্থ। ভাগৱত পুৰাণ শাস্ত্ৰখনৰ বিষয়ে এটা গুৰুত্বপূৰ্ণ শ্লোক উল্লেখ কৰিছে পদ্মপুৰাণে—

তত্ৰ পদ্ম পুৰাণঞ্চ প্ৰথমং স (ব্যাসঃ) প্ৰণীতবান্।
ততোऽনানি পুৰাণানি কৃত্বা ষোড়শ তু ক্ৰমাৎ।।
অষ্টাদশং ভাগৱতং সাৰমাকৃষ্য সৰ্ব্বতঃ।
কৃতবান ভগবান্ ব্যাসঃ শুকঞ্চ অধ্যায়গয়ৎ সুতম্।।

(পাতাল খণ্ড ৭১অধ্যায়)

অৰ্থাৎ পুৰাণসমূহৰ ভিতৰত ব্যাসে প্ৰথমতে পদ্মপুৰাণ ৰচনা কৰে, তাৰ পাছত একাদিক্ৰমে অন্যান্য ষোল্লখন পুৰাণ ৰচনা কৰাৰ অন্ততহে সকলো পুৰাণৰ সাৰ যুগুতাই অষ্টাদশ সংখ্যক শ্ৰীমদ্ভাগৱত্ পুৰাণ ৰচনা কৰে। ভাগৱতৰ পূৰ্ববৰ্তী শাস্ত্ৰসমূহৰ ৰচনাৰ পটভূমিৰ লগত ভাগৱত ৰচনাৰ পটভূমিৰ মিল পোৱা নাযায়। মহামুনি নাৰদৰ অনুগ্ৰহ আৰু উপদেশত বিমৰ্ষ ব্যাসদেৱৰ মনৰ পৰিবৰ্তন ঘটাই ব্যাসদেৱৰদ্বাৰা ৰচিত শ্ৰেষ্ঠ গ্ৰন্থখনিয়ে হল শ্ৰীমদ্ভাগৱত। ভাগৱতৰ পাততেই দৈৱকী-বসুদেৱৰ পুত্ৰ বাসুদেৱ শ্ৰীকৃষ্ণ-ভগবান ৰূপে প্ৰতিষ্ঠা লাভ কৰে। কৃষ্ণই হল পৰম দেৱ, তেৱেঁই পৰম ব্ৰহ্ম, সৃষ্টি-স্থিতি লয়ৰো কাৰণ তেৱেঁই। শ্ৰীকৃষ্ণই বিষ্ণু, তেৱেঁই নাৰায়ন। তেওঁ সৃষ্টি কৰা বাবেই এই বিশ্ব চৰাচৰ প্ৰকাশ পাইছে। তেৱেঁই অব্যক্ত, সনাতনো তেৱেঁই। তেৱেঁই সৰ্বভূতৰ অতীত। বুদ্ধি, মন, মহৎ, বায়ু, আকাশ, তেজ, জল, আৰু ভূমিও তেৱেঁই। উক্ত আঠটাক গীতাত কৃষ্ণৰ 'অপৰা প্ৰকৃতি' বোলা হৈছে। কৃষ্ণতেই সমস্ত বিশ্ব চৰাচৰ প্ৰতিষ্ঠিত।[২০] অন্যান্য শাস্ত্ৰই কৈছে— ভগবৎ প্ৰাপ্তিৰ পথ বৰ দুষ্কৰ; তাত সকলোৰে অধিকাৰো

নাই। কিন্তু ভাগৱতে ঘোষণা দিলে— স্ত্ৰী-শূদ্ৰ সকলোৱে ভগবানক লাভ কৰিব পাৰে। কাৰণ আমাৰ সকলোৰে পিতৃ ভগবান আৰু আমি প্ৰত্যেকেই তেওঁৰ সন্তান। পিতৃৰ ওচৰলৈ যোৱাৰ অধিকাৰ সকলোৰে আছে। ভগবানক পাবৰ বাবে উচ্চ জাতৰ হোৱাৰ প্ৰয়োজন নাই। অৱশ্যে ভগৱৎ প্ৰাপ্তিৰ বাবে প্ৰয়োজন হৃদয়ৰ শুদ্ধতা। কোনো খাল বিলৰ পানী অপৰিষ্কাৰ হলে তাক পৰিষ্কাৰ কৰি খাব পৰাৰ উপযোগী কৰি তুলিব পাৰি। কিয়নো পানী স্বভাৱতে নিৰ্মল। নিৰ্মলতাই হল পানীৰ স্বৰূপ লক্ষণ। তাৰ মলিনতা বাহিৰৰ পৰা অহা এক ক্ষণস্থায়ী লক্ষণহে — যাক দূৰ কৰাটো সম্ভৱ। সেইদৰে চিত্তৰ লক্ষণ শুদ্ধতা— তাত অশুদ্ধতা আহি পৰিলে তাকো আঁতৰ কৰিব পাৰি। চিত্তৰ শুদ্ধতাৰ বাবে প্ৰয়োজন ভগৱৎ ভক্তি। ভাগৱত অবিহনে ভগবানে যেন তেওৰ স্বৰূপ লক্ষণ আৰু প্ৰকাশ হেৰাই পেলায়। ভগবান স্বপ্ৰকাশিত হৈও ভাগৱতৰ মাধ্যমেদি প্ৰকাশ লাভ কৰি আহিছে। সেয়ে ভগবান আৰু ভাগৱত অভিন্ন; ঠিক ফুল আৰু ফুলৰ সুগন্ধি অভিন্ন হোৱাৰ দৰে। যতেই থাকিব ভগবান তাতেই বিৰাজ কৰে ভাগৱত আৰু যতেই প্ৰকাশ পায় ভাগৱত তাতেই উদ্ভাসিত হয় ভগবান। পুৰাণসমূহৰ ভিতৰত শ্ৰেষ্ঠতম আৰু সৰ্বোত্তম পুৰাণ শ্ৰীমদ্ভাগৱত বুলি উল্লেখ পোৱা যায় (তৈতেৰেয় উপনিষদ ৩/৬) সেই কাৰণে ব্ৰহ্মানন্দক ৰস বুলি কোৱা হয়।

ভাগৱত প্ৰতিপাদিত বিষয়সমূহ হল— (১) কৃষ্ণই স্বয়ং ভগবান, (২) কৃষ্ণৰ চৰণত ৰহস্য ভকতি (৩) সৎ সঙ্গ (৪) শ্ৰৱণ কীৰ্ত্তনৰ দ্বাৰা জীৱৰ সংসাৰ বন্ধন মোচন আদি। ভাগৱত অনুমোদিত সাধনেই হল ভক্তি; তাৰ সাধ্য ফলো ভক্তি। এই ভক্তি চাৰি পুৰুষাৰ্থৰ উৰ্দ্ধত। এই পৰম তত্তৰ প্ৰকাশেই হল ভাগৱতৰ বৈচিত্ৰতা, অপূৰ্বতা আৰু বৈশিষ্ট্য। ভগবান সকলোতে বিৰাজমান সত্বেও তেওঁ সদায় গভীৰ ৰহস্যৰ মাজত সোমাই থাকে। ভাগৱতৰ মতে ভগবান হল— 'ব্ৰহ্মেতি পৰমাত্মেতি ভগবানিতি শব্দতে"। ভাগৱতৰ এই সিদ্ধান্তানুসৰি ভগবান সৰ্বেশ্বৰ, পৰম ব্ৰহ্ম, পৰম তত্ত্ব, পৰাশক্তি আদি নামেৰেও প্ৰখ্যাত। গীতাৰ মতে, সকলোকে শাসন কৰা নাৰায়ন সকলো প্ৰাণীৰ হৃদয়স্থিত। যিজন নিৰ্মল, স্বচ্ছ, শুদ্ধ হৃদয়ৰ অৰ্থাৎ পবিত্ৰ অন্তঃকৰণৰ তেৰেঁই ঈশ্বৰ।[১১] এই বচনানুসৰি হৃদয় আকাশান্তৰ্গত সূক্ষ্মভাগত পৰমাত্মা বিৰাজমান হৈ থাকে। ভাগৱতত দৈৱকী

পুত্ৰ শ্ৰীকৃষ্ণৰ গুণ-লীলা-যশ শ্ৰৱণ-কীৰ্তন ভক্তিৰ কথাহে মুখ্য কৰি দেখুওৱা হৈছে —

ই শাস্ত্ৰত কহে এক দেৱ নাৰায়ন
তাহান ভকতি যশ শ্ৰৱণ কীৰ্ত্তন।। ভাঃ প্ৰথম

দ্বাদশ স্কন্ধতো তাকেই পুনৰাবৃত্তি কৰা হৈছিল —

পুৰাণসংহিতামেতামশ্ৰৌষ্ম ভৱতো বয়ম্।
যস্যাং সলুত্তম শ্লোকো ভগবাননুৱৰ্ণ্যতে।। ১২/৬/৪

·ৰীক্ষিতে শুকক কৈছে —

যিটো শাস্ত্ৰ মোত কহিলাহা আত
কিছো নেদেখিলো আন।
ঈশ্বৰ কৃষ্ণক প্ৰকাশে সদায়
নামেসে ধৰ্ম্ম প্ৰধান।। (ভাগৱত দ্বাদশ)

সনকাদি মুনি সকলে ব্ৰহ্মাক প্ৰশ্ন[২২] কৰিছিল— "হে ব্ৰহ্মণ! সৰ্বোৎকৃষ্ট দেৱ কোন? মৃত্যুৱেও কি তত্ত্বক ভয় কৰে? কাৰ সত্ত্বাত এই সম্পূৰ্ণ জগত প্ৰকাশিত হৈ থাকে? সমস্ত জগতৰ প্ৰেৰক কোন?" — তাৰ উত্তৰত ব্ৰহ্মাই কৈছিল যে, কৃষ্ণই পৰম দেৱ, তেৱেঁই সৰ্ব্বোৎকৃষ্ট দেৱ। তেওঁৰ নাম স্মৰণ কৰিলেই সকলো পাপ দূৰ হয়। ভাগৱততো কৃষ্ণই ঘোষণা কৰিছে যে, তেৱেঁই সকলো প্ৰধান পুৰুষৰ নিয়ন্তা আৰু তেৱেঁই ভগবান। তেওঁৰ বাদে আন কোনো উপায়ে প্ৰাণীৰ অন্তকৰণৰ পৰা তীব্ৰ জন্মাদি ভয় দূৰ নহয়।[২৩] কৃষ্ণই ইয়াকো কৈছে যে, তেওঁৰ ভয়তে বায়ু চিৰ প্ৰবাহিত হৈ থাকে, সূৰ্যই তাপ দিয়ে, ইন্দ্ৰই বৰষুণ দিয়ে আৰু অগ্নিয়ে দাহন কৰে। আনকি যম ৰজাইও তেওঁৰ ভয়তে নিজ কৰ্তব্য পালন কৰি থাকে।[২৪] গোপালতাপিনী উপনিষদ মতে যিজনে সেই গৰাকী ভগবানক ধ্যান, জপ, তপ, ভজন তথা স্মৰণ কৰে তেৱেঁই অমৃতত্ব লাভ কৰে।[২৫] ভাগৱতত এই কথাও স্বয়ং ভগবানে ব্যক্ত কৰিছে যে তেৱেঁই জগতৰ পৰম কাৰণ, আত্মা, ঈশ্বৰ আৰু সাক্ষীস্বৰূপ। তেৱেঁই স্ব-প্ৰকাশক আৰু জড়োপাধিৰহিত, অপ্ৰাকৃত বস্তু, তেৱেঁই গুণাৱতাৰ ব্ৰহ্মা আৰু শিৱৰূপে প্ৰকাশিত হয়।[২৬] ভগৱান যেনেদৰে অনন্ত, তেওঁৰ গুণো অনন্ত।[২৭] সেইগৰাকী কৃষ্ণ অনন্য সুন্দৰ, তুলনাবিহীন সৌন্দৰ্য্যৰ অধিকাৰী। শ্যাম সুন্দৰ ভগবানৰ বহিঃৰঙ্গ

কিমান সুন্দৰ তাৰ অলেখ বৰ্ণনা পোৱা যায় ভাগৱতত। গীতাতো কৈছে—

দিবি সূৰ্য্যসহস্ৰস্য ভবেদ্যুগদুংস্থিতা।
যদি ভাঃ সদৃশী সা স্যাত্তামাস্তস্য মহাত্মনঃ।। ১১।১২

ইয়াত উল্লেখ কৰা 'সহস্ৰ' মানেও 'অনন্ত'। আকাশত হাজাৰ সূৰ্যৰ প্ৰকাশ ঘটিলেও তাৰ সন্মিলিত জ্যোতি ভগবানৰ জ্যোতিৰ সমান হব নোৱাৰে। ভাগৱতৰ ৭/৯/২৭, ১০/৭২/৬ আদি শ্লোকতো গীতাৰ উক্ত শ্লোকৰ ৰেঙণি পোৱা যায়। ভুবন মোহন সেই কৃষ্ণ ব্ৰহ্মাৰ প্ৰিয়, শিৱৰ প্ৰিয়, ইন্দ্ৰৰ প্ৰিয়।

কিন্তু 'কৃষ্ণ' মানে কোন গৰাকী 'কৃষ্ণ'ক বুজাব বিচৰা হৈছে সেই কথা প্ৰথমে স্পষ্ট হোৱা দৰকাৰ। কিয়নো পুৰণি কালত কৃষ্ণ নামৰ কেবাগৰাকী পুৰুষৰ নামোল্লেখ বিভিন্ন শাস্ত্ৰত পোৱা যায়।

'কৃষ্ণ' অভিধাটোৱে প্ৰথম ভুমুকি মাৰে ঋগ্বেদত —

অয়ং বাং কৃষ্ণো অশ্বিনা হবতে বজনীবাসু।। ৮।৮৫।৩

এই সূক্তটোৰ মন্ত্ৰ দ্ৰষ্টা ঋষি 'কৃষ্ণ ঋষি'। গায়ত্ৰী ছন্দত ৰচিত উক্ত সূক্তৰ ঋষি কৃষ্ণ হল— অঙ্গিৰস কৃষ্ণ। একে সূক্তৰ ৪ৰ্থ সংখ্যক মন্ত্ৰৰ দ্ৰষ্টাও একেজনাই আৰু একে সূত্ৰতে তেওঁ নিজকে 'কৃষ্ণ' বুলি পৰিচয় দিছে। ৪ৰ্থ সংখ্যক মন্ত্ৰটো হ'ল—

'শৃনুতং জৰিতুৰ্হবং কৃষ্ণস্য স্তবতো নৰাঃ।'

একেদৰে ঋগ্বেদৰে ১০।৪২—৪৪ সূক্তৰো দ্ৰষ্টা ঋষি হল 'কৃষ্ণ' বা 'ইন্দ্ৰ'। উভয় প্ৰসঙ্গতে কৃষ্ণ হল অঙ্গিৰস।

মন কৰিবলগীয়া ঋগ্বেদৰ কৃষ্ণ— ভগবান নহয়, তেওঁ এগৰাকী ঋষিহে।

কৌষিতকী ব্ৰাহ্মণত 'ঘোৰ আঙ্গিৰস'ৰ লগত 'আঙ্গিৰস কৃষ্ণৰ নাম উল্লেখ পোৱা যায়—

কৃষ্ণো হ তদাঙ্গিৰসো ব্ৰাহ্মণাম্ ছন্দসীয় তৃতীয়ং সবনং দদৰ্শ (৩০।৯।৭)।

সেইদৰে তৈতেৰীয় ব্ৰাহ্মণত বাসুদেৱ (কৃষ্ণ)ৰ নাম উল্লেখ কৰা হৈছে—

'নাৰায়নায় বিদমহে বাসুদেবায় ধীমহি
তন্নো বিষ্ণুঃ প্ৰচোদয়াত' (১০।১।৬)।

ঋগ্বেদৰ কৃষ্ণই এনেদৰে বিবৰ্তিত হৈ ছান্দোগ্য উপনিষদত দৈৱকী পুত্ৰ শ্ৰীকৃষ্ণৰ লগত একাকাৰ হৈ পৰিছে—

তদ্ধৈতদ্ ঘোৰ আঙ্গিৰসঃ কৃষ্ণায় দেৱকী পুত্ৰায়ো
ক্তোবাচাপিপাস এব স বভূব সোऽন্তবেলায়া
মেতত্ৰয়ং প্ৰতিপদ্যেতাক্ষিতমস্যচ্যুতমসি
প্ৰাণসংশিতমসীতি তত্ৰৈতে দ্বে ঋচৌ ভৱতঃ।। — ৩।১৭।৬

অৱশ্যে ঋগ্বেদত কৃষ্ণাৰ্জুনৰ নামোল্লেখ পোৱা যায়। কিন্তু ঋগ্বেদৰ 'কৃষ্ণ' আৰু 'অৰ্জুন' পদ দুটাই ৰাত্ৰি আৰু দিনৰ প্ৰতীকহে বুলি বেদৰ ভাষ্যকাৰ সায়ন আৰু যাস্কই নিৰুক্তত উল্লেখ কৰিছে।[২৮] কিন্তু কৃষ্ণৰ পূৰ্ণতম পৰিচয় বা বিকাশ হয় শ্ৰীমদ্ভাগৱতত (কৃষ্ণস্তু ভগবান স্বয়ং)। ভাগৱতৰ মাজতেই কৃষ্ণ যে ভগবান সেইকথা স্পষ্টকৈ প্ৰকাশ পায়।

ভাগৱত শব্দ সংস্কৃত ভাষাত বিশেষ্য আৰু বিশেষণ উভয় ৰূপতে ব্যৱহাৰ কৰা হয়। বিশেষ্য ৰূপত ই এখন গ্ৰন্থ বা ব্যক্তি। ভগবান— যি গ্ৰন্থৰ মুখ্য প্ৰতিপাদ্য বিষয়— তাকে ভাগৱত বোলা হয়—

ভাগৱত = ভগবতো ভগবত্যা বা ইদম্; ভগবৎ + ভস্যেদমিত্যপ্।

আনহাতে ভগবান যাৰ আৰাধ্য দেৱ তেওঁকো 'ভাগৱত' বুলি জনা যায়—

ভাগৱত = ভগবান্ বা অস্য দেৱতেতি; ভগবৎ + সোऽস্য
দেবতেত্যন্ = ভগবদ্ভক্ত।

সৰ্ব্বদেবান্ পৰিত্যজ্য নিত্যং ভগৱদাশ্ৰয়ঃ।
ৰতস্তদীয়সেবায়াং স ভাগবত উচ্যতে।। (পদ্মপুৰাণ উঃখণ্ড)।

শ্ৰীমদ্ভাগৱত হ'ল ভগবান সম্বন্ধীয় কথাৰ বৰ্ণনাৰে সমৃদ্ধ শাস্ত্ৰ। বেদান্তই যি কথা কব পৰা নাই, ভাগবতে তাকে কৈছে। বেদান্তই ব্ৰহ্মৰ কথা কৈছে? কিন্তু কি কৈছে? আচলতে একো কব পৰা নাই। মাত্ৰ কৈছে— ব্ৰহ্ম অশব্দ, তাক শব্দৰে প্ৰকাশ কৰিব নোৱাৰি (অবাংমনোগোচৰঃ) — কেৱল ইয়াকেহে কৈছে। তেওঁ ৰূপহীন (অৰূপ), অস্পৰ্শ আৰু অব্যয়। তেওঁ ইন্দ্ৰিয়াতীত, মনৰ অতীত। ব্ৰহ্মক বুদ্ধিৰে ঢুকি পোৱা নাযায়। তেওঁ ধ্যান-ধাৰণাৰো অতীত। এনে অচিন্তণীয় ব্ৰহ্মক সাধাৰণ লোকে চিন্তা কৰাটো কঠিন। চিন্তনৰ দ্বাৰা যাৰ সন্ধান পোৱা নাযায়, তেওঁক কোনে চিন্তাৰ বিষয় কৰি লব? কিন্তু ভাগৱতে কৈছে! ভয়ৰ কোনো কাৰণ নাই, ভাবাতীত ভগবানক ভাবিলেই ওচৰতে আহি উপস্থিত হয়। ধ্যানাতীত সত্তাক

ধ্যানৰদ্বাৰা লাভ কৰিব পাৰি, নিৰ্গুণ, নিৰ্বিশেষ, নিৰাকাৰ ভাষা জীৱই নুবুজে। তাক অধ্যয়ন কৰিব নোৱাৰে। অজ্ঞেয় ভাষা ভাগৱতৰ পাতত জ্ঞেয় অৰ্থাৎ সকলোৰে বুজা ভাষাত পৰিণত হৈছে। নিৰ্গুণ, পৰম ব্ৰহ্মৰ সগুণ সাকাৰ সবিশেষ অনুবাদ হল— দৈৱকী নন্দন ভগবান শ্ৰীকৃষ্ণ। তেঁৱেই ব্ৰহ্ম, পৰম পিতা, সকলো জীৱৰ আত্মাৰো আত্মা। তেঁৱেই হল বৃন্দাবনৰ শ্ৰীকৃষ্ণ— ”

কৃষ্ণ মেনমবেহি ত্বমাত্মানমখিলাত্মনাম্।
জগদ্ধিতায় সোऽপত্ৰ দেহী বা ভাতি মায়য়া।। ভাগৱত ১০।১৪।৫৫

যিজন অচিন্ত তেওঁ চিন্তামণি হৈ উপাসনাৰ ধন হৈ পৰে। ব্ৰহ্ম অকথনীয়, যদি ঈশ্বৰৰ বিষয়ে কিবা লগা আছে, শুনিব লগা আছে তেন্তে সেয়া শ্ৰীকৃষ্ণৰ কাহিনীহে। ভগবানৰ কথা-কাহিনী শুনিবলৈ ভাগৱতৰ আশ্ৰয় লবই লাগিব।

শ্ৰীমদ্ভাগৱতৰ উপৰি শ্ৰীকৃষ্ণৰ মাহাত্ম্য প্ৰকাশক আন দুখন আগশাৰীৰ শাস্ত্ৰ হ'ল হৰিবংশ আৰু বিষ্ণুপুৰাণ। হৰিবংশই কৃষ্ণক এগৰাকী বীৰপুৰুষ আৰু ঐশ্বৰীক শক্তি হিচাপে বৰ্ণনা কৰিছে। আনহাতে বিষ্ণুপুৰাণেও কৃষ্ণৰ ঐশ্বৰীকতা সম্পৰ্কে গভীৰ আৰু বিস্তাৰিতভাৱে প্ৰকাশ কৰিছে। হৰিবংশমতে কৃষ্ণই ব্ৰহ্ম (১০।১০।৩৩; ১৩। ৫৫; ১৬.৪০; ২৮.৬; ৪.৮ .১৯; ৪৮.২০; ৮৫.৩৯); পৰমপুৰুষ (১০।১০।২৯) আৰু বিবৰ্তনহীন (১০।১৬।৪); কুটস্থ (অপৰিবৰ্তনশীল (১০।১৬।৪৩; ৫৭.১৭), অবিনাশী অমৰণ (১০. ২৪. ২৩); অসীম (১০।১৪।২৩; ১৬।৪৩; ২৮.৫); অনন্ত (১০ । ১০। ৩০; ১৩.৬১; ৮৪.২৯) আৰু পৰম সত্বা (১০.২৮.৬; ৮৪.২২; ৮৫. ৩৯)। শ্ৰীকৃষ্ণই হল একৰস, সত্য, জ্ঞান, অনন্ত, আনন্দ (১০।১৩।৫৪)। তেঁৱেই সনাতন, চৈতন্য আৰু আত্মপ্ৰকাশক (১০।১৪।২৩; ৮৫.২৪)। তেঁৱেই পৰমাত্মা যত সকলো নিহিত থাকে সৰ্বৰস (১০।৮৭।৩৪)। তেঁৱেই অদ্বৈত (১০।১৩।৬১ — ১৪.২৩; ৫১.৫৮; ৭৪.২১) পূৰ্ণ (১০।১৪।২৩; ৮৩।৩৮)। পূৰ্ণকাম (১০।২৩।৪৫)। স্বনিৰ্ভৰশীল (১০।৭৪।২১)। তেওঁ উপাধিবিহীন (১০।১৪।২৩; ৪৮.২১)। সেয়েহে ভগবান শ্ৰীকৃষ্ণ জন্ম মৃত্যু ৰহিত (১০।৪৮।২২) আৰু নিৰ্গুণ (১০।১৬।৪০; ৪৬।৪০; ৫১.৫৮; ৮৪.২৪)।

ইপিনে হৰিবংশই শ্ৰীকৃষ্ণক ঐশ্বৰীক শক্তি আৰু বীৰ পুৰুষ বুলি বৰ্ণনা দিলেও ভক্তি বিষয়ৰ বৰ্ণনাতো পিছ পৰি থকা নাই। অৱশ্যে হৰিবংশতকৈ বিষ্ণুপুৰাণত ভকতি ৰসৰ বিস্তৃত আলোচনা আগবঢ়োৱা হৈছে। তথাপিও ভকতি ৰসৰ বৰ্ণনাত ভাগৱতৰ সমান কোনো হব নোৱাৰে। বিষ্ণু পুৰাণত ধৰিত্ৰী (৫। ১। ১৪—২৭; ২৯; ২৬—২৯); ব্ৰহ্মা (৪।১—২৯—৫৮), নাগপত্নী (৫।৭।৪৭।—৫৬), কালীনাগ (৫।৭।৫৭—৭৩) অক্ৰুৰ (৫ । ১৭।৮—১৮), বসুদেৱ (৫।১০।৮১—৯১) আৰু মুচুকুণ্ড (৫।২৩।২৪—৪৫) আদি শ্লোকবিলাকত কৃষ্ণ স্তুতি পোৱা যায়। বিষ্ণুপুৰাণে, হৰিবংশ বৰ্ণিত গোপী কৃষ্ণৰ ভকতি সাংসাৰিক ভাবনাৰ পৰা উৰ্দ্ধলৈ গৈ আধ্যাত্মিক স্তৰলৈ পৰিবৰ্তন কৰিছে। তাৰ বাবে এইখন পুৰাণত কৃষ্ণৰ ওপৰত প্ৰথমে ঈশ্বৰীকতা আৰোপ কৰা হৈছে। কৃষ্ণই পৰমাত্মা; দাৰ্শনিক দৃষ্টিত পৰমাত্মা সৎ (সত্বা যুক্ত), চিৎ (চেতন) আৰু আনন্দস্বৰূপ; এয়ে তেওঁৰ তাত্বিক স্বৰূপ। বেদে ঈশ্বৰৰ এই ঐশ্বৰীকতা বিভিন্ন দৃষ্টিকোণেৰে প্ৰকাশ কৰিছে —

মন্যে ত্বা যজ্ঞিয়ং যজ্ঞিয়ানাং মন্যে ত্বা চাবনমচ্যুতানাম্।
মন্যে ত্বা সত্বনামিন্দ্ৰ কেতুং মন্যে ত্বা বৃষভ্যং চৰ্যনীনাম্।। ঋঃ ৮।৯৬।৪

অৰ্থাৎ— ঈশ্বৰ সকলোৰে পূজনীয়, তেওঁ সবাতোকৈ বেছি শক্তিধৰ। তেওঁ পৰম বলশালী। বেদে তেওক 'শচীৱ' বোলে। সকলো তেওঁৰে শক্তি। সেয়ে বেদে তেওক 'শিৱ সম্পত্তি' বুলি অভিহিত কৰিছে—

ত্বমিন্দ্ৰ বলাদধি সহসো জাত ওজসঃ।
ত্বং বৃষন্ বৃষেদসি।।

সেইদৰে ঋগ্বেদৰ ৫।৪০।৪ আৰু ৬।২৪।৮ সংখ্যক সূক্তটো একেধৰণৰ উল্লেখ পোৱা যায়। আৰু কোৱা হৈছে—

অয়মাস্মি জৰিতং পশ্যমেহে
বিশ্বা জাতানি অভ্যস্মি ভদ্ৰা।
ঋতস্য ভা প্ৰদিশো বৰ্ধয়ন্ত্য
অদৰ্ষিম্মে ভুবনা দৰ্দৰীসি।। ঋঃ ৮।১০০।৪

অৰ্থাৎ— ঈশ্বৰ তেওঁৰ ভক্তৰ বাবে সকলোতে বিৰাজমান। ভক্তই সদায়ে তেওঁৰ সান্নিধ্যত বাস কৰে। বিশ্বত যিমানবোৰ উৎপাদিত পদাৰ্থ

আছে, ঈশ্বৰ এই সকলোৰে ওপৰত। তেওঁ নিজ মহিমাৰে সকলো ধাৰণ কৰে আৰু সকলোকে বশ কৰে।

কৃষ্ণ যে স্বয়ং ভগবান এইকথা ব্ৰহ্মাই বুজি পাইছিল। সেয়ে ব্ৰহ্মসংহিতাত তেওঁ সকলোৰে কাৰণৰো কাৰণ নাৰায়নক প্ৰাৰ্থনা কৰিছে। সেইগৰাকী দয়াৰ সাগৰ ভগবান কিন্তু ভক্তৰ অধীন বুলি নিজে স্বীকাৰ কৰিছে —

অহং ভক্ত পৰাধিনো হ্যস্বতন্ত্ৰ ইব দ্বিজঃ।

সাধুভিগ্ৰস্তহৃদয়ো ভক্তৈৰ্ভক্ত জনপ্ৰিয়ঃ।। ভাঃ ৯।৪।৬৩

অৰ্থাৎ— মই ভক্তৰ অধীন, পূৰ্ণতম পৰতন্ত্ৰ। ভক্তৰদ্বাৰা মোৰ হৃদয় স্বীকৃত; ভক্ত-মোৰ প্ৰিয়।

একে ভাবৰ শ্লোক ভাগৱতৰে ৯।৪।৬৪—৬৮) ত পোৱা যায়।

প্ৰশ্ন হয়, ভগবান কেনেকৈ ভক্তৰ অধীন হৈ পৰে? তাৰ উত্তৰ তেনেই সৰল— কৃষ্ণৰ প্ৰতি অন্তৰৰ ভকতিৰ বলেৰে। ভকতিয়ে মানুহৰ অন্তৰৰ কু-ভাৱনাক দূৰ কৰি (১০।২০।৩২) মুক্তিৰ দুৱাৰ মুখত থিয় কৰোৱায় (১০।২।৩৬; ৪২।৪৫; ১০।২।৪৩)। আনহাতে ভাগৱতে (১১।৫।৩—১৮) এই কথাও কৈছে যে— কৃষ্ণ ভক্তিবৰ্জিত হৈ মানুহে কৰ্মকাণ্ডত লিপ্ত থাকি পাপ সাগৰত নিমগ্ন হৈ পৰে। মানৱৰ জীৱন-পৰিক্ৰমাৰ ভিন্ ভিন্ বয়সত ভিন্ ভিন্ কৰ্তব্য সম্পাদন কৰিবলগীয়া হয়; কিন্তু জীৱনৰ সকলো স্তৰতে ভকতিয়ে হল মানবৰ একমাত্ৰ পালনীয় কৰ্তব্য। গতিকে যেতিয়া বিভিন্ন বয়সৰ কৰ্মবিলাক কৃষ্ণত অৰ্পণ কৰা হয়, তেতিয়াই মুকুতিৰ পথ উজু হৈ পৰে (ভা ১১।১৮।৪৭)। ভাগৱতৰ ১০ম স্কন্ধত কৃষ্ণ ভক্তিপৰায়ণ জনহে যে প্ৰকৃততে জীৱন্ত, আনসকলো মৃত কমাৰ শালৰ ভাটীৰ দৰে মাত্ৰ শ্বাস-প্ৰশ্বাসহে লৈ থাকে, সেই কথা দৃঢ়তাৰে প্ৰকাশ কৰিছে (১০।৮৭।১৭)।

মুকুতি বা ভগৱৎ প্ৰাপ্তিৰ বাবে কৃষ্ণ ভক্তিয়ে প্ৰশস্ত পথ। কৃষ্ণ ভকতিৰ জৰিয়তে মানুহে জনম মৰণৰ হাত সাৰিব পাৰে। কৃষ্ণৰ চৰণত কৰা অনন্য ভকতিৰ বলেৰে বৃন্দাবনত গোপ, গোপী, আনকি তৰু-তৃণ-লতা, পশু-পক্ষীসকলে কৃষ্ণক অনায়াসে লাভ কৰিছিল— যি কৃষ্ণক যাগ, যোগ, সাংখ্য আদিৰদ্বাৰা লাভ কৰিব নোৱাৰি। তাৰ গুৰি বিচাৰিলে পোৱা

যায়— সৎ সঙ্গ— যি সৎসঙ্গ ভাগৱতৰো প্ৰতিপাদিত বিষয় বুলি পূৰ্বতে উল্লেখ কৰি অহা হৈছে।

ভগৱৎ প্ৰাপ্তিৰ বাবে কৃষ্ণৰ চৰণাবিন্দত সপ্ৰেম ভকতি কেৱল মুখ্য পথেই নহয়, বৰং এই পথ সকলোৰে বাবে মুকলি। ভকতি হল বহু খলপাযুক্ত এখন জখলা। ভকতিৰ এই জখলাখনত কিছুমানে বগাবলৈ আৰম্ভ কৰিছেহে; একাংশ ভক্তই কেইটামান খলপ বগাই ভকতি মাৰ্গত আগুৱাবলৈ সক্ষম হৈছে। সেয়ে ভাগৱতত বেলেগ বেলেগ স্তৰৰ ভকতৰ কথা উল্লেখ কৰা হৈছে। যেনে— তামসিক, ৰাজসিক আৰু সাত্বিক ভকত। তামসিক ভকতৰ বিষয়ে কোৱা হৈছে যে— যিসকল ভকত ক্ৰোধী, ভেদবুদ্ধি সম্পন্ন, হিংসুক, দাম্ভিক আৰু আনৰ প্ৰতি বৈৰীভাৱযুক্ত হৈ ভগৱন্তক ভকতি কৰে তেনে ভকতিকে তামসিক ভকতি বুলি কোৱা হয়।[২৯] ৰাজসিক ভাবেৰে পৰিচালিত প্ৰাকৃত ভকতো আছে— তেওঁলোকে মান, যশ, আৰু ক্ষমতা প্ৰয়াসী।[৩০] অৱশ্যে এই শ্ৰেণীৰ ভকতে ভকতিৰ বলত এদিন বাসনাশূন্য হৈ পৰে বুলি একাদশ স্কন্ধ ভাগৱতত উল্লেখ পোৱা যায়। তেওঁলোকক (প্ৰাকৃত) মধ্যম শ্ৰেণীৰ ভকতো বোলে। আনহাতে সাত্বিক ভকতে সদায়ে ভগৱন্ত পুৰুষত কৰা ভকতি জীৱনৰ পবিত্ৰ কৰ্তব্য বুলি গণ্য কৰে। তিনি গুণৰ উৰ্দ্ধলৈ যোৱা নিৰ্গুণ ভকতো আছে।[৩১] নিৰ্গুণ ভকতজন ভগবানৰ মানত ব্ৰহ্মা, ৰুদ্ৰ, ইন্দ্ৰ, লক্ষ্মী আনকি নিজৰ প্ৰাণতকৈয়ো অধিক আদৰৰ বুলি কৃষ্ণই বিভিন্ন স্থানত স্বীকাৰ কৰিছে। ভগবান শ্ৰীকৃষ্ণই কৈছে যে, তেওঁ নিজকে পবিত্ৰ কৰিবৰ বাবে অনবৰতে নিৰ্গুণ ভক্তৰ পদানুসৰণ কৰি থাকে। ভাগৱত পুৰাণত এনে ভক্তৰ লক্ষণ সম্পৰ্কে পোৱা যায় যে নিৰ্গুণ ভকতে মুক্তিক গুৰুত্ব নিদিয়ে। তেওঁ মুক্তিতো নিস্পৃহ। মহাপুৰুষ মাধৱদেৱৰ মতে,

মুক্তিতো নিস্পৃহ যিটো সেহি ভকতক নমো
ৰসময়ী মাগোহো ভকতি।
সমস্ত মস্তকমণি নিজ ভকতৰ বশ্য
ভজো হেন দেৱ যদুপতি।। নামঘোষা।

ভগৱৎ ভকতিবিহীন ব্যক্তিৰ জীৱন শূন্য। আলৱানন্দৰ মুনিয়ে তাৎপৰ্যপুৰ্ণ মন্তব্য এটা কৰিছে—

তত্ত্বেস যস্য মহিমাৰ্ণৱশীকৰাণুঃ
শক্লোন মাতুমপি শৰ্ব্বাপিতামহাদ্যৈঃ।
কৰ্তে তদীয়মহিমাস্তুতিমুদ্যতায়
মহ্যং নমোঽস্তু কৱ্যে নিৰপত্ৰাপায়।" (স্তোত্ৰ চন্দ্ৰ ৰত্নাৱলী ৫)

অৰ্থাৎ— হে পৰমদেৱ! ব্ৰহ্মা, শিৱ আদি দেৱতাসকলেও যাৰ তত্ত্ব বা মহিমা সিন্ধুৰ এক বিন্দুও অনুমান বা বৰ্ণনা কৰিব নোৱাৰে, তেওঁৰ স্তুতি বা তত্ত্ব বৰ্ণনা কৰাৰ বাবে তৎপৰ হোৱা মই নিৰ্লজ্জ কবি বা পণ্ডিত নামধাৰী ব্যক্তিক নমস্কাৰ কৰো। এয়া বাস্তৱত এক নিৰ্লজ্জ ভাবৰ আত্মশ্লাঘাহে। ভগবন্তৰ চৰণ কমলত ভক্তি হবৰ উপায় (মাধ্যম) হল— ভক্ত আৰু ভগবানৰ চৰিত্ৰ শ্ৰৱণ-কীৰ্তন। ভক্তৰ চৰিত্ৰ সদায়ে মঙ্গলজনক, সাত্বিক, আনন্দদায়ক, চিন্তন, মনন আৰু সেৱনৰ যোগ্য আৰু নিত্য নতুন। শংকৰেদেও লিখিছে—

বিষ্ণু বৈষ্ণৱৰ কিঞ্চিতেকো নাহি ভেদ
দুইৰো কথা শ্ৰৱণে পাতকৰ কন্ধ কৰে ছেদ।।(ভা ঃ ১ম)

আদৰ্শ ব্যৱহাৰ, মন-ইন্দ্ৰিয়ৰ সন্তুষ্টি, পবিত্ৰ সেৱাভাৱ, ভগবৎ ভক্তি আৰু প্ৰেম আদিৰ সঁচা স্বৰূপ উপদেশৰ দ্বাৰা পোৱা নাযায়— সেয়া পোৱা যায় ভক্তৰ চৰিত্ৰ কীৰ্তনৰ দ্বাৰা। ভক্ত চৰিত্ৰ স্বয়ং মূৰ্তিমান উপদেশ। প্ৰকৃত ভক্তই নিজৰ কোনো ধৰণৰ অন্যায় হব বুলি জানিও কেতিয়াও সৎ পথ ত্যাগ নকৰে, ঈশ্বৰ সেৱাৰ পৰা আঁতৰি নাহে। মন, শৰীৰ, ধন, সকলো ঈশ্বৰত সমৰ্পিত হৈ কৰ্তব্য পথত অগ্ৰসৰ হয়। সেয়ে এনে ভকতৰ অনিষ্ট হব কেনেকৈ? যদিহে অসহায় ৰোগীক সেৱা কৰি কৰি প্ৰাণ ত্যাগ কৰিব লগা হয়, বা ভোকাতুৰ জনৰ পেটত অন্নৰ যোগান ধৰোতে ধৰোতে সকলো সম্পত্তি নাশ হয় তাতোকৈ ভাগ্যবান আন কোন হব পাৰে?

স্তুতি বা প্ৰাৰ্থনা হল— ভগৱৎ ভক্তিৰ মুখ্য অঙ্গ। সেই স্তুতিত নিহিত থাকে পৰমাত্মাৰ নামৰ মহিমা, তেওঁৰ ৰূপ সৌন্দৰ্যৰ বৰ্ণনা, তেওঁৰ দিব্য গুণৰ স্মৰণ, তেওঁৰ ভক্তক ৰক্ষাৰ বাবে প্ৰদৰ্শিত অলৌকিক লীলাৰ ভাবপূৰ্ণ বৰ্ণনা, ভগবৎ প্ৰাপ্তিৰ মাৰ্গ দৰ্শন, ভক্ত হৃদয়ৰ আকাংশা আদি। আনকি অনেক স্থলত ভক্তিৰ সিদ্ধান্ত আৰু দাৰ্শনিক ৰহস্যৰ সম্ভেদো পোৱা যায়। স্তুতিকাৰীৰ জীৱনত স্তুতিৰ গভীৰ প্ৰভাৱ পৰে। স্তুতি-প্ৰাৰ্থনাই ভক্তৰ মনত

অপাৰ আনন্দ দিয়ে। তেওঁৰ মনোবাঞ্ছা পূৰণ কৰে। কিন্তু ভক্তই কোনো আকাংশা নকৰে।

ভক্তি মাৰ্গ সহজ, সুলভ। ভক্তি মাৰ্গত নাই অষ্টাঙ্গ যোগৰ প্ৰয়োজন। প্ৰয়োজন নাই তপ, জপ, অথবা ব্ৰত উপবাসৰ। ভক্তৰ স্বভাৱ সহজ-সৰল হয়, তেওঁলোকে মনত অকণো কুটিল ভাব নাৰাখে। যি মিলে তাতেই সন্তুষ্ট থাকে। এয়া হল ভক্তিৰ প্ৰধান লক্ষণ। ভক্তই কাৰো প্ৰতি বৈৰী ভাৱ নাৰাখে আৰু কাৰো ওচৰত আশা নকৰে বা কাকো ভয় নকৰে। তেওঁ অহংকাৰত মত্ত হৈ একো নকৰে; গৃহস্থী হৈও গৃহবাসত আসক্ত হৈ নপৰে। মান-যশ, ক্ৰোধ ৰহিত হৈ এটা শান্ত সমাহিত জীৱন যাপন কৰে। তেওঁৰ বাবে স্বৰ্গ, নৰক অপবৰ্গ সকলো সমান আৰু এনেদৰে যি ব্যক্তিয়ে কৰ্ম মাৰ্গ ত্যাগ কৰি ভক্তি মাৰ্গত প্ৰবেশ কৰে তেঁৱেই সুখী।

মহাপুৰুষ শংকৰদেৱে গুৰু গৃহতেই সনাতন হিন্দু ধৰ্মৰ সকলো শাস্ত্ৰ[৩২] মন্থন কৰি সিবিলাকৰ মাজৰপৰা কৃষ্ণ ভক্তি প্ৰকাশক অংশবোৰ নিজা দৃষ্টিভঙ্গী আৰু আদৰ্শৰ উপযোগী হোৱাকৈ অসমীয়া পদ ভাঙনি কৰি একশৰণ হৰি নাম ধৰ্মৰ ভেটি সুদৃঢ় কৰি থৈ যায়। গুৰুজনাই ব্যাসদেৱ বিৰচিত সংস্কৃত ভাগৱতৰ এক বৃহৎ অংশ নিজে অনুবাদ কৰি, অৱশিষ্টখিনি আন কেবাগৰাকী কবিৰ হতুৱাই অনুবাদ কৰাই সম্পূৰ্ণ ভাগৱতৰ অসমীয়া ৰূপ দিয়াত ই এখন বৃহৎ কাব্য শাস্ত্ৰৰূপে পৰিগণিত হয়। অৱশ্যে শংকৰদেৱে কবি হোৱাৰ মানসেৰে শাস্ত্ৰখনি অনুবাদ কৰা নাছিল। যি যি অংশ তেৰাই নিজে অনুবাদ কৰিছে, সিবিলাকৰ তুলনামূলক অধ্যয়নৰ দ্বাৰা এইটো প্ৰতীয়মান হয় যে, মূলৰ সৰল অৰ্থতকৈ কবিয়ে নিজস্ব কাব্যিক প্ৰতিভা আৰু লক্ষ সন্মুখত ৰাখিহে অনুবাদ কৰিছে। ভকতি বিৰোধী আৰু এক শৰণৰ পৰিপন্থী অংশবোৰ বাদ দিছে। জীৱনৰ আদি কালচোৱাৰ পৰা অন্তিম সময়লৈ নিৰবিচ্ছিন্নভাৱে অনুবাদ কৰ্ম অব্যাহত ৰাখিলেও সকলো সময়তে ভাৱ, ভাষা, লক্ষ আৰু উদ্দেশ্য একেই আছিল। তেৰাই অনুবাদৰ সময়ত জটিল দাৰ্শনিক আৰু পাৰমাৰ্থিক কথাবোৰ অতি সহজ সৰলভাৱে ৰসপূৰ্ণ কৰি তুলিছে।

ওপৰত উল্লেখ কৰা ভাগৱত কাব্যখনিক মহাকাব্যৰ শাৰীত পেলাব পাৰি নে নোৱাৰি সেয়া সুকীয়া বিষয়। অৱশ্যে বহুতৰ মতে মহাকাব্যৰ

ধাৰণাটো ভাৰতীয় সাহিত্য জগতলৈ পশ্চিমৰ পৰা অহা এটা ধাৰণাহে; তেওঁলোকৰ মতে গ্ৰীচৰ মহান কবি হোমাৰে ৰচনা কৰা ইলিয়াদ আৰু ওডিচীৰ পৰাই মহাকাব্যৰ ধাৰণাটো গঢ় লৈ উঠে। অৱশ্যে হোমাৰ সম্পৰ্কে নিৰ্দিষ্ট তথ্যৰ অভাৱ আছে। কিন্তু— The Greeks believed that the *Illiad* and the *Odyssy* were compiled by Homer, and seven Greek cities claim to be the place of his birth. Nothing is known of his birth or date, nor can it be proved that the same person compiled both works at the same time, but the quality and unity of the structure in each book indicates one author, who may for convenience be called Homer. Modern scholarship now places him somewhere in Ionia in about 700 B.C. (Homer, *The Iliad*, Penguine Classics)!

এংলো চেক্সনৰ বাউলফ্ (Beowulf), ভাৰ্জিলৰ এনীদ্ (Aeneid), ডান্টেৰ (Divina Commedica) আৰু মিল্টনৰ (Paradise Lost) ইউৰোপীয় সাহিত্য জগতৰ কেইখনমান মহাকাব্য। পণ্ডিতসকলে ভাৰতীয় কাব্য জগতলৈ মহাকাব্যৰ ধাৰণাটো পশ্চিমৰ পৰা অহা বুলি কব বিচাৰিলেও এই দেশৰ মাটিতো মহাকাব্যৰ ধাৰণা সংপৃক্ত হৈ উঠিছিল। তাৰ প্ৰমাণ পাও বৃহদ্ধৰ্ম পুৰাণত উল্লিখিত শ্লোক এটিত।[৩৩] তাত কোৱা হৈছে যে বাল্মিকীয়ে ৰামায়ণ নামেৰে যি মহাকাব্য ৰচনা কৰিছিল, সেয়া নিখিল কাব্য, ইতিহাস পুৰাণ আৰু সংহিতাৰ স্বৰূপ।

ৰামায়ণ আৰু মহাভাৰত বিশ্বৰ ভিতৰতে দুখনি সৰ্বশ্ৰেষ্ঠ মহাকাব্য। আৰম্ভণীৰে পৰা সমাপ্তিলৈকে এটি মাত্ৰ কাহিনী বৰ্ণিত হোৱা গ্ৰন্থকে মহাকাব্য বোলা হয়। অৱশ্যে মূল কাহিনী ভাগক আগুৱাই নিয়াৰ স্বাৰ্থত মাজে মাজে কিছুমান উপ-কাহিনী বা আখ্যানো সংযুক্ত কৰা হয়।

শ্ৰীমদ্ভাগৱতত ৰামায়ণ বা মহাভাৰতৰ দৰে এটাই মাত্ৰ কাহিনী বৰ্ণিত হৈছে বুলি কব নোৱাৰি। মূল লক্ষ্য 'পৰীক্ষিতৰ মোক্ষ লাভ' বৰ্ণনা কৰিবলৈ অজস্ৰ কাহিনী-উপ-কাহিনী প্ৰাসঙ্গিক ভাৱে সংযোগ কৰিবলগীয়া হৈছে। আনহাতে শংকৰদেৱ বিৰচিত ৰুক্মিণী হৰণ কাব্যৰ দৰে ভাগৱতো এখন কাব্য শাস্ত্ৰ; কিয়নো ৰুক্মিণী হৰণ কাব্যৰ দৰে ভাগৱতৰ পাততো কাব্যৰ গুণ-ৰস, ছন্দ, অলংকাৰ আদি পৰিপূৰ্ণ ৰূপত প্ৰকাশ পাইছে।

অৱশ্যে ৰামায়ণ-মহাভাৰতৰো পূৰ্বে ৰচিত ঋগ্বেদেই হ'ল বিশ্বৰ

প্ৰাচীনতম কাব্যশাস্ত্ৰ। 'কবি' শব্দটোৰো প্ৰথম উল্লেখ আমি ঋগ্বেদৰ পাততে পাওঁ। আনকি বেদৰো এটা নাম ছন্দ 'ছন্দাংসি'। বেদত প্ৰয়োগ হোৱা ছন্দ ছয়টাক বেদৰ বাহন বুলি কোৱা হয় — ঠিক সূৰ্যৰ সাতোটা অশ্বৰ দৰে। ঋগ্বেদত এই বিশ্ব প্ৰপঞ্চৰ দ্ৰষ্টা গৰাকীক 'কবি' বোলা হৈছে— 'পশ্য দেৱস্য কাব্যম ন মমাৰ ন জিৰ্য্যতি" — সেই সৃষ্টিকৰ্তাৰ কাব্যৰ (সৃষ্টি) ফালে মন কৰা, তেওঁ নমৰেও আৰু লেৰেলিও নাযায়। উক্ত বেদত কবি শব্দটোৱে ঈশ্বৰক বুজাইছে আৰু এই সৃষ্টিখনকে এখন কাব্য বোলা হৈছে। তেওঁহে (ঈশ্বৰ) একমাত্ৰ কবি আন সকলো অকবি (কবি নহয়)। তেওঁ অকান্তদৰ্শী, প্ৰচেতাও তেঁৱেই। আমি সামান্যভাৱে চৈতন্যৰ অধিকাৰী, কিন্তু ঈশ্বৰ পৰম চৈতন্যৰ গৰাকী। তেওঁ—

'সুদক্ষো দক্ষৈঃ ক্ৰতুনামি সুক্ৰতু
ৰুগ্নে কবিঃ কাব্যোনাসি বিশ্বৱৎ।। ১০।৯১।৩

অৰ্থাৎ— নিজৰ কবিত্ব শক্তিৰে কান্তদৰ্শী চেতনাৰে সকলো জ্ঞাত হয়। বেদত অৱশ্যে 'কবি' অভিধাটো পৰমেশ্বৰৰ ক্ষেত্ৰতহে প্ৰয়োগ কৰা হৈছে— 'কবিৰ্মনীষা পৰিভূঃ স্বায়ম্ভু'। ভাগৱতত ব্ৰহ্মাদেৱক আদি কবি উপাধি প্ৰদান কৰা হৈছে। — 'তেনে ব্ৰহ্মা হৃদা চ আদি কবয়েঃ।' অগ্নিপুৰাণত মানুহৰ কবিত্ব শক্তিক মানবৰ দুৰ্লভ গুণ বুলি অভিহিত কৰা হৈছে। — 'কবিত্বং দুৰ্লভ তত্ৰ শক্তিস্তত্ৰ সুদুৰ্লভা।" আচাৰ্য আনন্দবৰ্দ্ধনে কবিক প্ৰজাপতিৰ লগত তুলনা কৰিছে। কিয়নো কবিয়ে নিজৰ ইচ্ছা শক্তিৰে বিশ্বকে পৰিবৰ্তন সাধিবলৈ সক্ষম হয়—

অপাৰে কাব্য সংসাৰে কবিৰেকঃ প্ৰজাপতিঃ।
যথাস্মৈ ৰোচতে বিশ্বঃ তথৈব পৰিবৰ্ততে।।

গদ্য আৰু পদ্য হল— সাহিত্যৰে দুটা ভাগ। অৱশ্যে পণ্ডিত সকলৰ মতে গদ্য-পদ্য উভয়েই কাব্য। জীৱনৰ সকলো ক্ষেত্ৰতে কাব্যৰ উপযোগীতা দেখিবলৈ পোৱা যায়। ত্ৰিকালদৰ্শী ঋষি-মুনি সকলে, চতুৰ্বৰ্গ সাধনৰ বাবে কাব্যৰ সৃষ্টি কৰিছিল। কাব্য অধ্যয়নৰ দ্বাৰা যশ-কীৰ্তি লাভ হয়, মনৰ আনন্দ বৃদ্ধি পাই মানুহক দীৰ্ঘ জীৱন প্ৰদান কৰে। বেদ, বেদান্ত, উপনিষদ, ব্ৰহ্মসূত্ৰ আদি শাস্ত্ৰ ৰসহীন; পণ্ডিতলোকেহে এনেবোৰ শাস্ত্ৰ অধ্যয়ন কৰি তাৰ ৰসাস্বাদন আৰু অৰ্থ গ্ৰহণ কৰিব পাৰে। সাধাৰণ মানুহে তাৰ ৰসাস্বাদন

কৰিবলৈ সক্ষম নহয়। সেয়ে এই শাস্ত্ৰবোৰ বহুকাল অধ্যয়ন কৰি অন্ততহে মুকুতিৰ পথত অগ্ৰসৰ হ'ব পাৰে। কিন্তু কাব্য অধ্যয়নৰদ্বাৰা অন্তৰত ভগৱৎ ৰসৰ উদ্ৰেক হৈ সংসাৰ তাপৰপৰা সহজতে পৰিত্ৰাণ পাব পাৰে। কাব্যই ধৰ্মশাস্ত্ৰৰ দৰে সমাজক হিতোপদেশ দিব পাৰে বুলি কাব্যকাৰ ৰাজেশ্বৰে উল্লেখ কৰিছে—

গদ্য পদ্যময়ত্বাৎ কবিধৰ্মত্বাদ্ধিতোপদেশকত্বাৎ তদ্ধি শাস্ত্ৰান্যনুধায়তি।। কাব্যমীমাংসা

সেয়ে ফুলৰ পৰা তাৰ সুগন্ধিক পৃথক কৰিব নোৱাৰাৰ দৰে কাব্যৰ পৰাও ধৰ্ম আৰু দৰ্শনক পৃথক কৰিব নোৱাৰি; কিন্তু ৰসিক জনেহে কাব্য অধ্যয়ন কৰি তাৰ ৰসাস্বাদন কৰিব পাৰে।

ৰসাস্বাদন নো কি?

কাব্য চৰ্চাৰ দ্বাৰা অন্তৰৰ ৰজ, তম গুণ তল পৰি সত্ব গুণৰ বিকাশ ঘটিলে চিত্ত নিৰ্মল আৰু শান্ত সমাহিত হৈ পৰে। চিত্তৰ এনে অৱস্থাতহে কাব্য অধ্যয়নৰ পৰা আনন্দ অনুভৱ কৰিব পাৰি। এই অনুভৱকে কোৱা হয় ৰসাস্বাদন। ৰসাস্বাদন হোৱাৰ পাছত তিনিগুণৰ উৰ্দ্ধলৈ গৈ আত্ম সাক্ষাৎকাৰ হ'ব পাৰি।

কাব্য কাক বোলে?

মম্মট ভট্টৰ মতে— 'তদদোষৌ শব্দাৰ্থৌ সগুণাৱনলঙ্কৃতী পুনঃক্কপি।

অৰ্থাৎ— দোষহীন, গুণযুক্ত আৰু অলঙ্কাৰযুক্ত শব্দৰ সমষ্টিয়ে হ'ল কাব্য। কাব্যকাৰ সকলৰ মতে শব্দ আৰু অৰ্থ কাব্যৰ শৰীৰ, ৰস কাব্যৰ আত্মা, গুণ, শৌৰ্য, বীৰ্য, দোষ অঙ্গ বিকৃতি, ৰীতি হ'ল অৱয়ব। অলঙ্কাৰ কেয়ূৰ-কঙ্কণ আদি অলঙ্কাৰৰ দৰে। ভাল কাব্য অধ্যয়ণৰ ফলত মানুহৰ চতুৰ্বৰ্গ সাধন হোৱাৰ উপৰি, শিল্প-কলাতো পাৰদৰ্শী হৈ মান, যশ, অন্তৰত প্ৰীতিভাৱৰ উদ্ভৱ হয় বুলি কাব্যকাৰ ভামহে উল্লেখ কৰিছে—

ধৰ্ম্মাৰ্থ কামমোক্ষেষু বৈচক্ষণাং কলাসুচঃ।
কৰোতি কীৰ্ত্তিং প্ৰীতিঞ্চ সাধু কাব্য নিষেৱনম্।। (ভামহালঙ্কাৰ)

মম্মট ভট্টৰ মতে—

কাব্যং যশসেঽৰ্থকৃত ব্যৱহাৰবিদে শিৱেতৰক্ষতয়ে।
সদ্যঃ পৰণিবৃতয়ে কান্তাসম্মিতয়োপদেশয়জে।। (কাব্য প্ৰকাশ)

অৰ্থাৎ — উপযুক্তা ভাৰ্যাই স্বামীক সৎ উপদেশ দি কৰ্তব্য পথত আগুৱাই যোৱাত সহায় কৰাৰ দৰে সৎ কাব্যইও মানুহক মহৎ কৰি তোলে। সেয়েহে সমাজ সংস্কাৰৰ আহিলা হিচাপে অতীতৰ পৰাই বিশ্বৰ প্ৰান্তে প্ৰান্তে সমাজ সংস্কাৰকসকলে গদ্যতকৈ কাব্যকহে অধিক ফলপ্ৰসু মাধ্যম হিচাপে ব্যৱহাৰ কৰি আহিছে। অন্যান্য ভোগ্য সামগ্ৰীৰ দৰে কাব্যও মানৱৰ এবিধ ভোগ্য সামগ্ৰী। সকলো ভোগ্য সামগ্ৰীৰ অস্তিত্ব থকাৰ দৰে কাব্যৰো অস্তিত্ব আছে। বস্তু এটাৰ অস্তিত্ব আমি কেবা প্ৰকাৰে বুজিব পাৰো। তাৰ স্বৰূপ লক্ষণ, সাধন বা উৎপত্তিৰ কাৰণ আৰু তাৰ ফলাদিৰে বস্তুটোৰ অস্তিত্ব নিৰ্ণয় কৰা হয়। সেয়ে কাব্য-সাহিত্যৰো অস্তিত্ব বিচাৰি আমি উক্ত উপাদানবোৰ পাও। শব্দ বা বাক্য সমষ্টিয়ে যেতিয়ালৈ আমাৰ মন-হৃদয় স্পৰ্শ নকৰে, তেতিয়ালৈ সি সাধাৰণ বিষয় হৈ থাকে। যেনে—

পাৰে পৰি হৰি কৰোহো কাতৰি
প্ৰাণ ৰাখবি মোৰ;
বিষয় বিষধৰ বিষে জড় জড়
জীৱন নাৰহে থোৰ।। বৰগীত

আৰু,
কুণ্ডল ডগ-মগ লম্বিত অংশা
মানস চাৰু সৰোবৰ হংসা।
সুন্দৰ থিৰ ললিত গজ গমনা
কহতু মাধৱ গতি গোপিনী ৰমনা।। মাধৱদেৱ

উক্ত বাক্যাংশই কাব্যৰ ৰূপ পোৱাত সি সহজে আমাৰ হৃদয়তন্ত্ৰী স্পৰ্শ কৰিব পাৰিছে। কিন্তু তাক সাধাৰণভাৱে ব্যক্ত কৰিলে সিয়ে আমাৰ হৃদয়ত গভীৰ অনুভূতিৰ সৃষ্টি কৰিব নোৱাৰে। এয়ে হ্‌ল কাব্যৰ চমৎকাৰিত্ব। সংস্কৃত আলংকৰিক ভামহৰ মতে সৎ কাব্য অধ্যয়নৰ ফলত অন্তৰত "প্ৰীতি" ভাৱৰ উদয় হয়। অভিনৱ গুপ্তৰ মতে "প্ৰীতি" মানে হ'ল— আনন্দ অৰ্থাৎ পাৰ্থিৱ সুখ-বৈভৱৰ পৰা পাব নোৱৰা নান্দনিক সুখ। বানভট্টয়ো তাৰ অৰ্থ আনন্দকে কৰিছে। ভোজৰ মতে প্ৰীতি হ্‌ল— অন্যতম এক কাব্য ফল আৰু ৰত্নেশ্বৰ অভিনৱ গুপ্ত আদি কাব্যকাৰ সকলেও একেই অৰ্থ কৰিছে।[৩৪]

কু + ই, কৌতি, কবতে, কবয়তি, বা, ইতি কবিঃ তস্য কৰ্ম কাব্যম্।

কবিয়ে — যি সৃষ্টি কৰে সেয়ে কাব্য। একাংশ আচাৰ্যৰ মতে— "শব্দাৰ্থযুগলং কাব্যম্" — এই মতৰ সমৰ্থক সকল হল— ভামহ, বামন, ৰুদ্ৰট, কুন্তক, ক্ষেমেন্দ্ৰ, বিদ্যাধৰ, বিদ্যানাথ, বাগ্মদৃপ্তিতীয়, অচ্যুতৰায়, ধৰ্মসুৰি, ন্যায়বাগীশ, সমুদ্ৰবন্ধ আদি। ভামহে কাব্যৰ লক্ষণ সম্পৰ্কে কৈছে— 'শব্দাৰ্থৌ সহিতে কাব্যম্' (কাব্যালঙ্কাৰ ১।১৬)। আনহাঁতে 'শব্দমা কাব্যম' — শব্দই কাব্য। এনে মত পোষণ কৰা আচাৰ্যসকলৰ ভিতৰত আছে— দণ্ডি, জগন্নাথ আদি। দণ্ডিয়ে কাব্যৰ লক্ষণ সম্পৰ্কে কৈছে— 'শৰীৰং তাবদিষ্টাৰ্থব্যৱচ্ছিন্না পদাৱলী (কাব্যালঙ্কাৰ ১।১০)। জগন্নাথে কৈছে— 'ৰমণীয়াৰ্থপ্ৰতিপাদকঃ শব্দঃ কাব্যম্ (ৰসগঙ্গা পৃঃ ৪)। ৰসকে কাব্য বুলি মত দাঙি ধৰা প্ৰধান কাব্যকাৰসকল হ'ল— ভৰত, ভোজ, জয়দেৱ, বিশ্বনাথ, আনন্দবৰ্দ্ধন, অভিনৱ গুপ্ত, শৌদ্ধোদনি, অগ্নিপুৰাণকাৰ আদি। কাব্যত ব্যৱহৃত ভাব, ভাষা, ছন্দ, ৰস, উপমা, অলংকাৰ, ধ্বনি আদিয়ে কাব্যক কৰি তোলে ৰসগ্ৰাহী। কাব্যৰ প্ৰধান বস্তু হ'ল— ৰস সৃষ্টি।—

কাব্যস্যাত্মনি অঙ্গিনি,
ৰসাদিৰূপেন কস্যচিদ্বিমতি। মহিমভট্ট

আলঙ্কাৰিক সকলৰ মতে ৰসেই হ'ল সাহিত্যৰ আত্মা।

এই ৰস নো কিমান প্ৰকাৰৰ?

ভৰত মুনিৰ নাট্য শাস্ত্ৰমতে ৰস আঠ প্ৰকাৰৰ।[৩৫] যেনে— শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভুত। প্ৰতিবিধ ৰসৰে একোটিকৈ স্থায়ীভাব (spirit) থাকে। অভিনৱ গুপ্ত আৰু উদ্ভটৰ মতে ৰস ন-বিধ। উক্ত আঠ প্ৰকাৰৰ উপৰি নৱম বিধ ৰস হল— 'শান্ত ৰস'। ৰুদ্ৰটৰ মতে ৰস দহ প্ৰকাৰৰ। পূৰ্বোক্ত ন প্ৰকাৰৰ লগত দশমবিধ হল প্ৰেয়স। ভোজৰ মতে ৰস বাৰ প্ৰকাৰৰ। পূৰ্বোক্ত দহ প্ৰকাৰৰ ৰসৰ লগত উদাত্ত আৰু উদ্ধত ৰসকো ধৰা হৈছে। কোচ ৰজা নৰনাৰায়নৰ ৰাজসভাৰ কবি কৰ্ণপুৰৰ মতে ৰস বাৰবিধ। উপৰিউক্ত আঠপ্ৰকাৰৰ লগত শান্ত, বাৎসল্য, প্ৰেমা আৰু ভক্তিকো লৈ মুঠ বাৰ প্ৰকাৰৰ ৰস উল্লেখ কৰিছে। এইবিলাকৰ স্থায়ী ভাব ক্ৰমে নিৰ্ব্বেদ, মমকাৰ, চিত্ত দ্ৰৱ আৰু দেৱাদিবিষয়ক ৰতি। হৰিপালদেৱৰ মতে ৰস মুঠতে তেৰ প্ৰকাৰৰ। উপৰিউক্ত আঠপ্ৰকাৰৰ ৰসৰ

লগত ব্ৰাহ্ম, বাৎসল্য, সম্ভোগ আৰু বিপ্ৰলম্ভ এই তেৰবিধ ৰসক হৰিদেৱদেৱে তেওঁৰ "সঙ্গীত সুধাকৰ" গ্ৰন্থত উল্লেখ কৰিছে। ইয়াৰ স্থায়ীভাৱ হ'ল ক্ৰমে আহ্লাদ, মৰ্ম্ম (হাস), জুগুপ্সা, (শোক, উৎসাহ), দৈন্য, ক্ৰোধ, বিস্ময়, নিৰ্ব্বোধ, আনন্দ, প্ৰীতি, ৰতি আৰু অৰতি। আকৌ ভট্টলোল্লটৰ মতে ৰস অনন্ত— 'তেন অনন্ত্যোऽপি ৰসানাং পাৰ্ষদ প্ৰসিদ্ধ্যা এতাৱমেৱ প্ৰযোজ্যত্বম (অভিনৱ ভাৰতী)। দ্বাদশ শতিকাৰ মহাৰাষ্ট্ৰৰ পৰম ভাগৱত বোপদেৱে তেওঁৰ 'মুক্তাফল' গ্ৰন্থত ভক্তিকো এবিধ ৰস বুলি অভিহিত কৰিছে। বোপদেৱে বিষ্ণুৰ ভকতৰ লক্ষণ আৰু ভেদ নিৰ্ণয় কৰি কৈছে—

"স নৱধা ভক্ত, ভক্তিৰসস্যৈৱ হ্যাস্য শৃঙ্গাৰ- করুণ-ৰৌদ্ৰ-ভয়ানক-বীভৎস - শ্বান্তাদ্ভূত- বীৰ ৰূপে নানু ভৱা।। ১০।১

অৰ্থাৎ, এক ভক্তি ৰসেই হাস্য, শৃঙ্গাৰ আদি ন প্ৰকাৰে আস্বাদিত হয় বাবে সেই অনুসৰি ভক্তিও ন বিধ। আনহাতে 'মুক্তাফল'ৰ উক্ত শ্লোকৰ টীকাত হেমাদ্ৰীয়ে লিখিছে যে, যাৰ অন্তৰত ভক্তিৰসৰ অনুভৱ হয়, তাকে কয় ভক্ত। যেনে তৃপ্তি অনুভৱ হলে তাক কয় তৃপ্ত। তেওঁ মুক্তাফলত, ইয়াকো কৈছে যে— বিষ্ণু-বৈষ্ণৱৰ নৱ ৰসাত্মক চৰিত্ৰৰ গুণানুকীৰ্ত্তনৰ ফলত হৃদয়ত যি আনন্দ অনুভূত হয়, সেয়ে ভক্তি ৰস।

ব্যাসাদিভিবৰ্ণিতস্য বিষ্ণুবিষ্ণুভক্তানাং বা চৰিত্ৰস্য।
নৱৰসাত্মকস্য শ্ৰৱণাদিষুণা জগিতশ্চমৎকাৰো ভক্তিৰসঃ।।

(মুক্তাফল-১৭শ অধ্যায়)

ৰস সম্বন্ধে মধুসূদন সৰস্বতীয়ে এটা সুন্দৰ উদাহৰণ আগবঢ়াইছে—

কান্তাদিষু বিষয়া বা যে ৰসাদ্যাস্তত্ৰনেশ্চম্।
ৰসত্বং পুষ্যতে পূৰ্ণসুখাস্পৰ্শিত্বকাৰণাৎ।।
পৰিপূৰ্ণা ৰসা ক্ষুদ্ৰং ৰসেভ্যো ভগৱদৰতিঃ।
খাদ্যোতেভ্য ইৱাদিত্য প্ৰভেৱ বলৱত্তৰা।। ভক্তি ৰসায়ন, ২।৭৭-৭৮

অৰ্থাৎ— ভাৰ্যাদি সাংসাৰিক বিষয়ত যি ৰস আৰু ভাৱ উৎপন্ন হয়, সেইবিলাকৰ ভিতৰত আনন্দৰ পূৰ্ণ বিকাশ নঘটে। সেয়েহে সেইবিলাকত ভগবদ্ বিষয়ক ৰতিত যেনেদৰে ৰসৰ পৰিপূৰ্ণতা ঘটে তেনেকুৱা ৰসৰ পৰিপূৰ্ণতা নঘটে। ভাৰ্যাদি বিষয়ক যি ৰস, সেয়া হল— সূৰ্যৰ আগত

জোনাকী পৰুৱা সদৃশ অৰ্থাৎ ভগৱৎ ৰতি আদিত্যৰ প্ৰকাশৰ দৰে মহিমামণ্ডিত। শংকৰদেৱৰ কাব্যত পোৱা যায়—

কৃষ্ণৰ ভকতি ৰস সাগৰ সঙ্কাশ।

অমৃততোধিক স্বাদ নাহিকে প্ৰয়াস।। ভাগৱত

সেইদৰে আনন্দবৰ্দ্ধনেও লিখিছে — যে কবিৰ অভিনৱ ৰস সৃষ্টি তথা বিদ্বানলোকৰ জ্ঞানদৃষ্টি এই দুয়োবিধতে মই সুখী নহও— বৰং মই সুখী হও ক্ষীৰোদধিশায়ী ভগবান বিষ্ণুৰ ভক্তি ৰসতহে।[৩৬] উল্লেখ্য, অংলকাৰৰ সহযোগতহে ৰসৰ অভিব্যক্তি ঘটে —

সেহি কৃপাময় মোৰ ধাক্যচয়

অলঙ্কৃত কৰন্তোক।

শৃঙ্গাৰাদি নানা ৰসে বাজ হৌক

আনন্দে লোকে শুনোক। (ভাগৱত প্ৰথম)

আনন্দবৰ্দ্ধনৰ মতে ৰসৰ দৰে অলঙ্কাৰো অনন্ত — 'অলঙ্কাৰনানন্তত্বাৎ'। অলঙ্কাৰ অনন্ত হোৱাৰ কাৰণ ব্যাখ্যা কৰি অভিনৱ গুপ্তই কৈছে যে — কবিৰ প্ৰতিভাও অনন্ত সেয়েহে অলঙ্কাৰো অনন্ত — প্ৰতিভানন্তাৎ। অলংকাৰ আকৌ দুভাগে বিভক্ত — শব্দালংকাৰ আৰু অৰ্থালংকাৰ।

কাব্যত যদিও কাব্যৰ লক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে, তথাপিও ধৰ্মৰ প্ৰলেপ নপৰা ভাৰতীয় কোনো সৃষ্টি পোৱা নাযায়। ভৰতৰ নাট্য শাস্ত্ৰৰ পৰা আৰম্ভ কৰি পণ্ডিত জগন্নাথ কৃত 'ৰস গঙ্গাধৰ'লৈ কাব্য শাস্ত্ৰৰ পৰম্পৰাত ধৰ্মই ঠাই দখল কৰি আছে। তাৰ প্ৰমাণ পোৱা যায়— 'ৰামাদিৱদবৰ্ত্তিতব্যং ন ৰাৱণাদিবৎ"

অৰ্থাৎ — ৰামৰ দৰে চলিব লাগে, ৰাৱণৰ দৰে নহয়— আদি ৰচনাত।

কাব্য সম্পৰ্কীয় উক্ত চমু আলোচনাৰ আলমত শ্ৰীমদ্ভাগৱত কাব্যখনিৰ বিচাৰ কৰিব পৰা যায়। অৱশ্যে ভকতি ৰসেৰে জীপাল হৈ থকা ভাগৱতৰ বিভিন্ন প্ৰসঙ্গত ব্যৱহৃত পদ, শব্দ বা বাক্যৰ অৰ্থ বুজিব নোৱাৰিলে তাৰ বোধ নজন্মে। তাৰ দ্বাৰা ধৰ্ম সাধনো নহয়। ইয়াৰ বাবে ব্যাকৰণৰ জ্ঞান নিতান্তই প্ৰয়োজন। সেয়ে ব্যাকৰণক 'শব্দানুশাসন শাস্ত্ৰ'

বুলি কোৱা হয়। ভাগৱতখন ধৰ্ম আৰু দাৰ্শনিক গ্ৰন্থৰ বাবেই বিখ্যাত নহয়; ভাষা-বিজ্ঞানৰ ফালৰ পৰাও ই এখন উপমাবিহীন গ্ৰন্থ। ভৰ্তৃহৰিয়ে ব্যাকৰণক মুকুতিৰ দুৱাৰ বুলি উল্লেখ কৰিছে।

ভাৰতীয় আলঙ্কৰিকসকলৰ মতে — "মা ঋষি কবিৰ্ভৱেৎ।

অৰ্থাৎ— ঋষি নহলে কবি হব নোৱাৰি। মহাপুৰুষ শংকৰদেৱ আছিল এগৰাকী ঋষি-কবি—

গীত কবিত্ব গুণ শঙ্কৰদেৱৰ
কীৰিতি গয়ো বহুদূৰ। (ভটিমা)

আন 'তে শঙ্কৰদেৱেও নিজকে কবি বুলি আত্ম পৰিচয় দিছে —

(ক) হৰিৰ চৰণ সেবি কৃষ্ণৰ কিংকৰ কবি
ছবি বন্ধে ৰচিল পয়াৰ।। (হৰিশ্চন্দ্ৰ উপাখ্যান)

(খ) কায়স্থ শঙ্কৰ কবি কৃষ্ণৰ চৰণ সেৱি
ছবি পদচয় নিগদতি।। (ঐ)

(গ) কৃষ্ণৰ কিংকৰ কবিশংকৰে ৰচিলা ছবি।। (ৰুক্মিণী হৰণ)

সেয়েহে তেৰাৰ কলমৰ পৰা নিৰ্গত শব্দৰাজিয়ে জন্ম দিছিল কাব্য-সাহিত্যৰ। তেৰা প্ৰকৃতাৰ্থত এগৰাকী প্ৰতিভাসম্পন্ন কাব্যকাৰ হোৱা হেতুকে সৃষ্টি কৰিব পাৰিছিল মহান কাব্য শাস্ত্ৰৰ। আলংকাৰিক সকলৰ মতে শাস্ত্ৰ আৰু কাব্যৰ মাজত মৌলিক প্ৰাৰ্থক্য থাকে। কিন্তু আচৰিত ধৰণে শংকৰদেৱে সাহিত্যৰ মাজত শাস্ত্ৰ আৰু কাব্যৰ সমন্বয় সাধন কৰিছে। সেয়ে তেৰাৰ কাব্য সাহিত্যত শাস্ত্ৰৰ গভীৰ আধ্যাত্মিকভাৱ, মোক্ষ সাধনৰ সহজ মাৰ্গ দৰ্শন আৰু কাব্যৰ স্বৰূপ লক্ষণ প্ৰকাশ পাইছে। ভামহৰ মতে— প্ৰতিভাৰ অভাৱত কাব্যৰ সৃষ্টি নহয় আৰু কেনেবাকৈ সৃষ্টি হলেও সি উপহাসৰ পাত্ৰ হৈ পৰে।[৩] প্ৰতিভা হল এক বিশুদ্ধ অলৌকিক তত্ত্ব। সমাজক কেন্দ্ৰ কৰিয়েই কাব্য সাহিত্যৰ সৃষ্টি হৈছে। সমাজক বাদ দি তাৰ কোনো অস্তিত্ব থাকিব নোৱাৰে। সেয়ে, সমাজৰ পোষণ, বৰ্দ্ধন আৰু সমাজক গতিশীল ফল প্ৰদানেই হল কাব্য-সাহিত্যৰ মুখ্য ফল। মহাপুৰুষ শংকৰদেৱে সৃষ্টি কৰা কাব্য সাহিত্য উদ্দেশ্যধৰ্মী-কৃষ্ণৰ ভকতি ধৰ্ম প্ৰচাৰ আৰু তাৰ দ্বাৰা সমাজৰ সৰ্বাঙ্গীন বিকাশ সাধন। তেৰাৰ অনুবাদৰ স্বকীয়তাই কাব্য-সাহিত্যক মৌলিকতা প্ৰদান কৰিছিল। দাৰ্শনিক অৰবিন্দই বিশ্বৰ

তিনিগৰাকী কবিৰ কবিত্ব শক্তিক স্বীকাৰ কৰিছে। বাল্মিকী, ব্যাস আৰু কালিদাস। তেওঁ বাল্মিকীৰ কাব্যত বিচাৰি পাইছিল অনুভূতি; ব্যাসৰ কাব্যৰ মাজত বুদ্ধিদীপ্ততা আৰু কালিদাসৰ কাব্যৰ মাজত ইন্দ্ৰিয়ানুভূতি। অৰবিন্দই শংকৰদেৱৰ কাব্য অধ্যয়নৰ সুযোগ পোৱাহেঁতেন হয়তো উপলব্ধি কৰাত অসুবিধা নহলহেঁতেন যে— বাল্মিকী, ব্যাস আৰু কালিদাসৰ কাব্য প্রতিভাৰ অপূর্ব সমাবেশ ঘটিছিল মহাপুৰুষ শংকৰদেৱৰ কাব্য-শাস্ত্ৰৰ পাতে পাতে। গুৰুজনাৰ কাব্যত সকলো ৰসৰ সমাবেশ ঘটিলেও ভকতি ৰসেই প্ৰাধান্য লাভ কৰিছিল আৰু তেৰাৰ সু-গভীৰ জ্ঞান দৃষ্টিৰ মাজতো ভকতি ৰসেই প্রকট হৈ পৰিছিল। সেয়েহে গুৰুজনাৰ কাব্যৰ ৰসাস্বাদন কৰোতাসকলৰ বাবে তেৰাই সৃষ্টি কৰা কাব্য আছিল ভকতি ৰসেৰে চপচপীয়া হৈ পৰা একোখন 'মহৎ কাব্য। অৱশ্যে শংকৰদেৱৰ কাব্যৰ মাজত তেৰাৰ বিশাল জ্ঞান দৃষ্টিৰ পৰিচয় বিচৰাজনে কাব্যৰ ৰস, উপমা, অলঙ্কাৰাদিৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰাৰ উপৰি ব্যাকৰণৰ বিভিন্ন সূত্ৰৰ লগতো পৰিচয় হোৱাটো বাঞ্ছনীয়। কাৰণ 'বাক্য প্রদীপ' মতে — বাচক ৰূপত বিভক্ত বাণীৰ পৰম ৰস আৰু পুণ্যতম জ্যোতিৰ উপলব্ধ হবৰ বাবে ব্যাকৰণ এক সৰল মাৰ্গ।[৩৮] ইয়াৰ তাৎপৰ্য এয়ে যে, ব্যাকৰণৰ পৰা বাক্যত প্ৰয়োগ হোৱা পদৰ, পদত যুক্ত বৰ্ণ, বৰ্ণত শ্ৰুতি তথা শ্ৰুতিৰ পৰমায়ু বিদীৰ্ণ কৰিব পাৰিলেহে বাক্যৰ অৰ্থ উপলব্ধ হয়। কাব্যৰ লক্ষণাদি আৰু ব্যাকৰণৰ উপযুক্ত জ্ঞানৰ অভাৱতে অনেক সময়ত শংকৰদেৱৰ কাব্য-সাহিত্যত প্ৰয়োগ হোৱা কিছুমান শব্দ বা বাক্যৰ অপব্যাখ্যা দিয়া দেখা যায়।

প্ৰাচীন কালত সংস্কৃত ভাষাতহে কাব্য বা সাহিত্যৰ চৰ্চা কৰা হৈছিল। আনহাতে সংস্কৃত শিক্ষা গ্ৰহণ সৰ্বসাধাৰণৰ বাবে মুকলিও নাছিল। গতিকে যি মুষ্টিমেয় লোকৰ মাজতে সংস্কৃত ভাষা অধ্যয়ন-অধ্যাপনা সীমাবদ্ধ আছিল— তেওঁলোকৰ বাবে শাস্ত্ৰ অনুবাদৰ কোনো প্ৰয়োজনেই নাছিল। মধ্যযুগত সমগ্ৰ ভাৰতবৰ্ষ ব্যাপি প্ৰবাহিত হোৱা ভক্তি আন্দোলনৰ ফলশ্ৰুতি হিচাপেহে আন্দোলনটোৰ গুৰি ধৰোতা বৈষ্ণৱ-কবিসকলে নিজ নিজ ধৰ্মাদৰ্শ জনসাধাৰণৰ মাজত প্ৰচাৰৰ উদ্দেশ্যে সংস্কৃতৰ পৰা সৰ্বসাধাৰণৰ মুখৰ ভাষালৈ শাস্ত্ৰবোৰ অনুবাদ কৰাৰ প্ৰয়োজন আহি পৰে। কিন্তু অসমীয়া সাহিত্যত প্ৰাক-শংকৰী যুগৰ (১৩শ শতাব্দী) কবি হেম সৰস্বতীৰ সময়ৰে পৰা অনুবাদ সাহিত্যই ভুমুকি মাৰে। আনকি মধ্যযুগৰ কেবাগৰাকী কবিয়ে

ৰাজপৃষ্ঠপোষকতা লাভ কৰিছিল। প্ৰাক-শংকৰী যুগৰ কবিসকলৰ ভিতৰত কমতাৰাজ দুৰ্লভ নাৰায়ণৰ পৃষ্ঠপোষকতা লাভ কৰা হেম সৰস্বতীৰ নামেই প্ৰথমে লব লাগিব। তেওঁ ৰাজ পৃষ্ঠপোষকতা পাই ৰচনা কৰিছিল দুখনি কাব্য-প্ৰহ্লাদ চৰিত আৰু হৰ-গৌৰী সংবাদ। হেম সৰস্বতীয়ে প্ৰহ্লাদ চৰিত্ৰৰ আৰম্ভণীতে বামানয় শাস্ত্ৰৰ অনুগামী সকলৰ বিৰুদ্ধে বিষোদ্‌গাৰ কৰি বিষ্ণু ভক্ত প্ৰহ্লাদৰ বিজয় ধ্বজা ঘোষণা কৰিছে—

জয় নমো নাৰায়ন বৈকুণ্ঠৰ পতি।
তোমাৰ চৰণে লৈলো শৰণ সম্প্ৰতি।।
বামন পুৰাণ ইটো প্ৰহ্লাদ চৰিত্ৰ।
হেম সৰস্বতী বিৰচিলা ইটো কৃত্য।।

কাব্যখনিত প্ৰকাশ পোৱা বিষ্ণু ভক্তিৰ মাহাত্ম্যৰ বাবেই ভাষাবিদ কালিৰাম মেধিয়ে প্ৰহ্লাদ চৰিত্ৰ কাব্যখনিক অসমীয়া বৈষ্ণৱ সাহিত্যৰ প্ৰথম পুথি বুলি অভিহিত কৰিছে।

দুৰ্লভ নাৰায়নৰ পুত্ৰ ইন্দ্ৰ নাৰায়নেও ৰাজ পৃষ্ঠপোষকতা কৰিছিল। খাচপুৰৰ কছাৰী ৰজা শ্ৰীমন্ত তাম্ৰধ্বজ আৰু তেওঁৰ ভাতৃয়েও ৰুদ্ৰ কন্দলিক কাব্য ৰচনাৰ বাবে প্ৰেৰণা যোগাইছিল। বৰাহী ৰজা মহামাণিক্যই মাধৱ কন্দলিক ৰাজপৃষ্ঠপোষকতা কৰা বাবেই ৰামায়ণৰ অসমীয়া অনুবাদ সম্ভৱ হৈছিল। কোচৰজা নৰনাৰায়নৰ পৃষ্ঠপোষকতা লাভ কৰি ৰাম সৰস্বতীয়ে মহাভাৰতৰ অসমীয়া ভাঙণি সম্পন্ন কৰিছিল। মাধৱ কন্দলিয়ে নিজৰ অনুবাদ কৰ্ম সম্পৰ্কে নিজেই এনেদৰে উল্লেখ কৰিছে— 'কিছু নিজ কিছু লম্বা কথা অনুসাৰে।" আৰু 'পুস্তক বিচাৰি যেবে তৈতে কথা নাপাবাহা। তেন্তে সবে নিন্দিবা আমাক।" বুলি পদ কৰিছে। মাধৱ কন্দলিৰ অনুবাদৰ কলা-ৰীতিয়ে শংকৰদেৱকো আকৰ্ষিত কৰিছিল; যাৰ বাবে গুৰুজনাই কন্দলিক অকপটে 'পূৰ্ব কবি অপ্ৰমাদী" বুলি স্বীকাৰ কৰিছে আৰু তেওঁৰ তুলনাত নিজকে শহা পছ আৰু কন্দলিক হস্তী যেন জ্ঞান কৰিছে। কন্দলিয়ে তেওঁৰ ৰামায়ণ কাব্যত পয়াৰ, দুলড়ী, ছবি ত্ৰিপদী, ঝুমুৰা আদি চিন্তৰ বাহক হিচাপে ব্যৱহাৰ কৰিছে। প্ৰাক শংকৰী যুগৰ কবি হেম সৰস্বতী, ৰুদ্ৰ কন্দলি, ৰাম সৰস্বতী আৰু মাধৱ কন্দলিৰ কাব্যৰ মাজেৰে অসমীয়া ভাষাই স্বকীয় বৈশিষ্ট লাভ কৰিছিল।

সকলো কাব্য (সাহিত্য)ৰে মুখ্য ফল হল ৰসাস্বাদন। শংকৰদেৱৰ

কাব্য-সাহিত্যৰো মুখ্য ফল একেই— ৰসাস্বাদন। অৱশ্যে মুখ্য ফল লাভৰ বাট ক্ষীণ হলে— সাহিত্যৰ উদ্দেশ্য সফল নহয়। সাহিত্যৰ এই লক্ষণ শংকৰদেৱ বিৰচিত সাহিত্যৰ ক্ষেত্ৰত প্ৰয়োজ্য হোৱা নাই। কাৰণ তেৱাঁৰ সাহিত্যই মুখ্য ফল প্ৰাপ্তিৰ সুগম পথ নিৰ্মাণ কৰিবলৈ সক্ষম হৈছে।

ইতিপূৰ্বে উল্লেখ কৰা হৈছে যে, ব্যাকৰণৰ বিভিন্ন প্ৰকৰণৰ জ্ঞান অবিহনে ভাগৱতৰ (বা অন্য শাস্ত্ৰৰো) অৰ্থ উপলব্ধ হোৱাটো কঠিন। উদাহৰণ স্বৰূপে মূল ভাগৱতৰ প্ৰথম স্কন্ধৰ ৪নং সংখ্যক শ্লোকটোকে ধৰা হওক —

ওঁ নৈমিশেহনিমিষক্ষেত্ৰে ঋষয়ঃ শৌনকাদয়ঃ।
সত্ৰং স্বৰ্গায়লোকায় সহস্ৰসমমাসত।। ১।১।৪

অৰ্থাৎ— বিষ্ণুক্ষেত্ৰ নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে ভগবৎ প্ৰাপ্তি কামনাৰে সহস্ৰ বছৰ যজ্ঞ কৰিছিল। উক্ত শ্লোকটিৰ আমাৰ আলোচ্য পদটি হল 'সত্ৰ'। মূল ভাগৱতত বা তাৰো পূৰ্বে ৰচিত বৈদিক সাহিত্যত 'সত্ৰ' পদটি 'যজ্ঞ' অৰ্থত ব্যৱহাৰ কৰা হৈছিল "সত্ৰং সত্ৰসংজ্ঞকং" (শ্ৰীধৰটীকা)। শংকৰদেৱে উক্ত শ্লোকৰ পদ ভাঙণি কৰিছে এনেদৰে—

'আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।
বিষ্ণুৰ নৈমিষক্ষেত্ৰ মহাপুণ্য স্থান।।
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।

কিন্তু শংকৰদেৱে 'সত্ৰ' পদতিৰ অৰ্থৰ পৰিবৰ্তন ঘটাই 'ভাগৱত কথা শ্ৰৱণ' কৰে। শংকৰোত্তৰ কালত 'সত্ৰ' পদৰ অৰ্থই তাৰ বিস্তৃতি লাভ কৰি আধুনিক যুগত নানান অৰ্থত ব্যৱহাৰ কৰা দেখা যায়। যেনে— সঙ্গীত সত্ৰ (Cultural session), কবি সত্ৰ আদি। আনকি 'Session Court'ৰ অসমীয়া পৰিভাষা 'সত্ৰ আদালত' কৰা হৈছে। এনেবোৰ অৰ্থৰ লগত 'যজ্ঞ' বা 'ভাগৱত কথা শ্ৰৱণ'ৰ কোনো সম্পৰ্কই নাই। এনেদৰে সত্ৰ পদে তাৰ উৎপত্তিৰ সময়ৰ অৰ্থৰ ৰূপ সলাই বিস্তৃতি লাভ কৰি আহিছে। ব্যাকৰণৰ অৰ্থবিজ্ঞান প্ৰকৰণৰ (Semantics) পৰা শব্দ একোটাৰ অৰ্থৰ পৰিবৰ্তনৰ বিষয়ে জানিব পৰা যায়। সেয়েহে ব্যাকৰণৰ জ্ঞানৰ অবিহনে শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ কৰাটো সম্ভৱ নহয়। তাৰ বাবে সংস্কৃত ভাষা জানো অপৰিহাৰ্য।

মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ প্ৰপম শিষ্য আতাপুৰুষ কেইগৰাকীৰ অন্যতম বদলা পদ্ম আতাৰ দ্বাৰা স্থাপিত মাজুলীৰ নতুন কমলাবাৰী সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীযুত নাৰায়ণ চন্দ্ৰ গোস্বামী অসমৰ বৌদ্ধিক ক্ষেত্ৰখনৰ এটি শ্ৰদ্ধেয় নাম। মহাপুৰুষ শঙ্কৰদেৱ প্ৰবৰ্ত্তিত ধৰ্ম-দৰ্শন, সাহিত্য-সংস্কৃতিৰ অধ্যয়ন আৰু গৱেষণাৰত সাম্প্ৰতিক কালৰ ৰাজ্যখনৰ বৰেণ্য পুৰুষসকলৰ ভিতৰত শ্ৰীযুত গোস্বামী আগ শাৰীৰ বহুমুখী প্ৰতিভাসম্পন্ন এগৰাকী পণ্ডিত। শংকৰদেৱৰ ধৰ্ম-সাহিত্য-সংস্কৃতিৰ ক্ষেত্ৰখনলৈ তেওঁ ইতিমধ্যে আগবঢ়োৱা অৱদানে তেওঁৰ নাম যে উজ্জ্বল কৰি ৰাখিব তাত সন্দেহ নাই। সম্প্ৰতি তেওঁ গভীৰ অধ্যয়নেৰে পুষ্ট হৈ অতি শ্ৰম কৰি প্ৰণয়ন কৰিছে বৃহৎ কলেবৰৰ এখনি অনুপম গ্ৰন্থ— 'শ্ৰীমন্ত শংকৰদেৱৰ সাহিত্যৰ মৌলিকতা বিচাৰ'। গ্ৰন্থখনি চাৰিটা খণ্ডত বিভক্ত কৰি প্ৰকাশৰ বাবে 'শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম'য়ে দায়িত্ব লবলৈ পাই সুখী হৈছো। গ্ৰন্থখনিয়ে লেখকৰ তুলনামূলক অধ্যয়নৰ স্বাক্ষৰ বহন কৰিছে। গুৰু দুজনাৰ বিশাল সাহিত্যৰ ভিন্ ভিন্ দিশ আলোকপাত কৰি অনেক গুণী-জ্ঞানী লোকে অজস্ৰ মূল্যবান গ্ৰন্থ ৰচনা কৰি জাতীয় সাহিত্যৰ ভৰাল চহকী কৰি তুলিছে। কিন্তু মহাপুৰুষ দুজনাৰ সাহিত্য কৰ্মৰ মৌলিকতা বিচাৰ কৰি লিখা গ্ৰন্থ নাই বুলিবই পাৰি। সেয়েহে শ্ৰীযুত গোস্বামীদেৱৰ এই গ্ৰন্থখনিয়ে শংকৰদেৱৰ সাহিত্য সৃষ্টিৰ বৈশিষ্ট্য তথা মৌলিকতা বিচাৰৰ দিশত আলোক সন্ধানীৰ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত মধ্য ভাৰতীয় আৰ্য ভাষাৰ ভিতৰুৱা এটা ভাষা হ'ল অসমীয়া। আনুমানিক দশম-একাদশ শতিকাত উদ্ভৱ হোৱা মধ্য ভাৰতীয় আৰ্য ভাষাবোৰৰ মাজৰে পুৰণি অসমীয়া ভাষাতেই শঙ্কৰদেৱে একশৰণ হৰিনাম ধৰ্ম প্ৰচাৰৰ অৰ্থে নানান গীত-পদ ৰচনা কৰে। তেৰাৰ সৰহভাগ সাহিত্য কৰ্মই আছিল অনুবাদ জাতীয় কৰ্ম। কিন্তু গুৰুজনাৰ অনুবাদৰ সুকীয়া বৈশিষ্ট্য আছে। তেৰাৰ অসাধাৰণ কবিত্ব শক্তি, সূক্ষ্ম ৰস-বিচাৰ, ভাব বৈচিত্ৰ, নানান ছন্দ অলংকাৰৰ ব্যৱহাৰে অনুবাদ কৰ্মক অনন্য, অতুলনীয় পৰম মোহনীয় ৰসময় কৰি তুলিছে। এনে এগৰাকী মহান কবি-গুৰুৰ সাহিত্য কৰ্মৰ মৌলিকতা বিচাৰ কৰাটো সহজ কাম নহয়। এনে মহৎ কৰ্মৰ বাবে অগ্ৰসৰ হোৱাজনৰ শঙ্কৰদেৱৰ ধৰ্ম-দৰ্শন সম্পৰ্কে সম্যক ধাৰণা থকাৰ উপৰি প্ৰাকৃত, সংস্কৃত, অপভ্ৰংশ আদি ভাষাৰ জ্ঞান

আৰু সমকালীন ভাৰতীয় সাহিত্যৰ লগত পৰিচয় থকাটো নিতান্তই বাঞ্ছনীয়। শ্ৰীযুত গোস্বামী উপৰি উক্ত গুণবিলাকেৰে অলঙ্কৃত এগৰাকী গৱেষক পণ্ডিত।

প্ৰথম খণ্ডতিত গোস্বামীদেৱে সংস্কৃত শ্ৰীমদ্ভাগৱতৰ শংকৰদেৱে কৰা অসমীয়া পদ-পয়াৰৰ ১ম, ২য়, ৩য় (অনাদি পাতন), ৬ষ্ঠ (অজামিল উপাখ্যান), ৮ম (অমৃত মন্থন, হৰমোহন, বলি চলন) সামৰি লৈছে। শংকৰদেৱে অসমীয়া পদ ভাঙনি কৰোতে কেতিয়াবা মূলানুগ বা কেতিয়াবা হ্ৰস্য-দীৰ্ঘ কৰি অনুবাদ কৰা দেখা যায়। তাৰ মাজতেই তেৰাৰ অনুবাদৰ মৌলিকতা প্ৰকাশ পাইছে। এই গ্ৰন্থৰ পাতে পাতে গুৰুজনাৰ অনুবাদ ৰীতিৰ মৌলিকতা প্ৰকাশ পোৱাৰ উপৰি লেখকৰো অধ্যয়ন আৰু বিশ্লেষণৰ বহুমুখীতা প্ৰকাশ পাইছে। গ্ৰন্থখনক ৰাইজে আদৰি ললেই লেখক আৰু প্ৰকাশকৰ শ্ৰম সাৰ্থক হ'ব বুলি ভাবিছো।

পাদটীকা

(১) "If I were to look over the whole world to find out the country most richly endowed with all the wealth, power and beauty that nature can bestow in some parts of a very paradise an earth; I should point to India. If I were to ask myself from what literature we, here in Europe, we have been nurtured almost exclusively on the thoughts of Greeks and Romans, and of one Semetic race, the Jewish, may draw the corrective which is most wanted in order to make our inner life more perfect, more comprehensive, more universal in fact more urrely human, a life, not for this life only, but a transfigured and external life again. I should point to India (What can India Teach us?

২। বেদোऽখিলো ধৰ্ম্মমূলম্। মনুসংহিতা ২/৭

৩। প্ৰত্যক্ষানানুমিত্যা বা যস্ত্ৱপায়ো ন বিদ্যতে।
এনং বিদ্যন্তি বেদেন তস্মাদকং বেদস্য বেদতা।।.যাজ্ঞবল্ক সংহিতা।

৪। শ্ৰুতিস্তু বেদবিজ্ঞয়ঃ।

৫। একবিংশতি বেদেন ঋগ্বেদং কৃতবাদুৰা (কূৰ্ম্মপুৰাণ ১।৫২।৮)

৬। ঋগ্বেদস্য তু শাখাঃ স্যুৰেকবিংশতি সংখ্যয়া।। মুক্তিকোপনিষদ

৭। বায়ুপুৰাণ — ১।৬০।২৪—৩; ৬৩—৬৬,

৮। ব্ৰহ্মাণ্ডপুৰাণ ঃ ১।৩৪। ২৪—৩৩; ৩৫।১ — ৭

৯। চত্বাৰোঽস্যে (স্বাহায়ে) বেদাঃ শৰীৰং ষড়ঙ্গানাঙ্গানি।।

১০। অৰণ্যে উক্তমিতি আৰণ্যকম্

১১। ঋগ্বেদত ভক্তিঃ ১।১৫৬।৩; ৭।১০০।১, ৩, ৪; ১।১৫৪।৪

১২। "সৰ্ববেদান্ত সাৰমহি শ্ৰীমদ্ভাগতমুচ্যতে"

১৩। ইতিহাস পুৰাণভ্যাং ৰেদং সমুপবৃং হয়েত।। বায়ুপুৰাণ ২।৪

১৪। পুৰাণ বেদ সম্মিতম্ (বায়ু পুৰাণ ১।৯)
পুৰাণম্ বেদস্য সম্মিতম (বৃহদ্ধৰ্মপুৰাণ উত্তৰ ভাগ ৪।১০)

১৫। ইতিহাস পুৰাণাং পঞ্চমো ৰেদানাং ৰেদ (ছান্দোগ্য উপনিষদ ৭।১।২);
পুৰাণাং পঞ্চমো বেদ ইতি ব্ৰহ্মানু শাসনম (স্বন্ধপুৰাণ)।

১৬। অঙ্গানি বেদাশ্চত্বাচো মীমাংসা ন্যায়বিস্তৰঃ।
পুৰাণাং ধৰ্ম্মশাস্ত্ৰং চ বিদ্যা হ্যোতাশ্চতুৰ্দ্দশম্।। বিষ্ণু পুৰাণ ৩।৬।২৮

১৭। অত্ৰ নঃ সংশয়ং ছিন্ধি পুণং পৌৰাণিকো যতঃ।। বায়ুপুৰাণ ১১।৪২।৮

১৮। পুৰাণাৰ্থবিশাৰদ (কূৰ্মপুৰাণ ১।১।৭)

১৯। যাজ্ঞবল্ক্যস্মৃতি ২।৩; শিৱপুৰাণ ১।২৪; বিষ্ণুপুৰাণ ৩।৬।২৮; শুক্ৰনীতি ১।১০; গড়ুড় পুৰাণ ১।৯৩। ৩ - ৪; ভবিষ্যপুৰাণ ২।৩; ব্ৰহ্মাপুৰাণ ২।৩; বিষ্ণু ধৰ্ম্মোত্তৰ ১।৭৪।৩৩ আদি।

২০। মহাভাৰত ২।৩৮।২০, ২।৩৮।১০৯

২১। ঈশ্বৰঃ সৰ্ববভূতানাং হৃদ্দদেঽৰ্জুন তিষ্ঠতি।
ভ্ৰাময়ন্সৰ্ব্বভূতানি যন্ত্ৰাৰুয়ানি মায়য়া।। ১৮।৬১

২২। কঃ পৰমো দেৱঃ, কুতো মৃত্যুৰ্বিভেতি কস্য বিজ্ঞানেনাখিলং বিজ্ঞানং ভাতি, কেনেদং বিশ্বং সংসৰতীতি।। পদ্মপুৰাণ

২৩। নান্যত্ৰ মদ্ভগৱতঃ প্ৰধান পুৰুষেশ্বৰাৎ।
আত্মনঃ সৰ্ব্বভূতানাং ভয়ং তীব্ৰং নিবৰ্ততে।। ৩।২৫।৪১

২৪। মদ্ভয়াদ্বাতি বাতোঽয়ং সূৰ্য্যস্তপতি মদ্ভয়াৎ।
বৰ্ষতীন্দ্ৰো দঽতত্যাগ্নিৰ্মৃত্যুশ্চৰতি মদ্ভয়াৎ।। ৩।২৫।৪২

২৫। যো ধায়তি, ৰসয়তি, ভজতি সোঽমৃতো ভৱতি।।

২৬। অহং ব্ৰহ্মা চ শৰ্ব্বশ্চ জগতঃ কাৰণং পৰম্।
আত্মেশ্বৰ উপদেষ্টা স্বয়ং দৃগবিশেষণঃ।। ভাঃ ৪।৭।৫০

২৭। যো বা অনন্তস্য গুণাননন্তা

ননুক্ৰমিষ্যেন্ স তু বালবুদ্ধিঃ।
ৰজাংসি ভূমেৰ্গনয়েৎ কথঞ্চিৎ
কালেন নৈবাখিলশক্তিধাম্নঃ।। ১০।৪।২

২৮। কৃষ্ণং ৰাত্ৰিং শুক্লং চাহৰৰ্জুনম্ (নিৰুক্ত ২।৬)

২৯। অভিসন্ধায় যো হিংসাং দম্ভং মাৎসৰ্য্যমেৱ বা।
সংৰম্ভী ভিন্নদৃগ্‌ভাবং ময়ি কুৰ্য্যাৎ স তামসঃ।। ভাগৱত ৩।২৯।৮
আৰু ১১।২৫।১১

৩০। বিষয়ানভিসন্ধায় যশ ঐশ্বৰ্য্যমেৱ বা। অৰ্চ্চাদাবৰ্চ্চয়েদ্
যো মাং পৃথগ্‌ভাবঃ স ৰাজসঃ।। ঐ ৩।২৯।৯

৩১। সাত্বিক্যাধ্যাত্মিকী শ্ৰদ্ধা কৰ্মশ্ৰদ্ধা তু ৰাজসী।
তামস্য ধৰ্মে যা শ্ৰদ্ধা মৎসেবায়াং তু নিৰ্গুণা।। ঐ ১১।২৫।২৭

৩২। এইমতে পঢ়িছে। সাম, ঋক্, অথৰ্ব, যজুৰ, তৃবেদ, চৌধ শাস্ত্ৰ, শিক্ষা, কল্প, জ্যোতিষ, ৰীতি, নীতি, নিৰুক্ত, ছন্দঃ, শ্ৰুতি, স্মৃতি, মীমাংসা, তৰ্ক কলাপ, তৃক, ন্যায় এই চৌধ শাস্ত্ৰ অষ্টাদশ পুৰাণ, শিৱ, মৎস্য, বৈষ্ণৱ পুৰাণ, স্কন্দ, কূৰ্ম্ম, গৰুড়, মাৰ্কণ্ডেয়, ভাগৱত, বামন, বাৰাহ, লিঙ্গ, ভবিষ্যৎ, ব্ৰহ্মাণ্ড, বৈবৰ্ত্ত, বৃহৎ, নাৰদী, অগষ্টি, বশিষ্টি, মাৰ্কণ্ডেয়, ব্ৰহ্ম, ভৃঙ্গি (ভৃগু?) পৰাশৰ, বিশ্বামিত্ৰ, ভৰদ্বাজ, দুৰ্ব্বসা, বৈশ্বানৰ, কপিল, অঙ্গিৰস, সৌৰি, এই অষ্টাদশ।। চৌধ ব্যাকৰণ — পানিনি, কলাপ, পঞ্জিকা, শব্দৰত্ন, মুৰ্খবোধ (মুগ্ধ?) জ্ঞানাঙ্কুশ, পদ্ম, স্বৰপ্ৰদীপ, শব্দজ্ঞান, প্ৰশ্নবোধ, প্ৰাকৃত, সন্ধি, বৃত্তি, কৃতি, আখ্যাত।। অষ্টাদশ তন্ত্ৰ। অষ্টাদশ কাব্য — মাঘ, ভাৰৱী, ভৰতী, নৈষধ, হিতোপদেশ, বৃন্দাবনচন্দ্ৰধাৰী, অন্যাপদেশ, মোহগুদ্‌গৰ, প্ৰধান, হনুমন্তী, হিমৱন্তী, মেঘদুতজ্ঞান, নৱৰত্ন, পঞ্চৰত্ন, দৰিদ্ৰ, অষ্টক, মুঞ্জাষ্টক, বিদ্যাবিদুষী, শান্তিশতক, এই আঠাৰ কাব্য। দণ্ডি, প্ৰবোধচন্দ্ৰ, আনন্দলহৰি, শৃঙ্গাৰ-তিলক, শ্ৰুতবোধ, ঋতুমঞ্জৰি, হাস্যাৰ্ণব, কবিৰত্ন, অমৰ, হাৰাবলি, মেদিনী, শব্দৰত্ন, কলাপ, পঞ্জিকা, শব্দজ্ঞান, প্ৰশ্নবোধ, শ্ৰুতবোধ, শ্ৰুতিবোধ, এই আঠাৰ কোষ। অমৰ, চাণক্য আনো শাস্ত্ৰ সবাকে পঢ়াই গুৰু কন্দলীয়ে বোলে, যিখানি জানো, পঢ়ালোঁ একা; নাইও আৰ। আনে শত বৰ্ষ পঢ়িলে নপাৰে একা। মই কাৰণে হে। "আপুনি নিৰ্ম্মলা শাস্ত্ৰ। তাকো পঢ়া হুয়া ছাত্ৰ", এই বুলি বিদায় দিলে। (কথাগুৰু চৰিত, সম্পাদক উপেন্দ্ৰ চন্দ্ৰ লেখাৰু,

৫১৫ শকাব্দ।)

৩৩। ৰামায়ণং মহাকাব্যমাদৌ বাল্মিকীনাং স্মৃতম্।
তন্মূলং সৰ্ব্বকাব্যানামিতিহাস পুৰাণয়োঃ স্মৃতম্।। ২৫।২৮

৩৪। নির্দোষম্ গুণবৎ কাব্যম্ আলঙ্কাৰৈৰ অলঙ্কৃতম্।
ৰসান্বিকম্ কবিঃ কুৰ্বন্ কীর্ত্তিম্ প্ৰীতিং চ বিন্দন্তি।। সৰস্বতী কণ্ঠাভৰণ।।

৩৫। শৃঙ্গাৰহাস্যকৰুণা ৰৌদ্ৰবীৰ ভয়ানকাঃ।
বীভৎসাদভূতসংজ্ঞৌ চেত্যষ্টৌ নাট্যে ৰসাঃ স্মৃতাঃ।। ৬ষ্ঠ।৩১

৩৬। সা ব্যাপাৰবতী ৰসান্ ৰসয়িতুং কাচিৎ কবীনাং নবা।
দৃষ্টির্যা পৰিণিষ্ঠিতাৰ্থাবিষয়োন্মেষা চ বৈপশ্চিতী।।
তে দ্বে অপব্যবলাদ্ধ্য বিশ্বমনিশং নিৰ্বৰ্ণয়ন্তো ৰয়ং।
শ্ৰান্তা নৈৱচ লব্ধমব্ধিশয়ন তত্ত্বক্তিতুল্যং সুখম্।। ধ্বন্যালোক

৩৭। কাব্যং তু জায়তে জাতু কস্যচিৎ প্ৰতিভাৱতঃ। (কাব্যালঙ্কাৰ ৫)।

৩৮। প্ৰাপ্তৰূপবিভাগায়া যো বাচঃ পৰমো ৰসঃ।
যতস্পুণ্যতমং জ্যোতিস্তস্য মাৰ্গোঽয়মাজুসঃ।। বাক্য প্ৰদীপ।

৩০ মাৰ্চ, ২০০৯
গুৱাহাটী

ডালিম পাঠক
সভাপতি,
শ্ৰীমন্ত শংকৰদেৱ সচেতন মঞ্চ, অসম

(১) শ্ৰীমদ্ভাগৱত মহাপুৰাণ

চাৰিবেদ আৰু চৌদ্ধ শাস্ত্ৰৰ ভিতৰত ওঠৰ পুৰাণো অন্যতম। বিভিন্ন শাস্ত্ৰত পুৰাণৰ নাম সংখ্যাৰ পাৰ্থক্য পৰিলক্ষিত হৈছে যদিও ভাগৱতৰ ১২/১৩/৪ - ৮ সংখ্যাৰ শ্লোকৰ মতে ওঠৰ পুৰাণৰ নাম আৰু শ্লোক সংখ্যা নিৰ্দ্ধাৰণ কৰা হৈছে। সেইমতে (১) ব্ৰহ্মপুৰাণ (২) পদ্মপুৰাণ (৩) বিষ্ণুপুৰাণ (৪) শিৱপুৰাণ (৫) ভাগৱত পুৰাণ (৬) নাৰদ পুৰাণ (৭) মাৰ্কণ্ডেয় পুৰাণ (৮) অগ্নি পুৰাণ (৯) ভৱিষ্য পুৰাণ (১০) ব্ৰহ্ম বৈৱৰ্ত্ত পুৰাণ (১১) লিঙ্গ পুৰাণ (১২) বৰাহ পুৰাণ (১৩) স্কন্দ পুৰাণ (১৪) বামন পুৰাণ (১৫) কূৰ্ম্ম পুৰাণ (১৬) মৎস্য পুৰাণ (১৭) গৰুড় পুৰাণ আৰু (১৮) ব্ৰহ্মাণ্ড পুৰাণ। পূৰ্ব্বোক্ত অষ্টাদশ পুৰাণৰ ভিতৰত ভাগৱত পুৰাণৰ সৰ্ব্বশ্ৰেষ্ঠত্ব ঘোষণা কৰা হৈছে। কোনো কোনো পুৰাণত ভাগৱত মাহাত্ম্যও প্ৰকাশিত হৈছে। ভাৰতীয় সন্ত, সাধু, ধৰ্ম্মাচাৰ্য্য সকলৰ ভাষ্যাদিত, টীকা সমূহত ভাগৱতৰ গুণ, মাহাত্ম্য আৰু শ্ৰেষ্ঠত্ব আৰোপ কৰিছে। বায়ু পুৰাণ (৪/১০/১১) আৰু মৎস্য পুৰাণৰ মতে (৫৩/৬৩) পুৰাণৰ লক্ষণ পাঁচটিহে। যেনে -

সৰ্গশ্চ প্ৰতি সৰ্গশ্চ বংশো মন্বন্তৰাণিচ।
বংশানুচৰিতং চৈৱ পুৰাণং পঞ্চলক্ষণম্।।

অৰ্থাৎ- (১) সৰ্গ (সৃষ্টি), (২) প্ৰতিসৰ্গ (নতুন সৃষ্টি), (৩) বংশ (দেৱ, মুনি আদিৰ বৰ্ণনা), (৪) মন্বন্তৰ (মনুৰ শাসন কালৰ বৰ্ণনা), (৫) বংশানুচৰিত (ৰজা সকলৰ বংশ পৰিচয়) - এই পাঁচটি পুৰাণৰ লক্ষণ বুলি কোৱা হয়।

কোনো কোনো পুৰাণৰ মতে উক্ত পাঁচটি লক্ষণ উপপুৰাণৰ ক্ষেত্ৰতহে প্ৰযোজ্য। অষ্টাদশ পুৰাণৰ লক্ষণ দহ প্ৰকাৰ বুলি জনা যায়। সেইকাৰণে ভাগৱত

পুৰাণো দশ লক্ষণ যুক্ত বুলি ১২/৭/৯-১০ শ্লোকত কৈছে। সাত্ত্বিক, ৰাজসিক আৰু তামসিক ভেদে পুৰাণৰ তিনিটা ভাগ কৰা হৈছে।

(১) সাত্ত্বিক পুৰাণ ঃ (১) ভাগৱত (২) বিষ্ণু (৩) নাৰদীয় (৪) গৰুড় (৫) পদ্ম আৰু (৬) বৰাহ।

(২) ৰাজসিক পুৰাণ ঃ (১) ব্ৰহ্ম (২) ব্ৰহ্মাণ্ড (৩) ব্ৰহ্ম বৈবৰ্ত্ত (৪) মাৰ্কণ্ডেয় (৫) ভবিষ্য আৰু (৬) বামন।

(৩) তামসিক পুৰাণ ঃ (১) শিৱ (২) লিঙ্গ (৩) স্কন্ধ (৪) অগ্নি (৫) মৎস আৰু (৬) কূৰ্ম্ম।

পূৰ্ব্বোক্ত তিনি ভাগত বিভক্ত পুৰাণৰ মাজত সাত্ত্বিক শ্ৰেণীৰ অন্তৰ্ভূক্ত হৈ আছে শ্ৰীমদ্ভাগৱত পুৰাণ। মহাভাগৱত নামৰো এখন পুৰাণ আছে। কিন্তু সেইখন শাক্ত পুৰাণ ৰূপে প্ৰখ্যাত। শ্ৰীমদ্ভাগৱত পুৰাণ বুলিলে ইয়াৰ অৰ্থ বেলেগ হয়। "শ্ৰীমৎ" শব্দটিয়ে সমৃদ্ধিশালী, মনোৰম, বিখ্যাত, গৌৰৱশালী ইত্যাদি অৰ্থ সূচনা কৰে। 'ভগ' শব্দত 'বন্ত' বা বতুপ্ প্ৰত্যয় যোগ হৈ "ভাগৱত" পদ সিদ্ধ হৈছে। 'ভগ' মানে ঐশ্বৰ্য্য, ধৰ্ম্ম, যশস্যা, শ্ৰী, জ্ঞান আৰু বৈৰাগ্য - এই ছয় প্ৰকাৰকে ষড়ৈশ্বৰ্য্য বুলি কোৱা হয়। আকৌ উৎপত্তি, বিনাশ, অগতিৰ গতি দাতা, বিদ্যা আৰু অবিদ্যাৰ গৰাকী জনকে 'ভগৱান' বুলি কয়। উক্ত ভগৱানৰ বিষয়ে যিখন শাস্ত্ৰত বৰ্ণিত হৈছে, সেইখনিয়েই 'ভাগৱত'। সেই কাৰণে - ভগৱতঃ ইদম্ = 'ভাগৱতম্' বোলে। ভাগৱতখনি যে ভগৱানৰ শৰীৰ, সেই বিষয়ে পদ্ম পুৰাণত তাৰ সুন্দৰ পৰিচয় এটি দিছে এনে প্ৰকাৰে -

পাদৌ যদীয়ৌ প্ৰথম দ্বিতীয়ৌ তৃতীয়তুৰ্য্যৌ কথিতৌ যদূৰূ।
নাভিস্তথা পঞ্চম এৱষষ্ঠোভুজান্তৰং দোৰ্যুগলং তথান্যৌ।।
কণ্ঠস্তু ৰাজন নৱমো যদীয়োমুখাৰবিন্দং দশম প্ৰফুল্লম্।
একাদশো যস্য ললাট পটং শিৰোঽপিতু দ্বাদশ এৱভাতি।।
তমাদিদেৱং করুণা নিধানং তমালবৰ্ণং সুহিতাৱতাৰম্।
অপাৰ সংসাৰ সমুদ্ৰসেতুং ভজামহে ভাগৱত স্বৰূপম্।।

উক্ত শ্লোকানুবাদ -

প্ৰথম দ্বিতীয় স্কন্ধে চৰণ দুতয়।

তৃতীয় চতুৰ্থে যাৰ হোৱে উৰুদ্বয়।।
নাভিদেশে পঞ্চম ষষ্ঠ যে বক্ষস্থল।
সপ্তমে অষ্টমে কৰ কমল যুগল।।
কণ্ঠদেশে নৱম দশমে যাৰ তুণ্ড।
একাদশে ললাট দ্বাদশে ভৈল মুণ্ড।।
হেন ভাগৱত মূৰ্ত্তি অতি মনোহৰ।
তমাল সদৃশ বৰ্ণ শ্যাম কলেৱৰ।।

পূৰ্ব্বোক্ত শ্লোক আৰু অসমীয়া অনুবাদটিৰ পৰা আমি বুজিব পাৰোঁ যে ইয়াৰ মূল সূত্ৰ পদ্মপুৰাণোক্ত ভাগৱত মাহাত্ম্যৰ "শ্ৰীমদ্ভাগৱতাখ্যোঽয়ং প্ৰত্যক্ষঃ কৃষ্ণ এৱহি" অৰ্থাৎ ভাগৱত নামৰ এই গ্ৰন্থখনি ভগৱান্ কৃষ্ণৰ প্ৰকৃত মূৰ্ত্তি। সেইদৰে স্কন্ধ পুৰাণতো কৈছে —

শ্ৰীমদ্ভাগৱতস্যাথ শ্ৰীমদ্ভগৱতস্তথা।
স্বৰূপমেকমেৱাস্তি সচ্চিদানন্দ লক্ষণম্।।

অৰ্থাৎ- ভাগৱত আৰু ভগৱানৰ স্বৰূপ একেই। উভয়েই সচ্চিদানন্দময়।

ভাগৱতৰ লক্ষণ বা সংজ্ঞা নিৰূপণ কৰিবলৈ গৈ মৎস পুৰাণে এনেদৰে বৰ্ণনা কৰিছে। যেনে -

যত্ৰাধিকৃত্য গায়ত্ৰীং বৰ্ণ্যতে ধৰ্ম্ম বিস্তৰঃ।
বৃত্ৰাসুৰ বধোপেতং তদ্ভাগৱতামিষ্যতে।।

অৰ্থাৎ যিখন পুৰাণৰ আৰম্ভণিতে গায়ত্ৰীৰ অৰ্থ সূচনা হৈছে আৰু য'ত বৃত্ৰাসুৰাদি বধ তথা নানা ধৰ্ম্মৰ বৰ্ণনা কৰা হৈছে, সেইখনিকে ভাগৱত বুলি জানিবা।

উক্ত 'গায়ত্ৰী' অৰ্থ সূচনা হোৱাৰ ইঙ্গিত ভাগৱতৰ প্ৰথম স্কন্ধৰ প্ৰথম শ্লোকৰ শেষৰ বাক্যটিত আৰু দ্বাদশ স্কন্ধৰ তেৰ অধ্যায়ৰ ঊনৈশ সংখ্যাৰ শ্লোকটিৰ শেষত পোৱা যায়। "সত্যং পৰং ধীমহি" এই বাক্যটিয়েই হৈছে 'গায়ত্ৰী' অৰ্থৰ সূচনা কৰা বাক্য। তিনিটি শব্দৰে গঠিত উক্ত অৰ্দ্ধ বাক্যটি গায়ত্ৰী পদ বাচ্য হোৱাত ইয়াক তাৎপৰ্য্যপূৰ্ণ বুলি ভাবিব লাগিব। ভাগৱতৰ প্ৰথম স্কন্ধৰ প্ৰথম অধ্যায়ৰ প্ৰথম শ্লোকটিৰ আদি শব্দ তিনিটি হ'ল - "জন্মাদ্যস্যযতঃ" অৰ্থাৎ

"জন্মাদি অস্য যতঃ"। উক্ত "জন্মাদ্যস্যযতঃ" এই ত্ৰিশব্দৰ মূল হ'ল বেদান্ত দৰ্শনৰ ১/১/২ সংখ্যাক সূত্ৰৰ বাক্য। আনহাতে সেই শ্লোকৰ (ভাগৱতৰ) শেষৰ আৰু দ্বাদশ স্কন্ধৰ শেষৰ শ্লোকৰ তিনিটি শব্দ হ'ল - "সত্যং পৰং ধীমহি"। আমি পূৰ্ব্বতে কৈ আহিছোঁ যে সেই তিনিটি শব্দ গায়ত্ৰী পদ বাচ্য বৈদিক শব্দ। সাঁচিপতীয়া পুথিত আৰু ছপা পুথিত তলে ওপৰে দুখিলা দাঠ কাগজ থাকে আৰু সি গ্ৰন্থখনি সুৰক্ষিত কৰে। তেনেকৈ উক্ত তিনিটি শব্দই ভাগৱতখনি সুৰক্ষিত কৰে। তেনেকৈ উক্ত তিনিটি শব্দই ভাগৱতখনিৰ তলে ওপৰে ভিতৰ অংশটি সুৰক্ষিত কৰি ৰাখিছে। বেদান্ত দৰ্শনৰ সূত্ৰ বাক্য আৰু গায়ত্ৰী পদ বাচ্যাদিৰে সুসমৃদ্ধ ভাগৱত শাস্ত্ৰখনিৰ বিষয়ে বেদান্ত সূত্ৰ ভাষ্যকাৰ বল্লভাচাৰ্য্যই তেওঁৰ 'তত্ত্বদীপ' নামৰ গ্ৰন্থখনিত এনেদৰে উল্লেখ কৰিছে। যেনে -

বেদাঃ শ্ৰীকৃষ্ণ বাক্যানি ব্যাস সূত্ৰাণি চৈৱহি।
সমাধিভাষ্য ব্যাসস্য প্ৰমাণং শাস্ত্ৰং তচ্চতুষ্টয়ম্।
উত্তৰং পূৰ্ব্বসন্দেহবাৰকং পৰিকীৰ্ত্তিতম্।।

অৰ্থাৎ- চাৰিবেদ, গীতা, ব্ৰহ্মসূত্ৰ আৰু ভাগৱত - এই চাৰিপুথিয়েই প্ৰমাণ। তাৰ ভিতৰত আগৰখনৰ সন্দেহ পিছৰখনে দূৰ কৰে।

ইয়াৰ পৰা প্ৰমাণ হয় যে ভাগৱত শাস্ত্ৰই হ'ল সৰ্ব্বশাস্ত্ৰ সন্দেহ নিবাৰক চুড়ামণি শাস্ত্ৰ। সেইকাৰণে ভাগৱতৰ ১/১/৩ শ্লোকত উল্লেখ আছে -

নিগমকল্পতৰোৰ্গলিতং শুকমুখাদমৃতদ্ৰৱসংযুতম্।
পিৱত ভাগৱতং ৰসমালয়ং মুহুৰহোৰসিকাভুবি ভাবুকাঃ।।

উক্ত শ্লোকৰ অনুবাদ মাধৱদেৱে নামঘোষাত সুন্দৰকৈ কৰিছে "সকল নিগম কল্পতৰু" ইত্যাদি।

ভাগৱত টীকাকাৰ শ্ৰীধৰ স্বামীয়ে ইয়াৰ ব্যাখ্যা দাঙি ধৰিছে এনেদৰে - (১) "নিগমোবেদঃ সএৱ কল্পতৰুঃ সৰ্ব্বপুৰুষাৰ্থোপায়ত্বাৎ তস্য কলমিদং ভাগৱতং নাম" অৰ্থাৎ নিগম মানে বেদ, সিয়েই কল্পবৃক্ষও, ধৰ্ম্ম, অৰ্থ, কাম, মোক্ষ চাৰি পুৰুষাৰ্থ প্ৰদ, তাৰ ফল হ'ল ভাগৱত নামৰ এই গ্ৰন্থখনি। (২) তৎতু বৈকুণ্ঠগতং নাৰদেনানীয় মহ্যং দত্তং ময়া চ শুকস্যমুখে নিহিতং, তচ্চতৎ মুখাৎ ভুবি গলিতং, শিষ্য প্ৰশিষ্যাদিৰূপ পল্লৱ পৰম্পৰয়া শনৈৰখণ্ডমেৱাৱতীৰ্ণং

নতুচ্চনিপাতন স্ফুটিতমিত্যৰ্থঃ। .... লোকে হি শুকমুখভ্ৰষ্টং ফলমমৃতমিব স্বাদু ভৱতীতি প্ৰসিদ্ধম্"। অৰ্থাৎ, কিন্তু সেই ভাগৱত নামৰ সুস্বাদু ফলটি বৈকুণ্ঠৰ পৰা নাৰদে আনি মোক (ব্যাসক) দিলে। ব্ৰহ্মাই নাৰদক, নাৰদে ব্যাসক আৰু ব্যাসে শুকদেৱক শিষ্য পৰম্পৰা অনুসৰি জগততলৈ এই বস্তুটি প্ৰদান কৰি নমাই আনিছে। বৃক্ষৰ ফল যদি উচ্চ শাখাৰ পৰা পোনে পোনে মাটিত পৰে, তেন্তে সি ফাটি-চিটি চিৰাচিৰ হয়। কিন্তু সি যদি উচ্চ শাখাৰ পৰা সৰি পৰোঁতে শাখা-প্ৰশাখাত খুন্দা খাই আহি আহি মাটিত পৰেহি, তেতিয়া সি ফাটি চিৰাচিৰ নহয়গৈ। তদনুসৰি ভাগৱত শাস্ত্ৰখনি গুৰু শিষ্য পৰম্পৰা ক্ৰমে মুখ বাগৰি অহাৰ কাৰণে ইয়াৰ গুৰুত্ব আৰু তাৎপৰ্য্য অধিক। আনহাতে লোকমুখে শুনা যায় যে শুক (ভাটৌ) পক্ষীয়ে মুখ দিয়া ফল অধিক সুস্বাদু হয় ইত্যাদি।

ভাগৱত সম্প্ৰদা দুভাগত বিভক্ত বুলি জনা যায়। এটি আকাশী সম্প্ৰদা আৰু আনটি পাতালী সম্প্ৰদা। দুয়োটি সম্প্ৰদাই একেখনি ভাগৱতীয় বিষয় শিষ্য পৰম্পৰাক্ৰমে প্ৰকাশ কৰি আহিছে। আকাশী সম্প্ৰদা এনে ধৰণৰ ঃ-

(১)

শুন। আৰ তত্ত্বভেদ কল্পতৰু ভৈলা বেদ
তাৰ ফল মহাভাগৱত।
নাহি তাৰ সিঠা ছাল নাছিলেক এতকাল
স্বৰ্গ মৰ্ত্ত্য পাতাল মধ্যত।।
স্বাদত অমৃতময় কেৱলে আনন্দৰস
পূৰ্ব্বত আছিল বৈকুণ্ঠত।
কৃষ্ণৰ কৃপাত তেবে অৰ্দ্ধেক বয়স গৈল
পাইলা ব্ৰহ্মা পদ্ম কলপত।।
ব্ৰহ্মা দিলা নাৰদক ইটো ফল ৰহস্যক
নাৰদে ব্যাসক আনি দিলা।
ইদালে সিদালে লাগি তিলেকো নগৈল ভাগি
শুক মুখে ভূমিত পৰিলা।।

(২) পাতালী সম্প্ৰদা -

সনকাদি ঋষিতো কহিলা এহিমত।
অনন্ত স্বৰূপে হৰি এহি ভাগৱত।।
তাৰা চাৰি মুনি সাংখ্যায়নক দিলন্ত।

সাংখ্যায়ন হন্তে পৰাশৰে লভিলন্ত।
তাত হন্তে লভিলা মৈত্ৰেয় মহাভাগ।
মৈত্ৰেয়ৰ কৃপাত বিদুৰে পাইলা লাগ।।

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ শ্লোক আৰু অধ্যায়ৰ সংখ্যা নিৰ্দ্ধাৰণত মতভেদো আছে। বাৰটি স্কন্ধৰ ক্ষেত্ৰত কাৰো দ্বিমত নাই। শ্ৰীধৰ স্বামীৰ "টীকাকৃতো মঙ্গলাচৰণম্" প্ৰসঙ্গত ওঠৰ হাজাৰ শ্লোক বুলিও কৈছে। কিন্তু ওঠৰ হাজাৰ শ্লোকৰ সংখ্যা সম্প্ৰতি ছপা সংস্কৰণবোৰত নাই। তলত বৰ্ণনা কৰা হ'ল।

(১)	প্ৰথম স্কন্ধৰ অধ্যায়ৰ সংখ্যা	১৯,	শ্লোক সংখ্যা	৮০৪
(২)	দ্বিতীয় " " "	১০,	" "	৩৯২
(৩)	তৃতীয় " " "	৩৩		১৪০৩
(৪)	চতুৰ্থ " " "	৩১		১৪৪৩
(৫)	পঞ্চম " " "	২৬		৬৬৮
(৬)	ষষ্ঠ " " "	১৯		৮৫০
(৭)	সপ্তম " " "	১৫		৭৪৯
(৮)	অষ্টম " " "	২৪		৬৬০
(৯)	নৱম " " "	২৪		১০১১
(১০)	দশম " " "	৯০		২৫৪৬
(১১)	একাদশ " " "	৩১		১৩৫৮
(১২)	দ্বাদশ " " "	১৩		৫৬৫
		৩৩২		১২৪৪

পূৰ্ব্বোক্ত সংখ্যাৰ হিচাপ মতে দ্বাদশ স্কন্ধ ভাগৱতৰ অধ্যায়ৰ সংখ্যা তিনিশ বত্ৰিশ আৰু শ্লোক সংখ্যা বাৰ হাজাৰ চাৰিশ আঠচল্লিশটি। কিন্তু কোনো কোনো সম্পাদিত ছপা পুথিমতে অধ্যায়ৰ সংখ্যা তিনিশ পয়ত্ৰিশ আৰু শ্লোক সংখ্যা তেৰ হাজাৰ নশ সাতত্ৰিশটি। ইয়াৰ সংখ্যানুসৰি ওঠৰ হাজাৰ শ্লোক পূৰ্ণ হ'বলৈ যথেষ্ট বাকী আছে। ভাগৱতৰ কেবাটিও টীকা ভাষ্যৰ মত সুকীয়া দেখা যায়। শ্ৰীধৰ স্বামীৰ টীকাৰ মঙ্গলাচৰণত ভাগৱতৰ অধ্যায়ৰ সংখ্যা "দ্বাত্ৰিংশৎত্ৰিংশতং" বুলিছে অৰ্থাৎ তিনিশ বত্ৰিশ বুলি কৈছে। আকৌ "পৰ্ণান্যষ্টাদশ" অৰ্থাৎ শ্লোক সংখ্যা ওঠৰ হাজাৰ বুলিছে। এনে প্ৰকাৰে অধ্যায়

আৰু শ্লোক সংখ্যাৰ ক্ষেত্ৰত নানা মতভেদ আছে। হয়তো কালক্ৰমত শ্লোক হেৰাই গৈছে। অধ্যায়ৰ সংখ্যা শ্ৰীধৰ টীকাৰ হিচাপ আৰু আমাৰ হিচাপত শুদ্ধকৈ ওলাইছে। মাত্ৰ শ্লোক সংখ্যাতহে অমিল দেখা যায়। এতিয়ালৈকে ওঠৰ হাজাৰ শ্লোক পূৰ্ণ হ'বলৈ পাঁচ হাজাৰ পাঁচশ বাৱন্নটি শ্লোকৰ অভাৱ হৈছে।

আমাৰ অসমীয়া ভাষাৰ ফকৰা যোজনাতো ভাগৱত শাস্ত্ৰখনিৰ বিষয়ে আকাৰে-ইঙ্গিতে বুজোৱা ভালে কেইটি উক্তি আছে। তাৰ ভিতৰত এটি ফকৰা যোজনাত পোৱা যায় এনে প্ৰকাৰে —

বাপেকে পুতেকে কথা কয় সকলো কথা ভাল।
এজোপা কলৰ বাৰ থোক গুৰি একেডাল।।

অৰ্থাৎ, বাপেক মানে ব্যাস আৰু পুতেক মানে শুকদেৱ। ব্যাসে ভাগৱত লিখিছিল আৰু পুতেক শুকদেৱে সেই ভাগৱতখনি পৰীক্ষিতৰ আগত কৈছিল। দুয়োজনে লিখা আৰু কোৱা কথাবোৰ সুন্দৰ বুলি কৈছে। এজোপা কল মানে ভাগৱত শাস্ত্ৰখনি আৰু তাত সংযোগ থকা বাৰটি স্কন্ধকে সেই কলজোপাৰ বাৰ থোক বুজাইছে। গুৰি একেডাল মানে তাত মাত্ৰ ভগৱানৰ কথাকে প্ৰাধান্য দিয়া বুজাইছে। অন্যান্য বিষয় সন্নিবিষ্ট থাকিলেও মূল বিষয়টি হ'ল কৃষ্ণকথা। এজোপা গছত শিপা, ছাল, পাত, সৰু-বৰ ডাল, ফল আদি থাকে। কিন্তু তাৰ গুৰি মাত্ৰ এটিহে। তাৰ পৰাই পূৰ্ব্বোক্ত অন্যান্য শাখা-প্ৰশাখা আদি বাঢ়ি থাকে। গুৰিত থকা শিপাৰ পৰা ৰসাহৰণ কৰা হয় আৰু তাৰ পৰা অন্যান্য শাখা প্ৰশাখালৈ সম্পসাৰিত হয়। এয়াই হ'ল উক্ত পাৰমাৰ্থিক ফকৰা যোজনাৰ প্ৰকৃত অৰ্থ।

"মহাপুৰুষীয়া ধৰ্ম্ম" বা "এক শৰণ হৰি নামধৰ্ম্ম"ক যদিও বৈদিক ধৰ্ম্ম বুলি কোৱা হয়, তথাপি ই শ্ৰীমদ্ভাগৱত শাস্ত্ৰৰ ওপৰতহে আধাৰিত। বেদ আৰু উপনিষদৰ ব্ৰহ্মতত্ব আলোচনা সৰ্ব্বসাধাৰণৰ পক্ষে বোধগম্য নহয়। সেই বেদ আৰু উপনিষদীয় বিষয়বোৰক সহজ-সৰল ৰূপত প্ৰকাশ কৰিবলৈকে ভাগৱত শাস্ত্ৰৰ অভ্যুদয় হৈছিল। ব্ৰহ্ম নামৰ অচিন্ত্য, অব্যক্ত, অনন্ত শক্তিৰ আত্মপ্ৰকাশ হৈছিল শ্ৰীকৃষ্ণৰূপে আৰু তেওঁৰ সহজগম্য লীলা, উপদেশ আদি আধাৰিত হৈছিল ভাগৱত শাস্ত্ৰত। সহজ-সৰল অনাখৰী সকলৰ কাৰণে কৃষ্ণলীলা চৰিত্ৰৰ কাহিনীবিলাক সহজবোধ্য হয় আৰু পৰ্য্যায়ক্ৰমে তাৰ পৰা আগবাঢ়ি আহি কৃষ্ণদেৱ

কথিত তাত্ত্বিক দিশবোৰ বিশ্লেষণ আৰু গ্ৰহণ কৰিব পৰা হয়গৈ। চৰ্চ্চা, সাধনা, যত্নপৰ হ'লে আৰু গুৰুৰ অনুগত হ'লে অনাখৰী সকলেও তাত্ত্বিক দিশত পণ্ডিত হ'বগৈ পাৰে। তাৰ অভাব হ'লে শিক্ষিত সমাজেও সেইবোৰ আয়ত্ত্ব কৰাত বাধাপ্ৰাপ্ত হয়।

শ্ৰীমদ্ভগৱদগীতা শাস্ত্ৰখনি উপনিষদহে। কাৰণ গীতাৰ প্ৰতিটো অধ্যায়ৰ শেষত লিখা থাকে "ইতি শ্ৰীমদ্ভগৱদগীতাসূপনিষৎসু ব্ৰহ্ম বিদ্যায়াং যোগ শাস্ত্ৰে শ্ৰীকৃষ্ণাৰ্জ্জুন সংবাদে .... অধ্যায়ঃ"। তদুপৰি বৈষ্ণৱীয় তন্ত্ৰসাৰোক্ত গীতা মাহাত্ম্য' পঞ্চম শ্লোকত আছে -

সৰ্ব্বোপনিষদো গাবো দোগ্ধা গোপালনন্দনঃ।
পাৰ্থো বৎসঃ সুধীৰ্ভোক্তা দুগ্ধং গীতামৃতং মহৎ।।

মহাপুৰুষ মাধৱদেৱে নামঘোষাত এনেকৈ অনুবাদ কৰিছে -

সকল উপনিষদ ধেনু দোগ্ধা ভৈল তাৰ নন্দসুত
তাৰ বৎস ভৈল কুন্তীসুত ধনঞ্জয়।
দুগ্ধ ভৈল মহা গীতামৃত কৃষ্ণৰ চৰণে দিয়া চিত্ত
সুবুদ্ধি সকলে সন্তোষে পান কৰয়।।

পূৰ্ব্বোক্ত প্ৰমাণমতে গীতা শাস্ত্ৰখনি উপনিষদৰূপেহে খ্যাত। কিন্তু ভাগৱত শাস্ত্ৰৰ ক্ষেত্ৰত কিছু ব্যতিক্ৰম আছে। গীতাৰ দৰে ভাগৱতৰ অধ্যায়ৰ শেষতো লিখা থাকে এনেপ্ৰকাৰে ঃ- "ইতি শ্ৰীমদ্ভাগৱতে মহাপুৰাণে পাৰমহংস্যাং সংহিতায়াং বৈয়াসিক্যাং .... অধ্যায়ঃ" ইত্যাদি। ভাগৱত শাস্ত্ৰখনি মহাপুৰাণ ৰূপেহে আখ্যায়িত। বেদৰ শেষভাগ বা পৰিশোধিত ভাগ হ'ল বেদান্ত অৰ্থাৎ উপনিষদখিনি। আকৌ তাৰো পৰিশোধিত ৰূপ হ'ল - শ্ৰীমদ্ভাগৱত পুৰাণ। সেই সম্পৰ্কে ভাগৱতে নিজেই ঘোষণা কৰিছে এনেকৈ ঃ-

সৰ্ব্ব বেদান্ত সাৰং হি শ্ৰীভাগৱতমিষ্যতে।
তদ্ৰসামৃত তৃপ্তস্য নান্যত্ৰ স্যাদ্ৰতিঃকচিৎ।।

নামঘোষাত মাধৱদেৱৰ অনুবাদ -

সমস্ত বেদান্ত সাৰ শ্ৰীভাগৱত শাস্ত্ৰ
ইহাৰ অমৃত ৰস পাই।

পৰম সন্তোষে পান কৰিলে যিজনে তাৰ
অন্যত্ৰ ৰসত ৰতি নাই।।

শ্ৰীমদ্ভগৱদগীতা আৰু শ্ৰীমদ্ভাগৱত দুয়োখনি শাস্ত্ৰৰ ক্ষেত্ৰত বিশেষ্য, বিশেষণ আদি বিশ্লেষণৰ দ্বাৰাও ব্যৱধান আছে। শ্ৰীমদ্ভগৱদগীতা মানে ভগৱান কৃষ্ণৰ নিজমুখে কথিত শাস্ত্ৰ আৰু শ্ৰীমদ্ভাগৱত মানে গুৰু শিষ্য পৰম্পৰানুসাৰে ভগৱান কৃষ্ণৰ লীলা ৰহস্য তত্ত্ব সংযুক্ত শাস্ত্ৰ। কৃষ্ণই নিজে কোৱা আৰু কৃষ্ণ বিষয়ৰ কথাখিনি আনৰ দ্বাৰা উপস্থাপিত হোৱাৰ মাজত বহুত ব্যৱধান আছে। গীতাত শ্ৰীকৃষ্ণৰ বাণীহে পোৱা যায়। কিন্তু ভাগৱতত আছে কৃষ্ণৰ বিচিত্ৰ লীলা, ইতিহাস, সৃষ্টিতত্ত্ব, পৰম ৰহস্য তত্ত্বাদিৰ অক্ষয় ভাঁড়াৰ। ভগৱানৰ ৰহস্য তাত্ত্বিক দিশ বিলাক কাহিনীৰ যোগেদি জনসাধাৰণৰ মন সহজে আকৰ্ষণ হয়। সেইকাৰণেই এনেকুৱা এখনি পৰম অমূল্য গ্ৰন্থ গুৰুজনাই প্ৰত্যক্ষ ভাবেই অনুবাদ কৰিছিল। অৱশ্যে ইয়াক পোনপতীয়াকৈ অনুবাদ সাহিত্য বুলিব নোৱাৰি। ইয়াৰ মাজত শঙ্কৰদেৱৰ সৃষ্টিমূলক ৰচনাভাণ্ডাৰো আছে। এতিয়ালৈকে সেই বিষয়ে চিন্তা-চৰ্চা আৰম্ভ হোৱা দেখা নাযায়। বহুত পণ্ডিতে শঙ্কৰদেৱৰ ৰচনা সম্ভাৰক অনুবাদ সাহিত্য বুলিহে প্ৰচাৰ কৰি আহিছে। ইয়াৰ মাজত থকা প্ৰচুৰ সৃষ্টিমূলক তথ্য আৰু সম্ভাৰৰ বিষয়ে কোনো গবেষণা বা অধ্যয়ন নকৰাকৈ মন্তব্য দিয়া উচিতো নহয়। আমি এই থূলমূল সমীক্ষাত কিছু আভাষ দিবলৈ যত্ন কৰিছোঁ।

ভাগৱতৰ আটাইকেইটি স্কন্ধৰ ভিতৰত শঙ্কৰদেৱে মাত্ৰ বাছি লৈছিল প্ৰথম, দ্বিতীয়, তৃতীয়ৰ অনাদি পাতন, ষষ্ঠৰ অজামিল উপাখ্যান, অষ্টমৰ অমৃত মথন, হৰমোহন, বলিছলন, দশমৰ আদ্যভাগ আৰু কুৰুক্ষেত্ৰ, একাদশ আৰু দ্বাদশ। তৃতীয় স্কন্ধৰ অনাদি পাতন আৰু একাদশৰ নিমি নৱ সিদ্ধ সংবাদ পুথি দুখনিক স্বতন্ত্ৰৰূপে ধৰা হয়। সম্প্ৰতি এই প্ৰসঙ্গত একাদিক্ৰমে গুৰুজনাৰ পুথি সমূহৰ ওপৰত একোটি বিশ্লেষণ থূলমূল ভাবে দাঙি ধৰা হ'ল।

(১) **প্ৰথম স্কন্ধ ভাগৱত ঃ-**

শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধৰ ৰচনা শঙ্কৰদেৱৰ প্ৰথম নহয়। নানা যুক্তি, প্ৰমাণ সহকাৰে অধুনাকালৰ পণ্ডিত সমাজে উক্ত স্কন্ধৰ ৰচনা পাটবাউসী সত্ৰত কৰা বুলি কৈছে। ইয়াৰ ঐতিহাসিক 'তথ্যৰ অভাৱ যদিও আনুমানিক ভিত্তিত

পণ্ডিত সকলে ৰচনাৰ সময় নিৰ্দ্ধাৰণ কৰিছে আৰু আমিও তাকে মানি লৈছোঁ। গুৰুজনে ক'ত কি ৰচনা কৰিছিল, সেইটি ডাঙৰ কথা নহয়। প্ৰধান কথা হ'ল সেই ৰচনাৰ প্ৰমূল্য, সৌন্দৰ্য্য, প্ৰতিভা আদি কিমান, সেয়াহে বিচাৰ্য্যৰ বিষয়।

প্ৰথম স্কন্ধৰ মুঠ অধ্যায় উনৈশটি আৰু শ্লোক সংখ্যা মুঠ আঠশ চাৰিটি। গুৰুজনাৰ অনুবাদিত অসমীয়া পদসংখ্যা চাৰিশ একৈশ। ইয়াৰ ভিতৰত মঙ্গলাচৰণ আৰু উপদেশ বাণীও আছে। আনহাতে এই স্কন্ধটিৰ পদ ভাঙনি সংক্ষিপ্ত হৈছে। তাৰ প্ৰমাণ স্বৰূপে তেৱাঁই মাজে মাজে অধ্যায়বোৰৰ সংক্ষিপ্তকৰণৰ একোটি ইঙ্গিত দি গৈছে। যেনে -

(১) প্ৰথম স্কন্ধৰ ছয় অধ্যায়ৰ তথা।
গৈল ব্যাস নাৰদ সংবাদ ইটো কথা।।

(২) বাহু তেহু চৈধ্য পঞ্চদশ অধ্যায়ৰ।
এহিমানে গৈল কথা প্ৰথম স্কন্ধৰ।।

মূল ভাগৱতৰ শ্লোকবোৰ এৰাধৰা নাতিৰে যিখিনি পদ ৰচনা কৰা হৈছে, তাৰ বিবৰণ এনেধৰণৰ - প্ৰথম স্কন্ধৰ যি কেইটি অধ্যায় আছে, উক্ত অধ্যায়বোৰ শঙ্কৰদেৱে খণ্ডানুপাতে পদ কৰা নাই। সকলোকে একে কৰি সামৰি লোৱা হৈছে। শ্লোকৰ পদ ভাঙ্গনি কৰোঁতে অগা-পিছা কৰা হৈছে। এই স্কন্ধটিৰ প্ৰথম শ্লোকটি হ'ল- "জন্মাদ্যস্য যতোऽন্বয়াদি তৰতশ্চাৰ্থেঘভিজ্ঞঃ স্বৰাট্" ইত্যাদি। এই প্ৰথম শ্লোকটিৰ পৰা তিনি সংখ্যক শ্লোকলৈকে শঙ্কৰদেৱে পদত সামান্য মাত্ৰ স্পৰ্শ কৰিছে আৰু শব্দ চয়ন, পদ গাঁথনি আদিত স্বাধীন সত্তা অটুট ৰাখিছে। সেই শ্লোকটিৰ একেবাৰে শেষৰ বাক্যাংশ "সত্যং পৰং ধীমহি" এই তিনিটি শব্দত গুৰুত্ব আছে। ভাগৱতৰ আৰম্ভণি শ্লোকৰ শেষত আৰু দ্বাদশ স্কন্ধৰ উপসংহাৰত উক্ত তিনিটি শব্দৰ প্ৰয়োগ হৈছে। 'ধীমহি' শব্দটি গায়ত্ৰী শব্দ বাবে বা গায়ত্ৰী নামৰ ব্ৰহ্মবিদ্যা ৰূপৰ এটি পদকে বুজাইছে। কিন্তু শঙ্কৰদেৱে 'ধীমহি' অৰ্থাৎ ধ্যান কৰোঁ এই দুয়োটি শব্দাৰ্থৰ বিপৰীতে "কৰো সহস্ৰ প্ৰণাম" বুলিহে কৈছে। সেইদৰে 'পৰং' বা "সত্যং পৰং" অৰ্থাৎ পৰম সত্যক বা পৰমেশ্বৰক এই শব্দটিৰ সলনি 'কৃষ্ণক' বুলি লিখিছে। ভাগৱতৰ 'পৰং' শব্দটিত গুৰুজনে 'কৃষ্ণ' শব্দটি প্ৰতিশব্দ ৰূপে ব্যৱহাৰ কৰাৰো কাৰণ আছে। "গোপাল তাপনী" শ্ৰুতি

বাক্যত আছে "তস্মাৎ কৃষ্ণ এৱ পৰো দেৱস্তং ধ্যায়েৎ" অৰ্থাৎ কৃষ্ণই একমাত্ৰ শ্ৰেষ্ঠ দেৱতা সেই কাৰণে তেওঁক ধ্যান কৰা উচিত। উক্ত 'পৰ' শব্দটিৰ প্ৰতিশব্দ ৰূপে কৃষ্ণকেই বুজোৱাত শঙ্কৰদেৱে পদত "হেনয় কৃষ্ণক কৰো সহস্ৰ প্ৰণাম" বুলি লিখিছে। এনেদৰে পদ ভাঙ্গনিত শ্লোকৰ সংক্ষিপ্তকৰণৰ এটি পৰিচয় দি কৈছে - "সংক্ষেপ কৰিয়া উদ্ধাৰিয়া তাৰ সাৰ। শঙ্কৰে ৰচিলা কৃষ্ণ চৰিত্ৰ পয়াৰ" ইত্যাদি।

প্ৰথম স্কন্ধৰ প্ৰথম তিনিটি শ্লোকৰ সামান্য মাত্ৰ ছাঁ এটি লৈ চতুৰ্থ শ্লোকৰ পৰাহে পদ ভাঙ্গনিত তাৰ পৰিচয় এটি উলিয়াইছে। তাকো শ্লোকৰ ওপৰত নিৰ্ভৰশীল হোৱা নাই, মাত্ৰ স্পৰ্শহে কৰি গৈছে। কেঁৱল সেয়ে নহয় - অধ্যায়বোৰৰ আনুক্ৰমিক বৰ্ণনাৰ বিপৰীতে প্ৰসঙ্গানুপাতে নিজস্ব ৰীতিৰে বা স্বাধীনতাৰে বোধহয় অন্য পুথিৰ ছাঁ লৈ পদ চিত্ৰ খনি আঁকিছে। উদাহৰণ স্বৰূপে চতুৰ্থ অধ্যায়ৰ পৰা ষষ্ঠ অধ্যায় পৰ্য্যন্ত উল্লেখ থকা ব্যাস নাৰদ সংবাদ আৰু নাৰদৰ পূৰ্ব্বজন্ম কথন আদি বিষয়বোৰ গুৰুজনে প্ৰথমতে উল্লেখ কৰি আনুক্ৰমিক বৰ্ণনাখিনি নিজা পদ্ধতিৰে কাহিনীটিৰ ওপৰত হাত ফুৰাইছে। আমি পূৰ্ব্বতে এই স্কন্ধটিৰ অধ্যায়ৰ সংখ্যা, শ্লোকৰ সংখ্যা আৰু পদৰ সংখ্যাদিৰ হিচাপ দিয়া হৈছিল।

শ্ৰীমদ্ভাগৱতৰ প্ৰথম স্কন্ধৰ প্ৰথম অধ্যায়ৰ চাৰিসংখ্যাৰ শ্লোকটি গুৰুত্বপূৰ্ণ আৰু তাৎপৰ্য্যপূৰ্ণ শ্লোকটি হ'ল -

নৈমিশেঽনিমিষক্ষেত্ৰে ঋষয়ঃ শৌনকাদয়।
সত্ৰং স্বৰ্গায় লোকায় সহস্ৰসমমাসত।। (ভাগ-১/১/৪)

অৰ্থাৎ- বিষ্ণু ক্ষেত্ৰ নৈমিষাৰণ্যত শৌনকাদি ঋষিসকলে বিষ্ণু প্ৰাপ্তি কামনাৰে সহস্ৰ বৎসৰ সাধ্যযজ্ঞ কৰিছিল।

গুৰুজনে অনুবাদ কৰিছে এনেদৰে -

আঠাইশ সহস্ৰ ঋষি বেদত প্ৰধান।
বিষ্ণুৰ নৈমিষ ক্ষেত্ৰ মহাপুণ্য স্থান।।
মান্য কৰি সূতক পাতিলা সত্ৰ তথা।
শৌনক প্ৰমুখ্যে শুনে ভাগৱত কথা।।

কৃষ্ণ যজুৰ্ব্বেদৰ সপ্তমকাণ্ডৰ চতুৰ্থ প্ৰপাঠকৰ নৱম সংখ্যাৰ শ্লোকত আৰু পিছতো 'সত্ৰ' শব্দটিৰ ব্যৱহাৰ হৈছে। মহাভাৰতৰ আদিপৰ্ব্বতো আছে। যেনে -

জন্মেজয়স্য যাং ৰাজ্ঞো বৈশম্পায়ন উক্তবান্।
যথাবৎ স ঋষিস্তুষ্ট্যা সত্ৰে দ্বৈপায়নাজ্ঞয়া।। (মহা - ১/২০)

অৰ্থাৎ- জন্মেজয়ৰ সৰ্পযজ্ঞত বেদব্যাসৰ আজ্ঞানুসাৰে প্ৰসিদ্ধ বৈশম্পায়ন মুনিয়ে আনন্দেৰে যথা নিয়মে কৈছিল।

ভট্টদেৱৰ শৰণ মালিকাত আছে -

যত্ৰাচৰন্তি সদ্ধৰ্ম্মান কেৱলাঃ ভগৱৎ প্ৰিয়াঃ,
নৱধা ভগৱদ্ভক্তিঃ প্ৰত্যহং যত্ৰ বিদ্যতে।
তৎ সত্ৰং উত্তমং ক্ষেত্ৰং বৈষ্ণৱং সুৰবন্দিতম্,
তত্ৰস্থাঃ বৈষ্ণৱাঃ সৰ্ব্বে হৰিনাম পৰায়ণাঃ।।

অৰ্থাৎ- যিস্থান দেৱতা আৰু বৈষ্ণৱৰ দ্বাৰা বন্দিত, যিস্থানত একান্ত ভক্ত সকলে ঈশ্বৰৰ প্ৰিয়কাৰ্য্য সাধন কৰে, আৰু যিস্থানত দৈনন্দিন নৱবিধ ভক্তিয়ে বিৰাজ কৰে, সেই স্থানকে সত্ৰ বুলি কোৱা হয়। তাত বাস কৰা সকলো বৈষ্ণৱ হৰিনাম পৰায়ণ।

ভাগৱত পুৰাণৰ ১০/৮৭/৯ শ্লোকৰ টীকাত শ্ৰীধৰ স্বামীয়ে দুবিধ সত্ৰৰ কথা কৈছে এনেকৈ "যথা যজমানা এৱ সমানা ঋত্বিগাদি ৰূপেণ যত্ৰ কৰ্ম্ম কুৰ্ব্বন্তি তৎ কৰ্ম্ম সত্ৰং প্ৰসিদ্ধম্ তথা যথা সমানাএৱ বক্তৃ শ্ৰোতৃ ভাৱেন মীমাংসন্তে তৎ ব্ৰহ্মাসত্ৰম্"। অৰ্থাৎ যিসমাজত পুৰোহিত আৰু যজমান সমানভাৱে বহি- যজ্ঞ কৰিলে, সি হয় কৰ্ম্মসত্ৰ আৰু যি সমাজত বক্তা আৰু শ্ৰোতা সমান শীৰ্ষত বহি ব্ৰহ্মাৰ বিচাৰ কৰে, সেয়ে ব্ৰহ্মাসত্ৰ।

ব্ৰহ্মাসত্ৰ আৰু কৰ্ম্মসত্ৰৰ পাৰ্থক্য এইখিনিতে। শঙ্কৰদেৱে উক্ত ভাগৱতৰ সত্ৰ শব্দটিৰ তাৎপৰ্য্য যজ্ঞাৰ্থৰ পৰা ব্ৰহ্মাসত্ৰলৈ ৰূপান্তৰ কৰি সূত শৌনকৰ শ্ৰোতা বক্তাৰ সমাগমত 'সত্ৰ' ৰ সংজ্ঞা নিৰূপণ কৰিছে। ব্ৰহ্মাসত্ৰৰ মূল ভেটি হ'ল ভক্তিবাদ। যজ্ঞাৰ্থৰ সত্ৰ হিংসাবাদ। কৰ্ম্মসত্ৰৰ মূল তাৎপৰ্য্য হ'ল পুৰোহিত আৰু যজমানৰ কথা আৰু ব্ৰহ্মাসত্ৰৰ তাৎপৰ্য্য হ'ল বক্তা আৰু শ্ৰোতাৰ কথা। কৰ্ম্মসত্ৰত অৰ্থাৎ যজ্ঞকৰ্ম্মত ধৰ্ম্ম বা ভক্তিতত্ত্ব আলোচিত নহয়। তাত বৈদিক মন্ত্ৰোচ্চাৰণেৰে দেৱতা পূজা কৰা হয়, অগ্নিত ঘৃতাহুতি কৰা হয়। ইয়াত কাৰ্য্যবিশেষে অশ্বমেধ, নৰমেধ যজ্ঞ সম্পাদিত হয়। কিন্তু ব্ৰহ্মাসত্ৰত শ্ৰোতা বক্তাৰ সহযোগত ব্ৰহ্মাতত্ত্ব আলোচনা, জগতৰ কল্যাণৰ কাৰণে চিন্তা-চৰ্চ্চা আদি কৰা হয়। ইয়াত জীৱ

বধৰ পৰিবৰ্ত্তে জীৱ ৰক্ষাৰহে আলোচনা কৰে। সুত শৌনকৰ আলোচনাত ভাগৱত শাস্ত্ৰতত্ত্বৰহে ব্যাখ্যা হৈছিল। জীৱহিংসা প্ৰবৃত্তিৰ লেশমাত্ৰও নথকা সেই শাস্ত্ৰখনিত বিভিন্ন কাহিনী, উপকাহিনীৰে ভগৱদ্ভক্তিতত্ত্বৰ বিশাল সমৃদ্ধি স্থাপিত হৈছে। সেইকাৰণে পৰৱৰ্ত্তী কালত সেইসূত্ৰে ধ্বনিত হ'ল -

বহুভ্যঃ দীয়তে যত্ৰ তৃপ্যন্তি প্ৰাণিনঃ বহু।
কৰ্ত্তাৰো বহৱো যত্ৰ তৎ সত্ৰমভিধীয়তে।।

অৰ্থাৎ- য'ত দান কৰা হয়, য'ত বহু প্ৰাণীয়ে তৃপ্তিলাভ কৰে, য'ত বহু কৰ্ত্তা ব্যক্তি থাকে, তাকেই সত্ৰ বুলি অভিহিত কৰা হয়।

বৈৱস্বত পুৰাণত কৈছে -

সংসাৰী জীৱৰ যাতো ছেদিয়া সংশয়।
নানান প্ৰকাৰে যোগ অৰ্থ দেখাৱয়।।
বৈকুণ্ঠৰ নাথ মোৰ আজ্ঞা যাতো থাকে।
জীৱৰ শৰণ কৰাই সত্ৰ বোলে তাকে।। (পদ নং ৭৮)

বৈদিক তত্ত্ববোৰত হিংসা প্ৰবৃত্তিমূলক বহু তথ্য পোৱা যায়। কালক্ৰমত মুনিসকলে নানা গবেষণালব্ধ ধাৰণাৰে হিংসাৰ পৰিবৰ্ত্তে অহিংস নীতিৰ আশ্ৰয় ল'বলৈ ধৰে। তেতিয়াই সৃষ্টি হ'ল বিশ্বব্ৰহ্মাণ্ড, ভগৱান, জীৱ পদাৰ্থৰ তাত্ত্বিক আলোচনা আৰু জীৱ কল্যাণৰ বাবে শাস্ত্ৰ উপনিষদ বা ব্ৰহ্মবিদ্যাতত্ত্ব। তাকো সহজ উপলব্ধিৰ কাৰণে সৃষ্টি হ'ল ভাগৱত শাস্ত্ৰ। বেদ, উপনিষদাদিৰ মূল তত্ত্ব বিকশিত হৈছে ভাগৱত শাস্ত্ৰতহে। সেয়ে ইয়াৰ গুৰুত্ব সৰ্ব্বাধিক ৰূপে প্ৰতিষ্ঠিত হৈছে। আমি ভাগৱত শাস্ত্ৰতত্ত্বৰ আংশিক আলোচনা পূৰ্ব্বতে দি আহিছোঁ।

এই স্কন্ধটিৰ প্ৰথম অধ্যায়ৰ শ্লোক সংখ্যা তেইশটিৰ পৰা শঙ্কৰদেৱে মাত্ৰ তিনিটি শ্লোকহে পদলৈ আনিছে। সুত শৌনকৰ বহু কথা বাদ দিয়া হৈছে। দ্বিতীয় আৰু তৃতীয় অধ্যায়ৰ শ্লোক সংখ্যাৰ ক্ৰমে চৌত্ৰিশ আৰু চৌৱাল্লিশ সংখ্যক শ্লোকৰ পৰা মাত্ৰ তিনিটিহে লৈছে আৰু সুত শৌনকৰ প্ৰশ্নোত্তৰ তথা অৱতাৰ সমূহৰ বিবৰণ পদ ভাঙনিত ভালেখিনি প্ৰকাশ পোৱা নাই। চতুৰ্থ অধ্যায়ৰ শ্লোক সংখ্যা তেত্ৰিশ। তাৰে আঠটি শ্লোকৰহে পদ ভাঙনি কৰা হৈছে। পঞ্চম অধ্যায়টিত ব্যাস-নাৰদৰ সংবাদ আছে। ইয়াৰ শ্লোক সংখ্যা চল্লিশটিৰ পৰা মাত্ৰ

তেইশটিৰ অনুবাদহে আছে। সোতৰ সংখ্যাৰ শ্লোকটিৰ ভাঙনিত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে। যেনে (ভাগ-১/৫/১৭)

ত্যক্ত্বা স্বধৰ্ম্মং চৰণাম্বুজং হৰেঃ
ভজন্নপক্কোদথ পতেৎততো যদি।
যত্র ক্ব বাভদ্ৰমভূ দমুষ্য কিং,
কো বাৰ্থ আপ্তোদভজতাং স্বধৰ্ম্মতঃ।।

অৰ্থাৎ- স্বধৰ্ম্ম ত্যাগ কৰিও যদি কোনো ভাগ্যবান শ্ৰীহৰিৰ চৰণ কমল ভজন ৰত হয়, তেন্তে তেওঁৰ হৰি সেৱাৰ আৰম্ভনিতে বা যি কোনো অৱস্থাতে যদি পতন হয় তেনেহলে তেওঁৰ কেনে অকল্যাণ হ'ব পাৰে? ভজনহীন ব্যক্তিৰ স্বধৰ্ম্ম পালনৰেই বা কি লাভ হব পাৰে? অৰ্থাৎ ভজন ৰত ব্যক্তিৰ পতন নাই আৰু ভজনহীন জনৰো উন্নতি নহয়।

শ্ৰীধৰ স্বামীৰ টীকা এনেধৰণৰ - "ননু স্বধৰ্ম্মত্যাগেন ভজন্ ভক্তিপৰিপাকেণ যদি কৃতাৰ্থো ভৱেৎ, তদা ন কদাচিৎ চিন্তা, যদি পুনৰপক্ক এৱ ম্ৰিয়তে - তত ভ্ৰশ্যেদ্বাতদা চ স্বধৰ্ম্মত্যাগ নিমিত্তোऽনৰ্থঃ স্যাদিত্যাশঙ্ক্যাহ - ততো ভজনাৎ পতেৎ কথঞ্চিৎ ভ্ৰশ্যেৎ ম্ৰিয়েত বা যদি, তথাপি ভক্তি ৰসিকস্য কৰ্ম্মানধিকাৰাৎ নানৰ্থ শঙ্কা। অঙ্গীকৃত্যাপ্যাহ। বাশব্দঃ কটাক্ষে। যত্র ক্ব বা নীচযোনীৱপি অমুষ্য ভক্তি ৰসিকস্য অভদ্ৰমভূৎ কিং নাভূ দেৱেত্যৰ্থঃ। ভক্তি বাসনা সদ্ভাবাদিতি ভাৱঃ। অভজদ্ভিস্তু কেৱলং স্বধৰ্ম্মতঃ কো বা অৰ্থঃ আপ্তঃ প্ৰাপ্তঃ"। ইত্যাদি।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ (টীকানুসৰি) -

স্বধৰ্ম্মক তেজি ভজে কৃষ্ণক সম্প্ৰতি।
তাত প্ৰেম পূৰ্ণ যেৱে নভৈল ভকতি।।
ভৈল ভ্ৰষ্ট যদিবা অন্নতে গৈল প্ৰাণ।
জানা নাহি তথাপি তাহাৰ অকল্যাণ।।
উৰ্দ্ধ বাহু কৰি হেৰা কৰো অঙ্গীকাৰ।
অধম জাতিতো যদি জন্ম ভৈল তাৰ।।
জ্ঞানীতো কৰ্ম্মীতো কৰি তথাপি অধিক।

দেৱৰো বন্দনি যিটো ভকতি ৰসিক।।
হেন জানি মহা বুদ্ধিমন্ত যিটোজন।
ভকতিৰ অৰ্থে মাত্ৰ কৰোক যতন।।
কালে কৰ্ম্ম মিলাইবেক বিষয়ৰ সুখ।
উপদেশী লোক হৌক কৃষ্ণক সমুখ।। (ইত্যাদি)

পঞ্চমাধ্যায়ৰ অন্তিমাংশত আৰু ষষ্ঠ অধ্যায়ৰ প্ৰথমাংশত "ব্যাস নাৰদ সংবাদ" প্ৰসঙ্গত নাৰদৰ পূৰ্ব্বজন্ম বৃত্তান্ত বহলকৈ প্ৰকাশ কৰা হৈছে। মহাপুৰুষ জনাৰ প্ৰকাশভঙ্গী ভাগৱতোক্ত শ্লোকাংশৰ ওপৰত অধিক নিৰ্ভৰশীল হোৱা নাই আৰু ইয়াৰ ব্যৱহাৰ স্বতন্ত্ৰ। ষষ্ঠ অধ্যায়ৰ ঊনচল্লিশটি শ্লোকৰ ভিতৰত মাত্ৰ বাইশটি শ্লোকৰহে ছাঁয়া অনুবাদ কৰিছে। সপ্তমাধ্যায়ত আঠাৱন্নটি শ্লোক আছে। ইয়াৰ সোতৰটি শ্লোক বাদ দি বাকী একচল্লিশটিৰ এৰা ধৰা নীতিৰে গুৰুজনে অনুবাদ কৰিছে। এই অধ্যায়টিৰে চাৰি সংখ্যাৰ শ্লোকটিৰ অনুবাদত এটি ভক্তিতত্ত্বৰ মাহাত্ম্য প্ৰকট হৈছে। শ্লোকটি হ'ল —

ভক্তি যোগেন মনসি সম্যক্ প্ৰণিহিতেদমলে।
অপশ্যৎ পুৰুষং পূৰ্ণং মায়াঞ্চ তদপাশ্ৰয়াম।। (ভাগ - ১/৭/৪)

অৰ্থাৎ- ভক্তি সাধনাৰ পূৰ্ব্বৰ পৰাই যোগ জ্ঞানাদিৰ দ্বাৰা নিৰ্ম্মল চিত্ত ভক্তি সম্পৰ্কে পূৰ্ণৰূপে সমাহিত হোৱাত ব্যাসদেৱে অংশ, কলা, শক্তি প্ৰভৃতি সমন্বিতে স্বয়ং ভগবান আৰু তেওঁতে লীন প্ৰাপ্ত মায়া শক্তিক দৰ্শন কৰিলে।

শ্ৰীধৰ স্বামীয়ে তেওঁৰ টীকাভাষ্যত উক্ত শ্লোকটিৰ ব্যাখ্যা এনেকৈ কৰিছে - "প্ৰণিহিতে নিশ্চলে। অত্ৰ হেতুঃ ভক্তি যোগেন অমলে। পূৰ্ব্বং প্ৰথমং পুৰুষমীশ্বৰং অপশ্যৎ। পূৰ্ণমিতি বা পাঠঃ। তদুপাশ্ৰয়াং ঈশ্বৰাশ্ৰয়াং তদধীনাং মায়াঞ্চাপশ্যৎ"। ইত্যাদি।

<u>শঙ্কৰদেৱে অনুবাদ কৰিছে এনেকৈ</u> -

কৃষ্ণৰ মূৰ্ত্তিক পাচে কৰিলন্ত ধ্যান।
হৃদয়ন্তে কৃষ্ণক দেখিলা বিদ্যমান।

বাম পাশে মায়া দক্ষিণত ভক্তি মাৱ।
দেখি ব্যাস ঋষিৰ ৰোমাঞ্চ ভৈল গাৱ।।
মায়ায়ে বান্ধন্ত ভক্তি মাতৃ মেলাৱন্ত।
দুইহানো মধ্যস্থ ভাৱে আছা ভগৱন্ত।।
বন্ধৰ মোক্ষৰ হেতু দেখি ব্যাস ঋষি।
ভাগৱত শাস্ত্ৰ পাচে কৰিলা হৰিষি।। (পদ নং ৬৫)

উক্ত শ্লোকটিৰ অনুবাদ মূলানুগত নহয়। শ্লোকটিৰ শেষাংশৰ কেইটিমান শব্দৰ ওপৰত ভেজা দি গুৰুজনাই ভক্তিবাদৰ প্ৰাধান্য স্থাপন কৰিছে। অন্তৰঙ্গা আৰু বহিৰঙ্গা ভেদে ভগৱানৰ দ্বিবিধা বিভক্ত শক্তি আছে। প্ৰথমটিৰ পৰা তেওঁৰ অনন্ত লীলা আৰু দ্বিতীয়টিৰ পৰা বিশ্বব্ৰহ্মাণ্ড বিকশিত হৈছে। সেয়ে এটি চিৎশক্তি আৰু আনটি মায়া শক্তি। চিৎশক্তি সৰ্ব্বদা প্ৰকট ৰূপে বিৰজিত থাকে আৰু মায়া শক্তি লীনাৱস্থাত অতিবাহিত হয়। মায়া শক্তি জীৱসমূহৰ ভৱ ৰোগ আৰু চিৎশক্তি বা ভক্তি যোগ তাৰ মহৌষধ স্বৰূপ। আমি এই দুয়োটি শক্তিৰ বিষয়ে এইকাৰণেই উল্লেখ কৰিছোঁ যে গুৰুজনাই স্বৰচিত পদ্যানুবাদত ব্যাসে হৃদয়ত কৃষ্ণক বিদ্যমান দেখাৰ পিছত বাওঁহাতে মায়া আৰু সোঁহাতে ভক্তি মাতৃক দেখাৰ কথা কৈছে আৰু দুয়োৰে মাজত ভগৱন্ত উপস্থিত থকাৰ কথাও কৈছে। তাতে আকৌ মায়া দেৱীয়ে বন্ধন কৰা আৰু ভক্তি মাতৃয়ে মুক্ত কৰাৰ বিষয়টিও প্ৰকাশ পাইছে। এই গোটেই বিবৰণটিৰ মাজত এটি ৰহস্যতত্ত্বৰ সম্ভেদ আছে। এই বিষয়টি ৰূপকৰ যোগেদি ক'ব বিচৰা হৈছে যে আমি পূৰ্ব্বে উল্লেখ কৰা বহিৰঙ্গা শক্তিয়েই হ'ল মায়া আৰু সেই মায়াই সৃষ্টি কৰিছে বিশ্বব্ৰহ্মাণ্ড। মায়াবদ্ধ জীৱই উদ্ধাৰৰ পম নেদেখিলে ইয়াতেই বাৰম্বাৰ আয়াযাত কৰি থাকিবলগীয়া হয়। অন্তৰঙ্গা বা চিৎশক্তিৰ অনুচৰী ভক্তিদেৱী হ'ল মায়াবদ্ধ জীৱ সমূহৰ উদ্ধাৰৰ প্ৰশস্ত পথ প্ৰদৰ্শক। উক্ত দুয়োগৰাকীৰ মূল বা মূখ্য কৰ্ত্তা হ'ল ভগৱন্ত। ভগৱন্তনো কোন - শ্ৰীকৃষ্ণ। শ্ৰীকৃষ্ণনো কোন - দৈৱকীনন্দন। দৈৱকীনন্দননো কোন - সচ্চিদানন্দ পৰমব্ৰহ্ম। এয়ে মূল কথা ব্যাসে দৰ্শন কৰা এই ৰূপকথন দৰাচলতে ব্যাসৰ উপলব্ধিৰ বস্তুহে বা এটি স্বৰূপ জ্ঞানৰ আলোকহে। ভাগৱতে আমাক বুজাবৰ কাৰণে এই ৰূপকথনৰ যোগেদি ব্যাসৰ উপলব্ধি বিষয়বস্তুৰ এটি সন্ধান দিছে মাত্ৰ। ৰূপকথনৰ সংক্ষিপ্ত মূল বিষয়টি হ'ল - মায়াই বন্ধনৰ কাৰণ আৰু

ভক্তিযোগেই হ'ল ইয়াৰ পৰা মুক্তিলাভৰ প্ৰশস্ত পথ আৰু ভক্তিবাদৰ মূল ব্যক্তিজন হ'ল পৰমেশ্বৰ শ্ৰীকৃষ্ণ।

এই অধ্যায়টিৰ দ্বাদশ সংখ্যক শ্লোকৰ পৰা আঠাৱন্ন শ্লোকলৈকে সামান্য সংখ্যক শ্লোক বাদ দি কাহিনীটি সুন্দৰকৈ সজোৱাৰ মূল লক্ষ্য হ'ল দ্ৰৌপদীৰ পঞ্চপুত্ৰক অশ্বত্থামাই নিধন কৰাৰ পিছত অৰ্জ্জুনে তাৰ প্ৰতিশোধ লোৱাৰ অভিপ্ৰায়েৰে গুৰুপুত্ৰক বন্ধন কৰি দ্ৰৌপদীৰ সমুখত উপস্থিত কৰোৱাত পুত্ৰবধী বিপ্ৰক কৃষ্ণ ভীমাৰ্জ্জুনে তৎক্ষণাৎ বধ কৰিবলৈ উদগণি দিয়াত দ্ৰৌপদীৰ সহনশীলতা, নম্ৰতা, গুৰু নিষ্ঠাপৰ চৰিত্ৰটিৰ আলোকপাত কৰিবৰ কাৰণে আৰু গুণ সমূহ যাতে আন সকলৰ কাৰণেও গ্ৰহণীয়, বন্দনীয় হয়, তাৰ নিদৰ্শনৰ কাৰণেই এইখিনি প্ৰকাশ কৰা হৈছে। লগতে সৰ্ব্ববন্দ্য ভগৱানৰ অলৌকিক মহিমা বিস্তাৰৰ প্ৰতিও লক্ষ্য ৰখা হৈছে। এই অধ্যায়ত গুৰুজনাৰ পদ সংক্ষিপ্তকৰণৰ এটি ইঙ্গিত "প্ৰথম স্কন্ধৰ ছয় অধ্যায়ৰ তথা। গৈল ব্যাস নাৰদ সংবাদ ইটো কথা" বুলি সামৰণি মাৰিছে।

অষ্টম অধ্যায়ৰ শ্লোক সংখ্যা একাৱন্ন। ইয়াৰে চৌব্বিশটি শ্লোক বাদ দি বাকী সাতাইটি শ্লোকৰ পদ্যানুবাদ কৰা হৈছে। উত্তৰা গৰ্ভস্থ সন্তান পৰীক্ষিতলৈ অশ্বত্থামাই ব্ৰহ্মাস্ত্ৰ নিক্ষেপ কৰোঁতে কৃষ্ণই উত্তৰাৰ গৰ্ভত প্ৰবেশ কৰি পৰীক্ষিতক ৰক্ষা কৰা প্ৰসঙ্গতে গুৰুজনাই নিজস্ব পূৰ্ব্ব পৰম্পৰা অনুসৰি কৃষ্ণৰ ৰূপ বৰ্ণনা কৰিছে। এইখিনি ভাগৱতোক্ত নহলেও ঠায়ে ঠায়ে কৃষ্ণৰ ৰূপ বৰ্ণনা কৰাটি গুৰুজনাৰ স্বভাৱসিদ্ধ পৰম্পৰা অনুসৰিয়েই সম্পন্ন কৰা হৈছে। এই অধ্যায়টিত ইয়াৰ বাহিৰে গুৰুজনাৰ আন অধিক ৰচনাৰ কোনো সূত্ৰ নাই। সেয়ে "সাত আঠ দুই অধ্যায়ৰ কথা গৈল" বুলি অধ্যায়টিৰ সামৰণি মৰা হৈছে। এই অধ্যায়টিত আছে পাণ্ডৱসকলৰ মৃত জ্ঞাতিসকলৰ তৰ্পণাদি ক্ৰিয়া সাধন, অশ্বত্থামাৰ ব্ৰহ্মাস্ত্ৰ প্ৰেৰণ, পৰীক্ষিতৰ প্ৰাণ ৰক্ষা, কুন্তী দেৱীৰ কৃষ্ণস্তৱ, কৃষ্ণৰ বিদায় প্ৰাৰ্থনা, যুধিষ্ঠিৰৰ খেদ ইত্যাদি।

নৱম অধ্যায়ৰ মুঠ শ্লোক সংখ্যা ঊনপঞ্চাশটি। তাৰ তেত্ৰিশটিৰ অনুবাদ হৈছে আৰু ষোল্লটি শ্লোক বাদ পৰিছে। এই অধ্যায়ত আছে শৰ শয্যাশায়িত ভীষ্মৰ ওচৰলৈ পাণ্ডৱ সহিত শ্ৰীকৃষ্ণৰ গমন, ভীষ্মৰ দ্বাৰা সকলোকে অভ্যৰ্থনা, পাণ্ডৱসকলক সান্ত্বনা দান, কৃষ্ণ ভক্তিৰ উপদেশ, শ্ৰীকৃষ্ণ স্তুতি। ভীষ্মৰ দেহত্যাগ,

আৰু তেওঁৰ পাৰলৌকিক ক্ৰিয়ানুষ্ঠান ইত্যাদি। এই কাহিনীৰ মাজত গুৰুজনাৰ কাপৰ পৰা স্বভাৱসিদ্ধ দুই এটি ভক্তিমূলক তত্ত্বোপদেশ, শ্ৰীকৃষ্ণ তত্ত্বৰ নিদৰ্শন ফুটি উঠিছে। গুৰুজনাৰ উপদেশ মূলক কথাখিনি অতি গধুৰ আৰু তত্ত্বপূৰ্ণ।

দশম অধ্যায়ৰ ছয়ত্ৰিশটি শ্লোকৰ দহটি শ্লোক বাদ দি চাব্বিশটি শ্লোকৰ অনুবাদ কৰা হৈছে। ইয়াতো গুৰুজনে এৰাধৰা নীতিৰে অতিৰিক্ত কিছু কথাৰ সংযোগ বিয়োগ কৰিছে। অধ্যায়টিত বন্ধুজন বিৰহে দুখীত আৰু ৰাজ্যভোগে কুণ্ঠিত যুধিষ্ঠিৰৰ ৰাজ্য পালনাদি কৰ্ম্মসম্পৰ্কে শৌনকৰ প্ৰশ্নত সূতৰ উত্তৰ দান, শ্ৰীকৃষ্ণৰ দ্বাৰকা যাত্ৰা, কুৰুনাৰী সকলৰ শ্ৰীকৃষ্ণ দৰ্শন, গুণ বৰ্ণন আৰু কৃষ্ণৰ দ্বাৰকাত উপস্থিতি ইত্যাদি বৰ্ণনা কৰা হৈছে।

একাদশ অধ্যায়ৰ শ্লোক সংখ্যা চল্লিশ। ইয়াৰে অনুবাদ হৈছে বাইশটি শ্লোকৰ আৰু বাদ পৰিছে ওঠৰটিৰ। দ্বাৰকা প্ৰাপ্তিৰ পিছত নাগৰিক সকলৰ শ্ৰীকৃষ্ণ বন্দন, অভিনন্দন, দ্বাৰকা বৰ্ণন, কৃষ্ণৰ পুৰী প্ৰবেশ আৰু আত্মীয়সকলৰ লগত সাক্ষাৎকাৰ। ইয়াতো দুই এটি কথাৰ সংযোগেৰে অধ্যায়টি সজোৱা হৈছে। শেষত "গৈল দশ একাদশ অধ্যায়ৰ কথা" বুলি সংক্ষিপ্তকৰণৰ এটি ইঙ্গিত দি গুৰুজনে বিষয় বস্তুৰ সামৰণি মাৰিছে।

দ্বাদশ অধ্যায়টিৰ শ্লোকসংখ্যা সাতত্ৰিশটিৰ ভিতৰৰ পৰা চৌব্বিশটি শ্লোকৰ অনুবাদ কৰা হৈছে আৰু তেৰটি বাদ পৰিছে। অধ্যায়টিত আছে প্ৰৰীক্ষিতৰ জন্ম বৃত্তান্ত 'বিষ্ণুৰাত' নামৰ কাৰণ বৰ্ণন, পৰীক্ষিত নামোৎপত্তিৰ উল্লেখ আদি। ইয়াতকৈ অধিক বৰ্ণনা এই অধ্যায়টিত নাই।

ত্ৰয়োদশ অধ্যায়ত আছে ষাঠী সংখ্যক শ্লোক। তাৰ মাত্ৰ পাঁচটিৰ অনুবাদ কৰি বাকী খিনি বাদ দিয়া হৈছে। (চতুৰ্দ্দশ অধ্যায়ত গুৰুজনাই হাত নিদিলেই)। উক্ত অধ্যায়টিত পৰীক্ষিতৰ কলি নিগ্ৰহ, বিদুৰৰ হস্তিনাগমন, যুধিষ্ঠিৰক সাক্ষাৎ, ধৃতৰাষ্ট্ৰ গান্ধাৰীৰ গৃহত্যাগ, নাৰদৰ হস্তিনাপুৰ আগমন, ইত্যাদি কাহিনী সন্নিবিষ্ট আছে। গুৰুজনাই কেইটিমান পদতে বিষয়টি সামৰি পেলাইছে। পঞ্চদশ অধ্যায়ত সন্নিবিষ্ট পাণ্ডৱৰ স্বৰ্গাৰোহণ বিষয়টি আগতীয়াকৈ বৰ্ণনা কৰা হৈছে। এই বিষয়টি একাদশ স্কন্ধত বৰ্ণনা কৰা হৈছে আৰু গুৰুজনে কীৰ্ত্তনঘোষাৰ বৈকুণ্ঠ প্ৰয়াণ অধ্যায়তো বিবৰণ দাঙি ধৰা কাৰণেও হয়টো ইয়াত দীঘলীয়া কৰা হোৱা নাই। পঞ্চদশত কৃষ্ণৰ বৈকুণ্ঠ প্ৰয়াণ, যদুবংশ ধ্বংস বৃত্তান্ত কথন, বিদুৰ, পাণ্ডৱাদিৰ

দেহত্যাগৰ বিষয়টিও থোৰতে সমাপন কৰা হৈছে। চতুৰ্দ্দশ আৰু পঞ্চদশ অধ্যায়ৰ শ্লোক সংখ্যা ক্ৰমে চৌৰাল্লিশ আৰু একাবন্ন। অধ্যায় কেইটিত কাৰ্য্য কাৰণ বিশেষে গুৰুজনাৰ কাপৰ পৰা প্ৰয়োজনীয় অতিৰিক্ত বিষয় সংযোগ ঘটিছে।

ষোড়শ অধ্যায়ৰ ছয়ত্ৰিশ সংখ্যক শ্লোকৰ পৰা গুৰুজনাই ওঠৰটি শ্লোকৰহে অনুবাদ কৰিছে। এই অধ্যায়টিত পৰীক্ষিতৰ বিবাহ, কলি নিগ্ৰহ, ভাৰত জয়, ধৰ্ম্ম-পৃথিৱীৰ লগত কথোপকথন ইত্যাদি বিষয়ৰ বৰ্ণনা আছে। গুৰুজনে এই কাহিনীটি ৰসাল কৰি সজাইছে আৰু কিছু সংক্ষিপ্ত কৰিও দিছে। ভক্ত আৰু ভগৱানৰ চৰিত্ৰ বা শাৰীৰিক বৰ্ণনাৰ এটি সামান্য সূত্ৰ পালেই গুৰুজনাৰ কাপৰ পৰা সাবলীল ৰূপত দীৰ্ঘ বৰ্ণনাৰ এধাৰী নানাৰঙী মালা গঁথা হয়। ইয়াতো পৰীক্ষিতৰ নিচিনা এজন ভক্তৰ চৰিত্ৰ বৰ্ণনা কৰা হৈছে।

সপ্তদশ অধ্যায়ত আছে পঞ্চল্লিশটি শ্লোক আৰু তাৰে অনুবাদ কৰিছে ছয়ত্ৰিশটিৰ। ইয়াতে আকৌ শেষলৈ অষ্টাদশ অধ্যায়ৰ এক, দুই, তিনি, চাৰি আৰু সাত সংখ্যাৰ শ্লোকৰ পৰাও কিছু কথা টানি আনি ইয়াৰ লগত সংযোগ কৰা হৈছে। কিন্তু পদত "ষোল্ল সপ্তদশ অধ্যায়ৰ কথা গৈল" বুলিহে এটি ইঙ্গিত পোৱা যায়। "পঞ্চসূনা" কি কি সেই বিষয়ে মূলৰ লগত পদৰ কিছু পাৰ্থক্য দেখা পোৱা গৈছে। ভাগৱতোক্ত 'পঞ্চসূনা' এনেধৰণৰ -

দ্যূতং পানং স্ত্ৰিয়ঃ সূনা যত্ৰাধৰ্ম্মশ্চতুৰ্ব্বিধঃ।।
পুনশ্চ যাচমানায় জাতৰূপমদাৎ প্ৰভুঃ।
ততোদনৃতংমদং কামং ৰজো বৈৰঞ্চ পঞ্চমম্।।

(ভাগ - ১/১৭/৩৮,৩৯)

অৰ্থাৎ (পৰীক্ষিতে কলি দেৱতাক দিয়া স্থান) পাশাক্ৰীড়া, মদ্যপান, স্ত্ৰী আৰু প্ৰাণীবধ এই চাৰিটি স্থান দিয়াৰ পিছত কলিৰ পুনৰ প্ৰাৰ্থনানুসৰি সুবৰ্ণযুক্ত স্থানতো থাকিবলৈ দিয়াত পাঁচটি পূৰ্ণ হ'ল।

মদ্যপান, পাশাখেল, অবৈধ প্ৰাণীবধ, পৰস্ত্ৰী সঙ্গ, মিছা, গৰ্ব্ব, শত্ৰুতা ইত্যাদি স্থান দিয়া হ'ল। গুৰুজনে পদত লিখিছে -

নৃপতি বোলন্ত কলি তোক দিলো স্থান।
যৈত খেলে জুৱা পাশা কৰে মদ্যপান।।
স্ত্ৰী পঞ্চসূনা গৃহস্থৰ থাকে যৈত।

এহি চাৰি ঠাই দিলো বঞ্চ গৈয়া তৈত।।
জলকুম্ভ চুলিয়া বাঢ়নি ঢেকী পটা।
গৃহস্থৰ ঘৰে এহি সুনা পাঞ্চ গোটা।।
বলি বিশ্বদেৱ পঞ্চযজ্ঞ যাৰ নাই।
তাৰ পঞ্চ স্থানত থাকিবি সৰ্ব্বদাই।।

কলিৰ পুনৰ অনুৰোধ অনুসৰি -

দিলো সুবৰ্ণক তাত বাসা কৰ কলি।
অধৰ্ম্মৰ গোষ্ঠী সমে ঝান্টে যাহা চলি।। ইত্যাদি

অষ্টাদশ অধ্যায়টিৰ মুঠ শ্লোক সংখ্যা পঞ্চাশ। তাৰে আঠটি শ্লোক বাদ দি বাকীখিনিৰ অনুবাদ কৰা হৈছে। অধ্যায়টিত কলি প্ৰভাৱ বৰ্ণন, পৰীক্ষিতৰ প্ৰতি ব্ৰহ্মশাপ আৰু অন্যান্য আছে। এই অধ্যায়টিতো গুৰুজনাৰ ৰসাল সৃষ্টিমূলক বৰ্ণনা সংযোগ হৈছে আৰু ১/১/৪৮ শ্লোকানুবাদত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে। সেই পদটি হ'ল (৩৪৯) -

মহাভাগৱত ৰাজা পৰম নিষ্পাপ।
কিনো মন্দমতি তই তাঙ্ক দিলি শাপ।।
উলটি আমাকো যদি শাপে পৰীক্ষিত।
তেবেসে আমাৰ হোৱে পাপ প্ৰায়শ্চিত্ত।।

ঊনবিংশ অধ্যায়ৰ শ্লোকসংখ্যা চল্লিশ। গুৰুজনে ইয়াত কোনো এৰাধৰা নকৰাকৈ সম্পূৰ্ণে অনুবাদ কৰিছে। এই অধ্যায়ত আছে ব্ৰাহ্মণাপমানে পৰীক্ষিতৰ অনুতাপ, ব্ৰহ্মশাপত পৰীক্ষিতৰ আনন্দ, গঙ্গাতীৰত প্ৰায়োপবেশন, শুকদেৱৰ আগমন, আৰু নৃপতিৰ প্ৰাৰ্থনা। ইয়াতো গুৰুজনাই মাজে মাজে ৰস সঞ্চাৰ কৰিছে।

উক্ত প্ৰথম স্কন্ধ ভাগৱতৰ ঊনৈশটি অধ্যায়ৰ সৰ্ব্বমুঠ শ্লোকসংখ্যা আঠশ চাৰিটি। ইয়াৰ ভিতৰৰে চাৰিশ পয়সত্তৰটি শ্লোক বাদ দি তিনিশ ঊনত্ৰিশটি শ্লোকৰ অনুবাদ কৰা হৈছে। পদসংখ্যা চাৰিশ একৈশ। লগত উপদেশমূলক পদ সংখ্যাও আছে।

(প্ৰথম স্কন্ধ ভাগৱতৰ আলোচনা সমাপ্ত)

● ● ●

(২) দ্বিতীয় স্কন্ধ ভাগৱত

শঙ্কৰদেৱে দ্বিতীয়স্কন্ধ ভাগৱতৰ পদ ৰচনা পাটবাউসীতে কৰিছিল বুলি জনা যায়। ইয়াৰ শ্লোক সংখ্যা তিনিশ বিৰান্নবৈ আৰু অধ্যায়ৰ সংখ্যা দহ। গুৰুকৃত পদসংখ্যা দুশবাষষ্ঠী; মূলত মঙ্গলাচৰণ শ্লোক নাই-মাত্ৰ "শুক উবাচ" বুলিহে আৰম্ভ কৰা হৈছে। গুৰুজনাই "জয় জয় কৃষ্ণ যাৰ স্মৰণ মঙ্গল" বুলি প্ৰথমতে মঙ্গলাচৰণেৰে কৃষ্ণ স্মৰণ কৰিছে। প্ৰথম স্কন্ধৰ দৰে ইয়াতো অধ্যায় সমূহৰ আনুক্ৰমিক বৰ্ণনা আদি গুৰুজনাই পদ ৰচনাত নিজৰ নীতি আৰু ধাৰণা মতেই কৰিছে। ঘটনাক্ৰম বা বৰ্ণনা সমূহ অগা-পিছা কৰি শ্ৰৱন কীৰ্ত্তনাদি ভক্তিতত্ত্বৰ ওপৰত আৰোপ কৰা হৈছে। মূলৰ প্ৰথম শ্লোকৰ পৰাই পদ ৰচনা আৰম্ভ কৰিছে যদিও মূলৰ বহুবিষয় বাদ দিয়া হৈছে। প্ৰথম আৰু দ্বিতীয় অধ্যায়ৰ মুঠ ছয়সত্তৰটি শ্লোকৰ ভাঙনি বাইশটি পদতে সামৰিছে। সেয়ে "দুই অধ্যায়ৰ কথা গৈল এহিমানে" বুলি সংক্ষিপ্ত কৰণৰ এটি ইঙ্গিত দিছে।

ইয়াৰে ২/১/১৭ শ্লোকত থকা ব্ৰহ্মবীজ বা প্ৰণৱাক্ষৰ (ওঙ্কাৰ) শুকদেৱে পৰীক্ষিতক জপ কৰিবলৈ কৈছে। সেই শ্লোকটি হল-

অভ্যসেন্মনসা শুদ্ধং ত্ৰিবৃৎ ব্ৰহ্মাক্ষৰং পৰম্।
মনো যচ্ছেজ্জিত শ্বাসো ব্ৰহ্মবীজমবিস্মৰণ।। (২/১/১৭)

অৰ্থাৎ মনেৰে ব্ৰহ্মবাচক প্ৰণৱাক্ষৰ মন্ত্ৰ জপ কৰিব আৰু বিস্মৃতি নোহোৱাকৈ ৰাখি প্ৰাণায়াম সহ মন নিশ্চয় কৰি জপাদি কৰ্ম্ম কৰিব।

উক্ত ব্ৰহ্মবীজ মন্ত্ৰৰ কথা শঙ্কৰ গুৰুৱে মুঠেই উল্লেখ কৰা নাই। সেইদৰে প্ৰথম অধ্যায়ৰ ১৫-২৫ শ্লোকলৈকে থকা ভগৱৎ ধ্যান ধাৰণা সম্পৰ্কীয় বিষয়ৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ নকৰি এনে প্ৰকাৰেহে কৈছে। যেনেঃ-.

এহি বুলি কহিলা ধাৰণা যোগ মুনি।
যাক কহি আছা হৰি ব্ৰহ্মাত আপুনি।।
সংসাৰ তৰণ পথ আছে অসংখ্যাত।
অনেক বিঘিনি তাত দুঃখৰ সাক্ষাত।।

শ্ৰৱণ কীৰ্ত্তনে মাত্ৰ কৃষ্ণক আৰাধে।
মহাসুখ পথ একো বিঘিনি নবাধে।।
যাত হন্তে হোৱে ৰতি কৃষ্ণৰ চৰণে।
নাহিকে সুগম আত পৰে ত্ৰিভুৱনে।।
পূৰ্ব্বত ব্ৰহ্মায়ে একচিত্তে তিনিবাৰ।
বেদত বিচাৰি এহি মাত্ৰ পাইলা সাৰ।।
শ্ৰৱণ কীৰ্ত্তন মাত্ৰ সুগম ভকতি।
অল্পতে ওপজে গোৱিন্দত প্ৰেমৰতি।।
হেনজানি মহাযত্নে কৃষ্ণক সৰ্ব্বথা।
শ্ৰৱণ কীৰ্ত্তন কৰি তেজি আন কথা।।
শুদ্ধ হুইবে এতেকে তেজিবে মায়াজালে।
কৃষ্ণৰ পৰম পদ পাৱে অল্পকালে।।

শুকদেৱ প্ৰোক্ত “বৈৰাজ পুৰুষ”ৰ বৰ্ণনা (ভাগৱত-২/১/১৫-৩৭) গুৰুজনে পদত উল্লেখ নকৰিলে। বিশ্বব্ৰহ্মাণ্ড যে ভগৱানৰ শৰীৰ, তাকে বৰ্ণাবলৈ শুকদেৱে (ভাগ-২/১/২৬-৩৭) বিশ্বতত্ত্বৰ অৱতাৰণা কৰিছে আৰু “সন্ধাৰ্য্যতেऽস্মিন বপুষি স্থবিষ্ঠে মনঃ স্ববুদ্ধ্যা ন যতোऽস্তি কিঞ্চিৎ” (২/১/৩৮) বুলি কৈছে। অৰ্থাৎ বিৰাট পুৰুষৰ যি অবয়ব সংস্থান আছে, যোগী সকলে ইয়াকে চিত্ত ধাৰণা কৰি থাকে । ইয়াৰ বাহিৰে বিশ্ব প্ৰপঞ্চৰ আন একো বস্তু নাই ইত্যাদি। পূৰ্ব্বোক্ত বিৰাট পুৰুষৰ অবয়ব সংস্থানৰ চিত্তধাৰণা বিষয়টি গুৰুজনে এই প্ৰসঙ্গত এৰাই চলিছে। কাৰণ এই বিষয়বোৰ যোগী সকলৰ বাবেহে প্ৰয়োজন। সেই ধাৰণাবোৰ ইতৰ সকলৰ বাবে যোগ্য নহয় কাৰণে শঙ্কৰদেৱে প্ৰধানকৈ শ্ৰৱণ কীৰ্ত্তনৰ ওপৰতহে অধিক গুৰুত্ব দিছে। সেই প্ৰসঙ্গতে তেৰাই প্ৰকাশ কৰিছে এনেদৰে —

জ্ঞানী মনুষ্যৰ এহিমানে প্ৰয়োজন।
কৃষ্ণৰ কৰিব মাত্ৰ শ্ৰৱণ কীৰ্ত্তন।।
যেন ফল পাৱৈ সৱ দেৱতাক যজি।
ভৈল সৰ্ব্ব সিদ্ধি এক গোৱিন্দক ভজি।।

কলিযুগৰ কাৰণে যোগাভ্যাস, ব্ৰহ্মতত্ত্ব আলোচনা আদি বৰ দুষ্কৰ। সকলোৱে ইয়াক গ্ৰহণ কৰিবলৈ টান পাই কাৰণে এই বিষয়ৰ শিষ্য বা ভক্তৰ সংখ্যা সীমিত। সেই কাৰণে সৰ্ব্বসাধাৰণৰ গ্ৰহণ যোগ্য বা সামৰ্থ্যযোগ্য কলিযুগোপযোগী বিষয়বস্তুৰ ওপৰতহে শঙ্কৰদেৱে দৃষ্টি ৰাখিছে। পূৰ্ব্বোক্ত

'ওঙ্কাৰতত্ব' আৰু 'বৈৰাজ পুৰুষ'ৰ বিবৰণ বা আলোচনা ব্ৰহ্মজ্ঞানী বা জ্ঞানযোগী সকলৰ পক্ষেহে অত্যন্ত প্ৰয়োজন । সাধাৰণ শ্ৰেণীয়ে ইয়াৰ কোনো তত্ত্বমূলক আলোচনাত ভাগ ল'ব নোৱাৰে। গুৰুজনে কীৰ্ত্তনঘোষাত লিখিছে —

যোগক অভ্যাসে যিটো ভকতিক এৰে।
তাহাৰেসে মন দুনাই বিষয়ত পৰে।।

নামঘোষাত মাধৱদেৱে কৈছে —

শবদ ব্ৰহ্মৰ পাৰ ভৈল যিটো
কৃষ্ণত ভকতি নাই।
তাৰ মাত্ৰ শ্ৰম শ্ৰমে মাত্ৰ ফল
যেন ৰাখে বাজী গাই।।

প্ৰথম স্কন্ধ ভাগৱতত গুৰুজনে কৈ আহিছে -

আত মহাধৰ্ম একে নামেসে প্ৰখ্যাত।
শ্ৰৱণ মাত্ৰকে কৰে কৃষ্ণক সাক্ষাত।।
পূজা নমস্কাৰ ধ্যান সমস্তে দুষ্কৰ।
হৰিগুণ নামধৰ্ম মহা সুখকৰ।।

পূৰ্ব্বোক্ত বিষয়টি সংক্ষেপতেসামৰিবলৈ গুৰুজনে "দুই অধ্যায়ৰ কথা গৈলা এহিমানে" বুলি মোখনি মাৰি থলে। যোগ সাধনাৰ বিষয়টি বৰ বহল। ইয়াৰ ভাগ আঠোটা। যেনে- যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান, সমাধি। এই বিষয়ৰ বিস্তৃত তথ্য যোগ শাস্ত্ৰ সমূহত আছে। ইয়াৰ ভিতৰত যম, নিয়ম, আসন, প্ৰাণায়াম, আৰু প্ৰত্যাহাৰ এই পাঁচোটা বহিৰঙ্গ সাধন আৰু ধাৰণা, ধ্যান, সমাধি এই তিনিটা অন্তৰঙ্গ সাধন বুলি কোৱা হয়। ভাগৱতৰ (১১/১৯/৩৩,৩৪) মতে 'যম'ৰ লক্ষণ বাৰটি যেনে —

(১) অহিংসা - পৰপীড়া বৰ্জন।
(২) সত্য - হিত সাধন আৰু প্ৰিয়ভাষণ।
(৩) অস্তেয় - পৰৰ দ্ৰব্যৰ প্ৰতি অনাসক্ত।
(৪) অসঙ্গ - সকলো বস্তুৰ প্ৰতি নিস্পৃহ।
(৫) হ্ৰী - নিন্দিত কাৰ্য্যত লজ্জাবোধ।
(৬) অসঞ্চয় - প্ৰয়োজনতকৈ অতিৰিক্ত দ্ৰব্যত্যাগ।
(৭) আস্তিক - ধৰ্ম শাস্ত্ৰাদিত বিশ্বাস স্থাপন।
(৮) ব্ৰহ্মচৰ্য্য - স্ত্ৰী সঙ্গ পৰিহাৰ।
(৯) মৌন - বৃথা আলাপ বৰ্জ্জন।

(১০) স্থৈৰ্য্য - সত্য স্থিৰতা।
(১১) ক্ষমা - পৰাপৰাধ সহন।
(১২) অভয় - ভয়ভাব পৰিহাৰ

সেইদৰে 'নিয়ম'ৰো বাৰ লক্ষণ আছে। যেনে -

(১) শৌচ - বাহ্যান্তৰৰ পবিত্ৰতা ৰক্ষা।
(২) জপ - বিষ্ণু মন্ত্ৰ উচ্চাৰণ।
(৩) তপ - ব্ৰতাদি নিয়ম পালন।
(৪) হোম - বিষ্ণু নামোচ্চাৰণ কৰি হোম কৰা।
(৫) শ্ৰদ্ধা - ভগৱন্তত দৃঢ় বিশ্বাস।
( ) আতিথ্য - অতিথি সৎকাৰ কৰা।
(৭) অৰ্চ্চন - পূজা সেৱা কৰা।
(৮) তীৰ্থাটন - পুণ্যতীৰ্থ ভ্ৰমণ।
(৯) পৰাৰ্থেহা - পৰোপকাৰ কৰা।
(১০) তুষ্টি - সন্তোষ মনেৰে থকা, যথালাভে সন্তোষিত হৈ থকা।
(১১) আচাৰ্য্যসেৱন - গুৰু সেৱা পৰায়ণ হোৱা।
(১২) স্বাধ্যায় - ধৰ্ম শাস্ত্ৰাদিৰ অধ্যয়ন।

অন্তৰঙ্গ আৰু বহিৰঙ্গ সাধনাৰ বিষয়ে অৰ্থাৎ যম, নিয়মাদি যোগ সাধন মাৰ্গৰ আটাই কেইটিৰে বহল ভাৱে সেই সেই শাস্ত্ৰ সমূহত ব্যাখ্যা দাঙি ধৰা হৈছে। এই আলোচনাত সেই সাধন মাৰ্গৰ বিষয়ৰ বিস্তৃত তথ্য দিবলৈ যোগ্য স্থান আছিল যদিও আলোচনা দীঘলীয়া কৰাৰ ইচ্ছা নহল। অথচ যম, নিয়মৰ চৰ্চ্চা-সাধনা বা অভ্যাস নৈতিক চৰিত্ৰ গঠনৰ বাবে উত্তম উপায় আৰু আধ্যাত্মিক উন্নতিৰ প্ৰধান বিষয়। কেৱল যোগ সাধক সকলৰ কাৰণেই নহয়, সকলো শিক্ষাৰ্থীৰ কাৰণেই ইয়াৰ প্ৰয়োজন আছে। যম, নিয়মাদি পালনে এজন মনুষ্যক দেৱত্বৰ শাৰীলৈ উন্নীত কৰে আৰু আধ্যাত্মিক, নৈতিক চৰিত্ৰ গঠনত সহায়ক হয়।

এই স্কন্ধটিৰ বৰ্ণনা অতি গুৰুত্বপূৰ্ণ আৰু তাত্ত্বিক দিশৰ। ইয়াত বৰ্ণনা হৈছে যৌগিক ধাৰণা, সৃষ্টিতত্ত্ব, সুত শৌনক, ব্ৰহ্মা নাৰদৰ প্ৰশ্নোত্তৰ শিতান, বিৰাট পুৰুষৰ বৰ্ণনা, চতুঃশ্লোকী ভাগৱত তত্ত্ব, দশতত্ত্ব ইত্যাদি। আনহাতে পৰীক্ষিতৰ প্ৰশ্নানুসৰি শুকদেৱ প্ৰোক্ত ভাগৱততত্ত্ব এই স্কন্ধৰ পৰাই আৰম্ভ হৈছে। শঙ্কৰদেৱে অৱশ্যে এই স্কন্ধটিৰ পৰা প্ৰয়োজনীয় আৰু মুখ্য বিষয় সমূহ ৰচনাৰ ভিতৰত ৰাখি বাকীখিনি বাদ দি মাত্ৰ দুশ বাৱষ্ঠীটি পদত সমাপন কৰিছে। তদুপৰি

কিছুমান শ্লোকৰ অনুবাদ সামান্য মাত্ৰ কৰি একোটি সূত্ৰৰ আধাৰত, শ্ৰীধৰ স্বামীৰ টীকাৰ আধাৰত সংক্ষিপ্তৰ বিপৰীতে বহল ভাবে বৰ্ণনা কৰিছে। নিম্নস্থানত তাৰ কিছুমান উদাহৰণ সহ তথ্য দাঙি ধৰা হৈছে।

ভজন ভক্তিতত্ত্ব বিবেচন প্ৰসঙ্গটি আটাইতকৈ গুৰুত্বপূৰ্ণ। তাৰ মূল সূত্ৰ বা আধাৰ হল-জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু ৰহস্য ভক্তি। ইয়াকে কয় চতুঃশ্লোকী ভাগৱত। এই চাৰিতত্বকে ব্ৰহ্মাৰ আগত ভগবানে প্ৰকাশ কৰিছিল। ভগবানে ব্ৰহ্মাক কৈছে -

জ্ঞানং পৰম গুহ্যং মে যদ্বিজ্ঞানসমন্বিতম্।
সৰহস্যং তদঙ্গঞ্চ গৃহাণ্ গদিতংময়া।। (ভা - ২/৯/৩০)

অৰ্থাৎ- জ্ঞান, বিজ্ঞান, তদঙ্গ আৰু পৰম গুহ্য ৰহস্য তত্ত্ব তোমাক দিওঁ। তুমি গ্ৰহণ কৰা।

শঙ্কৰদেৱে এই বিষয়টি আধা পদতে সামৰি কৈছে "ব্ৰহ্মাৰ প্ৰাৰ্থনা শুনি কৃষ্ণ নিগদতি। চতুঃশ্লোক ভাগৱত লোৱা প্ৰজাপতি"। কিন্তু শ্ৰীধৰ স্বামীয়ে টীকা ভাষ্যত লিখিছে এনেকৈ- "জ্ঞানং শাস্ত্ৰোত্থং বিজ্ঞানমনুভবঃ ৰহস্যং ভক্তিঃ তস্যাঙ্গং সাধনম" ইত্যাদি। উক্ত চাৰিবিধ তত্ত্বৰ ভিতৰত ৰহস্য অংশটিয়েই ভক্তি নামেৰে অভিহিত হৈছে আৰু সেইটিয়েই হৈছে শ্ৰৱণ, কীৰ্ত্তন, স্মৰণ, অৰ্চ্চন, পদসেৱন, দাস্য, সখিত্ব, বন্দন আৰু আত্মনিবেদন নামৰ নৱবিধ ভক্তি তত্ত্বৰ বিস্তৃত ব্যাখ্যাৰ বিষয়। চতুঃশ্লোকী ভাগৱত চাৰিটি শ্লোকত সমাপন কৰা হৈছে। যেনে —

(১) অহমেৱাসমেৱাগ্ৰে নান্যৎ যৎ সদসৎ পৰম্।
পশ্চাদহং যদেতচ্চ যোऽৱশিষ্যেত সোऽস্ম্যহম্।।

(২) ঋতেদৰ্থং যৎ প্ৰতীয়েত ন প্ৰতীয়েত চাত্মনি।
তদ্বিদ্যাদাত্মনো মায়াং যথাভাসো যথাতমঃ।।

(৩) যথা মহান্তি ভূতানি ভূতেষূচ্চাবচেষ্বনু।
প্ৰবিষ্টান্য প্ৰবিষ্টানি তথা তেষু ন তেষ্বহম্।।

(৪) এতাবদেৱ জিজ্ঞাস্যং তত্ত্বজিজ্ঞাসুনাত্মনঃ।
অন্বয় ব্যাতিৰেকাভ্যাং যৎ স্যাৎ সৰ্ব্বত্ৰ সৰ্ব্বদা।।

গুৰুজনাই ইয়াৰ অনুবাদ কৰিছে এনে প্ৰকাৰে -

জগতৰ পূৰ্ব্বে মই থাকো মাত্ৰ জান।
কাৰ্য্য কাৰণৰ কিছু নাছিলেক আন।।

মোক মাত্ৰ দেখিয়োক সৃষ্টিৰ মধ্যত।
দেখা শুনা মানে মই সবে বিচাৰত।।
মই মাত্ৰ অৱশেষে থাকোহো অন্তত।
কুণ্ডল ভাঙ্গিলে যেন সোণা স্বৰূপত।।
অবস্তুক দেখাৱয় বস্তুক আবৰি।
এহিসে মোহোৰ মায়া জানা নিষ্ঠ কৰি।।
নথাকিতো দেখি যেন চন্দ্ৰমা দুতয়।
থাকিতো ৰাহুক যেন কেহো নেদেখয়।।
এহিমতে মায়া আৰ কৰি ঈশ্বৰক।
আশাৰ বিষয় তাক দেখাৱে জীৱক।।
যেন মহা পঞ্চভূতে কৰিয়া নিবাস।
স্থাবৰ জঙ্গম সদা কৰয় প্ৰকাশ।।
ময়ো সেহিমতে আছোঁ জগতন্তে ব্যাপি।
তাৰ দোষ গুণে মোক নোচোৱে তথাপি।।
হেন মোক বিচাৰিবে সাধুৰ সঙ্গত।
জ্ঞান বিজ্ঞান তেবে হৈবেক বেকত।।

পূৰ্ব্বোক্ত চতুঃশ্লোকী ভাগৱতৰ চাৰিটি শ্লোক আধাৰ হিচাপে লৈ গুৰুজনাই নিজস্ব চিন্তাধাৰা বৈষ্ণৱ সংস্কৃতিৰ ভক্তি তত্ত্বৰ লগত খাপ খোৱাকৈ ইয়াৰ অনুবাদ কৰিছে। অনুবাদিত বিষয় বস্তু মূলৰ পৰা আতৰি নোযোৱাকৈ এনেদৰে কৌশলগত ভাবে সজোৱা হৈছে যে ওপৰে ওপৰে চালে মূলৰ লগত সম্বন্ধ নথকা যেনেই লাগে। কিন্তু আচলতে তেনে নহয়। গুৰুজনাৰ ৰচনা মূলগত হৈয়ো তাত সম্পূৰ্ণ নিৰ্ভৰশীল নহয়। আনহাতে উক্ত পদৰ সামান্যাংশত শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱো পৰিছে। দ্বিতীয় শ্লোকটিৰ (ঋতেদৰ্থং যৎ) শ্ৰীধৰ স্বামীৰ টীকাত আছে- "যথা আভাসো দ্বি চন্দ্ৰাদিৰিতি অৰ্থংবিনা প্ৰতীতৌ দৃষ্টান্তঃ। যথাতমঃ ইতি সতোঽপ্ৰতীতং তমো ৰাহুৰ্যথা গ্ৰহ মণ্ডলে স্থিতোঽপি নদৃশ্যতে তথা" ইত্যাদি। উক্ত টীকাৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাই "আশাৰ বিষয় তাক দেখাৱে জীৱক" ইয়ালৈকে সামৰি লিখিছে।

২/১/১৩ সংখ্যাত খট্বাঙ্গ নৃপতিৰ বিষয়টি ওলাইছে। এটি শ্লোকতে এই ৰজাজনৰ বিষয় সামৰা হৈছে যদিও গুৰুজনাই শ্ৰীধৰ স্বামী টীকাৰ প্ৰভাৱত বিষয়টি অকণমান বহলাইছে। শ্লোকটি হ'ল -

খট্বাঙ্গো নাম ৰাজৰ্ষিঃ জ্ঞাত্বেয়ত্তামিহায়ুষঃ।
মুহূৰ্ত্তাৎ সৰ্ব্বমুৎসৃজ্য গতবানভয়ং হৰিম্।। (ভাগ ২/১/ ১৩)

অৰ্থাৎ- ৰাজৰ্ষি খট্বাঙ্গ নিজৰ পৰমায়ুৰ পৰিমাণ জানিব পাৰি মুহূৰ্ত্ততে সকলো ত্যাগ কৰি সৰ্ব্বভয়হাৰী ভগৱানৰ চৰণত আশ্ৰয় গ্ৰহণ কৰিছিল।

উক্ত শ্লোকৰ টীকাকাৰ শ্ৰীধৰ স্বামীয়ে লিখিছে "খট্বাঙ্গঃ হি দেৱপক্ষে স্থিত্বা দৈত্যানজয়ৎ। ততঃ প্ৰসন্নৈঃ দেৱৈঃ বৰংবৃণী ষ্বেত্যুক্তে তেনোক্তং প্ৰথমং তাবন্মমায়ুঃ কথ্যতামিতি। ততো দেৱৈৰুক্ত তত্ত্ব মুহূৰ্ত্ত মাত্ৰমস্তীতি। ততোঽতি শীঘ্ৰং দেৱৈঃ দত্তেন বিমানেন ভুবমাগত্য হৰিং শৰণং গত ইতি"।

শ্ৰীধৰ স্বামীৰ টীকাৰ অনুসৰণ কৰি গুৰুজনাই পদত এনেকৈ লিখিছে —

অল্পকালে সাধে সিদ্ধি কৃষ্ণৰ ভকতি।
দুই দণ্ডে পাইলা গতি খট্বাঙ্গ নৃপতি।।
দানৱ গণক জিনি নৃপতি পূৰ্ব্বত।
দেৱতাক ৰক্ষা কৰি আছিলা স্বৰ্গত।।
দেৱসবে বোলে বৰলোৱা মহীপাল।
ৰাজা বোলে কৈয়ো আগে জীবো কতকাল।।
দেৱে কহে জীবা আৰু দুই দণ্ড মানে।
শুনি শীঘ্ৰে পৃথিবীক আসিলা বিমানে।।
সমস্তকে তেজি ৰাজা স্থিৰ কৰি মন।
কৃষ্ণৰ অভয় পদে পশিল শৰণ।। (পদ নং- ১৭, ১৮, ১৯)

সেইদৰে তলত উদ্ধৃত কৰা শ্লোকৰ টীকাৰ অনুসৰণ কৰি গুৰুজনাই পদ ৰচনা কৰিছে এনে প্ৰকাৰে। শ্ৰীধৰ স্বামীৰ টীকা - "ইদানীং স্ববাচং শ্ৰোতৃজনাহলাদিনীং শৃঙ্গাৰ কৰুণাদি শোভাং প্ৰাৰ্থয়তে ভূতৈৰিতি। স মে বচাংসি অলকৃৰ্ষীষ্ট অলঙ্কৰোতু"।

গুৰুজনাৰ অনুবাদ -

সেই কৃপাময় মোৰ বাক্যচয়
অলঙ্কৃত কৰন্তোক।
শৃঙ্গাৰাদি নানা ৰসে বাজ হৌক
আনন্দে লোকে শুনোক"।। (পদ নং ৫৭)

ইয়াৰ তৃতীয় অধ্যায়ৰ দুই সংখ্যাৰ শ্লোকৰ পৰা একাদশ সংখ্যাৰ শ্লোকলৈকে কোন কোন দেৱতাক অৰ্চ্চনা কৰিলে কি কি ফল পোৱা যায়, তাৰ

বিৱৰণ আছে। ব্ৰহ্মতেজ লাভৰ কাৰণে ব্ৰহ্মাক, ইন্দ্ৰিয় শক্তি লাভৰ কাৰণে ইন্দ্ৰক, সন্তান লাভৰ কাৰণে প্ৰজাপতিক আৰাধনা কৰিব লাগে। এনেদৰে বহুদেৱতাৰ আৰাধনাৰ কথা কৈছে। কিন্তু শঙ্কৰদেৱে সকলো কথা সামৰি নটি শ্লোকৰ সাৰাংশ দুশাৰী পদতে শেষ কৰি থৈছে। যেনে -

যেন ফল পাৱৈ সব দেৱতাক যজি।
লভে সৰ্ব্ব সিদ্ধি প্ৰভু মাধৱক ভজি।। (পদ নং-২৫)

উক্ত পদটিৰ সাৰাংশ নটি শ্লোকৰ পৰা আহিলেও আচলতে দশম আৰু একাদশ সংখ্যাৰ শ্লোকৰ পৰাও বিশেষকৈ আহিছে। দুয়োটি শ্লোকৰ উদ্ধৃতি দিয়া হল ঃ-

(১) অকামঃ সৰ্ব্বকামো বা মোক্ষকাম উদাৰধীঃ।
তীব্ৰেণ ভক্তি যোগেন যজেত পুৰুষং পৰম্।।
(২) এতাৱানেৱ যজতামিহ নিঃশ্ৰেয়সোদয়ঃ।
ভগৱত্যচলো ভাৱো যদ্ভাগৱত সঙ্গতঃ।।(ভাগ -২/৩/১০,১১)

অৰ্থাৎ- (১) একান্ত ভক্ত, সৰ্ব্বকামাভিলাষী ব্যাক্তি আৰু মোক্ষকামী ব্যাক্তি ব্যাভিচাৰ দোষ ৰহিত হৈ ভগৱন্ত পুৰুষক আৰাধনা কৰিব।
(২) হৰিভক্তৰ সঙ্গ মহিমাৰ দ্বাৰা যদি হৰিভক্ত জন্মে তেনেহলে বুজা যায় যে সৰ্ব্বসাধনাৰ প্ৰকৃত ফল লাভ হৈছে।

গুৰুজনে ভাগৱতৰ ২/৪/১৮ সংখ্যক শ্লোকৰ অনুবাদো তদনুৰূপে কৰা নাই। যেনে -

কিৰাত হূণান্ধ্ৰ পুলিন্দ পুক্কসা
আভীৰশুম্ভা যৱনাঃ খসাদয়ঃ
যেऽন্যেচ পাপা যদুপাশ্ৰয়াশ্ৰয়াঃ
শুধ্যন্তি তস্মৈ প্ৰভৱিষ্ণৱেনমঃ।। (ভাগ - ২/৪/১৮)

গুৰুজনাৰ অনুবাদ -

কিৰাত কছাৰী খাচি গাৰো মিৰি
যৱন কঙ্ক গোৱাল।
অসম মুলক ধোবা যে তুৰুক
কুবাচ ম্লেচ্ছ চণ্ডাল।।
আনো পাপী নৰ কৃষ্ণ সেৱকৰ
সঙ্গত পবিত্ৰ হয়।

ভকতি লভিয়া সংসাৰ তাৰিয়া
বৈকুণ্ঠে সুখে চলয়।।

ভাগৱতোক্ত কিৰাত, হূণ, অন্ধ্ৰ, পুলিন্দ, পুক্কস, যৱন, আভীৰ, শুহ্ম, খস আদি কৰি জাতিবোৰ অনুন্নত লোক সকলোকে বুজাইছে। উক্ত প্ৰাচীন নামবোৰৰ ভিতৰত কিছুমান নামৰ জাতিগত পৰিচয় পোৱা টান। "যেऽন্যেচ পাপা" অৰ্থাৎ যিবিলাক পাপী বা পাপযুক্ত লোক বুলি কোৱাত উন্নত, সভ্যজাতি হিচাপে তেওঁলোকৰ পৰিচয় পোৱাত অসুবিধা হৈছে। পূৰ্ব্বোক্ত নামবোৰ আজিৰ দিনত অন্য নামান্তৰ হোৱাত বা পৰিবৰ্ত্তিত সমাজ ব্যৱস্থাত ৰূপান্তৰ হোৱাৰ পৰিপ্ৰেক্ষিতত তাৰ পৰিচয় নোহোৱা হৈছে।

ভাগৱতোক্ত জাতি পৰিচয়টিৰ অনুবাদ কৰোঁতে শঙ্কৰদেৱে নিজাববীয়াকৈ কিছুমান জাতিৰ নাম উল্লেখ কৰিছে। যেনে কিৰাত, কছাৰী, খাচি, গাঁৰো, মিৰি যৱন, কঙ্ক, গোৱাল, ধোবা, অসম (আহোম?), মুলুক, তুৰুক (তুৰ্কী?) কুবাচ, ম্লেচ্ছ, চণ্ডাল প্ৰমুখ্যে পোন্ধৰটি অনুন্নত জাতিৰ নাম পোৱা যায়। ভাগৱতৰ নটি জাতিৰ নামৰ বিপৰীতে শঙ্কৰদেৱে পোন্ধৰটি জাতিৰ নাম উল্লেখ কৰি অসমৰ থলুৱা অৱহেলিত, নিষ্পেষিত, অনুন্নত বহিৰ্জগতৰ লগত বিচ্ছিন্ন, অপৰিচিত পাহাৰীয়া (প্ৰায়েই) লোককে বুজাবলৈ চেষ্টা কৰিছে যিসকলকে পাপী বুলিছে। পাপী বুলিলে অধৰ্মী লোককে বুজায়। পূৰ্ব্বোক্ত জাতিৰ লোকসকলে কি এনে নিকৃষ্ট, অশিষ্ট কাম কৰিলে যে তেওঁলোকক পাপী বোলা হল? ভগৱানৰ বিশ্ব প্ৰপঞ্চৰ সমূহ প্ৰাণী নানা ভাগ, বিভাগেৰে আত্ম প্ৰকাশ কৰিছে। মহাভাৰতত উল্লেখ আছে যে "একবৰ্ণমিদং বিশ্বং পূৰ্ব্বমাসীৎ যুধিষ্ঠিৰ। ক্ৰিয়া কৰ্ম প্ৰভেদেন চতুৰ্ব্বৰ্ণঃ প্ৰতিষ্ঠিতঃ"। অৰ্থাৎ হে যুধিষ্ঠিৰ! বিশ্ব ব্ৰহ্মাণ্ডত পূৰ্ব্বতে এটা মাত্ৰ বৰ্ণ আছিল। পিছে কালক্ৰমত নিজ নিজ কৰ্মৰ পৰিণতিত নানা বৰ্ণৰ সৃষ্টি হ'ল। গীতাতো (৪/১৩) বৰ্ণ বিভাগৰ বিবৰণ আছে। গুণ আৰু কৰ্মানুপাতে সৃষ্টি হোৱা কোনো কোনো প্ৰাণীৰ স্বভাৱজাত বৈগুণ্য বা বৈষম্যৰ ফলত মানবীয় গুণৰ পৰিবৰ্ত্তে দানবীয় গুণ গ্ৰহণ কৰাত সিবোৰ পশুৰ শাৰীত পৰিল। এতিয়াৰ সুসভ্য সমাজ গঢ়ি উঠাৰ সময়তো বহুলোকে গুহাবাসী আৰু বিবস্ত্ৰ অৱস্থাত আছে। যিসকলৰ এতিয়াও কেৱল আহাৰ, নিদ্ৰা, মৈথুন আৰু ভয়- এই চাৰিটিৰ ওপৰতহে অধিক নিৰ্ভৰশীল, সিসকলেই পশু। ভাগৱতোক্ত সেই জাতি, সম্প্ৰদায়ৰ লোক সকল যে সকলো কালৰ পৰা অজ্ঞ আছিল, আৰু বহিৰ্বিশ্বৰ লগত তেওঁলোকৰ কোনো পৰিচয় নাছিল, সেই কথা তাৰ পৰাই অনুমান কৰিব পাৰি। যি সকল পণ্ডিত লোক, সিসকলক সুকীয়াকৈ

শাস্ত্ৰীয় বাণী শুনোৱাৰ প্ৰয়োজন নাই। অজ্ঞসকলকহে বিজ্ঞসকলে জ্ঞান, বিজ্ঞানৰ কথা কব লাগে। ভাগৱত শ্ৰৱণ ফল মাহাত্ম্য বৰ্ণনা প্ৰসঙ্গত দ্বাদশ স্কন্ধত (১২/১২/৬৫) কৈছে যে (১) ভাগৱত অধ্যয়ন কৰিলে বিপ্ৰসকলে জ্ঞান (২) ক্ষত্ৰিয় সকলে পাৰ্থিব সম্পত্তি (৩) বৈশ্য সকলে ধন সম্পত্তি আৰু (৪) শূদ্ৰ সকলে পাপৰ পৰা মুক্তি লাভ কৰে। ইয়াৰ পৰা জানিব পাৰি যে শূদ্ৰসকলেই অধিক লাভবান হৈছে। সিসকলেই শূদ্ৰ যিসকল জ্ঞান লাভৰ পৰা বঞ্চিত, নিষ্পেষিত, অৱহেলিত, অনুন্নত আদি। পূৰ্ব্বোক্ত জাতি বা সম্প্ৰদায়ৰ লোকসকলেই শূদ্ৰৰ শাৰীত আছিল। সেই সকলেই হৰিনামৰ প্ৰভাৱত শুদ্ধ হৈ উচ্চ বৰ্ণৰ শাৰীত বহিব পাৰে বুলি শাস্ত্ৰই কৈছে। শঙ্কৰগুৰুৱে বৰ্ণনা কৰা জাতি বা সম্প্ৰদায়ৰ তালিকাভুক্ত লোকসকল তদানীন্তন জনজীৱনৰ মাজত অস্পৃশ্যৰূপে পৰিগণিত আছিল বা সমাজবৰ্জ্জিত লোক হিচাপে গণ্য হৈছিল। সেই হেতুকে যিসকলক ভাগৱতত "যেঽন্যেচ পাপা" আৰু গুৰুজনাই " আনো পাপী নৰ" বুলি এটি পৰিচয় দিব খোজা নাই বা আক্ৰমণো কৰা নাই। এই বাণীয়ে সিসকলক মানসিক আঘাতো দিয়া নাই। সদয় হৃদয় গুৰুজনাৰ এয়া এটি কৰুণাৰ আশ্বাস বুলিহে কব লাগিব।

আমি পূৰ্ব্বতে উল্লেখ কৰি আহিছোঁ যে শঙ্কৰদেৱে সকলো ৰচনাতে মৌলিক ৰূপৰ পৰা কিছু আতৰি আহি নিজৰ ধাৰণাৰে কবিসকলে স্বভাৱজাত কাব্যিক ৰূপ দিয়াৰ নিচিনাকৈ মাজে মাজে (শঙ্কৰদেৱ নিজে এগৰাকী কবি বুলি পৰিচয়ো দিছে) কাল্পনিক ৰূপ এটিৰে হৰিভক্তিৰ প্ৰাধান্য স্থাপনৰ হেতুকে নানা পুথিৰ সহায় লৈ যোগ-বিয়োগেৰে সেই খিনি সজাই পৰাই তোলে। পূৰ্ব্বতে উদ্ধৃতি দিয়া শ্লোকটিতে ইয়াৰ ইঙ্গিত আছে। এতিয়া আমি আন এটি শ্লোকৰ উদ্ধৃতি দিব খুজিছোঁ। যেনে ঃ-

যৰ্হালয়েষ্বপি সতাং নকথা হৰে স্যুঃ
পাষণ্ডিনো দ্বিজজনা বৃষলা নৃদেৱাঃ।
স্বাহাস্বধা বষডিতি স্মগিৰো ন যত্ৰ
শাস্তা ভবিষ্যতি কলেৰ্ভগৱান যুগান্তে।। (ভাগ- ২/৭/৩৮)

অৰ্থাৎ — যেতিয়া বিপ্ৰাদি বৰ্ণশ্ৰেষ্ঠ লোক সকলৰ গৃহত হৰিকথা চৰ্চ্চাৰ অভাৱ হব, যেতিয়া ব্ৰাহ্মণ, ক্ষত্ৰিয়, আৰু বৈশ্য সকল শাস্ত্ৰাচাৰ ভ্ৰষ্ট হব, শূদ্ৰাদি আৰু ম্লেচ্ছ পৰ্য্যন্ত শাসন ভাৰ প্ৰাপ্ত হব, যেতিয়া স্বাহা, স্বধা, বষট্‌কাৰ আদি কৰি বেদমন্ত্ৰ বাক্য কদাপি শুনিবলৈ পোৱা নাযাব, তেতিয়াই ভগৱানে কল্কি ৰূপে অৱতীৰ্ণ হৈ পাষণ্ড সকলক শাসন কৰিব ইত্যাদি।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ —

বৈষ্ণৱৰ পাশত নুহিবে হৰি কথা।
হৈবেক ব্ৰাহ্মণ সব পাষণ্ড সৰ্ব্বথা।।
হৈবে শূদ্ৰ সব ৰাজা সমস্ত প্ৰজাৰ।
শ্ৰাদ্ধ হোম বেদমন্ত্ৰ গুচিবে আচাৰ।।
তেবে কলিযুগ অন্তে প্ৰভু ভগৱন্ত।
কল্কিৰূপ ধৰি জগতকে শিখাইবন্ত।।
দেৱদত্ত ঘোটকত চড়িয়া মুৰাৰি।
অধৰ্মীক কাটিবন্ত বিচাৰি বিচাৰি।। (পদ নং ১৬৭-১৬৯)

উক্ত পদৰ লগত শ্লোকৰ যথেষ্ট ব্যৱধান আছে। শ্লোকস্থ স্বাহা, স্বধা, বষট শব্দৰ বিপৰীতে পদত শ্ৰাদ্ধ, হোম শব্দৰ ব্যৱহাৰ মন কৰিবলগীয়া। অগ্নয়ে স্বাহা, পিত্ৰেজলং স্বধা, ইন্দ্ৰায় বষট্ এই তিনিটি বেদমন্ত্ৰ যজ্ঞ, শ্ৰাদ্ধাদিত ব্যৱহাৰ কৰা হয়। মৃতকৰ পাৰলৌকিক কাৰ্য্য, উপনয়নাদি সংস্কাৰ কাৰ্য্যত ইয়াৰ উচ্চাৰণ হয়। বৰ্ত্তমান শ্ৰাদ্ধ আৰু হোম এই শব্দ দুটি বিতৰ্কমূলক হৈছে। সমাজত নানা অনুষ্ঠানৰ জন্ম হ'ল ইয়াৰ প্ৰত্যাহ্বান হিচাপে আৰু নানা বিপ্লৱো চলি আছে সামাজিক ভাৱে। উক্ত বিষয় প্ৰসঙ্গৰ বাহিৰৰ হেতুকে এই আলোচনাৰ পৰা বিৰত থকা হল।

মূলৰ ২/৭/৩/৩৭ সংখ্যাৰ শ্লোক "দেৱদ্বিষাং নিগমবৰ্ত্মনি নিষ্ঠিতানাং" এইটিৰ অনুবাদ কৰোঁতে গুৰুজনাই "দেৱক দিবেক দুখ দৈত্যে যজ্ঞ কৰি। তাক মুহিবন্ত হৰি বুদ্ধ ৰূপ ধৰি" বুলি দুশাৰী পদতে সামৰিছে। আনহাতে "পূৰ্ব্বোক্ত পদ "দেৱদত্ত ঘোটকত চড়িয়া মুৰাৰি। অধৰ্মীক কাটিবন্ত বিচাৰি বিচাৰি" শিতানৰ পদ দুশাৰী মূলৰ ২/৭/৩৮ শ্লোকত নাই। ইয়াৰ এটি ইঙ্গিত ভাগ ১২/২/১৯,২০ শ্লোকতহে পোৱা যায়। গুৰুজনাই দ্বাদশ স্কন্ধৰ পৰাই সংগ্ৰহ কৰি ইয়াৰ সংযোগ কৰিছে। শ্লোকটি উদ্ধৃত কৰা হল -

অশ্বমাশু গমাকহ্য দেৱদত্তং জগৎ পতিঃ।
অসিনা সাধুদমনমষ্টৈশ্বৰ্য্য গুণান্বিতঃ।।
বিচৰন্নাশুনা ক্ষৌণ্যাং হয়েনাপ্ৰতিমুদ্যতিঃ।
নৃপলিঙ্গচ্ছদো দস্যূন কোটিশোনিঃমিষ্যতি।।(ভাগ-১২/২/১৯,২০)

অৰ্থাৎ- অতুলনীয় কান্তি অণিমাদি অষ্টৈশ্বৰ্য্যযুক্ত জগৎপতি কল্কি শীঘ্ৰগামী অসন্তনাশী দেৱদত্ত নামৰ অশ্বত আৰোহন্ন কৰিব আৰু সেই অশ্বেৰে

পৃথিৱী ভ্ৰমণ কৰি কপট ৰাজবেশধাৰী দস্যু সকলক অস্ত্ৰাঘাতে বধ কৰিব।

ভাগৱতৰ ২/৭/১-৩৮ শ্লোকলৈকে ভগৱানৰ বিবিধ অৱতাৰৰ বিবৰণ প্ৰকাশ কৰা হৈছে। গুৰুজনাই ১০৫-১৭৪ পদলৈকে মুঠ উনসত্তৰটি পদত কথাখিনি সামৰিছে। ইয়াৰে শ্ৰীৰাম চন্দ্ৰ অৱতাৰ বিষয়টি মূলত মাত্ৰ তিনিটি শ্লোকতে সামৰণি (ভাগ-২/৭/২৩,২৪,২৫) মৰা হৈছে যদিও গুৰুজনাই অলপ বহলকৈ এঘাৰটি পদেৰে ৰামচন্দ্ৰৰ চৰিত বৰ্ণনা কৰিছে। সেইদৰে ২/৭/২৬-৩৫ শ্লোকৰ মুঠ দহটিৰ পদ সংখ্যা ছয়ত্ৰিশটিৰে শ্ৰীশ্ৰী কৃষ্ণদেৱৰ লীলা বিনোদনৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।

এই স্কন্ধটিত অধ্যায়ৰ সংখ্যা দশম, প্ৰথম অধ্যায়ৰ শ্লোক সংখ্যা উনচল্লিশ, অনুবাদ হৈছে পোন্ধৰটিৰ। দ্বিতীয় অধ্যায়ৰ সাতত্ৰিশ, অনুবাদ চাৰিটি। তৃতীয় অধ্যায়ৰ পঁচিশ, অনুবাদ এঘাৰ, চতুৰ্থ অধ্যায়ৰ পঁচিশ, অনুবাদ বিশ। পঞ্চম অধ্যায়ৰ বিঁয়াল্লিশ, অনুবাদ একৈশ। ষষ্ঠ অধ্যায়ৰ ছয়চল্লিশ, অনুবাদ তেৰ। সপ্তম অধ্যায়ৰ তেপন্ন, অনুবাদ উনপঞ্চাশ। অষ্টম অধ্যায়ৰ উনত্ৰিশ, অনুবাদ দহ। নৱম অধ্যায়ৰ পঞ্চল্লিশ, অনুবাদ পয়ত্ৰিশ। দশম অধ্যায়ৰ একাৱন্ন, অনুবাদ এঘাৰ। দহোটি অধ্যায়ৰ শ্লোক সংখ্যা সৰ্ব্বমুঠ তিনিশ বিৰান্নবৈ। অনুবাদিত সংখ্যা এশ উনান্নবৈটি। অনুবাদৰ বাহিৰৰ সংখ্যা দুশ তিনি।

● ● ●

(৩) তৃতীয় স্কন্ধ ভাগৱত (অনাদি পাতন)

জগৎ গুৰু শ্ৰীমন্ত শঙ্কৰদেৱৰ সুমধুৰ কাপৰ পৰা আমি "অনাদি পাতন" নামৰ সৃষ্টিতত্ত্ব মূলক পাঁচ অধ্যায়ৰ সৰু অথচ অতি মূল্যবান এখনি পুথি পাইছোঁহক। পুথিখনি পাটবাউসীতে লিখা হৈছিল বুলি পণ্ডিতসকলে থাৰৰ কৰিছে। এই পুথিখনিৰ মূল তৃতীয় স্কন্ধ ভাগৱতৰ ষষ্ঠ, সপ্তম, অষ্টম, নৱম, দশম, একাদশ, দ্বাদশ আদি অধ্যায়ৰ পৰা সাৰাংশ আনি আৰু বামন পুৰাণৰ পৰাও মিশ্ৰিত ৰূপ দি পুথিখনি ৰচনা কৰা হৈছে। গুৰুজনাই সেই বিষয়ে উল্লেখ কৰিছে এনেকৈ —

মহাভাগৱত কথা অমৃত সাক্ষাত।
বামন পুৰাণ কিছু মিশ্ৰ দিলো তাত।।
দুয়ো কথা নিবন্ধিলো একত্ৰ মিসলে।
মধু সমে দুগ্ধ যেন অতি স্বাদ বলে।।

গুৰুজনাই যদিও তৃতীয় স্কন্ধৰ আৰু বামন পুৰাণৰ মিশ্ৰিত ৰূপত পুথিখনি ৰচনা কৰা হৈছে বুলি কৈছে, তথাপি ইয়াত ভাগৱতৰ প্ৰথম, দ্বিতীয়, চতুৰ্থ, পঞ্চম, ষষ্ঠ, নৱম, দশম, একাদশ, দ্বাদশৰ সূত্ৰ বৃহন্নাৰদীয় পুৰাণ, বিষ্ণু পুৰাণ, ব্ৰহ্ম পুৰাণ, ব্ৰহ্ম সংহিতা, যজুৰ্ব্বেদ, ছান্দোগ্য উপনিষদ আৰু শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাৱ পৰিছে। সেইখিনি স্থানান্তৰত প্ৰকাশ পাব।

তৃতীয় স্কন্ধৰ অসমীয়া পদ ভাঙনি দামোদৰদেৱৰ শিষ্য গোপালচৰণে কৰিছিল আৰু তেওঁৰ ৰচনাত শঙ্কৰদেৱৰ নাম স্মৰণ কৰি "অনাদি পাতন"ৰ মুখ্য বিষয় বাদ দি আন বিষয়ৰ ওপৰত হাত দিছে। তেওঁ আৰম্ভনিতে গুৰুজনাৰ কথা এনেকৈ উল্লেখ কৰিছে —

(১) শ্ৰীমন্ত শঙ্কৰ আদি সাধুসব যত।
যদি পদ নিবন্ধিয়া আছে নানামত।।

তথাপিতো তাৰাৰ উচ্ছিষ্ট যিবা পাওঁ।
সাধু সকলৰ বাক্যে তাকেসে জোৰাওঁ।।

(২) আমাৰ বান্ধৱ বন্ধু শ্ৰীমন্ত শঙ্কৰ।
কৰিলন্ত পদ তেহো চাৰি অধ্যায়ৰ।।
সিটো বচনক মই মনে আদৰিলো।
এতেকে ইসব কথা সংক্ষেপে কহিলো।।

পূৰ্ব্বোক্ত পদৰ উদ্ধৃতি অনুসৰি আমি জানিব পাৰিছোঁ যে গুৰুজনাৰ প্ৰতি সন্মান জনাই গোপাল চৰণে চাৰি অধ্যায়ৰ বিষয় বাদ দি বাকীখিনিৰ পদ কৰিছে। আমি পূৰ্ব্বতে সাতটি অধ্যায়ৰ পৰা গুৰুজনাই সূত্ৰ আহৰণ কৰিছে বুলি কৈ আহিছোঁ। আচলতে মূলতে চাৰিটি হলেও গুৰুজনাই বাকী তিনিটা অধ্যায়ৰ পৰাও সূত্ৰ আহৰণ কৰিছে। 'অনাদি পাতন' খনিত তাৰ ইঙ্গিত পোৱা যায়।

তৃতীয় স্কন্ধ মূল ভাগৱতত 'অনাদি পাতন' নামৰ কোনো বিশেষ খণ্ড নাই আৰু সেই বিষয়ে উল্লেখো নাই। মাত্ৰ শঙ্কৰদেৱে তাত উল্লেখ কৰিছে এই নামেৰে —

শুনা সাৱধান মনে সবে সভাসদ।
তৃতীয় স্কন্ধৰ মহাভাগৱত পদ।।
যেনমতে ভৈল ইটো অনাদি পাতন।
শুনিয়োক আছে যাৰ মুকুতিক মন।।

আভিধানিক মতে 'অনাদি' মানে ন+ আদি অনাদি অৰ্থাৎ আদি হীন, উৎপত্তিশূন্য, স্বয়ম্ভু ভগৱান্ পৰমেশ্বৰ ইত্যাদি। 'পাতন' শব্দটিৰ অৰ্থ হল বিন্যাস, বিস্তাৰ ইত্যাদি। এতিয়া সম্পূৰ্ণ অৰ্থ হল উৎপত্তি আৰু বিনাশ ৰহিত পৰমেশ্বৰ পৰম ব্ৰহ্ম সম্পৰ্কে বিস্তৃত বিবৰণ। এই পুথিখনি দেখাত নিচেই সৰু হলেও ইয়াত ভগৱানৰ সৃষ্টিতত্ত্বৰ বিন্যাস আদি থকাত ইয়াৰ গুৰুত্ব বাঢ়িছে। 'অনাদি' শব্দটিৰ অৰ্থ নামঘোষাত আছে -

যত বেদ বাদী বেদক বিচাৰি
কৰিতে নপাৰে আদি।
এতেকেসে তান পৰম প্ৰখ্যাত
হৈয়াছে নাম অনাদি।।

বামন পুৰাণৰ ত্ৰয়োদশ অধ্যায়ত জম্বুদ্বীপৰ বৰ্ণনা প্ৰসঙ্গত ইয়াৰ স্থিতি, পৰ্ব্বতমালা আৰু নদ নদীৰ বিবৰণ দাঙি ধৰা হৈছে। কিন্তু এই পুথিখনিত তেনেকুৱা কোনো তথ্যৰ অভাব। তথাপি দুই এটি সামান্য তথ্য বিভিন্ন প্ৰসঙ্গৰ পৰা আহৰণ কৰি আনি পুৰাণখনিৰ নামটি ৰাখি থৈছে মাত্ৰ। তাৰ বিপৰীতে আমি ভাগৱতৰ বিভিন্ন স্কন্ধ, অন্যান্য পুৰাণ বেদ, উপনিষদাদিৰ পৰা যে প্ৰসঙ্গানুপাতে পুথিখনিত তথ্য সংযোগ কৰিছে সেই বিষয়ে উনুকিয়াই অহা হৈছে। আনহাতে পুথিখনিত শ্ৰোতা, বক্তাৰূপে আছে পৰীক্ষিত আৰু শুকদেৱ। পিছে ভাগৱতৰ মূল বক্তা আৰু শ্ৰোতাৰূপে সূত আৰু শৌনক ঋষি আছে যদিও তৃতীয় স্কন্ধৰ সৃষ্টিতত্ত্বৰ বিষয়টি মৈত্ৰেয় বিদূৰৰ সংবাদ প্ৰসঙ্গইহে ঠাই পাইছে। পদত পৰীক্ষিতৰ প্ৰশ্নানুসৰি শুকদেৱে পোনতে পৃথিবীৰ তলত অৱস্থিত সাত পাতালৰ কথাৰে বিষয়টি আৰম্ভ কৰিছে। পুথিখনিৰ মতে সাত পাতালৰ নাম যথাক্ৰমে অতল, বিতল, সুতল, তলাতল, মহাতল, ৰসাতল, আৰু পাতাল। উক্ত সাত পাতালৰ নাম পুথিভেদে মতান্তৰো আছে। উক্ত আৰম্ভনিতে ভগৱানৰ সৃষ্টি, স্থিতি, লযৰ এটি থূল মূল আভাস দিছে। ইয়াৰ পিছতে মায়াৰ সৃষ্টি কৰি মহত্তত্ত্ব, তিনিগুণ উদ্ভৱৰ বিষয় উত্থাপন কৰি ক্ৰমে সৃষ্টিতত্ত্ব বহলাইছে। পদত থকা "জড় প্ৰকৃতিত কৰিলন্ত জীৱদান। অষ্টগুণে তেজ ষোল গুণে ভৈল প্ৰাণ।" এই ষোল গুণনো কি আৰু তাৰ চৰিত্ৰ কি ইত্যাদি বিষয় গুৰুজনাই বহলকৈ বৰ্ণনা কৰা নাই। উক্ত ষোল গুণে প্ৰাণ আৰু অষ্টগুণে তেজৰ বিষয়টি অন্যান্য পুথিত বেলেগে পোৱা যায়। তলত দুয়োটিৰে ব্যাখ্যা দাঙি ধৰা হৈছে -

(১) অষ্টগুণে তেজ ঃ- জল, ক্ষীৰ, দধি, ঘৃত, তণ্ডুল, তিল, যৱ।

(২) ষোলগুণে প্ৰাণ ঃ- (ক) পঞ্চ কৰ্ম্মেন্দ্ৰিয়-বাক, পাণি, পাদ, পায়ু উপস্থ

(খ) পঞ্চজ্ঞানেন্দ্ৰিয়- চক্ষু, কৰ্ণ, নাসিকা, জিহ্বা, ত্বক

(গ) পঞ্চতন্মাত্ৰ- ক্ষিতি, অপ, তেজ মৰুৎ ব্যোম

(ঘ) অতিৰিক্ত-মন

পূৰ্ব্বোক্ত অষ্টগুণে তেজতত্ত্ব আৰু ষোল গুণে প্ৰাণতত্ত্ব অৰ্থাৎ ষোড়শতত্ত্বই প্ৰখ্যাত হৈছে। ইয়াৰ পিছতে কাৰ পৰা কি জন্ম হৈছে তাৰ বিবৰণো দিছে। এই পুথিত কোন কোন শাস্ত্ৰৰ পৰা কি কি বিষয়ৰ উদ্ধৃতি হৈছে, সেই সম্পৰ্কে শ্লোক আৰু পদৰ সম্বন্ধসমূহ দাঙি ধৰা হল। ইয়াৰ উৎস এনেধৰণৰ -

(১) ভাগৱতৰ ৩/২৬/৬১ সংখ্যাৰ শ্লোক -

মনসশ্চন্দ্ৰমাজাতো বুদ্ধিৰ্বুদ্ধেগিৰাং পতিঃ।
অহঙ্কাৰস্ততো ৰুদ্ৰশ্চিত্তং চৈত্ত্যস্ততোঽভৱৎ।।

গুৰুজনাৰ অনুবাদ -

মন অধিষ্ঠাতা চন্দ্ৰ শুনা নৃপবৰ।
বুদ্ধি অধিষ্ঠাতা ভৈলা ব্ৰহ্মা সৃষ্টিকৰ।।
অহঙ্কাৰ অধিষ্ঠাতা ৰুদ্ৰ যাৰ নাম।
চিত্ত অধিষ্ঠাতা বাসুদেৱ অনুপাম।। (পদ নং ৭২,৭৩)

(২) ভাগৱতৰ ২/৯/১০ শ্লোক সংখ্যাৰ পৰা -

প্ৰৱৰ্ত্ততে যত্ৰ ৰজস্তমস্তয়োঃ
সত্ত্বঞ্চ মিশ্ৰং ন চ কালবিক্ৰমঃ।
ন যত্ৰ মায়া কিমুতা পৰে হৰেঃ
অনুব্ৰতা যত্ৰ সুৰাসুৰাশ্ৰিতাঃ।।

গুৰুজনাৰ অনুবাদ -

যিটো স্থানে নাহি মহাকালৰ বিক্ৰম।
ভকতেসে পাৱে সিটো দেৱৰ দুৰ্গম।।
সীমা সংখ্যা নাহি যত দূৰ আছে জুৰি।
নাহি তাৰ মায়া মোহ ব্ৰহ্মময় পুৰী।। (পদনং ৮৮.৮৯)

(৩) ভাগৱত ১১/৩/৯,১০,১১ শ্লোক সংখ্যাৰ পৰা -

শতবৰ্ষা হ্যনাবৃষ্টি ৰ্ভৱিষ্যত্যুল্বনা ভুবি।
তৎ কালোপৰিতোষ্ণাকো লোকাংস্ত্ৰীন্ প্ৰতপিষ্যতি।।
পাতালতলমাৰভ্য সঙ্কৰ্ষণ মুখানলঃ।
দহন্নূৰ্দ্ধ শিখোবিম্বগ্বৰ্দ্ধতে বায়ুনেৰিতঃ।।
সাংবৰ্ত্তকো মেঘগণো বৰ্ষতি স্ম শতং সমাঃ।
ধাৰাভিৰ্হাস্তি হস্তাভিলীয়তে সলিলে বিৰাট্।।

গুৰুজনাৰ অনুবাদ -

বাৰ্হ্ময় বৰিষমানে ভৈলা অনাবৃষ্টি।
নুপজয় শস্য নষ্ট হোৱে প্ৰজা সৃষ্টি।।

বাহু গোটা সূৰ্য্যে তাপ কৰে একেবাৰে।
বহুয় শোষক বায়ু হৃদয় বিদাৰে।।
সাগৰকো শুষিলা সূৰ্য্যৰ ৰশ্মিজালে।
জগত প্ৰলয় যাই গ্ৰাসি আসে কালে।।
বায়ু সূৰ্য্যে নিশক্ত কৰিলা যেবে বাজ।
অনন্তৰ মুখৰ অগনি হোৱে বাজ।।
হাজাৰেক মুখে বিশ্ব বহ্নি বাজ হই।
পাতালকো দহিয়া উৰ্দ্ধক উধাই জুই।।
সাতো পৃথিবীত বহ্নি লাগিলেক চুনি।
পোৰৈ সাতো স্বৰ্গ যেন তুলাত অগনি।
ব্ৰহ্মাণ্ডক দহিলেক বাহিৰে ভিতৰে।
তপত লোহাৰ যেন দেখি নিৰন্তৰে।।
ৰক্তবৰ্ণ ব্ৰহ্মাণ্ড বহ্নিৰ পায়া চোট।
দেখি যেন দগধ গোময় পিণ্ড গোট।।
জগতক দহি যেৱে বহ্নি ভৈল শান্ত।
বাহুয় বৰিষ মেঘে বৰিষে একান্ত।।
দুৰ্ঘোৰ শবদে পৰৈ চৌপাশে নিৰ্ঘাত।
মেঘৰ গৰ্জ্জনে ঘনে ঘনে বজ্ৰপাত।।
বৰিশয় শিলাসৱ পৰ্ব্বত আকাৰ।
কৰৈ মহাপ্ৰলয় প্ৰাণীৰ ক্ষয়ঙ্কাৰ।।
প্ৰমত্ত হস্তীৰ শুণ্ডে যেন ধাৰাজল।
অবিচ্ছেদে পৰি চৰাচৰ গৈলা তল
দশোদিশ পুৰি জল উৰ্দ্ধক উধাইল।
ব্ৰহ্মাণ্ড গোটক গৈয়া অণেকে বুড়াইল (পদনং, ২৯-৩৫)

(৪) বামন পুৰাণৰ ১৩/৩/৩,৪,৫, শ্লোক সংখ্যাৰ পৰা

মধ্যে ত্বিলাবৃতো বৰ্ষো ভদ্ৰাশ্বঃ পূৰ্ব্বতোঽদ্ভুতঃ।
পূৰ্ব্ব উত্তৰতশ্চাপি হিৰণ্যো ৰাক্ষসেশ্বৰ।।
পূৰ্ব্বদক্ষিণতশ্চাপি কিন্নৰো বৰ্ষ উচ্যতে।
ভাৰতো দক্ষিণে প্ৰোক্তো হৰিৰ্দাক্ষিণ পশ্চিমে।।

পশ্চিমে কেতুমালশ্চ ৰম্যকঃ পশ্চিমোত্তৰে।
উত্তৰে চ কুৰুবর্ষঃ কল্পবৃক্ষ সমাবৃতঃ।।

গুৰুজনাৰ অনুবাদ -

দক্ষিণে ভাৰত কিম্পুৰুষ তাত পৰে।
আছে হৰি বৰিষ তাহাত অনন্তৰে।।
কেতুমাল ভদ্ৰাশ্ব মধ্যত ইলাবৃত।
আছে মেৰু মূলত বৰিষ বিপৰীত।।
উত্তৰত ৰম্যক হিৰণ্ময় আছে।
প্ৰকাশে উত্তৰা কুৰু জানা তাত পাছে।। ৳(পদনং ১১১-১১২)

(৫) ।গৱত - ৫/১৬/১৯ শ্লোক সংখ্যাৰ পৰা -

এবং জম্বুফলানামত্যুচচ নিপাত বিশীর্ণ নামনস্থি প্ৰায়ানামিভ কায়নিভা ণাং ৰসেন জম্বু নদী নাম নদী মেৰুমন্দৰ শিখৰাদ যুতযো জনাদবনিতলে নিপতন্তা দক্ষিণেনাত্মানং যাবদিলাবৃতমুপস্যন্দতি।

গুৰুজনাৰ অনুবাদ —

শুক নিগদতি ৰাজা কহো সপ্ৰমাণ।
মেৰু মন্দৰৰ জম্বু বৃক্ষ যেন থান।।
শতেক যোজন সিটো উচ্ছ্ৰিত বহল।
প্ৰমত্ত হস্তীৰ সম একো গোটা ফল।।
পকা ফল খসিয়া শিলাত পৰে গই।
তাৰ ৰসে মহানদী এক যাই বই।।
গভীৰ নির্মল জল আতি অনুপাম।
জম্বু ৰসে নদী বহে জম্বু নদী নাম।। (পদনং-১০৪-১০৬)

(৬) ভাগৱত ৫/১৬/৯ শ্লোকৰ পৰা -

এবং দক্ষিণেমেলাবৃতং নিষধো হেমকূটো হিমালয় ইতি প্ৰাগায়তা যথা নীলাদয়োঃ যুত যোজনোৎ সেধা হৰিবর্ষ কিম্পুৰুষ ভাৰতানাং যথা সংখ্যম্।

গুৰুজনাৰ অনুবাদ -

ভাগ ভাগ কৰিয়া বৰিষ নৱখণ্ড।
আছে আঠ পৰ্বত তাহাৰ সীমাদণ্ড।।
হেমৱন্ত হেমকূট নৈষধ দক্ষিণে।
নীল শ্বেত শৃঙ্গ আছে উত্তৰত ভিন্নে।।

(৭ ভাগৱত ৫-২৪/১৬-১৮, ২৮-৩১ শ্লোকৰ পৰা -

অথাতলে ময় পুত্ৰোঽ পুৰো ৰলো নিবসতি। যেন হ বা ইহ সৃষ্টাঃ ষন্নবতির্মায়া ষাঃ কাশ্চনাদ্যাপি মায়াবিনো ধাৰয়ন্তি। যস্যচ জম্ভ মানস্য মুখতস্ত্রয়ঃ স্ত্রীগণাউদ পদ্যন্ত স্বৈৰিণ্যঃ কামিন্যঃ পুংশ্চল্য ইতি। যা বৈ বিলায়নং প্ৰবিষ্টং পুৰুষং ৰসেন হাটকাখ্যেন সাধয়িত্বা স্ববিলাসলোকানুৰাগাস্মিত সংলাপোপ গূহনাদিভিঃ স্বৈৰং কিল ৰময়ন্তি। যস্মিন্নুপযুক্তে পুৰুষ ঈশ্বৰোঽহং সিদ্ধোঽ হমিত্যযুত মহাগজ বলমাত্মানমভিমন্যমানঃ কথতে মদান্ধইব।। ১৬

ততোঽধস্তাদ্বিতলে হৰো ভগৱান হাটকেশ্বৰঃ স্বপাৰ্ষদভূতগণাবৃতঃ প্ৰজাপতিসৰ্গোপ বৃংহণয়ে ভৱো ভৱান্যা সহমিথুনী ভূয়াস্তে। যতঃ প্ৰবৃত্তা সৰিৎ প্ৰবেৰা হাটকী নাম ভবয়োং বীৰ্য্যণ যত্তচ্চিত্ৰ ভানুমাতৰিশ্বনা সমিধ্যমান ওজসা পিৱতি। তন্নিষ্ঠ্যূতং হাটকাখ্যাং সুবৰ্ণং ভূষণেনাসুৰেন্দ্ৰাবৰোধেষু পুৰুষা সহপুৰুষী ভিধাৰয়ন্তি।। ১৭

ততোঽধস্তাৎ সুতল উদাৰশ্ৰৱাঃ পুণ্য শ্লোকো বিৰোচনাত্মজো বলিৰ্ভগৱতা মহেন্দ্ৰস্য প্ৰিয়ং চিকীৰ্ষমাণেনাদিতেৰ্লব্ধ কায়োভূত্বাবটুবামনৰূপেন পৰাক্ষিপ্ত লোকত্ৰয়ো ভগৱদনুকম্পয়ৈৱ পুনঃ প্ৰবেশিত ইন্দ্ৰাদিষ্বা বিদ্যমানয়া সুসমৃদ্ধয়া শ্ৰিয়াভিজুষ্টঃ স্বধৰ্ম্মেন ৰাধয়ংস্তমেৱ ভগৱন্তমাৰাধনীয়মপগত সাধ্বস আস্তেঽ ধুনাপি।। ১৮

ততোঽ ধস্তাৎ তলাতলে ময়ো নাম দানবেন্দ্ৰ স্ত্ৰিপুৰাধি পতিৰ্ভগৱতা ত্ৰিপুৰাৰিণা ত্ৰিলোক্যাঃ শংচিকীৰ্ষুণা নিৰ্দ্দিগ্ধ স্বপুৰস্ত্ৰয়ন্তৎ প্ৰসাদাল্লব্ধ পদো মায়াবিনা মাচাৰ্য্যোমহাদেৱেন পৰিৰক্ষিতো বিগত সুদৰ্শনভয়োমহীয়তে।।২৮

ততোঽধস্তান্মহাতলে কাদ্ৰ বেয়াণাং সৰ্পাণাং নৈকশিৰসাং ক্ৰোধবশো নামগণঃ কুহকতক্ষক কালিয় সুষেণাদি প্ৰধানা মহাভোগৱন্তঃ পতত্ৰিৰাজাধিপতেঃ পুৰুষ বাহাদনবৰত মুদ্বিজমানাঃ স্বকলত্ৰাপত্য সুহৃৎ কুটুম্বসঙ্গেন ক্বচিৎ প্ৰমত্তাবিহৰন্তি।।২৯

ততোঽ ধস্তাদ্ৰসাতলে দৈত্যোয়া দানবাঃ পণয়ো নাম নিবাত কৱচাঃ কালকেয়া হিৰণ্য পুৰবাসিনঃ ইতি বিবুধ প্ৰত্যনিকা উৎপত্ত্যামহৌজসোমহাসাহসিনো ভগৱতঃ সৰ্ব্ব লোকানুভাৱস্য হৰেৰেৱ তেজসা প্ৰতিহত বলাবক্ৰেপা বিলেশয়া ইব বসন্তি যে বৈ সৰময়েন্দ্ৰ দূত্যা বাগ্‌ভিৰ্মন্ত্ৰবৰ্ণাভিৰিন্দ্ৰাদ্বিভ্যতি।।৩০

ততোঽধস্তাৎ পাতালে নাগলোক পতয়ো বাসুকি প্ৰমুখাঃ শঙ্খকুলিক মহাশঙ্খ শ্বেত ধনঞ্জয় ধৃতৰাষ্ট্ৰ শঙ্খচূড় কম্বলাশ্বতৰ দেৱদত্তাদয়ো মহাভোগিনোমহামৰ্ষা নিৱসন্তি। যেষামু হবৈ পঞ্চসপ্তদশ শত সহস্ৰ শীৰ্ষাণাং ফণাসু বিৰচিতা মহামণয়ো ৰোচিষ্ণৱঃপাতালবিবৰতিমিৰনিকৰং স্বৰোচিষা বিধমন্তি।। ৩১

গুৰুজনাৰ অনুবাদ —

অতলত ময়ৰ তনয় মহাবল।
পাৰ্ব্বতী সহিতে হৰে লৈলন্ত বিতল।
সুতলক পাইলা বলি হৰিভক্তি কৰি।
দ্বাৰতে আছন্ত বিষ্ণু কৰে গদাধৰি।।
বলিসে চলিলা মাধৱক ভক্তিভাৱে।
সদায়ে কৰিলা সেৱা গোবিন্দৰ পাৱে।
তলাতলে বঞ্চিলন্ত বিশ্বকৰ্ম্মা ময়।
মহাতলে তক্ষক প্ৰভৃতি সৰ্পচয়।।
ৰসাতলে হইবে দৈত্য দানৱৰ ভাগ
পাতালত বাসুকি প্ৰমুখ্যে যত নাগ।। (পদনং ৯১-৯৩)

(৮) ভাগৱত ৫/২৫/১,২,৯,১২ আৰু বিষ্ণু পুৰাণ ২/৫/২৪ শ্লোক —

তস্য মূল দেশে ত্ৰিংশৎ যোজন সহস্ৰান্তৰ আস্তে যা বৈকলা ভগৱতস্তামসী সমাখ্যাতা অনন্ত ইতি সাত্বতীয়া দ্ৰষ্টৃ দৃশ্যয়োঃ সঙ্কৰ্ষণমহামিত্যাভিমান লক্ষণ যং সঙ্কৰ্ষণ ইত্যাচক্ষতে।১

যস্যেদং ক্ষিতিমণ্ডলং ভগৱতোঽ নন্তমূৰ্ত্তেঃ সহস্ৰ শিৰস একাস্মিন্নেৱ শীৰ্ষণি ধ্ৰিয়মাণং সিদ্ধাৰ্থ ইব লক্ষ্যতে।২

উৎপত্তি স্থিতিলয় হেতবোঽস্য কল্পাঃ সত্ত্বাদ্যাঃ প্ৰকৃতিগুণা যদীক্ষয়াসন্ যদ্ৰূপং ধ্ৰুবমকৃতং যদেকমাত্মন্ নানাঽধাৎ কথমুহবেদ তস্যবৰ্ত্ম।। মূৰ্দ্ধন্য ৰ্পিতমণুবৎ সহস্ৰমূৰ্দ্ধ্নো ভূগোলং সগিৰিসৰিৎ সমুদ্ৰ সত্ত্বম্। আনন্ত্যাদনিমিতবিক্ৰমস্য ভূম্নঃকো বীৰ্য্যাণ্যপিগণয়েৎ সহস্ৰজিহ্বঃ।৩

বিষ্ণু পুৰাণৰ —

গন্ধৰ্ব্বাপ্সৰসঃ সিদ্ধাঃ কিন্নৰোৰগ চাৰণাঃ।
নান্তং গুণানাং গচ্ছন্তি তেনানন্তোঽ য়মব্যয়ঃ।।

গুৰুজনাৰ অনুবাদ —

ত্ৰিংশহাজাৰ পৰ তাহাৰ অধত।
আছন্ত অনন্ত কচ্ছপৰ উপৰত।।
চৈধ্যয় ভুবনে যাৰ নপাৱন্ত অন্ত।
ত্ৰহিসে কাৰণে তাঙ্ক বোলয় অনন্ত।।
সুৰাসুৰ নাগে সেৱা কৰে নিৰন্তৰ।
সহস্ৰেক ফণা যাৰ দেখি ভয়ঙ্কৰ।।
সাতো পৃথিবীক ধৰি এগোটা ফণাত।
শ্বেত সৰ্ষপক যেন দেখিয় সাক্ষাত।।

(৯) ভাগৱত ৫/১৯/২৭ আৰু বিষ্ণুপুৰাণ- ২/৩/২১-২৫ শ্লোক

যদ্যত্ৰ নঃ স্বৰ্গসুখাৱশোষিতংস্বিষ্টস্য সূক্তস্যকৃতস্য শোভনম্।
তেনাজনাভে স্মৃতিমজ্জন্মনঃ স্যাৎ বৰ্ষে হৰিমদ্ভজতাং শংতনোতি।

বিষ্ণু পুৰাণ —

পুৰুষৈং যজ্ঞ পুৰুষো জম্বুদ্বীপে সদেজ্যতে।
যজ্ঞৈঃ যজ্ঞময়ো বিষ্ণুৰণ্য দ্বীপেষু চান্যথা।।
অত্ৰাপি ভাৰতং শ্ৰেষ্ঠং জম্বুদ্বীপে মহামুনে।
যতোহি কৰ্ম্মভূৰেষা ভতোঽন্যা ভোগভূময়ঃ।।
অত্ৰজন্ম সহস্ৰাণাং সহস্ৰৈৰপি সত্তম।
কদাচিল্লৰ্ভতে জন্তুঃ মানুষ্যং পুণ্যসঞ্চয়াৎ।।
গায়ন্তি দেৱাঃ কিল গীতকানি
ধন্যাস্তু তে ভাৰত ভূমিভাগে।
স্বৰ্গাপৱৰ্গাস্পদ মাৰ্গভূতে
ভৱন্তি ভূয়ঃ পুৰুষাঃ সুৰত্বাৎ।।
কৰ্ম্মণ্যে সঙ্কল্পিত তৎ ফলানি
সংন্যস্য বিষ্ণৌ পৰমাত্মভূতে।

অবাপ্যতাং কৰ্ম্মমহীমনন্তে
তস্মিন্ লয়ং যে ত্বমলাঃ প্ৰয়ান্তি।।

গুৰুজনাৰ অনুবাদ -

সবাতো অধিক ইটো ভাৰত বৰিষ।
যাত জন্ম লভিবাক দেৱৰো হৰিষ।।
নলাগে আঝাক স্বৰ্গ কল্পসীমা বাস।
ভাৰতত জন্মিলে অল্পতে হৈব নাশ।।
ভাৰতত জন্মি যেন পাৱে নৱনিধি।
দুই দণ্ড ভকতি কৰিলে হোৱে সিদ্ধি।।
ভাৰতৰ নৰে আছে কিনো পুণ্য কৰি।
তাঁসবাত কেনমতে তুষ্ট ভৈলা হৰি।।
ৰাত্ৰি দিনে আমি বাঞ্ছা কৰো যাক লাগি।
হেন ভাৰতক পাইলে কিনো পুণ্য ভাগি।।
ছাৰ স্বৰ্গসুখ আমি খুজিলো নজানি।
কদাচিতো মুখে নাসে ৰাম কৃষ্ণ বাণী।।
হা হৰি কৈসানি নো লভিবো ভাৰত।
কৰিবো ভকতি মাত্ৰ কৃষ্ণ চৰণত।। (পদ নং ১১২-১১৫)

(১০) ভাগৱত ৫/২০/৩৫,৩৭,৪২, সংখ্যাৰ শ্লোকৰ লগত পদৰ সম্পৰ্ক
যাবৎ মানসোত্তৰমেৰ্ব্বাৰন্তৰং তাৱতী ভূমিঃ কাঞ্চন্যাদৰ্শতলোপমা, যস্যাং প্ৰহিতঃ পদাৰ্থো ন কথঞ্চিৎ পুনঃ প্ৰত্যুপলভ্যতে তস্মাৎ সৰ্ব্বসত্ত্ব পৰিহৃতাসীৎ।।৩৫

স লোকত্ৰয়ান্তে পৰিত ঈশ্বৰেণ বিহিতঃ। যস্মাৎ সূৰ্য্যাদীনাং ধ্ৰুবাপবৰ্গাণাং জ্যোতিৰ্গণানাং গভস্তয়োঽ ৰ্ব্বাচীনাং স্ত্ৰীন্ লোকানা বিতন্বানান কদাচিৎ পৰাচীনা ভৱিতুমুৎ সহন্তে তাৱদুন্নহনায়ামঃ।।৩৭

যোঽন্তাৰ্ব্বিস্তাৰ এতেন হ্যলোক পৰিমাণঞ্চ ব্যাখাতং যদ্ধহিৰ্লোকা লোকাচলাৎ। ততঃ পৰস্তাৎ যোগেশ্বৰ গতিং বিশুদ্ধামুদাহৰন্তি। ৪২

গুৰুজনাৰ অনুবাদ —

সাতদ্বীপ সাতোসাগৰৰ এহি স্থিতি।

দুগুণে কাঞ্চন ভূমি আছে চতুৰ্ভিতি।।
তাক বেঢ়ি আছয় পৰ্ব্বত লোকালোক।
তাৰ সিভিতিৰ কথা সবে শুনিয়োক।।
পৰ্ব্বতৰ বাহিৰত ঘোৰ অন্ধকাৰ।
নাহি একো আৰ তাত প্ৰাণীৰ সঞ্চাৰ।।
ভিতৰত লোক তাৰ বাহিৰে আলোক।
পৰ্ব্বতক সিহেতু বোলয় লোকালোক।।
অধে উৰ্দ্ধে বাহিৰত ঘোৰ অন্ধকাৰ।
নাহি চন্দ্ৰ সূৰ্য্য একো প্ৰাণীৰ সঞ্চাৰ।।
মহা জ্যোতিপুঞ্জ আছে তাহাৰ সিভিতি।
দেৱে দেখিবাক যাৰ নপাৰে দীপিতি।। (পদ নং ১২৪-১২৬)

(১১) বিষ্ণু পুৰাণ - ২/২/৬ আৰু বৃহন্নাৰদীয় পুৰাণ -

এতে দ্বীপাঃ সমুদ্ৰৈস্তু সপ্ত সপ্তভিৰাবৃতঃ।
লৱণেক্ষু সুৰা সৰ্পিৰ্দ্দাধি দুগ্ধ জলৈঃ সমম্।।

বৃহন্নাৰদীয় পুৰাণৰ —

এতে দ্বীপাঃ সমুদ্ৰৈস্তু সপ্ত সপ্তভিৰাবৃতঃ।
লৱণেক্ষু সুৰা সৰ্পি দধিদুগ্ধ জলৈঃ সহ।।
এতে দ্বীপাঃ সমুদ্ৰাশ্চ পূৰ্ব্বস্মাদ্বৈ পৰস্পৰম।
জ্ঞেয়া দ্বিগুণ বিস্তাৰা আলোকালোক পৰ্ব্বতাৎ।।

গুৰুজনাৰ অনুবাদ —

আছে সাতো দ্বীপ সাগৰৰ চাৰি কাছে।
সাতখান সাগৰে সাতকো বেঢ়ি আছে।।
লোণ গুড় সুৰা ঘৃত দধি দুগ্ধ জল।
পাৰক লগিয়া সিটো দুগুণে বহল।। (পদ নং-৯৭)

(১২) ভাগৱত ৬/৬/২১, ২২ শ্লোকৰ পৰা —

তাৰ্ক্ষস্য বিনতাকদ্ৰুঃ পতঙ্গী যামিনীতি চ।
পতঙ্গ্যসূত পতগান্ যামিনী শলভানথ।।
সুপৰ্ণাসূত গৰুড়ং সাক্ষাৎ যজ্ঞেশ বাহনম।
সূৰ্য্যসূত মনূৰুঞ্চ কদ্ৰুৰ্নাগাননেকশঃ।।

গুৰুজনাৰ অনুবাদ —

পতঙ্গীত হন্তে ভৈল চটক বিস্তৰ।।
যামিনীত হন্তে বিছা ফবিঙ্গ বহুত।
অৰুণ গৰুড় দুই বিনতাৰ সুত।।
কদ্ৰুৰ ভৈলেক কালি আদি সৰ্প যত। (পদ নং - ১৯০, ১৯১)

(১৩) ভাগৱত ৫/২৪/২ শ্লোকৰ পৰা -

যদধস্তৰণেৰ্ম্মণ্ডলং প্ৰতপতস্ত দ্বিস্তৰতো যোজনাযুতমাক্ষেতে দ্বাদশ সাহস্ৰং সোমস্য। ত্ৰয়োদশ সাহস্ৰং ৰাহোৰ্যঃ পৰ্ব্বনি তদ্ব্যৱধানকৃদ্ বৈৰানুবন্ধঃ সূৰ্য্যাচন্দ্ৰমসাবভিধাবতি। ২

গুৰুজনাৰ অনুবাদ -

মেৰু পৰ্ব্বতক প্ৰদক্ষিণ কৰি
সূৰ্য্যৰ মণ্ডল ফুৰে।
অযুত যোজন সূৰ্য্যৰ অধত
ভ্ৰমন্ত ৰাহু অসুৰে।।

(১৪) ব্ৰহ্মসংহিতা- ৫/৩৭ শ্লোকৰ পৰা -

ত্ৰয্যা প্ৰবুদ্ধোঽথ বিধিৰ্ব্বিজ্ঞাততত্ত্ব সাগৰঃ।
তুষ্টাব বেদসাৰেণ স্তোত্ৰেণানেন কেশৱম।।

গুৰুজনাৰ অনুবাদ -

হৃদয়তে পঢ়াইলন্ত বেদ সমস্তয়।
সেহি দিনা ভৈলন্ত ঈশ্বৰ পৰিচয়।।
কৃষ্ণৰ চৰণ ব্ৰহ্মা ধৰিলা মনত।
স্ৰজিবাক লাগে মোৰ তিনিও জগত (পদনং - ২৫০)

দ্বিতীয় স্কন্ধ ভাগৱততো সৃষ্টিতত্ত্বৰ বিষয়টি আছে। সেইদৰে উপনিষদ আদি গ্ৰন্থত মনস্তত্ত্বৰ বিষয়ে বহু কথা পোৱা যায়। ভাগৱত ৫/২০/২, ১৩, ১৮, ২৪ ২৯ শ্লোকত সপ্তসাগৰৰ নাম আৰু তাৰ বিৱৰণ দিয়া হৈছে। কিন্তু তাৰ লগত অনাদি পাতনৰ কিছু অমিল দেখা যায়। সেইদৰে বিষ্ণু পুৰাণৰ লগতো অমিল আছে। সপ্তদ্বীপৰ নাম যথাক্ৰমে জম্বু, প্লক্ষ, শাল্মলী, কুশ, ক্ৰৌঞ্চ, পুষ্কৰ, আৰু শাক। উক্ত সপ্তদ্বীপৰ লগত সম্পৰ্কিত সাত সাগৰৰ নাম যথাক্ৰমে লৱণ, গুড়

দুগ্ধ, সুৰা, ঘৃত, জল আৰু দধি সাগৰৰ বৰ্ণনাত ভাগৱত আৰু বিষ্ণু পুৰাণৰ পৰা গুৰুজনা অলপ আঁতৰি আহিছে। সেই সম্পৰ্কে ভাগৱত আৰু বিষ্ণু পুৰাণৰ মাজতো অলপ পাৰ্থক্য আছেই। পাৰ্থক্য খিনি এনেধৰণৰ -

দ্বীপৰ নাম	ভাগৱতৰ মত	বিষ্ণু পুৰাণৰমত	শঙ্কৰদেৱৰ মত
(১) জম্বু দ্বীপ	লৱণ সাগৰ	লৱণ সাগৰ	লৱণ সাগৰ
(২) প্লক্ষ দ্বীপ	গুড় সাগৰ	গুড় সাগৰ	গুড় সাগৰ
(৩) শাল্মলী দ্বীপ	সুৰা সাগৰ	সুৰা সাগৰ	দুগ্ধ সাগৰ
(৪) কুশ দ্বীপ	ঘৃত সাগৰ	ঘৃত সাগৰ	সুৰা সাগৰ
(৫) ক্ৰৌঞ্চ দ্বীপ	দুগ্ধ সাগৰ	দধি সাগৰ	ঘৃত সাগৰ
(৬) পুষ্কৰ দ্বীপ	জল সাগৰ	জল সাগৰ	জল সাগৰ
(৭) শাক দ্বীপ	দধি সাগৰ	দুগ্ধ সাগৰ	দধি সাগৰ

ওপৰৰ বৰ্ণানানুসৰি তিনিওটিৰ ধাৰণাৰ মাজত সামান্য প্ৰভেদ আছে। শঙ্কৰদেৱে এনে প্ৰভেদৰ সূত্ৰ কৰ পৰা আহৰণ কৰিছে, তাৰ উৎস আৱিষ্কাৰ হোৱা নাই। ভাগৱতৰ ৫/১৬/২৬ শ্লোকত আছে -

কুৰঙ্গ কুৰৰ কুসুম্ভ বৈকঙ্ক ত্ৰিকূট শিশিৰ পতঙ্গ ৰুচক নিষধ শিতিবাস কপিল শঙ্খ বৈদূৰ্য্য জাৰুধি হংসৰ্ষভ নাগকালঞ্জৰ নীৰদাদয়ো বিংশতি গিৰয়ো মেৰোঃ কৰ্ণিকায়া ইব কেশৰভূতা মূলদেশে পৰিত উপক্লিপ্তা।

গুৰুজনাই পদত এনেকৈ লিখিছে -

মেৰুৰ মূলক বেঢ়ি পৰ্ব্বত যতেক।
আছে তাৰ নাম কহো শুনিয়ো প্ৰত্যেক।।
বৈকঙ্ক কুসুম্ভ শৃঙ্গ কুৰৰ কুৰঙ্গ।
ত্ৰিকূট শিশিৰ শঙ্খ কপিল পতঙ্গ।।
বৈদূৰ্য্য জাৰুধি নাগ কৃপত অপৰ।
শিতিবাস নিষধ কচক কালঞ্জৰ।।
আছে আৰো নামত নীৰদ গিৰিবৰ।
পদ্মৰ কৰ্ণিকা যেন চৌপাশে কেশৰ।।

মূল ভাগৱতত থকা পৰ্ব্বতৰ নামৰ লগত পদৰ কিছু পাৰ্থক্য পৰিলক্ষিত

হৈছে। সম্পাদিত ছপা পুথি সমূহত নিৰক্ষৰী সকলৰ হাতত পৰি সাঁচিপতীয়া পুথিত পৃথক কৰি লোৱা আখৰ সমূহৰ বা শব্দ সমূহৰ পৰিচয়ৰ অভাৱত ভেদাভেদ ৰাখি থোৱাৰ বাবে বহু শব্দ বিকৃত হৈছে। মূল শ্লোকত থকা বৈকণ্ঠ, কুসুম্ভ, কুৰৰ, কুৰঙ্গ, জাৰুধি নাগ, শিতিবাস, নীষধ ৰুচক কালঞ্জৰ আদি শব্দৰ ঠাইত ক্ৰমে বৈকুণ্ঠ, কুসুম কুৰুবকৰঙ্গ, জাৰুধি, নাগ, শিশিৰাখনিখা নীষধচক, কালকুঞ্জজৰ আদি ৰূপবোৰে স্থান পাইছে। আখৰ জোঁটনিৰ বাবেও এনে হ'ব পাৰে। আনহাতে মূল ভাগৱতৰ শ্লোকৰ মতে "বিংশতি গিৰয়ো" অৰ্থাৎ কুৰিটা পৰ্ব্বত বুলি কৈছে। কিন্তু সংখ্যাগত নামত আছে উনৈশটা আৰু গুৰুজনাৰ পদত আছে ওঠৰটা পৰ্ব্বতৰ নাম।

গুৰুজনাৰ পদ সংখ্যা (১৪০)ত থকা তিনিগৰাকী দেৱতা ব্ৰহ্মা বিষ্ণু আৰু ৰুদ্ৰ (ভাগৱতৰ মতে মহত্তত্ত্ব) ৰ গৰ্ব্ব আৰু অহঙ্কাৰৰ বিৱৰণ আৰু বিষ্ণু স্তুতিৰ কথাখিনি অলপ সুকীয়া। উক্ত পদৰ বৰ্ণনা তৃতীয় স্কন্ধৰ মূলত অভাৱ। গুৰুজনাই ভাগৱত ৩/৫/৩৯ সংখ্যাৰ শ্লোকৰ শ্ৰীধৰ স্বামীৰ টীকাৰ পৰাহ সূত্ৰ গ্ৰহণ কৰি পদত বিস্তৃত ভাৱে বৰ্ণনা কৰিছে। টীকাৰ শ্লোকটি হল-

মিথঃ স্পৰ্দ্ধিষ্ণৱো দেৱানমিলন্তঃ পৰস্পৰম্।
বিশ্বকৰ্ম্মণ্যনীশানা নিৰ্ব্বিণ্ণা হৰিমীড়িৰে।।

উক্ত টীকাৰ পৰাই সামান্য সূত্ৰৰ আধাৰত গুৰুজনাই অনুবাদ কৰিছে এনে প্ৰকাৰে-

এহিমতে ভৈলা তিনি গুণে তিনি দেৱ।
নকৰন্ত একো সম্ভাষণ কাকো কেৱ।।
মই বৰা তিনিও আছন্ত ৰহি তথা।
কাৰো কেৰে কাণ পাতি নুশুনন্ত কথা।।
মই বৰা বুলিয়া তিনিও দৰ্প কৰে।
তিনিৰো দেখিয়া ভাৱ হাসন্ত ঈশ্বৰে।। (শ্লো নং- ১৪০)

তৃতীয় স্কন্ধৰ ত্ৰিশ অধ্যায়ত লঘুৰূপে নৰকৰ বৰ্ণনা আছে। কিন্তু নৰকবোৰৰ সংখ্যাগত নাম নাই।গুৰুজনাই অনাদি পাতনত উল্লেখ কৰা নৰকৰ নামবোৰ আৰু শাস্তি ভোগৰ বিৱৰণ ভাগৱতৰ ৫/২৬/৭ ৩৬ সংখ্যক শ্লোকৰ পৰা টানি আনি ২৬৪ পদৰ পৰা ২৯৬ পদলৈকে সামৰি বৰ্ণনা কৰিছে। বিষ্ণু পুৰাণৰো ২/৬/১-৩০ সংখ্যক শ্লোকলৈকে নৰকৰ বৰ্ণনা পোৱা যায়। কিন্তু

ভাগৱতৰ লগত ইয়াৰ পাৰ্থক্য আছে। পঞ্চম স্কন্ধৰ উক্ত বৰ্ণনাত নৰকৰ সংখ্যা আঠাইশখন। বিষ্ণু পুৰাণতো একেই। গুৰুজনায়ো পদত আঠাইশখনকে উল্লেখ কৰিছে। আনুহাতে ভাগৱতত ৫/২৬/৩৭ সংখ্যক শ্লোকত নৰক শত সহস্ৰ বুলিও কৈছে। ভাগৱতত বৰ্ণিত নৰকৰ বিষয়টি গুৰুজনাৰ ৰচিত পদৰ মাজত কিছু প্ৰভেদো আছে। মূল ভাগৱতত থকা নৰকৰ নামবোৰ যথা ক্ৰমে তামিস্ৰ, অন্ধতামিস্ৰ, ৰৌৰৱ, মহাৰৌৰৱ, কুম্ভীপাক, কালসূত্ৰ, অসিপত্ৰবন, শূকৰমুখ, অন্ধকূপ, কৃমিভোজন, সন্দংশ, তপ্তশূৰ্ম্মি, বজ্ৰকন্টক শাল্মলী, বৈতৰণী, পূয়োদ, প্ৰাণৰোধ, বিশসন, লালাভক্ষ, সাৰমেয়াদন, অবীচি, অয়ঃপান, ক্ষাৰ কৰ্দ্দম, ৰক্ষোগণ ভোজন, শূলপ্ৰোত দন্দশূক, অবটনিৰোধন, পৰ্য্যাবৰ্ত্তন আৰু সূচীমুখ। এই গোটেই খিনি মিলি আঠাইশ খন। শঙ্কৰদেৱে ৰচনাত প্ৰকাশ কৰিছে এনে নামেৰে, —

ৰৌৰৱ সন্দৰ্শ মহাৰৌৰৱ তামিস্ৰ।
কুম্ভীপাক কালসূত্ৰ অন্ধ তামিস্ৰ।।
অসিপত্ৰ অন্ধকূপ শূকৰৰ মুখ।
কৃমি ভোজনত পৰে নাহি মহাদুখ।।
তপ্তসূচি বজ্ৰকূট শাল্মলী অসংখ্য।
বৈতৰণী প্ৰাণ নিৰোধন লাল ভক্ষ।।
পূয়োদ সাৰমেয় অবিচি দুৰ্গম।
আয়ুষ্মান বিসুধন ক্ষাৰ যে কৰ্দ্দম।।
ৰক্ষোগণ ভোজন অন্তৰ্ব্ব নিৰোধন।
শূলপুট দণ্ডশূক অপৰ নিবৰ্ত্তন।।
সূচিমুখ নামে তাৰ নাহি পটন্তৰ।
আঠাইশ নৰক এই লেখা নৃপবৰ।।

আমি উদ্ধৃতি দিয়া পদ খিনিতো ভাগৱতোক্ত নৰকৰ নামৰ লগত আখৰ জোটনিৰ ক্ষেত্ৰত কিছু পাৰ্থক্য আছে। উদাহৰণ স্বৰূপে মূলৰ সন্দংশৰ ঠাইত সন্দৰ্শ, তপ্তশূৰ্ম্মি-তপ্তসূচি, অয়ঃপান-আয়ুষ্মান, বিশসন-বিসুধন, অবট নিৰোধন-অন্তৰ্ব্ব নিৰোধন, শূলপ্ৰোত-শূলপুট, পৰ্য্যাবৰ্ত্তন-নিবৰ্ত্তন ইত্যাদি নামৰ লগত পাৰ্থক্য পৰিলক্ষিত হৈছে।

এই পুথিৰ দুশ পদ সংখ্যাত নাম প্ৰকাশ নকৰাকৈ চৌবিশ তত্ত্বৰ কথা কৈছে। তৃতীয় স্কন্ধত (৩/২৬/১১, ১২, ১৩,১৪) তাৰ বৰ্ণনা দিয়া হৈছে। উক্ত চৌবিশ তত্ত্ব হ'ল যথাক্ৰমে ক্ষিতি, জল, তেজ, বায়ু, আকাশ, ৰূপ, ৰস, গন্ধ, স্পৰ্শ, শব্দ, কৰ্ণ, ত্বক্, নেত্ৰ, জিহ্বা, নাসিকা, বাক্, পাণি, পদ, পায়ু উপস্থ, মন, বুদ্ধি, অহঙ্কাৰ, আৰু চিত্ত। এইখিনি মিলিয়েই চৌবিশ তত্ত্ব হৈছে। সেইদৰে এশ উনৈশ পদৰ "যাত নবমূৰ্ত্তি হৰি কৰিছা নিবাস" তত্ত্বও সংক্ষেপতে ব্যক্ত কৰিছে। কিন্তু পঞ্চম স্কন্ধত (৫/১৮ আৰু ১৯ অধ্যায়ত) সেইখিনি পৰিষ্কাৰ ৰূপে কোৱা হৈছে যে হৰিবৰ্ষত ভগৱান নৃসিংহ, কেতুমাল বৰ্ষত কামদেৱ, ভদ্ৰশ্ৰৱা বৰ্ষত হয়গ্ৰীৱ, ইলাবৃত বৰ্ষত অনন্ত, ৰম্যক বৰ্ষত মৎস্য, হিৰন্ময় বৰ্ষত কূৰ্ম্ম, উত্তৰাকুৰু বৰ্ষত বৰাহ, কিম্পুৰুষ বৰ্ষত ৰামচন্দ্ৰ আৰু ভাৰত বৰ্ষত নৰনাৰায়ন আদি নৱমূৰ্ত্তি উপাসিত হৈ আছে।

গুৰুজনাই ১৮৮-১৯০ পদৰ বিষয়বস্তু ভাগৱত ৬/৬/ ২১, ২২, ২৬, ২৭, ২৮ শ্লোকৰ পৰা আনিছে। দ্বাদশাদিত্যৰ নাম ভাগৱতৰ ষষ্ঠ স্কন্ধত (৬/৬/৩৯), ব্ৰহ্মা পুৰাণত (৩১/১৭), অগ্নিপুৰাণত (২০/১-২), বিষ্ণু পুৰাণত (১/১৫/১৩১) আৰু অন্যান্য পুৰাণত আছে। কিন্তু গুৰুজনাই ষষ্ঠ স্কন্ধ ভাগৱতৰ (৬/৬/৩৯) পৰাই দ্বাদশাদিত্যৰ নাম গ্ৰহণ কৰিছে। অন্য পুৰাণৰ দ্বাদশাদিত্যৰ নামৰ মাজত পাৰ্থক্য আছে।

১। ভাগৱতৰ মতে দ্বাদশাদিত্য - বিবস্বান্, অৰ্য্যমা, পূষা, ত্বষ্টা, সবিতা, ভগ, ধাতা, বিধাতা, বৰুণ, মিত্ৰ, শক্ৰ উৰুক্ৰম।

২। ব্ৰহ্মা পুৰাণৰ মতে - বিষ্ণু, ধাতা, ভগ, পূষা, মিত্ৰ, ইন্দ্ৰ, বৰুণ, অৰ্য্যমা বিবস্বান্, অংশুমান, ত্বষ্টা, পৰ্জ্জন্য।

৩। অগ্নি পুৰাণৰ মতে- বিষ্ণু, শক্ৰ, ত্বষ্টা, ধাতা, অৰ্য্যমা, পূষা, বিবস্বান্ সবিতা, মিত্ৰ, বৰুণ, ভগ, অংশু।

৪। বিষ্ণু পুৰাণৰ মতে- বিষ্ণু, শক্ৰ, অৰ্য্যমা, ধাতা, ত্বষ্টা, পূষা, বিবস্বান, সবিতা, মিত্ৰ, বৰুণ, অংশ ভগ।

ঋগ্বেদৰ মতে আদিত্য ছজন- যেনে- মিত্ৰ, অৰ্য্যমা, ভগ, বৰুণ, দক্ষ, আৰু অংশ। তৈত্তিৰীয় উপনিষদৰ মতে আদিত্য আঠজন যেনে- মিত্ৰ, বৰুণ, ধাতা, অৰ্য্যমা, অংশু, ভগ, ইন্দ্ৰ, আৰু বিবস্বান। মতান্তৰে-আদিত্য, দিবাকৰ,

ভাস্কৰ, প্ৰভাকৰ, সহস্ৰাংশু, ত্ৰিলোচন, হৰিদশ্ব, অহঃপতি, দিনকৃৎ, দ্বাদশাত্মক, ত্ৰয়ীমূৰ্ত্তি, আৰু সূৰ্য্য নামেৰেও প্ৰখ্যাত। সেইদৰে অষ্টবসুৰ নামৰ ক্ষেত্ৰতো ভাগৱত ৬/৬/১১ শ্লোকত উল্লেখ থকা দ্ৰোণ, প্ৰাণ, ধ্ৰুব, অৰ্ক, অগ্নি, দোষ, বাস্তু আৰু বিভাবসু এই নামকেইটিও পুথিখনিত উদ্ধৃত কৰিছে। কিন্তু বিষ্ণু পুৰাণৰ (১/১৫/১১০-১১১) লগত কিছু অমিল হৈছে। দক্ষ প্ৰজাপতিৰ কন্যা আৰু কশ্যপৰ ভাৰ্য্যাৰূপে তেৰ গৰাকীৰ নাম ভাগৱত ৬/৬/২৫ শ্লোকত উল্লেখ আছে। কিন্তু পুথিখনিত নামোল্লেখ নকৰাকৈ "সতৰয়জন ভৈল দক্ষৰ দুহিতা" বুলি কৈছে অৰ্থাৎ দক্ষকন্যা সোতৰ গৰাকীহে বুলিছে। আকৌ গৰুড় পুৰাণৰ পূৰ্ব্ব খণ্ডৰ ৫/২৪ শ্লোকত দক্ষকন্যা চৌবিশ গৰাকী বুলি উল্লেখ কৰিছে। মহাভাৰতৰ পৰ্ব্ব সমূহৰ নামসংখ্যাও আন পুথিৰ লগত অমিল। পুথিখনিত এনেকৈ আছে-

অষ্টাদশ ভাৰতৰ শুনা যেন যোগ।
আদিসভা বন গদা বিৰাট উদ্যোগ।।
ভীষ্ম দ্ৰোণ কৰ্ণ শৈল্য সৌপ্তিক পৰম।
স্ত্ৰী পৰ্ব্ব শান্তি অশ্বমেধ ব্যাসশ্ৰম।
স্বৰ্গাৰোহণ আৰু ঐষিক মুষল।
ভাৰত পদ্মৰ এহি অষ্টাদশ দল।। (পদ নং-১৯৬-১৯৭)

ভাগৱতৰ তৃতীয় স্কন্ধত (৩/১২/৩৯) পুৰাণৰ নাম উল্লেখ নকৰাকৈ 'পুৰাণানি' বুলিহে কৈছে অৰ্থাৎ পুৰাণবোৰ বুলিহে কৈছে। কিন্তু গুৰুজনাই পুথিখনিত পুৰাণ নাম উল্লেখ কৰিছে আৰু সেই খিনি গ্ৰহণ কৰিছে ভাগৱত-১২/১৩/৪৮ সংখ্যাৰ শ্লোকৰ পৰা। দক্ষ দুহিতা আৰু সাতাইশ গৰাকীৰ নাম পদত উল্লেখ কৰা হৈছে। পূৰ্ব্বে উল্লেখিত সোতৰ গৰাকী দক্ষ দুহিতাৰ এয়া ওপৰঞ্চি। দ্বিতীয় পৰ্য্যায়ৰ সাতাইশ গৰাকী কন্যাক দক্ষই চন্দ্ৰৰ হাতত অৰ্পণ কৰিছিল। সিসকলৰ নাম যথাক্ৰমে

তাসম্বাৰ নাম শুনিয়োক ভিন্নি ভিন্নি।
অশ্বিনী ভৰণী আদ্ৰা কৃত্তিকা ৰোহিণী।।
মৃগশিৰা মঘা পুষ্যা পূৰ্ব্ব যে ফাল্গুণী।
পুনৰ্ব্বসু অনুৰাধা উত্তৰ ফাল্গুণী।।
হস্তা চিত্ৰা স্বাতী আৰো বিশাখা অশ্লেষা।
শ্ৰবণা ধনিষ্ঠা জ্যেষ্ঠা মূলা শতভিষা।।

অপৰ উত্তৰষাঢ়া পূৰ্ব্বভাদ্ৰ পদ।
পূৰ্ব্বষাঢ়া ৰেৱতী উত্তৰ ভাদ্ৰপদ।।
সাতাইশ নক্ষত্ৰ এহি দক্ষৰ নন্দিনী।

ষষ্ঠস্কন্ধ ভাগৱতৰ ছয় অধ্যায়ৰ দুই সংখ্যাৰ শ্লোকত "ত্ৰিনৱ চেন্দৱে" বুলিহে কৈছে অৰ্থাৎ চন্দ্ৰক দক্ষই সাতাইশ গৰাকী কন্যা প্ৰদান কৰা বুলিহে লিখিছে, কন্যা সকলৰ নাম নাই। যজুৰ্বেদৰ দ্বিতীয় কাণ্ডৰ তৃতীয় প্ৰপাঠকত দক্ষৰ কন্যা তেত্ৰিশ বুলি কৈছে আৰু চন্দ্ৰৰ যক্ষাৰোগ কিয়নো হ'বলৈ পালে, তাকো বৰ্ণনা কৰিছে। তাত কৈছে (যজুঃ- ২/৩/৫) দক্ষকন্যা তেত্ৰিশটি চন্দ্ৰক প্ৰদান কৰাৰ পিছত ৰোহিণীৰ লগত তেওঁ অধিক প্ৰীতি(কন্যা সকলৰ নাম দিয়া নাই) হোৱাত আনসকলে পিতৃ গৃহলৈ উভটি আহে। দক্ষই চন্দ্ৰক পত্নী সকলক সমদৃষ্টিৰে চাবলৈ পৰামৰ্শ দিয়াৰ পিছতো চন্দ্ৰৰ মতি-গতি সলনি নোহোৱাত দক্ষই চন্দ্ৰক যক্ষা ৰোগত পতিত হবলৈ অভিশাপ প্ৰদান কৰে। বেদখনিত অলপ বহলাকৈ কথাখিনি আছে। মহা প্ৰলয়ৰ বৰ্ণনাও ভাগৱতৰ ৩/১১/২৮-৩২ শ্লোকলৈকে থকা কাহিনীটি ৩০, ৩১, ৩৯, ৪০, ৪১, পদত উল্লেখ কৰিছে।

পুথিখনিৰ দুশ সাতত্ৰিশ পদৰ পৰা দুশ ঊনচল্লিশ পদলৈকে সাতাইশ প্ৰকাৰ যোগৰ তালিকা এখনি দিছে। তৃতীয় স্কন্ধৰ আঠাইশ অধ্যায়ত যোগ সাধনাৰ কিছু কথা পোৱা যায়। যোগ বুলিলে পূৰ্বে উল্লিখিত সাধাৰণতে যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান, সমাধি, এই আঠ বিধকে অষ্টাঙ্গ যোগ নামেৰে প্ৰখ্যাত। ইয়াৰ বাহিৰে গুৰুজনাই পদত উল্লেখ কৰা সাতাইশ প্ৰকাৰ যোগৰ বিষয়টি বোধহয় অন্য কোনো যোগ শাস্ত্ৰৰ পৰাই অনা হৈছে। কোনো কোনো পুৰাণ, উপপুৰাণ, স্মৃতি সংহিতা আদিত যোগ সাধনাৰ বিষয়ে বহু কথা আছে। আনহাতে যোগ সাধন সম্পৰ্কীয় প্ৰায় পঁচিশখনি পুথিত বৰ্ণনা পোৱা যায়। যথা ক্ৰমে (১) যোগ ভাস্কৰ (২) সাংখ্য যোগ সাৰ (৩) যোগ চিন্তামণি (৪) পৰমেশ্বৰ তন্ত্ৰ (৫) শিৱ যোগ (৬) হঠ দীপিকা (৭) ঈশ্বৰ প্ৰোক্ত (৮) যোগ বীজ (৯) দত্তাত্ৰেয় সংহিতা (১০) হঠ যোগ (১১) ঘেৰণ্ড সংহিতা (১২) পাতঞ্জল সূত্ৰ (১৩) যোগী যাজ্ঞবল্কীয় (১৪) বাশিষ্ঠ যোগ (১৫) গোৰক্ষ সংহিতা (১৬) পৱণ যোগ সংগ্ৰহ (১৭) যোগসাৰ (১৮) অমৃত সিদ্ধি (১৯) জৈগীষব্য সংহিতা (২০) ব্যাসোক্ত যোগমুক্তি (২১) বায়ু সংহিতা (২২) লক্ষ্মী

যোগ পৰায়ণ (২৩) যাজ্ঞবল্ক গীতা (২৪) আত্মগীতা (২৫) যোগ ৰসায়ন। ইয়াৰ বাহিৰে অন্যান্য যোগ শাস্ত্ৰও আছে। শ্ৰীমদ্ভগৱদগীতাতো যোগ সাধন সম্পৰ্কীয় বহু তথ্য পোৱা যায়। দশম স্কন্ধ ভাগৱতৰ সাতাশী অধ্যায়ত "বেদস্তুতি" প্ৰসঙ্গত সাধন সম্পৰ্কীয় কিছু কথা আছে। একাদশতো কৃষ্ণই উদ্ধৱক যোগ সাধন সম্পৰ্কে বহু কথা কৈছিল। এতিয়া এই পুথিখনিত সাতাইশ প্ৰকাৰ যোগৰ কথা যে গুৰুজনাই বৰ্ণনা কৰিছে, তাৰ উদ্ধৃতি দিয়া হল যেনে -

শুনিয়ো যোগৰ আৰে নাম ভিন্নি ভিন্নি।।
বিকুম্ভ অসৃক আয়ুষ্মান শূল প্ৰীতি।
সৌভাগ্য শোভন অতি গণ্ড গণ্ড ধৃতি।।
হৰষণ বৃদ্ধি ধ্ৰুব পৰিঘ ব্যাঘাত।
সিদ্ধ সাধ্য বজ্ৰ বৰিয়াণ ব্যতিপাত।।
শিৱ শুক্ৰ শুভ সুকৰ্ণ ব্ৰহ্মা ইন্দ্ৰ নাম।
বৈধৃতি সাতাইশ যোগ কৈলো অনুপাম।।

(পদসং ২৩৮-২৩৯)

পঞ্চম স্কন্ধ ভাগৱতত সপ্তদ্বীপ বৰ্ণনাৰ সূত্ৰ ধৰি গুৰুজনাই সকলো দ্বীপৰ তুলনাত জম্বুদ্বীপ আৰু তদন্তৰ্গত ভাৰতবৰ্ষৰ প্ৰশংসা অন্য অধ্যায়ৰ লগতে এই অধ্যায়তো বৰ্ণনা কৰিছে। ভাগৱতোক্ত ভাৰতবৰ্ষৰ প্ৰশংসা আৰু গুৰুজনাৰ ভাৰতবৰ্ষৰ প্ৰশংসাৰ মাজত ব্যৱধান থকা দেখা যায়। ভাগৱতৰ উপৰিও অন্যান্য পুৰাণতো ভাৰত ভূমি প্ৰশংসাৰ কথা আছে। সেইদৰে এই পুথিখনিত আৰু প্ৰথম আৰু দ্বিতীয় স্কন্ধতো শঙ্কৰ গুৰুজনাই সকলোৰে প্ৰতি তত্ত্বমূলক উপদেশ বাণী বিতৰণ কৰা দেখা গৈছে। ইয়াত মূলতঃ তৃতীয় স্কন্ধ ভাগৱতৰ সূত্ৰ প্ৰধানকৈ থাকিলেও আমি পূৰ্ব্বতে উল্লেখ কৰি অহাৰ দৰে ভাগৱতৰ অন্য স্কন্ধ আৰু পুৰাণাদিৰ পৰাও সূত্ৰ বা শ্লোক প্ৰসঙ্গানুপাতে গুৰুজনাই টানি আনি সংযোগ কৰিছে। বহু শাস্ত্ৰ সামৰি লোৱা হেতুকে ইয়াত কিমান শ্লোক সংযুক্ত হৈছে, তাৰ নিৰ্ণয় কৰা টান হৈছে। আমি মাত্ৰ গুৰুজনাৰ অনুবাদৰ মৌলিকতা বিচাৰ কৰিবলৈ লোৱা দৃষ্টিভঙ্গী এপাচি শাকত এটি জালুকৰ দৰেহে কৰিবলগীয়া হৈছে। সৃষ্টিতত্ত্বৰ বহু বিষয় ইয়াত সংযোগ কৰা হৈছে যদিও সকলো তত্ত্বৰ মূল উৎস বিচাৰ কৰাত অসুবিধাই দেখা দিছে। আমি মাত্ৰ সামান্য সামৰ্থ্যৰে ইয়াৰ বিচাৰ কৰিছো। পুথিখনি আকাৰ বিশিষ্ট নহলেও ইয়াৰ বৰ্ণনাৰ উৎস আৰু প্ৰাচুৰ্য্য সৰ্ব্বাধিক শাস্ত্ৰৰ সূত্ৰ একত্ৰ স্থাপনে পুথিখনিৰ গুৰুত্ব বাঢ়িছে আৰু উৎকৰ্ষ সাধিত হৈছে বুলি আমি অনুভৱ কৰিছোঁ।

● ● ●

(৪) ষষ্ঠ স্কন্ধ ভাগৱত
(অজামিল উপাখ্যান)

শ্ৰীমদ্ভাগৱত পুৰাণৰ ষষ্ঠ স্কন্ধৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় অধ্যায়ৰ পৰা "অজামিল উপাখ্যান" নামৰ কাহিনী ভাগ মহাপুৰুষ জনাই ৰচনা কৰিছে। তিনিওটি অধ্যায়ৰ শ্লোক সংখ্যা এশ বাৱন্ন আৰু অনুবাদ কৰা হৈছে এশ একত্ৰিশটিৰ। পদ সংখ্যা চাৰিশ পঁচিশটি। ইয়াৰ ভিতৰত উপদেশ, গ্ৰন্থকাৰৰ প্ৰাৰ্থনা আদিও আছে। গুৰুজনাই ভাগৱতত আৰু কীৰ্ত্তনঘোষাত সুকীয়া সুকীয়াকৈ কাহিনী ভাগৰ বৰ্ণনা দিছে। কীৰ্ত্তনঘোষাত কাহিনীটি চমুকৈ সজোৱা হৈছে। কিন্তু ভাগৱতত অলপ বিস্তৃত। মূলতঃ কাহিনী একেটিয়েই; মাত্ৰ প্ৰসঙ্গানুপাতে ঠায়ে ঠায়ে ভাগৱতৰ আৰু স্বামী টীকাৰ ওপৰত ভেজা দি কাহিনী বিস্তৃত কৰা শব্দ গঠন বা বাক্য গঠন প্ৰক্ৰিয়াত দীৰ্ঘ হ্ৰস্ব কৰা হৈছে।

ষষ্ঠ স্কন্ধ ভাগৱতৰ আৰম্ভনিত ব্যাসে কোনো মঙ্গলাচৰণ শ্লোকৰ অৱতাৰণা কৰা নাই। পৰীক্ষিতৰ প্ৰশ্নতে প্ৰথম অধ্যায় আৰম্ভ হৈছে আৰু শুকদেৱে সপ্তম শ্লোকৰ পৰাহে উত্তৰ দিবলৈ লৈছে। পৰীক্ষিতৰ প্ৰশ্নানুসৰি শুকদেৱে নৰক জনক পাপাদিৰ প্ৰসঙ্গ আৰু পাপনাশৰ বিবিধ উপায় বৰ্ণন, হৰিনাম গ্ৰহণত পাপনাশৰ প্ৰসঙ্গৰ সূত্ৰ ধৰি দাসীসঙ্গ দূষিত দ্বিজ অজামিলৰ উপাখ্যানটিৰ বৰ্ণনা কৰিছে। বায়ু পুৰাণত উল্লেখ আছে যে (১) আখ্যান (২) উপাখ্যান আৰু (৩) গাঁথা- এই তিনিটিৰে পুৰাণৰ অৰ্থ বিশাৰদ মহৰ্ষি ব্যাসে পুৰাণ ৰচনা কৰিছিল। নিজ চকুৰে দেখা বিষয়ক 'আখ্যান' কাণেৰে শুনি লিখা বিষয়ক 'উপাখ্যান' আৰু পিতৃ পুৰুষ সকলৰ কথা বা পুৰাতনীয়া ঘটনাক কেন্দ্ৰ কৰি লোক মুখে প্ৰচলিত শ্লোক নিবদ্ধ অংশক 'গাঁথা' বুলি কোৱা হয়। পূৰ্ব্বোক্ত "অজামিল উপাখ্যান" বিষয়টিও শুনি লিখা বা শুনি কোৱা বুলি প্ৰকাশ কৰিব পৰা যায়। সেই বিষয়ে শুকে পৰীক্ষিতক কৈছে এনেদৰে -

অত্ৰ চোদাহৰন্তীমমিতিহাসং পুৰাতনম্।

দূতানাং বিষ্ণুযময়োঃ সংবাদস্তং নিবোধমে।। (ভাগ-৬/১/২০)

অৰ্থাৎ- এই বিষয়ে পুৰাতত্ত্ব বিশাৰদ সকলে এনে ধৰণৰ এটি প্ৰাচীন ইতিহাসৰ কথা কৈছিল (মই শুনিছিলো)। বিষ্ণুদূত আৰু যমদূত সকলৰ ঘটনাক কেন্দ্ৰ কৰি শুনা সেই ইতিহাসটি মই তোমাক কওঁ, শ্ৰৱণ কৰা।

এতেকে শ্ৰব্য বিষয়ৰ কাহিনী ভাগক উপাখ্যান বুলি কোৱাত পূৰ্ব্বোক্ত কাহিনীটি 'উপাখ্যান' ৰূপেই অভিহিত হৈছে। এনে যে সাধাৰণ অৰ্থত উপ + আখ্যান = উপাখ্যান হয় অৰ্থাৎ এটি উপকথা বা কাল্পনিক চিত্ৰ এখনিও উপাখ্যান ৰূপে গণ্য কৰিব পৰা যায়। কিন্তু ধৰ্মীয় তত্ত্বমূলক কাহিনী ভাগক ভক্ত সকলে উপকথা বুলি বা কাল্পণিক ৰূপ বুলি নাভাবে। "অজামিলোপাখ্যান" খনিও তাৰে অন্তৰ্গত।

উক্ত অধ্যায় তিনিটিৰে সামৰি প্ৰকাশ কৰা উপাখ্যানটি শঙ্কৰদেৱে কেৱল ষষ্ঠস্কন্ধ ভাগৱতৰ ওপৰতে নিৰ্ভৰ নকৰি পঞ্চম স্কন্ধটিকো সামৰি লৈছে। উদাহৰণ স্বৰূপে ষষ্ঠ স্কন্ধৰ মূল শ্লোকত নৰক বৰ্ণনাৰ অভাৱ। কিন্তু গুৰুজনাই ভাগৱত ৫/২৬/৭ শ্লোকত থকা আঠাইশখনি নৰকৰ বৰ্ণনা ৮-১০ সংখ্যক পদত বহলকৈ প্ৰকাশ কৰিছে। আমি "অনাদি পাতন" পুথিখনিত সেই খিনিৰ উদ্ধৃতি দি আহিছোঁ। তদুপৰি নৰকৰ সংখ্যাৰ শ্লোকত"এবং বিধা নৰকা যমালয়ে সন্তি শতশঃ সহস্ৰশস্তেষু" বুলি কৈছে অৰ্থাৎ যমালয়ত নৰকৰ সংখ্যা শ শ হাজাৰ হাজাৰ আছে। শঙ্কৰদেৱে ইয়াতে নিৰ্ভৰ কৰি পদত লিখিছেঃ-

হেনয় নৰক আছে সহস্ৰ সংখ্যাত।

মুখ্য মুখ্য বাচি কিছু কহিলো তোমাত।। (পদ নং ৬১)

পূৰ্ব্বোক্ত স্কন্ধৰে ৮-৩৭ সংখ্যক শ্লোকত (সৰ্ব্বমুঠ উনত্ৰিশটি শ্লোকত) বৰ্ণিত নৰক যাতনাবোৰ ১৯-৬০ পদলৈকে গা শিয়ৰি উঠা মৰ্ম্মস্পৰ্শী ভাষাৰে সুন্দৰকৈ বৰ্ণনা কৰিছে। উক্ত নৰক যাতনাৰ বৰ্ণনা মূলতকৈ পদত বিস্তৃত আৰু এখোপ চৰা। এনে প্ৰকাৰে শঙ্কৰদেৱে মূলৰ বাহিৰৰ কিছু কথা সংযোগ কৰি নৰকৰ নাম আৰু তাৰ লক্ষণ আদিৰ বিবৰণ দাঙ্গি ধৰিছে। পাপৰ প্ৰায়শ্চিত্ত আৰু ভক্তিৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ যাওঁতে শঙ্কৰদেৱে মূল সূত্ৰৰ এৰাধৰাৰ মাজেৰে একশৰণ সুগম পন্থৰ সন্ধান দিছে। তাৰে দৃঢ়তা স্থাপনৰ কাৰণে উপদেশৰ আত

ধৰি জ্ঞান আৰু ভক্তি যোগৰ তুলনাত্মক আলোচনাৰে একশৰণ নাম ধৰ্মৰ নিজ পক্ষ সমৰ্থন কৰিছে। গুৰুজনাই ভক্তিৰ শ্ৰেষ্ঠত্বৰ বিষয়েৰে পাতনি মেলি নৱৈ সংখ্যাৰ পদৰ পৰাহে অজামিল উপাখ্যানৰ মূল বিষয় আৰম্ভ কৰিছে। তাৰ মাজে মাজে দুই এটি পদে মূলকো স্পৰ্শ নকৰাকৈ থকা নাই। তেনেদৰে শ্ৰীধৰ স্বামীৰ টীকাৰ পৰাও দুই এটি সূত্ৰ টানি অনা হৈছে। সেই সূত্ৰবোৰ বা শ্লোকবোৰৰ অনুবাদ ক্ৰমানুসৰি নকৰাকৈ প্ৰসঙ্গত ক্ৰমে নিজৰ ধাৰণাৰে অগা-পিছাকৈ সজোৱা হৈছে। উদাহৰণ স্বৰূপে ভাগৱতৰ ৬/১/৯, ১০ শ্লোক দুটিৰ অনুবাদ গুৰুজনাই সুন্দৰকৈ সমাধা কৰা ছে। দহসংখ্যাৰ শ্লোকত থকা "কুঞ্জৰ শৌচবৎ" এই দুটি পদৰ অৰ্থ শ্ৰীধৰ স্বামী য় এনেদৰে লিখিছে- "যথা কুঞ্জৰঃ স্নতোऽপি ৰজোভি ৰাত্মানংমলিনী কৰোতি ৎ থা পাপস্য পুনদুৰ্নিবাৰত্বেন নৰক পাতস্যাৱশ্যম্ভাবিত্বাৎ প্ৰায়শ্চিত্তং ব্যৰ্থমিতি ন্যৈ" ইত্যাদি। এই স্বামী টীকাৰ ওপৰত নিৰ্ভৰ কৰি শঙ্কৰদেৱে নিম্নোদ্ধৃত পদ শাৰী ৰচনা কৰিছে। যেনে —

যেন ধুৰাই তোলে হাতী দুনাই লৱে কুটা মাটি
শৰীৰত বান্ধে পাপমল।
কেহো বেলা এৰে পাপ কেহো বেলা কৰে তাপ
প্ৰায়শ্চিত্ত এতেকে নিষ্ফল।। (পদ নং ৭২)

উক্ত স্কন্ধৰ প্ৰথম শ্লোকৰ মঙ্গলাচৰণত শ্ৰীধৰ স্বামীয়ে লিখিছে -

পুণ্যাৰণ্যে নৃসিংহৈক নামসিংহ বিৰাজতে।
যন্নাদতঃ পলায়ন্তে মহা কল্মষ কুঞ্জৰাঃ।।

গুৰুজনাই ৮৭ পদত লিখিছে -

পুণ্য অৰণ্যত বৈঞ্চে হৰিনাম সিংহ
পলাই পাপ হস্তী তাৰ শুনি মহাৰিঙ্গ

মাধৱদেৱে নামঘোষাত অনুবাদ কৰিছে এনেদৰে -

পুন্য অৰণ্যৰ মাজে মাধৱৰ নাম সিংহ
প্ৰকাশ কৰয় অতি বৰে।
যাৰ ধ্বনি শুনি ভয়ে মহাপাপী হস্তীচয়
পলাই অতি ত্ৰাসত লৱৰে।।

মূল শ্লোকত 'কান্যকুব্জ' আৰু পদত 'কনৌজপুৰ'ত (পদনং ৯০) থকা

অজামিল নামৰ অতি পাপী বিপ্ৰজনে বেশ্যা এগৰাকীক পত্নীৰূপে পাণি গ্ৰহণ কৰাৰ পিছত গাৰ্হস্থ্য জীৱনৰ কিছু কথা মূলৰ মত অনুসৰিয়েই গুৰুজনে পদত দাঙি ধৰিছে। অষ্টাশী বৰ্ষীয়ান বিপ্ৰ গৰাকীৰ আয়ুস শেষ হোৱাত তেওঁক যম পুৰলৈ নিবৰ কাৰণে অহা তিনিজন যমদূতৰ কায়িক বৰ্ণনা ভাগৱতত সংক্ষিপ্ত। কিন্তু গুৰুজনাই দিয়া বৰ্ণনা অতি ভয়ঙ্কৰ। যমদূতৰ শাৰীৰিক বৰ্ণনা দিওঁতে মূল ভাগৱতত "বক্ৰতুণ্ডানূৰ্দ্ধৰোম্নঃ" (ভাগ-৬/১/২৮) বুলি কৈছে মাত্ৰ অৰ্থাৎ মুখবোৰ বক্ৰযুক্ত আৰু নোমবোৰ থিয় হৈ থকা দেখুউৱা হৈছে। কিন্তু গুৰুজনাই পদত ইয়াতকৈ অধিক ৰূপত যমদূতৰ বৰ্ণনা কৰিছে এনে প্ৰকাৰে -যেনে-

ভয়ঙ্কৰ দেহ যেন আঙ্গাৰৰ পুঞ্জ।
ৰঙ্গা দুই চক্ষুক কুৰাৱে যেন গুঞ্জ।।
যেন পোৰা শিলি সবে ভয়ঙ্কৰ বাহু।
ক্ষেদি আসি আছে যেন তিনি গোটা ৰাহু।।
এক হাতে দাঙ্গ আউৰ হাতে পাশজৰি।
শৰীৰৰ লোম আছে স্বভাৱে সিহঁৰি।।
বিকট পিঙ্গট কেশ কুবেশ সৰ্ব্বাঙ্গ।
ভেঙ্গুৰা ভেঙ্গুৰী ভৰি থূলন্তৰ জাঙ্গ।।
প্ৰচণ্ড বতাস যেন নাকৰ উশাস।
ওলমিল পেট যেন বৰ মৌবাস।।
বক্ৰাকাৰ মুখ মহা বিকৃত কুৰূপ।
নাক দন্ত দুগোটা সম্যকে অন্ধকূপ।।
উচ্চল দশনে আছে অধৰ কামুৰি। (পদনং ১০১-১০৪)

যেনেকৈ ভাগৱতৰ উক্ত সূত্ৰ ধৰি গুৰুজনাই শ্লোকাংশৰ ওপৰত বহলকৈ যমদূতৰ শাৰীৰিক বৰ্ণনা দাঙি ধৰিছে, সেইদৰে ভাগৱতৰ "বাৰয়ামাসুৰোজসা" (৬/১/৩১) শ্লোকাংশৰ সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাই চাৰি বিষ্ণুদূতে যমদূত তিনিজনক শাৰীৰিক নিৰ্য্যাতনৰ বহল বৰ্ণনা দিছে। উক্ত শ্লোকাংশৰ অৰ্থ হ'ল তেজস্বিতা সহকাৰে (বিষ্ণুদূতে যমদূতক) নিবাৰণ কৰিলে বা বাধা প্ৰদান কৰিলে। ইয়াৰ বহল অৰ্থ হল অজামিলে যমদূতৰ মূৰ্ত্তি দেখি নিজৰ পুত্ৰ নাৰায়নক আহ্বান কৰাত তৎক্ষণাত নিজৰ স্বামীৰ নামোচ্চাৰণ কৰা শুনি চাৰি বিষ্ণুদূতে যমদূতক

তেওঁলোকৰ হাতৰ পৰা অজামিলক মুক্তি দিলে বা যমদূতৰ কাৰ্য্যত বাধা প্ৰদান কৰিলে। শঙ্কৰদেৱে ইয়াতে ক্ষান্ত নাথাকি চাৰি বিষ্ণুদূতে যমদূতৰ ওপৰত দিয়া শাৰীৰিক শাস্তি প্ৰদানৰ বহল বৰ্ণনা দিছে এনেদৰে -

ছাড় ছাড় বিপ্ৰক পাৰন্তে আঁসে গেৰি।
কোবাইবে লাগিলা দূত সমস্তক বেঢ়ি।।
চাপৰ চুলাৰি ঘৰা কাটিৰ প্ৰহাৰ।
চৱৰৰ চোটে গাল ভৈল ভিগুাকাৰ।।
কোপে কিল মুকুটি লাঠিৰ দিলা চোট।
গদাৰ্ৰ কোবত পিঠি ভৈল গোটাগোট।।
অনেক কাতৰ কৰে দূতে গেৰি পাৰি।
কৌতুকে হাসন্ত তাক দেখি সিদ্ধ চাৰি।।
নমাৰি এৰিলা প্ৰাণে ভয় দেখাই বৰ।
হাতৰ এৰায়া তিনি দিলেক লৱৰ।।
মাৰণৰ ত্ৰাসে তিনি যমৰ কিঙ্কৰ।
দ্বিজক এৰিয়া ভৈলা তেখনে অন্তৰ।।
পলাই গৈলা কতোদূৰে পাচক চাহন্তে।
মাটিত পৰিয়া আছে থাকিলা কেক্ষান্তে।।
কাঢ়ে খৰ উশাস ত্ৰাসতে নিশবদ।। (পদ নং-১১০-১১৪)

বিষ্ণুদূত আৰু যমদূতৰ কথোপকথন, অজামিলৰ পূৰ্ব্বজন্ম কথা, বিষ্ণুদূতৰ নাম মাহাত্ম্য কথন, অজামিলৰ মুক্তিলাভ, অজামিলৰ অনুশোচনা আদি ভাগৱতৰ বৰ্ণনা সমূহৰ মাজত গুৰুজনাই মূলৰ লগত মিলাকৈ অন্যান্য প্ৰসঙ্গত উপস্থাপন কৰি বিষয়বস্তুটি ৰসাল কৰি তুলিছে। নামৰ মহিমা বিকাশত অন্যান্য প্ৰসঙ্গ উত্থাপনৰ যোগেদি বিষয়টি অধিক শক্তিশালী হৈ উঠিছে। গুৰুজনাই ক'ৰ পৰা কেনেকৈ প্ৰসঙ্গ টানি আনি বিষয়টিৰ মাজত চিত্ৰিত কৰিছে, তাৰ সমুচিত তথা যথোচিত বিচাৰ-বিশ্লেষণ কৰা যথেষ্ট টান-কাম।

যমদূত তিনিজন বিতাৰিত হৈ আহি যম ৰজাৰ সভাত প্ৰবেশ কৰোঁতে ধৰ্মৰাজৰ বৰ্ণনা আৰু ৰাজ সভাস্থিত পাৰিষদবৰ্গৰ বিবৰণত গুৰুজনাৰ কাপৰ পৰা ৰসাল বোল দিয়া হৈছে। ভাগৱতত তেনেকুৱা কোনো বৰ্ণনা নাই।

গুৰুজনাই লিখিছে -

সমাজক পাতিয়া আছন্ত ৰাজা যম।
মহা পৰিচ্ছদে বসি বিপুল বিক্ৰম।।
ধৰিয়া আছন্ত বিষ্ণুদত্ত যমদত্ত।
সমস্ত প্ৰেতৰ প্ৰভু প্ৰভাৱ প্ৰচণ্ড।।
চামৰে দুই পাশে ঢোলে শিৰে শ্বেতছত্ৰ।
লিখে চিত্ৰ গুপতে হাতত পাঞ্জি পত্ৰ।।
ঋষি পাৰিষদ গণে আছন্ত আবৰি।
নটে ভাটে ৰঢ়ে গুণ-গীত তাল ধৰি।।
হাতত লোহাৰ দাঙ্গ কাছি মাল কাছে।
দাৰুণ কিঙ্কৰ সৱে উপাসন্তে আছে।।
দুয়ো চক্ষু ৰঙ্গা আঙ্গাৰৰ বৰ্ণকায়।
বিকট দশন যেন ৰাক্ষস পৰায়।।
চতুৰ্দ্দিতি শুনি মহা আৰ্ত্তনাদ আতি।
ঠাই ঠাই পাতকীক কৰে উগ্ৰ শাস্তি।।
যমৰ পুৰত মহা বহল সমাজে।
মহা পৰিচ্ছদে বসি আছে ধৰ্ম্মৰাজে।। (পদ নং ৩০১-৩০৪)

তদুপৰি ৰাজসভাত যমদূত সকলে যমৰাজৰ আগত দিয়া বিষ্ণুদূত সকলৰ শাৰীৰিক অত্যাচাৰৰ বৰ্ণনা সমূহতো হাস্য আৰু কৰুণ ৰসৰ সমাবেশ ঘটিছে। ভাগৱতত তেনেকুৱা বৰ্ণনাৰ অভাৱ। যেনে —

সেহিবেলা তিনিদূতে মহাপীড়া পাই।
কাঢ়ে খৰ উশাস মুখত মাত নাই।
বিৱৰ্ণ বদন দেখি মনে মহা ক্লেশ।
ভৈলা দূত পাছে সেহি সভাত প্ৰৱেশ।।
ৰাজাক দেখিয়া আতি মৰ্ম্ম গৈলা চৰি।
কান্দে হুমহুমি তিনি দুত আগে পৰি।।
সমস্ত সমাজে নিশবদ হুয়া আছে।
কি ভৈল বুলিয়া যমে পুছিলন্ত পাছে।

শুনি সঙ্কুকিয়া হাতে মুচি মুখ আখি।
কান্দি কান্দি যমত দিলেক দুখ সাখী।
পৰেও কাঢ়িয়া লৈলে আমাসাক মাৰি।
লোকৰ কতনো আৰে আছে অধিকাৰী।

....

....

তোমাৰেসে আদেশে পাপীক আনো ধৰি।
হাতে গলে বান্ধিয়া চামৰ লগাই জৰি।।
নাৰায়ন আইস বুলি দ্বিজে দিলে ডাক।
কৈৰ চাৰি সিদ্ধে আসি শুনিলেক তাক।।
নাহি ভয় বুলি আকাশত ৰাব পাৰে।
খেদি আসি পাইল যেন বিজুলি সঞ্চাৰে।
নুপুচি আমাত একো জুৰিলেক কিল।
বেতৰ বাড়িত জীউ আমাৰ উৰিল।।
চৰৰৰ চোটে গাল ভিণ্ডাকাৰ ভৈল।
গদাৰ কোবত কলা ধাতু মাত্ৰ ৰৈল।।
সমূলে মাৰিলে প্ৰাণ কিবা সোধা কথা।
কতেক কহিবো ৰাজা আমাৰ অৱস্থা।। (পদনং ৩০৭—৩১৪)

যম আৰু যমদূতৰ কথোপকথন বৰ দীঘলীয়া। সেয়ে বহলাই উদ্ধৃতি দিয়া নহল। ৩০৭- পদৰ পৰা ৪১৭পদলৈকে বৰ বহলকৈ বিবৰণ সমূহ আছে। মূল ভাগৱতৰ সোতৰটি শ্লোকত যমৰজাৰ মুখেদি নামৰ মহিমা বিকশিত হৈছে আৰু সিমানতে উপাখ্যানটিৰ সমাপ্তিও ঘটিছে। কিন্তু শঙ্কৰ গুৰুৱে অন্তিমতো যম আৰু যমদূতৰ মাজত কথোপকথন অলপ দীঘলীয়া কৰি নাম মাহাত্ম্যৰ কিছু আলোকপাত কৰি কাল্পণিক চিত্ৰৰ এটি সুন্দৰ সমুজ্বল প্ৰলেপ সানিছে। ইয়াৰ মাজতে যমদূত সকলৰ আগত বিষ্ণুদূত সকলে কোৱা কথাৰ কিয়দংশ সূত্ৰও পোৱা যায় (ভাগ-৬/২/১৯)। প্ৰয়োজনবোধে কোনো অংশ অগা-পিছা কৰি অধ্যায়টি সজোৱা হৈছে। মুঠতে গুৰুজনা মূলৰ ওপৰত অধিক নিৰ্ভৰশীল নহয়। মূলক স্পৰ্শ কৰি নিজৰ ধাৰণামতেহে কাহিনী বা বিষয়বস্তুটি সজোৱা হয়। ইয়াৰ

লগত সংযোগ হয় অন্যান্য শাস্ত্ৰৰ একাৰ্থসূচক আভাস আৰু প্ৰলেপ। অজামিল উপাখ্যানতো তেনেকুৱা একোটি একাৰ্থ সূচক প্ৰলেপ পৰিছে।

ভাগৱতৰ ৬/১/৪০, ৬/২/১৭, ১৮ আৰু ৬/৩/১৮ শ্লোকৰ শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাবো গুৰুজনাৰ ১৩৯,১৯১,১৯৮, আৰু ৩৩৭ পদত পৰিছে। মূল ভাগৱতৰ কিছু কথা এৰি টীকাৰ প্ৰভাৱত প্ৰভাৱিত হোৱাত পাঠক সকলৰ মনত সন্দেহৰ অৱকাশ হ'ব বুলি ভাবি গুৰুজনাই স্পষ্টকৈ লিখিছে -

কৰ যোৰে বুদ্ধলোক বোলো ক্ষমিয়োক মোক
মহন্তৰ ক্ষমাসে ভূষন।
আৱেসে টীকাত চাই যেৱে দেখা কথা নাই
তেবে দিবা পদত দূষণ।। (পদনং ৩৫৬)

'হৰিনামৰ মহিমা বিকাশ তথা আগ্ৰহ প্ৰকাশৰ কাৰণে শঙ্কৰদেৱে স্বাভাৱিকতে এই কাহিনী ভাগৰ কথা অলপ বহল কৰিছে। পাৰমাৰ্থিক দৃষ্টিৰেও ইয়াৰ গুৰুত্ব অধিক বুলিব পাৰি। অজামিলৰ দশপুত্ৰৰ ভিতৰত কনিষ্ঠ পুত্ৰৰ 'নাৰায়ন' নামৰখা, অজামিলক ধৰি নিবলৈ তিনিজন যমদূত অহা আৰু ৰাখিবলৈ চাৰিজন বিষ্ণুদূত অহা বিষয়টিৰ তাৎপৰ্য্য আছে। অজামিল বিপ্ৰ পূৰ্ব্বতে এজন "শীলবৃত্তগুণালয়ঃ" ব্যাক্তি আছিল। ইয়াৰ অৰ্থ হল "শীলস্য সৎস্বভাৱস্য বৃত্তস্য সদাচাৰস্য, গুণানাঞ্চ ক্ষমা সৌজন্যাদীনাম্, আলয়ঃ আধাৰঃ" অৰ্থাৎ সুচৰিত্ৰবান্, সদাচাৰ সম্পন্ন, ক্ষমা সৌজন্যাদিৰ আলয় আছিল। কিন্তু এনেকুৱা এজন ব্যক্তিয়ে পতিতাৰ সংযোগত সম্পূৰ্ণ বিপৰীত মুখী হৈ ধৰ্ম্মাধৰ্ম্ম পৰিত্যাগ কৰি পতিতা পুহিবলৈ অকৰ্ম কাম কৰিবলৈকো কুণ্ঠবোধ কৰা নাছিল। তেওঁ আনকি "হেন পাপ নাছিল দ্বিজত নিসিজিল। দুষ্টাৰ প্ৰসঙ্গে নষ্ট ভৈল অজামিল"। তেনেকুৱা এজন ব্যাক্তি হৰিনামৰ প্ৰভাৱত "বিষ্ণুক চিন্তিয়া, চতুৰ্ভুজ ৰূপে, বৈকুণ্ঠত আৰোহিল"। দুষ্টৰ সংসৰ্গত অতি পৱিত্ৰ মনৰ জ্ঞানী লোকো যে অধঃপতিত হয়, তাৰ দৃষ্টান্ত অজামিলতে দিব পৰা হৈছে। সেই কাৰণে এই আখ্যানৰ যোগে সৰ্ব্বসাধৰণৰ মঙ্গলৰ কাৰণে হিতোপদেশ দিয়া হৈছে। সেই কাৰণে নাম ঘোষাত মাধৱদেৱে কৈছে -

সুবাসনা দুৰ্ব্বসনা দুই বন্ধৰ মোক্ষৰ মূল হেতু
শুনা যেনমতে উপজয় পুৰুষত।

সন্তৰ কৃপাত সুবাসনা সুখে পুৰুষক পাৱে জানা
হোৱে দুৰ্ব্বাসনা সন্তৰ মন কোপত।।
মহন্তৰ বাক্য যিটো কৰে তাক সুবাসনা অনুসাৰে
সন্তৰ কৃপাত ভজে গোবিন্দৰ পাৱে।
যিটো মহন্তক নিন্দা কৰে তাক দুৰ্ব্বাসনা বেঢ়ি ধৰে
কৃষ্ণক ভজিবে নপাৰয় মূঢ় ভাৱে।। (ঘোষা- ৫৯৩-৫৯৪)

পাৰমাৰ্থিক দৃষ্টিৰে তিনি যমদূত হ'ল- কায়িক, কাচিক, আৰু মানসিক ভাৱে অজামিলে মহাপাপ কৰা হেতুকে তিনিজন যমদূত উপস্থিত হৈছিল। আনহাতে কাম, ক্ৰোধ, লোভ এই তিনিবিধ হল নৰকৰ তিনিখনি দ্বাৰ (নামঘোষা- ২০৮, ২০৯)। উক্ত তিনিবিধ কৰ্ম্মই আছিল অজামিলৰ মুখ্য কৰ্ম্ম। উক্ত তিনিটি নামৰ তিনিজন দূত উপস্থিত হৈছিল কাৰণে, তাকে পাৰমাৰ্থিক দৃষ্টিৰে কোৱা হৈছে। চাৰি বিষ্ণুদূতৰ পাৰমাৰ্থিক তত্ত্ব হল- অজামিলে তিনি যমদূতৰ আগমন দেখি ভীতি বিহ্বল হৈ যেতিয়া 'নাৰায়ন' নাম উচ্চাৰণ কৰিলে, তেতিয়া সেই নামটিৰ চাৰি আখৰৰ সংখ্যা অনুপাতে (না, ৰা, য়, ন) চাৰি বিষ্ণুদূত উপস্থিত হৈছিল। এয়াই তাত্ত্বিক কথা। ইয়াক আমি সত্য, শৌচ, ক্ষমা, দয়াৰ লগতো তুলনা কৰিব পাৰো।

এই কাহিনী ভাগৰ লগত বহুকেইখন পুথিৰ সংযোগ আছে (কীৰ্ত্তন ঘোষাৰ অজামিল উপাখ্যান দ্ৰষ্টব্য)। পঞ্চম স্কন্ধ ভাগৱতৰ চব্বিশ অধ্যায়ৰ চল্লিশটি শ্লোকৰ ভিতৰত আঠটি শ্লোক বাদ দি বাকী খিনি গ্ৰহণ কৰা হৈছে। ষষ্ঠ স্কন্ধৰ প্ৰথম অধ্যায়ৰ আঠষষ্ঠীটি শ্লোকৰ ভিতৰত ওঠৰটি, দ্বিতীয় অধ্যায়ৰ উনপঞ্চাশটিৰ ভিতৰত দুটি, তৃতীয় অধ্যায়ৰ পয়ত্ৰিশটিৰ এটি শ্লোক বাদ দি মুঠ একৈশটি শ্লোক বাদ দি সৰ্ব্বমুঠ এশ একত্ৰিশটিৰ অনুবাদ কৰা হৈছে।

• • •

(৫) অষ্টম স্কন্ধ (১) - অমৃত মথন

শ্ৰীমদ্ভাগৱতৰ অষ্টম স্কন্ধৰ চৌব্বিশটি অধ্যায়ৰ ভিতৰত গুৰুজনাই পঞ্চম অধ্যায়ৰ পৰা তেইশ অধ্যায়লৈকে সৰ্ব্বমুঠ সোতৰটি অধ্যায়ৰ পদ কৰিছে। ইয়াৰে এক, দুই, তিনি, চাৰি, তেৰ, চৌদ্ধ, আৰু চৌব্বিশ অধ্যায় বাদ পৰিছে। এই পুথিখনিত ঘাই কৈ (১) অমৃত মথন (২) হৰমোহন আৰু (৩) বলিছলন- এই তিনিটি বিষয় বাছি লৈছে। অনুক্ৰমে ইয়াৰ পদসংখ্যা ছশ একচল্লিছ, সাতান্নবৈ আৰু ছশ পোন্ধৰ। সৰ্ব্বমুঠ পদসংখ্যা এহেজাৰ তিনিশ তেপন্নটি। মূল পুথিৰ শ্লোক সংখ্যা ছশ আঠান্নবৈ। আমি এই প্ৰসঙ্গতে সদ্যহতে "অমৃত মথন"ৰ কথাহে প্ৰকাশ কৰিম।

এই স্কন্ধটিৰ আদিতে "গজেন্দ্ৰ উপাখ্যান" কাহিনী ভাগ আছে। ইয়াৰ পদ্যকাৰ গোপালচৰণ। তেওঁ "জয় কৃষ্ণ জয় কৃষ্ণ ভকত বৎসল" বুলি গ্ৰন্থৰ মঙ্গলাচৰণ আৰম্ভ কৰিছে আৰু শেষত লগতে সমুদ্ৰ মন্থনৰ কাহিনী ভাগো লিখিছে। কিন্তু গুৰুজনাই একোটি কাহিনীকে 'সমুদ্ৰ মন্থন'ৰ পৰিবৰ্ত্তে "অমৃত মথন" (মহা ভাগৱত কথা অমৃত মথন) নাম দি সুকীয়াকৈ "জয় জয় নিৰঞ্জন জগতৰ জীৱ" বুলি মঙ্গলাচৰণেৰে বিষয়টি আৰম্ভ কৰিছে। উক্ত স্কন্ধৰ পঞ্চমাধ্যায়ত ৰৈৱত আৰু চাক্ষুষ মনুৰ বংশ বিবৰণো আছে। সেই বিষয়টি শঙ্কৰদেৱে বাদ দি থৈছে আৰু এঘাৰ সংখ্যক শ্লোকৰ পৰাহে কাহিনী আৰম্ভ কৰিছে। কাহিনীটি মূল শ্লোকানুসৰি পৰীক্ষিত ৰজাৰ প্ৰশ্ন ক্ৰমে মুনি দুৰ্ব্বাসাৰ শাপত ইন্দ্ৰৰ শ্ৰী হানি হোৱাত দেৱতাৰ দুৰ্দ্দশাৰ কথা ব্যক্ত কৰা হৈছে। কিন্তু দুৰ্ব্বাসাই ইন্দ্ৰক কিয় অভিশাপ দিবলগীয়া হৈছিল সেই বিষয়ে প্ৰসঙ্গ ক্ৰমে কোনো কথা কোৱা নাই। মূলতো প্ৰথমতে তেনেকুৱা কোনো ইঙ্গিত পোৱা নাযায়। কিন্তু শ্ৰীধৰ স্বামীয়ে তেওঁৰ টীকাত তাৰ এটি ইঙ্গিত দিছে। তাত আছে - "দুৰ্ব্বাসসাহি কদাচিন্মাৰ্গে গচ্ছন্তং ইন্দ্ৰং দৃষ্টা স্বকণ্ঠস্থ মালাতস্মৈ দত্তা। তেন চ

শ্ৰীমদে নানাদৃত্য ঐৰাৱতস্য কুম্ভয়োৰ্নিক্ষিপ্তা স চ গজো মত্তঃ পদ্ভ্যাং তাং মালাং চূৰ্ণী চকাৰ। ততঃ কুপিতো দুৰ্ব্বাসাস্তং শশাপত্ৰিভিঃ লোকৈঃ সহ নিঃশ্ৰীকো ভৱেতি (ভাগ- ৮/৫/১৬ শ্ৰীধৰ টীকা)- অৰ্থাৎ কোনো এটি পথেদি গৈ থকা ইন্দ্ৰক দেখি দুৰ্ব্বাসা মুনিয়ে তেওঁ নিজৰ ডিঙিত পিন্ধি থকা এধাৰি মালা প্ৰদান কৰিলে। সেই মদান্ধ ইন্দ্ৰই মুনি প্ৰদত্ত মালাধাৰি অনাদৰ কৰি ঐৰাৱতৰ মূৰত থলে। ঐৰাৱতেও মত্তাৱস্থাত সেই মালাধাৰ ভৰিৰে মোহাৰি পেলালে। তাকে দেখি দুৰ্ব্বাসাই ক্ৰোধান্বিত হৈ ত্ৰিলোক সহ শ্ৰী হীন হোৱা বুলি অভিশাপ দিলে - ইত্যাদি। এই কাহিনীটি শ্ৰীধৰ স্বামীয়ে বিষ্ণুপুৰাণৰ পৰা টানি আনি প্ৰসঙ্গ ক্ৰমে টীকাত উদ্ধৃতি দিছে (বিঃ পুঃ প্ৰথমাংশ- ৯/২/১৭। ইন্দ্ৰ শ্ৰীহত হোৱাত দৈত্যসকলে সুযোগ পাই স্বৰ্গ আক্ৰমণ কৰি দেৱতাসকলক স্বৰ্গৰ পৰা বিতাৰিত কৰিলে মূলৰ এটি মাত্ৰ শ্লোকতে (৮/৫/১৫) দৈত্য সকলে স্বৰ্গ জয় কৰাৰ বিবৰণ দিছে। দৈত্যৰ নেতৃত্ব কোনে দিছিল, তাৰ কোনো ইঙ্গিত নাই। কিন্তু গুৰুজনাই "চতুৰঙ্গ সেনাগণ সাজি বলিৰাই। মহাকোপে আটোপে স্বৰ্গক গৈলা ধাই" বুলি দৈতেন্দ্ৰ বলিৰ নাম উল্লেখ কৰিছে। তদুপৰি নিঃশ্ৰীক দেৱতাসকলৰ দৈহিক বৰ্ণনা দি এখনি সুন্দৰ চিত্ৰ আঁকিছে। ভাগৱতৰ "নিঃশ্ৰীকাশ্চাভৱংস্তত্ৰ নেশুৰিজ্যাদয়ঃ ক্ৰিয়াঃ" (৮/৫/১৬) এই সূত্ৰৰ ওপৰতে সৃষ্টিমূলক এখনি অতিৰিক্ত চিত্ৰ অঙ্কণ কৰি ৰসিক সকলক ৰসাস্বাদন কৰাইছে। যেনে—

এৰিলন্ত মহালক্ষ্মী তিনিও লোকক।
পৰিল দুৰ্ভিক্ষ ভৈল প্ৰজাৰ মাৰক।।
এৰিলন্ত ব্ৰত বিধি যত যজ্ঞভাগ।
ভুঞ্জিবে নপান্ত দেৱগণে হবিভাগ।।
ভৈলন্ত দুৰ্ব্বল সবে শুখাইল শৰীৰ।
পথত ভ্ৰমন্তে কৈতো ভৰি নযাই থিৰ।।
লক্ষ্মী এৰিলাত সবে ভৈলা নিৰাহাৰ।
ছিদ্ৰ পাই দানৱে দেৱক দিলে ধাৰ।। (পদ নং ১০-১১)

মূলৰ 'নিঃশ্ৰীকাঃ' সূত্ৰটিৰ অৰ্থ হল শ্ৰীহীন বা শ্ৰীহত হোৱা ইত্যাদি। গুৰুজনাই তাৰ ওপৰতে এখনি চিত্ৰ অঙ্কণ কৰিছে। সেইদৰে ভাগৱত ৮/৫/১৫ সংখ্যক শ্লোকটিৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাই আৰু এখনি সুন্দৰ চিত্ৰ অঙ্কণ কৰিছে।

শ্লোকটি হল -

যদা যুদ্ধেঽসুৰৈৰ্দ্দেৱাঃ বধ্যমানাঃ শিতায়ুধৈঃ।
গতাসবো নিপতিতা নোত্তিষ্ঠেৰন্ স্মভূৰিশঃ।। (ভাগ-
৮/৫/১৫)

অৰ্থাৎ— হে ৰাজন! যেতিয়া যুদ্ধত শাণিতাস্ত্ৰধাৰী অসুৰসকলে বহু সংখ্যাৰ দেৱতাৰ প্ৰাণ সংহাৰ কৰিবলৈ ধৰিলে তেতিয়া তেওঁলোক গতায়ু হৈ পুনৰ উঠিব নোৱাৰিলে।

গুৰুজনাই চিত্ৰ আঁকিছে এনেদৰে -

দেখি ইন্দ্ৰে ত্ৰিদশে সহিতে যুদ্ধ দিলা।
দেৱ দানৱৰ মহা সন্ত্ৰাস মিলিল।।
ভৈল যেন প্ৰলয় প্ৰজাৰ ক্ষয়ঙ্কাৰ।
পৰিল অনেক সেনা দৈত্য দানৱৰ।।
দেৱৰ শৰত যিটো দৈত্য যায় মৰি।
শুক্ৰে জীয়াৱন্ত তাক সঞ্জীৱনী কৰি।।
চুইলে মাত্ৰকে যেন উঠি বসে জাগি।
অস্ত্ৰ ধৰি ধাৱে দুনাই দেৱতাক লাগি।।
দানৱৰ শৰত পৰন্ত যত দেৱ।
সমূলে মৰন্ত আৰ নিৰ্জীৱন্ত কেৱ।।
স্বভাৱে দুৰ্ব্বল দেৱ দুৰ্ব্বাসাৰ শাপে।
পৰিয়া নুঠন্ত দেৱতাৰ একো লোকে।।
এক দিকি কৰি দেৱতাক নেই মাৰি।
পলাইল ত্ৰিদশ দানৱত ৰণ হাৰি।।
দাৰুণ দানৱগণে দেৱক ভঙ্গাই।
কৰিলা উচ্ছন্ন অম্ৰাৱতী লুৰি খাই।।
দেৱৰ সৰ্ব্বস্ব কাঢ়ি লৱে ঘৰ খুই।
মহা বৈৰভাৱত ঘৰত দেই জুই।।
লুৰি পুৰি ছাৰ খাৰ কৰি সুৰ পুৰ।
দুনাই পাতালক গৈল যতেক অসুৰ।। (পদনং ১২-১৭)

ভাগৱত ৮/৫/১৭-২৪ শ্লোক পৰ্য্যন্ত থকা বিষয়সমূহ হল- ইন্দ্ৰ বৰুণকে আদি কৰি দেৱতা সকলে মন্ত্ৰণা কৰিও একো সিদ্ধান্ত কৰিব নোৱাৰি সুমেৰু শিখৰত থকা ব্ৰহ্মাৰ সভালৈ গৈ তেওঁক সকলো কথা জনালে। ব্ৰহ্মাই ইন্দ্ৰ, বায়ু আদি দেৱতাক হীনবল আৰু দৈত্যসকলক বীৰ্য্য সম্পন্ন দেখি আচৰিত হল আৰু একাগ্ৰ চিত্তে বিষ্ণুক স্মৰণ কৰিবলৈ ধৰিলে। ব্ৰহ্মাই দেৱতা সকলক কলে - মই ব্ৰহ্মা, শিৱ তোমালোক আৰু মানৱ প্ৰভৃতি জৰায়ুজ, অণ্ডজ, স্বেদজ উদ্ভিদ প্ৰাণী সমূহৰ স্ৰষ্টা-যিজন আৰু যাৰ দ্বাৰা কোনো বধ্য নহয়, যাৰ কোনো ৰক্ষণীয়, উপেক্ষণীয়, আদৰণীয় নহয়, যাৰ সৰ্ব্বত্ৰ সমভাৱ সৃষ্টি, স্থিতি, লয়ৰ অধিকৰ্ত্তা সেইজন ভগৱানৰ শাৰণাপন্ন হওগৈ তেওঁ আমাৰ মঙ্গল বিধান কৰিব। এই বুলি কৈ ব্ৰহ্মাই দেৱতাসকলৰ লগত প্ৰকৃতিৰ নিয়ন্ত্ৰণৰ বাহিৰ ক্ষীৰ সমুদ্ৰস্থিত শ্বেত দ্বীপলৈ যাত্ৰা কৰিলে। এই সূত্ৰটিৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাই সোতৰ সংখ্যাৰ পৰা বত্ৰিশ সংখ্যাৰ পদলৈকে অতি বহলকৈ সৃষ্টিমূলক কিছু বৰ্ণনা দিছে। উক্ত চিত্ৰখনিত দেৱস্তুতি, ব্ৰহ্মাৰ চিন্তা, দেৱতাৰ বিৰহ বেদনাবোৰ ফুটি উঠিছে। মূলত সামান্য মাত্ৰ উল্লেখ থকা কেইটিমান সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাই কাহিনীভাগ সুন্দৰকৈ চিত্ৰিত কৰিছে। মূলত বিষ্ণু পুৰিখনি "তমসঃ পৰম্" (৮/৫/২৪) অৰ্থাৎ "প্ৰকৃতেঃ পৰংস্থানম্" বুলি কৈছে। শ্ৰীধৰ স্বামীৰ টীকা ভাষ্যত উক্ত স্থানৰ কথা কৈছে এনেদৰে "যত্ৰ ক্ষীৰাব্ধৌ হৰেৰ্ব্বাসস্তদেৱ তমসঃ পৰং স্থনম্" অৰ্থাৎ যত ক্ষীৰ সাগৰত ভগৱানৰ বাসস্থান সেয়ে প্ৰকৃতিৰ নিয়ন্ত্ৰণৰ বাহিৰ স্থান। গুৰুজনাৰ ভাষাত "আছে বিষ্ণুপুৰী সত্য লোকৰ উপৰে"। সেইদৰে "অজিতস্য পদম্" অৰ্থাৎ "ক্ষীৰোদধিস্থ শ্বেত দ্বীপং" অথবা ভাষান্তৰতো সত্য লোকৰ উপৰিস্থিত বৈকুণ্ঠকে বুজাইছে।

ব্ৰহ্মাৰ বিষ্ণু স্তুতিখিনি পঁচিশটি শ্লোকত বৰ্ণনা আছে। গুৰুজনাই তাৰ ভিতৰত মাত্ৰ দহোটিমান শ্লোকহে গ্ৰহণ কৰিছে। সেই কাৰণে "বিস্তৰ কৰিলা তুতি আৰো সৃষ্টিকৰে। তাক নকহিঁলো পদ বাহুল্যক ডৰে" (পদ-৪০) আৰু "আনো নানা বিধ কৰিলন্ত স্তুতিচয়। তাক নকহিলো পদ বাহুল্যক ভয়" (পদ-২০৪) বুলি কৈ গুৰুজনাই আগে-পাছে সংক্ষিপ্তকৰণৰ এটি ইঙ্গিত দিছে। সেইদৰে দেৱতাৰ স্তুতিত প্ৰসন্ন হৈ হৰি আৱিৰ্ভাৱ হওঁতে ভাগৱতে দুটি শ্লোকতে বিষ্ণুৰ ৰূপ বৰ্ণনা কৰিছে আৰু গুৰুজনাই তাতকৈ বিস্তৃত ভাবে চিত্ৰ আঁকিছে। গুৰুজনাৰ

শব্দ চয়ন আৰু গঠন প্ৰণালী অলপ সুকীয়া।

ব্ৰহ্মাৰ বিষ্ণু স্তুতিৰ পিছতে বিষ্ণু প্ৰদত্ত উপায় বিধান মাত্ৰ পাঁচটি শ্লোকতে সমাপ্ত কৰা হৈছে আৰু "অহি মূষিকবৎ" (৮/৬/২০) অৰ্থাৎ সাপ আৰু এন্দুৰৰ নিচিনাকৈ- এনে এটি ইঙ্গিতেৰে দৈত্যৰ লগত সন্ধি কৰিবলৈ কোৱা হৈছে। এই সূত্ৰটিৰ ওপৰত ভেজা দি শ্ৰীধৰ স্বামীয়ে টীকাত লিখিছে "ততঃ পশ্চাদহি মূষিকবৎ বধ্যঘাটক স্বভাৱেন বৰ্ত্তিতব্যমিতি শেষঃ। যদ্বা পেটিকায়াং নিৰুদ্ধোঽহিৰ্যথা নিৰ্গমদ্বাৰ বিধানাৰ্থং প্ৰথমং মূষিকেণ সমংসন্ধিং বিধত্তে পশ্চাৎ তমেৱ কদাচিত্তক্ষয়তি তথাৰ্থমাৰ্গ প্ৰবৃত্তৈঃ প্ৰথমং সন্ধেয়া ইত্যৰ্থঃ" বুলি সামান্য মাত্ৰ বহলকৈ কাহিনীটি বুজিব পৰাকৈ লিখিছে। ইয়াৰ অৰ্থ হল-তাৰ পিছত সাপ আৰু এন্দুৰৰ নিচিনাকৈ বধ্য আৰু ঘাটকৰ স্বভাৱেৰে বৰ্ত্তিব লাগে। অথবা, যিহেতুকে সাপক আৱদ্ধ কৰি ৰখা পেৰাটোৰ পৰা যেনেকৈ প্ৰথমতে সাপে এন্দুৰৰ লগত মিত্ৰতা স্থাপন কৰি বহিৰ্গমনৰ বাবে সুযোগ ললে-আৰু পিছত এন্দুৰক ভক্ষণ কৰি পেলালে, সেইদৰে প্ৰথমতে সন্ধি বা মিত্ৰতা স্থাপন কৰিব লাগে ইত্যাদি। গুৰুজনাই বিষ্ণুৰ মুখেদি দৈত্য নাশৰ বহুতো পৰামৰ্শ নিজৰ তুলিকাৰে সৃষ্টিমূলক বৰ্ণনা দি শেষত সাপ আৰু এন্দুৰৰ এটি দীঘলীয়া 'সাধুকথাৰে' পূৰ্ব্বোক্ত সূত্ৰটিৰ ওপৰত নিৰ্ভৰ কৰি সুন্দৰকৈ লিখিছে। ভাগৱতত ইমান বিস্তৃত ভাৱে সাধু কথাটি পোৱা নাযায়। একাৱন্ন সংখ্যাৰ পৰা চৌৱন্ন সংখ্যাৰ পদলৈকে বৰ্ণিত সকলো কথা মূল ভাগৱতত নাই। গুৰুজনাই মূলক মাত্ৰ স্পৰ্শহে কৰিছে। ইমান সুন্দৰ আৰু ৰসাল সাধুকথা বা আখ্যানটিৰে শত্ৰুপক্ষক পৰাজিত কৰিব পৰা মিত্ৰতা স্থাপনৰ উপায় বিধানটি ভাগৱতৰ আৰু শ্ৰীধৰ স্বামীৰ টীকাৰ সামান্য সূত্ৰৰ ওপৰত নিৰ্ভৰ কৰি বিশদ বৰ্ণনা কৰা বিষয়টি ভাবিবলগীয়া এই অধ্যায়টিৰ কাহিনী মূলত সংক্ষিপ্ত যদিও গুৰুজনাৰ হস্ত পৰশত ই জীৱন্ত আৰু ৰসাল হৈ পৰিছে। তলত উদ্ধৃতি দিয়া হল।

ভগবান বিষ্ণুৰ উপদেশ -

(১) দেৱতাৰ তুতি শুনি মেঘৰ গম্ভীৰ ধ্বনি
মাতিলন্ত ত্ৰিজগত পতি।
শুনা ব্ৰহ্মা শুনা হৰ শুনা দেৱ নিৰন্তৰ
মোৰ বচনক কৰা ৰতি।।

পৰাক্ৰমে কেনে ফল বুদ্ধিসে পৰম বল
জ্ঞানীসবে হেনসে কহন্তি।
তুমি সব বল ক্ষীণ যুজৰ নুহিকে দিন
দৈত্যয়েৰে হুয়ো সময়ন্তি।।
আপদৰ বুজি ভাব ছাগৰ পখালি পাব
আত নকৰিবা কিছু লাজ।
থাকিয়ো দুখক সহি শত্ৰুৰ কান্ধত বহি
সাধিয়োক আপোনাৰ কাজ।।
মোৰ বাক্য মনে ধৰি চাকট চোকট কৰি
দৈত্যয়েৰে হুয়ো এক থান।
মন্ত্ৰি হুইবো পৰিপন্থী ক্ষীৰ সাগৰক মথি
দুৰ্লভ অমৃত কৰা পান।।
দুৰ্ব্বাসাৰ জানি কষ্ট যিবা লক্ষ্মী ভৈলা নষ্ট
দুনাই তেহো হুইবা হেন জানি।
বাসুকিক কৰা জৰি উভাৰি মন্দৰ গিৰি
সাজিয়ো মথানি দাণ্ডি আনি।।
দেৱে দৈত্য সাজু হুই সাগৰ মথিবা দুই
অমৃতকো পাইবা শঙ্কা নাই।
দৈত্যে দুখ পাইবে মাত্ৰ অমৃতৰ হুইবা পাত্ৰ
তুমিসবো মোহোৰ উপাই।।
শুনা আৰো আসৰিশ কালকূট নামে বিষ
প্ৰথমতে উঠিব সচলে।
তাক নডৰিবা কেৱে পান কৰি মহাদেৱে
ঝাৰিবন্ত তাক যোগবলে।।
যিবা উঠে বস্তু যত মোহ নকৰিব তাত
দৈত্যয়েৰে নলগাইবা দ্বন্দ্ব।
প্ৰীতি কৰি সাধা কাজ প্ৰীতি কশ্য হোৱে ৰাজ
কন্দলত পৰে নাহি মন্দ।। ইত্যাদি

(২) "অহিমূষিকবৎ" (৮/৬/২০) আধাৰত -

আৰো কহো শুনা এক পুৰাতন কথা।
সৰ্পে কৰিলেক যেন মুষৰ অৱস্থা।।
এক বৃদ্ধ গোমক ধৰিয়া লোকে চান্দি।
অতি যত্ন কৰিয়া ফেঁটীত আছে বান্ধি।।
শোকে দুখে পীড়িল দুৰ্ব্বল নিৰাহাৰে।
নেদেখে উপায় আৰো আপদ আন্ধাৰে।।
আসুখ অশান্তি চিত্ত কৰে উতপাত।
পাচে বৃদ্ধ ইন্দুৰৰ শুনিলেক মাত।।
পুত্ৰ নাতি সহিতে তহিতে ফুৰে চড়ি।
মাতিবে লাগিলা পাছে সৰ্পে বুদ্ধি কৰি।
শুনিয়ো ইন্দুৰ ককাই বচন আমাৰ।
কুশলে কি আছা তুমি পুত্ৰ পৰিবাৰ।।
মোত কৰি জানিলো বযসে তুমি চাৰ।
ইঠাইৰ পৰা হেৰা কৰো নমস্কাৰ।।
সৰ্প হেন জানি নিঘিনিবা মহামতি।
তুমি আমি কৰো আসা মহা মিত্ৰৱতি।।
হেন শুনি গুণি মূষে মাতিলেক পাছে।
ভক্ষ ভক্ষকৰ কৈত মিত্ৰবতি আছে।।
ক্ৰুড় সৰ্পজাতি আৰো স্বভাৱে দন্দুৰ।
তোৰ আগে কোন আমি দুৰ্ব্বল ইন্দুৰ।।
যিটো দুইৰ হৱে তুল্য বল বুদ্ধি বিত।
তাৰেসে বিবাদ মিত্ৰৱতিক উচিত।
তুমি আমি বৈৰ ভাৱ অনেক পুৰুষে।।
কৈত শুনি আছা কুটুম্বিতা সৰ্পে মূষে।
কিসক কৰিবো মই তোমাক বিশ্বাস।।
আপুনি চিন্তিবো আপোনাৰ সৰ্ব্বনাশ।
হেন শুনি সৰ্পে বোলে বিষ্ণু বিষ্ণু স্মৰি।।

অনেক বৎসৰ আছো ব্ৰহ্মাচৰ্য্য ধৰি।
পৰজীৱ হতকৰি মহাপাপ সঞ্চে।।
এক কোটি জন্ম সিটো নৰকত বঞ্চে।
অসাৰ সংসাৰ আত জীবো কতকাল।।
মিত্ৰ দ্ৰোহ কৰিবো তেবেতো মোৰ ভাল।
নাহিকে সংশয় আত চিত্ত কৰা থিৰ।।
নাযাহা সঞ্জাত যেবে খাওঁ পুত্ৰ শিৰ।
সৰ্পৰ বাক্যত গৈল মূষৰ সঞ্জাত।।
ভৈলো মহা মিত্ৰ বুলি লগাইলেক মাত।
কথাতে জানিলো তুমি পৱিত্ৰ স্বভাৱ।।
তুমি আমি কেনমতে হওঁ একঠাৱ।
হেন শুনি সৰ্পে বোলে সুপ্ৰসন্ন বিধি।।
এবেসে জানিলো মনোৰথ হৈল সিদ্ধি।
আউৰ কৈক ঘাস বুঢ়া মূষ মোৰ হাতে।
মহাৰঙ্গে গোম পাছে ইন্দুৰক মাতে।।
ঝান্টে কাটাফেটী বাজ হওঁ প্ৰাণমিত্ৰ।
তোমাক দেখিবে মোৰ উত্ৰাৱল চিত্ত।।
কত তপসাই পাইলো তুমি হেন সখি।
বিলম্ব নকৰা দুয়ো হওঁ দেখা দেখি।।
শুনি মূষে ফেটীক পেলাইলা দান্তে কুটি।
বাজ হুয়া গোমে লগাইলেক সাটি-সুটি।।
দুয়ো দুইকো বাৰে বাৰে কৰিয়া সেৱলি।
ৰঙ্গে মূষে গোমে লগাইলেক গলাগলি।।
মূষে বোলে গৰ্ত্তক চলিয়ো সখি সাজি।
সৰ্পে মনে গণৈ কিনো সুপ্ৰভাত আজি।।
আগ ভৈলা মূষ সৰ্প পাছ ভৈলা জানি।
লট পট কৰয় জিহ্বাৰ পৰে পানী।।
অনাহাৰে সৰ্পৰ উদৰে অগ্নি জ্বলে।
ছিদ্ৰ চাই মূষক কাপোৰ দিলা গলে।।
মূষে বোলে কিয় পৰিহাস কৰা সখি।

লৱ মিত্ৰ বন্ধাইলো হাসিবে লোকে দেখি।।
তোমাৰ আমাৰ উমলিবে কোন ফল।
এতেকে বোলন্তে সৰ্পে ছিণ্ডিলন্ত গল।।
ভুঞ্জিলেক মাংস তাৰ পিলেক শোনিত।
বুদ্ধি কৰি বৃদ্ধ গোম ভৈল কৃত কৃত্য।।
আনো যত মুষ আছে তাকো খেদি খাইল।
সেহি গৰ্ত্তে পশি পাছে লীলায়ে পলাইল।।
হেন জানি দেৱগণ মোৰ বাক্য ধৰা।
মিত্ৰ পাতি দৈত্যক সৰ্পৰ মতে মাৰা।।
বৈৰক মাৰন্তে দোষ নাহিকে মিছাত।
ছলে বলে শত্ৰুৰ কৰিয়ো কন্ধপাত।। ইত্যাদি

বিষ্ণুৰ বিধান অনুসৰি দেৱতা সকলে বলি ৰজাৰ সভালৈ যাত্ৰা কৰে। সেই প্ৰসঙ্গতে ভাগৱত ৮/৬/২৭-৩৯ সংখ্যাৰ মুঠ তেৰটা শ্লোকতে বলিৰ ৰাজ সভাত প্ৰৱেশ, অমৃত মথনৰ আলোচনা, মন্দৰগিৰি আনয়ন, দেৱ দানৱৰ নাশ, ইত্যাদি বিষয়ৰ আলোচনা কৰা হৈছে। কিন্তু সাহিত্যকাৰ তথা কবিগুৰু শঙ্কৰ দেৱে সাত সত্তৰ সংখ্যক পদৰ পৰা এশ সাতাৱন্ন পদলৈকে যিখিনি বৰ্ণনা দিছে বা এখনি কাল্পনিক চিত্ৰ আঁকিছে, তাক বুজিবলৈ হলে মূল ভাগৱতৰ বিষয়টি আদ্যন্ত গভীৰভাৱে অধ্যয়ন নকৰিলে সেই চিত্ৰৰ বিষয়টি সহজে বুজিব নোৱাৰি। অষ্টম স্কন্ধৰ উক্ত তেৰটি শ্লোকৰ আধাৰত গুৰুজনাই বিষয় সঙ্গতি ৰক্ষা কৰি অথবা মূল বিষয়ৰ লগত কাল্পনিক চিত্ৰৰ বিষয়বোৰ খাপ খুৱাই এনেকৈ সজাইছে যে মাধৱদেৱৰ ভাষাৰে “গীত কবিত্ব গুণ, শঙ্কৰদেৱৰ, কীৰিতি গয়ো বহু দূৰ” বুলি কব পাৰি। উক্ত চিত্ৰত প্ৰতিফলন ঘটিছে জতুৱা ঠাঁচ আৰু অসমীয়াৰ সহজবোধ্য আৰু অবোধ্য কিছুমান শব্দ আৰু বাক্যৰ গাঁঠনি। কিছুমান বৰ্ণনাত শত্ৰু গৃহাগত হলেও যে আতিথ্য সৎকাৰ কৰিব লাগে, ভয়াতুৰজনৰ চৰিত্ৰ কেনে হয়, উগ্ৰপন্থী বা উদণ্ড লোকৰ কেনেকুৱা অতপালি হয় ইত্যাদিৰ তুলনা বা উপমাৰ ৰসাল কথাৰে ভৰপুৰ হৈছে। তাৰ উদাহৰণ দি বলিৰ ৰাজ সভালৈ যোৱা আৰু দৈত্যসকলৰ মাজত হোৱা আলোচনা আৰু উদণ্ড প্ৰকৃতিৰ বাক্য গোটাচেৰেক তুলি দিয়া হল।

(৩) বিষ্ণুৰ আদেশ বাণী।
ইন্দ্ৰে শিৰে ধৰি আনি।।
দেৱে সমে গৈলা চলি।
যৈত আছে ৰাজা বলি।।
এৰিলা হাতৰ অস্ত্ৰ।
গাৱত কেৱলে বস্ত্ৰ।।
চাড়িলন্ত গৰ্ব্ব ভাৱ।
সৱে ভৈলা ভূমি পাৱ।।
নিৰন্তৰে দেৱঝাক।
কুটুম্বিতা কৰিবাক।।
পশিলা পাতাল পুৰ।
হিয়া কৰে দুৰ দুৰ।।
ভয়ে গৰ্ভ যাই গলি।
শুধা হাতে যান্ত চলি।।
একো নাহি যুদ্ধ কাচ।
সঘনে চাহন্ত পাছ।।
যোনো দৈত্যে ধৰৈ আসি।
নাহি কথামাত হাসি।।
কাৰো কেৱে নৈবৈ লাগ।
অন্যোঅন্যে হবৈ আগ।।
পৰম সভয় মনে।
এহিমতে দেৱ গণে।।
যুথ হুয়া চলি-যান্ত।
নোলাই মুখৰ মাত।।
দৈত্যৰ যতেক নাৰী।
বেঢ়ি চাৱৈ শাৰী শাৰী।।
এহি গোটা দেৱৰাজ।
আমাসাৰ মাৰে ৰাজ।।

আমাৰ ৰাজাক যুঁজে।
এৱে কোন মান্য বুজে।।
নোৱাৰিল দেখি আতি।
থাকিবে দৈত্যতে খাটি।।
ভাগিল সকলে টোল।
দেখা নাই মাত বোল।।
যেন পাইলা পুত্ৰ শোক।
চলি যান্ত দেৱলোক।
কদৰ্থয় এহি বুলি।
নচাহন্ত মাথা তুলি।
চলি যান্ত হেঠ মাথে।
পাছে ত্ৰিদশৰ নাথে।।
বলিৰ পাইলন্ত দ্বাৰ।
ত্ৰিদশক দিয়া ধাৰ।।
এক ঠাই হুয়া ৰৈলা।
দ্বাৰিক মাতিবে লৈলা।।
শুনিয়োক দ্বাৰ পাল।
যত দেৱ ভাল ভাল।।
আসিছো আপোন কাজে।
নাহি কিছু বস্ত্ৰ বাজে।।
দেখ তই বিদ্যমান
ৰাজাত দিয়োক জান।।
(৪) শুনি দ্বাৰ পাল আন্টাইলেক দৰ-দৰি
ৰাজাক প্ৰণামি বিনাৱন্ত কৰ যোৰি।।
শুনাহা দেৱাধিদেৱ প্ৰভু দৈত্যৰাজ।
আসিয়া আছন্ত সৱে দেৱতা সমাজ।
নাহি অস্ত্ৰ শস্ত্ৰ ৰস্ত্ৰ মাত্ৰ শৰীৰত।
শুধা হাতে ইন্দ্ৰ ৰহি আছন্ত দ্বাৰত।।

লগত আছন্ত আসি গুৰু বৃহস্পতি।
চেষ্টিয়া চাহিলো কাতো নাহি আন মতি।।
জানিলো তোমাতে আসি পশিবে শৰণ।
যেন যুৱাই আদেশিয়ো দেৱৰ কাৰণ।।
হেন শুনি বিমৰিষ কৰে দৈত্যেশ্বৰ।
বৰা বৰা দৈত্যে উঠি দিলন্ত উত্তৰ।।
ত্ৰিদশৰ সকলে ভাৱনা ভৈল চুৰি।
তোমাত পশিল পলাইবাক নাহি পুৰী।।
অপ্ৰয়াসে আমাৰ সাধিলে বিধি কাজ।
আজি অকন্টকা ইটো ভৈল সামৰাজ।।
কেহো বোলে দেৱগণ কপটৰ ঘৰ।
কুট নাট কৰি দেৱে মৰাইল বিস্তৰ।।
বুজিসি আনিবা প্ৰভু সমজ্যাক লাগি।
কেহো বোলে অনেক পুৰুষে দেৱে দন্দি।।
আজ্ঞা কৰা ত্ৰিদশক বেঢ়ি কৰো বন্দী।
দশ কলা জিঞ্জিৰি লগাওঁ গলে হাতে।।
আন শাস্তি নলাগে সবাকো মাৰো ভাতে।
কেহো বোলে দেৱতাৰি ভাঙ্গো সবে টোল।।
আজ্ঞা কৰা বেঢ়ি ধৰি গলে লগাও দোল।
বানৰক যেন নচুৱাওঁ ঘৰে ঘৰে।।
চাউল মাগি খাউক সবে প্ৰাণক কাতৰে।

বৰা বৰা দৈত্যগণৰ আক্ৰোশমূলক বাক্য ভাগৱতত অভাৱ। দৈত্যৰাজ বলিৰ নিষেধ বাক্যৰো অভাৱ। দৈত্যসকলৰ উক্ত বাক্য, বলিৰ দ্বাৰা প্ৰত্যাখ্যাত বাক্য গুৰুজনাৰ নিজা সৃষ্টি। বলিয়ে দৈত্যসকলক কৈছে -

(৫) হেন শুনি পাছে দৈত্যেশ্বৰ মহামানী।
সবাকো নিষেধি হেন বুলিলন্ত বাণী।।
মোৰ গৃহাগত আসি ভৈলা দেৱগণ।
কিসক বোলাহা হেন অযোগ্য বচন।।

যেৱে মহা শত্ৰু সৱো হোৱয় অথিতি।
দেৱ হেন মানি তাকো কৰিবা ভকতি।।
পূৰ্ব্ব দোষ গুণ কিছু নকৰি বিচাৰ।
হেনসে শাস্ত্ৰৱ নয় ধৰ্ম্ম ব্যৱহাৰ।।
দেৱতাৰ মায়াক মোহোৰ শঙ্কা নাই।
কপট কৰিয়া কাৰ উৰুৱাইবে চাই।।
হেৰ দ্বাৰ পাল ঝান্তে দ্বাৰ দেহ ছাৰি।
আসোক দেৱতা গণ সমজ্যাক লৰি।।

পূৰ্ব্বোক্ত দৈত্যসকলৰ আক্ৰোশ বাক্য আৰু বলিৰজাৰ সান্ত্বনা বাক্যৰ মূল বিশেষ তথ্য নাথাকিলেও ভাগৱতৰ (৮/৬/২৮) এটি শ্লোকৰ সূত্ৰৰ আধাৰতে বহলকৈ গুৰুজনাই দাঙি ধৰিছে। শ্লোকটি এনেধৰণৰ-

দৃষ্টাৰীনপসংযত্তান্ জাত ক্ষোভান্ স্বনায়কান্।
ন্যষেধদ্দৈত্যৰাট্ শ্লোক্যঃ সন্ধিবিগ্ৰহকালবিৎ।। (ভাগ-৮/৬/২৮)

অৰ্থাৎ- সন্ধিস্থাপন আৰু যুদ্ধ বিগ্ৰহত বিশেষজ্ঞ দৈত্যৰাজ বলিয়ে কৱচ আৰু অস্ত্ৰ ত্যাগী দেৱগণক দেখা পাই দেৱবধোদ্যত নিজৰ দৈত্য সৈন্যসকলক যুদ্ধ কৰিবলৈ বাধা প্ৰদান কৰিলে।

কৱচাস্ত্ৰ ত্যাগ কৰি শুদা হাতে বলি ৰাজসভালৈ আহোঁতে দেৱগণৰ বৰ্ণনা, দৈত্যগণৰ আক্ৰোশ মূলক বাক্য আৰু বলি ৰজাৰ নিষেধ বাক্য- এই তিনিওটিৰ সামান্য বৰ্ণনা থকা শ্লোকটিৰ আধাৰতে গুৰুজনাই ইমান বহলকৈ লিখিছে যে পদখিনি পঢ়িলে শ্লোকৰ বাহিৰৰ কথা বুলি ধৰিবই নোৱাৰি। আনহাতে অতিথি গৃহাগত হলে তেওঁক বিষ্ণু জ্ঞান কৰিব লগা বা শত্ৰু গৃহাগত হ'লে তেওঁক যথোচিত সাদৰ অভ্যৰ্থনা কৰিব লগা বিষয়টি ভাৰতীয় সভ্যতা-সংস্কৃতিৰ এটি সুন্দৰ নিদৰ্শন আছে। মহাভাৰতৰ শান্তি পৰ্ব্বত ভীষ্ম পিতামহে যুধিষ্ঠিৰক অতিথি অভ্যাগত সকলক কেনেকুৱা ব্যৱহাৰ কৰিব লাগে তাৰ এটি উপদেশ দিছিল আৰু সেই প্ৰসঙ্গতে "কপোত লুব্ধকোখ্যানম্" নামৰ এটি সাধু কাহিনীও ব্যক্ত কৰিছে। বলিৰজা ভাৰতীয় সভ্যতা সংস্কৃতিৰ এগৰাকী মহান খনিকৰ হিচাপে দেখুৱাবলৈ গুৰুজনাই তেওঁৰ মুখেদি অতিথি অভ্যৰ্থনাৰ বিৱৰণ দাঙি ধৰিছে।

এনে বৰ্ণনাই বলিৰজাক এগৰাকী সাৰ্থক নৃপতি ৰূপে পৰিচয় দিয়া হৈছে আৰু ভাৰতীয় সমাজৰ মানবীয়তাৰ দিশো প্ৰতিফলিত কৰা হৈছে।

পূৰ্ব্বোক্ত শ্লোকটিৰ আধাৰত বহলভাৱে যেনেকৈ বৰ্ণনা দিয়া হৈছে, তেনেকৈ আৰু এটি শ্লোকৰ আধাৰত গুৰুজনাই নিজৰ সৃষ্টিমূলক বৰ্ণনাৰে বৰ বহলকৈ লিখিছে। শ্লোকটি উদ্ধৃত কৰা হ'ল-

মহেন্দ্ৰঃ শ্লক্ষ্ণয়া বাচা সান্ত্বয়িত্বা মহামতিঃ।
অভ্যভাষত তৎসৰ্ব্বং শিক্ষিতং পুৰুষোত্তমাৎ।। (৮/৬/৩০)

অৰ্থাৎ- মহামতি ইন্দ্ৰই মধুৰ বাক্যেৰে অসুৰসকলক সান্ত্বনা প্ৰদান কৰি বিষ্ণুৰ ওচৰত যেনেকৈ শিক্ষা কৰি আহিছিল, সেইদৰে সকলো কথ্য ব্যক্ত কৰিলে। গুৰুজনাই ব্যাখ্যা দিছে এনেকৈ —

(ঙ) শুনি দ্বাৰ পালে দ্বাৰ দিলা তাৰক্ষণে।
ইন্দ্ৰক আৱৰি পশিলন্ত দেৱগণে।।
নাহি কথা মাতবোল শঙ্কিত স্বভাৱ।
ইন্দ্ৰক দেখিয়া বলি চালিলন্ত গাৱ।।
ভৰি পাঞ্চ সাত আগ বাঢ়ি ৰঙ্গমনে।
আঙ্কোৱালি ইন্দ্ৰক বসাইল সিংহাসনে।।
নমস্কাৰ কৰি দৈত্যৰাজ ভৈলা থিৰ।
কপটে বোলন্ত ইন্দ্ৰে,হয়ো চিৰজীৱ।।
সেহি সিংহাসনে পাছে বসি মহাবল।
ইন্দ্ৰক সাদৰি ৰাজা পুছিলা কুশল।।
আনো দেৱতাক বলি দিলা অনুমতি।
শুক্ৰৰ আসনে বসিলন্ত বৃহস্পতি।।
বসিলা জয়ন্তে পাছে বাণৰ আসনে।
তাৰকে সহিতে গৈয়া বসিলা পৱনে।।
জম্ভে সমন্বিতে বসিলন্ত যমৰাই।।
বৰুণে সম্বৰে বসিলন্ত একোঠাই।
নৰকৰ আসনত সূৰ্য্য গৈলা চলি।
ৰাহুৰ চন্দ্ৰৰ লাগি গৈল গলাগলি।।

মধ্যে বিশ্বকৰ্ম্মা হাস্য কৰিলা প্ৰকটি।
ত্ৰিপুৰে কুবেৰে ভৈলা সাৱটা সাবাটি।।
অশ্বিনী কুমাৰ মহিষৰ সমীপত।
বসিলন্ত ৰুদ্ৰগণ জন্তুৰ লগত।।
সমজ্যাক গৈল আনো যত দেৱগণ।
সবাকো দিলন্ত দৈত্যে অৰ্দ্ধেক আসন।।
যেন অশ্ব মহিষে ভৈলেক একঠাৱ।
হস্তী সিংহে ভৈল যেন মিত্ৰৱতি ভাৱ।।
অন্যো অন্যে কথা কহি কৰন্ত উচ্চুক।
সবাকো নিৰুধি ইন্দ্ৰে কৰিলা নিচুক।।
বলিক সম্মুখি পাছে দিলন্ত উত্তৰ।
আছিলন্ত হিৰণ্যকশিপু দৈত্যেশ্বৰ।।
সম্বন্ধত গৰীষ্ঠ সপত্নী মোৰ ভাই।
ৰাজ্য ভাৰ লৈলা কাঢ়ি আমাক খেদাই।।
অনেক নিকাৰ দুখ দিলা মহাকষ্ট।
গোত্ৰ বিৰোধত পাছে তেহো ভৈলা নষ্ট।।
তানে পুত্ৰ ভৈলা আসি বৈষ্ণৱ প্ৰহ্লাদ।
সুখে কাল গৈল যাৰ নাছিল বিবাদ।।
তাহান তনয় বিৰোচন তযু তাত।
একে কাশ্যপত হন্তে সবে ভৈলো জাত।।
কাল বিধি আমাক কৰাৱে লটিঘটি।
কেনে দেৱাসুৰে মৰো কৰি কটাকটি।।
ইটো ৰাজ্য ভাৱে কাকো নাটে মনেগুণা।
আসা সময়ন্তি হওঁ যেবে বুদ্ধি শুনা।।
দেৱে দৈত্য যেৱে আমি থাকো একেতৰে।
কাক দৰ আছে তেৱে ব্ৰহ্মাণ্ড ভিতৰে।।
আপুনি পণ্ডিত তুমি পৰম সুবোধ।
ভাঙ্গিয়োক এৱে দেৱ দৈত্যৰ বিৰোধ।।

এহিসে কাৰণে ভৈলা তযু গৃহাগত।
আন চিত্ত আছে যেৱে তোমাৰ শপত।।

পূৰ্ব্বোক্ত শ্লোকৰ ভিত্তিতে এই গোটেইখিনি পদ গুৰুজনাই নিজাকৈ সৃষ্টি কৰিছে। ইয়াৰ পিছতে আন এটি শ্লোকৰ আধাৰত গুৰুজনে বহু বিষয় সংযোগ কৰি ভালেখিনি পদ ৰচনা কৰিছে। শ্লোকটি হল -

তত্ত্বৰোচত দৈত্যস্যতত্ৰান্যে যেঽসুৰাধিপাঃ।
শম্বৰোঽৰিষ্ট নেমিশ্চ যে চ ত্ৰিপুৰ বাসিনঃ।। (৮/৬/৩১)

অৰ্থাৎ- ইন্দ্ৰ কথিত সেই সকলো বিষয় দৈত্যৰাজ বলি শম্বৰ, অৰিষ্ট নেমি আৰু ত্ৰিপুৰবাসী সকলোৱে সমৰ্থন কৰিলে।

(৭) হেন শুনি সমাধান দিলা দৈত্যেশ্বৰ।
অকাৰণে কৰে দ্বন্দ্ব কোননো পামৰ।।
তুমি আমি যেৱে সময়ন্তি হওঁ দুই।
খণ্ডে উতপাত ত্ৰিজগতে সুখী হুই।।
সম্বন্ধত গৰীষ্ঠ আমাৰ তুমি জেঠা।
স্বৰূপত জানিলো তোমাৰ আমি বেটা।।
পুত্ৰ নিদাৰুণ যদি হোৱৈ কদাচিত।
নুহিবে দাৰুণ পিতৃ হেনসে বিহিত।।
হেন জানি তুমি পূৰ্ব্ব দোষক মৰষি।
হুয়ো সময়ন্তি দেৱৰাজ মহাযশী।।
মোৰ গৃহাগত আসি ভৈলা দেৱগণ।
ভৈলো সময়ন্তিসবে ভৈল শুদ্ধমন।।
এহি বুলি বলিৰায় দিলা হাত বাৱ।
কৈৰা সেনাপতিগণ ঝান্টে আগুবাৱ।।
লুৰি আনি আছোহো দেৱৰ ধন যত।
আমাৰ আদেশে আনি দিয়োক সমস্ত।।
আজি ধৰি দিলো যত দেৱক নিৰ্ভয়।
এহি শুনি ত্ৰিদশে কৰিলা জয় জয়।।
দৈত্যগণে ৰাজাৰ আজ্ঞাক শিৰে ধৰি।

দেৱৰ সৰ্ব্বস্বমানে দিলা বাজ কৰি।।
হেন দেখি অশেষ ইন্দ্ৰৰ ৰঙ্গমন।
সাৰ্থক বুলিলা বাক্য দেৱ নাৰায়ন।।
আৱেসে জানিলো মনোৰথ হৈব সিদ্ধি।
দুনাই মাতিলা ইন্দ্ৰে বলিক সম্বুধি।।

ইয়াৰ পিছত ইন্দ্ৰই ক্ষীৰ মন্থন কৰি অমৃত উলিয়াই তাক পান কৰি অজৰ-অমৰ হোৱাৰ কথা ব্যক্ত কৰিছে। কিন্তু এই বিৱৰণ পদতহে আছে, মূলত নাই। এই প্ৰসঙ্গটি বিষ্ণুৱে দেৱগণক দিয়া বুদ্ধিৰ সময়তহে ওলাইছিল (ভাগ- ৮/৬/২১, ২২, ২৩)। বিষ্ণুৱে অমৃত মন্থন কেনেকৈ কৰিব লাগিব, তাৰো দিহা-বুদ্ধি দিছে। সেই কাৰণে এই প্ৰসঙ্গত মূলত পুনৰুক্তি কৰা নাই। মাত্ৰ মূলৰ (৮/৬/৩০) "অভ্যভাষত তৎ সৰ্ব্বং শিক্ষিতং পুৰুষোত্তমাৎ" অৰ্থাৎ বিষ্ণুৰ ওচৰত যেনেকৈ শিক্ষা কৰি আহিছিল, সেইমতে (ইন্দ্ৰই বলিক) কলে — এনেদৰেহে সংক্ষিপ্ত কৰি কৈছে। কিন্তু শ্ৰীধৰ স্বামীয়ে উক্ত শ্লোকটিৰ টীকাত "তৎসৰ্ব্বং অমৃতোন্মথনাদি" বুলি কিঞ্চিৎ প্ৰকাশ কৰিছে কাৰণে গুৰুজনাই পদত কিছু বহলাইছে। গুৰুজনাই ইন্দ্ৰৰ মুখেদি কোৱাইছে এনেকৈ —

(৮) আনো হিত কাৰ্য্য কহো শুনা মহাৰথি।
অমৃতক পাই ক্ষীৰ সাগৰক মথি।।
বুলিলা ঈশ্বৰে মোত এহি তত্ত্ব বাণী।
কৰিব মথনি দাণ্ডি মন্দৰক আনি।।
মথিয়ো অমৃত বাসুকিক জৰি কৰি।
মই- অনুকূল হুইবো বুলিলন্ত হৰি।।
দেৱগণে আমি নোৱাৰোহো তাক আটি।
আসা অমৃতক খাওঁ দুয়োঘৰে বাটি।।
অমৃতক পিলে হৈবো অজৰ অমৰ।
হেনজানি হেলা নকৰিবা দৈত্যেশ্বৰ।।
দেৱে দৈত্য আমি যেৱে হওঁ একমত।
কোনবা অসাধ্য আছে ইতিনি লোকত।।

ইন্দ্ৰৰ এই যুক্তিপূৰ্ণ বাক্য শুনি বলিৰাজে উৎসাহিত হৈ কবলৈ ধৰিলে। কথাখিনি অৱশ্যে মূলত নাই। গুৰুজনাই ৰচিত এই পদখিনি সৃষ্টি মূলকহে।

পদখিনি উদ্ধৃত কৰা হ'ল —

(৯) হেন শুনি বলি মাতিলন্ত মনে গুণি।
অমৃতৰ কথাক আমিও আছো শুনি।।
পৰম দুৰ্লভ অমৃতক যেবে পাওঁ।
আউৰ কিবা চাওঁ আসা এতিক্ষণে যাওঁ।
বৰ বৰ দৈত্যক বুলিলা বলিৰায়।
হুয়ো এক থান সবে নিশান কোবাই।।
সত্বৰে বজায়ো আসি মহা মহাৰথী।
অমৃতক খাওঁ ক্ষীৰ সাগৰক মথি।।

বলিৰজাৰ আদেশ শুনামাত্ৰেই দৈত্যসকলে কৰা উদুলী মুদুলিৰ পৰিবেশৰ তথ্য ভাগৱতত অভাব। এই খিনিতে গুৰুজনাই স্বভাৱজাত কবিত্ব প্ৰতিভাৰে সৃষ্টি মূলক বৰ্ণনা আগবঢ়াইছে। যেনে -

(১০) ৰাজাৰ আদেশে নিশানত দিলা বাৰি।
কাচি-পাৰি আইল দৈত্য সেনা বাসা ছাড়ি।।
কাল পিম্পৰাৰ শাৰী ওলাই যেন চানি।
অমৃতৰ কথাত জিহ্বাৰ পৰে পানী।।
ইন্দ্ৰক বোলন্ত জেঠা যায়ো আগ হুই।
মেৰুৰ মূলত একঠাই হইবো দুই।।
দেৱ সেনাগণক কৰিয়ো একঠাই।
এহি বুলি সমিধান দিলা বলিৰাই।।
হেন বাণী শুনি ইন্দ্ৰে সমে দেৱবৰ্গ।
বায়ু বেগে বাসৱে ত্বৰিতে পাইলা স্বৰ্গ।।
নিশান বজাই আদেশিলা দেৱৰাজ।
তিনিধিক ত্ৰিংশ কোটি সেনা ভৈলা সাজ।।
আপোনাক দঢ়ে লড়ি গৈলা বজ্ৰধৰ।
কাচি-পাৰি যান্ত দেৱগণ নিৰন্তৰ।।
মৃদঙ্গ দুন্দভি শঙ্খ শবদ তুমুলে।
নামিলা তেখনে মেৰু মন্দৰৰ মূলে।।
বলিয়ো চলিলা চমৎকাৰ বীৰ কাছে।

পঞ্চত্ৰিংশ কোটি মুখে যায় আগে পাছে।।
সীমা সংখ্য নাই যত গজ বাজি ৰথ ।
চূৰ্ণাকৃত কৰি যায় গিৰিবন পথ।।
ক্ষণেকে পৃথিৱী পাইলা পাতালক ছাড়ি।
ঢাক ঢোল তবল মাদল বাৱে ভেৰি।।
স্বৰ্গত লাগিল গৈয়া শবদ তুমুল।
আড়ম্বৰে চপকৰে পাইলা মেৰু মূল।।
দেৱত মিসিল সেনাবল দানৱৰ।
একত্ৰিত ভৈল যেন দুখান সাগৰ।।
মন্দৰক পাইলা মেৰু পৰ্ব্বতৰ ঢোঙ্কা।
দেৱে দৈত্যে বেঢ়িলা বৃক্ষক যেন কোঙ্কা।।
বেৰে দশ হাজাৰ প্ৰহৰ পাই ওৰা।
পাঁচিশ হাজাৰ প্ৰহৰৰ প্ৰস্থ চৰা।।
হেন মন্দৰক ধৰি দেৱাসুৰ বল।
পচলাক লাগি যেন জঙ্কাৰন্ত কল।।
তোল তোল বুলি ৰিঙ্গ পাৰে শাৰী শাৰী।
দোঙ্গা দিয়া পৰ্ব্বতক তুলিলা উভাৰি।।
দিলেক জোকাৰ দেৱ দৈত্যৰ কটক।
ৰোলেক উথলি ভেদিলেক ব্ৰহ্মালোক।।

উক্ত পদখিনিৰ মাজত ভাগৱত ৮/৬/৩২, ৩৩, সংখ্যাৰ শ্লোক দুটিৰ সামান্য মাত্ৰ স্পৰ্শহে পৰিছে। সেই স্পৰ্শও বিশেষ উল্লেখনীয় নহয়। শ্লোক দুটিৰ অৰ্থ হ'ল- "দেৱাসুৰ সকলে ইয়াৰ পিছত পৰস্পৰ মিত্ৰ ভাবেৰে প্ৰতিজ্ঞা কৰি অমৃত মথনৰ কাৰণে অশেষ যত্ন কৰিবলৈ ধৰিলে। মদমত্ত পৰিঘতুল্য বাহু বিশিষ্ট আৰু শক্তি সম্পন্ন দেৱাসুৰ সকলে অতি যত্ন সহকাৰে মন্দৰ পৰ্ব্বত উৎপাটন কৰি সিংহনাদ কৰি কৰি সাগৰ লৈ লৈ আহিল" ইত্যাদি। সেইদৰে পিছৰখিনি পদৰ লগত শ্লোকৰ কিমান সম্পৰ্ক তাকো দেখুওৱা হ'ল। যেনে —

(১) দূৰভাৰোদ্বহশ্ৰান্তাঃ শক্ৰ বৈৰোচনাদয়ঃ।
অপাৰয়ন্তস্তং বোঢুং বিবশা বিজহুঃ পথি।।

(২) নিপতন্ স গিৰিস্তত্ৰ বহূনমৰ দানবান্।
চূৰ্ণয়ামাস মহতা ভাৰেণ কনকাচলঃ।।

(৩) তাংস্তথা ভগ্নমনসো ভগ্নবাহূৰু কন্ধৰান্।

(৪) গিৰিপাত বিনিষ্পিষ্টান্ বিলোক্যামৰ দানৱান্।।
ঈক্ষয়া জীৱয়ামাস নীৰুজান্নিৰ্ব্ৰণান্ যথা।। (ভাগ ৮/৬/৩৪-৩৭)

অৰ্থাৎ-

(১) বহুদূৰ গুৰুতৰ ভাৰ বহনত অক্ষম হৈ ইন্দ্ৰ আৰু বলি আদি দেৱাসুৰ সকলে কাতৰ আৰু শ্ৰান্ত হৈ পথৰ মাজতে পৰ্ব্বতটো ত্যাগ কৰিলে।

(২) সুবৰ্ণময় পৰ্ব্বত অতি ভাৰযুক্ত হোৱাত সেই পৰ্ব্বতটো পথৰ মাজতে পতিত হোৱাত বহু সংখ্যক দেৱ-দানৱৰ চূৰ্ণ হৈ গল।

(৩) সেই দেৱাসুৰ সকলৰ আশা ভঙ্গ আৰু বাহু, উৰু, স্কন্ধ ভগ্ন হোৱাত বিষ্ণু আবিৰ্ভাব হলহি।

(৪) পৰ্ব্বত পতনৰ হেতুকে দেৱাসুৰ নিষ্পেষিত দৰ্শন কৰি বিষ্ণুৱে অমৃতময় দৃষ্টিৰে সকলোকে জীৱন দান কৰিলে।

পূৰ্ব্বোক্ত শ্লোকৰ আধাৰত গুৰুজনাই ইয়াক কেনেদৰে সজাইছে তাৰে উদ্ধৃতি দিয়া হ'ল-

বলিৰায়ে বাসৱে বান্ধিলা এক সাঙ্গি।
ভৈল বুলি প্ৰথমে দুই হস্তে লৈলা দাঙ্গি।।
বৰুণে সম্বৰে দুয়ো ভৈলা জুলি বাটি।
কুবেৰে নিকুম্ভে লৈয়া যান্ত পৰিপাটি।।
একাদশ ৰুদ্ৰ সমে লৈ যান্ত ত্ৰিপুৰে।
পৱনে তাৰকে লৈল যমে জম্ভাসুৰে।।
জয়ন্ত কুমাৰে বাণে ভৈলা এক জুলি।
সূৰ্য্যে সম্বাসুৰে সাঙ্গি বান্ধি লৈলা তুলি।।
অশ্বিনী কুমাৰে এৰে হয়গ্ৰীৱ বীৰে।
নমুচি দানৱে চন্দ্ৰে যান্ত ধীৰে ধীৰে।।
আনো দেৱাসুৰে হাতকি যান্ত ধৰি।

পলাই বাঘ যোঙ্গ সিংহ দেৱা দেই কৰি।।
কোম্পাই সৰ্পসৱ হস্তীগণ চিহ্ৰয়।
উৰি পৰে পক্ষীসৱ দেখি বিপৰ্য্যয়।।
কাম্পন্ত পৃথিৱী মহা পৰ্ব্বতৰ ভৰে।
দলদপ কৰে দেৱ দানৱৰ গিৰে।।
এহিমতে মন্দৰক নেন্ত দেৱাসুৰে।
পীড়িলেক ভাগৰে আহন্তে কতো দূৰে।।
থিৰ নোহে ভৰি ঘৰ্ম্ম বহি যায় গোটে।
ফুটি যাই কন্ধ যেন মহাভাৰ চোটে।
দেৱ দানৱৰ ভাঙ্গি গৈলা আটিমুটি।।
পাৰে গেৰি মৰো মৰো প্ৰাণ যায় কুটি।
চাপৰন্তে যাই কেহো কেহো হোৱে কুঁজা।।
কতো চণ্ডী সুমৰয় কতো দশভুজা।
পৰ্ব্বতৰ গুৰু ভাৰে প্ৰাণ যাই ছাড়ি।
বলি ইন্দ্রে প্ৰথমে পেলাইলা সাঙ্গি বাৰি।।
আনো আনো সাঙ্গিয়াৰ যত দেৱাসুৰ।
পৰ্ব্বতক পেলায়া পলাই কতো দূৰ।।
পৰিল মন্দৰ গিৰি গোটা গিৰিসাই।
সসাগৰা ভূমি কম্পি কম্পি লৈলা ঠাই।।
অনেক পৰ্ব্বত গ্ৰাম ভৈল মষিমূৰ।
চূৰ্ণাকৃত ভৈল ষাঠীলক্ষ দেৱাসুৰ।।
কাহাৰো ভাঙ্গিলা ভৰি উৰুকৰ কটি।
কাৰো শিৰ কৰ্ণ চক্ষু কুটিল নাকটি।।
আঙ্গু ঠেঙ্গ ভাঙ্গি কাৰো বাজ ভৈলা ঘিলা।
কাৰো হাড় ঘাড় বিহাৰিল পৰি শিলা।।
কাৰো এক ভৰি ভৈল পৰ্ব্বতৰ হেট।
দোঙ্গা দোঙ্গি পাৰয় মাটিত ঘসাই পেট।।
কাৰো দুই হাতক পৰ্ব্বতে আছে ঝান্তি।

এৰাইবাক লাগি কৰৈ অনেক আক্ৰান্তি।।
হাত ভৰি ভঙ্গা দেৱে কৰৈ আৰ্ত্তনাদ।
হৰি হৰি কৃষ্ণ কিনো কৰইলা প্ৰমাদ।।
তোমাৰেসে বুদ্ধি আনো পৰ্ব্বত উভাৰি।
ৰঙ্গ চাই আছা প্ৰভু আমাসাক মাৰি।।
দুৰ্গতি এৰাইবে লাগি গৈলো তযু পাশ।
তোমাৰ উপায়ে আমি ভৈলো সৰ্ব্বনাশ।।
কোন শত্ৰু আমি কিয় কৰিলা কপট।
খুজি লুৰি খাইবাৰো ভাঙ্গিলা সবে পট।।
তযু পদসেৱাত হেনসে গতি ভৈল।
চোতাল মেলন্তে মজিয়ায়ো বন্ধ গৈল।।
তুমিসি আমাৰ গতি মতি জীৱ প্ৰাণ।
শঙ্কট বেলাত হেৰা কৰা পৰিত্ৰাণ।।
এহিমতে দেৱগণে পাৰে আৰ্ত্তৰাৱ।
নাহি শ্ৰুতি জ্ঞান বুদ্ধি বাতুল স্বভাৱ।।

মুলত দেৱতাসকলৰ বিষ্ণু স্তুতি প্ৰসঙ্গ অহা নাই আৰু বিষ্ণুৰ ৰূপ বৰ্ণনাও নাই। পদত গুৰুজনাই দুয়োটা বিষয় আনিছে। ভাগৱতত বিষ্ণু প্ৰসঙ্গ আহিলেই গুৰুজনাৰ হস্ত পৰশত ৰূপ বৰ্ণনা জীৱন্ত হৈ উঠে। এইটি স্বভাৱসিদ্ধ কথা। ভাগৱতৰ "ভগৱাংস্তত্ৰ বভুৱ গৰুড়ধ্বজঃ" (৮/৬/৩৬) অৰ্থাৎ ভগৱান গৰুড়ধ্বজ বিষ্ণু সেই স্থানত আবিৰ্ভাৱ হলহি। এই সূত্ৰটিতে গইনা কৰি গুৰুজনাই তিনিটি দুলড়ি ছন্দত বিষ্ণুৰ ৰূপ বৰ্ণনা কৰিছে। বিষ্ণু উপস্থিত হোৱাৰ পিছত "খোৰা কোঙ্গা দেৱঝাকে" কৰা কাওঁ বাওঁ আৰু দৈত্যসকলক বাদ দি দেৱতা সকলৰ জীৱন দান কৰা বিষয়টি ভাগৱতত অভাব। আনহাতে গৰুড় পক্ষীৰ মহত্ত্বও পদত বিকশিত কৰা হৈছে এনেদৰে-

ৰঙ্গে বিষ্ণু ৰথ ধৰিলন্ত পথ
ক্ষীৰ সাগৰক লাগি।
পাখিৰ চাপিত পৰিল মাটিত
শাল তাল বৃক্ষ ভাগি।।

আনো পৰ্ব্বতৰ খসিয়া শিখৰ
পৰে গৰাগৰি বাটি।
চৰণৰ জাম্পে ত্ৰিজগত কাম্পে
জল বঝাই মাটি কাটি।।
দেৱ দৈত্যচয় ভৈলন্ত বিস্ময়
অদভূত দেখি আতি।
মুখ্য মুখ্য মানে ধৰিলা যোগানে
ৰান্ধিয়া ঘাগৰি গতি।।

মন্দৰ পৰ্ব্বত সাগৰত ক্ষেপণ কৰাৰ পিছত দেৱাসুৰ মিলি,সাগৰ মথিবলৈ ধৰোঁতে পৰ্ব্বত তল গল আৰু ভগৱানে কচ্ছপ ৰূপ ধৰি ওপৰলৈ তুলি দিলে। সেই প্ৰসঙ্গতে কচ্ছপৰ শাৰীৰিক বৰ্ণনা দিয়া হৈছে। ভাগৱতত (৮/৭/৯) অৱতাৰটি লক্ষ যোজন বিস্তৃত বুলি কৈছে। কিন্তু গুৰুজনাই পদত অতি বহলকৈ বৰ্ণনা দিছে যেনে -

বহলে দীঘলে একোমতে নুহি খাট।
শৰীৰে জুৰিলা লক্ষ প্ৰহৰৰ বাট।।
থূলন্তৰ অঙ্গ জাঙ্গ দেখন্তে সুঠান।
পৰম সুন্দৰ অতি পৰ্ব্বত সমান।।
ভিগুাকাৰ দেহা জম্বুদ্বীপে এৰে সৰি।
পৰ্ব্বত সদৃশ থূলন্তৰ চাৰি ভৰি।।
পাতাল সমান মুঠ ভয়ঙ্কৰ ওঠ।
গল গোট তুলিলে স্বৰ্গত লাগে ঠোঠ।।
দেখি ভয় ভীত ভৈলা যত দেৱাসুৰ।
নাকৰ বতাসে জুৰি গৈলা কতোদূৰ।।
গাৱ মুৰি দিয়া মহা কূৰ্ম্মে তুলি হামি।
দিলা বুৰ সাগৰত ডেৱ দিয়া নামি।।
কম্পি গৈল পৃথিৱী সাগৰ খলকিল।
কাখৰ পলম্পি দেশ অনেক বুৰিল।।
মগৰ কুম্ভীৰ ভয়ে পশিল পাতাল।
মিলিল প্ৰলয় প্ৰজা কৰয় ঘণ্ডাল।।
মন্দৰক কচ্ছপে পাইলেক গৈয়া ভেট।

কাটি কুটা কৰি পাছে ভৈল তাৰ হেট।।
ভৰি খুপি কচ্ছপে উৰ্দ্ধক দোঙ্গা দিল।
মন্দৰ পৰ্ব্বত যেন পুঙ্গা ওপঙ্গিল।।

মন্দৰ পৰ্ব্বতক বাসুকীৰে জৰি কৰি মন্থন কৰোঁতে মূলক অতিক্ৰম কৰি গুৰুজনাই মাজে মাজে পদত দুই এটি ৰসাল কথাৰে ৰসিক সকলক আনন্দও দিছে। বহু কথা এৰা ধৰা নীতিৰে সমাপনো কৰিছে। সমুদ্ৰ মন্থনত প্ৰথমতে হলাহল বিষ ওলাওঁতে শিৱক বিষ পান কৰিবলৈ অনুৰোধ কৰি দেৱতা সকলে যি খিনি শিৱ প্ৰশস্তি কৰিছে, সেইখিনি ভাগৱতত পোন্ধৰটি শ্লোকত সমাপন কৰা হৈছে। কিন্তু গুৰুজনাই সংক্ষিপ্ত কথাৰে শিৱ প্ৰশস্তি সমাপন কৰিছে। শিৱৰ হলাহল বিষ পান প্ৰসঙ্গত গুৰুজনাই বহুত ৰসাল কথাৰে বিষয়টি সজাইছে। ভাগৱত ৮/৭/৪২ সংখ্যক শ্লোকত শিৱই "ততঃ কৰতলীকৃত্য ব্যাপি হলাহল বিষং" অৰ্থাৎ শিৱই কৰতল মাত্ৰ পৰিমিত হলাহল বিষ পান কৰি পেলালে বুলি সিমানতে সমাপ্ত কৰিছে। কিন্তু গুৰুজনাই ইয়াক বহলকৈ সজাইছে। যেনে —

এহি বুলি শীঘ্ৰে চলি গৈলা ত্ৰিনয়ন।
চতুৰ্ভিতি বেঢ়ি যান্ত দেৱাসুৰগণ।।
বিষক দেখিল গৈয়া সমুদ্ৰৰ পাৰ।
প্ৰলয়ৰ বহ্নি যেন জ্বলৈ চমৎকাৰ।।
অযুতেক সূৰ্য্য যেন কৰয় প্ৰকাশ।
বিষ জ্বালে আতি বিয়াপিল দিশ পাশ।।
দেখি ভয়ে চমকিল সুৰাসুৰ নাগ।
পৰম উৎসাহে ত্ৰিপুৰাৰি ভৈলা আগ।।
খটমট কৰি বাজে গলে মুণ্ডমাল।
কঙ্কালত টানিয়া বান্ধিলা বাঘ ছাল।।
সৰ্পে মেহ্লাই বান্ধিলা মাথাৰ জটাজুট।
লৱড়ন্তে হাতে তুলি লৈলা কালকুট।।
চাম্প দিয়া গৰুড়ে ধৰিলা যেন সৰ্প।
গিলিবাক লাগিয়া কৰন্ত অতি দৰ্প।।
দিলন্ত গলত হৰে বেন্ত গোট বাই।
যেন সোন্দাকলক গিলিলা লটবাই।।

শিৱই বিষ পান কৰাৰ পিছত "কৰিলন্ত শঙ্কৰে দুষ্কৰ মহাকাম। সেহি দিনা ধৰি ভৈল নীলকণ্ঠ নাম" বুলি কৈছে। অৰ্থাৎ বিষপান কৰি শিৱই নীলকণ্ঠ নাম গ্ৰহণ কৰিলে বুলি জনাইছে। পিছে ভাগৱতত (৮/৭/৪৩) "গলে নীলং তচ্চ সাধোৰ্ব্বিভূষণম্" অৰ্থাৎ শিৱৰ কণ্ঠ নীলবৰ্ণ হৈ গল বুলিহে কৈছে, 'নীলকণ্ঠ' নামৰ কথা কোৱা নাই। অৱশ্যে শিৱ পুৰাণান্তৰ্গত সনৎ কুমাৰ সংহিতাৰ একাৱন্ন অধ্যায়ত নীলকণ্ঠ নামৰ উৎপত্তিৰ বিষয়ে এটি বৰ্ণনা আছে। উক্ত নামটিৰ উৎপত্তি সম্পৰ্কে গুৰুজনাই ভাগৱতৰ পৰিবৰ্তে শিৱপুৰাণৰ পৰাই গ্ৰহণ কৰিছে যেন বোধহয়। পদ্মপুৰাণতো সেই নাম আছে।

সমুদ্ৰ মন্থনত উৎপত্তি হোৱা অন্যান্য পদাৰ্থৰ ভিতৰত অষ্ট-দিগ্ গজৰ কথা গুৰুজনাই উল্লেখ নকৰিলে। অপ্সৰা সকলৰ উৎপত্তি প্ৰসঙ্গত ভাগৱতত যৎ সামান্য উল্লেখ কৰিছে। কিন্তু গুৰুজনাই ইয়াত অল্প ৰসদি অপ্সৰা সকলৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে। যেনে -

তাত পাছে উপাজিল অপেচৰাগণ।
জাতিত পদ্মিনী অঙ্গে দিব্য আভৰণ।।
গাৱৰ সুৰভি গন্ধ যাই বহুদূৰ।
দেখি লোভাবিষ্ট ভৈলা যত দেৱাসুৰ।।
মদনে পীড়িল সবে লাজক এৰিল।
মোৰ মোৰ বুলি অপেচৰীক বেঢ়িল।।
দেৱে বোলে আমাৰ দানৱে বোলে মোৰ।
অন্যোঅন্যে হুল স্থূল লাগিল দুৰ্ঘোৰ।।
ব্ৰহ্মায়ে বোলন্ত বিবাদক এৰিয়োক।
পাছে বান্টি দিবো উভ ভাগতে থাকোক।।

সুৰভী উৎপত্তি প্ৰসঙ্গত গুৰজনাই "বাচৰু সহিতি" অৰ্থাৎ পোৱালীৰে সৈতে উৎপত্তি হোৱা বুলি কৈছে। মূলত তেনে কথা নাই। অনুক্ৰমে ঘোটক, ঐৰাৱত, কৌস্তুভ মণি, অপ্সৰা আৰু লক্ষ্মী দেৱীৰ আবিষ্কাৰ হয়। মূলত লক্ষ্মীৰ ৰূপ বৰ্ণনা মুঠেই কৰা নাই। গুৰুজনাই অলপ বহলকৈ এওঁৰ ৰূপ বৰ্ণনা কৰিছে। যেনে-

চন্দ্ৰৰ উপমা মুখ দেখন্তে নয়ন সুখ
কেশ আছে চামৰক জিনি।।
ৰুচিকৰ কৰ্ণতলে ৰত্নৰ কুণ্ডল জ্বলে
কমল লোচনী মধ্য ক্ষীণী।

সুবৰ্ণ প্ৰতিমা তনু ভ্ৰুৱ যুগ সমধনু
দশন দাড়িম্ব বীজ পান্তি।
নাসা যেন তিল ফুল বিম্ব ফল নুহি তল
অৰুণ অধৰে কৰে কান্তি।।
কোকিলৰ ধ্বনিমাত নৱ কিশলয় হাত
ভুজ যুগ কমল মোলান।
ৰত্নৰ শলাকা পান্তি যেন আঙ্গুলিৰ কান্তি
নখচয় চন্দ্ৰৰ সমান।।
সুঠান কঠিন ঘন বিম্বফল যেন স্তন
ভৈল নৱ যৌৱন প্ৰবেশ।
বহল জঘন স্থূল উৰু যেন ৰামকল
পাদ পদ্ম দেখন্তে সুবেশ।।
চম্পাৰ পাকৰি নয় প্ৰকাশে আঙ্গুলিচয়
আছে নখ পান্তি কান্তি কৰি।
যেন দেখি চন্দ্ৰগণে তুতি আৰম্ভিবে মনে
পৰি আছে চৰণত ধৰি।।
একো অঙ্গে নুহি খুন তাহান যতেক গুণ
বৰ্ণায়া কৰিবে কোনে সীমা।
ত্ৰৈলোক্যৰ ৰূপমানে যেন থৈলা এক থানে
সাজি বিধি মোহিনী প্ৰতিমা।।
ৰূপে প্ৰকাশন্ত শান্তি যেন বিজুলিৰ পান্তি
দশোদিশ কৰন্ত প্ৰসন্ন।
ত্ৰৈলোক্যৰ মহালক্ষ্মী তাহাঙ্ক আগতে দেখি
ভৈলা সবে তবধ নয়ন।।

লক্ষ্মীৰ আবিৰ্ভাৱ আৰু তেওঁৰ ৰূপ বৰ্ণনাৰ পিছত দেৱাসুৰ আৰু মানৱ সমাজে তেওঁক পোৱাৰ বাসনাৰে যি বীভৎস ভাওনা কৰিলে, সেই ভাওনাৰ বৰ্ণনা ভাগৱতত অভাৱ। কিন্তু গুৰুজনাই এটি শ্লোকৰ আধাৰতে (৮/৮/৯) এটি দীঘলীয়া সৃষ্টিমূলক বৰ্ণনা দিছে। শ্লোকটি হল-

তস্যাং চক্ৰুঃ স্পৃহাং সৰ্ব্বে সুৰাসুৰ মানৱাঃ।
ৰূপৌদাৰ্য্যবয়োৱৰ্ণ মহিমাক্ষিপ্ত চেতসঃ।।

অৰ্থাৎ লক্ষ্মীৰ ৰূপ, উদাৰতা, বয়স, বৰ্ণ, আৰু মহিমাৰ দ্বাৰা আকৃষ্ট হৈ দেৱাসুৰ আৰু মানৱ সমাজে সেই লক্ষ্মীক পাবলৈ ইচ্ছা কৰিলে।

গুৰুজনাই বৰ্ণনা কৰিছে এনেপ্ৰকাৰে -

লক্ষ্মী মুখ দৰশনে মহাসিদ্ধ মুনিগণে
তিয়াগিল যত যোগধ্যান।
নিৰন্তৰে দেৱাসুৰ সবে ভৈল কামাতুৰ
হৰুৱাইল সবে শ্ৰুতিজ্ঞান।।
দেখি চাৰু উচ্চ কুচ কামবাণে গৈল মুচ
যেন আতি বাতুলে চেঞ্চায়।
কেহো বোলে মই নিবো সৰ্ব্বস্ব তোমাক দিবো
ময়ো দাস হৈবো সমুদায়।।
কাম সাগৰত মৰো হেৰা চৰণত ধৰো
আসি মোক কৰা পৰিত্ৰাণ।
শুনি আউৰ গোটে উঠি হিয়াত বৈসাৰে মুঠি
মোৰ দিকিঁ দেস সমিধান।।
দেখো আউৰ চাও মাতি আউৰ গোটে উঠি আতি
সিয়ো পাছে তাৰ মান গোৰে।
ধৰাধৰি বস্ত্ৰ ফাৰৈ দেৱে দেৱতাক মাৰৈ
দানৱে দৈত্যক কিল যোৰে।।
কেহো কৰে কোচাকুচি মোৰ বোলা কাত পুছি
কোনে তোক দিলে স্ত্ৰীৰ বটা।
কিসক লগাস মাত চৰৱে সাৰিবো দাঁত
নতু পাস বাপেৰৰ আটা।।
কেহো কৰে চুলাচুলি লগাই মহা হুল স্থুলি
নচাৱে আপোন পৰ কেৰে।
চেতন নাহিকে গাৱে লক্ষ্মাক ধৰিবে চাৱে
দেখি মাতিলন্ত ব্ৰহ্মা দেৱে।।

ব্ৰহ্মাৰ আদেশ মতে লক্ষ্মীক পাবলৈ সকলোৱে সমাজ পাতি বহিবলৈ চিন্তা কৰি সুৰাসুৰ আৰু নৰ সমাজে ব্যাক্তিগত ভাৱে সৌন্দৰ্য্য প্ৰকাশ বা নিজক সাজু কৰিবলৈ কি কি পন্থা লৈছিল, সেই বিষয়ে গুৰুজনাই সুন্দৰ ৰস প্ৰকাশক বৰ্ণনা দিছে। অথচ ভাগৱতত তেনে ধৰণৰ কোনো বিৱৰণ পাবলৈ নাই। গুৰুজনাই বৰ্ণনা কৰিছে এনেদৰে-

ব্ৰহ্মাৰ আদেশ বাণী শুনি সবে অনুমানি
দেৱাসুৰে এৰিল কন্দল।
বস্ত্ৰ অলঙ্কাৰ কাছে মোক জোনো বৰ বাছে
কৰৈ কতো মনত বিকল।।
নাহি মনে শান্তি সুখ দৰ্পণত চাৱৈ মুখ
দশন প্ৰকটি আতি পাছে।।
সুন্দৰ নেদেখি তাত মাৰে গোৰ দৰ্পণত
কোথেৰ কদৰ্য্যে গঢ়ি আছে।।
কেহো পিন্ধি দিব্য কাছ উঠি চাৱে আগ পাছ
আউৰ ভাল নাহি মোক সৰি।
জানিলো মিলিল ভাগ পায়া আসি মোক লাগ
বৰিবেক অৱশ্যে সুন্দৰী।।
কেহো কৰে লাস বেশ নাকৰ চাহাৱে শ্বাস
দুৰ্গা দুৰ্গা বুলি হোৱে বাজ।
সাগৰ তীৰক আসি যত দেৱাসুৰ ৰাশি
পাতিলেক বহল সমাজ।।

লক্ষ্মী দেৱীক বিভিন্নজনে আ-অলঙ্কাৰ অৰ্পণ কৰা বিষয়টিতো ভাগৱতত অনুক্ত বহু ৰসাল বিৱৰণ গুৰুজনাৰ লেখনিত প্ৰকাশ পাইছে। সমুদ্ৰই লক্ষ্মীক "পীত বৰ্ণ বস্ত্ৰ যুগলং" অৰ্থাৎ হালধীয়া বৰণৰ দুখন পাট কাপোৰ অৰ্পণ কৰা কথা কৈছে। কিন্তু গুৰুজনাই "অগ্নি শৌচ নামে পীত বস্ত্ৰ দুই খানি। দিলন্ত সাগৰে ৰঙ্গে লৈলন্ত গোঁসানী" বুলি বস্ত্ৰখনিৰ নাম পৰ্য্যন্ত প্ৰকাশ কৰিছে। ভাগৱতত তেনেকুৱা বস্ত্ৰৰ নাম নাই। লক্ষ্মীয়ে বিভিন্নজনে অৰ্পণ কৰা আ-অলঙ্কাৰ পৰিধান কৰাৰ পিছত কেনেকুৱা শোভাযুক্তা হৈ পৰিছিল, সেই বিষয়ে ভাগৱতত

(৮/৮/১৮) এটি শ্লোকতে সমাপ্ত কৰা হৈছে। কিন্তু গুৰুজনাই ইয়াক অলপ বহলকৈ বৰ্ণনা কৰিছে।

লক্ষ্মীৰ ৰূপ লাৱণ্যত সভাস্থিত দেৱ দৈত্যসকল মোহিত হোৱাৰ বৰ্ণনা ভাগৱতত যৎ সামান্য। কিন্তু গুৰুজনাই পদত কলা ৰসাত্মক দৃষ্টিৰে অলপ বহলাইছে। যেনে-

সাগৰে বুলিলা পাছে লক্ষ্মীক বুজাই।
উঠিয়োক গাৱ চালি আবে লক্ষ্মী আই।।
শুভক্ষণে আৰোহিয়া স্বয়ম্বৰ শালা।
এহি বুলি দিলা হাতে উতপল মালা।।
পুষ্পৰ সুৰভি গন্ধে হুয়া অতি ভোল।
ভ্ৰমৰা গুঞ্জৰে বেঢ়ি বেঢ়ি কৰে ৰোল।।
হেন মালা হাতে ধৰি জগতৰ মাৱ।
পিতৃৰ বচনে পাছে চালিলন্ত গাৱ।।
আগ ভৈলা সাগৰ গোসানী যান্ত পাছে।
বেঢ়ি অপেস্বৰী গণ যাই দুই কাছে।।
পাৰয় উৰুলি মাথে দুৰ্ব্বাক্ষত সিঞ্চে।
কতো দুই পাঞ্জৰে চামৰ ধৰি বিঞ্চে।।
কেহো অপেস্বৰী দেই কৰ্পূৰ তাম্বুল।
বৰিষন্তে যাই কতো পাৰিজাত ফুল।।
কাৰো হাতে দীপ ধূপ সুবৰ্ণৰ ঝাৰি।
লক্ষ্মীৰ আগত নেই নেত তুলি পাৰি।।
বাৱে বীণা বেণু বাদ্য শুনি সুললিত।
কতো অপেস্বৰী তাল ধৰি গাৱে গীত।।
ত্ৰৈলোক্য মোহিনী হেন ধৰি দিব্য কাচে।
সভাৰ মধ্যত গৈয়া প্ৰবেশিলা পাছে।।
লক্ষ্মীৰ ৰূপত প্ৰকাশয় সভাখান।
চন্দ্ৰৰ উদয়ে যেন নিৰ্ম্মল গগণ।।
যত সুৰাসুৰ গণ দেখি মোহ ভৈলা।
লক্ষ্মীৰ সমুখে এক দৃষ্টি চায়া ৰৈলা।।
আশ্চৰ্য্য দেখিয়া ৰোমাঞ্চিত ভৈলা গাৱ।

উনমত্ত চিত্ত বিপৰীত আতি ভাব।।
গোসানীৰ ৰূপক নয়নে পান কৰে।
এক কমলক যেন অনেক ভ্ৰমৰে।।
লক্ষ্মীমুখ দেখি আখি নভাবয় আন।
নিশ্চল স্বৰূপে যেন যোগী কৰৈ ধ্যান।।
দেখি উচ্চ কুচমুচ যাই কতো কামে।
ঘনে উঠে হামি তোলবোল হোবৈ ঘামে।।
এৰিলেক ঢাক ঢোল তবলৰ ৰোল।
নুশুনি শবদ একো সবে ভৈলা ভোল।।
কাণে কাণে কহে কথা যত সিদ্ধ মুনি।
হেন ৰূপৱতী কন্যা নতু দেখি শুনি।।
কাত ভজৈ আজি নজানিয় অভিপ্ৰায়।
কোনে গঙ্গা সাগৰত আছে তপসায়।।
চাই থাকিবাক যেবে পাই আন মুখ।
মোক্ষকো নলাগে কোন চাৰ স্বৰ্গসুখ।।

এই বৰ্ণনাসমূহ ভাগৱতোক্ত নহয়। মূলৰ দুই এটি শব্দৰ ওপৰত দৃষ্টি ৰাখি গুৰুজনাই ইয়াত কাব্য ৰস দি নতুনকৈ সজাইছে। কেৱল পূৰ্ব্বোক্ত সভাস্থিত দেৱ দৈত্যই যে লক্ষ্মীৰ ৰূপত মোহগ্ৰস্ত হৈ লটিঘটি হৈছে এনে নহয় মহাদেৱ শঙ্কৰেও লক্ষ্মীৰ মোহনীয় ৰূপ দৰ্শনত বিভোৰ হৈ নিৰ্লজ্জ ভাৱে সভাৰ মাজৰ পৰা পলায়ন কৰা বিষয়টি ভাগৱতত অনুক্ত থাকিলেও গুৰুজনাৰ কাপৰ পৰা হাস্য ৰসাত্মক ৰূপ এটি ফুটি উঠিছে। যেনে -

শিৰত লাগিল কটাক্ষ ছটা।
কামে জৰ্জ্জৰিত কাম্পয় জটা।।
হাতৰো পৰিল ডম্বৰু শূল।
গাৱৰ সৰ্প সিয়ো বিয়াকুল।।
সৰ্পৰ মেখলা গৈল হুসকি।
কটিৰো পৰিল ছাল সুলকি।।
ভৈলন্ত উলঙ্গট ভোলানাথ।

হাতে অঙ্গ ঢাকি দৰায়া মাথ।।
লক্ষ্মী মুখ দেখি শিৱ বলধ।
ভৈল মন তাৰো কামে দগধ।
আতি বিয়ামোহ হৰক লই।
পৰিল পাছে সিয়ো মূৰ্চ্ছা গই।
ভৈলন্ত শঙ্কৰ তনু উদাস।
অপেচৰাগণে তুলিলা হাস।।
আঠু সাবটি হাতে ঢাকি ঘুৰি।
লাজে হোন্ত হৰ কুজী ঝুমুৰি।।
নচান্ত কাকো মুখ চক্ষু মুদি।
আগ ঢাকন্তে পাছ হোৱে উদি।
হাত মেলি ঢুকি নপান্ত ছাল।
বোলন্ত ভৈল মৰণৰ কাল।
নপাৱন্ত একো উপায় খুজি।
উঠিলা শঙ্কৰ আসজ বুজি।।
দুই হাতে অঙ্গ ধৰি চাপৰি।
উঠি পলাইলন্ত ভিৰি লৱৰি।।

শিৱৰ দুৰৱস্থাৰ লগতে ব্ৰহ্মাৰো একে অৱস্থাই হল আৰু সভাস্থিত লক্ষ্মী মুখ দৰ্শনত উদ্বিগ্নবোধ হৈছিল। যেনে -

ত্ৰৈলোক্য মোহন ৰূপ দেখি গোসানীৰ।
হেন প্ৰাণী নাহি চিত্ত কৰিবেক থিৰ।।
কামে জৰ্জ্জৰিত দেহা বিয়ামোহ ভৈলা।
ঢলি ঢলি আসনত পৰি মূৰ্চ্ছা গৈলা।।
সুকোমল লাৱণ্য লক্ষ্মীৰ দেখি অঙ্গ।
মহা সিদ্ধ মুনিৰো সমাধি ভৈল ভঙ্গ।।
যত তপ জপ জাপ্য এড়ি ব্ৰহ্ম জ্ঞান।
মোহ হয়া লক্ষ্মীক কৰন্ত মাত্ৰ ধ্যান।।
লক্ষ্মী মুখ দেখিয়া ব্ৰহ্মাও ভৈলা ভোল।

শিহৰাইলা লোম আতি নাহি মাত বোল।।
ভৈলন্ত বিহ্বল বৰ মদনৰ দুখে।
মূৰ্চ্ছা গৈয়া হংসতে পৰিল অধোমুখে।।
ৰূপ দেখি লক্ষ্মীৰ ব্ৰহ্মাৰ হংস যান।
সিয়ো বিমোহিত ভৈলা নাহি শ্ৰুতি জ্ঞান।।
দহে দেহা আতি বিপৰীত কাম জুই।
ব্ৰহ্মায়েৰে জম্পায়া পৰিল কাটি হুই।

মূল ভাগৱতত লক্ষ্মী দেৱীয়ে স্বয়ম্বৰ সভাত নিজ ইচ্ছানুসৰি 'বৰ' বাছি লবলৈ সিদ্ধান্ত কৰিছে (ভাগ-৮/৮/১৯)। কিন্তু গুৰুজনাই পদত সমুদ্ৰৰ যোগে সুৰাসুৰ নৰ সকলৰ লক্ষ্মীক পৰিচয় কৰি দেখুউৱা হৈছে আৰু নিজৰ ইচ্ছানুসৰি বৰমাল্য প্ৰদান কৰিবলৈ পৰমৰ্শ দিছে। যেনে —

হেন সম্বাদক সমুদ্ৰে শুনি আছি।
লক্ষ্মীক চিনাইবে লৈলা মুখ্য মুখ্য বাছি।।
দেখিয়োক যাৰ হংস যানত সম্প্ৰতি।
ইহাঙ্কে বুলিয় চতুৰ্ম্মুখ প্ৰজাপতি।।
গৰুড়ৰ স্কন্ধত দেখিয়ো বিদ্যমান।
ললিল বলিত যাৰ বাহু চাৰিখন।।
মেঘ সম শ্যাম তনু কমল লোচন।
তিনিয়ো লোকৰ এন্তে নাথ নাৰায়ন।।
শঙ্কৰক দেখা যাৰ বৃষভৰ চুটে।
প্ৰকাশন্ত বিকট পিঙ্গট জটাজুটে।।
সৰ্পে বান্ধি আছে কঙ্কালত বাঘ ছাল।
ভস্মে বিভূষিত দেহা গলে মুণ্ডমাল।।
ইন্দ্ৰক দেখিয়ো দেৱী দিব্য সিংহাসনে।
প্ৰকাশন্তে আছে বসি সহস্ৰ লোচনে।।
কুবেৰ বৰুণ বায়ু ৰবি শশী কাল।
তোমাৰ সমুখে আছে দশদিগ পাল।।
দেখা দানৱৰ ইন্দ্ৰ বলি মহাৰাজ।

সিংহাসনে বসি আছে পাতিয়া সমাজ।।
আনো বৰা বৰা দৈত্য দেখা আছে চাই।
ৰণত দাৰুণ দপে দিগ্‌গজ পৰাই।।
গন্ধৰ্ব্ব কিন্নৰ সিদ্ধ মুনি বিদ্যাধৰ।
যক্ষ ৰক্ষ পিশাগু চাৰণ নিৰন্তৰ।।
আসি আছে সমস্তে তোমাক অভিলাষে।
দৃষ্টি বলাই আপুনি চাহিয়ো চতুষ্পাশে।।
এতেকৰ মধ্যত যাহাত পৰে মন।
ৰূপে গুণে কুলে যাক দেখা বিতোপন।।
তাহাৰ মাথাত দিয়া উৎপালৰ মালা।
স্বামী বুলি তাহাক বৰিয়ো বৰবালা।।

সভাস্থিত ব্ৰহ্মা, বিষ্ণু, শিৱ ইন্দ্ৰাদি দেৱবৰ্গ বলি আদি দৈত্যবৰ্গ অন্যান্য নৰবৰ্গৰ মাজৰ পৰা স্বমনোনীত 'বৰ' বাছি লবলৈ লক্ষ্মীয়ে সকলো জনলৈ দৃষ্টিপাত কৰোঁতে গুৰুজনে পদত দুৰ্ব্বাসা, শুক্ৰাচাৰ্য্য, পৰশুৰাম্, ব্ৰহ্মা, শঙ্কৰ, ইন্দ্ৰ, সনক, সনন্দাদিমুনি, বলি, বিষ্ণুলৈ দৃষ্টি ৰাখি বৰ বাছি লোৱাৰ এটি সৃষ্টিমূলক ইঙ্গিত দিছে। ভাগৱতত নাম সমূহৰ কিছু পাৰ্থক্য আছে। পদত বিষ্ণু ব্যতীত সভাস্থ সকলোৰে নিজ নিজ চৰিত্ৰ, গুণ আদিৰ ওপৰত আলোকপাত কৰি দিয়া বৰ্ণনাও মনোগ্ৰাহী আৰু যুক্তিগ্ৰাহী বুলি কব লাগিব। মূলৰ (১) যস্য (২) ক্বচিৎ (৩) পৰতঃ (৪) পুংসঃ (৫) গুণ সঙ্গ বৰ্জ্জিতঃ (৬) সঃ ইত্যাদি কেইটিমান শব্দৰ ওপৰত ভিত্তি কৰি শ্ৰীধৰ স্বামীয়ে টীকাত ইঙ্গিত কৰা দেৱতাৰ নাম কেইটিকে গুৰুজনাই গ্ৰহণ কৰিছে। ভাগৱতৰ তিনিটি শ্লোকত (৮/৮/২০, ২১ ২২) মুনি আৰু দেৱতাৰ দোষখিনি বৰ্ণনা কৰি লক্ষ্মীয়ে কৈছে -

(১) দুৰ্ব্বাসাৰ তপস্যা আছে। কিন্তু ক্ৰোধজয় ৰহিত।
(২) শক্ৰাচাৰ্য্যৰ জ্ঞান আছে। কিন্তু দুষ্টসঙ্গ দূষিত।
(৩) ব্ৰহ্মাৰ মহত্ত্ব আছে। কিন্তু কামাসক্ত।
(৪) ইন্দ্ৰৰ প্ৰভুত্ব আছে। কিন্তু পৰাধীন।
(৫) পৰশুৰামৰ ধৰ্ম্ম আছে। কিন্তু সৰ্ব্ব প্ৰাণীত দয়া নাই।
(৬) শিবি আদি ৰজাৰ দান আছে। কিন্তু মুক্তিকামী নহয়।

(৭) কাৰ্ত্তবীৰ্য্যাদি ৰজাৰ শক্তি আছে। কিন্তু মৃত্যুভয় ৰহিত নহয়।

(৮) সনকাদি মুনিৰ সমাধিনিষ্ঠা আছে। কিন্তু মোৰ আশ্ৰয়ৰ লোক নহয়।

(৯) মাৰ্কণ্ডেয় মুনি চিৰায়ু হয়। কিন্তু ইন্দ্ৰিয় দমন কৰিছে।

(১০) বলি আদি ৰজাৰ ইন্দ্ৰিয় শক্তি আছে। কিন্তু আয়ুসৰ স্থিৰতা নাই।

(১১) ৰুদ্ৰৰ আয়ুস স্থিৰ আছে। কিন্তু শ্মশানবাসী।

(১২) এজন সৰ্ব্বগুণ সম্পন্ন ব্যক্তি আছে-যিজনে মোক প্ৰাপ্তিৰ কামনা নকৰে। সেই জনেই হল বিষ্ণু।

গুৰুজনাই পূৰ্ব্বোক্ত দেৱতা আৰু মুনি সকলৰ জন্মগত চৰিত্ৰৰ কিছু ব্যৱধান কৰি এনেকৈ বৰ্ণনা কৰিছে। যেনে-

সাগৰ ৰহিলা এহি উপদেশ বুলি।
সবাকো চাহিলা পাছে লক্ষ্মী মাথা তুলি।।
আপোনাৰ অনুৰূপী সৰ্ব্ব গুণাকৰ।
দেৱাসুৰ মধ্যত বিচাৰি চান্ত বৰ।।
আছন্ত দুৰ্ব্বাসা ঋষি তপৰ ভাণ্ডাৰ।
সদায়ে নুগুছে তান ক্ৰোধ অহঙ্কাৰ।।
আক বৰি ভাল বোলাইবেক কাৰ বাপে।
অকাৰ্য্যতো নষ্ট কৰিবেক চণ্ড শাপে।।
জানো দৈত্য গুৰু শুক্ৰ হোন্ত মহাজ্ঞানী।
তথাপি নেৰন্ত সঙ্গ লোভাবিষ্ট প্ৰাণী।।
লুভীয়াত পৰে সংসাৰত নাহি মন্দ।
যুতি খাইবে নপাইলে লগাইবে নিতে দ্বন্দ্ব।।
আছন্ত পৰশুৰাম মহা ধৰ্ম্মমতি।
একোৰে প্ৰাণীত তাৰ নাহি মিত্ৰৰতি।।
ইহাক বৰিলে মোৰ নবৈবে অৱস্থা।
নিৰ্দ্দয় পুৰুষ নজানয় দুখ বেথা।।
আছন্ত বিধাতা যাক সেৱে সুৰাসুৰ।
আতপৰে ত্ৰৈলোক্যত নাহি কামাতুৰ।।
ভোল হয়া যিটো নিজ দুহিতা হৰিলে।

নিতে কোলাহলে যাইবে ইহাক বৰিলে।।
ইন্দ্ৰক বৰিবো এন্তে হোন্ত দেৱৰাজ।
তেখনে পলাই দৈত্যে কাঢ়িলন্তে ৰাজ।।
বাৰে বাৰে নাৰায়নে থাপন্ত স্বৰ্গত।
কতেক পলাইবো মই ইহান লগত।।
শঙ্কৰ আছন্ত আন কোনে পাবে আশ।
দিব্য গৃহবাৰী এৰি শ্মশানত বাস।।
ৰত্ন এৰি মুণ্ডৰ মালাক পিন্ধে গাছি।
ইহাঙ্ক বৰিলে একো নাহি সুখ শান্তি।।
আছন্ত সনক আদি মহা সিদ্ধ চাৰি।
ব্ৰহ্মময় দেখন্ত যতেক নৰনাৰী।।
কাম ক্ৰোধ জিনিয়া মুকুত ভৈল গাণ্ডি।
ইহাঙ্ক বৰিলে হুইবো জীৱজন্তে বাণ্ডি।।
যতেক শ্ৰীমন্ত দৈত্য বলি আদি কৰি।
কৰ্ম্মক অধীন কালে নিবেক সংহৰি।।
চিৰকাল আসম্বাৰ নাহি উপভোগ।
অতি অনাচাৰী বৰিবাক নোহে যোগ।।

এনে প্ৰকাৰে লক্ষ্মীয়ে সকলো দেৱাসুৰক প্ৰত্যাখ্যান কৰি একমাত্ৰ বিষ্ণুকে বৰণ কৰাৰ সিদ্ধান্ত ল'লে। সেই প্ৰসঙ্গতে এটি মাত্ৰ শ্লোকতে (৮/৮/২৩) তেওঁৰ সিদ্ধান্ত শেষ কৰিছে। কিন্তু গুৰুজনে তাতকৈ অলপ বহলাই বৰ্ণনা দিছে। যেনে-

কাতো লোভ কাতো মোহ কাতো অসন্তোষ।
বিচাৰে সবাতে আছে কিছু কিছু দোষ।।
দুখীত প্ৰাণীত মোৰ নলৱয় মনে।
মিছাতে আমাক বঞ্চে দেৱাসুৰ গণে।।
যিটো সৰ্ব্ব গুণান্বিত দেৱ নাৰায়ন।
যাত আছে সবে মহাপুৰুষ লক্ষণ।।
কিন্তু মোক লাগি দেখো তান বাঞ্ছা নাই।
এহি বুলি আলোচন্ত জগতৰ মাই।।

ভালমতে বুজো চিত্ত চাপো গৈয়া কোল।
হেনবা আমাক দেখি হৰি হোন্ত ভোল।।
সাগৰ নন্দিনী হেন মনে অনুমানি।
আতি লয় লাস কৰি চলিলা গোসানী।।
যোগানে চলিলা অসংখ্যাত অপেচৰী।
বাৱে বীণা গাৱে গীত সুললিত কৰি।।
সবাৰো মধ্যত প্ৰকাশন্ত বৰবালা।
তাৰায়ে বেষ্টিত যেন নৱ চন্দ্ৰ কলা।।
মাতাঙ্গ গামিনী গতি কৰে নানাভাৱে।
ৰুণ-ঝুণ- শবদে নুপুৰ বাজে পাৱে।।
শৰীৰৰ কান্তি আতি দশোদিশ শোভে।
ভ্ৰমৰে গুঞ্জৰে বেঢ়ি মধুগন্ধ লোভে।।
মলয় পৱন বহে বসন্ত মিলিল।
আতি সুললিত ৰাৱ কোকিলে তেজিল।।
বাৱে নানা বাদ্য যেন মেঘৰ সম্বাদ।
ভৈল সুৰাসুৰ সৱে মদনে উন্মাদ।।
কাহাকো চাহিলা দেৱী কটাক্ষ নয়নে।
কাকো মাথা তুলি চান্ত প্ৰসন্ন বদনে।।
কাকো টেৰ কৰি চায়া কাঢ়ি যান্ত ভৰি।
আঞ্চলে ঢাকিয়া মুখ অল্পহাস্য কৰি।।

এইখিনি গুৰুজনাৰ ৰস সঞ্চাৰৰ অভিব্যক্তি। ইয়াৰ পিছতে লক্ষ্মী দেৱীয়ে ধীৰে ধীৰে বিষ্ণুৰ কাষলৈ আহি থাকোঁতে তাতো গুৰুজনাই লক্ষ্মীৰ ৰূপ বৰ্ণনাৰ প্ৰলেপ সানি কামিনী গৰাকীক উজ্জ্বল কৰি তুলিছে। লগতে ভাগৱতত অনুক্ত গুৰুজনাৰ স্বভাৱসিদ্ধ পৰম্পৰা অনুসৰি বিষ্ণুৰ ৰূপ বৰ্ণনাৰে তেওঁকো উজ্জ্বল কৰি তোলা হৈছে। উক্ত বৰ্ণনা ২৯৫ পদৰ পৰা ৩০০ পদলৈকে বিস্তৃত আছে। লক্ষ্মীয়ে বিষ্ণুক পতিৰূপ 'বৰমাল্য' অৰ্পণ কৰা বিষয়টি ভাগৱতৰ মূলত বৰ দীঘলীয়াকৈ নাই। পদত গুৰুজনাই ৰস সঞ্চাৰ কৰি অলপ বহলকৈ বৰ্ণনা কৰিছে। ইয়াত যে ৰসৰ সঞ্চাৰ কৰা হৈছে সেই বিষয়ে গুৰুজনাই নিজেই স্বীকাৰ কৰি

কৈছে। যেনে-

মহাভাগৱত তাৰ কোনে তত্ত্ব
জানিবেক সমুদায়।
যেন ভৈল মতি ৰচিলো সম্প্ৰতি
পদ আদৰ্শক চাই।।
বুজি অভিপ্ৰাই দিলো ঠায়ে ঠাই
কিছু কাব্য ৰস যিবা।
অবিচাৰি তাক হঠাতে আমাক
নিন্দা বাণী নুবুলিবা।।
বৰ কৰ্ম্মী লোক ভাল সুবৰ্ণক
গঢ়ে সুৰগায়ে জ্বালি।
দিব্য পুষ্প আতি চম্পক মালতি
তাকো জৰি গাছে মালী।।
গঙ্গাত মিসল হোৱে বৃষ্টিজল
তাক কোনজনে বাছে।
হৰিৰ কথাত যিবা বঢ়া টুটা
তাতো মহাফল আছে।।

গুৰুজনে যে ঠায়ে-ঠায়ে অভিপ্ৰায় বুজি কাব্য ৰস দিছে, সেই কথা পূৰ্ব্বোক্ত উদ্ধৃতিৰ পৰা জানিব পাৰি। কত কত কাব্য ৰস দি পুথি খনিৰ সৌন্দৰ্য্য বৃদ্ধি কৰিছে, সেই কথা ভাগৱতৰ শ্লোক সমূহৰ লগত তুলনামূলক বিচাৰ কৰিলেই পৰিষ্কাৰকৈ ওলাই পৰে। বাহুল্যৰ ভয়ত সকলো কাব্যৰস তত্ত্বৰ উদ্ধৃতি দিয়া নহল। আনহাতে উক্ত কাব্য ৰসতত্ত্বও আহে বিভিন্ন উৎসৰ পৰা। সেই উৎসৰ অনুসন্ধান কৰি উপযুক্ত প্ৰমাণ সহকাৰে তুলনামূলক বিচাৰ কৰাটিও বৰ সহজ কাম নহয়।

অমৃত মন্থনত অমৃতৰ ভাণ্ড হাতত লৈ আয়ুৰ্ব্বেদ বিশাৰদ ধন্বন্তৰিৰ আবিৰ্ভাব হ'ল। সেই প্ৰসঙ্গতে তিনটি শ্লোকত (ভাগ ৮/৮/৩২-৩৪) তেওঁৰ ৰূপৰ বৰ্ণনা কৰিছে। গুৰুজনাই সামান্য পৰিৱৰ্তনেৰে ইয়াক সজাইছে। অমৃতৰ ভাণ্ড দৈত্য সকলে বলপূৰ্ব্বক হৰণ কৰি লৈ যোৱাত দেৱতা সকলে "বিষণ্ণ মানসা দেৱা হৰিং শৰণমাযযুঃ" (৮/৮/৩৬) অৰ্থাৎ দেৱতা গণে বিষন্ন মনে

বিষ্ণুৰ শৰণাপন্ন হ'ল ইত্যাদি। কিন্তু গুৰুজনে বিষন্ন দেৱতাসকলৰ মনৰ কথা বহলকৈ বৰ্ণাইছে এনেদৰে —

চাম্প দিয়া আগতে অমৃত লৈয়া যাই।
তব্ধ দিয়া দেৱগণে আছে বেন্ত বাই।।
বিবৰ্ণ বদন সবে হৰিলেক মাত।
অধোমুখে ৰহিলা গালত দিয়া হাত।।
কান্দন্ত ভূমিত পৰি দশ দিগ পাল।
কিসক মন্দৰ বহি ভৈলো লাল কাল।
আগতে অমৃত নেই দৈত্য দুৰাচাৰ।
হৰি হৰি বিধি কিনো অভাগ্য আমাৰ।।
আৰেসে আমাৰ সবে ভৈল আশা ছেদ।
হা দৈৱ বিধি কিনো দিলা হৃদি খেদ।।
যেহিডালে ধৰো আমি ভাগে সেহি ডাল।
ত্ৰিদশ দেৱৰ ভৈল অভাগ্য কপাল।।
আউৰ কোনে দানৱক কৰিবে বিবাদ।
জানিলো আমাৰ ভৈল ভিঠাৰো উচ্ছাদ।।
স্বভাৱতে দানৱক নাটো আমি বলে।
আৰো অমৃতক পাইলে অসুৰ নিস্বলে।।
কতনো ফুৰিবো পৃথিবীত ভিক্ষা মাগি।
উপজিলো আমি এহি নিকাৰক লাগি।।
আৰো বা কতনো আছে আমাৰ ললাট।
তোমাতে লুকাওঁ বসুমতি মেলা ফাট।।
কৈত আছা প্ৰভু আৰে দেৱ দামোদৰ।
তোমাৰেসে বোলে আমি মথিলো সাগৰ।।
ত্ৰিদশে অমৃত পাইবা বুলিলাহা দঢ়ে।
আমাৰেসে কৰ্ম্মে মহন্তৰো বাক্য লৰে।।
অনাথাৰ নাথ এভো কৰা পৰিত্ৰাণ।
তোমাৰ চৰণ বিনে গতি নাহি আন।।

আপদৰ বান্ধৱ তুমিসি পিতা মাতা।
তোমাৰেসে আয়ু জীবো যতেক দেৱতা।।
বিপাঙ্গে পৰিলো কৃষ্ণ কৰিয়ো মুকুতি।
এহি বুলি কান্দিয়া কৰন্ত দেৱে তুতি।।

দেৱতাসকলৰ দুৰ্গতি দেখি বিষ্ণুৱে আশ্বাস বাণীৰে সকলোকে সন্তুষ্ট কৰিলে। এই বিষয়টি ভাগৱতত এটি শ্লোকতে সমাপ্ত কৰিছে (৮/৮/৩৭)। কিন্তু গুৰুজনে অলপ বহলকৈ বৰ্ণনা কৰিছে। যেনে-

ত্ৰিদশৰ শুনি হেন সকৰুণ বাণী।
তেখনে বেকত ভৈলা প্ৰভু চক্ৰপাণি।।
ভকতৰ দুখ দেখি নসহে হৃদয়।
ধৰিয়া দেৱক নিচুকান্ত কৃপাময়।।
চাৰি হাত মেলিয়া ফুৰন্ত লোহ মুচি।
হেন ঘোৰ বিষাদ কৰাহা কাত পুছি।।
পৰম নিৰ্ভয়ে থাকা শঙ্কা পৰিহৰি।
আনিবো এখনে অমৃতক মায়া কৰি।।
দেৱৰ উদয় দৈত্য হুইবেক নিৰ্ম্মূল।
ভকতৰ অৰ্থে মই আপুনি আকুল।।
আনো নানা আশ্বাস বুলিলা নাৰায়ণ।
শুনিয়া ত্ৰিদশ দেৱে এৰিলা ক্ৰন্দন।।
কৃষ্ণক নমিলা চৰণত পৰি পৰি।
প্ৰবোধিয়া দেৱক মাধৱো গৈলা লৰি।।

অমৃত ভাণ্ড বলপূৰ্ব্বক ভাৱে দৈত্যই লৈ যোৱাৰ পিছত দৈত্যৰ মাজতে টনা আজোৰা লাগিল। সেই প্ৰসঙ্গতে ভাগৱতত মাত্ৰ তিনিটি শ্লোকতে (৮/৮/৩৯, ৩৯, ৪০) তাৰ বিৱৰণ শেষ হৈছে। গুৰুজনে উক্ত শ্লোকৰ আধাৰতে অলপ বহলকৈ ৰসাল কৰি বৰ্ণনা কৰিছে। যেনে-

দৈত্যত লাগিল দ্বন্দ্ব আপোনাৰ মাজে।
আগে মই পাইলো তই খোজ কোন লাজে।।
সিয়ো মই পাইবো বুলি কৰে চটি-মটি।
কেহো কাকো এৰি নেদে লাগে হতাহতি।।
তাহাৰ হাতৰ পৰা কেহো নেই কাঢ়ি।

তাকো দ্বন্দ্ব কৰৈ কতো দৈত্যে আগ বাঢ়ি।।
আমাক নেদিব ভাগ কাৰ গহ আছে।
এহি বুলি খড়্গে কঙ্কালত বস্ত্ৰ কাছে।।
কেহো বোলে কেনে আৰে কৰস অন্যায়।
ইটো অমৃতত দেৱতাৰো আছে দায়।।
সাগৰ মথিলো দেৱ দৈত্যে সাজু হই।
তাসম্বাক বঞ্চি তই খাইবি কোন মুই।।
কতো বলৱন্ত দৈত্যে সবাকো নিবাৰি।
অমৃতক লৱে কাঢ়ি নিৰ্ব্বলীক মাৰি।।
তাক আগ ভেন্টি আসি ধৰে দশ কুৰি।
লগাৱে কন্দল কিলাকিলি হুৰাহুৰি।।
কেহো মৰামৰি আতি কৰে হুলস্থূল।
আজোৰন্তে প্ৰাণ যাই হোৱয় নিৰ্ম্মূল।।
বৰা বৰা দৈত্যে অমৃতত ভৈল আউল।
সুহৃদ সোদৰ নচাৱয় যেন বাউল।।
বাপে পোৱে ধৰাধৰি কৰৈ আসৰিশ।
দেখি মাধৱৰ ভৈল পৰম হৰিষ।।
সিজিল দেৱৰ কাৰ্য্য বুলি হৃষীকেশ।
মায়া কৰি তেখনে ধৰিলা নাৰীবেশ।।

পূৰ্ব্বোক্ত পদৰ লগত শ্লোক তিনিটিৰ কিমান পাৰ্থক্য আছে, তাৰে তুলনা কৰিবলৈ শ্লোকৰ উদ্ধৃতি দিয়া হল —

মিথঃ কলিৰভূৎ তেষাং তদৰ্থে তৰ্ষচেতসাম্।
অহং পূৰ্ব্বমহং পূৰ্ব্বং ন ত্বং নত্বামিতি প্ৰভো।।
দেৱাঃ স্বভাগমৰ্হন্তি যে তুল্যায়াসহেতবঃ।
সত্ৰ যাগ ইবৈতাস্মিন্নেষ ধৰ্ম্মঃ সনাতনঃ।।
ইতি স্বান প্ৰত্যষেধন্ বৈ দৈত্যেয়া জাতমৎসৰাঃ।
দুৰ্ব্বলাঃ প্ৰবলান্ ৰাজন্ গৃহীত কলসান্ মুহুঃ।।

অৰ্থাৎ- হে ৰাজন? অমৃতৰ কাৰণে অতিশয় তৃষ্ণাতুৰ চিত্ত সেই দানৱ গণৰ

মাজত "আমি আগত আমি আগত তুমি নহয় তুমি নহয়" বুলি এনে প্ৰকাৰে কাজিয়া কৰিবলৈ ধৰিলে।

হে ৰাজন? বিদ্বেষযুক্ত দুৰ্ব্বল দৈত্যসকলে অমৃত ভাণ্ড হৰণকাৰী বলী দৈত্যগণক কবলৈ ধৰিলে দেৱ দৈত্যেই সমানে অমৃত মন্থন কৰিছোঁ এঁতেকে অমৃতৰ ভাগ সকলোৱে সমানে পাব লাগে। দেৱসকলো ইয়াক পাবৰ যোগ্য। এনে কৰাই সনাতন ধৰ্ম্ম। এনে প্ৰকাৰে কৈ সিসকলক বাধা দিবলৈ ধৰিলে।

দৈত্যসকলক মোহগ্ৰস্ত কৰিবলৈ বিষ্ণুয়ে মোহিনীৰূপ ধাৰণ কৰা সম্পৰ্কত তেওঁৰ ৰূপ পাঁচটি শ্লোকেৰে কৰা হৈছে (৮/৮/৪২-৪৬)। গুৰুজনাৰ মোহিনীৰ ৰূপ বৰ্ণনা ভাগৱতকৈ কিছু পাৰ্থক্য আৰু এখোপ চৰা। যেনে-

ভৈলা গিব্য তৰুণী যোড়শ বৰিষৰ।
নীল উৎপতলৰ কান্তি শোভে কলেবৰ।।
বান্ধিলা উচ্চল কৰি খোপা কেশতুলি।
তাত ৰঞ্জি আছে দিব্য পাৰিজাত ফুলি।।
জলমল কৰৈ কণে মকৰ কুণ্ডল।
আৰকত অধৰ বৰ্ত্তুল বিম্বফল।।
সুন্দৰ নাসিকা আতি দেখি মনোহৰ।
মুখ কমলক আতি দেখি ৰুচিকৰ।।
দশন মুকুতা শাৰী মুখে অল্প হাসি।
ভ্ৰূৱ সুবলিত চক্ষু কমলৰ পাসি।।
সম্পূৰ্ণ চন্দ্ৰমা বদনক সম নুই।
মোলানৰ পাৱ সুবলিত বাহু দুই।।
কেয়ুৰ কঙ্কণে আতি কৰে জাতিষ্কাৰ।
তাল ফল সমান উন্নত স্তন ভাৰ।।
সুৰভি কুঙ্কুমে তাত আছে চিত্ৰ কৰি।
কণ্ঠে কণ্ঠাভৰণ গলত সাতসৰি।।
দিব্য নেত শাৰী পিন্ধি আছা-বৰবালা।
আতি শোভে কঙ্কালত ৰত্নৰ মেখলা।।
বহল জঘন চাৰু উৰু ৰাম কল।

থল কমলক গঞ্জে চৰণ যুগল।।
ৰত্নৰ নূপুৰ তাতে ৰুণুজুনু বাজে।
পয়াণক লাগি যেন কামদেৱ সাজে।।
দৈত্যৰ ভিতিক যান্ত কৰি লয়লাস।
গাৱৰ সুৰভি গন্ধে মোহে দিশ পাশ।।

মোহিনীৰ ৰূপ বৰ্ণনাৰ পিছতে তেওঁৰ আগমন আৰু হাস্য-লাস্য কেনে আছিল, সেই বিষয়ে ভাগৱত নিমাত। পিছে গুৰুজনে মোহিনীৰ হাস্য লাস্য আৰু অতুলনীয় সৌন্দৰ্য্যৰ বিবৰণ সুন্দৰকৈ প্ৰকাশ কৰিছে এনেদৰে-

ৰূপে লক্ষ্মী পাৰ্ব্বতীয়ো যাক সম নোহে।
স্বৰ্গ মৰ্ত্ত্য পাতালক কটাক্ষতে মোহে।।
বায়ু বস্ত্ৰ উলাসে বেকত হোৱে মুখ।
দেখন্তে সন্তোষ আতি নয়নৰ সুখ।।
খনো গুৰুতৰ স্তন ভাৰ হোৱে উদি।
আঞ্চলে ঢাকন্তে যান্ত লাজে চক্ষু মুদি।।
কটাক্ষ নয়নে কাকো চাহন্ত সুন্দৰী।
কাকো টেৰ কৰি চান্ত অল্প হাস্য কৰি।।
কতো দৈত্যগণত সমুখে পৰে দৃষ্টি।
আন ছলে কাহাকো দেখাৱে কাষ পিঠি।।
হেনয় মোহনভাৱে চাপিলন্ত কোল।
দেখি দৈত্যগণে নিৰন্তৰে ভৈলা ভোল।।

সুন্দৰী মোহিনী বিষ্ণুৰ লাশ-বেশ গতি, মোহনীয় লাৱণ্যময়ী তনু দৰ্শনত দৈত্যসকল আকৰ্ষিত হোৱাৰ বৰ্ণনা ভাগৱতত আছে। ৮/৯/৩-৭ শ্লোকৰ পাঁচটিৰ পৰা গুৰুজনে পদত ইয়াতকৈ অধিক ৰসালকৈ নিজৰ মতেৰে প্ৰকাশ কৰিছে। শ্লোক পাঁচটি আধাৰ হিচাপেহে লৈছে। বাক্য গঠন আৰু বৰ্ণনা প্ৰাচুৰ্য্য স্বতন্ত্ৰতা নিজৰ। জনা যায় যে আধাৰিত শ্লোকৰ কৰ্ত্তা, কৰ্ম্ম ক্ৰিয়া পদাদি ৰচিত পদত নিজাকৈহে গঠন কৰা হয়। মোহিনীক দেখি দৈত্যসকলৰ ভাৱনা এনেদৰে আছে-। যেনে -

আন নভাৱয় আতি নয়ন তবধ।
নসহে হৃদয় মন মদনে দগধ।।
বহ্নিৰ সংযোগে যেন উঠলিল ঘৃত।

কন্যাক দেখিয়া সবে এৰিলা অমৃত।।
উগুল থুগুল চিত্ত কৰে উতপাত।
বৰা বৰা দৈত্য উঠি লগাইলেক মাত।।
কোন তুমি কমল লোচনী বৰনাৰী।
কিবা প্ৰয়োজনে ফুৰা কাহাৰ জীয়াৰী।।
চৈধয় ভুবনে আমি কৰি আছো গতি।
চক্ষু নতু দেখো তুমি সম ৰূপৱতী।।
জানিলো তোমাক মহা যত্নে সৃষ্টি কৰে।
ইঠাৱক পঠাইলা আমাক দয়াতৰে।।
তুমি হেন স্ত্ৰীৰ যিটো দেখে লয়লাস।
সাফল জীৱন তাৰ ঐতে স্বৰ্গবাস।।
অনেক জনমে আমি আছো তপ কৰি।
সিকাৰণে আসি ভৈলা আপুনি সুন্দৰী।।
তযু আগমনে ভৈল অমৃতো সাফল।
ভাঙ্গিয়োক সবে দেৱ দৈত্যৰ কন্দল।।
একে কশ্যপৰ হন্তে সবে ভৈলো জাত।
কেনে দেৱাসুৰে মৰো কৰি উতপাত।।
যথোচিতে অমৃত সবাকো দিয়া বান্টি।
তুমি বিভঞ্জিলে নথাকিবে কাৰো ঘাটি।।

দৈত্যসকলৰ বাক্যত মোহিনীয়ে দিয়া উত্তৰ দুটি শ্লোকতে শেষ হৈছে। মোহিনীয়ে কৈছে "মোৰ নিচিনা কুলটাৰ ওপৰত তোমালোক বিশ্বাস কৰিছা কিয়? পণ্ডিত সকলে কামিনীক কেতিয়াও বিশ্বাস নকৰে। কুকুৰ আৰু নষ্ট চৰিত্ৰৰ নাৰী সকলে নিত্য নতুন আশ্ৰয় কামনা কৰে। সেইকাৰণে তেওঁলোকৰ সৈতে মিত্ৰতা অস্থায়ী"। মোহিনীৰ এই পৰিহাসযুক্ত বাক্যত আশ্বস্ত হৈ গভীৰ হাস্য সহকাৰে দৈত্য সকলে অমৃত কুম্ভ তেওঁক প্ৰদান কৰিলে। এয়া মূল ভাগৱতৰ কথা। কিন্তু গুৰুজনাৰ প্ৰকাশ ভঙ্গী এনে ধৰণৰ-

হেন শুনি সুন্দৰী হাসিলা মুচুকাই।
কতোক্ষণে আছিলন্ত মাথ চপৰাই।।
লাজে পিঠি দিয়া পাছে বুলিলা বচন।
তুমি সব বৰা বৰা কশ্যপ নন্দন।।

কিসক আমাক হেন কৰা উপহাস।
কৈত শুনি আছা কৰৈ বেশ্যাত বিশ্বাস।।
কৈৰ আমি কোন নিচিনাহা মাৰ বাপ।
কিসৰ সঞ্জাতে থোৱা অমৃতৰ থাপ।।
পাইলেক দানৱ গণে কথাতে সৰস।
সুন্দৰীক মাতে সবে উলস-মালস।।
চিত্ততো নানিবা হেন নিদাৰুণ মাত।
আছোক অমৃত প্ৰাণ অৰ্পিলো তোমাত।।
তোমাৰ অধীন যত দানৱ প্ৰধান।
হুয়োক প্ৰসন্ন প্ৰাণেশ্বৰী এৰা মান।।
কৰিবো শপত যেবে আছয় কপট।
এহি বুলি দিলে আনি অমৃতৰ ঘট।।

অসুৰ সকলৰ এনে উক্তি মোহিনীৰ কাৰণে আমোদজনক আৰু লাভজনক হল। ভাগৱতৰ মতে মোহিনীয়ে ঈষৎ হাস্য কৰি কলে "আমি ভাল মন্দ যি কৰোঁ তোমালোকে যদি তাকে স্বীকাৰ কৰি লব পাৰা, তেনেহলে অমৃত বিভাগ কৰি দিব পাৰোঁ"। অসুৰ সকলে "অষমংসত" অৰ্থাৎ "সিয়েই হওক" এই বুলি সম্মতি জনালে। গুৰুজনাৰ বৰ্ণনা এনেধৰণৰ -

হাসিয়া মাতিলা কন্যা অমৃতক দেখি।
দানৱ গণক চাই কটাক্ষে নিৰেখি।।
মোৰ বান্টিবাক যদি লাগে স্বৰূপত।
শুনা আৰে কহো মোৰ মনৰ সম্মত।।
আপুনি ইচ্ছায়ে দিবো যাক মনু তাক।
তাত যেন কেহোজনে নেদিবাহা হাক।
তাক এতিক্ষণে সবে কৰা বোল মাত।
নুহি কিয় কৰিবোহো লোক হাসিয়াত।।
হেন শুনি দৈত্যগণে মাতে সত্য কৰি।
নিষ্ঠে নিষ্ঠে হেৰা আমি বোলো খণ্ডা ধৰি।।
নেদিবোহো হাক তুমি যাকে লাগে দিয়া।
এভো প্ৰাণেশ্বৰী তেৱে নতাপওঁ হিয়া।

অমৃত পানাসক্ত দেৱ দৈত্যই মোহিনীৰ বাক্যানুসৰি উপবাস আৰু স্নান

ক্ৰিয়া সমাপনে অগ্নিত আহুতি প্ৰদান কৰি বিপ্ৰ সকলৰ দ্বাৰা অভিষিক্ত হৈ যথাযোগ্য নববস্ত্ৰ পৰিধান কৰি অলঙ্কাৰাদিৰে বিভূষিত হৈ পূৰ্ব্বাগ্ৰ কুশৰ ওপৰত উপবেশন কৰিলে। মাল্য আৰু দীপৰ দ্বাৰা অলঙ্কৃত আৰু ধূপ গন্ধে আমোদিত সেই গৃহত দেব দৈত্যই পূবমুখে উপবিষ্ট হ'ল। ৰচনাৰ মাজত এনেকৈ প্ৰকাশ পাইছে।

হেন শুনি ভৈল কন্যা আনন্দ হৃদয়।
গুচিলা মনত যিবা আছিল সংশয়।।
দেৱতাক চাহি পাছে দিলা হাত বাৱ।
দৈত্যক বোলন্ত হুয়ো পবিত্ৰ স্বভাব।।
ইটো দিব্য অমৃতক ভুঞ্জিয়ো নিয়মে।
শাৰী হুয়ো বসা সৱে দেওঁ অনুক্ৰমে।।
শুনি দেৱ দানৱে কন্যাৰ সন্নিধান।
সাগৰত নামিয়া কৰিলা স্নান দান।।
নিত্য কৃত্য সমাপিয়া পিন্ধিলন্ত ধুতি।
দেৱক অৰ্চ্চিয়া দিলা বহ্নিত আহুতি।।
লিপি পুচি পবিত্ৰ কৰিলা বহুদূৰ।
বসিলা সমাজ পাতি যত দেৱাসুৰ।।
লগাই লেক ধূপ দীপ আতি আমোদিত।
পৰম আনন্দে সৱে হুয়া সালঙ্কৃত।।
আচান্ত কৰিয়া পৃথিবীত কুশ পাৰি।
বসিলন্ত দেৱ দৈত্য হুয়া দুই শাৰী।।
এক ভিতি দৈত্য আউৰ ভিতি ভৈলা দেৱ।
উসল মিসল হুইবে নপাৱন্ত কেৱ।।
দেৱৰ মধ্যত বসিলন্ত দেৱহৰি।
একৰূপে আছন্ত কামিনী ৰূপ ধৰি।।
অমৃতৰ ঘটক কাখত তুলি লৈলা।
আতি লয় লাসে সমজ্যাক লাগি গৈলা।।

সেই প্ৰসঙ্গতে ভাগৱতৰ দুটি শ্লোকত (৮/৯/১৭, ১৮) মোহিনীৰ ৰূপ

বৰ্ণনা কৰা হৈছে। কিন্তু গুৰুজনে অতি চমুকৈ দুটি পদতে সামৰিছে। ভাগৱতৰ বৰ্ণনা কিছু বহল। মোহিনীয়ে দৈত্যসকলক বঞ্চিত কৰি দেৱতাসকলক অমৃত পান কৰালে। এই সম্পৰ্কত ভাগৱতত এটি শ্লোকতে বিষয়টি প্ৰকাশ কৰিছে(৮/৯/২১)। পিছে গুৰুজনাই এই বিষয়টিত ৰসসঞ্চাৰ কৰি বহলাইছে। যেনে

এহি বুলি অসুৰক বঞ্চি বনমালী।
শাৰী কৰি দেৱৰ মুখত দেন্ত ঢালি।।
ব্ৰহ্মা বিষ্ণু ৰুদ্ৰ আদি যত দেৱগণ।
পিলেক অমৃত আপোনাৰ পূৰি মন।।
কতো দেৱগণ ক্ষুধা তৃষ্ণায়ে নিৰ্জীয়ে।
দিব্য অমৃতক পায়া ঢোকা ঢোকে পিয়ে।।
গল চুঙ্গি পাৰৈ যেবে তভো বাৰৈ বেন্ত।
খোজে মানে অমৃতক নাৰায়নে দেন্ত।।
নধৰয় নাকে মুখে পৰয় বিয়াপি।
বৰ খঙ্গে পাইল না বোলে তথাপি।।
খাহন্তে খাহন্তে কতো ভৈলা যেন ঢোল।
উসসিল পেট আতি ভৈল গণ্ডগোল।।
মুখত অমৃত লৈয়া উৰ্দ্ধ দৃষ্টি আছে।
পেটে নধৰয় মাথা চপৰাইলা পাছে।।
নপান্ত উশাস তথাপিতো হাইফুই।
বাজ হোৱে মাতন্তে থাকন্ত থৰহুই।।
এহিমতে দেৱগণে ভুঞ্জিলা অমৃত।
কৃষ্ণৰ প্ৰসাদে আতি হুয়া কৃতকৃত্য।।
অজৰ অমৰ তেতিক্ষণে দেহাখান।
আঠ গুণে তেজ ষোল গুণে ভৈলা প্ৰাণ।।

দেৱতাসকলৰ নিৰাপদ অমৃত পানত দৈত্যসকল হতাশগ্ৰস্ত হৈ যুদ্ধৰ কাৰণে প্ৰস্তুত হল। দুয়ো পক্ষৰ মাজত তুমুল সংগ্ৰাম আৰম্ভ হল। ভাগৱতৰ ৮/১০/১-৬ শ্লোক পৰ্য্যন্ত দেৱ দৈত্যৰ মাজত যুদ্ধৰ কথাহে কোৱা হৈছে। দৈত্যৰ

হতাশ আৰু দেৱতাৰ উল্লাসৰ বিষয়টি ভাগৱতত সংক্ষিপ্ত। কিন্তু গুৰুজনে পদত নিজাববীয়াকৈ বহলাইছে। যেনে —

দেখি দৈত্য যেন মৰিল। মুখত বচন হৰিল।।
আকাশী স্বৰ্গ পৰিল। শৰীৰে মৰ্ম্ম চড়িল।।
গৰ্জ্জে কোপে বলি ৰায়। দশন কামুৰি খাই।।
বোলে দানৱক চাই। দেখা দেৱে পাইলে লাই।।
আমাতে আছিল খাটি। ঘিণে নেপেলাইলো কাটি।।
হেন দেৱে দ্ৰোহ কৰে। গাৱৰ গৰ্ব্বতে মৰে।।
অমৃতক খাইলা নেদি। পেহলাইবো কন্ধক ছেদি।
ৰুধিৰে বহাইবো নদী। হৰি হোন্ত সখা যদি।।
তথাপি নকৰো ৰক্ষা। বুজোক আমাৰ কক্ষা।
সৱাকে কাটিবো বেঢ়ি। আৰকা লগাইলে খেড়ি।
শুনা যত দৈত্যে আছা। ঝাণ্টে অস্ত্ৰ শস্ত্ৰ কাছা।।
অমৃতৰ খতি সাৰো। দেৱক সমৰে মাৰো।
আমাসাক হিংসি যাই। আগতে অমৃত খাই।।
আত কি জীৱক লাগে। যেন আছে হোক ভাগে।
আজি নথৈবোহো বাকী। যুজিবো প্ৰাণক টাকি।।
নকৰিবো পাছ ভৰি। সাজিয়ো সত্বৰ কৰি।
ৰাজাৰ আদেশ পাই। দৈত্য উঠি গিৰিসাই।।
আথে বেথে কাছি বস্ত্ৰ। ধৰিলা তেখনে অস্ত্ৰ।

অসুৰ সকলে যুদ্ধ যাত্ৰা কৰোঁতে বাহন হিচাপে ভাগবতৰ মতে উট, হাতী, গাধ, বানৰ, ভালুক, বাঘ; সিংহ, শগুন, কঙ্ক, বগলি, শেন, কুকুৰা তিমিঙ্গল, বলদ গৰু, ম'হ, গৰ্ড়, ষাঁড় গৰু, শিয়াল, নিগনি, জেঠী, শহা পহু, মানুহ, ছাগলি, হৰিণ, হাঁহ, গাহৰি আৰু অন্যান্য জলচৰ, স্থলচৰ আদি প্ৰাণী সমূহক ব্যৱহাৰ কৰিছিল। কিন্তু গুৰুজনাৰ পদত হাতী, ঘোড়া, গাধ, বাঘ, ঘোং, গাহৰি, ম'হ, সৰ্প, ভালুক, শিয়াল, মগৰ, কুম্ভীৰ, কঙ্কলাস, শগুন, হাঁহ, আদিৰ নাম আছে। মূলতকৈ গুৰুজনাৰ পদত বাহনৰ সংখ্যা কম। অসুৰ সৈন্য আৰু বলিৰজাৰ যুদ্ধ সাজ-সজ্জাৰ বিষয়ে ভাগৱতত ছয়টি শ্লোকত যৎ-সামান্য বৰ্ণনা কৰা হৈছে।

পদত গুৰুজনে শ্লোক কেইটিৰ আধাৰতে কিছু পৰিবৰ্ত্তনেৰে বলিৰ যুদ্ধ যাত্ৰাৰ বিবৰণ দাঙি ধৰিছে এনে ধৰণেৰে-

অনন্তৰে বলিৰায়। মাতিলা ময়ক চাই।
মায়া ৰথ আনা সাজি। আকাশে সঞ্চাৰে বাজি।।
তুমি সবে জানা মৰ্ম্ম। হেন শুনি বিশ্বকৰ্ম্ম।
সাজিলা মায়াৰ বলে। ৰথ আকাশত চলে।।
খনো পৃথিবীক চোৱৈ। তেখনে অদৃশ্য হোৱৈ।
নানা ৰত্নে কৰি সাজ। আৰোপিলা সিংহধ্বজ।।
থৈলা অস্ত্ৰ থানে থানে। যুদ্ধত লাগিবে মানে।
বৈদুৰ্য্য সন্নাহ যাৰ। দেখি বীৰ চমৎকাৰ।।
সাজি ময় মহাভাগে। যোগাইলা ৰজাৰ আগে।
দেখি বলি মহাবীৰে। কিৰীটি চড়াইল শিৰে।।
কৱচে ঢাকিলা তনু। কৰে ধৰি শৰধনু।
ডেৱ দিয়া দৈত্যৰাজে। চড়িলা ৰথৰ মাজে।।
বৰা বৰা দৈত্যমানে। উঠি স্বকী স্বকী যানে।
দৈত্যেন্দ্ৰক মধ্য কৰি। শিৰে শ্বেত ছত্ৰধৰি।।
ধৱলা চামৰে ঢুলি। যাই দণ্ড ছত্ৰতুলি।
যেন পূৰ্ণচন্দ্ৰ যাৱে। বাদ্যে ভণ্ডে স্বৰ্গ চোৱে।।
কটকৰ গিৰে আতি। দলদোপ বসুমতি।
হেন মহা চমৎকাৰে। লৰিলা দেৱক ধাৰে।।

ভাগৱতৰ অষ্টম স্কন্ধৰ দশম আৰু একাদশ অধ্যায় দুটি বলি বাসৱ তথা দেৱ দৈত্যৰ সমৰ সজ্জা আৰু ভয়ঙ্কৰ সমৰ কাৰ্য্যৰ বিবৰণ আদিৰে ভৰপূৰ। পদত গুৰুজনাই এই সুযোগতে স্বকীয় সৃষ্টিৰে যুদ্ধৰ ৰসাল বৰ্ণনা দাঙি ধৰিছে। এই ক্ষেত্ৰত শ্লোকানুপাতে পদৰ সংখ্যা অধিক হোৱা দেখা গৈছে। শ্লোকত যুদ্ধৰ বৰ্ণনাতকৈ পদৰ যুদ্ধ বৰ্ণনা অতি চিত্তাকৰ্ষক আৰু ভয়ঙ্কৰ চিত্ৰ এখনি অঙ্কন কৰা হৈছে। শ্লোকৰ আধাৰ মাত্ৰলৈ নিজৰ সৃষ্টিমূলক উপাদানেৰে বিষয়টি সজাইছে। অতি দীঘলীয়া হলেও সৃষ্টিমূলক ৰসাল বৰ্ণনাৰ পদ সমূহ উদ্ধৃত কৰা হল। দশম অধ্যায়ৰ সাতাৱন্ন আৰু একাদশ অধ্যায়ৰ আঠচল্লিশটি শ্লোক মিলি সৰ্ব্বমুঠ এশ

পাঁচটি শ্লোক যুদ্ধৰ বৰ্ণনাত ব্যৱহাৰ কৰা হৈছে। ইয়াৰ ভিতৰত বহুখিনি শ্লোক বাদ দিছে আৰু নতুন সংযোজনো কৰিছে। দশম অধ্যায়ৰ উনৈশ সংখ্যাৰ পৰা বাইশ সংখ্যালৈকে বৰ্ণিত বলিৰজাৰ সহযোগী প্ৰধান সেনাধ্যক্ষ সকলৰ নাম, শ্লোকত উদ্ধৃত কৰা হৈছে। কিন্তু পদত তাৰ উল্লেখ নাই। শিৱই বলি বাসৱৰ যুদ্ধত দেৱৰ পক্ষত থাকি যুঁজ দিয়াৰ বিৱৰণ পদত প্ৰকাশ পাইছে। লগতে অন্যান্য মূল বহিৰ্ভূত বিষয়ো সংযোজন হৈছে। স্থানান্তৰত সিবোৰ প্ৰকাশিত হ'ব। সম্প্ৰতি গুৰুজনাৰ সৃষ্টিমূলক বিষয় প্ৰকাশ কৰা হ'ল।

মূলৰ-১৬-২৭ শ্লোকৰ (৮/১০) সামান্য ছাঁ লৈ ৰচনা কৰা পদ সমূহ -

বাসৱে দেখন্ত বলি আসে চমৎকাৰে।
ৰত্নময় সন্নাহ পিন্ধিলা কলেৱৰে।।
শিৰত কিৰীটি ধনু ধৰি বাস কৰে।
কাছিলা ছত্ৰিশ অস্ত্ৰে আঞ্জৰে পাঞ্জৰে।।
আউৰ হাতে বজ্ৰগোট ধৰিয়া প্ৰৱন্ধে।
ডেৱ দিয়া চড়িলন্ত ঐৰাৱত স্কন্ধে।।
উদয় গিৰিত যেন সূৰ্য্য ভৈলা বাজ।
চাহন নযাই প্ৰকাশন্ত দেৱৰাজ।।
দেখি দেৱ সেনাগণে দণ্ড ছত্ৰতুলি।
বাৱে বাদ্য ভণ্ড বেঢ়ি জয় ইন্দ্ৰ বুলি।।
স্বকী স্বকী যানে চড়ি দশ দিগপাল।
কাচিয়া ইন্দ্ৰৰ লগে গৈলা সেহিতাল।।
অমৃতৰ পানে বৰ বাঢ়িল প্ৰভাৱ।
বলিষ্ঠ দৰ্পিষ্ঠ হৃষ্ট পুষ্ট ভৈল গাৱ।।
দানৱক লাগিয়া কটাক্ষো নাহি আতি।
থাকিলো নিৰ্ভয়ে অৰ্দ্ধচন্দ্ৰ বেহু পাতি।।
দানৱৰ প্ৰচণ্ড কটকে যাই খেদি।
বাদ্য ভণ্ড বোলে বায়ু মণ্ডলক ভেদি।।
খাইবো আজি মুণ্ড দেৱগণ থাক থাক।
এহি বুলি দৈত্যে গৈয়া দিলে অস্ত্ৰ ঝাক।।

পৰশু মুষল শেল শকতি তোমাৰ।
পৰিষ পট্টিশ অসি গদা মুদগৰ।।
ভল্ল ভিণ্ডি পাল প্ৰাস ক্ষুৰ যে প্ৰহাৰে।
বাৰিষৰ মেঘে যেন বৰিষয় ধাৰে।।
পৰম নিশঙ্কে দেৱতাৰ সেনামানে।
বাঢ়ি আছে তেজ বল অমৃতৰ পানে।।
সবে ৰণ পণ্ডিত বুদ্ধিত নঘাটন্ত।
দানৱৰ শৰমানে পথত কাটন্ত।।
দৈত্যক ছানিয়া দেৱে বৰিষন্ত বাণ।
দেৱকো দানৱে কৰে অস্ত্ৰৰ সন্ধান।।
অন্যো অন্যে শৰে ফুটি সৱে চটচটি।
নুহি পাছ ভৰি কৰে বীৰে আৰস্ফটি।।
ৰথী ৰথী যুদ্ধে দুই দুইৰ ছিদ্ৰ চাৱে।
বিমোহিত হোৱে দুই দুইৰ শৰ ঘাৱে।।
সাৰথিক মাৰি ৰথ পেলাৱে বখালি।
জিনিলো জিনিলো বুলি পাৰে বাহুতালি।।
হস্তী হস্তী কৰৈ যুদ্ধ চণ্ড দান্তে ভিৰি।
ধৰাধৰি আজোৰত মুণ্ড যাই চিড়ি।।
পৃথিবী কম্পাৱে চিহ্ৰয় ঘোৰ ৰাৱে।
মাহুতে মাহুতে যুদ্ধে অঙ্কুশৰ ঘাৱে।।
ঘোড়ায়ে ঘোড়ায়ে বৈসাৱয় ঝম্প গুৰি।
কতো বেন্ত বায়া কৰৈ কামোৰা কামুৰি।।
কাঢ়য় হ্ৰেসনি ধ্বনি শুনি কাণ কাটে।
বাহুতে বাহুতে কোবাকুৰি কৰৈ চোটে।।
পদাতি পদাতি লাগিলেক ধুমাজয়।
কাট মাৰ বুলি খাণ্ডা তুলিয়া গৰ্জ্জয়।।
বাজুবাৰে খাণ্ডাৰ কোবত মাথা ছেদৈ।
কতো মুষ্টি মাৰৈ জাঠি হানি হিয়া ভেদে।।

অস্ত্ৰ হত ভৈল কতো যুজে মাল বান্ধে।
হাতে ধৰাধৰি কৰি ভৰি ভৰি চান্দে।।
পৃথিবীত পৰি কৰে বাগৰা বাগৰি।
কতো হাৰ ঘাৰ ভাঙ্গি নেই মৰমৰি।।
আঙ্গুৰে ঠৈঙ্গনা মাৰে গোৰ ঘৰা কাতি।
চৰৰ চপট কিল ভুকু মাৰে আতি।।
মুষ্ঠিৰ চোটত ভাগে নাকমুখ শিৰ।
শৰীৰ ঢাকিয়া বহে বোম্বালে ৰুধিৰ।।
উভয় সৈন্যত বাজে নানা বাদ্য ভণ্ড।
দুয়ো ভিতি নচুৱাবৈ চিহ্ন ছত্ৰ দণ্ড।।
চানি চলি আসৈ আকাশত বাণগণ।
চিকিমিকি কৰে যেন ৰবিৰ কিৰণ।।
দুয়ো সেনা কৰে ঘোৰ সিংহনাদ ৰোল।
স্বৰ্গক লংঘিয়া গৈল ব্ৰহ্মাণ্ডৰ কোল।।
ক্ষীৰ সাগৰৰ তীৰ জুৰি নিৰন্তৰ।
লাগিল দুৰ্ঘোৰ দেৱাসুৰৰ সমৰ।।
একথাল ভৈল যেন দুখান সাগৰ।
হুলস্থুল কৰে যেন কুম্ভীৰ মগৰ।।
ধৰমাৰ কাট কেহো বোলে তোল তোল।
নসহে পৃথিবী দেৱাসুৰৰ আন্দোল।।
কৰিলা ত্ৰিদশে দিব্য অমৃতক পান।
চড়ন্তেসে যাই বল বীৰ্য্য তেজ প্ৰাণ।।
পৰম নিৰ্ভয়ে দানৱক যুদ্ধ কৰে।
কৃষ্ণৰ প্ৰসাদে দেৱ গোচেকো নমৰে।।
দেৱতাৰ প্ৰহাৰত দৈত্য যাই মৰি।
হেন দেখি দানৱ নিশেষে গৈল ডৰি।।
কহিতো নমৰে ত্ৰিদশৰ একগুটি।
বিপৰ্য্যয় দেখিয়া ভাগিল আটিমুটি।।

দেৱৰ প্ৰহাৰে জৰ্জ্জৰিত ভৈল অঙ্গ।
তেতিক্ষণে অসুৰৰ সেনা দিলে ভঙ্গ।।
দেখি দেৱগণে পাছে পাছে নেই খেদি।
নৰাখে দৈত্যক পাৰে মানে নেই ছেদি।।
মাৰে হান গলে কতো ছিণ্ডে কাণ্ডে খাণ্ডে।
পলাই কতো গাৱে তেজ বহে ধাৰা দণ্ডে।।
অস্ত্ৰ শস্ত্ৰ বস্ত্ৰ সবে এৰি নিৰন্তৰে।
বলিত শৰণ লৈলা প্ৰাণৰ কাতৰে।।
হেন দেখি খঙ্গিল বলিষ্ঠ বলিৰায়।
সেনাৰ সন্তাপে মহা ক্ৰোধে গৈলা ধায়।।
বৰা বৰা দৈত্যমানে লগতে জাম্পিল।
দলদোপ পয়োভৰে পৃথিবী কম্পিল।।
তৰ্জ্জিয়া গৰ্জ্জিয়া সবে চাৰৈ ক্ৰোধ দৃষ্টি।
কৰিলেক আথাকে বিপুল শৰ বৃষ্টি।।
ঢাকিলেক দিশ পাশ নমনি আকাশ।
বাৰিষাৰ মেঘ যেন নাহিকে প্ৰকাশ।।

দেৱ দৈত্যৰ দুৰ্ঘোৰ ৰণ দেখা পাই কৈলাসৰ পৰা শিৱই বৃষভত উঠি নামি আহি দেৱৰ পক্ষ হৈ যুদ্ধত যোগ-দিয়াৰ বিবৰণ গুৰুজনাই ইয়াৰ সঙ্গতি ৰাখি বৰ্ণনা কৰিছে এনেদৰে। মূলত সামান্য মাত্ৰ ইঙ্গিত আছে।

মিলিল দুৰ্ঘোৰ যুদ্ধ দেৱ দানৱৰ।
বসি আকলিলা কৈলাসত শূলধৰ।।
টানি টানি বাঘছাল বান্ধিলা কটিত।
শূল ধৰি আৰোহিলা বৃষৰ পিঠিত।।
কি কৰা কাৰ্ত্তিক কৈত আছা গণপতি।
ত্ৰিদশ দেৱৰ আমাৰেসে সেনাপতি।।
তাসম্বাৰ ভঙ্গ ভৈলে আমাৰেসে লাজ।
হেন জানি যুদ্ধক সত্বৰে হুয়ো সাজ।।
এহি বুলি তেখনে লৰিলা মহেশ্বৰ।

সপুত্ৰ বান্ধৱে ভৈলা বশে পয়োসাৰ।।
দেখি দেৱতাৰ ভৈলা দশগুণে সাস।
জিনিলো দৈত্যক বুলি পাৰয় আটাস।।

শঙ্কৰৰ উপস্থিতিত দেৱতাসকল দুগুণে উৎসাহিত হৈ যুদ্ধ কৰিবলৈ ধৰিলে। যুদ্ধৰ বৰ্ণনা পুনৰ এনেধৰণৰ —

দেখি ক্ৰোধে জ্বলিল দৈত্যেন্দ্ৰ মহাবীৰ।
শত্ৰুৰ উৎসাহ দেখি নসহে শৰীৰ।।
বিদ্যুত সঞ্চাৰে ধাইল ধনুক টঙ্কাৰি।
চাইলা দিশ পাশ অসংখ্যত শৰ মাৰি।।
তিখাল চোখাল শৰ মাৰিবে লাগিল।
চমকিয়া দেৱ সেনা বিভাঙ্গে ভাগিল।।
হেন দেখি ইন্দ্ৰৰ উঠিল মহাৰাগ।
হস্তী স্কন্ধে তেখনে ভেটিল গৈয়া আগ।।
সম্মুখি বোলন্ত ইন্দ্ৰে শুন অৰে বলি।
তিনিও লোকত লগাই আছ খলিমলি।।
সিসব কৰ্ম্মৰ আজি মই দেওঁ ফল।
এহি বুলি ধনু ভিৰি দেৱ আখণ্ডল।।
একশত তীক্ষ্ণ শৰ পঠাইলা প্ৰহাৰি।
বাজ ভৈলা দৈত্যেন্দ্ৰৰ হৃদয় বিদাৰি।।
বৰ চোটে ঝমক দেখিলা বলিৰায়।
হয়োক সপ্তম বোলে বাসৱক চাই।।
একবাৰ যেদি কাঢ়ি লৈলো স্বৰ্গৰাজ।
দুনাই দ্ৰোহ চিন্ত তোৰ নাহি কিছু লাজ।।
নপঠাইবো ইবাৰ জীৱন্তে লৈবো প্ৰাণ।
এহি বুলি প্ৰহাৰিলা হাজাৰেক বাণ।।
বিস্বাদ শবদে আকাশক যাই চানি।
দেখি ইন্দ্ৰে তেখনে কাটিলা শৰ হানি।।
ছন্ন ভৈল শৰ নপাইলেক অৰ্দ্ধ পথ।

যেন মিছা ভৈল দৰিদ্ৰৰ মনোৰথ।।
হেন দেখি বলিৰায় খজি গৈলা তদা।
দুনাই হাতে তুলি লৈলা ভয়ঙ্কৰ গদা।।
ৰথ হন্তে দেৱ দিয়া নামিলা ভূমিত।
দেখ নেদেখ বেগে চলিলা তৰিত।।
হস্তীৰ মুণ্ডত কোব দিলা মহাৰাগী।
বোম্বালে বঝাই তেজ কুম্ভস্থল ভাগি।।
পৰ্ব্বতৰ পৰা যেন বহে গেৰু ধাৰ।
পাক ফুৰি ঐৰাবতে দেখে অন্ধকাৰ।।
পাছ গুটি পাছে বলি আৰোহিলা ৰথ।
লুণ্ডি ঘুণ্ডি হস্তী ইন্দ্ৰে কৰিলন্ত স্বস্থ।।
বলিৰ ঘোৰাক তাৰিলেক পাঞ্চ বাণে।
সাৰথিক দশ বাণে ভেদিল সন্ধানে।।
তীক্ষ্ণতৰ বিচিত্ৰ নৰাচ কুৰি পাটে।
বৰ চোটে বিন্ধিলন্ত ৰাজাৰ ললাটে।
বাহুকো বিন্ধিলা আঠ আঠ শৰমাৰি।
ষাঠী শৰে হৃদয়ক পেলাইলা বিদাৰি।।
ৰথ সমন্বিতে বলি ভৈতে ফুৰে পাক।
মাৰিলো মাৰিলো বুলি ইন্দ্ৰে দিলা ডাক
ফুঙ্কলন্ত শঙ্খ ৰঙ্গ কৰিয়া বাসৱ।
চাহি আছে তাৰকে বলিৰ পৰাভৱ।।
মহা ক্ৰোধে ধাইল মত্ত গজ কন্ধে উঠি।
বাম হাতে ধনু ধৰি সুবৰ্ণৰ মুঠি।।
বৰিষিলা শৰবেগে বিপক্ষি বিপাট।
কাৰ্ত্তিকে দেখিয়া তাৰ ভেটিলন্ত বাট।।
ময়ুৰত চড়িকৰি ধনুক টঙ্কাৰ।
ডাকিয়া বোলন্ত অৰে দৈত্য দুৰাচাৰ।।
বৰা ভাল ভৈল তোক ভেট পাই আজি।

এহি বুলি কাৰ্ত্তিকে ধনুৰ গুণ মাজি।।
একশত শৰক হানিলা মহাবলী।
বাটতে কাটিলা তাক তাৰকে আকলি।।
শৰ ছন্ন দেখিয়া খঙ্গিলা গৌৰীসুতে।
বৰিষিলা শৰগণ অযুত নিযুতে।।
কাটিলন্ত হয় হস্তী কোটি কোটি।
অসংখ্যাত দৈত্যক পঠাইলা যম পথ।।
হেন দেখি কিটাইল তাৰক সেনাপতি।
কাৰ্ত্তিকক বোলে শুন শিৱৰ সন্ততি।।
হস্তী এৰি কৰস মক্ষীত মুনিসাই।
সমুখ সমৰে আজি তোক লগাওঁ ঠাই।।
এহিবুলি হানিলন্ত একশত বাণে।
দেৱ সেনাপতিক কুটিল বৰটানে।।
অনন্তৰে বীৰে কোপে দশন কামুৰি।
শৰ সব গাৱৰ পেলাইলা ভাঙ্গি মুৰি।।
ধনু এৰি বিপুল শকতি লৈলা তুলি।
খেদি যান্ত দানৱক থাক থাক বুলি।।
বিদ্যুত সঞ্চাৰে তাৰকক লাগ পাইলা।
শূলে খোঞ্চা মাৰি হস্তী সমে সৰকাইল।।
উৰ্দ্ধক লাগিয়া তুলিলন্ত আলগাই।
কৌতুকে ফুৰান্ত যেন পাৰ নচুৱাই।।
দেখি দেৱতাৰ আতি ৰিঙ্গ জোট হাসি।
প্ৰশংসন্ত কাৰ্ত্তিকক দশন প্ৰকাশি।।
কুৰ্ম্মস্থলি কৰি আতি বাবে বাদ্য ভণ্ড।
তুলি তুলি নচুৱাৱে ছিন্ন ছত্ৰ দণ্ড।।
যতেক দানৱ মানে পৰিল নিসাৰি।
মৰা তাৰকক পাছে পেলাইলা আচাৰি।।
কুম্ভিলন্ত শঙ্খ গোট দৈত্যক নিদলি

দেখি বৰা বৰা দৈত্যে ক্ৰোধে গৈলা জ্বলি।।
অন্যোঅন্যে বোলে অৱে কিবা আছ্ছ চাই।
আমি বিদ্যমানে সেনাপতিৰ বিলাই।।
এহি বুলি মহাকোপে অস্ত্ৰ শস্ত্ৰ ধৰি।
ত্ৰিদশক ধাইলা কোপে জম্ব জম্প কৰি।।
খাইবো মুণ্ড বুলিয়া বাহুত মাৰে দাম্ফি।
হেন দেখি মুখ্য মুখ্য দেৱে গৈলা হাম্ফি।।
ৰহ ৰহ বুলি সৱে প্ৰহাৰন্ত চোটে।
গাৱে গাৱে দৈত্যক গাছিলা গোটে গোটে।।

মূল ভাগৱতৰ ৮/১০/২৮–৩৪ সংখ্যক শ্লোক পৰ্য্যন্ত মুঠ সাতটি শ্লোকত প্ৰধান দেৱ দৈত্যৰ মাজত তুমুল সংগ্ৰামৰ বিষয় ব্যক্ত কৰিছে। মূলত দেৱতাৰ চৌব্বিশজন আৰু দৈত্যেৰ চৌব্বিশজনে যুদ্ধত অংশ লৈছে। কিন্তু পদত গুৰুজনে যোল্লজন দেৱতা আৰু যোল্লজন দৈত্যৰ মাজতহে যুদ্ধ হোৱা দেখুৱাইছে। আনহাতে যোদ্ধা সকলৰ নামৰ ক্ষেত্ৰতো কিছু পাৰ্থক্য থকা দেখা গৈছে। আন ৎ..ত মূলত দুয়ো পক্ষৰ সংগ্ৰামত ব্যৱহৃত অস্ত্ৰৰ ভিতৰত ক্ৰমে ভূশুণ্ডি, চক্ৰ, গদা, ঋষ্টি, পট্টিশ, শক্তি, উল্মুক, প্ৰাস, পৰশু, নিস্ত্ৰিংশ, ভল্ল, মুদগৰ, পৰিঘ, ভিণ্ডিপাল প্ৰমুখ্যে চৌধবিধ প্ৰধান অস্ত্ৰৰ সংখ্যা দাঙি ধৰিছে। কিন্তু গুৰুজনে পদত ওঠৰবিধ অস্ত্ৰৰ নাম প্ৰকাশ কৰিছে। যেনে —

পৰিঘ পট্টিশ শূল মূষল তোমাৰ।
পৰশু শতঘ্নি শেল গদা মুদগৰ।।
ভুষণ্ডিক ক্ষুৰ ত্ৰিকাণ্টিক কনিয়াল।
অৰ্দ্ধচন্দ্ৰ চক্ৰ প্ৰাস আৰু ভিণ্ডিপাল।। ইত্যাদি।

এনে প্ৰকাৰে উভয় পক্ষৰ সংগ্ৰামত কোনে কাক হতাহত কৰিলে, সেই বিষয়ে মূল সূত্ৰ সমূহৰ ওপৰত সামান্য মাত্ৰ আভাস ৰাখি স্বতন্ত্ৰ ভাৱে স্বভাৱসিদ্ধ কবিত্ব গুণেৰে বহু সৃষ্টিমূলক যুদ্ধ বৰ্ণনা দাঙি ধৰিছে। উভয় পক্ষৰ প্ৰধান প্ৰধান বীৰসকলৰ মাজত সংগ্ৰামৰ বৰ্ণনা মূলতকৈ পদত এখোপ চৰা আৰু অতি ভয়ঙ্কৰ। সেই বিষয়ে পূৰ্ব্বতে প্ৰকাশ কৰি আহিছোঁ। বলি আদিৰ মৃত্যুৰ বিৱৰণ দেখুউৱা হৈছে। এই বৰ্ণনা ইমান দীঘল যে ইয়াক ইমানতে সংক্ষিপ্ত কৰিবলগীয়া হৈছে।

আমি পূৰ্ব্বতে দীঘলীয়া পদৰ উদ্ধৃতি দিয়াৰ মূল কাৰণ হ'ল মূলৰ সামান্য মাত্ৰ সূত্ৰ ধৰি ইমান বহলকৈ সৃষ্টিমূলক বৰ্ণনা যে দিয়া হৈছে, তাৰে প্ৰমাণ দিবলৈকে ইমান আমনি দায়ক পদ উদ্ধৃতি কৰা হ'ল। বলি বজাৰ পতন এটি শ্লোকত (৮/১১/১২) সমাপ্ত কৰা হৈছে। কিন্তু গুৰুজনে বলিৰ মৃত্যুত পিতৃ বিৰোচনৰ খেদ প্ৰকাশ কৰি বৰ বহলকৈ বৰ্ণনা কৰিছে। যেনে -

বিৰোচনে কান্দি কান্দি পুত্ৰক গলত বান্ধি
মূৰ্চ্চা গৈলা বিহ্বল স্বভাৱে।
ক্ষণেকে চেতন পাই বলিৰ মুখক চাই
বিলাপ কৰন্ত আৰ্ত্তৰাৱে।।
হা পুত্ৰ ধন বলি মোক এৰি কৈক গৈলি
তোৰ শোকানলে মাৰে পুৰি।
হৰুৱাইলো পুত্ৰবৰ কাক লৈয়া যাইবো ঘৰ
মোহোৰ সমূলে গৈল বুৰি।।
বিপৰীত কৰ্ম্ম গতি ৰণ চেৰ সুৰপতি
সিয়ো ৰণে দৈত্যেন্দ্ৰক মাৰে।
কপৌতিয়ে ঝাম্পে সেন মহামত্ত হস্তী যেন
ক্ষুদ্ৰ হৰিণত ৰণ হাৰে।।
পুত্ৰ অবিহনে আৰ কি কৰে জীৱন্ত ছাৰ
কোনে পাৰা দিয়া বিষ খাওঁ।
শোক বহ্নি কিনো টান দহইৰে সমস্তে প্ৰাণ
সহিবে নপাৰো আৰ হিয়া
এহি বুলি বিৰোচন ভৈল অতি অচেতন
বলিৰ মুখত মুখ দিয়া।।
মহা পাত্ৰ মন্ত্ৰীচয় তুলি ধৰি প্ৰবোধয়
এবিয়ো ক্ৰন্দন বৃদ্ধ ৰায়।
কাৰ পুত্ৰ ধনজন নিমিষেকে হোৱে আজী
কতোক্ষণে এবো এৰি যাই।
বান্ধৱৰ সমাগম জানিবাহা স্নেহিসম

অসাৰ সংসাৰ কিছু নুই।।
কিন্তু আগ পাছ কাৰ আমি সবো যাইবো মৰি
হেন জানি এৰা সবে মৰ্ম্ম।
পুণ্যৱন্ত দৈত্য পতি ভৈল তান সদগতি
গৈলা অনুসৰি বীৰ ধৰ্ম্ম।।

বলিৰ পতন. দৈত্য দানৱৰ পৰাভৱৰ পিছত ব্ৰহ্মাৰ আদেশ আৰু নাৰদৰ পৰামৰ্শানুসাৰে দেৱতা সকলে সংগ্ৰাম এৰি স্বৰ্গত প্ৰবেশ কৰে (৮/১১/৪৫)। কিন্তু গুৰুজনে ইন্দ্ৰই মৃত দেৱসেনা সকলক পুনৰ জীৱন দান কৰা স্বৰ্গত দেৱগণৰ উৎসাহ উদ্দী না আদি বৰ্ণনা কৰিছে। যেনে-

অনন্তৰে বাসৱে অমৃত বৃষ্টি কৰি।
জীয়াইলা যতেক দেৱ সেনা আছে মৰি।।
তেতিক্ষণে জোৰা গৈল গাণ্ডী মুণ্ডে লাগি।
উঠি উঠি বসে যেন ঘুমটিৰ জাগি।।
ঐৰাৱতে চড়ি ইন্দ্ৰ দেৱতাৰ নাহে।
স্বৰ্গক চলিয়া গৈলা পৰম উৎসাহে।।
দিব্য শ্বেত ছত্ৰ শিৰে ধৰিলন্ত তুলি।
ধৱল চামৰে দুই পাশে যাই ঢুলি।।
সিদ্ধ মুনিগণে পঢ়ে সুমঙ্গল মন্ত্ৰ।
কিন্নৰে বজাৱৈ নানা বিধ দিব্য যন্ত্ৰ।।
চতুৰ্ভিতি বেঢ়ি দেৱে তুলি ছত্ৰ দণ্ড।
আগে পাছে বজাৱৈ অসংখ্য বাদ্য ভণ্ড।।
মুখ্য মুখ্য গন্ধৰ্ব্বে আগত গাৱৈ গীত।
অপেচৰাগণে আতি কৰে নানা নৃত্য।।
বৰ বৰ বিদ্যাধৰে বজাৱে মৃদাঙ্গ।
ত্ৰিদশ সেনাৰ বৰ মিলিলেক ৰঙ্গ।।
পৰম আনন্দে ইন্দ্ৰে পাইলা অম্ৰাৱতী।
মঙ্গল আচাৰ কৰাইলন্ত বৃহস্পতী।।

শচী সমন্বিতে পাছে প্ৰবেশিলা ঘৰ।
ভৈলাকৃত কৃত্য আতি দেৱ পুৰন্দৰ।।
বাসৱৰ অনুমতি পায়া দেৱ মানে।
দশ দিগপাল গৈল স্বকি স্বকি স্থানে।।
পৰম উৎসুকে কৰাৱন্ত গীত নাট।
কৃষ্ণৰ প্ৰসাদে সবে খণ্ডিলা ললাট।।

ভাগৱতৰ মতানুসৰি বলি ৰজাৰ মৃত্যুৰ পিছত নাৰদৰ পৰামৰ্শ মতে দানৱসকলে মৃত বলিক লৈ অস্তাচলে গমন কৰিলে আৰু যিসকল দানৱৰ হস্ত পদাদি নষ্ট হোৱা নাই আৰু মস্তক ছিন্ন হোৱা নাই (বলি সমন্বিতে), সিসকলক সঞ্জীৱনী বিদ্যাৰ দ্বাৰা জীৱিত কৰিলে তেওঁলোকৰ কুলগুৰু শুক্ৰাচাৰ্য্যই। তেওঁলোকে পুনৰ জীৱন পাই পৰাজয়ৰ দুখ পাহৰি থাকিল (ভাগ-৮/১১/৪৬-৪৮)। এই বৰ্ণনাৰ ওপৰত ভেজা দি গুৰুজনাই স্বাভাৱিকতে পৰিয়াল পৰিজনৰ মৃত্যুৰ পিছত বংশীয় সমাজে শোকাকুল পৰিবেশৰ মাজত থাকি যি আচৰণ কৰে, সেই খিনিকে বৰ্ণনা কৰিছে নানা ৰসাল কথাৰে। যেনে—

শুক মুনি নিগদতি শুনিয়োক কুৰুপতি
যেবে দেৱ বৰ্গ স্বৰ্গে গৈলা।
হত শেষ দৈত্যমানে এগুটি দুগুটি কৰি
সবে আসি এক স্থান ভৈলা।।
দেৱতাসৱক ডৰে কথা কহে ঠাৱে ঠাৱে
সবাকো বিচাৰি ফুৰি ফুৰি।
নিৰেখি নিৰেখি চাৱৈ গাণ্ডী মুণ্ড যাৰ পাৱৈ
তাক তুলি লৱে সাঙ্গি জুৰি।।
বলিক পাইলেক চিনি ৰথত তুলিলা আনি
পশ্চিম দিশক লৈয়া যাই।
পিম্পৰাৰো নাহি সাৰি শোকে প্ৰাণ যাই চাড়ি
কান্দে মৃতকক চাই চাই।।
হা বিধি কিনো ভৈল একেবাৰে অস্ত গৈল
যত বৰা বৰা দৈত্যজাক।

যিবা জীয়া সিয়ো মৰা দেৱৰ হাতৰ পৰা
আউৰ কোনে ৰাখিবে আমাক।।
পলাইবাৰ নাহি পুৰি আৱেসে ভাৱনা চুৰি
ভৈল আসি দানৱ প্ৰজাৰ।
গৈল সবে দিন কাল আৰ নেদেখিবো ভাল
এহি বুলি কৰে হাহাকাৰ।।
মৰা বান্ধৱক দেখি লোতকে পুৰিল আসি
শোক ভয়ে দেখে তিৰিমিৰি।
া য়া পোৰে ভক ভকি কান্দি যায় মকমকি
কতো বেলি পাইলা অস্তগিৰি।।
১ তঁক সৱক মানে থৈলা সবে থানে থানে
অসুৰ পুৰত জান দিল।
শুনি দানৱৰ নাৰী কান্দে হিয়ে ভুকু মাৰি
ক্ৰন্দনৰ উৰ্ম্মি উথলিল।।
যুদ্ধত পৰিল বলি শুনি পাছে বিন্ধ্যাবলী
দশো দিশে দেখৈ অন্ধকাৰ।
নিঢালে ভুমিত পৰি মূৰ্চ্চা গৈলা পটেশ্বৰী
নাৰীগণে কৰে হাহাকাৰ।।
শিৰত সিঞ্চয় পানী বিঞ্চয় চামৰ আনি
কতোক্ষণে আছিলা নিচুকি।
হৃদয়ত জ্বলে জুই শোক শৈলে মাৰে খুই
প্ৰাণনাথ বুলি দেই উকি।।
হৃদয়ত হানে মুঠি ঢাত ঢাত পৰে উঠি
যেন ভৈল বিহ্বল স্বভাৱ।
মোক কৰি নিমাখিতী কৈক গৈলা প্ৰাণ পতি
এহি বুলি কৰে আৰ্ত্তৰাৱ।।
হৰি হৰি প্ৰভুদেৱ ত্ৰিজগতে কৰে সেৱ
দিব্য সিংহাসনে থাকা বসি।

শিৰে শ্বেত ছত্ৰ তোলে ধৱল চামৰে ঢোলে
দানৱৰ ইন্দ্ৰ মহাযশী।।
যতেক দেৱতা ৰাশি ঘৰতে খাটিল আসি
ভয়তে কাম্পয় তৰতাৰি।।
হেন প্ৰভু হৰুৱাই কাহাক থাকিবো চাই
স্বামী সঙ্গে যাইবো সইত্তৰি।।
এহি বুলি পটেশ্বৰী লৰিলা ক্ৰন্দন এৰি
লগত যাইবাক সবে মাজে।
সহস্ৰ সংখ্যাত চেৰী আগে পাছে বেঢ়ি
লগত লৰিল সামৰাজে।।
দাৰুণ সন্তাপ পাই সমন্তে কান্দন্তে যাই
মহাশোক শেলে আছে শালি।
কাৰো গাৱে মৰ্ম্ম চঢ়ে যাহান্তে পথত পৰে
কেহো তুলি নেই আঙ্কোৱালি।।
কাহাৰো জমক উঠে শোকে যেন হিয়াকুটে
পতি পুত্ৰ বুলি মাৰে উকি।
বহয় নেত্ৰৰ জল কান্দিতে ভাগিল গল
অধোমুখে চলন্ত নিচুকি।।
কাহাৰো চেতন হৰে আতি ঢ়লপল কৰে
শোকে দুখে দেখৈ তিৰিমিৰি।
এহিমতে কান্দি কাটি গাৱে লগাই ধূলি মাটি
পাইলা গৈয়া সবে অন্ত গিৰি।।
প্ৰাণ এৰি দৈত্যৰাজ পৰি আছা ৰণ মাজ
দেখিলা প্ৰত্যক্ষে বিন্ধাৱলী।
মৃতকক ভেট ভৈল দুনাই কান্দিবাক লৈল
গৈলা আতি বোলেক উথলি।।
স্বামীৰ গলত ধৰি মুখত চুম্বন কৰি
গুণ বৰ্ণাই কান্দিলা আশেষ।
আপোনাক দঢ়াই পাছে যত পাত্ৰ মন্ত্ৰী আছে
কৰিলন্ত সবাকো আদেশ।

অগৰু চন্দন কাষ্ঠে চিতা সাজিয়োক ঝাল্টে
স্বামীৰ লগতে এৰো প্ৰাণ।
হেন শুনি পাত্ৰ লোক এৰিয়া দাৰুণ শোক
নিৰ্ম্মিলা তেখনে চিতাখান।।
হাতে আম দাল ধৰি সুমৰন্ত দেৱ হৰি
সিঞ্চিলন্ত ৰত্নৰ অঞ্জলি।
অনেক মাঙ্গল্য কৰি স্বামীক সাৱটি ধৰি
চিতাত উঠিলা বিন্ধ্যাৱলী।।
সেহিবেলা শুক্ৰ ঋষি আছিলন্ত গৈয়া পশি
মহাভয় হুয়া ঘোৰ বণে।
দেৱতাৰ নাহি সাৰি ধীৰে ধীৰে কাঢ়ে ভৰি
বনৰ বজাইলা তাৱক্ষণে।।
ওলাই আসি আথে বেথে কথা শুনিলন্ত পথে
বিন্ধ্যাৱলী যান্ত স্বামী লগে।
আৱেসে বুৰিল বুলি ভুনি ওপৰক তুলি
দিলন্ত লৱৰ আতি বেগে।।
বিদূৰতে দিলা ৰাৱ ৰহা মহা দৈত্য মাৱ
জীয়াইবো এখনে স্বামী তোৰ।
হেন কি তোমাৰ বুদ্ধি মৰাহা কাহাত সুধি
ক্ষণেকে সমূলি বুৰে মোৰ।।
দৈত্য গুৰু এহি বুলি বলিক অনাইলা তুলি
শয্যা পাৰি থৈলা মহীতলে।
শুদ্ধ ভৈলা বিষ্ণু স্মৰি শুক্ৰে সঞ্জীৱনী কৰি
তেখনে জীয়াইলা মন্ত্ৰ বলে।।
শৰীৰত প্ৰাণ আইল বলিয়ো চেতন পাইল
বসিলা নিদ্ৰাৰ যেন জাগি।
দেখি ৰঙ্গে বিন্ধ্যাৱলী আথে বেথে গৈলা চলি
পৰিলা শুক্ৰৰ পাৱে লাগি।।
দিলা বাপ স্বামী দান আৰ কিবা সাধো মান
দুনাই উপজিলা দৈত্যেশ্বৰ।

হেন জানো পাইলো প্ৰাণ শুজিবে নোৱাৰো গুণ
সঙ্গে হয়া সহস্ৰ বৎসৰ।।
বলিয়ো বিনয়ভাবে নমিলা শুক্ৰৰ পাৱে
থাকিলন্ত মহা কৌতূহলে।
আনো যত মৰা দৈত্য পৰি পৰি আছে তৈত
সবাকো জীয়াইলা মন্ত্ৰ বলে।।
শৰীৰত আইল প্ৰাণ উঠি দেই সমিধান
পৰ্ব্বতত পৰি আছো কিক।
উঠিয়োক দৈত্য পতি মাৰো গৈয়া অভ্ৰাৱতী
দেৱতা হাৰিলো আছো ধিক।।
হেন শুনি দৈত্যপতি মহন্ত পুৰুষ অতি
সবাকো বুলিলা হেন বাক।
অশাশ্বত জয় ভঙ্গ আত নকৰিবা খঙ্গ
কালক্ৰমে জিনিলে আমাক।।
যুদ্ধৰ সময় নুই যৈসানি সুদিন হুই
আৰকা জিনিবো হেন জানা।
দেৱগণ যাইব কই আসা থাকো ঘৰে গই
আমাৰ আদেশ যেবে মানা।।
শুক্ৰে হেন বোলে হুই যুদ্ধৰ সময় নুই
নিৰন্তৰে যায়োক গৃহক।
আপেক্ষিয়ো কতো কাল যেবে দিন হোৱে ভাল
দুনাই সবে জিনিবা দেৱক।।
ৰাজাৰ শুক্ৰৰ বাণী শুনি সবে অনুমানি
উঠি সবে দুইকো প্ৰশংসিল।
ভাৰ্গৱক আগ কৰি দৈত্যেন্দ্ৰক অনুসৰি
পাতাল পুৰত প্ৰবেশিল।।
গৈলা সবে ঘৰাঘৰি ত্ৰিদশত যুদ্ধ হাৰি
হাত ফোট কৰে দৈত্যঝাক।
নাহি একো সুখ শান্তি থাকৈ সবে গুণি গান্থি
কৈসানি জিনিবো দেৱতাক।।

সৰ্ব্বজ্ঞান বলিবায় মহা পৰাভৱ পাই
নকৰিলা কিছু নিৰুৎসাহ।
ধৰ্ম্ম পথ অনুসৰি থাকিলন্ত ধৈৰ্য্য ধৰি
দানৱ কুলৰ নিজ নাহ।। ইত্যাদি

অমৃত মথনৰ এই কাহিনীটিৰ মাজত ইয়াৰ লগত সম্পৰ্কিত ভগৱান বিষ্ণুৰ চাৰিটি ৰূপ পৰিগ্ৰহ কৰাৰ বিৱৰণ আছে। যেনে (১) হৰি অৱতাৰ (২) কূৰ্ম্মাৱতাৰ (৩) ধন্বন্তৰী অৱতাৰ আৰু (৪) মোহিনী অৱতাৰ। ইয়াৰ ভিতৰত হৰি অৱতাৰটি চতুৰ্ব্বিংশতি অৱতাৰৰ লেখত ধৰা নহয়। পিছৰ তিনিটিহে পৰে। ভাগৱত আৰু কীৰ্ত্তনঘোষাৰ মতে হৰি অৱতাৰ দুবাৰহে হৈছে। এবাৰ গজেন্দ্ৰ মোক্ষন আৰু দ্বিতীয়বাৰ ধ্ৰুবোপাখ্যানত। কীৰ্ত্তনত আছে —

দেৱে দৈত্যে আনিবাক নুৱাৰে মন্দৰ।
অপ্ৰয়াসে আনি তুমি মথিলা সাগৰ।।
দানৱক যুজিলা দেৱৰ হুয়া ভিতি।
তোমাৰ প্ৰসাদে ইন্দ্ৰে সাধিলা জয়তি।।

মন্দৰ পৰ্ব্বত তুলি অনা, আৰু দেৱৰ পক্ষভুক্ত হৈ সংগ্ৰামত অংশ গ্ৰহণ কৰা বিষয়টি 'হৰি' অৱতাৰৰে কাম। কিন্তু এইটি অৱতাৰৰ লেখত ধৰা নহয়। কাৰণ ই-অমৃত মথনৰ সময়ৰ বিশেষ বিষয়।

গুৰুজনাৰ অনুদিত অষ্টম স্কন্ধৰ পঞ্চম অধ্যায়ৰ পৰা এঘাৰ অধ্যায়লৈকে সৰ্ব্বমুঠ সাত অধ্যায়ৰ শ্লোক সংখ্যা তিনিশ পোন্ধৰটিৰ ভিতৰত মাত্ৰ আঠত্ৰিশটি বাদ দি দুশসাতসত্তৰটি শ্লোকৰ অনুবাদ কৰা হৈছে। পদ সংখ্যা ছশ একচল্লিশটি। ইয়াৰে সৰহ সংখ্যক পদ গুৰুজনাৰ সৃষ্টিমূলক বুলি জনা যায়। সেই বিষয়ে আমি পূৰ্ব্বতে ব্যক্ত কৰি অহা হৈছে। অধ্যায়টি পাটবাউসী সত্ৰতে ৰচনা কৰা হৈছিল বুলি পণ্ডিতসকলে অনুমান কৰিছে। 'অমৃতমথন' অধ্যায়টিত ভক্তিযোগৰ বহুতত্ত্ব সন্নিবিষ্ট আছে। বিষ্ণুৰ অসীম মহিমা বিকাশত অধ্যায়টিয়ে যথেষ্ট অৰিহনা যোগাইছে। গুৰুজনাই মূলৰ অধ্যায় অনুপাতে পদৰ অধ্যায়বোৰ মিলোৱা নাই। প্ৰয়োজন অনুসৰি মূলৰ অধ্যায়ৰ মাজত পদৰ সামৰণি মাৰি নতুনকৈ পদৰ অধ্যায় আৰম্ভ কৰিছে। সেই ফালৰ পৰা এই অধ্যায়টিয়ে সাৰ্থকতা প্ৰতিপাদন কৰিছে।

● ● ●

(৬) অষ্টম স্কন্ধ - (২) হৰমোহন

মূল ভাগৱতৰ অষ্টম স্কন্ধৰ দ্বাদশ অধ্যায়ৰ সাতচল্লিশ সংখ্যক শ্লোকৰ ভিতৰত ছয়, আঠত্ৰিশ আৰু উনচল্লিশ সংখ্যক শ্লোক তিনিটি বাদ দি গুৰুজনে চৌৱাল্লিশটি শ্লোক গ্ৰহণ কৰি এই অধ্যায়টি ৰচনা কৰিছে। গুৰুজনাই পূৰ্ব্ব পৰম্পৰা অনুসৰি নিজৰ কাল্পনিক চিত্ৰ এখনিৰে ইয়াক সজাইছে আৰু অনুপম হস্ত পৰশত এই কাহিনীটি মূৰ্ত্তিমন্ত হৈ পৰিছে। গুৰুজনাই নিজৰ কাল্পনিক কাব্য ৰসেৰে অনুপম কৰি তোলা চিত্ৰখনিয়ে উক্ত প্ৰসঙ্গটি পাঠক সমাজৰ মানস পটত অধিক জীৱন্ত আৰু সুন্দৰ পৰিচয় প্ৰদান কৰিছে। তেৰাৰ কাল্পনিক বা কাব্য ৰসৰ গাঁথনিটি দেখিলে পুথিখনিৰ কাহিনীটি অমূলানুগত অঙ্কিত চিত্ৰ বুলি বুজিবলৈ টান লাগে। একেটি ঘটনাকে কেন্দ্ৰ কৰি গুৰুজনাই কীৰ্ত্তনঘোষাতো এই অধ্যায়টি সন্নিৱিষ্ট কৰিছে। ঘটনা, কাল্পনিক চিত্ৰ একেই, পদৰ সংখ্যাও সমান। মুঠ সাতান্নবৈ বা মতান্তৰে আঠান্নবৈটি।

"অমৃত মথন"ত হলাহল বিষ আবিষ্কাৰ হওঁতে শিৱই বিষপান কৰি নীলকণ্ঠ নাম পৰিগ্ৰহ কৰি লক্ষ্মীৰ স্বয়ম্বৰলৈকে তাত দৃশ্য উপভোগ কৰি আছিল। তাৰ পিছত কৈলাশ পৰ্ব্বতলৈ প্ৰস্থান কৰিলত 'অমৃত মথন'ৰ শেষৰ কাৰ্য্যসূচী উপভোগ কৰাৰ পৰা বঞ্চিত হ'ল। এই সময়ছোৱাতে অমৃতৰ ভাণ্ড ধৰি ধন্বন্তৰী অৱতাৰ হ'ল আৰু তাৰে গইনা লৈ দেৱ দৈত্যৰ মাজত দ্বন্দ্ববাদ আৰম্ভ হ'লত ভগৱানে মোহিনী অৱতাৰ ধাৰণ কৰিলে আৰু দেৱতাৰ মাজত অমৃত বিতৰণ কৰিলে। এই অদ্ভুত কাৰ্য্যৰ কথাই শিৱৰ মনত কৌতূহল জগাইছিল। তাকে দৰ্শন কৰিবলৈ শিৱৰ অদম্য উৎসাহ আৰু অভিলাষ। মূলৰ প্ৰথম শ্লোকটিত এনেদৰে আছে —

বৃষধ্বজো নিশম্যেদং যোষিদ্ৰূপেণ দানৱান্।
মোহয়িত্বাসুৰগণান্ হৰিঃ সোমমপায়য়ৎ।। (ভাগ-৮/১২/১)

অৰ্থাৎ- বিষ্ণুৱে স্ত্ৰীৰূপ ধাৰণ কৰি দানৱসকলক মোহিত কৰি দেৱতাসকলক অমৃত পান কৰাইছিল। এই সংবাদ শ্ৰৱণে শিৱই সেই স্থানলৈ যাত্ৰা কৰিলে।

গুৰুজনাই এই প্ৰসঙ্গটিত এনেকৈ লিখিছে —

বিপৰীত স্ত্ৰী মায়া দেখি মাধৱৰ।
শুনা যেনমতে কামাতুৰ ভৈলা হৰ।।
শুনিলন্ত হৰে পাছে কথা বিপৰীত।
স্ত্ৰী ৰূপ ধৰি হৰি হৰিলা অমৃত।।
দেৱক ভুঞ্জাইলা দানৱৰ আশা ভঙ্গ।
শুনি ত্ৰিনয়নৰ মনত মহা ৰঙ্গ।।
নয়নে দেখিবো বিষ্ণু ভৈলা যেন নাৰী।।

ইয়াৰ পিছতে দ্বিতীয় আৰু তৃতীয় শ্লোকত শিৱই পাৰ্ব্বতী আৰু ভূত সকলেৰে পৰিবৃত হৈ কৈলাশ ধাম এৰি বৈকুণ্ঠলৈ যাত্ৰা কৰা বিষয়টি চমুকৈ বৰ্ণনা কৰা হৈছে। শ্লোক দুটিত আছে —

বৃষমাৰুহ্য গিৰিশঃ সৰ্ব্বভূত গণৈৰ্ব্বৃতঃ।
সহ দেব্যা যযৌ দ্ৰষ্টুং যত্ৰাস্তে মধুসূদনঃ।।
সভাজিতো ভগৱতা সাদৰং সোময়া ভৱঃ।
সূপবিষ্ট উবাচেদং প্ৰতিপূজ্য স্ময়ন্ হৰিম্।।

অৰ্থাৎ- ভূতগণেৰে পৰিবেষ্টিত হৈ পাৰ্ব্বতীৰে সৈতে শিৱই বৃষাৰোহণ কৰি যি স্থানত ভগৱান মধুসূদন আছে, তালৈ যাত্ৰা কৰিলে। বিষ্ণুৱে সাদৰে সন্মানীত কৰিলে আৰু পাৰ্ব্বতীৰে সৈতে শিৱই উপবেশন কৰি বিষ্ণুক প্ৰতি অভিবাদন জনাই এনেদৰে ক'বলৈ ধৰিলে।

শাব্দিক শিৰোমণি, কাল্পনিক ৰস সৃষ্টিত নিপুণ শঙ্কৰদেৱে অনুবাদ কৰিছে এনেদৰে -

এহি বুলি বৃষভত চড়ি ত্ৰিপুৰাৰি।।
লগ লাগি গৌৰীয়ো বসিলা স্বামী কাছে।
দেখি নন্দি আদি কৰি যত ভৃত্য আছে।।
কৈলাশক ছানি সবে কোবাৱে নিশান।
দণ্ডে ছত্ৰে বাদ্যে ভণ্ডে ধৰিলা যোগান।।
আকাশৰ পথে গৌৰী নাথ গৈলা লৰি।

বিষ্ণুৰ পুৰক আণ্টাইলেক দক্ষদৰি।।
বৃষভৰ নামি হৰ আৰো গৌৰী মাৱ।
বিষ্ণুক সাদৰি দুয়ো ভৈলা ভূমি পাৱ।।
মাধৱৰ মন্দিৰক দূৰতে আকলি।
প্ৰণামিলা শঙ্কৰে কৰিয়া কৃতাঞ্জলি।।
ৰত্নৰ মন্দিৰে সুৱৰ্ণৰ সিংহাসনে।
কৰন্ত প্ৰকাশ বসি প্ৰভু নাৰায়নে।।
সুনন্দ কুমুদ নন্দ পাৰিষদগণে।
চতুৰ্ভিতি বেঢ়ি সেৱৈ কৃষ্ণৰ চৰণে।।
জগত জননী লক্ষ্মী আছন্ত উপাসি।
শঙ্কৰক দেখি হৰি তুলিলন্ত হাসি।।
বসিবাক লাগি দিলা বঢ়ায়া আসন।
সভাৰ্য্যে বসিলা পাছে দেৱ ত্ৰিনয়ন।।
সাদৰিলা হৰি যেন বিধি ব্যৱহাৰ।
কৰিলা পাৰ্ব্বতী সমে শিৱক সৎকাৰ।।
শঙ্কৰে কৰিলা হৃষীকেশক সেৱলি।
আৰম্ভিলা স্তুতি পাছে কৰি কৃতাঞ্জলি।।

শিৱৰ বিষ্ণু স্তুতি প্ৰসঙ্গটি ৮/১২/৪-১৩ শ্লোকলৈকে সৰ্ব্বমুঠ দহটি শ্লোকত বিস্তৃত। আমি শ্লোকৰ উদ্ধৃতি নিদি অসমীয়া ৰূপটিকে চমুকৈ প্ৰকাশ কৰিলোঁ। ইয়াতে গুৰুজনাৰ প্ৰকাশ ভঙ্গী আৰু এৰাধৰা নীতিৰ উপৰিও কাল্পনিক ৰূপটিৰ পৰিচয় এটি পোৱা যাব।

(৪) হে দেৱ দেৱ, জগৎব্যাপিন্, জগদীশ্বৰ, জগন্ময়! আপুনি সৰ্ব্ব পদাৰ্থৰ কাৰণ, চৈতন্যস্বৰূপ আৰু নিয়ন্তা।

(৫) বিশ্বৰ জন্ম, মৃত্যু, স্থিতি, প্ৰত্যক্ষ, পৰিদৃশ্যমান বস্তু, অপ্ৰত্যক্ষ অহঙ্কাৰ, মমকাৰাদি যাৰ পৰা প্ৰকটিত হৈছে, বিকাৰ ৰহিত সেইবোৰ পদাৰ্থ আপোনাৰ কিছু নাই; যিহেতু আপুনি সত্য স্বৰূপ, ব্ৰহ্ম স্বৰূপ আৰু চৈতন্য স্বৰূপ।

(৬) মঙ্গলকামী কামনাশূন্য মুনিসকলে ঐহিক আৰু পাৰত্ৰিক ভোগ সমূহৰ প্ৰতি আসক্তি পৰিহাৰ কৰি আপোনাৰ চৰণ সম্যকৰূপে চিন্তা কৰি থাকে।

(৭) হে ভগৱন্! আপুনি সৰ্ব্বব্যাপী ব্ৰহ্ম, অমৃতস্বৰূপ, গুণ ক্ষোভ ৰহিত, শোকহীন, আনন্দ স্বৰূপ আৰু অবিকাৰী। আপুনি সৰ্ব্বব্যাপী, কিন্তু আপোনাৰ বাহিৰে একো নাই আৰু জগতৰ কোনো পদাৰ্থতেই আপোনাৰ আসক্তি নাই। আপুনি এই জগতৰ সৃষ্টি, স্থিতি, প্ৰলয়ৰ কাৰণ আৰু বিশ্বৰ আত্মা, নিয়ামক। আপুনি স্বয়ং নিৰপেক্ষ। কিন্তু আপুনি নিজৰ কাৰণে একো নকৰে। কেৱল ভক্ত অনুগ্ৰহৰ কাৰণে সকলো কৰে।

(৮) এই জগতত সৎ, অসৎ (কাৰ্য্য, কাৰণ) সকলোৱে একমাত্ৰ আপুনিয়েই বিকাৰভাব প্ৰাপ্ত কুণ্ডল আৰু অবিকৃত সুবৰ্ণৰ নিচিনা অভিন্নৰূপে অৱস্থিত। অজ্ঞানবশতঃ নৰ সমাজে আপোনাক ভেদ কল্পনা কৰি থাকে। যিহেতু আপুনি গুণাতীত; সেই কাৰণে কেৱল গুণৰ দ্বাৰাই আপোনাত ভেদ কল্পিত হয়। কিন্তু সেয়া স্বাভাৱিক নহয়।

(৯) বৈদান্তিক সকলে আপোনাক ব্ৰহ্ম বোলে, মীমাংসক সকলে আপোনাক ধৰ্ম্ম বোলে, সাংখ্যিক সকলে আপোনাক প্ৰকৃতি পুৰুষৰ নিয়ন্তা বোলে, পঞ্চৰাত্ৰবিদ সকলে আপোনাক নৱ শক্তিযুক্ত পৰম পুৰুষ বোলে, পাতঞ্জল বেত্তাসকলে আপোনাক অব্যয় আৰু স্বতন্ত্ৰ মহাপুৰুষ বোলে। কিন্তু কোনেও আপোনাৰ সম্যক তত্ত্ব অৱগত হ'বগৈ নোৱাৰে।

(১০) হে ভগৱন্! আপোনাৰ সৃষ্ট এই জগত তত্ত্ব ব্ৰহ্মা আৰু আমি নাজানো আৰু সত্ত্ব গুণ সৃষ্ট মৰীচি প্ৰভৃতি মুনিগণেও নাজানে। এতেকে আপোনাৰ মায়া মুগ্ধ অসন্ত দৈত্য আৰু মনুষ্য সকলে কেনেকৈ জানিবলৈ সমৰ্থ হ'ব পাৰে?

(১১) বায়ুৱে যেনেকৈ চৰাচৰ প্ৰাণী সমূহত ব্যাপ্ত হৈ আছে, সেইদৰে আপুনিও সমস্ততে পৰমাত্মাৰূপে ব্যাপ্ত থাকি নিজৰ সৃষ্টি বিশ্বৰ সৃষ্টি, স্থিতি, লয়, প্ৰাণীৰ আচৰণ, জগতৰ বন্ধন আৰু মোক্ষাদি আপোনাৰ জ্ঞাত আছে। কিন্তু আপোনাক কোনেও জানিব নোৱাৰে।

(১২) সত্ত্বাদি গুণৰদ্বাৰা ক্ৰীড়া কৰি আপুনি যি যি অৱতাৰ গ্ৰহণ কৰিছে, আমি সেই সকলো দেখিছোঁ। বৰ্ত্তমান আপুনি যি স্ত্ৰী মূৰ্ত্তি ধাৰণ কৰিছিল, সেই মূৰ্ত্তি আমি দেখিবলৈ ইচ্ছা কৰিছোঁ।

(১৩) আপুনি যি ৰূপৰদ্বাৰা দৈত্যসকলক মোহিত কৰি দেৱতাসকলক অমৃত

পান কৰাইছিল, আমি আপোনাৰ সেই ৰূপ দৰ্শনৰ কাৰণেই আহিছোঁ। এই বিষয়ে আমাৰ অত্যন্ত কৌতূহল জন্মিছে।

উক্ত দহোটি শ্লোকৰ পৰা অসমীয়াৰ পদ্যৰূপত গুৰুজনাই কেনেকৈ নিজৰ মতেৰে সজাইছে, তাৰে উদ্ধৃতি দিয়া হ'ল। যেনে

নমো নমো মাধৱ বিধিৰ বিধি দাতা।
তুমি জগতৰ গতি মতি পিতা মাতা।।
তুমি পৰমাত্মা জগতৰ ঈশ এক।
একো বস্তু নাহিকে তোমাত ব্যতিৰেক।।
তুমি কাৰ্য্য কাৰণ সমস্তে চৰাচৰ।
সুবৰ্ণ কুণ্ডলে যেন নুহিকে অন্তৰ।।
তুমি পশু পক্ষী সুৰাসুৰ তৰু তৃণ।
অজ্ঞানত মূঢ়জনে দেখে ভিন ভিন।।
তোমাৰেসে মায়ায়ে মোহিত সৰ্ব্বক্ষণে।
তুমি আত্মা তোমাক নজানে অজ্ঞজনে।।
সমস্ত ভূতৰে তুমি আছা হৃদয়ত।
তত্ত্ব নপাই তোমাক বিচাৰে বাহিৰত।।
তুমিসে কেৱলে সচা মিছা সবে আন।
জানি জ্ঞানীগণে কৰে হৃদয়ত ধ্যান।।
নমাগোহো সুখ ভোগ নলাগে মুকুতি।
তোমাৰ চৰণে মাত্ৰ থাকোক ভকতি।।
মুখে লৌক নাম মোৰ কৰ্ণে তব কথা।
হৃদয়ত পাদ পদ্ম থাকোক সৰ্ব্বথা।।
বৈষ্ণৱৰ সঙ্গ নুগুছোক সৰ্ব্বক্ষণে।
এতেক প্ৰসাদ মাগো তোমাৰ চৰণে।।
শুনা যি কাৰণে আইলো গোচৰ আমাৰ।
দেখি আছো তোমাৰ অনেক অৱতাৰ।।
সম্প্ৰতি ধৰিলা প্ৰভু যিটো নাৰী বেশ।
তাক দেখিবাক লাগি আইলো হৃষীকেশ।।
যিটো নাৰী বেশ ধৰি মুহিলা দানৱ।

দেৱৰো অমৃত পান সাধিলা মাধৱ।।
সিটো নাৰী বেশক দেখিবে অভিলাষে।
কৌতুহলে সভাৰ্য্যে আসিলো তযু পাশে।।
ভৃত্য হেন বুলি প্ৰভু যেবে আছে দায়া।
দেখায়ো আমাক কেনমত স্ত্ৰী মায়া।।
ভকতৰ মনোৰথ কৰিয়ো পূৰণ।

শিৱৰ বিষ্ণু প্ৰশস্তিত উপনিষদৰ তত্ত্ব নিগৰি পৰিছে। বেদান্ত সাংখ্য, মীমাংসা তত্ত্বৰ বিষয়ো সন্নিবিষ্ট হৈছে (৮/১২/৯)। গুৰুজনে শ্লোকৰ কিছুমান শব্দাংশ হুবহু ৰাখি বাকী খিনি নিজৰ মতেৰে যোগ-বিয়োগ কৰিছে আৰু পদত কিছু বহলাইছে। উক্ত অধ্যায়ৰ চৌদ্ধ, পোন্ধৰ আৰু যোল্ল সংখ্যাৰ শ্লোকত বৰ্ণিত বিষয়টি গুৰুজনে নিজৰ ভাষাৰে অতি মনোগ্ৰাহীকৈ বহল ৰূপত প্ৰকাশ কৰিছে। তিনিওটি শ্লোকৰ অসমীয়া অনুবাদ তলত দিয়া হ'ল।

(১৪) শুকদেৱে ক'লে - ভগৱান বিষ্ণুৱে শিৱৰ এনে প্ৰশস্তি প্ৰাৰ্থনা শুনি হাস্য কৰি গম্ভীৰভাৱে শিৱক ক'বলৈ ধৰিলে।

(১৫) ভগৱান বিষ্ণুৱে ক'লে - অমৃতৰ ভাণ্ড হৰণ হোৱাত দেৱকাৰ্য্য সাধনৰ নিমিত্তে নাৰী বেশ ধাৰণ কৰি দৈত্য সকলক মোহগ্ৰস্ত কৰিবলৈ মোহিনী ৰূপ ধাৰণ কৰিলোঁ।

(১৬) হে দেৱশ্ৰেষ্ঠ! কামি সকলৰ মনমুগ্ধকাৰী কামোদ্দীপক সেই নাৰীবেশ তোমাক আমি দেখুৱাম।

উক্ত তিনিওটি শ্লোকৰ অনুবাদ গুৰুজনে অতি সুন্দৰকৈ কৰিছে আৰু অতিৰিক্ত সংযোজনো কৰিছে। যেনে -

হেন শুনি হাসি মাতিলন্ত নাৰায়ন।
দৈত্যে নিলে অমৃত দেৱৰ দেখি ক্লেশ।
সিকাৰণে শঙ্কৰ ধৰিলো নাৰীবেশ।।
কামুক জনৰ তাত মহা কৌতুহল।
তুমি মহা যোগীৰ দেখিবে কোন ফল।।
ঘোৰ নাৰী মায়া সৰ্ব্বমায়াতে কুৎচিত।
মহা সিদ্ধ মুনিৰো কটাক্ষে হৰে চিত্ত।।
দৰশনে কৰে তপ জপ যোগ ভঙ্গ।
জানি জ্ঞানীগণে এৰে কামিনীৰ সঙ্গ।।

সিটো স্ত্ৰীৰূপক দেখিবা কোন কাজে।
তুমি ভোল ভৈলে হাসিবেক সামৰাজে।।
এতেকেসে বোলো ক্ষমা কৰা পশুপতি।
হেন শুনি হাসি হৰে হৰিত বদতি।।
মহা যোগবলে শুদ্ধ কৰি আছো কায়া।
ব্ৰহ্মময় দেখো কি.কৰিতে পাৰে মায়া।
দহি আছো মদনক আৰু শঙ্কা নাই।
মাধৱে মাতিলা পাছে শঙ্কৰক চাই।।
দেখাইবো দেখাইবো আজি সেহি স্ত্ৰীবেশ।
এহি বুলি অন্তৰ্ধান ভৈলা হৃষীকেশ।।

পূৰ্ব্বোক্ত শ্লোকতকৈ গুৰুজনে অতিৰিক্ত পদেৰে ইয়াক সুন্দৰকৈ সজাইছে। বিষ্ণুৱে নাৰীৰূপ দেখুৱাবলৈ অনিচ্ছুক। কিন্তু শিৱ আকোৰগোজ। গুৰুজনাই শিৱৰ দাম্ভিকতা প্ৰকাশৰ বক্তব্যখিনি অতি সৰলিকৰণ কৰিছে। এনে দম্ভ প্ৰকাশৰ অন্তিম পৰ্য্যায়ৰ অৱস্থা কেনে হব পাৰে, তাৰ বৰ্ণনা পিছত দিছে।

ভাগৱতৰ মতে শিৱৰ অনুৰোধ অনুসৰি বিষ্ণুৱে ক্ষন্তেকো ৰোৱা নাই আৰু আপত্তিও কৰা নাই (৮/১২/১৫,১৬)। গুৰুজনাৰ পদত বিশেষ আপত্তি দৰ্শোৱা হৈছে। পিছে 'ভকতৰ মনোৰথ পূৰণ' কৰিবলৈ "ইতি ব্ৰুবাণো ভগবাংস্তত্ৰৈবান্তৰধীয়ত। সৰ্ব্বতশ্চাৰয়ংশ্চক্ষুঃ ভৱ আস্তে মহোময়া" অৰ্থাৎ বিষ্ণুৱে এনেকৈ কৈ তাতেই অন্তৰ্দ্ধান হ'ল। পাৰ্ব্বতীৰ সৈতে শিৱই সকলো দিশলৈ চকু চালনা কৰি চাবলৈ ধৰিলে (৮/১২/১৭)। কিন্তু গুৰুজনাৰ পদত এনেকৈ আছে—

এহি বুলি অন্তৰ্দ্ধান ভৈলা হৃষীকেশ।।
আগত নাহিকে হৰি গৈলা কোনো ভিতি।
চতুৰ্ভিতি চান্ত হৰে পাৰ্ব্বতী সহিতি।।
বিদূৰক লাগি হৰে চান্ত হুয়া থিৰ।
চাপৰি চাহন্ত নেত্ৰ বলাই সদাশিৱ।।
উঠন্ত বৈসন্ত মাত্ৰ কৰে উসমিস।
কৈক গৈল কৃষ্ণ একো নপান্ত উদিশ।।
এহিমতে চান্ত হৰে আকুলিত ভাৱে।

পূৰ্ব্বোক্ত "সৰ্ব্বত শ্চাৰয়ংশ্চক্ষুঃ" এই সূত্ৰতে ভেজা দি উক্ত পদৰ অৱতাৰণা কৰা হৈছে। ইয়াৰ পিছতে আহিল এখনি বিচিত্ৰ "চলচ্চিত্ৰ জগত"। শঙ্কৰে চকুৰ পলকতে এখনি অদ্ভুত চিত্ৰ দেখা পালে। সেইখনি "দিব্য উপবন"ৰ চিত্ৰ আৰু অতি মনোৰম প্ৰাকৃতিক দৃশ্যৰ এটি অপূৰ্ব্ব বৰ্ণনা। উক্ত দিব্য উপবনৰ কাহিনীভাগ মূল ভাগৱতত নাই। মাত্ৰ এটি শ্লোকে কবিগুৰু শঙ্কৰদেৱক এখনি বিশাল কল্পনা ৰাজ্যত প্ৰৱেশ কৰিবলৈ সুযোগ দিছে। শ্লোকটি এনেধৰণৰ -

তত্যো দদৰ্শোপবনে বৰস্ত্ৰিয়ং
বিচিত্ৰ পুষ্পাৰুণপল্লৱদ্ৰুমে।
বিক্ৰীড়তীং কন্দুক লীলয়ালস -
দ্দুকুল পৰ্য্যন্ত নিতম্বমেখলাম্।। (৮/১২/১৮)

অৰ্থাৎ- ইয়াৰ পিছত শিৱই বিচিত্ৰ পুষ্প আৰু ৰক্তবৰ্ণ পল্লৱশালী বৃক্ষৰাজী সমন্বিতে উপবনত কন্দুক ক্ৰীড়াৰতা এগৰাকী পৰমা সুন্দৰী ৰমণী দেখিবলৈ পালে। তাইৰ মনোৰম বসনাবৃত নিতম্ব প্ৰদেশত চন্দ্ৰহাৰ শোভা পাইছিল।

শ্লোকস্থ "উপবনে" আৰু "বিচিত্ৰ পুষ্পাৰুণপল্লৱদ্ৰুমে" এই শব্দ কেইটাৰ আধাৰতে গুৰুজনাই এখনি বিশাল 'উপবন'ৰ সৃষ্টি কৰিলে। উক্ত উপবনত যিবোৰ ফল ফুলৰ নাম উল্লেখ কৰিছে সেইবোৰ আমাৰ অসমৰ হাবি বননিত থকা পৰিচিত নাম আৰু কিছুমান অপৰিচিত নাম অৰ্থাৎ শাস্ত্ৰীয় নাম বা থলুৱা নাম। উক্ত উপবনৰ নামবোৰৰ (গুৰুজনাৰ পদত থকা) উদ্ধৃতি দিয়া হ'ল। যেনে

পাছে ত্ৰিনয়ন দিব্য উপবন
দেখিলন্ত বিদ্যমানে।
ফল ফুল ভৰি জকমক কৰি
আছে যত বৃক্ষমানে।।
শিৰীষ সেউতী তমাল মালতী
পাৰিজাত যুতি জাই।
বকুল বন্দুলী আছে ফুলি ফুলি
তাৰ সীমা সংখ্যা নাই।।
শেৱালী নেৱালী পলাশ পাৰলি
লৱঙ্গ বাগী গুলাল।

কৰবীৰ বক কাঞ্চন চম্পক
ফুল ভৰে ভাগে ভাল।।
কনৌৰ কনাৰী কদম্ব বাবৰী
নাগেশ্বৰ সিংহচম্পা।
অশোক অপাৰ দৱনা মন্দাৰ
মণিৰাজ ৰাজচম্পা।।
কুন্দ কুৰুবক কেতকী তগৰ
গন্ধে মোহে বহুদূৰ।
গুটিমালী ভেন্টি ৰাঙ্গন ৰেৱতি
মৰুৱা মধাই ধুস্তুৰ।।
চন্দন অগৰু দিব্য কল্পতৰু
দেৱদাৰু পদ্ম বচি।
প্ৰতি গাছে গাছে ভিণ্ডা বান্ধি আছে
সুবৰ্ণ মাণিকে খচি।।
মণি মৰকত থলি নানামত
দীপ্তি কৰে তাৰ কাছে।
মহা মনোহৰ দিব্য সৰোবৰ
তাৰ মাজে মাজে আছে।।
চাৰিয়ো কাখৰে প্ৰবাল বাখৰে
বান্ধিলা বিচিত্ৰ কৰি।
বৈদূৰ্য্যৰ বাট ফটিকৰ ঘাট
মৰকত খাটখৰি।।
সুবৰ্ণ কমল ভেট উতপল
ফুলি ফুলি আছে ৰঞ্জি।
শোভৈ চক্ৰবাক ৰাজহংস ঝাক
মৃণাল ভুঞ্জে উভঞ্জি।।
কোণ্ঢা কঙ্কবক বিবিধ চটক
ভ্ৰময় নিৰ্ভয় ভাৱ।

অমৃত সমান জল কৰি পান
তেজৈ সুললিত ৰাৱ।।
চাৰিয়ো পাৰত দিব্য পুষ্প যত
গন্ধে দশোদিশ বাসে।
অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে
মধুপান অভিলাষে।।
যত দিব্য পক্ষী ফল ফুল ভক্ষি
কাঢ়য় সুস্বৰ ৰাৱ।
কুহু কুহু ধ্বনি কোকিলৰ শুনি
বহয় মলয়া বাৱ।।

উক্ত উপবনৰ বৰ্ণনা বা প্ৰাকৃতিক দৃশ্য বিৱৰণৰ পিছতে তেনেপ্ৰকাৰে গুৰুজনাৰ মধুময় কাপৰ পৰা আন এখনি চিত্ৰও অঙ্কিত হৈছে। উক্ত অধ্যায়ৰ ঊনৈশৰ পৰা বাইশ সংখ্যক শ্লোক পৰ্য্যন্ত সৰ্ব্বমুঠ চাৰিটি শ্লোকৰ আভাস মাত্ৰ ৰাখি এৰাধৰা নীতিৰে গুৰুজনাই এখনি মনোৰম চিত্ৰ আঁকিছে। মোহিনীৰ ৰূপ লাৱণ্য কলা বৰ্ণনা মূলতকৈ অধিক অনুপম আৰু উজ্জ্বল হৈছে। শ্লোক কেইটিৰ উদ্ধৃতি নিদি চাৰিটি শ্লোকৰ অনুবাদ তলত দিয়া হ'ল। যেনে (৮/১২/১৯-২২)

(১) পতন আৰু উৎপতনশীল কন্দুক ক্ৰীড়াবশতঃ দেহৰ উন্নত আৰু অৱনত ভাৱে কম্পিত স্তনযুগল আৰু উত্তম হাৰ এনেকৈ কম্পমান হৈছিল, যেন সিবোৰৰ গুৰুভাৰত দেহৰ মধ্যভাগ ভাগি ইফালে-সিফালে প্ৰৱালতুল্য চৰণ দুখানি চলাব খুজিছে।

(২) চাৰিওফালে দলিয়াই দিয়া কন্দুকৰ চঞ্চল গতিলৈ তেওঁৰ দুই চকুজুৰিয়ে উদ্বেগেৰে লক্ষ্য কৰি তালৈ আকৃষ্ট হৈ পৰিছিল আৰু তেওঁৰ দুই কৰ্ণত উজ্জ্বল কুণ্ডলদ্বয়ৰ প্ৰকাশত গণ্ডদেশ আৰু নীলা কেশেৰে তেওঁৰ মুখকমল অতিশয় শোভমান হৈ পৰিছিল।

(৩) অতি মনোহৰ বাম হাতেৰে শিথিল বসন আৰু আউলি-বাউলি কেশ সংযত কৰি সোঁহাতেৰে কন্দুক চালনা কৰি কৰি আত্ম মায়াৰ দ্বাৰা যেন তেওঁ পৃথিৱীকে মোহিত কৰিছিল।

(৪) এনে প্ৰকাৰে কন্দুক লীলা দ্বাৰা ঈষৎ লজ্জাযুক্ত সহাস্য নিৰীক্ষণত

অতিশয় আকৃষ্ট শিৱই নাৰী দৰ্শনত হৃষ্টচিত্ত হৈ কাষতে থকা পত্নী পাৰ্ব্বতী আৰু নন্দী আদি অনুচৰ সকলক পাহৰি অত্যন্ত মুগ্ধ হৈ পৰিল।

পূৰ্ব্বোক্ত চাৰিটি শ্লোকতে ভিত্তি কৰি গুৰুজনে অতুলনীয় শৃঙ্গাৰ আৰু হাস্য ৰসৰ সৃষ্টি কৰিছে আৰু চিত্ৰখনি নতুনকৈ সজাই তুলিছে। তলত গুৰুজনাৰ সৃষ্টিমূলক ৰসপূৰ্ণ ছবি ছন্দৰ পদ কেইটিৰ উদ্ধৃতি দিয়া হ'ল।

হেন মহা দিব্যবন দেখিলন্ত ত্ৰিনয়ন
দিব্য কন্যা এক আছে তাতে।
কোটি লক্ষ্মী সম নোহে কটাক্ষে ত্ৰৈলোক্যমোহে
ভন্টা খেড়ি খেলে দুয়ো হাতে।।
তপ্ত সুবৰ্ণৰ সম জ্বলৈ দেহা নিৰুপম
ললিত বলিত হাত পাৱ।
চক্ষু কমলৰ পাশি মুখে মনোহৰ হাসি
সঘনে দৰশে কামভাৱ।।
উৰ্দ্ধক খেপন্ত ভন্টা কৰন্ত কটাক্ষ ছটা
লীলা গতি দেখাই ফুৰে পাক।
সোলকে উচ্চল খোপা খসৈ পাৰিজাত থোপা
বামহাতে সম্বৰন্ত তাক।
কৰ্ণত কুণ্ডল লড়ে তন হলফল কৰে
গলে ৰত্নমালা ঝিকি পাৰে।
সুবৰ্ণ কঙ্কণগণ সিয়ো কৰে ৰুণঝুন
প্ৰকাশে হৃদয় হেম হাৰে।।
কণ্ঠে লড়ে সাতসৰি লয়লাসে কাঢ়ে ভৰি
আগবাঢ়ি পাছ গুচি যান্ত।
পিন্ধি শাৰী খোন্টাজালি যেন মৈৰা কৰৈ চালি
হৰক কটাক্ষ কৰি চান্ত।।
দৰশান্ত কাষ পিঠি খনোহো সমুখদৃষ্টি
চাহি লাজে যান্ত চক্ষু মুদি।
ভ্ৰমন্ত অনেকভাৱে উড়ুবাৱে বস্ত্ৰ বাৱে
উচ কুচ কুম্ভ হোৱে উদি।।

কঙ্কালে কিঙ্কিণী বাঝে চৰণ কমল মাজে
ৰত্নৰ নূপুৰ ৰুণ ঝুন।
হালৈ আতি মধ্যদেহ সংসাৰ মোহিনীবেশ
একো অঙ্গে নাহি খতি খুন।।
মুখ চন্দ্ৰ সম শোভে পদ্মৰ সুৰভি লোভে
বেঢ়ি মধুকৰে কৰৈ ৰোল।
শৰীৰৰ লাস বেশ নেত্ৰৰ কটাক্ষ ঠেস
দেখি অতি শম্ভু ভৈলা ভোল।।
পূৰ্ব্ব শত্ৰু হেন জানি কামদেৱে বাণ হানি
মনক মৰ্দ্দিল মহেশৰ।
নাহি শ্ৰুতি বুদ্ধি জ্ঞান কামানলে দহে প্ৰাণ
লাজ কাজ চাড়িলা শঙ্কৰ।।
সবে যোগ ধ্যান গৈল কন্যাক মাতিবে লৈল
প্ৰাণেশ্বৰী চাপ মোৰ পাশ।
আষাৰেক মাত মোক জন্মৰ সাফল হৌক
দেখি থাকো তোৰ লয়লাস।।
আৰ কি তোমাত বাজ মোক্ষতো নাহিকে কাজ
আৰ কোন ছাৰ স্বৰ্গসুখ।
তুমি বিনে নাহি আন তুমি মোৰ যোগ ধ্যান
থাকিবো তোমাৰ চাই মুখ।।
নকৰ মানিনী মান মদনে দহৈ প্ৰাণ
বোল বান্ধে আশ্বাস আমাক।
বোলন্ত আনেক বোল কন্যা তেসেঁ হুয়া ভোল
পাসৰিল পাশতে উমাক।।
যত আছে ভূতগণ কাহাতো নেদন্ত মন
কেৱলে কন্যাত মাত্ৰ হিয়া।
স্বামীৰ দেখিয়া ভাব হাসন্ত পাৰ্ব্বতী মাৱ
চাপৰি মুখত বস্ত্ৰ দিয়া।।
আন যত অনুচৰ বৈলখিল নিৰন্তৰ
শঙ্কৰৰ দেখি হেন কাম।।

আমি এই প্ৰসঙ্গত মূল আৰু গুৰুজনাৰ ৰচিত পদৰ মাজত তুলনামূলকভাবে ভালেখিনি পাৰ্থক্য দেখা পাইছোঁ। এই অধ্যায়ৰ পিছলৈকো গুৰুজনাৰ কাপৰপৰা নতুন ৰসাস্বাদন কৰিব পৰাকৈ কাহিনী বহলোৱা হৈছে। অধ্যায়টিৰ তেইশ সংখ্যাৰ শ্লোকৰ পৰা চৌত্ৰিশ সংখ্যালৈকে থকা কাহিনীটি বৰ দীঘলিয়া বৰ্ণনাৰে সৰ্ব্বমুঠ চৌত্ৰিশটি পদত সামৰিছে। লগতে শ্লোকানুবাদত শ্লোকৰ অগা পিছাৰে নিজৰ সুবিধা অনুযায়ী প্ৰস্তুত কৰি লোৱা হৈছে আৰু শ্লোকৰ বিষয়বস্তুৰ সাৰাংশহে গ্ৰহণ কৰা হৈছে। মাজে মাজে দুই এটা শব্দ আৰু বাক্যৰ আধাৰত একোটি সৰস বাক্য গাঁথনি তথা বৰ্ণনাৰে কাহিনীটি শ্ৰুতিমধুৰ আৰু কৌতুহলৰ সৃষ্টি কৰিছে। তলত শ্লোকৰ অসমীয়া অনুবাদ আৰু পদৰ উদ্ধৃতিৰে ৰসাল, কৌতুহলোদ্দীপক বিষয়টি প্ৰকাশ কৰা হ'ল—

(৮/১২/২৩-৩৪)।

(১) সেই কন্দুকটো যেতিয়া তাইৰ হাতৰ পৰা দূৰলৈ উফৰি গ'ল, তেতিয়া তাৰ পিছে পিছে ধাবিত হৈ যাওঁতে মোহিনীৰ কাঞ্চীৰ সৈতে পাতল বস্ত্ৰখন শিৱই দৰ্শন কৰি থকা অৱস্থাতে বায়ুৱে উৰুৱাই নিলে।

(২) সেই মোহময়ী সুন্দৰীক বিবস্ত্ৰা হোৱা দেখি শিৱই তেওঁৰ প্ৰতি কটাক্ষ কৰি সপ্ৰেম ভাৱেৰে থকা ৰমণীৰ প্ৰতি অতিশয় আকৃষ্ট হৈ পৰিল।

(৩) মোহিনীৰ প্ৰতি দৃষ্টি দি থকা পাৰ্ব্বতীৰ সাক্ষাততে শিৱই কামাসক্ত হৈ নিৰ্লজ্জভাৱে সেই মোহিনীৰ অনুসৰ কৰিবলৈ ধৰিলে।

(৪) সেই বিবস্ত্ৰা মোহিনীয়ে তেওঁৰ ওচৰলৈ শিৱক আহি থকা দেখা পাই অত্যন্ত লজ্জিতা হ'ল আৰু হাস্য কৰি কৰি বৃক্ষৰ আঁৰ লৈ পলায়ন কৰিলে।

(৫) অত্যন্ত বিকলেন্দ্ৰিয় আৰু কামাসক্ত শিৱই হস্তীয়ে যেনেকৈ হস্তিনীৰ প্ৰতি ধাবিত হয়, সেইদৰে মোহিনীৰ পিছে পিছে ধাবিত হ'ল।

(৬) শিৱই অতি বেগেৰে মোহিনীৰ কাষ চাপি অনিচ্ছুক মোহিনীৰ কেশাকৰ্ষণ কৰি বুকুত সুমুৱাই আলিঙ্গন কৰিলে।

(৭) হস্তীয়ে হস্তিনীক আলিঙ্গন কৰাৰ দৰে শিৱয়ো মোহিনীক আলিঙ্গন কৰি থাকোঁতে মুক্তকেশী ৰমণীয়ে বাহু বন্ধন আঁতৰাবলৈ চেষ্টা কৰিলে।

(৮) ৰমণীৰূপী বিষ্ণুৱে শিৱৰ সেই বাহু বন্ধনৰ পৰা নিজকে মুক্ত কৰি অতি বেগেৰে পলায়ন কৰিলে।

(৯) সেই কামাকৃষ্ট শিৱই অদ্ভুত লীলাদৰ্শী বিষ্ণুৰ অনুসৰণ কৰিবলৈ ধৰিলে।

(১০) ঋতুমতী হস্তিনীৰ অনুসৰণকাৰী হস্তীৰ নিচিনাকৈ অমোঘ বীৰ্য্যশালী শিৱৰ লিঙ্গ বীৰ্য্য পথৰ মাজত স্খলিত হ'বলৈ ধৰিলে।

(১১) পৃথিৱীৰ যি যি স্থানত শিৱৰ বীৰ্য্য পতিত হৈছিল, সেই সেই স্থান ৰূপ আৰু সুবৰ্ণৰ ক্ষেত্ৰ হৈ পৰিল।

(১২) এনেদৰে সেই মোহিনীৰ অনুসৰণ কৰি কৰি শিৱই নদী, সৰোবৰ, পৰ্ব্বত, বন, উপবন আৰু যি যি স্থানত ঋষিসকল অৱস্থান কৰিছিল, সেই সেই স্থানত উপস্থিত হ'ল।

পূৰ্ব্বোক্ত সংস্কৃতৰ অসমীয়া ৰূপ কেইটি পাঠক সমাজৰ জ্ঞাতাৰ্থে প্ৰকাশ কৰা হ'ল। সম্প্ৰতি মহাপুৰুষ গৰাকীৰ পদ্যৰূপ সমূহতনো ইয়াতকৈ কি কি অধিক ৰূপ সন্নিবিষ্ট কৰা হৈছে, তাৰ তুলনামূলক ধাৰণা এটি দিবৰ কাৰণে তলত পদসমূহ উদ্ধৃত কৰা হ'ল।

শুক নিগদতি শুনিয়োক ৰাজা পাছে।
হৰক নমাতি কন্যা এহিমতে আছে।।
খেলাৱন্তে খেড়িক হাতৰ পৰা পৰি।
গৈল গুটি বেগে কতো দূৰক উফৰি।।
তাক খেদি যান্তে কন্যা বেগ ধৰি ধাই।
কটিৰ বস্ত্ৰক বায়ু নিলে উড়ুৱাই।।
ভৈল তনু উদাস বেকস্ত গুপ্ত অংগ।
লাজে আণ্ঠ সাবটি কৰন্ত অঙ্গ ভঙ্গ।।
হুয়া কুজী ঝুমুৰি অঙ্গক হাতে ঢাকি।
লাজে চক্ষু মুদি কতো অধোমুখে থাকি।।
আঁৰ হুইবে লাগি ওচৰত নাহি গাছ।
হাস্য কৰি কতো টেৰ কৰি চান্ত পাছ।।
দৰশান্তভাৱ শঙ্কৰৰ মোহ হেতু।
দেখিল কন্যাৰ গুপ্ত অঙ্গ বৃষকেতু।।
ভৈলন্ত ব্যামোহ মন মদনে দহয়।
পাৰ্ব্বতীক লাগি এৰিলন্ত লাজ ভয়।।
বহ্নিৰ সংযোগে যেন উথলিল ঘৃত।

দুঃসহ মদন শৰে জৰ্জ্জৰিত চিত্ত।।
একো নেদেখন্ত কামাতুৰ হুয়া বড়।
কন্যাক ধৰিবে লাগি দিলেক লৰড়।।
খটমট কৰি বাজে গলে মুণ্ডমাল।
কঙ্কালৰ সুলকি পৰিল বাঘ ছাল।।
ভৈল উলঙ্কট তাকো নচান্ত চাপৰি।
দেখি পলাইবাক লৈলা কন্যায়ো লৰড়ি।।
হাসি লাজে আঁৰ হোন্ত ইগাছে সিগাছে।
ভোল হুয়া শঙ্কৰো খেদন্ত পাছে পাছে।।
হস্তিনীক যেন মত্ত হস্তী ঘাই খেদি।
পলান্ত সুন্দৰী শঙ্কৰক লাগ নেদি।।
প্ৰাণ যাই শঙ্কৰৰ কাম উতপাতে।
মহাবেগে খোপাত ধৰিলা বামহাতে।।
ৰহ প্ৰাণেশ্বৰী বুলি কৰি আলিঙ্গন।
মহাকাম ভোলে দিলা মুখত চুম্বন।।
আৰি মুৰি কৰি কন্যা নথাকে থমকি।
বাহুৰ মাজৰ পৰা পড়িল হুসকি।।
দুনাই লৰৰ দিলা বিমুকুত কেশে।
পাছত খেদন্ত হৰে উলঙ্গত বেশে।।
পাকে আন্তৰন্তে যান্ত শৰীৰ দেখাই।
কতো আঁৰ হোন্ত কন্যা হাসি মুচুকাই।।
কতো ঘন তন ভাৰ চলে দেখাই যান্ত।
ৰহ প্ৰাণেশ্বৰী বুলি শঙ্কৰে চেঞ্চান্ত।।
নাহি শ্ৰুতি বুদ্ধি যেন বাতুল লক্ষণ।
নাৰীময় দেখন্ত সমস্তে বৃক্ষগণ।।
দাৰুণ মদন শৰে কৰৈ লটিঘটি।
কন্যা বুলি ধৰিলন্ত বৃক্ষক সাৱটি।।
ইবাৰ নেৰাস প্ৰাণেশ্বৰী যাইবি কট।

চেষ্টাশান্ত বিশ্ৰুতি কাম বাণে মূৰ্চ্ছা গৈ।।
সৰস বদনে বান্ধে দিয়ো মোক চুমা।
কৰা আলিঙ্গন কি কৰিবে পাৰে উমা।।
কিয়নো নেদস প্ৰাণেশ্বৰী মোক লাগ।
যেহি লাগে তাকে দিবে পাৰো মোত মাগ।।
কৈলাসৰ পাতিবো তোমাক অধিকাৰী।
সেৱা কৰি থাকিবে যতেক দিব্য নাৰী।।
নকৰিবো দ্বন্দ্ববাদ নপাৰিবো গালি।
ময়ো দাস তোমাৰ থাকিবো আজ্ঞা পালি।।
তোমাৰেসে কৰি দিবো পাৰ্ব্বতীক চেড়ি।
আঁৰ জোনো যাস প্ৰাণেশ্বৰী মোক এড়ি।।
দেখিবে নুৱাৰা যেবে আমাৰ কুবেশ।
জটাক মুণ্ডাওঁ তেবে কৰিয়ো আদেশ।।
সৰ্পগুচাই পিন্ধো আনি দিব্য অলঙ্কাৰ।
মুণ্ডমালা গুচাই আৰোঁ গলে হেমহাৰ।
বাঘ ছাল এড়ি পিন্ধো দেৱাঙ্গ বসন।
ভস্ম গুচাই গাৱে ঘষো অগৰু চন্দন।।
যেহি লাগে বোল বান্ধে তাকে মই কৰো।
মুখ চাই নমাত আতেসে আতি মৰো।।
কতনো কৰিলো তোৰ ঘোৰ অপৰাধ।
এভো যেন কৰ বান্ধে বচন নবাধ।।
দান্তে খেড় কামোৰো সাবট হাত মেলি।
তোৰ মোৰ হৌক ক্ৰীড়া কৌতূহল কেলি।।
স্ত্ৰী বুলি বৃক্ষক চুম্বন্ত আঙ্কোৱালি।
দেখিয়া হাসন্ত নাৰী ৰূপী বনমালী।।
অনন্তৰে হৰে চক্ষু মেলি চাইলা পাছে।
দেখন্ত নুহিকা কন্যা ধৰি আছে গাছে।।
তাঙ্ক এড়ি সুন্দৰীক খেদন্ত দুনাই।

যেন মত্ত হস্তী হস্তিনীক খেদি যাই।।
লাগ নেদি ৰমণীয়ো পলান্ত লৰড়ি।
মহাবেগে শঙ্কৰো খেদন্ত ভৰি ভৰি।।
নযাই নুপুহাই মদনৰ উতপাতে।
পাইলো পাইলো বুলি কতো চাব দেন্ত হাতে।।
আঙ্গুলিৰ আগে যেন চোঁৱৈ উচ কুচ।
আন্তৰন্ত কন্যা হৰ পড়ি যান্ত মুচ।।
পুৰাতন শত্ৰু কামদেৱ ছিদ্ৰ পাই।
প্ৰহাৰন্ত পুষ্প বাণ দুনাই দুনাই।।
মদনৰ শৰে হৰ হৃদয়ত ফুটি।
মহাদুখে মাটিত পাৰন্ত লোটালুটি।।
কতো উঠি কন্যাক কৰন্ত কাওঁ বাওঁ।
আঙ্গুলি মুখত কৰো পালটিয়া চাওঁ।।
তোৰেসে নিমিত্তে কৰৈ মদনে দগধ।
মই যেবে মৰো তোত লাগিবেক বধ।।
মহাপাপ প্ৰাণীহত্যা তাকো শঙ্কা নাই।
কোননো সাধিবি স্বৰ্গ আমাক মৰাই।।
এভো পাশ চাপ আসি কৰো আলিঙ্গন।
তোহোৰ সাফল হৌক এনৱ যৌৱন।।
নেদেখয় কেৱে বাঁন্ধে কিয় কৰ লাজ।
নাহি আন পুৰুষ নিৰ্জ্জন বন মাজ।।
তই যেবে নাসস আপুনি চাপো কোল।
এহি বুলি লাসে-লাসে হুয়া যান্ত ভোল।।
দেখি হাসি সুন্দৰী পলান্ত লাগ নেদি।
নযা নযা বুলি বৃষধ্বজে যান্ত খেদি।।
গিৰি গুহা বন নদ নদী সৰোবৰ।
খেদিয়া ফুৰন্ত হৰে দ্বীপ দ্বীপান্তৰ।।
আছে ঋষিগণৰ আশ্ৰম অসংখ্যাত।

পলান্তে খেদন্তে দুয়ো প্ৰবেশিলা তাত।।
মদনৰ পীড়াত এড়িলা হৰে লাজ।
খেদিয়া ফুৰন্ত আশ্ৰমৰ মাজে মাজ।।
আউল জাউল হুয়া চক্ষু মুখ ঢাকে জটে।
বিবস্ত্ৰে কন্যাক হৰে খেদে উলঙ্গটে।।
দেখি ঋষি পত্নীগণে হাসে নিৰন্তৰ।
কেহো মুখে বস্ত্ৰ দিয়া পশে অভ্যন্তৰ।।
উন্মত্ত পাগল কিনো ভৈলা মহাদেৱ।
কেনমতে আক্ষ সুৰাসুৰে কৰৈ সেৱ।
উলঙ্গতে খেদন্ত কাহাৰ বউ জীউ।
লাজ কাজ মৰ্য্যদা এড়িলা সদাশিউ।।
এহি বুলি ঝুমাঝুমি হাসে সবে সখী।
ঋষিগণো শঙ্কৰক কামাতুৰ দেখি।।
বিষ্ণু বিষ্ণু স্মৰি সবে চপৰাইলা মাথ।
কিনো বিপৰ্য্যয় ভোল ভৈলা গৌৰীনাথ।।
কেহো বোলে শঙ্কৰৰ কোনে মায়া বুজা।
পাদ্য অৰ্ঘ্য আসা আগ বাঢ়ি কৰো পূজা।।
এহি বুলি উঠি যান্ত কতো ঋষিগণ।
লৰড়ন্তে কৰযোড়ে বোলন্ত বচন।
তুমি চৰাচৰ গুৰু জগতৰ বাপ।
সৰ্ব্বজান হুয়া কেনে কৰা ঘোৰ পাপ।।
ক্ষণেক বিশ্ৰাম কৰা আমাৰ থানত।
যতেক বোলন্ত মানে নপৈসে কাণত।।
কামিনী হৰিল চিত্ত কামে ভৈলা ভোল।
নুশুনন্ত শঙ্কৰে ঋষিৰ মাত বোল।।
ৰমণীৰ পাছে পাছে ফুৰন্ত লৰৰি।
গাৱ দেখাই সুন্দৰী আন্তৰে ভৰি ভৰি।।
নপাৱন্ত লাগ তান নাহি সুখ শান্তি।

খেদন্তে খেদন্তে হৰ ভৈল হাৰাসাষ্থি।।
উগুল থুগুল মন মদনে বিকল।
বহিবে লাগিল শঙ্কৰৰ বিন্দুজল।।
হস্তিনীক খেদন্তে হস্তীৰ যেন স্ৰৱৈ।
যেন গিৰি শিখৰৰ গেৰুধাৰা বৱৈ।।
সেহিমতে শঙ্কৰৰ বিন্দু যাই পড়ি।
দেখি ঋষিগণো আন্তৰন্ত তাঙ্ক এড়ি।।
পিঠি দিয়া কতো সুমৰন্ত হৰিৰাম।
মহা যোগী শঙ্কৰৰ আন হেন কাম।।
এহি বুলি সবে ঋষি গৈলা ঘৰা ঘৰি।
সুমৰন্ত ৰাম ঋষিকেশ দেৱ হৰি।।

আমাৰ পূৰ্ব্বোক্ত উদ্ধৃতিসমূহ ভাগৱত ৮/১২/২৩-৩৪ পৰ্য্যন্ত বাৰটি শ্লোকৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনাৰ স্বকীয় সৃষ্টিমূলক কাহিনী সংযোজিত হোৱা। ইয়াৰ পিছতে পয়ত্ৰিশ শ্লোকৰ পৰা একচল্লিশ সংখ্যাৰ শ্লোক পৰ্য্যন্ত মুঠ সাতটি শ্লোকৰ সাৰাংশৰ ওপত নিৰ্ভৰ কৰি গুৰুজনাই কেনেপ্ৰকাৰে ইয়াক সজাইছে তাৰ উদ্ধৃতি দিয়া হ'ল। শ্লোক কেইটিৰ অসমীয়া অনুবাদ তলত দিয়া হৈছে।

(১) এনেপ্ৰকাৰে শিৱৰ বীৰ্য্যস্খলন হোৱাৰ পিছত তেওঁ নিজকে বিষ্ণুমায়াৰ দ্বাৰা বিমুগ্ধ হোৱা দেখি সেই পাপ কৰ্ম্ম সমূহৰ পৰা নিবৃত্ত হ'ল।

(২) ইয়াৰ পিছত শিৱই বিশ্বাত্মা বিষ্ণুমায়াৰ মহিমা অৱগত হৈ সেই জ্ঞানাতীত ভগৱানৰ মহিমা বুজিবলৈ কাৰো সামৰ্থ যে নাই, সেই কথা উপলব্ধি কৰি ইয়াত আচৰিত বোধ নকৰিলে।

(৩) ইয়াৰ পিছত বিষ্ণুৱে পূৰ্ব্বৱৎ নিজমূৰ্ত্তি ধাৰণ কৰি সেই শিৱৰ ওচৰলৈ আহি তেওঁক প্ৰীতি সহকাৰে (শিৱক অক্ষুব্ধ আৰু অলজ্জ দেখি) ক'বলৈ ধৰিলে।

(৪) হে দেৱ শ্ৰেষ্ঠ! নাৰীৰূপিণী আমাৰদ্বাৰা বিমুগ্ধ হৈয়ো যে তুমি স্বয়ং প্ৰকৃতিস্থ হ'ব পাৰিছা, সেয়া পৰম ভাগ্যৰ বিষয়।

(৫) তোমাৰ বাহিৰে অন্য কোনো ব্যক্তিয়ে এবাৰ আসক্ত হৈ পুনৰ অজিতেন্দ্ৰিয়ৰ দুস্ত্যজ বিবিধভাব সৃষ্টিকাৰিণী আমাৰ মায়াক অতিক্ৰম

কৰিব পাৰে জানো?

(৬) সেই গুণময়ী মায়াই ত্ৰিগুণ অংশৰ দ্বাৰা মিলিত হৈ তোমাক কেতিয়াও মুগ্ধ কৰিব নোৱাৰিব।

(৭) এনেপ্ৰকাৰে বিষ্ণুৰ দ্বাৰা সমাদৃত হৈ শিৱই ভগৱানক সম্ভাষণ আৰু প্ৰদক্ষিণ কৰি পাৰিষদ সকলেৰে পৰিবেষ্টিত হৈ নিজ ঠাইলৈ যাত্ৰা কৰিলে।

পূৰ্ব্বোক্ত সাতোটি শ্লোকৰ আধাৰ ৰূপে লৈ গুৰুজনাই নিজৰ সৃষ্টিমূলক কাহিনীৰে বিষয়টি নতুন ৰূপত সজাইছে। তলত তাৰ উদ্ধৃতি দিয়া হ'ল।

যৈত যৈত শঙ্কৰৰ বিন্দু পড়ি গৈল।
ভূমি গুচি তেখনে সুবৰ্ণময় ভৈল।।
যেহি বৃক্ষ লতাক বিন্দুৰ ছটা চোৱৈ।
কাষ্ঠ গুচি তেখনে সুবৰ্ণময় হোৱৈ।।
তথাপি খেদন্ত হৰে হুয়া উলঙ্গত।
পাক ফুৰি পাইলা গৈয়া বৈকুণ্ঠ নিকট।।
পড়িয়া আন্টাইল যেবে বিন্দু আছে যত।
তেবেসে চেতন ভৈল হৰৰ গাৱত।।
চাপৰি চাহান্ত ছাল নাহিকে কটিত।
লাজে অধোমুখ হুয়া বসিলা মাটিত।।
পাছে ব্ৰহ্ম জ্ঞান চিন্তি চিত্ত থিৰ কৰি।
নাক কাণ চুয়া সুমৰন্ত ৰাম হৰি।।
মদনৰ পীড়াক এড়াইলা মহাযোগী।
ব্যাধিৰ সকাশ যেন পাইলা চিৰ ৰোগী।।
গ্ৰহ গুচি গৈলে যেন স্বস্থ হোৱে বাউল।
মনত গুণন্ত বসি জগতৰ ৰাউল।।
মোৰ কাজে আজি হসুৱাইলো ত্ৰিভুবন।
কেনমতে পতিয়াইবো পাৰ্ব্বতীৰ মন।।
বুলিবাহা ফুৰিলা কাহাৰ নাৰী সঙ্গে।
গৃহত পশিবে বান্ধে নেদিবন্ত খঙ্গে।।

লঘু ভৈলো মাধৱৰ নুশুনিলো হাক।
উমাৰ আগত চাটু বুলিলো কন্যাক।।
এবে কেনমতে তান আগে হুইবো থিৰ।
কৰন্ত অশেষ চিন্তা দেৱ সদাশিৱ।।
বিচাৰি চাহিলে দোষ নাহিকে আমাৰ।
যাৰ মায়া পাশে বন্দী সমস্তে সংসাৰ।।
হেন হৰি মুহিলা আপুনি নাৰী হুই।
আত অনুশৌচ আবে কৰো কোন মুই।।
কটাক্ষতে স্ৰজন্ত ব্ৰহ্মাণ্ড কোটি কোটি।
এগোটা ডিম্বৰ মই ৰুদ্ৰ এক গুটি।।
যাহাৰ অঙ্গত চৰাচৰ ভৈল বাজ।
হেন হৰি মুহিলা ইয়াত কোন লাজ।।
বিষ্ণুৰ আগত মই পৰম অজ্ঞানী।
জিনিলো মায়াক বুলিলোহো গৰ্ব্ববাণী।।
ইসে অহঙ্কাৰে কৰৈ হৃদয়ত তাপ।
হৰি হৰি স্মৰণে খণ্ডোক ইটো পাপ।।
এহি বুলি মৌন ভৈলা দেৱতা ঈশান।
কৰিবে লাগিলা মনে মাধৱক ধ্যান।।

———ঃ———

অনন্তৰে দেৱ হৰি দুনাই নিজ ৰূপ ধৰি
শঙ্কৰৰ আগে উপসন।
মুখে কৰি অল্প হাসি হৰক সম্মুখি আসি
বুলিলন্ত প্ৰশংসা বচন।।
শুনা শুনা শূলপাণি জানো তুমি মহাজ্ঞানী
তৰিলা দুস্তৰ মায়া ঘোৰ।
তুমিসে তত্বক জানা নাহি আৰ তুমি বিনা
আৱৰ পৰম প্ৰিয় মোৰ।।
শুনা শুনা জ্ঞানশালী তোমাৰেসে আজ্ঞা পালি
দেখাইলো দুস্তৰ স্ত্ৰী মায়া।

আত নকৰিবা খেদ কিঞ্চিতেকো নাহি ভেদ
তোমাৰে আমাৰে একে কায়া।।
শুনা ভূতনাথ হৰ তুষ্ট হুয়া দেওঁ বৰ
হৌক মায়া তোমাৰ অধীন।
সুখে থাকি নিজ থানে মহাকল্প অৱসানে
মোৰ শৰীৰতে যাইবা লীন।।
এহি বুলি বনমালী শঙ্কৰক আঙ্কোৱালি
সমজ্যাক নিলন্ত সাদৰি।
কৰিলন্ত সতকাৰ দিব্য বস্ত্ৰ অলংকাৰ
পাৰ্ব্বতীকো দিলা মান্য কৰি।।
আনো যত ভূতগণ সবাৰো তুষিলা মন
কৰিলন্ত যথোচিত কাম।
পাছে হৰে মহাতুষ্টি পাৰ্ব্বতী সহিতে উঠি
দণ্ডৱতে কৰিলা প্ৰণাম।।
বিষ্ণুত মেলানি মাগি লড়িলা গৃহক লাগি
ভাৰ্য্যায়ে সহিতে শূলধৰ।
চড়িয়া বৃষভ ৰথে শীঘ্ৰে আকাশৰ পথে
আৰোহিলা কৈলাশ শিখৰ।।

পূৰ্ব্বোক্ত উদ্ধৃতি সমূহতো আমি মূল আৰু সৃষ্টিমূলক বৰ্ণনাৰ মাজত পাৰ্থক্য দেখা পাইছোঁ। গুৰুজনে নিজৰ সৃষ্টিশীল কাল্পনিক ৰূপ দি যিখিনি বিবৰণ দাঙি ধৰিছে, সেইখিনি বাহ্যিক দৃষ্টিত শিৱক লঘু কৰা যেন দেখুৱালেও সমুজ্জ্বল কাব্য প্ৰতিভাৰ লগতে বিষ্ণুৰ অতুল মহিমা বিকশিত কৰা হৈছে। ত্ৰিগুণাধীশ্বৰ তিনি দেৱতাতকৈয়ো যে ত্ৰিগুণাতীত ভগৱানৰ শ্ৰেষ্ঠত্ব অধিক, তাক উজ্জ্বল ৰূপত প্ৰকাশ কৰা হৈছে। ইয়াৰ মাজতে গৃহস্থী সংসাৰৰ এখনি ঘৰুৱা চিত্ৰৰো পৰশ পৰিছে। যেনে -

মোৰ কাজে আজি হসুৱাইলোঁ ত্ৰিভুবন।
কেনমতে পতিয়াইবো পাৰ্ব্বতীৰ মন।।
বুলিবাহা ফুৰিলা কাহাৰ নাৰী সঙ্গে।
গৃহত পশিবে বান্ধে নেদিবন্ত খঙ্গে।। ইত্যাদি।

শিৱই বিষ্ণুৰ আদেশত কৈলাশ শিখৰত আৰোহন কৰাৰ পিছত ভাগৱতত তিনিটি শ্লোকত (৮/১২/৪২-৪৪) শিৱ পাৰ্ব্বতীৰ কথোপকথন প্ৰকাশ কৰা হৈছে। সেইখিনি বৰ দীঘলিয়া কথা নহয়। কিন্তু গুৰুজনে বিষয়টি কিছু বহলকৈ প্ৰকাশ কৰিছে। তলত শ্লোক তিনিটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হ'ল -

(১) শিৱই নিজৰ অংশভূতা মুনি সকলৰ সম্মতা মায়াৰূপিণী পাৰ্ব্বতীক প্ৰীতি সহকাৰে ক'বলৈ ধৰিলে।

(২) হে দেৱী! জন্মাদি বিকাৰ ৰহিত বিষ্ণুৰ মায়াৰ প্ৰভাব তুমি নিজে দেখিলা। যি মায়াৰ দ্বাৰা বশ্যতা স্বীকাৰ কৰি আমি ত্ৰিগুণৰ মাজৰ হৈয়ো মোহগ্ৰস্তৰ মাজত সোমাই পৰিলোঁ। আনৰ কথাতো কি বুলিম।

(৩) হে দেৱী! সহস্ৰ বছৰ যোগ সাধনাৰ পৰা পৰিবৰ্ত্তী আহিলত তুমি মোৰ ওচৰত যাৰ কথা সুধিছিলা - সেইজনেই সাক্ষাৎ পৰম পুৰুষ বিষ্ণু। কালে সকলোতে প্ৰবেশ কৰিব পাৰিলেও য'ত প্ৰবেশ কৰিবলৈ সমৰ্থ নহয় আৰু বেদেও যাৰ কথা জানিবলৈ সক্ষম নহয় - সেইজনেই বিষ্ণু।

এতিয়া গুৰুজনাৰ পদখিনি তলত উদ্ধৃত কৰা হ'ল -

বসিলা সমাজ পাতি বোলন্ত উমাক মাতি
আপুনি দেখিলা প্ৰাণজায়া।
ভৈলোহো বাতুল প্ৰাই মোৰ শ্ৰুতি জ্ঞান নাই
কোন নকৰিলে বিষ্ণু মায়া।।
মই জগতৰ পতি মোৰ হেন ভৈল গতি
আন কোন থিয় হুইবে আত।
হেন জানা স্বৰূপত চৰাচৰ আছৈ যত
সবে বন্দী বিষ্ণুৰ মায়াত।।
সহস্ৰ বৰিষ মানে আছিলোহো যোগ ধ্যানে
দেখি তুমি পুছিলা আমাক।
গাৱে ভস্ম জটা ধৰি অনেক তপস্যা কৰি
আউৰ তুমি আৰাধাহা কাক।।
এড়ি লোভ ক্ৰোধ কাম কাহাৰ জপাহা নাম
আৰৰ আছন্ত কোন দেৱ।

তোমাত কহিলো আমি আছন্ত জগত স্বামী
সুৰাসুৰে যাক কৰে সেৱ।।
প্ৰত্যেকে দেখিলা আজি যাহাৰ মায়াত বাজি
মোহ হুয়া এড়িলোহো লাজ।
কামবাণে ভৈলো আউল চেঞ্চাই ফুৰো যেন বাউল
হসুৱাইলো বৈকুণ্ঠ সমাজ।।
কপট যুৱতী বেশে মুহিলন্ত হৃষীকেশে
পাসৰিলো তোমাক পাশত।
কন্যাক ফুৰিলো খেদি গিৰি গুহা বন নদী
অনেক ঋষিৰ আশ্ৰমত।।
নেদেখিলে কৈৰ লোকে কোনে নহাসিলে মোকে
লঘু হৈবে নথাকিল ঠাই।
এভো মোৰ কাম্পে হিয়া হেন জানা প্ৰাণ প্ৰিয়া
হৰিৰ মায়াত বৰা নাই।।
যত দেখা চৰাচৰ হৰিময় নিৰন্তৰ
হৰিত পৃথক কেহো নোহে।
যিজন ভকতিহীন সি দেখে হৰিক ভিন্ন
হৰিৰ মায়ায়ে তাক মোহে।।
হৰিসে পৰম দেৱ হৰিকেসে কৰো সেৱ
স্ৰজন্তা পালন্তা দেৱ হৰি।
হৰি নাম হিয়ে ধৰি হৰি নাম সদা স্মৰি
তেবেসে হৰিৰ মায়া তৰি।।
হেন জানি তুমি দেৱী হৰিৰ চৰণ সেৱি
এড়া লোভ মোহ ক্ৰোধ কাম।
নকৰিয়ো জন্ম বৃথা শুনা সদা হৰি কথা
কৰিয়ো কীৰ্ত্তন হৰি নাম।।
হৰিৰ চৰণ মনে চিন্তিয়োক সৰ্ব্বক্ষণে
কৰিয়ো ভকতি ভালমতে।

তেবেসে সংসাৰ তৰি হৰিৰ প্ৰসাদে গৌৰী
পাইবা মোক্ষ মোহোৰ লগতে।।
শঙ্কৰৰ হেন বাণী পাৰ্ব্বতী গোসানী শুনি
আনন্দতে শিহৰাইলা গাৱ।
উঠি কৰযোৰে গৌৰী ফুৰি প্ৰদক্ষিণ কৰি
নমিলা শিৱৰ দুই পাৱ।।
তুমি প্ৰভু সৰ্ব্বজান দিলা মোক দিব্য জ্ঞান
সাৰ্থক তোমাৰ মই জায়া।
কিনো ভাগ্যৱতী আমি তোমাৰ প্ৰসাদে স্বামী
তৰিবো দুস্তৰ ঘোৰ মায়া।।
এবেসে জানিলো সাৰে হৰি ভকতিত পৰে
নিস্তাৰ কৰন্তা আন নাই।
মিছাতেসে মূঢ়জনে খপে আলজাল মনে
হৰি নামে মোক্ষ পদ পাই।।
আৰ চিন্তা নাই মোৰ তৰিবো সংসাৰ ঘোৰ
কৌতূহলে হৰি নাম নাৱে।
এহি বুলি পাছে গৌৰী হৰিত ভকতি কৰি
থাকিলন্ত জগতৰ মাৱে।।

হৰ গৌৰীৰ উক্ত কথোপকথনৰ পিছতে অন্তিম পৰ্য্যায়ত উপনীত হ'ল আৰু প্ৰসঙ্গানুসৰি শুকদেৱে পৰীক্ষিতক মোখনি মাৰি তিনিটি শ্লোকত শ্ৰৱণ কীৰ্ত্তনৰ সফলতা আৰু বিষ্ণুৰ মহিমা কীৰ্ত্তনৰ যোগে ইয়াৰ প্ৰাধান্যতা স্থাপন কৰিছে। শ্লোক তিনিটিৰ অসমীয়া ৰূপটি দাঙি ধৰা হ'ল।

(১) হে পৰীক্ষিত! তোমাৰ ওচৰত বিষ্ণুৰ মহিমা তত্ত্বৰ কথা বৰ্ণনা কৰিলোঁ যিজনে সমুদ্ৰ মন্থনৰ সময়ত নিজৰ পিঠিত বিৰাট মন্দৰ পৰ্ব্বত ধাৰণ কৰিছিল।

(২) এনেধৰণৰ (সমুদ্ৰ মন্থনাদি কৰ্ম্ম) ভগৱানৰ চৰিত্ৰ যিজনে শ্ৰৱণ আৰু কীৰ্ত্তন কৰে, তেওঁলোকৰ কোনো সময়তে কোনো বিষয়তে উদ্যম বিফল নহয়। কাৰণ ভগৱানৰ গুণ কীৰ্ত্তন সংসাৰৰ সৰ্ব্বপ্ৰকাৰ দুখনাশক।

(৩) কপট যুৱতীৰ বেশ ধৰি যিজনে দেৱ বৈৰী অসুৰসকলক বিমোহিত কৰি শৰণাগত দেৱগণক সমুদ্ৰ মন্থনত আবিষ্কৃত অমৃত পান কৰাইছিল, আমি সেই শৰণাগত প্ৰতিপালক বিষ্ণুক প্ৰণাম কৰোঁ।

গুৰুজনে অনুবাদ কৰোঁতে তিনিটি শ্লোকৰ লগত সংলগ্ন কৰা ৰসাল তথা উপদেশমূলক পদখিনিৰ উদ্ধৃতি দিয়া হ'ল। যেনে -

শুকমুনি নিগদতি শুনিয়োক কুৰুপতি
কহিলোহো হৰিৰ চৰিত।
কপট যুৱতী বেশে যেনমতে হৃষীকেশে
মুহিলন্ত শঙ্কৰৰ চিত্ত।।
দৈত্যৰ মুহিয়া মন যেনমতে নাৰায়ন
ভুঞ্জাইলা অমৃত দেৱতাক।
পুছিলা যতেক লাগে কহিলো তোমাৰ আগে
সাৱশেষে কৃষ্ণৰ কথাক।।
অকপটে যিবাজনে শুনে ভণে একমনে
শুনিয়োক তাৰ যেন ফল।
খণ্ডয় চৌষষ্ঠী ৰোগ মিলৈ আসি যত ভোগ
মনোৰম পূৰয় সকল।।
সমস্ত পাপকে বাধি আপোনাৰ মোক্ষ সাধি
এক কোটি পুৰুষ উদ্ধাৰে।
কহিলোহো স্বৰূপত নাহি সাৰ সংসাৰত
হৰি কথা শ্ৰৱণত পৰে।
পৰীক্ষিত হেন জানি চিন্তিয়োক চক্ৰপাণি
হৰিৰ কথাত কৰা ৰতি।
সংহাৰিয়ো আন কাম জপিয়ো হৰিৰ নাম
ইহ পৰলোকে হৰি গতি।।
অশাশ্বত মৰ্ত্ত্যলোক জন্মৰ সাফল হোক
কৰিয়োক হৰিত ভকতি।
আৰ যেহি মানে লাগে পুছিয়োক মোৰ আগে
কহো কৃষ্ণ কথাক সম্প্ৰতি।।

পূৰ্ব্বোক্ত পদৰ পিছতে অধ্যায়টিৰ সমাপ্তি ঘটিছে। কিন্তু গুৰুজনাই কেইটিমান উপদেশ তত্ত্ব প্ৰকাশ কৰি মূল বহিৰ্ভূত কথাৰে সামৰণি মাৰিছে। সেই প্ৰসঙ্গতে গুৰুজনে নিজকে সকলোৰে শিষ্য বুলি "তৃণাদপি সুনীচেন" ৰূপে পৰিচয় দিছে। তেৰাই জীৱন কালৰ শেষলৈকে কোনো দিনেই নিজকে গুৰুৰূপে পৰিচয় নিদিলে। সদায় কৃষ্ণৰ কিঙ্কৰ, মাধৱদেৱে "দাসৰো দাসৰ তান দাস" বুলিহে বিনয়ীভাৱ প্ৰকাশ কৰিছে। এইখিনি আমাৰ কাৰণে আদৰ্শস্বৰূপ। এই অধ্যায়ৰ শেষৰ কথাখিনি লোভ সামৰিব নোৱাৰি তলত উদ্ধৃত কৰিলোঁ। তাতেই গুৰুজনাৰ মহত্ত্ব বিকশিত হৈছে।

নমো নমো দামোদৰ সংসাৰৰ বিঘ্নিহৰ
ভকত অভয় দাতা দেৱ।
ভাগৱত পদ ছবি ৰচিলা শঙ্কৰ কবি
কৃষ্ণৰ চৰণে কৰি সেৱ।।
শুনিয়োক বুধলোক নিন্দা নুবুলিবা মোক
যদি দেখা পদত দূষণ।
আমি সমস্তৰে শিষ্য জানি কৰা বিমৰিষ
মহন্তৰ ক্ষমাসে ভূষণ।।
কৃষ্ণে দিলা যেন মতি যেন ৰড়ে সৰস্বতী
বিৰচিলো সেহি অভিপ্ৰাই।
যতেক চটক দেখা যাৰ যেনমত পখা
তাৰ অনুৰূপেসে উড়াই।।
শুনা সৰ্ব্বজন তত্ত্ব ইটো মহাভাগৱত
তিনিও লোকতে সাৰতৰ।
যত মহা যজ্ঞ দান কোটি কোটি তীৰ্থস্থান
কেহো আৰ নপাৰে ওচৰ।।
কৃষ্ণ কথা যিবা ভণে যিবা শুনৈ একমনে
যমৰ ভাৱনা কৰৈ চুৰি।
পুৰুষ উদ্ধাৰ কৰি সংসাৰ সাগৰে তৰি

শঙ্কৰে ৰচিলা গীত আপুনাৰ চিন্তাহিত
শুনা সমজ্যাৰ যত জন।
এড়ি আল জাল কাম ডাকি বোলা ৰাম ৰাম
সমাপত মহেশ মোহন।। ইত্যাদি।

এই অধ্যায়টিৰ কাহিনীৰ ওপৰত দৃষ্টি কৰিলে পোনপতীয়াকৈ "শৃঙ্গাৰ ৰস" প্ৰধান বুলিয়েই ভাবিব পাৰি। আচলতে নৱৰসৰ ভিতৰত শৃঙ্গাৰ ৰসেই আদি ৰস আৰু ইয়াৰ অভাৱে নাটক সম্পূৰ্ণ নহয় বুলিও কোৱা হয়। যদিও ই আদিৰস বুলি পৰিচিত হৈছে, তথাপি ভক্তিবাদী গুৰু সকলে নৱৰসতকৈ ভক্তি ৰসকহে প্ৰধান বুলি দাবী কৰি আহিছে। সেই কাৰণে "ভক্তি ৰসামৃত সিন্ধু" নামৰ গ্ৰন্থত গ্ৰন্থকাৰে নৱৰসৰ অতিৰিক্ত ভক্তিৰস সংযোগ কৰি "দশৰস" বুলি যুক্তি দাঙি ধৰিছে। শঙ্কৰ মাধৱ দুজনা গুৰুৱেও ভক্তিৰসকহে প্ৰাধান্য দিছে। হৰমোহন অধ্যায়টিও ভক্তি ৰসতত্ত্বৰ কাহিনীহে। এই কাহিনীৰ আদি ঘোষাটিত "হৰিহৰ লীলা কথা শুনা কৰ্ণ ভৰি" (কীৰ্ত্তনঘোষা) আৰু শেষৰ পদটিত "সমাপত মহেশ মোহন" বুলি সামৰিছে। আনহতে সাহিত্য দৰ্পণত শৃঙ্গাৰ তিনি প্ৰকাৰ বুলি কৈছে। যেনে (১) ধৰ্ম্ম শৃঙ্গাৰ (২) অৰ্থ শৃঙ্গাৰ আৰু (৩)কাম শৃঙ্গাৰ। শাস্ত্ৰৰ মৰ্য্যাদা লংঘন নকৰি যি কৰ্ম্মত প্ৰবৃত্ত হয়, তাকে ধৰ্ম্ম শৃঙ্গাৰ বোলে। অৰ্থ লাভৰ কাৰণে যি পৰিকল্পনা হয়, তাকে অৰ্থ শৃঙ্গাৰ আৰু প্ৰহসনৰ কাৰণে যি শৃঙ্গাৰ সিয়েই কাম শৃঙ্গাৰ ৰূপে অভিহিত। এতিয়া আমি "হৰ মোহন" অধ্যায়টি ধৰ্ম্ম শৃঙ্গাৰ ৰূপে অভিহিত কৰাৰ উপৰিও নৱৰসৰ বহিৰ্ভূত ভক্তিৰসতত্ত্ব সমৃদ্ধ এটি অধ্যায় বুলি পৰিচয় পাওঁ।

(হৰমোহন অধ্যায় ...৩)

●●●

(৭) অষ্টম স্কন্ধ (বলিছলন ১-ক)

শ্ৰীমদ্ভাগৱত মহাপুৰাণৰ অষ্টম স্কন্ধৰ পোন্ধৰৰ পৰা তেইশ,-এই নটি অধ্যায় সামৰি পূৰ্ব্বোক্ত বলিছলন কাহিনীটি ৰচনা কৰা হৈছে।'এই নটি অধ্যায়ৰ সৰ্ব্বমুঠ শ্লোক সংখ্যা তিনিশ ছয়ত্ৰিশ। তাৰে বিৰাল্লিশটি শ্লোকৰ অনুবাদ হোৱা নাই। এতিয়া সৰ্ব্বমুঠ ৰল গৈ দুশ বিৰান্নব্বৈটি। গুৰুজনে ৰচনা কৰা পদৰ সংখ্যা ছশ পোন্ধৰ।

মূলৰ পোন্ধৰ অধ্যায়ৰ আৰম্ভনিতে শুক পৰীক্ষিতৰ প্ৰশ্নোত্তৰ প্ৰসঙ্গ উত্থাপিত হৈছে। কিন্তু গুৰুজনে "জয় জয় জগতজনক জনাৰ্দ্দন" বুলি মঙ্গলাচৰণেৰে আৰম্ভনি কৰিছে। আনহাতে এই অধ্যায়টিৰ কাহিনীৰ লগত " ভাগৱত কথা ইটো অমৃত সাক্ষাত। বামন পুৰাণ-কিছু মিশ্ৰ দিলো তাত" বুলি ভাগৱতৰ লগত বামন পুৰাণৰ অলপ বিষয় মিশ্ৰণ দিয়া বুলি উল্লেখ কৰিছে। আনহাতে বামনে বলিক সুতল পুৰীলৈ প্ৰেৰণ কৰাৰ পিছৰ ঘটনাক্ৰমৰ কিছু আভাস উক্ত পুৰাণৰ পৰা অহাতো পৰিলক্ষিত হৈছে।

মূলৰ প্ৰথম দুটি শ্লোকত পৰীক্ষিতে শুকদেৱক বলিৰ ওচৰত বামন অৱতাৰ পৰিগ্ৰহ কৰি কি কাৰণেনো তিনি পদ ভূমি প্ৰাৰ্থনা কৰিছিল আৰু নিষ্পাপ বলিৰ বন্ধন আদিৰ অত্যাশ্চৰ্য্য জনক বিষয়নো কি কাৰণত হৈছিল- এই বিষয়ে প্ৰশ্ন কৰাত শুকদেৱে তাৰ উত্তৰ দিছে অতি সংক্ষিপ্ত ৰূপত। কিন্তু গুৰুজনে ইয়াক অতি ৰসালকৈ কিছু বহল ৰূপত সুন্দৰভাৱে সজাইছে। মূলৰ চতুৰ্থ শ্লোকত বলিয়ে স্বৰ্গ আক্ৰমণ কৰিবলৈ বিপ্ৰসকলে তেওঁক অভিষেক কৰি 'বিশ্বজিৎ' নামৰ যজ্ঞ সম্পাদন কৰা কথা কৈছে। গুৰুজনাৰ পদত সেই বিষয়টি বহু পিছতহে বৰ্ণিত হৈছে। মূলৰ তৃতীয় শ্লোকৰ সামান্য ছাঁ লৈ গুৰুজনে শুক্ৰাচাৰ্য্য আৰু বলিৰ কথোপকথন প্ৰকাশ কৰিছে। আমি শ্লোক কেইটিৰ অসমীয়া অনুবাদৰ উদ্ধৃতি দিছোঁ (৮/১৫/৩-১১)।

(১) ইন্দ্ৰৰদ্বাৰা যুদ্ধত শ্ৰীহানি আৰু প্ৰাণ নাশ হোৱা বলিক শুক্ৰাচাৰ্য্যই পুনৰ

জীৱন দিয়াৰ পিছত তেওঁলোকৰ শিষ্যত্ব গ্ৰহণ কৰি ৰজাই ভৃগু বংশীয় বিপ্ৰসকলক সকলো প্ৰকাৰে অৰ্থদানেৰে আৰাধনা কৰিবলৈ ধৰিলে।।

(২) বলিৰ আৰাধনাত সন্তুষ্টি চিত্ত বিপ্ৰসকলে স্বৰ্গজয়কামী বলিক মহাভিষেক বিধিৰ দ্বাৰা অভিষেক কৰি 'বিশ্বজিৎ' নামৰ যজ্ঞ কৰালে।

(৩) পবিত্ৰ ঘৃতৰ দ্বাৰা পূজিত সেই যজ্ঞৰ পৰা সুবৰ্ণময়, ইন্দ্ৰৰ অশ্ব তুল্য হালধিয়া বৰ্ণৰ অশ্ববোৰ আৰু সিংহ চিহ্নেৰে চিহ্নিত এখন ধ্বজ বাহিৰ হ'ল।

(৪) সুবৰ্ণৰঞ্জিত দিব্য ধনু, অক্ষয় শৰযুক্ত দুটি তূণ আৰু দিব্য কৱচ বাহিৰ হল। বলিৰ পিতামহ প্ৰহলাদে তেওঁক অম্লান পুষ্পযুক্ত এধাৰি মালা আৰু শুক্ৰাচাৰ্য্যই এটি শঙ্খ প্ৰদান কৰিলে।

(৫) এনেদৰে বিপ্ৰসকলে যুদ্ধ সম্ভাৰবোৰ সম্পাদন কৰাৰ পিছত বিপ্ৰসকলৰ দ্বাৰা কৃত স্বস্ত্যয়ন আদিৰে শক্তিশালী হৈ বলিয়ে তেওঁলোকক প্ৰদক্ষিণ আৰু প্ৰণাম কৰি পিতামহ প্ৰহ্লাদকো সম্ভাষণ আৰু প্ৰণাম কৰিলে।

(৬,৭) ইয়াৰ পিছত মালা, কবচ, ধনু, খড়্গ আদি ধাৰণ কৰি বলিয়ে সুবৰ্ণ নিৰ্ম্মিত বলয় আৰু কুণ্ডলাদিৰে শোভিত হৈ ভৃগু প্ৰদত্ত ৰথত আৰোহণ কৰি কুণ্ডমধ্যস্থ অগ্নিৰদৰে উজ্জ্বল হৈ পৰিল।

(৮,৯) নিজৰ দৰে সৌন্দৰ্য্য আৰু বীৰ্য্যবান্ সৈন্য আৰু সেনাধ্যক্ষ সকলেৰে পৰিবেষ্টিত হৈ, নিজৰ দৃষ্টিৰ দ্বাৰা আকাশ মণ্ডল পান কৰিবলৈ আৰু দশদিক দগ্ধ কৰিবলৈ উদ্যত হোৱা মহতী অসুৰ সেনা চালনাৰে পৃথিবী কম্পমান কৰি বলি ৰজাই সমৃদ্ধিশালী ইন্দ্ৰপুৰী আক্ৰমণ কৰিলে।

পূৰ্ব্বোক্ত নটা শ্লোকৰ ওপৰত নিৰ্ভৰ কৰি গুৰুজনে কিছু বহলকৈ নিজৰ সৃষ্টিমূলক বৰ্ণনা কৰিছে এনেদৰে -

কালক উপেক্ষি বলিৰায় ভয়হীন।
যুদ্ধ হাৰি পাতালে আছন্ত কতোদিন।।
উগুল-থুগুল মন নাহি সুখ শান্তি।
একোমতে উপায় নপান্ত গুণি গাথি।।
নিদ্ৰা নাসে ৰাত্ৰিত নুৰুচে অন্ন পান।
দিন গোট যাই এক যুগৰ সমান।।
অধোমুখে ঘনে ঘনে তেজন্ত নিশ্বাস।
ত্ৰিদশত হাৰিলো ভাগিল মোৰ ভাষ।।

কোন কৰ্ম্ম কৰো আৰে যাওঁ কোন ৰাজ।
কহিতে এৰাএো ৰণ হাৰিবাৰ লাজ।।
একোৱে প্ৰকাৰে সুস্থ নাহিকে মনত।
ভৈলা সৈয়া দৈত্যেন্দ্ৰ শুক্ৰৰ গৃহাগত।।
ৰাজা আসিবাৰ শুনি শুক্ৰ মহাঋষি।
সপুত্ৰ বান্ধৱে আগ বাঢ়িলা হৰিষি।।
প্ৰণামিলা বলিৰায় গুৰু পাৱে ধৰি।
শুক্ৰে আশ্বাসিলা পাছে তাহাঙ্ক সাদৰি।।
পাছে দুয়ো বসিলন্ত বিচিত্ৰ আসনে।
তেজিলা নিশ্বাস দৈত্যপতি দুখ মনে।।
ৰণ হাৰিবাৰ পাছে নযাই নুপুহাই।
কতো বেলি আছিলন্ত মাথা চপৰাই।।
শুক্ৰক সম্মুখি পাছে বুলিলন্ত বাক।
কোন কৰ্ম্ম কৰো গুৰু কহিয়ো আমাক।।
আপদৰ বন্ধু তুমি কহিবাৰ পাত্ৰ।
তুমি প্ৰাণ দিলা বাপে উপজাই মাত্ৰ।।
সমৰত মোক নিপাতিলা শতক্ৰতু।
দুনাই উপজিলো মই তোমাৰেসে হেতু।।
মৰণত্ৰে কৰি লাজ জিনিলা ত্ৰিদশ।
জগত ব্যাপিল আৰে মোহাৰ দুৰ্যশ।।
বলিক জিনিলা সমৰত পুৰন্দৰে।
ইটো কুখিয়াতি ভৈলা চন্দ্ৰ দিবাকৰে।।
ইন্দ্ৰক হাৰন্তা নাই বংশত আমাৰ।
পিতৃ পিতামহৰো অনাইলো খিলিঙ্কাৰ।।
দানৱ কুলৰ তুমি বিনে গতি নাই।
তুমি প্ৰাণদাতা পিতা মাতা সমুদাই।।
হেন জানি চিন্তা গুৰু উপায় সম্প্ৰতি।
যেনমতে পুনৰপি পাওঁ অম্ৰাৱতী।।
ৰণে জিনো দুনাই যদি দশ দিগপাল।
তেৱেসে গুচয় মোৰ হৃদয়ৰ শাল।।

জগতত তোমাৰ অসাধ্য নাহি কাজ।
তুমি চিন্ত দিলে দুনাই পাওঁ স্বৰ্গৰাজ।।
হেন শুনি হাসি শুক্ৰে বলিত বদতি।
ইকাৰ্য্যক চিন্তা নকৰিবৰা দৈত্যপতি।।
হেন জানা পাইলা স্বৰ্গ নাহিকে অন্যথা।
যাঠী গোটা লেচেঙ্গাৰ জুহালৰ কথা।।
যেবে হওঁ দৈত্যগুৰু দেখিও আমাক।
স্বৰ্গত তোমাক কালি কৰো অভিষেক।।
হেন জানা সাধিলা দেৱৰ প্ৰতিকাৰ।
কৰাওঁ বিশ্বজিত যজ্ঞ মিলায়ো সম্ভাৰ।।
এহি বুলি উপদেশ দিলা বিধি চাই।
কৰিলন্ত বলিয়ো সম্ভাৰ একঠাই।।
যজ্ঞশালা সাজিলন্ত নিৰঞ্জন থানে।
নিৰ্ম্মিলা হোমৰ কুণ্ড চৌহস্ত প্ৰমাণে।।
আপোনাৰ মন্ত্ৰে শুক্ৰে যজ্ঞ আৰম্ভিলা।
অভিচাৰ মন্ত্ৰ পঢ়ি অগ্নিত হোমিলা।।
কৰাইলন্ত যাগ যেন বিধিৰ বিধান।
অগ্নিত উঠিলা পাছে দিব্য ৰথখান।।
শুদ্ধ সুবৰ্ণৰ কান্তি কৰে চিকিমিকি।
সূৰ্য্যৰ কিৰণে যেন কৰে ঝিকিমিকি।।
তাহাৰ মহিমা কহি কোনে পাৰে ওৰা।
আকাশে সঞ্চাৰে দিব্য হাজাৰেক ঘোড়া।।
সিন্দুৰ সদৃশ বৰ্ণ সুবৰ্ণ বাখৰ।
জ্বলে সিংহ ধ্বজ সিটো শুদ্ধ সুবৰ্ণৰ।।
ৰত্ন বিৰচিত বাজ ভৈলা ধনুখান।
তৃণ দুই উঠিলা অক্ষয় যত বান।।
উঠিলা অভেদ দিব্য কৱচ বহিত।
পিন্ধিলন্ত বলি তাক শুক্ৰৰ ইঙ্গিত।।
শিৰত কিৰীটি কৰ্ণে মকৰ কুণ্ডল।
হেমহাৰ প্ৰকাশে বহল বক্ষস্থল।।

কেয়ূৰ কঙ্কণে জাতিস্কাৰ কৰে তনু।
বাম হাতে লৈলা অগ্নিদত্ত দিব্য ধনু।।
বান্ধিলা অক্ষয় দুই তূণ পিঠি ভাগে।
শুক্রে বুলিলন্ত আউৰ চাহিবে নলাগে।।
ইটো দিব্য ৰথত চড়িয়ো মহাশয়।
এহি শুভ ক্ষণে কৰা স্বৰ্গক বিজয়।।
আৱৰ চলোক মহা মহা দৈত্য সঙ্গ।
আছোক যুজিবে ইন্দ্ৰ দেখি দিব ভঙ্গ।।
এহি বুলি শুক্রে পঢ়ি ৰক্ষা মন্ত্ৰ বাণী।
দিব্য শঙ্খ গোট দৈত্যেন্দ্ৰক দিলা আনি।।
পিন্ধাইলা পদ্মৰ মালা বৈষ্ণৱ প্ৰহলাদ।
হুয়োক বিজয় বুলি দিলা আশীৰ্ব্বাদ।।
অনন্তৰে মহাবীৰ বলি ভয়হীন।
নমিলা গুৰুৰ পদে কৰি প্ৰদক্ষিণ।।
প্ৰহলাদৰ পদৰজ লৈলা আনি শিৰে।
লড়িলা দেৱৰ অৰি পৰম গম্ভীৰে।।
দেৱদত্ত ৰথত প্ৰকাশে দৈত্যৰাজ।
জ্বলন্তে আছয় যেন বহ্নিকুণ্ড মাজ।।
প্ৰচণ্ড সূৰ্য্যক যেন চাহন নযাই।
লড়িলা দেৱক ধাৰে পৃথিবী কম্পাই।।
বৰ বৰ দৈত্য লগে কৰিলা প্ৰয়াণ।
বলে বীৰ্য্যে ধৈৰ্য্যে সৱে ৰাজাৰ সমান।।
নাহিকে ভ্ৰূ ভঙ্গ খঙ্গে যাই একে ঝোপে।
মত্ত সিংহ যূথ যেন পৰম আটোপে।।
চতুৰঙ্গ দলে যাই বলিৰাইক বেঢ়ি।
আলগিল দৈত্য সেনা পৃথিবীক এড়ি।।
অলেখ পদাতি আতি হয় হস্তী ৰথে।
মহাচমৎকাৰে চলে আকাশৰ পথে।।
পৰম সন্ধানে ধনু ভিৰি অস্ত্ৰ জুৰি।
মাথাক ঝঙ্কাৰে খঙ্গে দশন কামুৰি।।

কেহো দাড়ি মুচৰি আঙ্গুলি ঠাৰ দেই।
থাক থাক দেৱগণ আজি যাইবি কই।।
আজি ঘোৰ সমৰে সবাৰো লৈবো প্ৰাণ।
কদৰ্থিল দেৱক গৰ্জ্জন্তে যাই আতি।
পৰম আটোপ কৰি দানৱ পদাতি।।
নাহি ঢাক ঢোল আতি পৰিল নিজম।
সমৰক লাগি সবে কৰে ঝম ঝম।।
সূৰ্য্য কিৰণকো ঢাকিলন্ত দৈত্যবলে।
কাল মেঘ দল যেন গগণ মণ্ডলে।।
বিস্বাদ শৱদে যেন বতাস শোষাই।
ভ্ৰুয়ে পশু পক্ষী দশোদিশক পলাই।।
আকাশক গ্ৰাসি যাই দানৱ কটক।
উৰ্দ্ধক উৰয় যেন অনেক চটক।।
মহা বেগে গৈয়া বায়ু মণ্ডলক এড়ি
স্বৰ্গৰ নিকট আন্টাইলেক দৰ দৰি।।
মনে মনে গৈয়া পাছে সমস্ত অসুৰ।
বেঢ়িলেক অম্ৰাৱতী দেৱতাৰ পুৰ।।

এই পদখিনি ভাগৱতৰ নটি শ্লোকৰ আধাৰতে ৰচনা কৰা হৈছে। অৱশ্যে বলি ৰজাই শুক্ৰচাৰ্য্যৰ ওচৰলৈ যোৱা বিষয়টি গুৰুজনে বামন পুৰাণৰ একত্ৰিশ অধ্যায়ৰ পৰাই গ্ৰহণ কৰিছে। বলিয়ে স্বৰ্গ যাত্ৰা কৰাৰ পিছত সেই স্বৰ্গৰ মনোমোহা দৃশ্যৰ এটি সুন্দৰ বৰ্ণনা ভাগৱতৰ পৰা আমি পাইছোঁ। তাৰ এঘাৰটি শ্লোকত স্বৰ্গৰ বৰ্ণনা কৰা হৈছে। কিন্তু গুৰুজনে মূলতকৈ এখোপ চৰা কৰি বৰ দীঘলীয়াকৈ অন্যান্য বৰ্ণনাৰ লগতে প্ৰাকৃতিক দৃশ্যাদিৰ বৰ্ণনা কৰিছে। ভাগৱতত বৰ্ণিত এঘাৰটি শ্লোকৰ অসমীয়া ৰূপটি তলত উল্লেখ কৰা হ'ল (৮/১৫/১২-২২)।

(১) সেই ইন্দ্ৰপুৰী অতি সুশোভন, নন্দন প্ৰভৃতি উপবন, আৰু উদ্যানাদিৰে সুশোভিত, পক্ষী সমূহৰ কূজনধ্বনি, মধুমত্ত ভ্ৰমৰৰ দ্বাৰা মুখৰিত আৰু প্ৰবাল, ফল, পুষ্পাদিযুক্ত দেৱ বৃক্ষাদিৰ দ্বাৰা সুশোভিত।

(২) যি স্থানত দেৱভোগ্য সুৰকন্যা সকলে ক্ৰীড়া কৰে, আৰু যি স্থানত হংস, ৰাজহংস, চক্ৰবাক আৰু কাৰণ্ডৱ সমূহেৰে ব্যাপ্ত, পদ্ম সমন্বিতে সৰোবৰ আৰু উপবন সমূহে তাত সুশোভিত।

(৩) যি স্থানত গড়খাৱৈ স্বৰূপে আকাশী গঙ্গা অৱস্থান কৰিছে, যি স্থান উন্নত যুদ্ধক্ষেত্ৰ আৰু অগ্নিবৰ্ণ প্ৰাচীৰ আদিৰে পৰিবেষ্টিত হৈ আছে।

(৪) সুবৰ্ণময় কপাটযুক্ত গৃহ দ্বাৰ আৰু স্পাটিকমণি নিৰ্ম্মিত পুৰদ্বাৰযুক্ত আৰু সুন্দৰ ৰাজ পথ সমূহেৰে বিভক্ত সেই ইন্দ্ৰপুৰী বিশ্বকৰ্ম্মাৰ দ্বাৰা নিৰ্ম্মাণ কৰা হৈছে।

(৫) সেই ইন্দ্ৰপুৰীৰ উপবেশন স্থান, অঙ্গনা, আৰু উপপথ সকলৰ দ্বাৰা সম্পন্ন, কোটি কোটি বিমানাদিৰে পৰিব্যাপ্ত আৰু তাত থকা চতুষ্পথ সমূহ প্ৰবাল মণিময় বেদিকা দ্বাৰা সুশোভিত।

(৬) যি স্থানত দেৱ নাৰী সকলৰ কেশৰ পৰা পতিত সুগন্ধ মালাৰ গন্ধ বহন কৰি বায়ুৱে পথত প্ৰবাহিত কৰিছে।

(৭) যি স্থানত অপ্সৰা সমূহে স্বৰ্ণময় গবাক্ষ ছিদ্ৰ পথেৰে নিৰ্গত শুভ্ৰবৰ্ণ অগৰু গন্ধযুক্ত ধুম্ৰদ্বাৰা আছন্ন পথেদি পৰিভ্ৰমণ নকৰে।

(৮) যি স্থানত মুক্তাময় চন্দ্ৰতাপ, মণি, স্বৰ্ণময় ধ্বজা, আৰু নানা বিধ পতাকা দ্বাৰা সুশোভিত বিমানৰ অগ্ৰবৰ্ত্তী গৃহ সমূহৰ দ্বাৰা পৰিব্যাপ্ত, ময়ুৰ পাৰাৱত আৰু ভ্ৰমৰ প্ৰভৃতিৰ শব্দত নিনাদিত আৰু বিমান চাৰিণী কামিণী সকলৰ সুমধুৰ সঙ্গীতত ৰমণীয় হৈ আছিল।

(৯) যি স্থানত স্থিৰ যৌৱনা, নিৰ্ম্মলবসনা, দিব্য অলঙ্কাৰাদি ভূষিতা শ্যামা নাৰীগণ দীপ্তি দ্বাৰা অগ্নিতুল্যা শোভাযুক্তা হৈছিল।

(১০) সেই অম্ৰাৱতী মৃদঙ্গ, শংখ, আনক, দুন্দুভি আৰু তালযুক্ত বীণা, মুৰুজ, ধ্বনি আৰু বাদ্যৰ সহিত গন্ধৰ্ব্বসকলৰ নৃত্য আৰু সঙ্গীতেৰে অতি মনোৰম হৈছিল। সেই অনুষ্ঠানে নিজৰ প্ৰভাৰ দ্বাৰা সূৰ্য্যাদিৰ প্ৰভাকো নিস্তেজ কৰিছিল।

(১১) পাপী, খল, হিংসুক, প্ৰবঞ্চক, অভিমানী, কামাভিলাষী, লোভী ব্যক্তিসকল যিখন পুৰীত প্ৰবেশ কৰিব নোৱাৰে, তাত দোষৰহিত সাধুসকলহে প্ৰবেশ কৰিবলৈ সমৰ্থ হব পাৰে।

পূৰ্ব্বোক্ত এঘাৰটি শ্লোকৰ আধাৰত গুৰুজনে কিমান দীঘলকৈ সৃষ্টিমূলক বৰ্ণনা দিছে, তাৰ উদ্ধৃতি দিয়া হল।

শুক নিগদতি শুনা কুৰুপতি
যেন থান অম্ৰাৱতী।
নাহিকে উপমা তাহাৰ মহিমা
কহিবে কাৰ শকতি।।

নানা ৰত্নময় যত গৃহচয়
শাৰী শাৰী কৰে কান্তি।
নাহি দিন ৰাতি যেন জ্বলে আতি
চন্দ্ৰ আদিত্যৰ পান্তি।।
প্ৰবাল বাখৰ স্ফটিকৰ ঘৰ
মৰকত কামি তাৰ।
বিশ্বকৰ্ম্মা হৰি কাটিলা জিঞ্জিৰি
পদ্মৰাগে দিলা বাৰ।।
মাণিক কপাট বৈদুৰ্য্যৰ বাট
বান্ধিলা সুবৰ্ণে কান্থি।
আগে চালি চালি আৰিলা মুড়ালি
মুকুতাৰ মালা গান্থি।।
সুবৰ্ণৰ ঘট কৰে কট কট
নিশেষ গৃহ উপৰে।
ব্ৰজ যেন দৃঢ় সুবৰ্ণৰ গড়
চৌপাশে প্ৰকাশ কৰে।।
দিব্য অস্ত্ৰময় ৰণ চাঙ্গচয়
সাজি আছে তাত যুড়ি।
গড় গড় খাই আকাশী গঙ্গাই
বহে অভ্ৰাৱৰ্তী বোঢ়।।
দিব্য উপবন ইন্দ্ৰৰ নন্দন
প্ৰকাশে তাহাৰ কাছে।
নানা বৃক্ষ জাতি পুষ্প গন্ধে আতি
আমোদ কৰন্তে আছে।।
প্ৰমত্ত ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে
বহে সুবাসিত বাৱ।
যত দিব্য পক্ষী পুষ্প মুধু ভক্ষি
তেজে সুললিত ৰাৱ।।
কোকিলৰ নাদ শুনন্তে উন্মাদ
মত্ত ময়ুৰৰ ৰোল।

দিব্য সৰোৱৰ নিৰ্ম্মিলা বিস্তৰ
নন্দন বনৰ কোল।।
চাৰিয়ো কাখৰে বান্ধিলা বাখৰে
ঘাটে ঘাটে খাট খৰি।
দিব্য পুষ্প যত প্ৰকাশে পাৰত
কুলি জকমক কৰি।।
দেৱ বিদ্যা ধৰে জল ক্ৰীড়া কৰে
আশেস সুৰ সুন্দৰী।
ৰঙ্গে জুলি বাটি .খেলে জল ছাটি
অসংখ্যত অপেশ্বৰী।
কতো ঘাসি কুড় জলে দেই বুড়
সাম্ভোৰে কতো কৌতুকে।
কতো দেৱজাক বসি চাৱে তাক
হাসন্ত অতি উৎসুকে।।
গৃহ উপৰত যৈৰা পাৰাৱত
দেখি পক্ষী চামে চামে।
হাটিৰ মধ্যত ৰাজ পথ যত
জ্বলে সুবৰ্ণৰ কামে।।
দুই শাৰী তাত ৰুইলা পাৰিজাত
গন্ধে মোহে সৰ্ব্বক্ষণে।
প্ৰতি গাছে গাছে ভিণ্ডা বান্ধি আছে
অমূল্য নানা ৰতনে।।
চন্দ্ৰতাপচয় আতি প্ৰকাশয়
মুকতা মুৰাৰি থোপা।
অনেক যুৱতী কৰে লীলা গতি
বান্ধিয়া উচ্চল খোপা।।
দিব্য অলঙ্কাৰে দেহা জ্যোতি কৰে
অগ্নি শিখা যেন জ্বলে।
হাস পৰিহাস দেখিলয় লাস
মুনিৰ মনক টলে।।

কুদ্ৰাক্ষৰ জালে বজাৱে বোম্বালে
অগৰু ধূপৰ ধূম।
দেখি কুৱাঁকুঁয়ি তাতে আঁৰ হই
ভ্ৰমে নাৰী ঝুমাঝুম।।
ৰঙ্গে গাৱে গীত আতি সুললিত
ধৰা ধৰি কৰি হাতে।
নূপুৰৰ ধ্বনি ৰুণু ঝুনু শুনি
যেন মদনক মাতে।।
লৰন্তে ফুৰন্তে কেশ মধ্য হন্তে
ফুল খসি খসি পৰে।
তাহাৰ সুবাসে সুগন্ধ বতাসে
পথকো আমোদ কৰে।।
দেৱৰ কুমাৰ গণ নিৰন্তৰ
অলঙ্কাৰে মণ্ডিকায়।
মদনে উন্মাদ আনন্দে আহ্লাদ
ৰুদ্ৰক বিলাস বায়।।
দশ কোটি মান প্ৰকাশে বিমান
শাৰী শাৰী একলাঞ্জি।
অনেক যতনে সুবৰ্ণ ৰতনে
বিশ্বকৰ্ম্মে আছে সাজি।।
তাতে দিব্য ঘৰ দীঘি সৰোবৰ
পৰি পক্ষী কৰে উন্মাদ।।
যত স্বৰ্গবাসী তাতে ৰঙ্গে আসি
ভুঞ্জন্ত স্বৰ্গৰ ভোগ।
দেৱকন্যা গণে সেৱে সৰ্ব্বক্ষণে
কৰন্ত ৰতি সম্ভোগ।
বিমানত বসি অনেক ৰূপসী
গাৱে সুললিত গীত।।
কতো বীণা বাঁশী বাৱে ৰঙ্গে হাসি
পুৰুষৰ ৰঞ্জি চিত্ত।।

শুনি ঠাৱে ঠাৱে দুন্দুভি বজাৱে
তবল মাদল ঢোল।
কাহাৰি মহাৰি কৰতাল ভেৰি
গোমুখ শংখৰ ৰোল।।
কৰি মহাৰঙ্গ বিচিত্ৰ মৃদঙ্গ
বিদ্যাধৰে ধৰি বাৱে।
নাচে অপেচৰী হাতে তাল ধৰি
গন্ধৰ্ব্বে গীত যোগাৱে।।
উৰুলি আৱাৱ শুনি মহোৎসৱ
জাত জাত প্ৰতি ঘৰে।
কাৰো নাহি মন্দ সদায়ে আনন্দ
ইন্দ্ৰৰ সিটো নগৰে।।
যত পাপী নৰ পৰ নাৰী হৰে
প্ৰাণীৰ হিংসাত ৰতি।
চটুৰা টেটন দুষ্ট শঠজন
নপাই সিটো অম্ৰাৱতী।।

ইন্দ্ৰপুৰী বৰ্ণনা প্ৰসঙ্গত গুৰুজনাই মূলৰ হেৰফেৰ কৰি কিছু দীঘলীযা বৰ্ণনা দিছে। ইয়াৰ পিছতে দৈত্যসকলৰ স্বৰ্গাৱৰোধ, ইন্দ্ৰাদি দেৱগণৰ পলাযন প্ৰসঙ্গতো মূলৰ এৰাধৰা নীতিৰে গুৰুজনাই কেনে প্ৰকাৰে বৰ্ণনা কৰিছে, তাৰ উদ্ধৃতি দিয়া হল। ভাগৱতৰ নটা শ্লোকৰ অসমীয়া ৰূপ এনেধৰণৰ—

(৮/১৫/২৩-৩১)।

(১) বিপুল সেনাধ্যক্ষ বলৱান্ বলিয়ে সেই ইন্দ্ৰপুৰী সেনাৰ দ্বাৰা চতুৰ্দ্দিশে অৱৰোধ কৰিলে। ইন্দ্ৰৰ স্ত্ৰীসকলৰ ভয় উৎপাদনৰ কাৰণে শুক্ৰাচাৰ্য্য প্ৰদত্ত মহাশব্দযুক্ত শঙ্খধ্বনি কৰিলে।

(২) বলিৰ সেই পৰম উদ্যম জানিব পাৰি ইন্দ্ৰই দেৱগণ সমন্বিতে দেৱগুৰু বৃহস্পতিৰ ওচৰলৈ গৈ এইদৰে কবলৈ ধৰিলে।

(৩) হে গুৰু। আমাৰ পূৰ্ব্বশত্ৰু বলিৰ অসাধাৰণ উদ্যম দেখিছোঁ আমাৰ ধাৰণা হৈছে বলিৰ এই উদ্যম আমি প্ৰতিহিত কৰিব নোৱাৰিম। বলিয়ে কাৰ শক্তিত ইমান শক্তিমান হৈছে?

(৪) কোনো লোকেই কোনো প্ৰকাৰে তেওঁৰ গতিৰোধ কৰিব নোৱাৰে।

কাৰণ সেই বলিয়ে মুখেৰে যেন এই বিশ্ব ব্ৰহ্মাণ্ডখন পান কৰিব খুজিছে, জিহবাৰ দ্বাৰা যেন দশ দিক্ লেহন কৰিব খুজিছে আৰু দৃষ্টিৰ দ্বাৰা যেন দশদিক্ দগ্ধ কৰিবলৈ উদ্যত হৈ প্ৰলয় অগ্নিৰ দৰে হৈ পৰিছে।

(৫) আমাৰ পৰম শত্ৰু এনে প্ৰকাৰ শক্তিমান হোৱাৰ কাৰণ কি? তেওঁৰ এনে সামৰ্থ্য, সাহস, বল আৰু তেজ কেনেকৈ হ'ল। যাৰ শক্তিত এনেকুৱা মহৎ উদ্যম প্ৰকাশ পাইছে?

(৬) বৃহস্পতিয়ে কলে ঃ হে ইন্দ্ৰ। তোমাৰ শত্ৰুৰ এই উন্নতিৰ কাৰণ আমি জানিছোঁ। ব্ৰহ্মজ্ঞ শুক্ৰাচাৰ্য্যাদি ব্ৰাহ্মণ সকলে শিষ্য ভক্তসকলক শক্তি প্ৰদান কৰিছে।

(৭) হে দেবেন্দ্ৰ। একমাত্ৰ বিষ্ণু ভিন্ন বলশালী এই বলিক জয় কৰিবলৈ তুমি বা তোমাৰ দৰে কোনো ব্যক্তিয়েই সমৰ্থ নহব। ব্ৰহ্মতেজৰ দ্বাৰা বিশেষ ভাৱে বৰ্দ্ধিত এই বলিক কোনেও পৰাজয় কৰিব নোৱাৰে। যম বুজাৰ ওচৰত যেনেকৈ কোনেও থিৰ হব নোৱাৰে, সেইদৰে তেওঁৰ সমুখতো কোনেও অৱস্থান কৰিব নোৱাৰে।

(৮) সেইকাৰণে যি পৰ্য্যন্ত এই বলবান শত্ৰুৰ পৰাভৱ নহয়, সেই পৰ্য্যন্ত প্ৰতীক্ষা কৰি তোমালোকে অমৰাৱতী পৰিত্যাগ কৰি অদৃশ্য ভাৱে থাকা।

(৯) সম্প্ৰতি বলি ৰজা ব্ৰহ্ম তেজৰদ্বাৰা বৰ্দ্ধিত হৈ প্ৰবল পৰাক্ৰমী হৈ উঠিছে। পুনৰ সেই বিপ্ৰসকলক অৱমাননা কৰি সবংশে বিনষ্ট হব।

গুৰুজনাৰ অনুবাদ আৰু সৃষ্টিমূলক বৰ্ণনা এনেধৰণৰ -

হেন মনোহৰ ইন্দ্ৰৰ নগৰ
প্ৰকাশন্তে আছে আতি।
পাছে দৈত্যঝাক মনে মনে তাক
চৌপাশে বেঢ়িলা ৰাতি।।
পাছে দৈত্যৰায় সেনাক জপ্টাই
কুম্ভিলা শঙ্খক বলি।
সেনা দিলা কলি দৈত্যে পাইলে বুলি
ভয়ে গৰ্ব্ভ গৈলা গলি।।
প্ৰচণ্ড দানবে বাজন বজাৱে
ধৰ মাৰ বিন্ধ পাৰি।

হয়া মহা ত্ৰাস পাৰন্ত আটাস
দেৱতাৰ যত নাৰী।।
কৰে বিস্তাৰৰা ঝাণ্টে লাগ লোৰা
প্ৰচণ্ড দানৱে পাইলে।
বান্ধে খোজা বিবা কটকৰ গিৰা
শুনি শ্ৰুতি মুণ্ড খাইলে।।

শুকমুনি বদন্তি শুনিয়ো পৰীক্ষিত
উঠিল অদ্ভুত ৰোল ইন্দ্ৰৰ পুৰীত।।
বাসৱৰ ভাৰ্য্যা যত শচী আদি কৰি।
দানৱৰ ভয়ত কম্পয় তৰতৰি।।
শংখ ধ্বনি শুনিয়া কাম্পয় দেৱৰাজ।
আচম্বিত পাইলা বলি মিলিল অকাজ।।
আথেবেথে মেঢ়ত চড়িয়া হৰিহয়।
বলিৰ প্ৰভাব দেখি কম্পিল হৃদয়।।
প্ৰলয়ৰ বহ্নি যেন চাহন নযাই।
দশদিগ পাল সবে ভৈলা এক ঠাই।।
নপান্ত উপায় একো প্ৰবেশিল ভয়।
গুৰুৰ গৃহক লাগি গৈলা দেৱচয়।।
আতি শীঘ্ৰে পাইলা বৃহস্পতিৰ নিকট।
প্ৰণামি বোলন্ত বৰ মিলিল সঙ্কট।।
আচম্বিতে বলি বেঢ়িলেক অমৰাৱতী।
কহিয়োক গুৰু আবে হইবে কোন গতি।।
দেখো বৰ প্ৰভাব বলিৰ বিপৰীত।
আছোক যুজিবো যাইবে নপাৰো সন্নিত।।
বাড়ব বহ্নিক যেন দেখি লাগে ত্ৰাস।
ভয়ঙ্কৰ তেজ যেন গ্ৰাসে দিশপাশ।।
আক নিবাৰিবে হেন আছে কোন বীৰ।
কাম্পয় শৰীৰ তেজ দেখিয়া বলিৰ।।
কিসক বাঢ়িল এতমান তেজ বল।

কহিয়ো কাৰণ মোৰ হৃদয় বিকল।।
গুৰুৰ প্ৰণামি খেদ কৰন্ত বাসৱে।
বলি সাগৰত তল যাওঁ সবান্ধৱে।।
আবে বুদ্ধি নাৱে মোক কৰিয়ো উদ্ধাৰ।
তুমি বিনে গতি আৰু নাহিকে আমাৰ।।
হেন শুনি গুণি মাতিলন্ত বৃহস্পতি।
শুনিয়োক ইন্দ্ৰ কাৰ্য্য ভৈল বিসঙ্গতি
শুক্ৰে কৰাইলন্ত মহাযজ্ঞ বিশ্বজিত।
সিকাৰণে আৰ তেজ ভৈল বিপৰীত।।
আছোক যুজিবে কোন আগে হৈবে থিৰ।
যেন যম দেখন্তাজনৰ হৰৈ জীৱ।।
আজি আক আনে নাটে মাধৱত পৰে।
হেন জানি স্বৰ্গ ছাড়ি পলায়ো সত্বৰে।।
বৰ্ণ লোপ কৰি দুখ খপা পৃথিবীত।
কালক অপেক্ষা কৰি থাকা ধৈৰ্য্য চিত্ত।।
যৈসানি সুদিন হোৱে পাইবা অম্ৰাৱতী।
বিষ্ণুৰ প্ৰভাৱে বলি যাইবে অধোগতি।।
গুৰুৰ মন্ত্ৰণা শুনি ত্ৰিদশৰ ৰাই।
উঠিলন্ত সমাজ ভাঙ্গিয়া গিৰিসাই।।
থাকিয়োক গুৰু বুলি নমস্কাৰ কৰি।
পলাইবাক লাগিল শচীক ধৰি।।

শুক্ৰাচাৰ্য্যৰ পৰামৰ্শানুসাৰে ইন্দ্ৰাদি দেৱতাসকলে আত্মগোপন কৰি আঁতৰি থাকিল। সেই প্ৰসঙ্গতে অধ্যায়টিৰ বত্ৰিশ সংখ্যাৰ শ্লোকটিত কৈছে "এৱং সুমন্ত্ৰিতাৰ্থোতে গুৰু নাৰ্থানুদৰ্শিনা। হিত্বা ত্ৰিপিষ্টপং জগ্মুৰ্গীৰ্ব্বাণাঃ কামৰূপিণঃ"। অৰ্থাৎ তত্ত্বজ্ঞ বৃহস্পতিয়ে এইদৰে কোৱাত ইন্দ্ৰাদি দেৱতাগণে স্বৰ্গধাম ত্যাগ কৰিলে আৰু ইচ্ছাময় ৰূপ ধাৰণ কৰি অন্য স্থানলৈ গমন কৰিলে। ইয়াত "কামৰূপিণঃ" শব্দ এটি পোৱা গৈছে। ইন্দ্ৰাদি দেৱগণ স্বৰ্গৰ পৰা পলায়ন কৰি যাওঁতে মূলত 'কামৰূপিণঃ' বুলি কৈছে অৰ্থাৎ স্বেচ্ছাচাৰী ৰূপ ধাৰণ কৰিলে বুলি তাৰ অৰ্থ কৰা হৈছে। সেই শব্দটিৰ আধাৰতে গুৰুজনে অলপ দীঘলীয়াকৈ তাৰ বিবৰণ দাঙি ধৰিছে এনেধৰণে সৃষ্টিমূলক ভাৱে —

দিব্য বস্ত্ৰ এৰিয়া পিন্ধিলা ফটা কানি।
গাত্ৰে মুখে ঘষিলন্ত ভস্ম ধূলা আনি।।
সহস্ৰ নেত্ৰক ঢাকিলন্ত কন্থা উৰি।
মহাভয়ে পলাইলা সভাৰ্য্যে ভেশ যুৰি।।
দানৱত ভয়ে আন দেৱতা নিশেষ।
বস্ত্ৰ অলঙ্কাৰ এৰি ভৈলন্ত কুবেশ।।
মেঢ়াইলন্ত কানি কন্থা যেন ভিক্ষাহাৰী।
পলাইলা স্বৰ্গক ছাড়ি লৈয়া নিজ নাৰী।।
ঘৰত থাকিল পৰি সকল সৰ্ব্বস্ব।
সুধা হাতে প্ৰাণ ৰাখি পলাইলা ত্ৰিদশ।।
শ্ৰীহানি ইন্দ্ৰৰ মলিন ভৈলা মুখ।
ত্ৰৈলোক্যৰ লক্ষ্মী ভৈলা বলিৰ সমুখ।।

এয়াও গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা। মূলৰ (৮/১৫/৩০) 'নিলয়ম্' এই শব্দটিৰ ওপৰত গুৰুজনাৰ ব্যাখ্যা "বৰ্ণ লোপ কৰি দুখ"। শ্ৰীধৰ স্বামীয়ে "নিলয়ং" শব্দটিৰ অৰ্থ কৰিছে 'অদৰ্শনং'। গুৰুজনাৰ 'বৰ্ণ লোপ' অৰ্থটি (পদ নং ৬৮) একাৰ্থক হৈছে। মূলৰ (৮/১৫/৩৩-৩৬) চাৰিটি শ্লোকৰ অসমীয়া ৰূপ আৰু গুৰুজনাৰ সৃষ্টি মূলক বৰ্ণনা তলত দাঙি ধৰা হ'ল -

(১) ইয়াৰ পিছত দেৱতাসকল অদৃশ্য হৈ যোৱাত বলিয়ে স্বৰ্গ আক্ৰমণ কৰি তাত অৱস্থান কৰি ত্ৰিভুবন বশীভূত কৰিলে।

(২-৩) শিষ বৎসল ভৃগুবংশীয় শুক্ৰাদি বিপ্ৰসকলে বিশ্বজয়ী অনুগত বলিৰ দ্বাৰা শত অশ্বমেধ যজ্ঞ কৰালে। তাৰ পিছত বলিয়ে সেই যজ্ঞৰ প্ৰভাৱত ত্ৰিভুবনত খ্যাতি বিস্তাৰ কৰি চন্দ্ৰৰ দৰে শোভাযুক্ত হৈ উঠিল।

(৪) ইয়াৰ পিছত উদাৰচিত্ত বলি নিজকে কৃতাৰ্থ বুলি অনুভৱ কৰি বিপ্ৰৰ দ্বাৰা প্ৰদত্ত সুসমৃদ্ধ ৰাজ সম্পদ ভোগ কৰিবলৈ ধৰিলে।

সৃষ্টিমূলক অনুবাদ -

ত্ৰিদশৰ নপাই সাৰি পাছে দৈত্যপতি।
দুৱাৰ ভাঙ্গিয়া প্ৰবেশিলা অম্ৰাৱতী।।
দেখন্ত পলাইল ইন্দ্ৰ তেজি নিজ স্থান।
সাৰ্থক বুলিলা শুক্ৰ গুৰু সৰ্ব্বজান।।
অনায়ুদ্ধে ভঙ্গ দিলা ত্ৰিদশৰ ৰায়।

কৌতুকে ফুৰন্ত বলি অম্রাৱতী চায়।।
তুলি ছত্ৰ দণ্ড বাৱে জয় বাদ্য ভণ্ড।
সেনাৰ ভিৰত দলদোপ স্বৰ্গ খণ্ড।।
নগৰত ডেঙ্গৰাই ফুৰাইলা মহাশয়।
ভৈল মোৰ ৰাজ্য সবে হুয়োক নিৰ্ভয়।।
এহি বুলি প্ৰবেশিলা বাসৱৰ পাটে।
বসিলন্ত বলি গৈয়া সিংহাসন খাটে।।
শুক্ৰে আসি কৰিলন্ত ৰাজ্য অভিষেক।
শ্বেত ছত্ৰ তুলি বাদ্য বজাইলা অনেক।।
ভৈল নৱ ইন্দ্ৰ এহি বুলি শুক্ৰ ঋষি।
দিলা দুৰ্ব্বাক্ষত শিৰে পৰম হৰিষি।।
প্ৰধান গন্ধৰ্ব্ব সৱে যোগাৱে সুগীত।
বাছি বাছি কাচি অপেচৰা কৰৈ নৃত্য।।
বৰা বৰা বিদ্যাধৰে বজাৱে মৃদঙ্গ।
মিলিল উৎসৱ বলি ভৈলা মহাৰঙ্গ।।
জানু শিৰে গুৰুক কৰিলা নমস্কাৰ।
দিলা দিব্য ৰত্ন তাঙ্ক ভাণ্ডাৰে ভাণ্ডাৰ।।
অনেক আসন লক্ষ কোটি দাস দাসী।
মহা মন তুষ্টে শুক্ৰে ঘেনিলন্ত আসি।।
দেৱক কৰিলা বলি স্বৰ্গৰ নিকাল।
মুখ্য মুখ্য দৈত্যক কৰিলা দিগপাল।।
আপুনি ভৈলন্ত ইন্দ্ৰ সেহি দণ্ডপাটে।
চাৰণ কিন্নৰগণ ভৃত্য যেন খাটে।।
ত্ৰৈলোক্যৰ কৰভাৰ পান্ত যত মান।
সৰ্ব্বক্ষণে দীন দৰিদ্ৰক কৰৈ দান।।
নাহিকে সঞ্চয় কিছু দান পুণ্য বিনে।
পিতৃ যেন পুত্ৰক পালয় ৰাত্ৰি দিনে।।
পুণ্যৰ প্ৰভাৱে তেজ বাঢ়ি যাই আতি।
জগত ব্যাপিল বলি ৰাজাৰ খিয়াতি।।
দেৱ দ্বিজ গুৰুত ভকতি ভতপৰ।

নিৰ্ম্মল শৰীৰ যেন জ্বলে শশধৰ।।
স্বৰ্গসুখ ভুঞ্জি মনোৰথক সাকলি।
আতি কৃতকৃত্য হুয়া থাকিলন্ত বলি।।

অষ্টমৰ ষোল্ল অধ্যায়ৰ প্ৰথম শ্লোকটিৰ "নষ্টেষু পুত্ৰেষু" এই দুটি শব্দৰ আধাৰত গুৰুজনে সৃষ্টিমূলক এটি সুন্দৰ বৰ্ণনা দিছে। শ্ৰীধৰ স্বামীয়ে ইয়াক "নষ্টেষু অদৃষ্টেষুসৎসু" বুলিছে। আন হাতে 'নষ্টেষু' মানে "অদৰ্শনং গতেষু" বুলিও ব্যাখ্যা পোৱা যায়। সেই প্ৰসঙ্গটি অৰ্থাৎ দুটি শব্দত ইমানবোৰ বৰ্ণনা যে প্ৰকাশ পাব পাৰে, সেই কথা ভাবি আচৰিত হ'বলগীয়া হয়। তলত গুৰুজনাৰ পদসমূহৰ উদ্ধৃতি দিয়া হল।

এহিমানে থওঁ মহা দৈত্যেন্দ্ৰৰ কথা।
শুনা যেন মত ভৈল দেৱৰ অৱস্থা।।
দানৱৰ ভয়ে ভৈল পৰম শঙ্কিত।
বিকৃত কুবেশ ৰূপে ভ্ৰমন্ত ভূমিত।।
কৰিলো দৈত্যৰ আমি অনেক বিলাই।
বলি পাইলে ইবাৰ আমাৰ ৰক্ষা নাই।।
দৈত্যৰ চড়িয়া ফুৰিবেক সামৰাজে।
আলোচি পশিলা গৈয়া বিজুবন মাজে।।
কন্টকে সঙ্কটে আতি বেত বাৰুময়।
হেন অৰণ্যত থাকি নখণ্ডয় ভয়।।
ঐত জানো পাই আসি দানৱ অশিষ্টি।
একো থানে নুলুকাই দেৱতাৰ পিঠি।।
আচম্বিতে যদিবা দেখয় মুঢ়া গাছ।
দৈত্য বুলি পলান্ত নচান্ত আগ পাছ।।
পক্ষী যেবে উৰয় তথাপি শ্ৰুতি হৰে।
সপোনতো সুখ নাই দৈত্যে খেদি ধৰে।।
নমাতন্ত ডৰে কথা কহে ঠাৰে ঠাৰে।
ৰাত্ৰি ভৈলে বঝাই ফুৰন্ত যেন চোৰে।।
হন্ত ব্ৰহ্মচাৰী কতো সন্যাসী তপস্বী।
ভিক্ষা মাগি ফুৰন্ত নগৰ গ্ৰামে পশি।।
তৈতো সুখ নেদেখন্ত নথাকন্ত থিৰে।

কোন তুমি বোলন্তে লৰৰ দেই ভিৰে।।
চোৰ চোৰ বুলি নগৰীয়া পাৰে গেৰি।
পলান্ত ত্ৰাসত ঝুলি বোকাণ্ডিক এৰি।।
যেন হৰিণৰ পলাইবাৰ ঠাই নাই।
খাৰতো নখাই আৰ দেৱৰ বিলাই।।
মাসেকতো কাৰো অন্নয়েৰে নাহি ভেট।
শুখাই গৈল শৰীৰ আন্টত লাগে পেট।।
ঝঙ্কাৰন্ত মাথা কথমপি আছে প্ৰাণ।
দিন গোট যাই এক যুগৰ সমান।।
ধুলি ধুসৰিত তনু প্ৰেতৰ আকাৰ।
কুহন নযাই আৰ দেৱৰ নিকাৰ।।

আমি উল্লেখ কৰা পদখিনি দুটি শব্দৰ আধাৰতে সৃষ্টিমূলক বিবৰণ প্ৰকাশ পাইছে। তদুপৰি "পৰ্য্যতপ্যৎ" অৰ্থাৎ 'বিললাপ' এই সূত্ৰটিৰ আধাৰতো গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা পোৱা যায়। সম্পূৰ্ণ শ্লোকটিৰ উদ্ধৃতি দিয়া হল-

এৱং নষ্টেষু পুত্ৰেষু দেৱমাতা দিতিস্তদা।
হৃতে ত্ৰিপিষ্টপে দৈত্যোঃ পৰ্য্যতপ্যদনাথবৎ।। (ভা ৮/১৬/১)

অৰ্থাৎ- এনে প্ৰকাৰে নিজৰ পুত্ৰ সকলে আত্মগোপন কৰাৰ পিছত আৰু দৈত্যসকলে স্বৰ্গ অধিকাৰ কৰাৰ পিছত দেৱমাতা অদিতিয়ে বিলাপ কৰিবলৈ ধৰিলে।

দেৱমাতা অদিতিয়েনো পুত্ৰ অদৰ্শনত কি বিলাপ কৰিলে সেই বিষয়ে তলত তাৰ দীঘলীয়া বৰ্ণনা তুলি দিয়া হল। ইয়াৰ আগতে "নষ্টেষু পুত্ৰেষু" এই দুটি শব্দৰ আধাৰত গুৰুজনাৰ দীঘলীয়া বৰ্ণনা দাঙি ধৰা হৈছে। দেৱতাৰ কৰুণ বৰ্ণনা মৰ্ম্মস্পশী আৰু দেৱতাৰ প্ৰতি কৰা অদিতিৰ বিলাপ আদিৰ বৰ্ণনাও গুৰুজনাৰ হস্ত পৰশত জীৱন্ত হৈ উঠিছে। যেনে -

দেৱৰ অৱস্থা পাছে শুনিলা অদিতি।
ত্ৰিদশ দেৱৰ মাৱ স্থিৰ নাহি মতি।।
পুত্ৰ শোকে ঝমক দেখন্ত দেৱ মাৱ।
কৰন্ত ক্ৰন্দন দেৱী আতি দীৰ্ঘ ৰাৱ।।
হা পুত্ৰগণ ভৈল হেনসে অৱস্থা।
প্ৰাণ ফুটে তোমাসাৰ শুনি দুখ কথা।।

উপজিলা সবে এহি নিকাৰক লাগি।
কতনো ফুৰিবা পৃথিবীত ভিক্ষা মাগি।।
পাপিষ্ঠীৰ কিনো মোৰ অভাগ্য কপাল।
ত্ৰিদশ দেৱৰ আৰ নেদেখিলো ভাল।।
দশদিগ পাল একেলগে নষ্ট গৈল।
আবে দিতি সতিনীৰ মন ৰঙ্গ ভৈল।।
হৰি হৰি ইন্দ্ৰ হাবিয়াসৰ পুতাই।
কোন বিধি তোৰ হেন কৰিল বিলাই।।
তোৰ নিদ্ৰা নাসে তুলি সুবৰ্ণ খাটত্।
কেনে শুতি থাকা আবে কেৱলে মাটিত।।
অসংখ্যাত অপেচৰীগণে ধৰে আল।
তোক বেড়ি সেৱা কৰে দশ দিগপাল।।
অম্রাৱতী ৰঞ্জি বসি থাকা সিংহাসনে।
আৱে লগ ভৈল অৰণ্যৰ পশুগণে।।
যাহাৰ মুখত আতি অমৃত নুৰুচে।
আবে ফলমূলে কেনমতে ক্ষুধা গুচে।।
ভিক্ষা মাগি ফুৰা আবে তপস্বীৰ বেশে।
দানৱৰ ভয়ত ফুৰাহা দেশে দেশে।।
তোমাৰ ডৰত দৈত্য তৰতে কাম্পয়।
প্ৰমত্ত সিংহক যেন শৃগালে ঝাম্পয়।।
স্বৰ্গসুখ বঞ্চিল খণ্ডিল দণ্ড পাট।
কতনো লিখিলা বিধি তোহোৰ ললাট।।
কিনো আতি নিকাৰ ভুঞ্জন্ত শচী আই।
জানিলো দুখতে তোৰ দণ্ডে যুগ যাই।।
সৰ্ব্ব সৌভাগিনী বাসৱৰ পটেশ্বৰী।
পুতাইৰ লগতে তয়ো ভৈলি দেশান্তৰী।।
যাৰ নেত তুলিত ফুৰন্তে দুখাই ভৰি।
আবে ঘোৰ বনত ফুৰস কেন কৰি।।
হা বিধি তোক বঞ্চিলেক স্বৰ্গ সুখে।
প্ৰাণ ফুটে আতি মোৰ তোহাৰেসে দুখে।।

হা পুত্ৰগণ মোৰ বংশৰ উদ্ধাৰ।
বিপদ নদীত পৰি নপাইলাহা পাৰ।।
তোমাৰ এতেক দুখ দেখি কেনে জীওঁ।
হেন মনে কৰে কালকূট বিষ পিওঁ।।
এহি বুলি অদিতি কৰন্ত হৃদি খেদ।
ৰাত্ৰি দিনে নেত্ৰৰ লোতক নাহি ছেদ।।
অন্ন পান নুকৰে নুগুচে হাত কোত।
সুমুৰন্তে দেৱক কান্দন্ত জোত জোত।।

অদিতিৰ বিলাপৰ দীৰ্ঘ বৰ্ণনাৰ পিছত স্বামী কাশ্যপ মুনিৰ গৃহাগমন আৰু পত্নীৰ অভ্যৰ্থনা আদি বিষয়তো গুৰুজনাৰ কাপৰ পৰা সৃষ্টিমূলক বৰ্ণনা প্ৰকাশ পাইছে। মূল শ্লোকৰ (৮/১৬/৩) 'সভাজিতঃ' শব্দটিৰ অৰ্থ হল 'অভ্যৰ্থিতঃ'। সেই শব্দটিৰ অসমীয়া ভাষাৰ অৰ্থ হল অভ্যৰ্থনা অৰ্থাৎ এগৰাকী বিশেষ ব্যক্তিৰ আগমনত তেওঁৰ মন সন্তুষ্টিৰ কাৰণে সকলো পক্ষৰ পৰা তেওঁৰ আপ্যায়নৰ কাৰণে কৰা আসন প্ৰদান, সেৱা সৎকাৰ, সুমধুৰ বাক্য, ভোজন ব্যবস্থা, প্ৰিয় আলাপ, বিদায় সম্ভাষণ আদি কৰ্ম্মসমূহ সম্পাদানৰ অৰ্থ সূচনা কৰে। সেয়ে ৮/১৬/২-১০ সংখ্যক শ্লোকৰ ভিতৰত অৰ্থাৎ নটি শ্লোকৰ ভিতৰৰ কিছু কথা বাদ দি নতুন বিষয় সংযোজনেৰে কশ্যপ অদিতিৰ সাক্ষাৎকাৰ বিষয়টি প্ৰকাশ কৰা হৈছে। সেই নটি শ্লোকৰ অৰ্থ নিম্ন স্থানত তুলি দিয়া হল।

(১) এদিনাখন কশ্যপমুনি সমাধিৰ পৰা উঠি অদিতিৰ আশ্ৰমত উপস্থিত হলহি। সেই সময়ত আশ্ৰমখন বহুদিন ব্যাপি উৎসৱশূন্য হৈ থকাত নিৰানন্দ হৈ আছিল।

(২) সেই আশ্ৰমত কশ্যপমুনি উপস্থিত হোৱাত পত্নী অদিতিৰ দ্বাৰা অভ্যাৰ্থিত হৈ আসন গ্ৰহণ কৰি অদিতিৰ ম্লানমুখ দেখি ন্যায়ানুগত ভাবে কবলৈ ধৰিলে।

(৩) প্ৰিয়ে! সম্প্ৰতি ইয়াত বিপ্ৰসকলৰ কোনো অমঙ্গল হোৱা নাইতো? ধৰ্ম্মৰ অথবা মৃত্যু বশীভূত মানৱ সমাজৰ অমঙ্গল হোৱা নাইতো?

(৪) যি গৃহত অযোগী সকলেও স্বধৰ্ম্মাদিৰ দ্বাৰা যোগফল লাভ হয়, এনেকুৱা গৃহত ত্ৰিবৰ্গৰ কোনো অমঙ্গল হোৱা নাইতো?

(৫) অথবা কোনোবা এদিন মনোযোগে তুমি মিত্ৰ সেৱাত ব্যস্ত আছিলা, এনেকুৱা সময়ত অতিথিসকল গৃহাগত হৈয়ো অভ্যৰ্থিত নহৈ প্ৰত্যাবৰ্ত্তন কৰিছিল

নেকি?

(৬) অন্ততঃ জলবহাবাও অভ্যৰ্থিত নহৈ বিফল অতিথি গৃহৰ পৰা প্ৰত্যাবৰ্ত্তিত হয়, সেই গৃহ শিয়ালৰ গুহাৰ সমতুল্য।

(৭) আমি কোনো সময়ত প্ৰবাসলৈ যাওঁতে তুমি উৎকণ্ঠিত হৈ ত্ৰিসন্ধ্যাত ঘৃতাহুতি নকৰিলো নেকি?

(৮) যি অগ্নিৰ পূজাৰ দ্বাৰা গৃহস্থ ব্যক্তি অভিলাষিত লোকপ্ৰাপ্ত হয়, সেই অগ্নি আৰু বিপ্ৰ উভয়েই সৰ্ব্বদেৱাত্মা বিষ্ণুৰ প্ৰধান মুখতুল্য।

(৯) তোমাৰ পুত্ৰসকল কুশলে আছেনে? তোমাৰ মুখ ম্লানাদি চিহ্ন দ্বাৰা তোমাক অপ্ৰকৃতিস্থ বুলি আমাৰ ধাৰণা হৈছে।

পূৰ্ব্বোক্ত নটি শ্লোকৰ এৰাধৰা কৰি গুৰুজনে কেনেকৈ তাৰ ছাঁয়া অংশলৈ সৃষ্টিমূলক বৰ্ণনা দিছে, তাৰ উদ্ধৃতি নিম্ন স্থানত তুলি দিয়া হল। যেনে

আছিলা কাশ্যপ ঋষি মাধৱক ধ্যানে।
গঙ্গাৰ জলত পশি নিৰঞ্জন থানে।।
সহস্ৰ বৎসৰে তান ভাগিল সমাধি।
স্বৰ্গক গৈলন্ত পাছে বিষ্ণুক আৰাধি।।
অদিতিৰ আবাস পশিলা দ্বাৰ ছাড়ি।
দেখি দেৱমাতা উঠি গৈলা আগবাঢ়ি।।
স্বামীক প্ৰণাম কৰি অনেক সাদৰে।
পৰম গৌৰৱে আনি প্ৰবেশাইলা ঘৰে।।
ভৃঙ্গাৰৰ জলে পখালিবা দুয়ো ভৰি।
ৰত্নৰ আসন যোগাইলেক শীঘ্ৰ কৰি।।
পঞ্চামৃত ভুঞ্জাইলা শুশ্ৰূষা কৰি আতি।
দুখমনে একপাশে থাকিলা নমাতি।।
কাশ্যপে দেখন্ত অদিতিৰ মুখ ম্লান।
সজল নয়ন শোকে মৃতক সমান।।
নাহিকে আনন্দ কিছু উৎসৱ মনত।
দেখিয়া ঋষিৰ মনে বিস্ময় ভৈলন্ত।।
অদিতিক সম্মুখি মাতন্ত ঋষিৰাজ।
সত্বৰে কহিয়ো বাছে কি ভৈল অকাজ।।
সলোতক নয়ন বিবৰ্ণ দেখো মুখ।

কি কাৰণে তোমাৰ মিলিল হেন দুখ।।
কিবা ব্ৰাহ্মণক তুমি দিলা অপমান।
কিবা পথিকক তুমি নেদিলাহা দান।।
কিবা অতিথিক পাই কৰিলা বিমুখ।
জানো সি কাৰণে আসি মিলিলা আসুখ।।
অগ্নিক শুশ্ৰূষা নকৰিলা সময়ত।
কিবা ভঙ্গ ভৈল তযু সঙ্কল্প ব্ৰতত।।
নিৰুৎসাহ ভৈল কিবা মোহোৰ বিৰহে।
সত্বৰে কহিয়ো বান্ধে হৃদয় নসহে।।
কল্যাণে কি আছন্ত তোমাৰ পুত্ৰচয়।
আৰি কিবা নকৰন্ত দানৱক ভয়।।
সুখে কি আছন্ত ইদ্ৰ তোমাৰ নন্দন।
হেন শুনি দেৱমাতা জুৰিলা ক্ৰন্দন।।
দেৱতাগণক স্মৰি কৰিলা বিলাপ।
কতো বেলি সন্ধুকিয়া তেজিলা সন্তাপ।।

কাশ্যপৰ এই উক্তিৰ পিছত অদিতিয়ে মনৰ দুখ নিবেদন কৰিছে সাতটি শ্লোকত। সেই শ্লোকৰ লগতো গুৰুজনাই সামান্য সম্পৰ্ক ৰক্ষা কৰি নিজস্ব ধাৰণাৰে এৰাধৰাকৈ বৰ্ণনা কৰিছে। তলত শ্লোকৰ অসমীয়া ৰূপৰ উদ্ধৃতি দিয়া হ'ল (৮/১৬/১১-১৭)।

(১) হে স্বামী! বিপ্ৰ, গো, ধৰ্ম্ম আৰু লোকসমূহৰ সৰ্ব্বপ্ৰকাৰ মঙ্গল। ইয়াত ত্ৰিবৰ্গৰ যথাযথ অনুষ্ঠিত হৈছে।

(২) আমি যে আপোনাৰ ধ্যান কৰোঁ, তাৰ প্ৰভাৱতে অগ্নি, অতিথি, ভৃত্য আৰু ভিক্ষুক আদি সকলোৱেই সৎকাৰ লাভ কৰি সন্তুষ্ট আছে, কোনো ধৰ্ম্মৰ হানি হোৱা নাই।

(৩) আপুনি আমাৰ যেতিয়া প্ৰজাপতি আৰু ধৰ্ম্মোপদেষ্টা, তেতিয়া আমাৰ মানসিক কোনো কামনাই অসম্পূৰ্ণ নহয়।

(৪) তিনি গুণাৱলম্বি সকলো প্ৰজাই আপোনাৰ দেহ আৰু মনৰ পৰাই উৎপন্ন হৈছে। সেই সকল প্ৰজাৰ (সুৰাসুৰাদি) প্ৰতি আপুনি তুল্যৰূপ স্নেহবান হলেও ভগৱানে যেনেকৈ নিজ ভক্তক ভাল পাই থাকে, সেইদৰে আপুনিও নিজ সন্তান ভক্ত ইন্দ্ৰাদি দেৱগণক ৰক্ষা কৰক।

(৫) আমি আপোনাৰ শৰণাগতা। আমাৰ যাতে মঙ্গল হয়, তাকে চিন্তা কৰক - ইয়াকে প্ৰাৰ্থনা কৰোঁ। যিহেতু দানৱে আমাৰ পুত্ৰ সকলৰ সম্পদ সমূহ আৰু ৰাজ্য অপহৰণ কৰিছে; আপুনি তেওলোকক ৰক্ষা কৰক।

(৬,৭) আমি দানৱসকলৰ দ্বাৰা বিতাড়িতা হৈ শোক সাগৰত নিমগ্ন হৈছোঁ। শত্ৰুসকলে আমাৰ পুত্ৰৰ ঐশ্বৰ্য্য সম্পদ যশ আৰু স্থান- এইবোৰ অপহৰণ কৰিছে। আমাৰ পুত্ৰ সকলে যাতে পুনৰ সেই সকলোবোৰ লাভ কৰিব পাৰে, তাকে চিন্তা কৰি উপায় বিধান কৰক।

গুৰুজনাই পূৰ্ব্বোক্ত শ্লোককেইটি অসমীয়া পদ্যভাগত কেনেৰূপে সজাইছে তাৰ উদ্ধৃতি দিয়া হল -

অনন্তৰে দেৱ মাৱ সন্ধুক্ষণ হুয়া গাৱ
বস্ত্ৰে মলচিলা মুখ আখি।
গৈয়া কতিপয় ভৰি স্বামীৰ আগত পৰি
কান্দি কান্দি দেই দুখ সাক্ষী।।
কিবা মোত সোধা স্বামী কি কথা কহিবো আমি
মোক শোক শেলে আছে শালি।
দৈত্যগণ দুৰাচাৰ কাঢ়ি লৈলা ৰাজ্যভাৰ
ত্ৰিদশক স্বৰ্গৰ নিকালি।।
দশ দিগপাল মানে পলাই গৈল নানা থানে
পৃথিবীত ফুৰে ভিক্ষা মাগি।
ভৈলন্ত প্ৰেতৰ বেশ তাসম্বাৰ শুনি ক্লেশ
অভাগিনী জীওঁ কিক লাগি।।
অম্ৰাৱতী দণ্ডপাট ৰত্ন সিংহাসন খাট
কাঢ়ি লৈলা বলি মান গুড়ি।
সতিনীৰ পুত্ৰচয় আছে সবে অভ্যুদয়
মোৰ জানা সবে গৈল বুৰি।।
যে ভৈলা দেৱৰ গতি কি কহিবো প্ৰাণ পতি
হেন জানি চিন্তিয়োক হিত।
বুলিয়ো উপায় আবে যেনমতে দেৱসবে
দুনাই আসি বঞ্চয় পুৰীত।।

যদ্যপি পুৰুষোত্তম সমস্ত প্ৰাণীত সম
তথাপি ভক্তক কৰা দায়া।
এৰাওঁ দাৰুণ শোক চাহিবাক লাগে মোক
মইসে তোমাৰ নিজ জায়া।।

অদিতিৰ এই কাতৰ উক্তিত কাশ্যপ মুনিৰ সদুপদেশৰ বৰ্ণনাতো মূল ভাগৱতোক্ত বিষয়ৰ লগত গুৰুজনাই এৰাধৰাৰে নিজৰ মত ব্যক্ত কৰিছে। ভাগৱতৰ ৮/১৬/১৮-২১ শ্লোক পৰ্য্যন্ত অসমীয়া অনুবাদ এনেধৰণৰ —

(১) অদিতিয়ে এনেদৰে প্ৰাৰ্থনা কৰাত কশ্যপে ঈষৎ হাস্য কৰি কলে কি আশ্চৰ্য্য! বিষ্ণু মায়াৰ কি মোহিনী শক্তি যে সেই মায়া শক্তিৰ প্ৰভাৱত এই জগত মমতা বন্ধনত আবদ্ধ হৈ পৰিছে।

(২) পাঞ্চভৌতিক জড় পদাৰ্থ শৰীৰেই বা ক'ত আৰু প্ৰকৃতিৰ অতীত আত্মাই বা ক'ত? পতি পুত্ৰাদি বা কোন আৰু পতি পুত্ৰকন্যা প্ৰভৃতিয়েই বা কাৰ? মোহেই একমাত্ৰ সকলোৰে কাৰণ।

(৩) হে অদিতি! তুমি সৰ্ব্বভূতাশ্ৰয়ী সৰ্ব্বময় জগৎগুৰু ভগৱান জনাৰ্দ্দনৰ উপাসনা কৰা।

(৪) দীন দয়াশীল ভগৱান বিষ্ণু তোমাৰ অভিলাষিত বিষয় প্ৰদান কৰিব। কাৰণ ভগৱৎ সেৱা অব্যৰ্থ। আন কাৰো সেৱা বিষ্ণু সেৱাৰ সমান হব নোৱাৰে। এয়ে মোৰ অভিমত।

গুৰুজনাই অনুবাদ কৰিছে এনেদৰে -

হেন শুনি মহাঋষি মাতিলন্ত বিমৰিষি
কিনো বিষ্ণু মায়াৰ প্ৰভাৱ।
কৈৰ দেহা কৈৰ জীৱ কৈত পাইলা পুত্ৰ জীৱ
কাক কোনে বোলে বাপ মাৱ।।
সংসাৰ সকলে মিছা তথাপি তাহাত ইচ্ছা
মোহ জৰী বান্ধি আছে টান।
কোন বুদ্ধি কৰো এৱে দেৱ দৈত্য যত সৱে
হুয়া আছে মোহোৰ সন্তান।।
একদিকে হস্তী যাই আৰ দিকে মাল খাই
আৰে মই হুএো কোন ভিতি।

যিহৌক সিহৌক ভাগে ভক্তক চাহিবে লাগে
শুনা কহো উপায় অদিতি।।
ঝাণ্টে পয়োব্ৰত ধৰি আৰাধিয়ো দেৱ হৰি
তেবে হৈব দুৰ্গতি নিস্তাৰ।
এক চিত্তে কৰা সেৱ ভকত বৎসল দেৱ
মাধৱে সাধিবে প্ৰতিকাৰ।।

কশ্যপোক্তিৰ পিছত দেৱমাতা অদিতিয়ে পয়োব্ৰত বিধানৰ উপায় বিচাৰিছে। ভাগৱতে দুটি শ্লোকত বৰ্ণনা দিছে। এই প্ৰসঙ্গত একমাত্ৰ ভগৱৎ আৰাধনাই প্ৰকৃত পথ ৰূপে কশ্যপোক্তিত প্ৰকাশ পাইছে। যাৰ যি উপাস্য দেৱতা, তেওঁ সিজনক বিচাৰিলেহে পায়। গীতা শাস্ত্ৰত কৃষ্ণই কৈছে-যিজনে যেনেদৰে মোৰ প্ৰাপ্তি কামনা,কৰে, তেওঁক তেনেদৰে ফল প্ৰাপ্তি কৰাওঁ। কশ্যপে বুজি পাইছে যে বলৱন্ত দানৱ সমাজক দমনৰ কাৰণে বিষ্ণুৰ ব্যতীত আনৰ দ্বাৰা সম্ভৱ নহয়। সেয়ে বিষ্ণুৰ উপাসনাৰ বিধান দিছে। ভাগৱতত "অমোঘা ভগৱদ্ভক্তিঃ" বুলি কৈছে অৰ্থাৎ ভগৱৎ ভক্তি অব্যৰ্থ। শ্ৰীধৰ স্বামীয়ে অলপ বহলকৈ কৈছে এনেদৰে- "নশ্বৰভুত কাম প্ৰাপ্তি হেতুৰ্দ্দেৱান্তৰ সেৱা প্ৰসিদ্ধা" অৰ্থাৎ এনেকুৱা কামনা সিদ্ধিৰ কাৰণে দেৱান্তৰ উপাসনা প্ৰসিদ্ধ নহয়। গীতাত কৈছে যে- পিতৃ ভূত পূজক সকলে তেওঁলোকক আৰু মোৰ উপাসক সকলে মোক লাভ কৰিব। সেই কাৰণে কাশ্যপে অদিতিক নীতি নিয়মেৰে পয়োব্ৰত পালনৰ বিধান দিছে। সেই ব্ৰত পালন কেনেকৈ কৰিব লাগে অদিতিয়ে তাৰ সদুত্তৰ বিচাৰিছে।

(১) হে ব্ৰহ্মণ! আমি কি বিধিৰে ভগৱৎ উপাসনা কৰিম? যি কৰিলে ভগৱানে ভক্তৰ মনোৰথ পূৰ্ণ কৰিব?

(২) আপুনি সেই ভগৱদুপাসনাৰ বিধান মোক দিয়ক- যাতে পুত্ৰসকলৰ সৈতে বিপদাপন্ন আমাৰ প্ৰতি সেই বিষ্ণু শীঘ্ৰে প্ৰসন্ন হয়।

গুৰুজনাই অনুবাদ কৰিছে এনেকৈ -

হেন শুনি দেৱ মাৰে কহন্ত বিনয় ভাৱে
জানিলো কাৰ্য্যৰ হৈব সিদ্ধি।
কিন্তু মই স্ত্ৰীমতি নজানো ভকতি নতি
কহিয়ো কৃষ্ণৰ ব্ৰত বিধি।।

অদিতিৰ অনুৰোধমতে কশ্যপে বৰ দীঘলিয়াকৈ পয়োব্ৰতৰ বিধান দিছে। ভাগৱতে উনচল্লিশটা শ্লোকেৰে (৮/১৬/২৪-৬২) কশ্যপৰ মুখে নীতি নিৰ্দ্দেশ

কৰিছে। শ্লোকৰ অসমীয়া অনুবাদ সমূহ প্ৰকাশ কৰা হ'ল -

(১) হে অদিতি! আমি জিজ্ঞাসা কৰাত ব্ৰহ্মাই পুত্ৰাভিলাষী আমাক এই ব্ৰতৰ উপদেশ দিছিল। ভগৱানৰ সেই সন্তোষজনক ব্ৰতৰ কথা মই তোমাক কওঁ।

(২) পৰম ভক্তিযুক্ত হৈ ফাগুণ মাহৰ শুক্লপক্ষৰ প্ৰতিপদৰ পৰা দ্বাদশী পৰ্য্যন্ত বাৰদিন ব্যাপি পয়োব্ৰত আচৰণ কৰি বিষ্ণুৰ অৰ্চ্চনা কৰিবা।

(৩) যদি পোৱা যায়, তেনেহলে অমাৱস্যাৰ দিনা বন্য বৰাহ বিদাৰিত মৃত্তিকাৰে নিজৰ অঙ্গলেপন কৰি মন্ত্ৰ উচ্চাৰণেৰে বৈ থকা জলত স্নান কৰিবা।

(৪) হে দেবী! তুমি স্থানাভিলাষী আদি বৰাহ ৰূপী বিষ্ণুৰ দ্বাৰা ৰসাতলৰ পৰা উদ্ধৃতা হৈছা। তোমাক নমস্কাৰ, তুমি আমাৰ সমস্ত পাপ নষ্ট কৰা।

(৫) নিত্য নৈমিত্তিক কৰ্ম্ম সমাপন কৰি সংযত হৈ প্ৰতিমা, অগ্নি, সূৰ্য্য, জল, স্থণ্ডিল, গুৰু এইবিলাকত ভগৱান বিষ্ণুৰ অৰ্চ্চনা কৰিবা।

(৬) হে ভগৱান! আপুনি পুৰুষোত্তম, মহত্তম, সৰ্ব্বময়, সৰ্ব্বাধাৰ, সৰ্ব্বজ্ঞ, আৰু ভগৱান। এতেকে আপোনাক নমস্কাৰ কৰোঁ।

(৭) আপুনি চতুৰ্ব্বিংশতি গুণৰ তত্ত্বজ্ঞ, সাংখ্য শাস্ত্ৰৰ প্ৰবৰ্ত্তক, অব্যক্ত, সূক্ষ্ম আৰু প্ৰধান পুৰুষ। আপোনাক নমস্কাৰ কৰোঁ।

(৮) আপোনাৰ দুই মস্তক, তিনি চৰণ, চাৰিবেদ শৃঙ্গ, সপ্তহস্ত, তিনিবেদাত্মক আত্মা-সেই যজ্ঞৰূপী ভগৱানক নমস্কাৰ কৰোঁ।

(৯) যি মঙ্গলময় শান্ত মূৰ্ত্তি আৰু প্ৰলয় কালত উগ্ৰমূৰ্ত্তি ধাৰণ কৰে, সেই শক্তিধৰ সৰ্ব্ববিদ্যা আৰু সৰ্ব্বভূতাধিপতি আপোনাক নমস্কাৰ কৰোঁ।

(১০) হিৰণ্যগৰ্ভ, জগতৰ জীৱন স্বৰূপ, প্ৰাণৰূপী, যোগৈশ্বৰ্য্যময়, দেহধাৰী, যোগ প্ৰৱৰ্ত্তক, আপোনাক নমস্কাৰ কৰোঁ।

(১১) আপুনি আদিদেৱ, সৰ্ব্বসাক্ষী আৰু নাৰায়ন ঋষি, আপুনি দুখহাৰী- আপোনাক নমস্কাৰ কৰোঁ।

(১২) মৰকত শ্যামবৰ্ণ দেহধাৰী লক্ষ্মীকান্ত আপোনাক নমস্কাৰ। কেশৱ আৰু পীতাম্বৰধাৰী আপোনাক নমস্কাৰ কৰোঁ।

(১৩) হে বৰণীয়, হে বৰদ শ্ৰেষ্ঠ! আপুনি জীৱসমূহৰ সৰ্ব্বপ্ৰকাৰ অভীষ্ট ফল প্ৰদান কৰে। সেই কাৰণে বিবেকী সকলে নিজ মঙ্গল লাভৰ বাবে আপোনাৰ চৰণ ধূলিৰ উপাসনা কৰে।

(১৪) দেৱগণ আৰু লক্ষ্মীদেবীয়ে যাৰ পাদ পদ্মৰ সৌৰভ কামনা কৰি আপোনাৰ উপাসনা কৰি থাকে, সেই বিষ্ণু আমাৰ প্ৰতি প্ৰসন্ন হওক।

(১৫) পূৰ্ব্বোক্ত এই মন্ত্ৰ আৰু আৱাহনাদিৰ দ্বাৰা সৎকাৰ কৰি শ্ৰদ্ধাযুক্ত হৈ পাদ্য আৰু আচমনীয় আদিৰে ভগৱান হৃষীকেশক পূজা কৰিব।

(১৬,১৭) গন্ধমাল্যাদিৰে অৰ্চ্চনা কৰি দুগ্ধৰ দ্বাৰা বিষ্ণুক স্নান কৰাব। ইয়াৰ পিছত বস্ত্ৰ উপবীত, পাদ্য, আচমনীয়, ধূপ আৰু গন্ধাদিৰে দ্বাদশাক্ষৰ মন্ত্ৰেৰে বিষ্ণুৰ পূজা কৰিব। সামৰ্থ্য থাকিলে দুগ্ধ পক্বশালি অন্নৰ দ্বাৰা প্ৰস্তুত ঘৃতসহ আৰু গুড়মিশ্ৰিত পায়সান্ন নিৱেদন কৰি উক্ত মূলমন্ত্ৰৰ দ্বাৰা আহুতি প্ৰদান কৰিব।

(১৮) ইয়াৰ পিছত নিবেদিত প্ৰসাদ হৰিভক্তক প্ৰদান কৰিব আৰু নিজেও ভোজন কৰিব। এনেদৰে পূজা কৰি আচমন দি তামোল নিবেদন কৰিব।

(১৯) তাৰ পিছত সেই দ্বাদশাক্ষৰ মন্ত্ৰ অষ্টোত্তৰ শতবাৰ জপ কৰি বিবিধ স্তুতি বাক্যেৰে প্ৰভুৰ স্তৱ কৰিব আৰু আনন্দেৰে প্ৰদক্ষিণ কৰি ভূ-তলত সাষ্টাঙ্গ প্ৰণাম কৰিব।

(২০) ইয়াৰ পিছত বিষ্ণুৰ নিৰ্ম্মালি শিৰত ধাৰণ কৰি দেৱতা বিসৰ্জ্জন দিব আৰু যথাযোগ্য পায়সান্ন দ্বাৰা বহুত অথবা দুজন ব্ৰাহ্মণক ভোজন কৰাব।

(২১,২২) তাৰ পিছত সন্মানীত ব্ৰাহ্মণ সকলৰ অনুমতি অনুসাৰে বন্ধুসকলৰ সৈতে অৱশিষ্ট প্ৰসাদ ভোজন কৰিব। প্ৰথম দিনা সেই ৰাতি ব্ৰহ্মচৰ্য্য অৱলম্বন কৰি প্ৰভাত কাল সমাগত হলে যথোক্ত বিধানে পুনৰ স্নান কৰি পৱিত্ৰ হৈ সংযত সহকাৰে দুগ্ধ দ্বাৰা বিষ্ণুক স্নান কৰাই যি পৰ্য্যন্ত ব্ৰত সমাপন নহয়, সেই পৰ্য্যন্ত বিষ্ণুৰ অৰ্চ্চনা কৰিব।

(২৩) এনে প্ৰকাৰে দুগ্ধাহাৰী আৰু বিষ্ণু পূজা পৰায়ণ হৈ এই পয়োব্ৰত আচৰণ কৰিব আৰু পূৰ্ব্বৰ দৰে অগ্নিত আহুতি দিব আৰু ব্ৰাহ্মণ সকলক ভোজন কৰাব।

(২৪) এনেভাবে বাৰদিন ব্যাপি এই পয়োব্ৰতৰ অনুষ্ঠান কৰিব আৰু হৰিৰ আৰাধনা, হোম, পূজা, আৰু ব্ৰাহ্মণ ভোজন কৰাব।

(২৫) প্ৰতিপদৰ পৰা আৰম্ভ কৰি শুক্লপক্ষৰ ত্ৰয়োদশী তিথি পৰ্য্যন্ত এই বাৰদিন ব্ৰহ্মচৰ্য্য অৱলম্বন, ভূমিত শয়ন, আৰু তিনিবাৰকৈ স্নান কৰিব।

(২৬, ২৭) অসৎ আলাপ, উত্তমাধম ভোগ পৰিহাৰ কৰিব। ইয়াৰ পিছতে

ত্ৰয়োদশীৰ দিনা সকলো প্ৰাণীৰ প্ৰতি অহিংস ভাৱেৰে আৰু বিষ্ণু পৰায়ণ হৈ শাস্ত্ৰোক্ত বিধি অনুসাৰে বিধি জ্ঞানী ব্ৰাহ্মণৰ দ্বাৰা পঞ্চামৃতেৰে বিষ্ণুৰ স্নান কৰাব।

(২৮,২৯,৩০) কাৰ্পণ্য ৰহিত হৈ পায়স প্ৰস্তুত কৰি সৰ্ব্বেশ্বৰ বিষ্ণুক অৰ্পণ কৰিব। সংযত হৈ পূৰ্ব্বোক্ত সূক্ত দ্বাৰা পৰমপুৰুষ বিষ্ণুৰ প্ৰীতিকৰ ষড়ৰস সম্পন্ন নৈবেদ্য প্ৰদান কৰিব। জ্ঞানী গুৰু আৰু অন্যান্য ঋত্বিক সকলক বস্ত্ৰ, আভৰণ আৰু গো প্ৰভৃতি দান কৰি সন্তুষ্ট কৰিব। গুৰুসকলক পৰিতুষ্ট কৰাই বিষ্ণুৰ আৰাধনা বুলি জানিবা।

(৩১) অতি উৎকৃষ্ট অন্ন দ্বাৰা তেওঁলোকক ভোজন কৰাব আৰু সেই ঠাইত যি সকুল সমাগত হ'ব, সেই সকল ব্ৰাহ্মণক আৰু অন্যান্য ব্ৰাহ্মণক সমৰ্থ অনুসৰি ভোজন কৰাব।

(৩২-৩৪) ইয়াৰ পিছত যথাযোগ্যৰূপে গুৰু আৰু ঋত্বিক সকলক দক্ষিণা প্ৰদান কৰিব। সেই ঠাইত সমাগত চণ্ডাল পৰ্য্যন্ত সকলোকে অন্নাদি দ্বাৰা পৰিতুষ্ট কৰিব। সৰ্ব্বজীৱৰ পৰিতোষণেই যে বিষ্ণুৰ প্ৰীতিকৰ কাৰ্য্য, ইয়াকে জানি সকলো দুখী, অন্ধ, কৃপণাদিৰ ভোজন সম্পন্ন হলে বন্ধুসকলৰ সৈতে নিজে ভোজন সমাপ্ত কৰিব। ইয়াৰ পিছত নৃত্য গীত বাদ্য, স্তৱ আৰু হৰি লীলা শ্ৰৱণ কীৰ্ত্তনাদিৰে দ্বাৰা প্ৰতিদিনে এনে প্ৰকাৰে হৰি পূজা কৰিব।

(৩৫) পিতামহ ব্ৰহ্মাই এই পয়োব্ৰত নামৰ ব্ৰত পৰম পুৰুষ বিষ্ণুৰ আৰাধনা বিষয়ে মোক কৈছিল। মই ইয়াকে তোমাক কলোঁ।

(৩৬) হে ভাগ্যবতি! তুমি উত্তমৰূপে অনুষ্ঠিত এই ব্ৰতৰ দ্বাৰা শুদ্ধ চিত্তে সংযত হৈ সেই অব্যয় বিষ্ণুৰ আৰাধনা কৰা।

(৩৭) এই ব্ৰতৰ দ্বাৰা সকলো যজ্ঞৰ ফল লাভ হয়। এই ব্ৰত সৰ্ব্বব্ৰতস্বৰূপ, হৈ সকলো ব্ৰতৰ সাৰ, সকলো দানৰ ফলদায়ক আৰু বিষ্ণুৰ অতি প্ৰীতিকৰ বুলি জানিবা।

(৩৮) যি কৰ্ম্মৰ দ্বাৰা বিষ্ণু সন্তুষ্ট হয়, সেয়ে উত্তম নিয়ম, সেয়ে দান, ব্ৰত আৰু উত্তম যজ্ঞ।

(৩৯) সেই কাৰণে এই পয়োব্ৰত সংযত চিত্তে শ্ৰদ্ধাৰ সহিত আচৰণ কৰা। বিষ্ণু প্ৰীত হৈ অতি শীঘ্ৰে তোমাক অভিলাষিত বৰ প্ৰদান কৰিব।

পূৰ্ব্ব উদ্ধৃত শ্লোকানুবাদৰ পদ্যৰূপ কেনে প্ৰকাৰে কৰা হৈছে তাৰ উদ্ধৃতি দিয়া হল -

কাশ্যপে বোলন্ত প্ৰিয়া বচনক কৰা হিয়া
কহো পয়োব্ৰতৰ বিধান।
প্ৰজা সৃজিবাৰ তৰে কৈলা মোত সৃষ্টিকৰে
পাইলো ইটো ব্ৰতৰ প্ৰমাণ।।
ফাল্গুণ মাসত আসি যেবে ভৈলা আমাবাসী
কৰিবা সংযম অবিকলে।
বৰাহ দন্তৰ মাটি শৰীৰত ঘসি আতি
স্নানিবা বিচিত্ৰ স্ৰোত জলে।।
প্ৰতিপদ দিন ভৈলে বিধিমতে স্নানি জলে
এৰি লোভ ক্ৰোধ মোহ দম্ভ।
বহু বিধ বাদ্য বাই বিষ্ণুক দুগ্ধে নোৱাই
পয়োব্ৰত কৰিয়া আৰম্ভ।।
অগ্নিত সূৰ্য্যত জলে অথবা বিচিত্ৰ স্থলে
সম্ভৃতে পূজিবা হৃষীকেশ।
ইক্ষু চিৰা আখৈ কল দিবা বহু বিধ ফল
দধি দুগ্ধ ঘৃতৰ সন্দেশ।।
পিঠা পৰমান্ন চিনি পাদ্য অৰ্ঘ্য আচমনি
গন্ধ পুষ্প বস্ত্ৰ অলঙ্কাৰ।
ঋতু শাঠ্য নকৰিবা বহ্নিত আহুতি দিবা
মূল মন্ত্ৰ কৰিবা উচ্চাৰ।।
বিষ্ণুক কৰিবা স্তুতি দণ্ডৱতে পৰিনতি
জপিবা মন্ত্ৰক বাৰশত।
নিৰ্ম্মাল্য নৈবেদ্যমান বৈষ্ণৱক দিবা দান
মাধৱক ধৰি হৃদয়ত।।
দ্বাদশ ব্ৰাহ্মণ আনি পৰমান্ন দিবা মানি
দিবা বস্ত্ৰ আঞ্জলি সন্দেশ।
তাসম্বাৰ অনুমতি লৈয়া পাছে মহা সতী
আপুনি ভুঞ্জিবা অৱশেষ।।

প্ৰাণী হিংসা পৰিহৰি ব্ৰহ্মচৰ্য্য ব্ৰত ধৰি
বিষয় আলাপে হৈবা হীন।
কৃষ্ণক হৃদয়ে ধৰি কৃষ্ণৰ কীৰ্ত্তন কৰি
কৃষ্ণৰ কথায়ে নিবা দিন।।
মাধৱক বিধিৱতে পূজিবাহা এহি মতে
বাহ্ন দিন মান মন তুষ্টি।
যেৱে ভৈল ত্ৰয়োদশী অগ্নি বিসৰ্জ্জিবা বসি
আদিত্যক অৰ্ঘ্য দিবা উঠি।।
সুবৰ্ণ ৰজত ৰত্ন দক্ষিণা কৰিবা দান
ব্ৰাহ্মণৰ সন্তোষিয়া মন।
তোমাৰ বিপদচয় যতেক শত্ৰুৰ ভয়
সকলে খণ্ডিবে নাৰায়ন।।
কৃষ্ণ পদ প্ৰসাদত দুনাই হুইব পূৰ্ব্বৱত
দেৱগণে এৰাইবে দুৰ্গতি।
কৈলো পয়োব্ৰত বিধি মনোৰথ হৈব সিদ্ধি
আক শঙ্কা নকৰিবা সতী।।

কাশ্যপমুনিৰ উপদেশমতে অদিতিয়ে পয়োব্ৰত পালন কৰিবলৈ লোৱা বিষয়টি ভাগৱতে তিনিটি শ্লোকতে সমাপন কৰিছে। কিন্তু গুৰুজনে শ্লোক কেইটিৰ আধাৰতে অলপ বহলকৈ পয়োব্ৰত পালনৰ নিয়ম আৰু ভগৱন্তৰ স্তুতি প্ৰসঙ্গটি টানি আনিছে। শ্লোক তিনিটিৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হল (৮/১৭/১-৩)।

(১) শুকদেৱক কলে- অদিতিয়ে স্বামী কশ্যপৰ পৰা উপদেশ পাই সংযতভাবে বাৰদিন ব্যাপি এই পয়োব্ৰতৰ অনুষ্ঠান কৰিলে।

(২,৩) বুদ্ধিৰূপ সাৰথিৰ সাহায্যত অদিতিয়ে একান্ত বুদ্ধিৰে ইন্দ্ৰিয় ৰূপ দুষ্ট অশ্বসকলক নিজৰ বশলৈ আনি বিষ্ণুক চিন্তা কৰি কৰি বিশ্বাত্মা ভগৱানৰ ওচৰত মন সমৰ্পণ কৰি পয়োব্ৰত পালন কৰিব ধৰিলে।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ -

শুক নিগদতি ৰাজা শুনা পৰীক্ষিত।
হেন শুনি অদিতিৰ তুষ্ট ভৈলা চিত্ত।।
মিলাইলন্ত সম্ভাৰ আনিয়া যত যত।
কাশ্যপৰ উপদেশে আৰম্ভিলা ব্ৰত।।

মহাকায় কষ্ট কৰি মনক নিয়মি।
ব্ৰহ্মাচৰ্য্য ধৰি দশো ইন্দ্ৰিয়ক দমি।।
কৰন্ত কৃষ্ণক পূজা বিবিধ সম্ভাৰে।
গন্ধে পুষ্পে ধূপে দীপে বস্ত্ৰ অলঙ্কাৰে।।
পায়স পিষ্টক মধু দধি দুগ্ধ ঘৃত।
নানা বিধ উপহাৰ দেন্ত পঞ্চামৃত।।
বাহু দিন মানে কৰি অগ্নিত আহুতি।
কাশ্যপৰ উপদেশে আৰম্ভিলা স্তুতি।।
নমো ভগৱন্ত আদি পুৰুষ কেশৱ।
সৰ্ব্বজন নিবাস অব্যক্ত বাসুদেৱ।।
নমো সৰ্ব্বস্বামী মুখ্য পুৰুষ প্ৰধান।
কপিল স্বৰূপে কৰা সাংখ্যক ব্যাখ্যান।।
নমো দুই পদ শৃঙ্গ নমো ব্ৰহ্মাচাৰী।
মহা অষ্টবাহু যজ্ঞ পুৰুষ মুৰাৰি।।
নমো ৰুদ্ৰ শিৱ শক্তিধৰ বিদ্যাপতি।
প্ৰণামো হিৰণ্যগৰ্ভ ভকতৰ গতি।।
নমো জগন্নাথ জগতৰ জীৱ প্ৰাণ।
নমো যোগেশ্বৰ সৃষ্টি স্থিতিৰ নিদান।।
নমো নমো আদি দেৱ ব্ৰহ্ম নাৰায়ন।
নমো নমো ঋষি হৰি সংসাৰ কাৰণ।।
নমো মৰকত শ্যাম তনু অনুপাম।
নমো পূৰ্ণকাম সৰ্ব্বলোক অভিৰাম।।
নমো মূলমন্ত্ৰ শিৰে শোভে শ্বেতছত্ৰ।
গাৱে পীত বস্ত্ৰ ধৰি আছা চাৰি অস্ত্ৰ।।
বৰদৰো বৰদ তুমিসে চক্ৰপাণি।
হেন জানি যতেক আছয় মহাজ্ঞানী।।
ব্ৰহ্মা ইন্দ্ৰ আদি কৰি মোক্ষ অভিলাষী।
তযু পাদ পদ্ম থাকন্ত উপাসি।।
হেন নাৰায়ন মোত হয়োক প্ৰসন্ন।
সৰ্ব্বভাৱে লৈলো মই তোমাত শৰণ।।

তুমি ব্যতিৰেকে মোৰ নাহি আন গতি।
হুয়োক প্ৰসন্ন হৰি খণ্ডিয়ো দুৰ্গতি।।
এহি বুলি কৰে দেৱী মাধৱক ধ্যান।
কায় বাক্য মনে কিছু নিচিন্তয় আন।।

অদিতিৰ পয়োব্ৰত পালনৰ পিছত ভগৱান সন্তুষ্ট হৈ তেওঁক সাক্ষাৎ দিলেহি। ভাগৱতৰ (৮/১৭/৪৫) চাৰি আৰু পাঁচ সংখ্যাৰ শ্লোকত কৈছে যে চাৰি অস্ত্ৰধাৰী পীতাম্বৰ বিষ্ণু আবিৰ্ভাব হল আৰু অদিতিয়ে আনন্দিত হৈ দণ্ডৱৎ প্ৰণাম কৰিলে। মূলৰ "পীতবাসাশ্চতুৰ্ব্বাহুঃ শংখচক্ৰ গদাধৰঃ" এই সূত্ৰটিকে আধাৰ কৰি ল গুৰুজনে বিষ্ণু ৰূপ বৰ্ণনা অলপ বহলকৈ কৰিছে এনেধৰণেৰে -

অদিতিৰ দেখি হেন ভক্তি বিপৰীত।
ভৈলা জগন্নাথ আসি আগতে বিদিত।।
পীত বস্ত্ৰে শোভে আতি শ্যামল শৰীৰ।
সজল মেঘত যেন বিজুলী সুথিৰ।
কিৰীটি কুণ্ডলে মুখ পদ্ম কৰে কান্তি।
ললাটে অলকা যেন ভ্ৰমৰাৰ পান্তি।।
দশন মুকতা পান্তি মুখে অল্পহাস।
কণ্ঠত কৌস্তুভ নৱ সূৰ্য্যৰ প্ৰকাশ।।
বলিত বৰ্ত্তুল চাৰি ভুজ চমৎকাৰ।।
কেয়ূৰ কঙ্কণে আতি কৰে জাতিষ্কাৰ।।
আপাদ লম্বিত গলে জ্বলে বনমালা।
কটি মধ্যে নিবন্ধিলা সুবৰ্ণ মেখলা।।
ৰত্নৰ নূপুৰ পাদ পঙ্কজত জ্বলে।
যাক যোগীগণে চিন্তে হৃদয় কমলে।।
ধৰিয়া আছন্ত শংখ চক্ৰ গদাপদ্ম।
প্ৰত্যক্ষ্যে দিলন্ত দেখা নকৰিয়া ছদ্ম।।
প্ৰকাশ কৰন্ত আতি গৰুড় স্কন্ধত।
কোটি চন্দ্ৰ জ্বলে যেন মেৰু পৰ্ব্বতত।।
গোবিন্দক দেখিয়া আনন্দে দেৱ মাৱ।
সজল নয়ন হুয়া শিহৰাইলা গাৱ।।
গদ গদ ভাষে আতি কৃষ্ণ কৃষ্ণ ৰড়ি।
কতো বেলি আছিলন্ত দণ্ডৱতে পৰি।।

অদিতিৰ বিষ্ণু স্তুতি, বিষ্ণুৰ উপদেশ আৰু আশ্বাস বাণী (৮/১৭/৬-২০) সৰ্ব্বমুঠ পোন্ধৰটি শ্লোকত সমাপন কৰা হৈছে। বিষ্ণু স্তুতিখিনি (৮/১৭/৮-১০) তিনিটি শ্লোকত প্ৰকাশ পালেও গুৰুজনে "আৰো অসংখ্যত কৰিলন্ত তুতি নতি" বুলি দুটি পদতে সামৰিছে। আনহাতে শ্লোকত থকাৰ দৰে পদৰ দৃষ্টিভঙ্গী আৰু শব্দৰ ব্যৱহাৰ কিছু বেলেগ। মূল শ্লোকক স্পৰ্শই কৰিছে। প্ৰকাশ ভঙ্গী নিজাববীয়াকৈ কৰা দেখা গৈছে। অদিতিক বিষ্ণুৱে দিয়া প্ৰবোধ বাণীসমূহত শ্লোক আৰু পদৰ মাজত পাৰ্থক্য প্ৰায় নায়েই। মাত্ৰ ছন্দ প্ৰয়োগৰ ক্ষেত্ৰত আৰু গুৰুজনাৰ স্বভাৱসিদ্ধ চিত্ৰ সংযোজনত দুই এটি বাক্য আৰু শব্দৰ প্ৰয়োগ হোৱা দেখা যায়। সেই কাৰণে আমি উদ্ধৃতি দিয়াৰ পৰা বিৰত থাকিলোঁ। অদিতিক বিষ্ণুৱে আশ্বাস বাণী প্ৰদান কৰি অদৃশ্য হৈ যোৱাৰ পিছত তেওঁৰ কশ্যপৰ সংযোগত গৰ্ভধাৰণ হয় আৰু অদিতিৰ গৰ্ভত বিষ্ণুৱে বাস কৰা জানি ব্ৰহ্মাই বিষ্ণু স্তুতি প্ৰসঙ্গত কোৱা কথাখিনিও মূল আৰু পদৰ মাজত প্ৰভেদ প্ৰায় নায়েই। অষ্টাদশ অধ্যায়ত অদিতিৰ গৰ্ভত বিষ্ণুৱে বামন ৰূপে অৱতাৰ পৰিগ্ৰহ কৰা কথা বৰ্ণনা কৰিছে। ভাদ মাহৰ শুক্লপক্ষৰ শ্ৰৱণা নক্ষত্ৰ সংযুক্ত দ্বাদশী তিথিত শ্ৰৱণাৰ প্ৰথমাংশ অভিজিৎ নামৰ নক্ষত্ৰত বামনাৱতাৰ হয়। সেইকাৰণে সেই তিথিটোক "বিজয়া দ্বাদশী" বোলে। সেই অধ্যায়ৰ একৰ পৰা দহ শ্লোকলৈকে বামনাৱতাৰৰ স্বৰূপ বৰ্ণনা কৰা হৈছে। তাত কৈছে যে ব্ৰহ্মাৰ বিষ্ণু স্তুতিৰ পিছতে জন্ম মৃত্যু শূন্য চাৰি অস্ত্ৰধাৰী, পদ্মলোচন, পীতাম্বৰ ভগৱান বিষ্ণু অদিতিৰ গৰ্ভত আৱিৰ্ভাব হল। তেওঁৰ উজ্জ্বল শ্যাম বৰ্ণ, মকৰাকৃতি কুণ্ডলদ্বয়ৰ প্ৰকাশত সুশোভিত বদন মণ্ডল বুকুত শ্ৰীবৎস চিহ্ন, বলয় আৰু অঙ্গদৰ সৈতে উজ্জ্বল কিৰীটি, কাঞ্চী, মনোহৰ নূপুৰাদি অলঙ্কাৰেৰে বিভূষিত, ভ্ৰমৰ গুঞ্জনে নিনাদিত, নিজ বনমালাৰে বিৰাজিত, কৌস্তুভ ৰত্নধাৰী পৰম পুৰুষ বিষ্ণু নিজ কান্তিৰে কশ্যপৰ গৃহান্ধকাৰ বিনাশ কৰি আৱিৰ্ভাৱ হল। তেওঁৰ জন্মৰ সময়ত দশদিক নদীবোৰ প্ৰসন্ন হৈছিল ঋতুবিলাক কালোচিত ফল পুষ্পবোৰ শোভিত হৈছিল, স্বৰ্গ, আকাশ, পৃথিবী, দেৱ, দ্বিজ, পৰ্ব্বত সমূহ প্ৰফুল্লিত হৈছিল। ভাদ মাহৰ শুক্লপক্ষ শ্ৰৱণা নক্ষত্ৰ সংযুক্ত দ্বাদশী তিথিত শ্ৰৱণাৰ প্ৰথমাংশ অভিজিৎ নামৰ নক্ষত্ৰত আৰু চন্দ্ৰৰ শ্ৰৱণা সংযুক্ত অৱস্থাত আৰু সমস্ত নক্ষত্ৰ, তাৰকাবিলাক শুভলগ্ন অৱস্থাত বিষ্ণু আৱিৰ্ভাব হল। যি দ্বাদশী তিথিত সূৰ্য্য মধ্য দিন অৱলম্বন কৰি অৱস্থান কৰিছিল, সেই দ্বাদশীকে বিজয়া দ্বাদশী বোলে। সেই সময়ত শংখ, দুন্দুভি, মৃদাঙ্গ, পণৱ, আনকাদি বাদ্যবোৰ বাজিবলৈ ধৰিলে আৰু সেই বিচিত্ৰ বাদ্যবোৰৰ তুমুল ধ্বনি উত্থিত হল। অপ্সৰাসকলে প্ৰীতিসহ নৃত্য, গৰ্ব্বন্ধে গীত,

দেৱ, মুনি মনু পিতৃ, অগ্নিসমূহে বিষ্ণুৰ স্তৱ কৰিবলৈ ধৰিলে। কিন্নৰ সিদ্ধ বিদ্যাধৰসকলে, চাৰণ, যক্ষ, ৰাক্ষসকলে, গৰুড় আদি পক্ষী, সৰ্প, উপদেৱতা গণে গান আৰু প্ৰশংসা কৰি নৃত্য কৰি কৰি অদিতিৰ আশ্ৰমখনত পুষ্প বৰ্ষণেৰে সমাচ্ছন্ন কৰিলে ইত্যাদি (৮/১৮/১-১০)। পূৰ্ব্বোক্ত ভাগবতৰ বৰ্ণনাত গুৰুজনাই নিজৰ ৰচনাত অগা-পিছা আৰু হ্ৰস্ব দীৰ্ঘ কৰি কেনেকৈ সৃষ্টিমূলক ব্যাখ্যা দাঙি ধৰিছে, তাৰ উদ্ধৃতি দিয়া হল। যেনে —

এহিমতে ব্ৰহ্মায়ে আছন্ত স্তুতি কৰি।
অভিজিত মুহূৰ্ত্তত উপজিলা হৰি।।
ভাদ্ৰ মাস শ্ৰৱণা দ্বাদশী মধ্য দিন।
কৰিলা জন্মক তাৰগণে প্ৰদক্ষিণ।।
দশোদিশ স্বস্থ ভৈল নিৰ্ম্মল আকাশ।
শান্ত ৰশ্মি কৰে সবে নক্ষত্ৰ প্ৰকাশ।।
সুগন্ধ শীতল বহে মলয় পৱন।
ছয় ঋতু ধৰ্ম্ম আসি ভৈল উতপন।।
সমস্ত প্ৰাণীৰ মনে মিলিল সন্তুষ্ট।
যত পশু পক্ষীগণ ভৈল হৃষ্ট পুষ্ট।।
অতি শান্ত তেজ হুয়া জ্বলন্ত অগনি।
বাজৈ দেৱ বাদ্যসৱ দশোদিশ ছানি।।
মৃদঙ্গ গোমুখ শংখ দুন্দুভিৰ ৰোল।
তবল মাদল ভেৰী ঘন্টা ঢাকি ঢোল।।
বীণা বেণু বিপঞ্চি কাহাল কৰতাল।
স্বৰ্গক লঙ্ঘিল সবে বাদ্যৰ ঘঞ্চাল।।
আতি প্ৰীতি হুয়া নৃত্য কৰে অপেশ্বৰী।
গন্ধৰ্ব্বে যোগাৱে গীত সুললিত কৰি।।
সিদ্ধমুনি স্তুতি কৰে আকাশত থাকি।
বৰিষন্ত পুষ্প অদিতিৰ গৃহ ঢাকি।।

পাছে নাৰায়নে হেন শুভক্ষণে
অদিতিত ভৈলা জাত।
প্ৰকাশন্ত বসি যেন পূৰ্ণ শশী
জ্বলে সূৰ্য্য অসংখ্যাত।।

অদ্ভুত বালক অলকা তিলক
ললাটত অতি জ্বলে।
কুটিল কুন্তল বদন মণ্ডল
চন্দ্ৰতো অধিক বলে।।
মেঘ সম শ্যাম তনু অনুপাম
পীত বস্ত্ৰে আছে ৰঞ্জি।
পাপ বিমোচন আয়ত লোচন
শোভে কমলক গঞ্জি।।
নাসা তিল ফুল অধৰ ৰাতুল
ৰত্নে যেন আছে গঢ়ি।
সংসাৰ মোহন হাস্য দৰশন
দন্ত পান্তি কুন্দকড়ি।।
মকৰ কুণ্ডল শোভে গণ্ডস্থল
কিৰীটি উজ্বল মাথে।
শংখ চক্ৰ গদা পদ্ম ধৰি সদা
আছন্ত ত্ৰৈলোক্য নাথে।।
পঙ্কজ মোলান বাহু চাৰি খান
জ্যোতি কৰে অলঙ্কাৰ।
উন্নত বহল চাৰু বক্ষস্থল
দিব্য মুকুতাৰ হাৰ।।
কঙ্কালে মেখলা গলে বনমালা
আজানুলম্বিত শোভে।
অনেক ভ্ৰমৰে বেঢ়িয়া গুঞ্জৰে
তাত মধু গন্ধ লোভে।।
হৃদয় প্ৰদেশে শ্ৰীবৎস প্ৰকাশে
যেন জ্বলে পদ্ম পান্তি।
কম্বু কণ্ঠ মাজে কৌস্তুভ বিৰাজে
নৱ আদিত্যৰ কান্তি।।
কৰিকৰ সম উৰু নিৰুপম
দেখন্তে মিলে সন্তোষ।

চৰণ কমল আতি সুকোমল
জলে যেন পদ্ম কোষ।।
আঙ্গুলিৰ পান্তি কৰে আতি কান্তি
ৰত্নৰ যেন পাকৰি।
নখ চন্দ্ৰচয় জ্বলন্তে আছয়
মুখ যেন পদ্ম সৰি।।
কৃষ্ণৰ চৰণ ভকত তাৰণ
সংসাৰ ভয় ভঞ্জে।
মহা মনোহৰ ৰত্নৰ হোড়ৰ
কনক নূপুৰে ৰঞ্জে।।
আছে ধ্বজ বজ্ৰ অঙ্কুশ পঙ্কজ
চিহ্ন তাতে শোভা কৰি।
যাক যোগী গণে চিন্তে অনুক্ষণে
এক চিত্তে ধ্যান ধৰি।।
হেন নাৰায়ন ভৈলা উপসন্ন
জগত মোহন বেশ।
মহা জ্যোতি কৰে দৰশনে হৰে
সংসাৰৰ যত ক্লেশ।।

বামন বিষ্ণুৰ স্বৰূপ বৰ্ণনা মূলতকৈ এথোপ চৰা কৰি গুৰুজনে অধিক পদেৰে সজাইছে। ইয়াৰ পিছতে বামনাৱতাৰত অদিতিৰ বিস্ময় আৰু আনন্দ প্ৰকাশ, কশ্যপ মুনিৰ জয়ধ্বনি, বামনৰ বটু ৰূপ ধাৰণ, ইত্যাদি বিষয়তো গুৰুজনাই নতুন ৰস সঞ্চাৰ কৰি এনেকৈ লিখিছে (৮/১৮/১১-১২) -

শৰীৰত কান্তি প্ৰকাশয় আতি
কশ্যপৰ গৃহখান।
পুত্ৰ উতপতি দেখি প্ৰজাপতি
সপটে কৰিলা স্নান।।
ৰত্ন ধন ধান ধেনু দিলা দান
বিশিষ্ট ব্ৰাহ্মণ আনি।
খণ্ডি গৈল দুখ মাধৱৰ মুখ
দেখিলন্ত দুয়ো প্ৰাণী।।

তনু ৰোমাঞ্চিত নখৰয় চিত
আনন্দে লোতক ঝৰে।
গদ গদ মাতে কৰযোৰ হাতে
পৰি দুয়ো স্তুতি কৰে।।
জয় ব্ৰহ্মবাদী জগতৰ আদি
নাহি যাৰ আদি অন্ত।
সৃষ্টি স্থিতি লয় হোৱন্তে আছয়
তুমি হেতু ভগৱন্ত।।
তুমি নিৰঙ্কুশ পৰম পুৰুষ
পদ্ম নায়কৰ পান্তি।
কনক কমল লোচন যুগল
ভুজঙ্গ সদৃশ আতি।।
যাহাৰ চৰণ চিন্তে যোগীগণ
মহা মনোৰথ পূৰে।
কোটি অসংখ্যাত ব্ৰহ্মাণ্ড সাক্ষাত
ৰোমৰ গুৰিত ফুৰে।।
ব্ৰহ্মা মহাদেৱ নপাৱন্ত কেৱ
যাহাৰ মায়াৰ পাৰ।
কিনো বিড়ম্বন তুমি নাৰায়ন
তনয় ভৈলা আমাৰ।।
হেন স্তুতি বাণী শুনি চক্ৰপাণি
সিটো ৰূপ কৰি ছন্ন।
অলক্ষিত মত পিতৃৰ আগত
ভৈলন্ত দিব্য বামন।।
যেন নাচি কাছি দুনাই নটে কাচি
তৈতে ধৰে আন ৰূপ।
কাশ্যপ অদিতি অদভূত আতি
দেখি ভৈলা দুয়ো চুপ।।
পাছে পাইলে মায়া সম্পজিল দায়া
মুহিলা দুইকো মুৰাৰি।

পুত্ৰ পুত্ৰ বুলি কোলে লৈলা তুলি
গলে বান্ধি চুমা পাৰি।।
নিৰেখি বদন মুখে দেন্ত স্তন
আনন্দে দেৱৰ মাতা।
ঝুপুৰান্ত দান্ত কতো স্তন খান্ত
তিনিও লোকৰ ধাতা।।
সুন্দৰ বদন যোৰন্ত ক্ৰন্দন
কৰন্ত কতো আখটি।
দেখিয়া কাশ্যপ এৰি ধ্যান জপ
ধৰন্ত স্নেহে সাবটি।।
মোৰ বাপু বুলি জোকাৰন্ত ধূলি
নচুৱান্ত দিনে ৰাতি।
কৰি শিশু লীলা মায়ায়ে মুহিলা
দুই হান্তৰো চিত্ত আতি।।

আমি পূৰ্ব্বতে কৈ অহাৰ দৰে মূলতকৈ গুৰুজনাৰ হস্ত পৰশত পদত অধিকৰূপে বিবৃত হৈছে। ইয়াৰ পিছতো মূলৰ লগত পদৰ ব্যৱধান কিমান বা গুৰুজনাই কিমান সৃষ্টিমূলক বৰ্ণনা দিছে তাৰ তুলনাত্মক বিচাৰ কৰা হল। ভাগৱত ৮/১৮/১৩-২১ শ্লোকলৈকে মুঠ সাতোটা শ্লোকত থকা বিষয় বস্তু এনেধৰণৰ- মহৰ্ষি সকলে বামনক দেখি আনন্দিত, বামনৰ জাত কৰ্ম্ম, উপনয়ন সংস্কাৰ, সূৰ্য্যই সাবিত্ৰী উপদেশ, বৃহস্পতিয়ে যজ্ঞোপবীত, কশ্যপে মেখলা, পৃথিবীয়ে কৃষ্ণাজিন, (মৃগচৰ্ম্ম), চন্দ্ৰই দণ্ড, অদিতিয়ে কৌপিন আৰু আচ্ছাদন, স্বৰ্গই ছত্ৰ, ব্ৰহ্মাই কমণ্ডলু সপ্তৰ্ষিয়ে কুশ, সৰস্বতীয়ে অক্ষমালা, যক্ষ ৰাজে ভিক্ষা পাত্ৰ ইত্যাদি বস্তুবোৰ বামনক প্ৰদান কৰিলে। এই দ্ৰব্যৰ দ্বাৰা সংকৃত হৈ বামনে ব্ৰহ্মৰ্ষি সকলৰ দ্বাৰা সেৱিত হৈ সেই সভাতে ব্ৰহ্ম তেজৰ দ্বাৰা অতিশয় শোভাযুক্ত হৈ পৰিল। ইয়াৰ পিছত বামনৰূপী বিষ্ণুৱে পুনৰ অগ্নি প্ৰজ্বলিত কৰি চাৰিও ফালে কুশৰ দ্বাৰা বিস্তাৰিত কৰি সমিধৰ দ্বাৰা অৰ্চ্চনাৰে অগ্নিত হোম কৰিলে। এই বৰ্ণনাত গুৰুজনাই কিমান সৃষ্টিমূলক বৰ্ণনা সংযোজন কৰিছে তাৰ উদ্ধৃতি দিয়া হল। ইয়াৰ ভিতৰত বামন বিষ্ণুক কোনে কি বস্তু প্ৰদান কৰিছিল, সেয়া মূলৰ আৰু পদৰ লগত অভিন্ন। কিন্তু বাকী অংশহে গুৰুজনাৰ নিজা সৃষ্টি।

ভৈলন্ত বামন বটু দিব্য ব্ৰহ্মাচাৰী।।
প্ৰকাশন্ত বসি ব্ৰহ্ম ঋষিৰ সমাজে।
সূৰ্য্যৰ ৰশ্মিক ঢাকি শৰীৰ বিৰাজে।।
পূৰ্ণচন্দ্ৰ সম শোভে সুন্দৰ বদন।
কনক কমলদল আয়ত লোচন।।
উন্নত নাসিকা দন্ত মুকুতাৰ শাৰী।
হাস্যতে মোহিত হোৱে যত দিব্য নাৰী।
চাৰু কৰ্ণ কম্বু কণ্ঠ বহল হৃদয়।
নাভি সুগম্ভীৰ কৰ নৱ কিশলয়।।
আজানুলম্বিত আতি বলিত সুঠান।
বিচিত্ৰ বৰ্ত্তুল চাৰু উৰু ৰাম কল।
দেখি সুখী হুই দুই চৰণ কমল।।
প্ৰকাশন্তে আছে তাত নখ চন্দ্ৰচয়।
দৰশনে নষ্ট হোৱৈ ভকতৰ ভয়।।
শুদ্ধ সুবৰ্ণৰ বৰ্ণ প্ৰকাশে শৰীৰ।
মহা বিদ্যাৱন্ত ধীৰ স্বভাবে গম্ভীৰ।।
নিত্য নিৰঞ্জন সৰ্ব্ব ব্যাপক স্বৰূপ।
ধৰিলন্ত কপট বামন দিব্যৰূপ।।
অদিতিয়ো বামন পুত্ৰৰ দেখি মুখ।
পাসৰিলা দেৱতাগণৰ যত দুখ।।
ব্ৰহ্ম ঋষিগণে থাকে চৌপাসে উপাসি।
তাৰাৰ মধ্যত যেন পূৰ্ণিমাৰ শশী।।

বটু বামনৰ ইয়াৰ পিছৰ বৰ্ণনা ভাগৱত ৮/১৮/২০ শ্লোকটিৰ আধাৰত গুৰুজনে বৰ দীঘলকৈ ৰসাল পদেৰে বিবৰিছে। শ্লোকটি হল (অসমীয়া ৰূপ)- ইয়াৰ পিছত ভৃগু বংশীয় ব্ৰাহ্মণ সকলৰ দ্বাৰা সম্পাদিত বহু সংখ্যক অশ্বমেধ যজ্ঞৰ দ্বাৰা যজমান দৈত্যৰাজ বলি পৰিবৰ্দ্ধিত হৈছে বুলি শুনি অসীম বলি ভগৱান বামনদেৱ প্ৰতি পদক্ষেপত পৃথিৱী অৱনমিত কৰি বলিৰ যজ্ঞ স্থলত উপস্থিত হলগৈ। উক্ত শ্লোকটিৰ আধাৰত গুৰুজনাৰ ৰচিত পদ সমূহৰ উদ্ধৃতি দিয়া হল—

সেহি বেলা বলি যজ্ঞ কৰে সমাপত।
নৰ্ম্মদা নদীৰ আসি উত্তৰ তীৰত।।

ত্ৰৈলোক্যৰ সম্ভাৰ কৰিয়া এক থান।
পৰম আনন্দে দৈত্যপতি কৰে দান।।
অশাশ্বত ধন জন অসাৰ সংসাৰ।
এহি বুলি ৰাজা আৰ নৰাখে ভাণ্ডাৰ।।
জগতকে সন্তোষিলা মহা দান কৰি।
অদাৰিদ্ৰ ভৈল দুখী ভিক্ষু দেশান্তৰী।।
মহা জ্ঞানৱন্ত বলি পৰম পণ্ডিত।
সুবৰ্ণ ৰজত ভূমি কৰিয়া মণ্ডিত।।
সবান্ধৱে হৰিষে যজন্ত শুক্ৰ ঋষি।
বলিৰ নিৰ্ম্মল যশ ভ্ৰমে দশোদিশি।।
নটে ভাটে কীৰ্ত্তি কহি ফুৰে ঠাই ঠাই।
বলিৰ সমান দাতা ত্ৰৈলোক্যত নাই।।
সমস্ত প্ৰজাক ধৰ্ম্ম পথত থাপিলা।
পৃথিবী পাতাল যশে স্বৰ্গক ব্যাপিলা।।
যজ্ঞৰ কথাক পাছে শুনিলা বামন।
ঋষিগণ সহিতে কৰিলা আলোচন।।
যেহি যিবা খোজে বলি তাকে দেই দান।
আসা আমি সবে গৈয়া দেখো যজ্ঞ স্থান।।
বামনৰ বাক্যক মানিলা সবে ঋষি।
দেখিয়া বামনে গাৱ চালিলা হৰিষি।।
মেলানি মাগিলা পাছে মাতৃক প্ৰণামি '
বলিৰ যজ্ঞক দেখিবাক যাওঁ আমি।।'
দেখি অদিতিৰ মনে মিলিল বিষাদ।
ৰাত্ৰিদিনে দৈত্যে মোক নেৰয় বিবাদ।।
কেন মতে যাইবা পুতাই শত্ৰুৰ সমাজ।
জানো কূট নাট কৰি মাৰৈ দৈত্যৰাজ।।
সৰ্ব্ব গাৱ মৰি কৰঙ্গনে জ্বলে বাতি।
ত্ৰিদশৰ শোকে মোক পোৰে দিনে ৰাতি।।
দানৱৰ ভয়ত গৃহতে ধাতু উৰে।
তোকো হৰুৱাওঁ জোনো মোৰ মান বুৰে।।

এহি বুলি দেৱ মাতা কৰন্ত ক্ৰন্দন।
কৈক গৈলা ইন্দ্ৰ পুতাই ফুলৰ নন্দন।।
কোন স্থানে আছা আৰে ভিক্ষা মাগি খাই।
খাৰতো নখাইবে হৈল তোহোৰ বিলাই।।
হৰি হৰি শচী আই পচিলি দুখতে।
ইটো ঘোৰ নিকাৰত জীবি কেন মতে।।
ইটো চক্ষু আৰ তোৰ নেদেখিলো ভাল।
কিনো বিধি লিখিলেক মোহোৰ কপাল।।
কৰন্ত বিলাপ এহিমতে মহাসতী।
বামনে প্ৰবোধ দেন্ত অনেক যুগুতি।।
এৰিয়া সন্তাপ মাৱ মলচিয়ো মুখ।
চক্ৰাকাৰে ফুৰে সংসাৰৰ সুখ দুখ।।
আপদ সম্পদ আসি মিলে কৰ্ম্ম গতি।
দৈৱক বাধিবে পাৰে কাহাৰ শকতি।।
হেন জানি মাৱ মন কৰিয়োক স্বস্থ।
গুচিব বিপদ সবে পাইবা মনোৰথ।।
কত দেখি থাকিবো তোমাৰ হৃদি খেদ।
কৰো আজি সমস্তে দুখৰ পৰিচ্ছেদ।।
হেন জানা ত্ৰিদশৰ খণ্ডিল দুৰ্গতি।
এহিসে কাৰণে জানা মোৰ উতপতি।।
মই অগনিক কি কৰিবে দৈত্য তৃণে।
সিংহক জোঙ্কাইতে পাৰে ক্ষুদ্ৰ যে হৰিণে।।
যাওঁ যজ্ঞ শালা মই দিয়ো অনুমতি।
হেন শুনি পাছে তুষ্ট ভৈলন্ত অদিতি।।
কৰাইলা পুত্ৰৰ যাত্ৰা দীপ ঘট পাতি।
দিয়াইলা উৰুলি কন্যাগণ অনাই মাতি।।
শিৰে দুৰ্ব্বাক্ষত দিলা আশীৰ্ব্বাদ পঢ়ি
শুভক্ষণ বেলাত বামন যান্ত লৰি।।
মধ্যাহ্নৰ সূৰ্য্য যেন দেহা কৰে জ্যোতি।
হাতে দিব্য কমণ্ডলু কান্ধে নৱ ছাতি।।

কটিত কৌপীন উৰে অজিন উত্তৰী।
ব্ৰহ্ম ঋষিগণ যান্ত চৌপাশে আবৰি।।
সিদ্ধগণে স্তুতি বোলে আকাশত থাকি।
বৰিষন্ত পুষ্প বামনৰ কায় ঢাকি।।
মন্দ সুগভীৰ মেঘে আকাশত গাজে।
দেৱ বাদ্য যতেক আপুনি সবে বাজে।।
হেন সুমঙ্গলে চলি যান্ত হৃষীকেশ।
ধৰি আতি অদ্ভুত বালক বটু বেশ।।
স্বৰ্গ এৰি পৃথিৱীক পাইলা কতোক্ষণে।।

—————— × —————— × ——————

কপট বামনে পাচে। চলি যান্ত দিব্য কাচে।।
পৰম গম্ভীৰ ভাৱে। কাম্পো ভূমি পাৱে।।
অগনিৰ শিখা প্ৰায়। শৰীৰ জ্বলন্তে যায়।।
ঋষিগণে বেদ পঢ়ি। চতুৰ্ভিতি যান্ত বেঢ়ি।।
মেঘে আকাশত থাকি। ছায়া কৰি যান্ত ঢাকি।।
সমস্ত দেৱতাচয়ে। মেঘত লুকাৱে ভয়ে।।
বামনৰ লগে যান্ত। ভুমুকি পাৰিয়া চান্ত।।
হুয়োক বামন জয়। খণ্ডোক আমাৰ ভয়।।
দেখি ৰূপ যত নাৰী। চাই থাকে শাৰী শাৰী।।
পৰম সুন্দৰ মুখ। দৰশনে হৰে দুখ।।
আনন্দে লোতক ঝৰে। নেত্ৰে যেন পান কৰে।।
দেখি ৰূপ বিপৰীত। তাহান্ত মজিল চিত্ত।।
আন নভাসয় আখি। বামনৰ ৰূপ দেখি।।
চলি যান্ত ধীৰে ধীৰে। নৰ্ম্মদা নদীৰ তীৰে।।
দিব্য বটু ৰূপ ধৰি। চলন্ত বামন হৰি।।
যেন অগনিৰ জ্বালা। পাইলা গৈয়া যজ্ঞশালা।।

ভাগৱতৰ ৮/১৮/২১-২৬ সংখ্যাৰ মুঠ ছটা শ্লোকত পোৱা তথ্য অনুসৰি পদ্যাংশৰ কিছু কথা একাৰ্থক হলেও গুৰুজনাৰ হস্ত পৰশত নতুন ৰূপ পাইছে। অসমীয়া ৰূপ এনে ধৰণৰ -

(২১) নৰ্ম্মদা নদীৰ উত্তৰ পাৰে ভৃগু কচ্ছ নামৰ ক্ষেত্ৰত উত্তম যজ্ঞ প্ৰৱৰ্ত্তক শুক্ৰাচাৰ্য্যাদি ঋত্বিক সকলে বামন ৰূপী বিষ্ণুক উদিত সূৰ্য্যৰ নিচিনা দেখিবলৈ পালে।

(২২, ২৩) বামনৰ তেজৰ দ্বাৰা নিষ্প্ৰভ সেই ঋত্বিক সকল, বলি আৰু সদস্য সকলে চিন্তা কৰিবলৈ ধৰিলে এনে প্ৰকাৰে যে যজ্ঞ দৰ্শন কৰিবলৈ সূৰ্য্য, অগ্নি, সনৎ কুমাৰ আহিছে নেকি? তেওঁলোকে তেনে প্ৰকাৰে তৰ্ক বিতৰ্ক কৰি থকা অৱস্থাতে বামনে দণ্ড ছত্ৰ আৰু জল পূৰ্ণ কমণ্ডলু ধাৰণ কৰি অশ্বমেধ যজ্ঞস্থলত প্ৰবেশ কৰিলে।

(২৪, ২৫, ২৬) ককাঁলত মুঞ্জতৃণ নিৰ্ম্মিত মেখলাৰ নিবদ্ধ, উপবীততুল্য মৃগচৰ্ম্মৰ উত্তৰী, মূৰত জটা বিপ্ৰৰূপী বামন যজ্ঞত প্ৰবেশ হোৱাত সশিষ্য ভৃগুবংশীয় বিপ্ৰগণ অগ্নিসহ তেজৰ দ্বাৰা অভিভূত হৈ সাদৰে অভ্যৰ্থনা কৰিলে। প্ৰিয় দৰ্শন, মনোৰম, সৰ্ব্বাঙ্গ সুন্দৰ বামুনৰূপী বিষ্ণুক দেখি যজ্ঞমান বলি প্ৰীত হৈ আসন আগবঢ়াই দিলে।

গুৰুজনাৰ সৃষ্টিমূলক অনুবাদ এনেধৰণৰ -

অনন্তৰে বলিৰাজা। যত আছে দৈত্য প্ৰজা।
বামনক দেখিলন্ত। উঠি সবে নিহালন্ত।।
যত পুৰোহিত ঋষি। বামনৰ ৰশ্মি আসি।
নিষ্প্ৰভ কৰিল আতি। সূৰ্য্য আগে যেন বাতি।।
সমস্তে নিস্তেজ প্ৰাই। অন্যো অন্যে বোলে চাই।
দেখা আসে কোন ঋষি। জানিলোহো বিমৰিষি।।
আসন্ত আদিত্য চলি। চাহিবাক যজ্ঞ স্থলি।
কেহো বোলে হুতাশন। আসি ভৈল উপসন্ন।।
যজ্ঞ দান অভিলাষে। সনত কুমাৰ আসে।
কৰিবে নপাৰো থিৰ। বামনৰ পয়োভাৰ।।
প্ৰতি পাৱে কাম্পে ভূমি। উৰ্দ্ধমুখে ঝুমাঝুমি।
উঠি চাবে সামৰাজ। যজ্ঞৰ এৰিয়া কাজ।।
অনন্তৰে কপট বামন বনমালী।
ঋষিগণ সমে প্ৰবেশিলা যজ্ঞ শালী।।
কৌপীনৰ ভূনি আতি লোটয় মাটিত।
কুশৰ মেখলা বান্ধি আছয় কটিত।।

অজিন উত্তৰী নৱগুণ যেন উৰে।
বিচিত্ৰ পিঙ্গল জটাজুট শোভে শিৰে।।
একহাতে আছে কমণ্ডলু ব্ৰহ্মদণ্ড।
আউৰ হাতে ধৰিয়া আছন্ত ছত্ৰ দণ্ড।।
ললিত বলিত সৰ্ব্ব অঙ্গ সুকুমাৰ।
শৰীৰৰ জ্যোতিক দেখন্তে চমৎকাৰ।।
যেন অগ্নি খণ্ড বাল্ক ভৈলা মূৰ্ত্তি ধৰি।
ঋত্বিজ আচাৰ্য্যে আগ বাঢ়িল সাদৰি।।
বামনক দেখি বলি উত্ৰাৱল মন।
মাথাত কৰিয়া দিলা সুবৰ্ণ আসন।।
ৰাজাক আশংসি তাতে বসিলা মুৰাৰি।
আনো ঋষিগণক আসন দিলা পাৰি।
বসিয়া পাতিলা সবে বহল সমাজে।
বামনক দেখিয়া আনন্দ দৈত্যৰাজ।।

একে স্কন্ধৰ একে অধ্যায়ৰ ২৭-৩২ শ্লোক পৰ্য্যন্ত মুঠ ছটা শ্লোকৰ অনুবাদ কৰোতে গুৰুজনাই কিমান সৃষ্টিমূলক বৰ্ণনা কৰিছে তাৰ উদ্ধৃতি দিয়া হল। তলত অসমীয়া এনেধৰণৰ —

(২৭, ২৮, ২৯,)- ইয়াৰ পিছত দৈত্যেন্দ্ৰ বলিয়ে স্বাগত সম্ভাষণেৰে বামনৰ্ পদ বন্দন আৰু প্ৰক্ষালন কৰি আত্মাৰাম যোগীগণৰ চিত্তৰ আনন্দজনক সেই বিষ্ণুক অৰ্চ্চনা কৰিলে। মহাদেৱ শিৱই যি পাদোদক পৰম ভক্তিৰে নিজ মস্তকত ধাৰণ কৰি থাকে, বলিয়েও প্ৰাণী পাপহাৰী বিষ্ণুৰ সেই পাদোদক শিৰত ধাৰণ কৰিলে। বলিয়ে কলে- আপুনি সুখেৰে আগমন কৰিছেনে? আপোনাক নমস্কাৰ জনাইছোঁ। আপোনাৰ কি কাৰ্য্য সাধন কৰিম বাৰু। আমি ভাবিছোঁ- ব্ৰহ্মৰ্ষি সকলৰ মূৰ্ত্তিধাৰী সাক্ষাৎ তপস্যাৰ প্ৰভাৱতে সম্ভৱ হৈছে।

(৩০, ৩১, ৩২) আপুনি আমাৰ গৃহাগত হৈছে। আমাৰ পিতৃসকল আজি পৰিতৃপ্ত হৈছে আৰু আমাৰ বংশ পৱিত্ৰ তথা অশ্বমেধ যজ্ঞ সুসম্পন্ন হল। আজি আমাৰ অগ্নিসমূহ যথোবিধি হোম কৰ্ম্মত যুক্ত হৈছে। আপোনাৰ পাদোদক স্পৰ্শত আমি পাপশূন্য হলোঁ আৰু আপোনাৰ সুকোমল ক্ষুদ্ৰ পদ স্পৰ্শ কৰি এই পৃথিবী পৱিত্ৰা হৈ পৰিছে। হে বামন! আপুনি যি যি বস্তু কামনা কৰে, সেয়া আমাৰ পৰা গ্ৰহণ কৰক। যিহেতু আপোনাক প্ৰাৰ্থী বুলি জানিব পাৰিছোঁ। হে পূজ্য! গো, সুবৰ্ণ,

উৎকৃষ্ট ভৱন, অন্ন, বিপ্ৰকন্যা, সমৃদ্ধ গ্ৰাম, অশ্ব, হস্তী, ৰথ ইত্যাদি যি আপোনাৰ অভিপ্ৰেত হয়, তাকে আমাৰ পৰা গ্ৰহণ কৰক।

গুৰুজনাৰ অনুবাদ —

কৰ যোৰে প্ৰদক্ষিণ কৰি সাতবাৰ।
দণ্ডৱতে পৰিয়া কৰিলা নমস্কাৰ।।
উঠিয়া আনন্দে আপোনাৰ মেলি চুলি।
বামনৰ চৰণৰ মলচিলা ধূলি।।
সুবৰ্ণৰ পাত্ৰ যোগাইলন্ত বিন্ধ্যাবলী।
বামনৰ পাদ পদ্ম পখালিলা বলি।।
ভৃঙ্গাৰ ধৰিয়া পটেশ্বৰী দেন্ত পানী।
পৰম আনন্দে অৰ্চ্চিলন্ত দুয়ো প্ৰাণী।।
কৰিলন্ত দৈত্যেশ্বৰে পাদোদক পান।
শিৰত ঢালিয়া ৰঙ্গে কৰিলন্ত স্নান।।
যিটো পাদোদক হৰে ধৰি আছে শিৰে।
সিটো জলে দৈত্যেন্দ্ৰে তিয়াইলা সশৰীৰে।।
কৃতকৃত্য হুয়া পাছে মহাৰাজ বলি।
বামনক মাতিলন্ত কৰি কৃতাঞ্জলি।।
কুশলে কি ভৈলা যজ্ঞশালাত প্ৰবেশ।
কোন কৰ্ম্ম কৰো মোক কৰিয়ো আদেশ।।
কিমতে হাণ্ঠিলা পথ সুকোমল ভৰি।
কিবা আসি আছা সবে তপে মূৰ্ত্তি ধৰি।।
অল্প বয়সতে ভৈলা অদ্ভুত প্ৰভাৱ।
কিবা তপ কৰিলে তোমাৰ বাপ মাৱ।।
তযু আগমনে ভৈলা সাফল্য যজ্ঞৰ।
জানিলো সন্তুষ্ট মোত ভৈলা চৰাচৰ।।
ভৈলন্ত তৃপিতি পিতৃ যতেক আমাৰ।
দানৱ কুলক সবে কৰিলা উদ্ধাৰ।।
যেন পূণ্য পাইলো পাদোদকে কৰি স্নান।
কোটি অশ্বমেধ যাক নুহিকে সমান।।
পৃথিবীক আসি আছা জানিলো ইঙ্গিত।।

যিবা লাগে বটু আবে খোজা ধন বিত।।
সুবৰ্ণ ৰজত আনো অমূল্য ৰতন।
মাগা দেওঁ বিশিষ্ট বিপ্ৰৰ কন্যাগণ।।
দাসী দাস গ্ৰাম্য দেশ ৰথ গজ বাজি।
খোজা মানে দিবো মোৰ অঙ্গীকাৰ আজি।।

ভাগৱতৰ ৮/১৯/১ সংখ্যাৰ পৰা বলিয়ে কৰা প্ৰশ্ন তথা অভ্যৰ্থনাৰ উত্তৰসমূহ বামনদেৱে দিয়া আৰম্ভ কৰিছে। ইয়াতো গুৰুজনাৰ হস্তত সৃষ্টিমূলক ৰসাল পৰশ পৰিছে। ত[illegible]ত অসমীয়া ৰূপ উদ্ধৃতি দিয়া হল -

(১) হে [illegible]াজন! তোমাৰ প্ৰীতিকৰ ধৰ্ম্মযুক্ত যশস্কৰ বাক্য বংশানুৰূপেই হৈছে। তে[illegible]াৰ পাৰলৌকিক ধৰ্ম্ম বিষয়ে ভৃগুবংশীয় বিপ্ৰগণ আৰু কুলবৃদ্ধ প্ৰশ[illegible]ন্ত চিত্ত পিতামহ প্ৰহ্লাদেই দৃষ্টান্ত স্থল।

(২) যি [illegible]নে দান কৰাৰ প্ৰতিশ্ৰুতি দি বিপ্ৰক দান নকৰে- তেনেকুৱা কোনো লোক তোমাৰ বংশত নিৰ্ধন বা কৃপণ লোক জন্মগ্ৰহণ কৰা নাই।

(৩) যি বংশত নিৰ্ম্মল যশস্যাৰ দ্বাৰা ভক্ত প্ৰহলাদ আকাশত পূৰ্ণ চন্দ্ৰৰ নিচিনা শোভিত হৈ আছে, তোমাৰ সেই বংশত এনেকুৱা কোনো অজ্ঞ ব্যক্তি কেতিয়াও জন্মগ্ৰহণ কৰা নাই যে যি ব্যক্তি যুদ্ধত অথবা দানৰ সময়ত বিপ্ৰাদি প্ৰাৰ্থীসকলক দান দিয়াত বিমুখ হৈছে।

(৪) যি বংশত হিৰণ্যাক্ষ জন্মগ্ৰহণ কৰি দিগ্বিজয়ৰ সময়ত একাকী গদা ধাৰণ কৰি এই পৃথিবী মণ্ডল ভ্ৰমণ কৰিওঁ প্ৰতিযোদ্ধা বীৰ পোৱা নাছিল।

(৫) পৃথিবী উদ্ধাৰৰ সময়ত সমাগত হিৰণ্যাক্ষক বিষ্ণুৱে অতি কষ্টেৰে জয় কৰি তেওঁৰ বীৰত্ব বাৰম্বাৰ স্মৰণ কৰি নিজকে জয়ী হলোঁ বুলি ভবা নাছিল।

(৬) পুৰণি কালত হিৰণ্যকশিপুৱে ভায়েকৰ মৃত্যু হোৱা বুলি শুনি ক্ৰোধান্বিত হৈ ভাতৃ হন্তা বিষ্ণুক বধ কৰিবলৈ বিষ্ণুলোকলৈ যাত্ৰা কৰিছিল।

(৭) যম সদৃশ শূলধাৰী হিৰণ্যকশিপু অহা দেখি কাল, মায়াৰ অধিকাৰী বিষ্ণুৱে চিন্তা কৰিবলৈ ধৰিলে।

(৮) প্ৰাণীসকলক মৃত্যুৱে যেনেকৈ অনুসৰণ কৰি থাকে, তেনেকৈ আমি যেনি যেনি আহি আছোঁ, দৈত্যও সেইপিনেই আহি আছে। সেই কাৰণে অন্তৰ্দৃষ্টিহীন এই দৈত্যৰ হৃদয়ত প্ৰৱেশ কৰিম।

(৯) বিষ্ণুৱে ইয়াকে স্থিৰ কৰি সেই দৈত্যৰ শ্বাস বায়ুৰ মাজেদি অন্তৰ্নিহিত

সূক্ষ্ম দেহ ধাৰণ কৰি তাৰ নাসা ৰন্ধ্ৰইদি ধাবিত দৈত্যৰ শৰীৰত প্ৰবেশ কৰিলে।

(১০) দৈত্যই বিষ্ণু মন্দিৰ শূন্য দেখি অন্যান্য সকলোতে বিচাৰি বিষ্ণুক নেদেখি ক্ৰোধতে সিংহনাদ কৰি পৃথিবী, স্বৰ্গ, অন্তৰীক্ষ, দশদিক, বিবৰ, সাগৰ প্ৰভৃতি সকলো স্থানত বিচাৰি কৰিও বিষ্ণুক দেখা নাপালে।

(১১) বিষ্ণুক নেদেখি দানবে বুলিলে-'আমি পৃথিবী অন্বেষণ কৰিলোঁ, কিন্তু কতো ভাতৃ হন্তা বিষ্ণুক নেদেখিলোঁ। মোৰ ধাৰণা সেই ভাতৃঘাতী বিষ্ণু সেই ঠাইলৈকে গৈছে যি ঠাইলৈ গলে প্ৰাণীসমূহ পুনৰ ঘূৰি আহিব নোৱাৰে।

(১২) সেই বিপ্ৰ প্ৰিয় প্ৰহ্লাদ পুত্ৰ তোমাৰ পিতা বিৰোচনে দেৱগণেই যে বিপ্ৰ বেশেৰে আহিছে সেই কথা জানিও প্ৰাৰ্থিত হৈ অহা বিপ্ৰ ৰূপ ধাৰী দেৱতা সকলক নিজৰ পৰমায়ু প্ৰদান কৰিছিল।

(১৩, ১৪) গৃহস্থ বিপ্ৰসকল আৰু তোমাৰ পূৰ্ব্ব পুৰুষ সকল আৰু অন্যান্য বিপুল কীৰ্ত্তিশালী মহাবীৰ সকলৰ আচৰণ কৰা ধৰ্ম্ম তুমি পালন কৰিছা। সেই কাৰণে হে দানৱৰাজ! বৰ দাতাসকলৰ মাজত শ্ৰেষ্ঠ তোমাৰ ওচৰত আমি পদ পৰিমিত তিনিপদ ভূমি বিচাৰিছোঁ।

আমি পূৰ্ব্বতে উল্লেখ কৰা ৮/১৯/১-১০ শ্লোকলৈকে থকা বিবৰণ খিনিৰ ভিতৰত তেৰ আৰু সোতৰ সংখ্যাৰ শ্লোক দুটি বাদ দি গুৰুজনে মুঠ পোন্ধৰটি শ্লোকৰ অনুবাদ কৰাৰ লগতে নিজৰ সৃষ্টিমূলক বৰ্ণনা কেনেদৰে দিছে তলত পদৰ উদ্ধৃতি দিয়া হল —

হেন শুনি কপট বামনে পাছে হাসি।
মাতন্ত বলিক চাই দশন প্ৰকাশি।।
ধন্য ধন্য কুলৰ প্ৰদীপ দৈত্যৰাজ।
ভৈলো মহা সন্তুষ্ট তোমাৰ দেখি কাজ।।
যাৰ পিতামহ ভৈল বৈষ্ণৱ প্ৰহলাদ।
একো কালে নাহি জানা তাহাৰ প্ৰমাদ।।
মহা জ্ঞানী শুক্ৰ ঋষি যাৰ পুৰোহিত।
তাৰ কি হইবেক আৰ নেদিবাৰ চিত।।
তোমাৰ বংশত নভৈলেক একোজন।
নিৰ্দ্দয় কুদাতা দুখী দৰিদ্ৰ কৃপণ।।

সবে মহাবৰা সৰ্ব্বকালে যাৰ সুখ।
কদাচিতো মাগন্তাক নকৰে বিমুখ।।
উপৰি বংশৰ কথা শুনা বলিবায়।
হিৰণ্যাক্ষ হিৰণ্যকশিপু দুই ভাই।।
স্বৰ্গত ভৈলন্ত ৰাজা ইন্দ্ৰক খেদাই।
হিৰণ্যাক্ষ ফুৰে পাছে পৃথিবী কম্পাই।।
কৰে গদা ধৰি যেন দিগ্‌গজ প্ৰবুদ্ধ।
সকলে পৃথিবী খুজি নপাইলেক যুদ্ধ।।
পাছে সাগৰত মাগিলেক যুদ্ধ দান।
দেখিয়া সাগৰ ভয়ে তৰতৰিমান।।
দৈত্যক বোলন্ত তোক বলে নোহো সম।
বৰাই স্বৰূপে হৰি তোৰ হৈব যম।।
অনন্ত জলৰ হন্তে পৃথিবী উদ্ধাৰি।
যুদ্ধ লাগে যেবে তাঙ্ক ধাৱ শীঘ্ৰ কৰি।।
হেন শুনি হিৰণ্যাক্ষে গদাগোট তুলি।
সাগৰক এৰি ধাইল বৰাহক বুলি।।
বৰাহে ধাইলেক পাছে পৃথিবীক থৈ।
দেখি দৈত্য কোবেক বৈসাইলা গদা লৈ।।
বৰাহো দিলন্ত পাছে লাঠিৰ প্ৰহাৰ।
চৰৰতে গাল কৰিলেক ভিগুাকাৰ।।
দুইকো দুই পাছে ধৰিলেক মাল বান্ধে।
কৰে জৰাজৰি কৰি ভৰি ভৰি চান্দে।।
হাৰ ঘাৰ মাৰে কতো গোৰ ঘৰাকাতি।
প্ৰাণৰ সঙ্কট কতো দুইৰো মিলে আতি।।
আছাৰন্ত বৰাহে দৈত্যক হুঁ-বুলি।
দানৱে আছাৰে মহা বৰাহক তুলি।।
অনেক হাজাৰ যুগ নাহি ভঙ্গ জয়।
দুই হানো যুদ্ধতে যাই জগতে প্ৰলয়।
মহা ছোটে বৰাহে দেখন্ত ধোঁৱা কুই।
সমুখে নুৱাৰি ধৰিলন্ত পাছ হুই।।

কঙ্কালত ধৰি তুলি পেলাইলা আক্ৰান্তে।
উপৰত উঠি ছিৰি পেলাইলন্ত দান্তে।।
হিৰণ্যাক্ষ বীৰক মাৰিয়া কথমপি।
জিনিলোহো নোবোলয় বৰাহে তথাপি।।
হিৰণ্যাক্ষ বীৰৰ মহিমা কি কহিবো।
যাহাৰ প্ৰহাৰে হৰি বোলন্ত নিৰ্জীবো।।
আজিয়ো দুখাই গাব মহাপীড়া পাই।
শুনা যেন কৰিলে তাহাৰ জ্যেষ্ঠ ভাই।।
ভাতৃ বধ শুনি পাছে হিৰণ্যকশিপু।
বোলে মাধৱত বিনে মোৰ নাহি ৰিপু।।
ক্ৰোধে শূল ধৰিয়া অসুৰ মহা ৰাগি।
দিলেক লৱৰ ভিৰি বৈকুণ্ঠক লাগি।।
যুগান্তৰ যম যেন ক্ৰোধে খেদি যাই।
অশেষ গৰ্জ্জন কৰি স্বৰ্গক কম্পাই।।
হেন দেখি হৰি পাছে চিন্তন্ত উপায়।
ইটো ঘোৰ দৈত্যে পাইলে মোৰ ৰক্ষা নাই।।
যৈকে যৈকে যাইবো তৈকে তৈকে যাইবে খেদি।
ইহাৰ হাতৰ নেৰাও ব্ৰহ্মাণ্ডক ভেদি।।
প্ৰাণীগণে নেৰাই যেন যমৰাইৰ দাই।
দৈত্যৰ হাতত মোৰ ভৈল সেহি প্ৰাই।।
একোৱে প্ৰকাৰে তাক নাটো মই যুজি।
পলাইবাক লাগি মই ঠায়ো নপাও খুজি।।
পৰিলোহো আজি মই দৈত্যৰ হাতত।
এহি বুলি নাৰায়নে গুনন্ত মনত।।
কতো বেলি গুণন্তে উপায় পাইলা পাছে।
পলাইবাৰ ঠাই মোৰ ওচৰতে আছে।।
মায়া কৰি অসুৰৰ হিয়াত লুকাওঁ।
ইটো দাৰুণৰ হাত তেবেসে এৰাওঁ।।
হেন বিমৰিষি পাছে আথে বেথে হৰি।
ভৈল অনু প্ৰমাণ তেখনে মায়া কৰি।।

নাসিকাৰ পথে গৈয়া বায়ুৰ লগত।
লুকায়া থাকিলা হিৰণ্যৰ উদৰত।।
হিৰণ্যকশিপু পাছে হাতে শূলধৰি।
বিচাৰিলা বৈকুণ্ঠত পিটাপিটি কৰি।।
বিষ্ণুক নপায়া লাগ তেজিলা আটাস।
স্বৰ্গ মৰ্ত্ত্য পাতালত লাগিল তৰাস।।
ভূমিত পৰিল গৰ্ভিণীৰ গৰ্ভ খসি।
বিচাৰিলা পাছে সাতো খন স্বৰ্গ পশি।।
তৈতো যেবে মাধৱক নপাইলেক লাগ।
সাতো পৃথিৱীক বিচাৰিলা মহাভাগ।।
বিষ্ণুক নপায়া পাছে দৈত্য বলীয়াৰ।
সাতো পাতালক পাছে কৰিলা বিচাৰ।।
পাতালত বিষ্ণুক নপাইলা যেবে ভেট।
হিৰণ্যকশিপু গুণে মাথা কৰি হেঠ।।
জল স্থল আকাশত বিচাৰিলো ফুৰি।
নপাইলোহো লাগ কৈক গৈলা ভাতৃ বৈৰী।।
কৈতো ঠাই নপাই ৰৈবে মাধৱ ডৰিল।
নিশ্চয়ে জানিলো মোৰ ভয়তে মৰিল।।
যেবে জীৱ হন্তে কেনে নপাইলোহো লাগ।
মৰা মাধৱক লাগি এৰিলোহো ৰাগ।।
যাৱে জীৱে মানে তাৱে কৰিবে কন্দল।
মৃতকক হিংসা কৰিবাৰ কোন ফল।।'
এহি বুলি দৈতেশ্বৰ নিবৰ্ত্তিলা পাছে।
হিৰণ্যকশিপু সম কোন বীৰ আছে।।
কতেক কহিবো তাৰ মহিমা সম্বাদ।
যাৰ পুত্ৰ ভৈলা মহা বৈষ্ণৱ প্ৰহ্লাদ।।
কি কহিবো প্ৰহ্লাদৰ মহা যশ ৰাশি।
যাক ৰক্ষা কৰিল আপুনি হৰি আসি।।
বাপখনে মাৰিলেক অনেক বিগুতি।
প্ৰাণান্তিকো নেৰিলেক হৰিত ভকতি।।

যাহাৰ নিৰ্ম্মল কীৰ্ত্তি দশোদিশ খ্যাত।
তযু পিতা বিৰোচন তাহ্নে ভৈলা জাত।।
মহা জ্ঞানী দেৱ দ্বিজ বিষ্ণুত ভকত।
যম সম পৰাক্ৰম বৈৰতো শকত।।
যুদ্ধে নপাৰিয়া তাঙ্ক পাছে দেৱগণ।
ব্ৰাহ্মণৰ বেশে গৈয়া ভৈলা উপসন্ন।।
ছলে সত্য কৰাই পাছে মাগিলন্ত প্ৰাণ।
বিৰোচনে সত্যত প্ৰাণক দিলে দান।।
তাহান তনয় তুমি ধৰ্ম্মত নিপুণ।
মোৰ মুখে তোমাৰ বৰ্ণাইবো কত গুণ।।
যাৰ দান ধৰ্ম্মে সবে ব্যাপিল সংসাৰ।
কুলৰ কমল ফুল বংশৰ উদ্ধাৰ।।
তোমাত বিমুখ নভৈলেক একো প্ৰাণী।
দাতা বুলি তোমাকেসে জগতে বখানি।।
দশোদিশে যশ ৰাশি কৰিলা প্ৰকট।
দৌলৰ উপৰে যেন তুমি ভৈলা ঘট।।
মোৰ প্ৰয়োজন আৰে শুনা ৰাজা তুমি।
মাগো মই দিয়া মোক তিনি পদ ভূমি।।
মোহোৰ ভৰিৰ জোখা কৰি দিয়া দান।
এহিসে প্ৰাৰ্থনা কৰো নমাগোহো আন।।

বামনৰ ত্ৰিপাদ ভূমি প্ৰাৰ্থনাৰ পিছত বলিয়ে ৮/১৯/১৮-২০ শ্লোক পৰ্য্যন্ত তিনিটি শ্লোকত তেওঁৰ অভিমত ব্যক্ত কৰিছে। ইয়াতো গুৰুজনাই নিজৰ ধাৰণামতে মূলৰ সূত্ৰ সামান্য মাত্ৰ ৰাখি সুন্দৰকৈ সজাইছে। তলত অসমীয়া ৰূপ ব্যক্ত কৰা হল -

(১) বলিয়ে কলে, হে বিপ্ৰকুমাৰ। আপোনাৰ বাক্য প্ৰাচীন সকলৰ অভিমত। কিন্তু আপুনি বালক, অজ্ঞমতি যেনেকৈ স্বাৰ্থ বিষয়ত অনভিজ্ঞ, আপোনাৰ বুদ্ধিও স্বাৰ্থ বিষয়ত মূৰ্খৰ দৰে জ্ঞানহীন।

(২) আমি ত্ৰিলোকাধিপতি আৰু একোটি দ্বীপ পৰ্য্যন্ত দান কৰিব পাৰোঁ। কিন্তু আপুনি আমাৰ ওচৰত নিৰ্ব্বোধৰ দৰে ত্ৰিপাদ ভূমি প্ৰাৰ্থনা কৰিছে।

(৩) হে বিপ্ৰ! মনুষ্যই আমাৰ ওচৰত দান গ্ৰহণ কৰি কৃতাৰ্থ লাভ কৰে। তেওঁ পুনৰ আনৰ ওচৰত ভিক্ষা কৰিবগৈ নালাগে। সেয়ে আপুনি আমাৰ ওচৰত জীৱিকা নিৰ্ব্বাহৰ উপযোগী ভূমি প্ৰাৰ্থনা কৰক।

গুৰুজনাৰ অনুবাদ —

হেন শুনি হাসি বলি বুলিলা বচন।
কিনো অল্প বুদ্ধি তুমি ব্ৰাহ্মণ নন্দন।।
যতেক কহিলা মানে পণ্ডিতৰ মত।
আপোন কাৰ্য্যত কেনে বুদ্ধি ভৈলা হত।।
মইসে ঈশ্বৰ মোত পৰে নাহি আন।
সাতো দ্বীপ পৃথিবী দিবাক পাৰো দান।।
প্ৰশংসা বচনে মোক আৰাধিলা তুমি।
কিসক মাগিলা মোত তিনি পদ ভূমি।।
যেন মহা দুখীত দৰিদ্ৰ কোন জন।
কুবেৰক পায়া সিটো খোজে অল্পকণ।।
ৰত্ন দ্বীপো পায়া হেন পাইলেক বিবুধি।
বালিক নাৱত তোলে ৰত্নক নুসুধি।।
সেহি মতে মোত তিনি পদ ভূমি খোজা।
যিবা দিয়ে যিবা লৱে দুইৰো মহা লজ্জা।।
একবাৰ মাগে মোক যিবা লাগ পাই।
কৰো অদৰিদ্ৰ আউৰ নমাগে দুনাই।।
আশা কৰি আইলা বটু মোহোৰ সমীপ।
প্ৰাৰ্থিয়োক মোত মই দেওঁ সাত দ্বীপ।।

বলিৰ পূৰ্ব্বোক্ত বাক্যত বামনে দিয়া উত্তৰ সমূহ মূলৰ ৮/১৯/২১-২৯ সংখ্যাৰ শ্লোকনৈকে মুঠ নটা শ্লোকত ব্যক্ত কৰা হৈছে। অসমীয়া ভাঙনি কৰি দিয়া হল।

(১) বামনে ক'লে হে নৃপতি! ত্ৰিভুবনত যিমানবোৰ প্ৰিয় বস্তু আছে, সেই সকলোবিলাক পালেও কামনাভিলাষী সকলৰ মন পূৰণ কৰিব নোৱাৰে।

(২) ত্ৰিপাদ ভূমি পায়ো যি ব্যক্তি অসন্তুষ্ট, তেওঁক নৱবৰ্ষ সহিত দ্বীপ দান কৰিলেও পৰিতৃপ্ত নহয়, পুনৰ তেও সপ্ত দ্বীপ লাভৰ কাৰণে কামনা কৰিব।

(৩) সপ্ত দ্বীপৰ অধিপতি হৈয়ো বৈণ, গয়াদি ৰজাসকলে ধন আৰু ভোগৰ দ্বাৰা তৃষ্ণাৰ পাৰ নাপালে। এইবোৰ আমি শুনি আহিছোঁ।

(৪) যি পাইছে তাতে সন্তুষ্ট থাকিলে তেওঁ সুখী হয়। অসন্তুষ্ট অজিতেন্দ্ৰিয় ব্যক্তিয়ে ত্ৰিভুবন পালেও সুখী নহয়।

(৫) অৰ্থ আৰু কামনাই অসন্তুষ্ট লোকৰ সংসাৰ বন্ধনৰ কাৰণ আৰু যি পাইছে, তাতে সন্তুষ্ট থকাটো মুক্তিৰ কাৰণ।

(৬) যথালাভে সন্তুষ্ট বিপ্ৰৰ তেজস্বীতা বৃদ্ধি হয়। কিন্তু জলৰ দ্বাৰা অগ্নি যেনেকৈ নিৰ্ব্বাপিত হয়, সেইদৰে অসন্তুষ্টৰ দ্বাৰা ব্ৰহ্ম তেজস্বীতা নষ্ট হৈ যায়।

(৭) সেইকাৰণে বৰদাতাৰ অগ্ৰণী তোমাৰ পৰা আমি ত্ৰিপাদ পৰিমাণৰ ভূমিকে বিচাৰোঁ। কাৰণ তাকে পালেই আমি কৃতাৰ্থ হম। যিহেতু প্ৰয়োজনানুসাৰে ধন লাভতে সুখ হৈ থাকে।

(৮) শুকদেৱে কলে- হে ৰাজন। বামনে এনে বুলি কোৱাত বলিয়ে হাস্য কৰি কলে। আপোনাৰ যি ইচ্ছা তাকে গ্ৰহণ কৰক। এই বুলি ভূমি দান কৰিবলৈ জলপাত্ৰ গ্ৰহণ কৰিলে।

(৯) জ্ঞানী শ্ৰেষ্ঠ শুক্ৰাচাৰ্য্যই বামনৰ অভিলাষ জানিব পাৰি ত্ৰিপাদ ভূমি দান দিবলৈ উদ্যত শিষ্য দৈত্যৰাজক কবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ তুলি দিয়া হল —

হেন শুনি হাস্য কৰি বদতি বামন।
অজিজ্ঞাসিবাৰ কেনে বোলস বচন।।
ত্ৰিলোকত যত যত আছে ধনবান।
দিব্য নাৰী আছে যত সুন্দৰী প্ৰধান।।
যত দিব্য ঘৰ বাৰী বস্ত্ৰ অলঙ্কাৰ।
সবেয়ো নুপূৰে মন এক লুভীয়াৰ।।
পৃথু গয় আদি কৰি ৰাজা অপৰ্য্যন্ত।
অৰ্থৰ তৃষ্ণাৰ কেহো নপাইলেক অন্ত।।
সপ্ত দ্বীপা পৃথিৱী কৰিলা অধিকাৰ।
তথাপি বাঞ্ছাৰ কেহো নপাইলেক পাৰ।।
ইন্দ্ৰিয়ক জিনি যিবা এৰিলে আক্ৰোশ।
সি সি মহা সুখী যিটো অল্পতে সন্তোষ।।

অসন্তুষ্ট প্ৰাণীৰ নখণ্ডে মন দুখ।
ত্ৰৈলোক্যৰ লক্ষ্মী পাইলে নাহি তাৰ সুখ।।
যেহি পাৱে তাতে মহা তুষ্ট হোৱে মন।
তেৱেসে বিপ্ৰৰ তেজ বাঢ়ে অনুক্ষণ।।
অসন্তোষ সমস্তে তেজক কৰে ছাই।
যেন জল পৰি অগ্নি নিৰ্ব্বাণক পাই।।
হেন যানি ৰাজা মই এৰিলো আক্ৰোশ।
তিনি পদ ভূমি পাইলে মোহোৰ সন্তোষ।।
এতেকে কৃতাৰ্থ মোক নলাগয় আন।
প্ৰতিজ্ঞাক সাফলি সত্বৰে দিয়া দান।।
হেন শুনি হাসি বলি দিলন্ত উত্তৰ।
দৰিদ্ৰৰ মুখে কিবা আসিৱে বিস্তৰ।।
সংসাৰৰ সুখত বঞ্চিত ভৈলা তুমি।
লৈয়োক বামন বটু তিনি পদ ভূমি।।
মহাদৈক বোলন্ত ভৃঙ্গাৰ জল আন।
সঞ্চি হাতে উছৰ্গি বটুক দেঞো দান।।
নুহিকন্ত ব্ৰাহ্মণ সাক্ষাতে দেৱ হৰি।
বামন স্বৰূপে আসি আছে ছদ্ম কৰি।।
এহি বুলি বলি তিল কুশ লৈলা তুলি
শুক্ৰে নিষেধিলা অৰে ৰহ ৰহ বুলি।।

ত্ৰিপাদ ভূমি দান কৰিবলৈ শুক্ৰই বলিক কৰা বাধা প্ৰদান প্ৰসঙ্গত ভাগৱতে চৈধ্যটি শ্লোকত বহুতো যুক্তি দাঙি ধৰি নিজৰ মত সাব্যস্ত কৰিছে। গুৰুজনে (৮/১৯/৩০-৪৩) শ্লোক চৈধ্যটিৰ কিছু অংশ এৰা ধৰা কৰি নিজৰ মতে সজাইছে। তলত শ্লোকৰ অসমীয়া অনুবাদ প্ৰকাশ কৰা হল। ইয়াৰে ৩৮,৩৯,৪০,৪১,৪২ সংখ্যাৰ শ্লোক কেইটিৰ অনুবাদ গুৰুজনে কৰা নাই।

(১) শুক্ৰই কলে-হে বিৰোচন পুত্ৰ। এই বামন সাক্ষাৎ ভগবান অব্যয় বিষ্ণু। এওঁ দেৱগণৰ কাৰ্য্য সাধন কৰিবলৈ কশ্যপৰ পৰা অদিতিৰ গৰ্ভত জন্ম লৈছে।

(২) অনৰ্থ নাজানি তুমি এওঁক ভূমি দান কৰিবলৈ প্ৰতিশ্ৰুত হৈছা। সেই কাৰণে আমি ভাল পোৱা নাই। কাৰণ ইয়াৰ পৰা দৈত্যগণৰ অনিষ্ট

উপস্থিত হ'ল।

(৩) মায়া বিপ্ৰৰূপী এই বিষ্ণুৱে তোমাৰ স্থান, ঐশ্বৰ্য্য, শ্ৰী, তেজ, যশ, পাণ্ডিত্য গ্ৰহণ কৰি ইন্দ্ৰক অৰ্পণ কৰিব।

(৪) এই বিশ্বমূৰ্ত্তি বিষ্ণু ত্ৰিপাদ বিন্যাসৰ দ্বাৰা ত্ৰিভুবন আক্ৰমণ কৰিব। হে মূঢ়! তুমি বিষ্ণুক সৰ্ব্বস্ব দান কৰি নিজে থাকিব ক'ত?

(৫) এটি পদেৰে পৃথিবী, দ্বিতীয় পদেৰে স্বৰ্গ আৰু বিশাল শৰীৰৰ দ্বাৰা অন্তৰীক্ষ আক্ৰমণকাৰী বিশ্বৰূপ ভগৱানৰ তৃতীয় পদ পৰিমিত স্থান কত পাবা কোৱা।

(৬) তুমি প্ৰতিশ্ৰুত ভূমি দান কৰিব নোৱাৰিবা। কিন্তু তাকে কৰিব নোৱাৰিলে তোমাৰ নিশ্চয় নৰক বাস হব বুলি ভাবোঁ।

(৭) যাৰ দ্বাৰা জীৱিকা নষ্ট হয়, তেনেকুৱা দান পণ্ডিতে প্ৰশংসা নকৰে। কাৰণ জীৱিকা সম্পন্ন ব্যক্তিৰ দান, যজ্ঞ, তপস্যা, আৰু ধৰ্ম্ম হ'ব পাৰে।

(৮) ধৰ্ম্ম, কীৰ্ত্তি, ইষ্ট সাধন, ভোগ আৰু স্বজন তোষণৰ কাৰণে এই পাঁচবিধ দধনৰ বিভাগ কৰি যি অৰ্পণ কৰিব পাৰে, সেইজনেই ইহলোকত আৰু পৰলোকত সুখ লাভ কৰি থাকে।

(৯) উৎসাহ বাক্যৰ দ্বাৰা স্ত্ৰীলোকৰ বশীকৰণ কৰাত, পৰিহাসৰ সময়ত, বিবাহত, ধন সম্পদ ৰক্ষাৰ কাৰণে, গো বিপ্ৰৰ হিতৰ কাৰণে অথবা হিংসা কাৰ্য্যৰ প্ৰতিকাৰৰ কাৰণে অসত্য কথা কোৱা নিন্দনীয় নহয়।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ -

কাক দান দিবে চাস ভৈলি সৰ্ব্বনাশ।
কপটি বটুৰ বলি আন্টা নতু পাস।।
কশ্যপত হন্তে অদিতিত ভৈলা আসি।
দেৱৰ সাধিবে কাৰ্য্য দৈত্যক বিনাশি।।
নজানিসি পূৰ্ব্বত কৰিলি অঙ্গীকাৰ।
আপুনি চিন্তিলি আপোনাৰ মহামাৰ।।
তোমাৰ ঐশ্বৰ্য্য যশ আয়ু শ্ৰীমান।
আজি কাঢ়ি বামনে ইন্দ্ৰক দিব দান।।
ত্ৰৈলোক্য লৈবন্ত কাঢ়ি তিনি পদ ছলে।
হেন জানি বলি তই গৈলি ৰসাতলে।।
দানৱ কুলকো দিলি বিপদ দুৰ্ঘোৰ।

খাইবে খুন্টিবাক কিছু নথাকিবে তোৰ।।
সকলে সৰ্ব্বস্ব দিয়া বিষ্ণুক সম্প্ৰতি।
জীবি কেনমতে তই শুন মূঢ়মতি।।
তথাপিতো বোলে ৰাজা শুনিয়ো বচন।
তিনি পদ ভূমি তই নেদিবিহি দান।।
তিনি পদ দান তোৰ নহৈব সাফল।
এক ভৰি জুৰিবে পৃথিবী ৰসাতল।।
আউৰ পদে স্বৰ্গক লঙ্ঘিবে লক্ষ্মীপতি।
তৃতীয় পদৰ আৰে কোন হৈব গতি।।
বুলিয়া নেদস যেৱে প্ৰতিশ্ৰুতি দান।
নিশ্চয়ে কহিলো নৰকত তোৰ স্থান।।
যিবা দিবি তাহাৰো নপাইবি একো পুণ্য।
কি কৰ্ম্ম কৰস বলি ৰাজা মনে গুণ।।
যিটো দান কৰন্তে বৃত্তিৰ হুইবে ছেদ।
কিছু পুণ্য নাহি মিছা মাত্ৰ পাৱে খেদ।।
জীৱিকা থাকিলে পাই সৱে সদ কৰ্ম্ম।
প্ৰতিদিনে সিজে দান তপ যজ্ঞ ধৰ্ম্ম।।
শুনিয়োক বলি যেন শাস্ত্ৰৰ বিহিত।
পাঞ্চ ভাগ কৰি বিভাগিবে নিজ বিত্ত।।
ধৰ্ম্ম অৰ্থ কাম যশ পুত্ৰৰ নিদানে।
তেবেসে থাকিবে পাই সুখে সৰ্ব্বক্ষণে।।
সুৰতি বিবাহ প্ৰাণ সঙ্কটৰ ত্ৰাসে।
গো ব্ৰাহ্মণৰ অৰ্থে সৰ্ব্বস্ব বিনাশে।
এতেকতে মিছা মাতিলেয়ো নাহি পাপ।
হেন জানি অঙ্গীকাৰ এৰ বলি বাপ।।
আসিয়া আছন্ত হৰি ছলিবাক লাগি।
ত্ৰৈলোক্যক লৈবন্ত কপট কৰি মাগি।।
নেদিবি বিষ্ণুক দান বলি হেন জানি।
কপটিক কপট কৰিলে নাহি হানি।।
তই যেৱে জীৱে লাগে উপায় হেন গুণ।

আত্মঘাত নকৰ মোহোৰ বুদ্ধি শুন।।
নষ্ট হৌক দৈত্য কুল নেদ হৃদি খেদ।
আমাসাক নমাৰ নকৰ আশা ছেদ।।
আগ পাছ চিনাই আনো বুলিলা বিস্তৰ।
চক্ষু পকাই শুক্ৰক চাহন্ত দামোদৰ।।
নাহি শ্ৰুতি শুক্ৰৰ নচান্ত মাথা তুলি।
যজমান নষ্ট ভৈল বুৰিলা সমুলি।।

ভাগৱত ৮/২০/১৩ সংখ্যাৰ শ্লোকলৈকে মুঠ তেৰটি শ্লোকৰ দুটি শ্লোক বাদ দি (৬ আৰু ৯ সংখ্যাৰ শ্লোক) বাকী এঘাৰটি শ্লোকত শুক্ৰাচাৰ্য্যৰ গৰিহা আৰু উপদেশমূলক কথা শুনি বলিয়ে নিৰ্ভীক আৰু একাগ্ৰ বুদ্ধিৰে কোৱা কথা খিনিত গুৰুজনে নিজা মতেৰে কেনেদৰে সজাইছে, তাৰ উদ্ধৃতি দিয়া হল। সম্প্ৰতি শ্লোকখিনিৰ অসমীয়া ৰূপ তলত তুলি দিয়া হৈছে।

(১) শুকদেৱে কলে- হে ৰাজন! কুল গুৰু শুক্ৰৰ কথা শুনি দৈতেন্দ্ৰ বলিয়ে খন্তেক নীৰৱে থাকি মনত বিচাৰ কৰি শুক্ৰক কবলৈ ধৰিলে।

(২) হে গুৰু! আপুনি যি কথা কৈছে,- সেই কথা সত্য আৰু গৃহস্থৰ সেয়ে ধৰ্ম্ম- যি অনুষ্ঠানত অৰ্থ, কাম, যশ, আৰু জীৱিকাৰ কেতিয়াও ব্যাঘাত নহয়।

(৩) প্ৰহলাদৰ নাতি হৈ আমি কেনেকৈ কপট ব্যক্তিৰ দৰে প্ৰতিশ্ৰুতি দি ধন লোভত বিপ্ৰক প্ৰত্যাখ্যান কৰিম?

(৪) অসত্যৰ সমান গুৰুতৰ অধৰ্ম্ম নাই। সেয়ে পৃথিবীয়ে কৈছে যে মিথ্যাবাদী ব্যক্তিৰ বাহিৰে আমি আন সকলোৰে ভাৰ বহন কৰিবলৈ সমৰ্থ।

(৫) আমি বিপ্ৰ প্ৰবঞ্চনা ৰূপ অধৰ্ম্মৰ পৰা যিমান ভয় পাই থাকোঁ অন্যান্য নৰকৰ পৰা, দাৰিদ্ৰ্যৰ পৰা, দুখ সাগৰৰ পৰা, স্থানচ্যুতিৰ পৰা আৰু মৃত্যুৰ পৰাও সিমান ভয় নাপাওঁ।

(৬) দধীচি, শিবি প্ৰভৃতি সাধুসকলে দুস্ত্যজ প্ৰাণৰ দ্বাৰা প্ৰাণীসকলৰ উপকাৰ সাধন কৰিছে। সেই কাৰণে সামান্য পৃথিবী আদি তুচ্ছ পদাৰ্থৰ কাৰণে বিচাৰৰ প্ৰয়োজন কি?

(৭) যুদ্ধত অনিৰ্ব্বাৰ যি সকল দৈত্যই এই পৃথিবী ভোগ কৰিছিল, তেওঁলোকক কালে ঐহিক আৰু পাৰত্ৰিক ভোগসমূহে বিনাশ কৰিছে। কিন্তু পৃথিবীত তেওঁলোকৰ লব্ধ কীৰ্ত্তি সমূহক বিনাশ কৰিব পৰা নাই।

(৮) সাধাৰণ ভিক্ষাৰী সকলৰ কামনা পূৰ্ণ কৰি যদি দুখ উপস্থিত হয়, তেন্তে

কৰুণাময় ব্যক্তিৰ পক্ষে সেয়ে উত্তম হব আৰু আপোনালোকৰ নিচিনা ব্ৰহ্মজ্ঞ ব্যক্তিৰ কামনাপূৰ্ণ কৰিবলৈ যাওঁতে যদি দুখ উপস্থিত, তেন্তে আৰু অধিকৰূপে উত্তম হব। এতেকে আমি এই বিপ্ৰৰ কামনা পূৰণ কৰিম।

(৯) বেদোক্ত যজ্ঞাদিৰ অনুষ্ঠানে নিপুণ আপোনলোকে শ্ৰদ্ধাৰে বিবিধ যজ্ঞানুষ্ঠান কৰি যি যজ্ঞমূৰ্ত্তি বিষ্ণুৰ আৰাধনা কৰি থাকে, এই জনেই সেই বিষ্ণু আমাৰ প্ৰতি বৰ দাতাই হওক বা শত্ৰুৱেই হওক আমি এই বামনৰ কামনা পূৰণ কৰিম।

(১০)যদি এই বামনে অধৰ্ম্ম কৰি নিৰপৰাধী মোক বন্ধন কৰে, তথাপি আমি ভীত বিপ্ৰৰূপী শত্ৰুৰ প্ৰতি হিংসা নকৰোঁ।

(১১)যদি বিষ্ণুৱে নিজৰ কীৰ্ত্তি ত্যাগ কৰিবলৈ ইচ্ছা নকৰে, তেন্তে যুদ্ধত আমাক নিহত কৰি এই ভূমি তেওঁ হৰণ কৰিব পাৰে বা আমিও তেওঁক নিহত কৰিব পাঁৰোঁ।

গুৰুজনাৰ অনুবাদ প্ৰকাশ কৰা হ'ল —

শুক মুনি নিগদতি অনন্তৰে দৈত্যপতি
শুক্ৰৰ বচনচয় শুনি।
কৰি আতি হেঠ মাথ নমাতি দানৱ নাথ
আছিলন্ত কতো বেলি গুণি।।
পাছে চিত্ত কৰি থিৰ মাতিলন্ত মহাবীৰ।
শুনিয়োক শুক্ৰ পুৰোহিত।
গৃহস্থীৰ ধৰ্ম্মচয় কহিছা শাস্ত্ৰৰ নয়
তুমি গুৰু পৰম পণ্ডিত।।
কিন্তু দান দিবো বুলি তিল কুশ লৈলো তুলি
সভাতে কৰিলো অঙ্গীকাৰ।
বিত্তৰ লোভত থাকি বিমুখে পঠাইবো ডাকি
ব্ৰাহ্মণক কোন ব্যবহাৰ।।
মই প্ৰহলাদৰ নাতি হুয়া যেবে মিছা মাতি
তেবে কি উচিত হৈবে মোৰ।
অনাইবো বংশৰ নাম কৰি গৰিহিত কাম
টৈটন নিৰ্গতি যেন চোৰ।।

অসত্যত পৰে ৰাপ নাহি আউৰ মহা পাপ
আপুনি কহিলা বসুমতি।
সবাকো সহিবে পাৰো অসত্যবাদীত হাৰো
তাৰ ভৰে যাঞো অধোগতি।।
নৰকত হৌক বাস মৃত্যুক নকৰো ত্ৰাস
ৰাজ্য শ্ৰী সবে হৌক নষ্ট।
ইসে মোৰ হৃদি খেদ যেন দেখি আশা ছেদ
ব্ৰাহ্মণৰ হুই মন কষ্ট।।
সন্তৰ হেনসে হিয়া দুস্ত্যজ প্ৰাণক দিয়া
পৰকেসে কৰে উপকাৰ।
পূৰ্ব্ব কথা আছো শুনি জীৱ দি দধীচি মুনি
কাৰ্য্য সাধিলন্ত দেৱতাৰ।
যতেক দৈত্যেন্দ্ৰ যাক জগতে নাতিলে তাক
তেসম্বেও কালে নষ্ট ভৈল।
যশ মাত্ৰ আছে ৰহি ইটো অশাশ্বত মহী
দেখা কাৰো লগত নগৈল।।
এৱে গুৰু হেন জানি নোবোলা নিষেধ বাণী
বটুক অৱশ্যে দিবো দান।
কৈলো মই সাৰে সাৰ নলাড়িবো অঙ্গীকাৰ
যদ্যপি মোহোৰ যাই প্ৰাণ।।
যেবে আসি আছা হৰি আমাক কপট কৰি
তথাপি মোহোৰ মহাভাগ।
যাহাৰ প্ৰতিমা সাজো তেৱেসে যজ্ঞক যজো
তাহাঙ্ক সাক্ষাতে পাইলো লাগ।।
স্বহস্তে পৃথিবীখান বিষ্ণুক কৰিবো দান
অৰ্চ্চিবোহো বিষ্ণুৰ চৰণে।
কৰন্তোক যেহি লাগে যেন মোৰ হৌক ভাগে
মৃত্যুকো নকৰো গণা গণ।।
যদ্যপি কপট কৰি আমাক বান্ধন্ত হৰি
বিনা অপৰাধে হৃষীকেশ।

তথাপি ধৰ্ম্মক চাই হিংসিবাক নুযুৱাই
ভয়ে ভৈল ব্ৰাহ্মণৰ বেশ।।
যেবে মুনিসাই কৰি আসিলন্ত হন্তে হৰি
তেৱে যুদ্ধ দিলো হন্তে সাজি।
তাহান হাততে মৰো নুহিবা তাহাক মাৰো
তেৰেসে এৰিলো হন্তে আজি।।
কোটি ব্ৰহ্মাণ্ডৰ স্বামী জানি দান দেঞো আমি
তথাপি দণ্ডক যদি মোক।
মোৰ কোন হানি ভৈল বিষ্ণুৰ কুযশ ৰৈল
তাহাঙ্ক হাসিবে সৰ্ব্বলোক।।

বলি ৰজাৰ এই প্ৰত্যুক্তিত শুক্ৰাচাৰ্য্যই ক্ৰোধান্বিত হৈ যিখিনি কথা কলে সেইখিনি ভাগৱতে (৮/২০/১৪, ১৫) দুটি শ্লোকতে সামৰিছে। কিন্তু গুৰুজনে তাত নতুন ৰস দি বহলাইছে। দুয়োটি শ্লোকৰ অনুবাদ প্ৰকাশ কৰা হল

(১) শুকদেৱে কলে - হে ৰাজন! বলিয়ে এনেদৰে কোৱাত দৈৱ প্ৰেৰিত শুক্ৰাচাৰ্য্যই শ্ৰদ্ধাহীন আদেশ লঙ্ঘনকাৰী, সত্য প্ৰতিজ্ঞ, মনস্বী শিষ্য বলিক অভিশাপ দিলে।

(২) তুমি নিজে মূৰ্খ, কিন্তু নিজকে অতি পণ্ডিত বুলি ভাবিছা আৰু মোক উপেক্ষা কৰি গৰ্ব্বিত হৈছা। এতেকে মোৰ আদেশ লঙ্ঘনকাৰী তুমি অচিৰেই শ্ৰী ভ্ৰষ্ট হবা।

গুৰুজনাৰ অনুবাদ —

এতেকে বচন শুনি ক্ৰোধিলন্ত শুক্ৰ মুনি
বলিক মাতন্ত মহা ৰাগেঁ।
হাঁওৰে দাৰুণ পাপ মূঢ় হুয়া আপোনাক
পণ্ডিত বখান কাৰ আগে।।
তোৰ ত্ৰাণ নাহি আৰ কিনোভৈলি দুৰাচাৰ
দানৱ কুলৰ ধূমকেতু।
আপুনিও ভৈলি ধ্বংশ দিতিৰ যতেক বংশ
সবাৰো নাশৰ তই হেতু।।
আতাৰে জেঠৰে তোৰ বচন শুনিলে মোৰ
বাক্য নবাধিল তোৰ বাপে।

কালিৰ ছৱাল হই মোহোক বোলস নুই
হতশ্ৰী হৌক মোৰ শাপে।।

ইয়াত 'আতাৰে', 'জেঠৰে' আৰু 'বাপে' এই তিনিটি শব্দ পোৱা গৈছে। 'বাপে' মানে পিতৃক বুজাইছে। 'আতাৰে' মানে অসমৰ কোনো কোনো অঞ্চলৰ মহন্ত সম্প্ৰদায়ৰ মাজত পিতৃ ৰূপে ব্যৱহাৰ হোৱা দেখা যায়। 'জেঠাৰে' শব্দটোৱে জ্যেষ্ঠ বা জেঠাই বুলিও বুজাব পাৰে। যদি সেয়ে হয়, তেন্তে 'জ্যেষ্ঠ আতা' বুলি কওঁতে প্ৰহ্লাদকো ইঙ্গিত কৰিব পাৰে।

শুক্ৰই অভিশাপ দিয়াৰ পিছত বলিৰ অবিচলিত সিদ্ধান্ত আৰু ভূমি দান প্ৰসঙ্গত এটি শ্লোকৰ আধাৰতে গুৰুজনে বহলকৈ সৃষ্টিমূলক বৰ্ণনা কৰিছে। শ্লোকটি হল —

এবং শপ্তঃ স্বগুৰুণা সত্যান্ন চলিতো মহান্
বামনায় দদাবেনামৰ্চ্চিত্বোদক পূৰ্ব্বকম্।। (৮/২০/১৬)

অৰ্থাৎ- এনেদৰে নিজ গুৰু শুক্ৰৰ অভিশাপ পায়ো মহামনা বলি অবিচলিত হৈ ৰল আৰু জল গ্ৰহণ কৰি বামনক ভূমি দান কৰিবলৈ অগ্ৰসৰ হল।

গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা এনেধৰণৰ —

হেন চণ্ড শাপ পাই নকাপিলা বলিৰাই
নেৰিলা সত্যক ধৈৰ্য্য ধৰি।
বটুক কৰিয়া মান বোলন্ত লৈয়োক দান
শুনি হাত পাতিলন্ত হৰি।।
তিল কুশ লৈলা তুলি দেখি পাছে বিন্ধ্যাৱলী
সুবৰ্ণ ভৃঙ্গাৰ তুলি লৈলা।
দেখি মৰ্ম্মে শুক্ৰ ঋষি ঝাৰিৰ ভিতৰে পশি
নালিৰ বাটক ভেটি ৰৈলা।।
জোঙ্কাৰন্ত মহাদই টোপে পানী নপৰই
বলিৰ আসুখ দেখি চিত্ত।
কিয় নপৰয় পানী চাওঁ বুলি চক্ৰপাণি
থাপ দিয়া ধৰিলা নালিত।।
মায়া কৰি শুক্ৰ ঋষি ঝাৰিৰ ভিতৰে পশি
বাট ভেটি নালিত আছয়।
চক্ষু পকাই টৈৰ কৰি বোলন্ত বামন হৰি
হাতত কুশৰ জোন্টা লই।।

হুয়া ভৃগুবংশী ঋষি   ভৈলি কিনো আকৰিষি
শুনৰে অধম মহাপাপী।
সমস্ত সভাৰ আগে   কদৰ্থিলি যত লাগে
তোৰ ক্ষমা নভৈল তথাপি।।
ওহিতো নেৰস চোঞ্চা   মাৰিলা কুশৰ খোঞ্চা
শুক্ৰৰ চক্ষুক লক্ষ্য কৰি।
এক চক্ষু ভৈল কাণ   মৰো মৰো যাই প্ৰাণ
বাজ হুয়া পৰিল উফৰি।।
অকাৰ্য্যত দিলে শাপ   সিহেতু পাইলেক তাপ
কি কহিবে শুক্ৰৰ বিলাই।।

ক্ৰাচাৰ্য্যৰ দুৰ্গতিৰ বৰ্ণনা ভাগৱতত অভাব যদিও গুৰুজনাৰ ৰচনাৰ মাজত এই কাহিনীটিয়ে স্থান পাইছে। ইয়াৰ পিছতে বলিৰ ভূমি দান প্ৰসঙ্গটি সোতৰ, ওঠৰ, ঊনৈশ, আৰু বিশ সংখ্যাৰ শ্লোক চাৰিটিয়ে বিশদ ভাবে প্ৰকাশ কৰিছে আৰু ইয়াৰ মাজত গুৰুজনাৰ স্বভাৱ সুলভ সৰলীকৰণ সৃষ্টি কৰ্ম্মৰ আভাস পৰিছে। তলত সংস্কৃতৰ পৰা অসমীয়াৰূপ প্ৰকাশ কৰা হল (৮/২০/১৭-২০) -

(১) তেতিয়া মুক্তামালা বিভূষিতা বলি পত্নী বিন্ধ্যাৱলীয়ে স্বামীৰ কামনা পূৰণ কৰিবলৈ আগবাঢ়ি আহিল আৰু জলপূৰ্ণ সুবৰ্ণ কলহ আনিলে।

(২) তাৰ পিছত যজমান বলিয়ে নিজে বামনৰ পদদ্বয় আনন্দেৰে প্ৰক্ষালণ কৰি জগত পৱিত্ৰকাৰী সেই পদ ধৌতজল শিৰত ধাৰণ কৰিলে।

(৩) তেতিয়া স্বৰ্গত দেৱগণ, গন্ধৰ্ব্ব, বিদ্যাধৰ, সিদ্ধ, চাৰণ সকলে বলিৰ কপট ৰহিত ভূমি প্ৰদানত প্ৰশংসা কৰি আনন্দ সহকাৰে দৈত্যেন্দ্ৰ বলিৰ ওপৰত পুষ্প বৃষ্টি কৰিবলৈ ধৰিলে।

(৪) বাৰম্বাৰ সহস্ৰ দুন্দুভি বাজিবলৈ ধৰিলে। গন্ধৰ্ব্ব, কিন্নৰ, কিম্পূৰুষ সকলে গীত গাই কবলৈ লাগিল যে, এই মহামতি বলিয়ে শত্ৰু বুলি জানিও বামনক ত্ৰিজগত দান কৰি এটি সুদুষ্কৰ কাম সমাধা কৰিছে।

গুৰুজনাৰ অনুবাদ -

স্বামীৰ হাতত জল দেন্ত বিন্ধ্যাৱলী।
তিনি পদ ভূমি পাছে উৎসৰ্গিলা বলি।।
সঞি হাতে দিলা জল মাধৱৰ কৰে।
পাইলো বুলি নাৰায়নে লৈলন্ত সাদৰে।।

দান দিয়া দুনাই সুবৰ্ণৰ পাত্ৰ ধৰি।
প্ৰবন্ধে ধুৱাইলা মাধৱৰ দুই ভৰি।।
সুবৰ্ণ ভৃঙ্গাৰে পটেশ্বৰী দেন্ত জল।
ৰাজা বোলে ভৈল মোৰ জন্মৰ সাম্ফল।।
প্ৰদক্ষিণ কৰি প্ৰণামিলা দণ্ডৱতে।
পাদোদক জল সৱে ঢালিলন্ত মাথে।।
বলিৰ ভকতি হৰি দেখিয়া আছন্ত।
কৃতকৃত্য হুয়া বলি আনন্দে নাচন্ত।।
সহস্ৰ দুন্দুভি বাজে অসংখ্যাত ভেৰি।
বিদ্যাধৰে গাৱে বাৱে নাচে অপেচৰী।।
'দ্বিজ কন্যাগণে পাৰে সুস্বৰে উৰলি।
কৰন্ত প্ৰকাশ সৱে সাধু সাধু বুলি।।
বলিৰ মহিমা দেখি গন্ধৰ্ব্ব চাৰণ।
সিদ্ধ মুনি কিন্নৰ যতেক তাৰাগণ।।
আকাশৰ পৰা পুষ্প বৰিষয় মাথে।
কিনো কৰ্ম্ম দুষ্কৰ কৰিলা দৈত্যনাথে।।
পৰম বিপক্ষ হেন মাধৱক জানি।
তথাপিতো সত্য নলাৰিলা মহাজ্ঞানী।।
তিনিয়ো লোকক মাধৱক দিলা দান।
নাহি সুপুৰুষ আউৰ বলিৰ সমান।।
এহি বুলি প্ৰশংসন্ত দৈত্যেন্দ্ৰক চাই।।

ইয়াৰ পিছতে ৮/২০/২১ শ্লোকৰ পৰা ৮/২০/৩৪ শ্লোক পৰ্য্যন্ত আৰু ৮/২১/১-৮ সংখ্যাক শ্লোক পৰ্য্যন্ত মুঠ বাইশটি শ্লোকৰ অনুবাদ গুৰুজনে শ্লোকানুৰূপে সমাধা কৰিছে। ইয়াৰ মাজে মাজে দুই এটি শব্দৰ আধাৰত বাক্যৰ সংযোগ বিয়োগ কৰা হৈছে যদিও পূৰ্ণৰূপ প্ৰাপ্ত হোৱা নাই। সেই কাৰণে ইয়াত উদ্ধৃতি দিয়া নহল। ৩১০ সংখ্যক পদৰ পৰা ৩৩৭ পদলৈকে পূৰ্ব্বোক্ত শ্লোকখিনি সামৰা হৈছে। বামনৰ শৰীৰ বৃদ্ধি, একপদে পৃথিবী আৰু দ্বিতীয় পদে আকাশ ভেদ কৰি যোৱা, ব্ৰহ্মাণ্ডৰ কটাহ ভেদ কৰা, বামণৰ পদ জলেষে গঙ্গাৰ উৎপত্তি হোৱা, ব্ৰহ্মাই পদ প্ৰক্ষালণ কৰা, শিৱই গঙ্গাক শিৰত ধাৰণ কৰা ইত্যাদি বিষয়বোৰৰ মাজত কোনো সৃষ্টিমূলক দীঘলীয়া বৰ্ণনা নাই। সেয়ে ৮/২১/৯ সংখ্যাৰ শ্লোকৰ

পৰাহে পিছৰ বিষয় আৰম্ভ কৰিব খোজা হৈছে। শ্লোকৰ অসমীয়া অনুবাদ তলত দিয়া হল (৮/২১/৯-১৩)।

(১) ত্ৰিপাদ ভূমি প্ৰাৰ্থনাৰে ছল কৰি বামনে যজ্ঞ দীক্ষিত বলিৰজাৰ সমস্ত পৃথিৱী হৃত হোৱাত অসুৰসকল অতি ক্ৰোধান্বিত হৈ কবলৈ ধৰিলে।

(২) মায়াবী সকলৰ মাজত শ্ৰেষ্ঠ এই বামনৰূপী বিষ্ণু প্ৰকৃত ব্ৰাহ্মণ নহয়। বিপ্ৰৰূপ ধৰি নিজকে গুপ্ত ৰাখি দেৱতাৰ হিত সাধন কৰিছে।

(৩,৪) যজ্ঞৰ কাৰণে ৰাজদণ্ড ত্যাগী আমাৰ নেতাজনৰ সৰ্ব্বস্ব এই ভিক্ষুক বিপ্ৰ বালক ৰূপী পৰম শত্ৰু বিষ্ণুৱে হৰণ কৰিছে। আমাৰ নৃপতি সততে স[illegible] পৰায়ণ, যজ্ঞকাৰ্য্যত দীক্ষিত, বিপ্ৰ ভক্ত আৰু দয়াবান। এওঁ [illegible]য়াও মিছা কথা নকয়।

(৫) [illegible] কাৰণে এই বামনক বধ কৰাই আমাৰ পৰম ধৰ্ম্ম হব আৰু তাকে ক[illegible]লেই নৃপতিক শুশ্ৰূষা কৰা হব। এই কথা আলোচনা কৰি দৈত্যানুচৰ সকলে অস্ত্ৰ শস্ত্ৰ গ্ৰহণ কৰিলে।

গুৰুজনাৰ অনুবাদ -

শুক নিগদতি শুনা কুৰুপতি
যেন কথা ভৈলা পাছে।
বলিৰ ত্ৰৈলোক্য বামনে লৈলন্ত
দৈত্যগণে দেখি আছে।।
পৰম বিষাদে দৈত্যেন্দ্ৰক বোলে
যতেক দৈত্য সমাজ।
হা হা বলিৰাই কি ভৈল বিলাই
হাসিতে হৰাইল ৰাজ।।
পাইলেক বিবুদ্ধি আমাত নুসুধি
বামনক দিলা দান।
হৰাইলা ত্ৰৈলোক্য আৰে কেন হৌক
বঞ্চিবাক নাহি স্থান।।
শুক্ৰ পুৰোহিত বুলিলন্ত হিত
তাকো নুশুনিলা ৰাজা।
আপদে গ্ৰাসিল আমাকো নাশিল
যতেক দানৱ প্ৰজা।।

তোমাৰ কুমতি ভৈল বিসঙ্গতি
বেঢ়ি কৰৈ অনুশোচ।
বৰা দৈত্যমান হুয়া এক স্থান
বিৰলে কৰে আলচ।।
নোহন্ত ব্ৰাহ্মণ কপট বামন
এহেন্তে দেৱৰ ঘাগি।
সাধি দেৱ কাজ মাগি লৈলা ৰাজ
ইন্দ্ৰক দিবাক লাগি।।
বিষ্ণু বিনে আৰ নাহিকে আমাৰ
পৰম প্ৰাণৰ বৈৰী।
তিনি পদ ছলে সৰ্ব্বস্ব সকলে
দৈত্যেন্দ্ৰৰ লৈলা হৰি।।
খাইবে খুন্টিবাকো নথাকিল একো
নষ্ট ভৈলা বলিৰাই।
কৰিয়ো সম্মত বটুৰ বধত
আত কিছু দোষ নাই।।
টেটোন বটুৰ বুদ্ধি কৰো চুৰ
আসা বেঢ়ি প্ৰাণে বধো।
ভাঙ্গোহো কপট গুচোক দুৰ্গত
সবে ৰাজ কাজ সাধো।।
এতেকে আলোচি ৰাজাত কাণচি
বোলে প্ৰভু হেন কৰোঁ।
দিয়োক আদেশ খণ্ডি যাউক ক্লেশ
বামনক বেঢ়ি ধৰো।।
দেখিয়ো কৌতুক কপট বটুক
ধৰি সবে মান সাৰো।
পাছে ত্ৰিদশক ডকায়া যমক
তোমাৰ সত্য উদ্ধাৰো।।
বিষ্ণু একেচৰ আমাৰ কিঙ্কৰ
ধাইবো হেন যম কালে।

আমাসাক সবে কি কৰিতে পাৰে
বামন টেণ্টন পালে।।

পূৰ্ব্বোক্ত দৈত্যসকলৰ মাজত হোৱা আলাপ আলোচনা সমূহত ভাগৱতোক্ত শ্লোকৰ সামান্য মাত্ৰহে স্পৰ্শ পৰিছে। উক্ত আলোচনাৰ অন্তত দৈত্যসকলে অস্ত্ৰ শস্ত্ৰ ধৰি বামনক বধ কৰিবলৈ উদ্যত হল। তেতিয়া বিষ্ণুপক্ষীয় অনুচৰ সকলে দৈত্যসকলক বাধা দিলে আৰু তেওঁলোকক বধ কৰিব ধৰিলে। তাকে দেখি বলিয়ে দৈত্যসকলক বুজনি দি পাতালপুৰলৈ পঠাই দিলে। এই বৰ্ণনাটি ভাগৱতৰ। কিন্তু গুৰুজনে এই বৰ্ণনা অগা-পিছা কৰি নিজাববীয়াকৈ সজাইছে। দৈত্যসকলৰ আলোচনাৰ অন্তত বলিয়ে তেওঁলোকক বুজনি দি সৈমান কৰিব নোৱাৰিলে। বলিয়ে দিয়া বুজনিও গুৰুজনাৰ নিজা সৃষ্টি। ভাগৱতৰ ৮/২১/১৪ সংখ্যাৰ শ্লোকটিত উল্লেখ থকা "অনিচ্ছতো বলে ৰাজন" অৰ্থ্যাৎ "ইচ্ছাং অকুৰ্ব্বন্তং বলিং অনাদৃত্য" (অসমীয়া ৰূপ বলিৰ অনিচ্ছা সত্ত্বেও তেওঁক অৱজ্ঞা কৰি দৈত্যসকলে বামনৰ বিৰুদ্ধে ধাৱিত হল) পূৰ্ব্বোক্ত সূত্ৰটিতে ভেজা দি গুৰুজনে দৈত্যসকলৰ মাজত আলোচনাৰ শেষত বলিক কানচি কৰি যুদ্ধলৈ অগ্ৰসৰ হোৱাত বলিয়ে দিয়া হকা বাধাৰ সৃষ্টিমূলক বৰ্ণনা কৰিছে। মূলত দৈত্যগণে বলিক কোনো কথা কোৱা নাই। মাত্ৰ আলোচনাহে কৰিছে। বলিয়ে কোৱা কথাখিনি পিছতহে আছে। "অনিচ্ছাতো বলে" এই সূত্ৰটিৰ আধাৰিত ৰূপটি মাৰ্জ্জিত তথা বিনম্ৰ সুৰত বলিয়ে যি কৈছে, তাৰে উদ্ধৃতি দিয়া হল।

বলিৰায় হেন শুনি হেঠ মাথ কৰি গুণি
বিমৰিষি দিলন্ত উত্তৰ।
নতু তোৰা আন্টা পাস বিষ্ণুক যুজিবে চাস
তুমি সব অধম বৰ্ব্বৰ।।
কোটি কোটি ব্ৰহ্মাণ্ডৰ নাথ দেৱ দামোদৰ
ব্ৰহ্মা হৰে আৰাধন্ত পাৱ।
গৰ্ব্ব কৰা কোন মুই যেন ক্ষুদ্ৰ মৃগ হুই
বাঘত ঘেলাইবে খোজা গাৱ।।
নেদেখাহা দিব্য মায়া জগত জুৰিল কায়া
শৰীৰতে আছে চৰাচৰ।
অচিন্ত্য মহিমা হৰি যাৰ নাম লৈলে তৰি
তাঙ্ক কেনে বোলা অনুত্তৰ।।

বোলো হেৰা দৈত্যজাক নুশুনি আমাৰ হাক
যেৱে কৰা যুদ্ধক প্ৰবন্ধ।
আছোক বামন হৰি পাৰিষদ গণে ধৰি
তোমাসাৰ নিপাতিবে কন্ধ।।
গৰুড়ৰ পখা চোটে যাৰে নতু পিঠি কাটে
নখে নতু বিদাৰন্ত হিয়া।
তাৱে শুনা মোৰ বোল এৰাইটো মিছা টোল
ঝান্টে পলাই প্ৰাণ লৈয়া জীয়া।।
নকৰা ফৰিঙ্গা জাস আম্যত এৰিয়ো আশ
যেন ভৈল মোহোৰ কপালে।
আপোনাৰ জীৱ ৰাখা ভাৰ্য্যা পুত্ৰ মুখ দেখা
সমদলে পশিয়ো পাতালে।।

দৈত্যসকলে বলিৰ প্ৰস্তাৱ অগ্ৰাহ্য কৰি বিষ্ণু পাৰিষদ সকলৰ সৈতে যুদ্ধ ঘোষণা কৰিলে। তলত উদ্ধৃতি দিয়া হল-

হেন শুনি দৈত্যজাক কষ্ট মনে বোলে বাক
মৰন্তাক নলাগে আসুধি।
ভৈলাহা আপদ গ্ৰস্ত নেদেখা নিস্তাৰ পথ
তোমাত নোসোধা আৰ বুদ্ধি।।
থাকিয়োক দৈত্যনাথ বুলি সৱে দমাই মাথ
গিৰি সাই ভাঙ্গিলা সমাজ।
তবলত দিয়া বাৰি কাচি পাৰি দৈত্য ঝাৰি
যুদ্ধক প্ৰবন্ধে ভৈলা সাজ।।

দৈত্যসকলৰ যুদ্ধ যাত্ৰাৰ সময়ত কোনে কি কি বাহন ব্যৱহাৰ কৰিছিল সেই বিষয়ে ভাগৱতত অনুক্ত থাকিলেও গুৰুজনে সৃষ্টিমূলক অনুবাদ এনেদৰে কৰিছে। যেনে —

কতো ৰথে চড়ে কতো হস্তী ঘোৰে
মহিষত কতো চড়ে।
ঘোড় সিংহ বাঘ মৃগ গণ্ড ছাগ
উট যানে কতো লড়ে।।

ভালুক সৰভ গবয় গৰ্দ্দভ
সৰ্পৰ পিঠিত চড়ি।
বৰাহ বানৰ কুম্ভীৰ মগৰ
যানে যাই কতো লড়ি।।
কঙ্কলাস কঙ্ক গৃধ্ৰ যাড় চঙ্ক
কতো চড়ে বিহঙ্গমে।
কতোহো অসুৰে শৃগাল কুকুৰে
উঠি ধাৱে যেন যমে।।
বাহু ডাম্ফি মাৰি ধনুক টঙ্কাৰি
ব্যাঘ্ৰ গণে যেন জাম্পে।
হয় হস্তী গিৰে কটকৰ ভিৰে
ঘনে ঘনে ভূমি কাম্পে।।
অসংখ্য পদাতি হাতে ঢাল কাটি
ধৰি ভূমি পাৱে ধাৱে।
ঢাক ঢোল ভেৰ তবল মহৰি
অসংখ্য হাজাৰ বাৱে।।
হেন চমৎকাৰে খেদি গৈয়া ধাৱে
দিলে দৈত্য গণে গেৰি।
অসংখ্য প্ৰমাণ বৰিষিলা বাণ
বামণ বিষ্ণুক বেঢ়ি।।
পৰশু মুষল অসি ভল্ল শূল
অশেষ অস্ত্ৰে ঝাকিল।
দালবৰ শৰে নিসন্ধিলা বৰে
গগণক বিয়পিল।।
মহা মেঘচয় যেন বৰিষয়
বেঢ়ি মেৰু পৰ্ব্বতক।
ধৰ মাৰ বুলি কৰে হুলস্থুলি
দুৰ্জ্জয় দৈত্য কটক।।

দৈত্যসকলৰ যুদ্ধ যাত্ৰা গুৰুজনে বহলকৈ বৰ্ণনা কৰিছে। মূলত এটি মাত্ৰ শ্লোকতে (৮/২১/১৪) সমাপন কৰা হৈছে। তেওঁলোকে বিভিন্ন বাহনত

উঠি যুদ্ধ যাত্ৰা কৰি আহি বিষ্ণু পাৰিষদ সকলৰ মুখামুখি হল আৰু ঘোৰ ৰণ লাগিল। সেই প্ৰসঙ্গতে ভাগৱত ৮/২১/১৫,১৬,১৭ সংখ্যাৰ তিনি শ্লোকৰ আধাৰতে গুৰুজনে বৰ বহলকৈ ৰসাল ভাষাৰে সৃষ্টিমূলক বৰ্ণনা কৰিছে। শ্লোকৰ অৰ্থ তলত দিয়া হল।

(১৫) অতিশয় বেগী সমাগত সেই অসুৰ সেনাপতি সকলক দেখি অস্ত্ৰধাৰী বিষ্ণুৰ অনুচৰ সকলে হাস্য কৰি তেওঁলোকক নিবাৰণ কৰিলে।

(১৬, ১৭) ইয়াৰ পিছত অযুত হস্তীতুল্য বলবান, নন্দ, সুনন্দ, জয়, বিজয়, প্ৰবল, বল, কুমুদ, কমুদাক্ষ, বিষ্কক সেন, পক্ষীৰাজ গৰুড়, জয়ন্ত, শ্ৰুতদেৱ, সাত্বত আৰু পুষ্পদন্ত - বিষ্ণু পক্ষীয় বীৰসকলে অসুৰ সৈন্যসকলক বিনাশ কৰিবলৈ ধৰিলে।

গুৰুজনাৰ অনুবাদ -

শুক মুনি বোলন্ত শুনিয়ো পৰীক্ষিত।
কৰিলেক দৈত্যে যেন হেন বিপৰীত।।
তাক দেখি মাধৱৰ পাৰিষদ গণে।
প্ৰহাৰিলা দিব্য বাণ গণ তাৱক্ষণে।।
দৈত্যৰ শৰক উৰুৱাইলা অপ্ৰয়াসে।
শিমলু তুলাক যেন প্ৰচণ্ড বতাসে।।
আশেষ গৰ্জ্জন কৰি দানৱক মাতে।
বিষ্ণুক জোক্কাস আন দেৱতাৰ হাতে।।
খাইবো আজি মুণ্ড দৈত্যগণ কৈক যাস।
যমক পঠাইবো আজি যদি নপলাস।।
হাসিয়া হানিলা দুনাই অনেক শায়ক।
কুটিলা নিসন্ধি সবে দৈত্যৰ নায়ক।।
বৈষ্ণৱৰ তেজে অস্ত্ৰ দহৱে সমূলি।
বিভাঙ্গে ভাগিল দৈত্য পটোৱাৰ তুলি।।
কতো বেলি পাচ গুচি হুয়া এক সাজু।
দাৰুণ দানৱগণে দুনাই লৈলা বাজু।।
বিপ্ৰচিতি তাৰক নৰক দীৰ্ঘ বাহু।
গুহ্য হেতি প্ৰহেতি সম্বৰ বীৰ বাহু।।

তাল জঙ্ঘ প্ৰজঙ্ঘ সুঘোষ মেঘ বৰ্ণ।
মধুমূৰ ময় মন্দমতি মহাকৰ্ণ।।
ইসব প্ৰমুখ্যে যত দৈত্য যুথ পতি।
সমৰ ভূমিত যম সম কৰে গতি।।
গাৱত সন্নাহ শৰ ধনু ধৰি কৰে।
যুদ্ধক প্ৰবন্ধে ৰৈল অতি আড়ম্বৰে।।
অৰ্দ্ধ চন্দ্ৰ বেহু পাতি জন্টায়া সেনাক।
কোবাৱে তবল কতো বাৱে বীৰে ঢাক।
আইস পাৰিষদ বুলি মাতে ৰিঙ্গ পাৰি।
বাহু দাম্ফি মাৰি কতো মোচৰয় দাৰি।।
হেন দেখি পাৰিষদ মুখ্য চৈধ্যজন।
যুদ্ধ পাইলো বুলি ভৈল প্ৰসন্ন বদন।।
ৰঙ্গে সৱে আগুৱাইলা কৰে ধনু ধৰি।
তাসম্বাৰ নাম শুনা সাৱধান কৰি।।
কুমুদ সুনন্দ নন্দ আৰু পুষ্পদন্ত।
প্ৰৱল উদ্বল জয় বিজয় জয়ন্ত।।
বিশ্বক্ সেন কুমুদাক্ষ আৰু শ্ৰুতদেৱ।
গৰুড় সত্বত বলে সম নোহে কেৱ।।
মাধৱৰ মূৰ্ত্তি যেন দেখি নিৰন্তৰ।
ষোড়শ বৰিষ সৱে শ্যাম কলেৱৰ।।
সৱে চতুৰ্ভুজ শৰীৰত পীত বস্ত্ৰ।
শংখ চক্ৰ গদা পদ্ম হাতে চাৰি অস্ত্ৰ।।
শিৰত কিৰীটি কৰ্ণে মকৰ কুণ্ডল।
পূৰ্ণ চন্দ্ৰ সমশোভে বদন মণ্ডল।।
দশন দাড়িম্ব বীজ মধুৰ বচন।
উন্নত নাসিকা সৱে কমল লোচন।।
গলে বনমালা জ্বলে আজানুলম্বিত।
কেয়ুৰ কঙ্কণ কৰে মেখলা কটিত।।
চৰণে নুপুৰ বাজে ৰুণঝুণ ঘোষ।
সৱে দিব্য মূৰ্ত্তি আতি দেখন্তে সন্তোষ।।

বিষ্ণুৰ শৰীৰ আৰে চিনন নযাই।
শ্ৰীবৎস কৌস্তুভ মাত্ৰ দুই চিহ্ন নাই।।
দ্বাদশ হাজাৰ দিগ্ গজৰ বল গাৱে।
কম্পি কম্পি যাই বসুমতী পাৱে পাৱে।।
হেন চৈধ্যজন পাৰিষদ আগুৱাইল।
লগতে অলেখ চতুৰ্ভুজ সেনা ধাইল।
পৰম আটোপে কোপে সৱে খেদি গৈল।
দানৱ গণক চাই গৰ্জ্জিবাক লৈল।।
আজি টাই কৰো টোল লটক অসুৰ।
খানিতেক ৰহ দৈত্য দৰ্প কৰো চুৰ।।
এহি বুলি বৰিষিলা শৰ অসংখ্যাত।
লাগিল চমক সবে দানৱ সেনাত।।
কাটল কুটল টান বৈষ্ণৱৰ বাণ।
খেদি খেদি দৈত্য দানৱৰ লবৈ প্ৰাণ।।
কাৰো উৰু শিৰ গল শৰে আসি কাটে।
কাৰো ওষ্ঠা কণ্ঠা কাটি নাকটি বিপাটে।।
কাৰো উৰু ঘাৰ বিহৰাৱে গোড়া শিৰ।
কুম্ভস্থল ভাগি বহে বোম্বালে ৰুধিৰ।।
মাধৱৰ বাহন গৰুড় পক্ষীৰাজ।
মহাকোপে প্ৰবেশিলা দানৱৰ মাজ।।
বিদাৰন্ত দৈত্য দানৱক ঠোটে ঘালি।
চৰণৰ নখে মাংস পেলাৱেব খালি।।
শৰীৰৰ সন্ধানে মাৰন্ত পখা চাট।
মৰি উৰি যাই দৈত্য মাস চয় বাট।।
হৰিণ যূথক যেন মত্ত সিংহে পাই।
কৌতুকে কন্দল কৰে কিছু ভয় নাই।।
সেহিমতে দানবী সেনাক কাটি মাৰি।
ৰঙ্গে পাৰিষদ গণে হাসে ৰিঙ্গ পাৰি।।
বাৱৈ দেৱে দুন্দুভি আনন্দে বাৱে ভেৰি।
দৈত্যক দেখাৱে কতো ৰঙ্গে মাৰ্গ কেৰি।।

ঝাণ্টে আস আমাৰ মাৰ্গৰ তলে ঘাস।
এহি বুলি দানৱক কৰে উপহাস।।
সেনাৰ বিপত্তি দেখি হেতি মহাবীৰ।
অধৰ কামুৰি কোপে কম্পায়ে শৰীৰ।।
মহাকোপে বাণ বৰিষন্তে খেদি গৈল।
দেখি নন্দ পাৰিষদে আগ ভেন্টি ৰৈল।।
আইস অৰে অসুৰ শকতি আছে যত।
শুনি হেতি হানিলেক শৰ অসংখ্যাত।।
দেখি নন্দে বাটতে কাটিলা তাৰ শৰ।
যাঠী ভল্লে ভেদিলা দৈত্যৰ কলেৱৰ।।
তমোময় দেখি হেতি বীৰ সেই তালে।
পাক ফুৰি পৃথিবীত পৰিল নিঢালে।।
ঘোৰ নাদ তেজি তাৰ প্ৰাণ গৈল ছাড়ি।
দেখিয়া প্ৰজঙ্ঘে খেদি গৈল আগবাঢ়ি।।
ধনুক টঙ্কাৰি বৰিষিলা শৰজাক।
গদা গোট ধৰি জয় হাম্ফুলিলা তাক।।
কৈক যাস দুৰাচাৰ আসা নতু পাস।
এহি বুলি গদা ধৰি তেজিলা আটাস।।
লৱৰন্তে কুম্ভস্থলে কোবেক বৈসাইলা।
সেহি চোটে দৈত্যগোট যমপুৰ পাইলা।।
বৈৰ মাৰি জয় বীৰ কৰে সিংহনাদ।
দেখি দৈত্য দানৱৰ মিলিল বিষাদ।।
পাছে দীৰ্ঘ কৰ্ণ দৈত্যে কম্পায়া অধৰ।
খেদি গৈয়া হানিক অসংখ্যাত শৰ।
হাসি হাসি সুনন্দে ভেন্টিলা তাৰ আগ।
হাতে লৈয়া শকতি ত্বৰিতে পাইলা লাগ।
হৃদয়ত বিন্ধি তাক হাতে খোঞ্চা মাৰি।
তুলি আলগায়া বলে পেলাইলা আছাৰি।।
বেগে গৈয়া কতো দূৰে উফৰি পৰিল।
দানৱে ছাড়িল প্ৰাণ পৃথিৱী লৰিল।।

দেখি দীৰ্ঘ বাহুৰ নসহে আতি প্ৰাণ।
ধনু ধৰি মহা ক্ৰোধে বৰিষিলা বাণ।।
নসহিলা বিজয় গৰ্জ্জিয়া তাক ৰাগে।
খেদি গৈয়া ধৰিলা মৃগক যেন বাঘে।।
ক্ৰোধত দৈত্যৰ দান্ত শাৰী চৰবাই।
ঘাৰক মুচৰি মুণ্ড ছিণ্ডিলা পকাই।।
বিজয়ৰ হাতত পৰিল দীৰ্ঘ বাহু।
দেখি তাক বায়ু বেগে খেদি গৈলা ৰাহু।
পুষ্প দন্ত পাৰিষদ আগুৱাইলা তাক।
মুখ গোট ঢাকিয়া মাৰিলা শৰজাক।।
চোট পায়া উলটিল ৰুধিৰ ছাদন্তে।
লীলায়ে ৰাহুক ভঙ্গাইলন্ত পুষ্প দন্তে।।
ক্ৰোধ কৰি শূল ধৰি ধাইল তাল জঙ্ঘে।
ভৈলন্ত সম্মুখ কুমুদাক্ষ তাক খঙ্গে।।
ৰহ বুলি খাণ্ডা তুলি যাৱ দিলা খেদি।
অপ্ৰয়াসে দৈত্যৰ পেলাইলা শিৰ ছেদি।।
তাল জঙ্ঘ পৰিল প্ৰজঙ্ঘে দিলা ধাৰ।
দিলন্ত কুমুদে তাক মুদ্গৰ প্ৰহাৰ।।
দৈত্যৰ হৃদয় ভাগি ভৈল মষিমূৰ।
চোট পায়া প্ৰাণ ছাড়ি পৰিল অসুৰ।।
দেখিয়া সুঘোষ দৈত্য আসিল কিটাই।
বাহু দাম্ফি মাৰি সিটো মুদগৰ উচাই।।
তাক আগ ভেন্টিল জয়ন্তে ৰহ বুলি।
দেখ নেদেখ বেগে ধাইল খাণ্ডা তুলি।।
ঘন্টালাৰি দৈত্যৰ কান্ধত দিলা ঘাৱ।
মৰন্তে অসুৰে কাঢ়িলেক দীৰ্ঘৰাৱ।।
পৰিল নিঢালে বীৰ ৰুধিৰ ছাদন্তে।
বৈৰিক জিনিয়া শংখ ফুঙ্কিল জয়ন্তে।।
এহিমতে যত যত দৈত্য আসে খেদি।
সবাকো পেলাৱে পাৰিষদে ছেদি ছেদি।।

বৈষ্ণৱ দেৱৰ আগে ক্ষুদ্ৰ দৈত্য সঙ্গ।
লাহাৰি নসহে যেন অগ্নিত পতঙ্গ।।
দেখি দৈত্যগণে হাহাকাৰ কৰে শোকে।
পাৰন্ত জোকাৰ যত পাৰিষদ লোকে।।
নানা বাদ্যভণ্ড বজাৱয় জয় ঘোষ।
পাৰে ভেৰ দাম্ফি কতো চিত্তত সন্তোষ।।
দানৱগণক কদৰ্থনা কৰি মাতে।
বিষ্ণুকো জঙ্কাস আন দেৱতাৰ সাতে।।
পাপে আসি গ্ৰাসিলে এৰাইবি কেন কৰি।
গোটে গোটে কাটিবা ছাগক যেন ধৰি।।
হেন শুনি কিটাইল দাৰুণ দৈত্যচয়।
যুজিবাক লাগি সবে কৰিলা নিশ্চয়।।
সাজু হুয়া সমদলে ধাইলা এক ঝোপে।
আতি আড়ম্বৰ কৰি পৰম আটোপে।।
এৰিলা প্ৰাণকো শঙ্কা দুষ্ট দৈত্যজাক।
ঠাক ঠিক কৰি বৰিষিলা শৰজাক।।
তোল তোল বুলি কৰে ধৰ মাৰ ৰোল।
হাসৈ বিষ্ণু সেনা দেখি দানৱৰ টোল।।
শাৰঙ্গ ধনুক ধৰি বৰিষিলা বাণে।
যেন কপোতক কোপে ধাই গৈলা শেনে।
ছেদি ভেদি খেদি দানৱৰ লৱে প্ৰাণ।
কাড়ে ভুণ্ড ভোসাৰে পেটত হানি বাণ।।
মাজ পশি পাৰিষদে খাণ্ডায়ে কোৱাৰে।
কাৰো উৰু কৰ কটি কাটি বেল গাৰে।।
গদাৰ কোবত হাড় মূৰ হোৱে চূৰ।
ঢাকিল সমৰ ভূমি মৃতক অসুৰ।।
কাটন্তে খেদন্তে নৰহয় হাত জাঙ্গ।
দানৱৰ ৰুধিৰে বহাৱে তৈত গাঙ্গ।।
দৈত্যক সংহৰে ধৰি পাৰিষদগণে।
দেখি দৈত্যপতিৰ সন্তাপ আতি মনে।।

ভাগৱতৰ তিনিটি শ্লোকৰ আধাৰতে অতি দীঘলিয়াকৈ গুৰুজনে যুদ্ধৰ ৰসাল বৰ্ণনা দাঙি ধৰিছে। যুদ্ধত দৈত্য সেনা হতাহত হোৱা দেখি বলি ৰজাই দৈত্যসকলক সান্ত্বনাৰে যুদ্ধ বিৰতিৰ প্ৰস্তাৱ দিয়া কথাখিনিও মূলানুৰূপে হোৱা নাই যদিও সামান্য স্পৰ্শ কৰিছে। তলত উদ্ধৃতি দিয়া হল -

(৮/২১/১৮-২৪ পৰ্য্যন্ত সাতটি শ্লোক)।

(১) তেতিয়া শুক্ৰাচাৰ্য্যৰ অভিশাপ স্মৰণ কৰি আৰু নিজৰ সৈন্য সকলক পাৰিষদ সকলে বধ কৰা দেখি বলিয়ে অতি ক্ৰোধী সৈন্যসকলক বাৰণ কৰিলে।

(২) হে বিপ্ৰ চিত্ত, হে ৰাহু, হে নেমি? তোমালোকে মোৰ কথা শুনা, যুদ্ধ নকৰিবা, উলটি যোৱা বৰ্ত্তমান আমাৰ অনুকূল সময় নহয়।

(৩) যি সময়ে সকলো প্ৰাণীৰ সুখ আৰু দুখ প্ৰদান কৰিব পাৰে, সেই সৰ্ব্ব নিয়ামক সময়ক পৰাক্ৰমৰ দ্বাৰা অতিক্ৰম কৰিবলৈ পুৰুষ সমৰ্থ নহয়।

(৪) যি সময় (কাল) পূৰ্ব্বতে আমাৰ কাৰণে শুভোদয় আছিল, আৰু দেৱগণৰ কাৰণে অশুভ আছিল, সেই কালৰূপী ভগৱান এতিয়া আমাৰ কাৰণে বিপৰীত আৰু দেৱগণৰ কাৰণে মঙ্গলকাৰক হৈছে।

(৫) বলেৰে, মন্ত্ৰীৰ দ্বাৰা, দুৰ্গ, মন্ত্ৰ, ঔষধ আৰু সামাদি নীতিৰে লোকসকলে কালৰূপী ভগৱানক অতিক্ৰম কৰিব নোৱাৰে।

(৬) যি সকল বিষ্ণুৰ অনুচৰ আছে, তেওঁলোকক তোমালোকে দৈব বলে বৰ্দ্ধিত হৈ বহুবাৰ জয় কৰিছা। কিন্তু সিসকলে আজি আমাক জয় কৰি গৰ্ব্ব কৰিছে।

(৭) দৈৱ যদি আমাৰ প্ৰতি পুনৰ প্ৰসন্ন হয়, তেন্তে আমি এওঁলোকক জয় কৰিম। সেয়ে তোমালোকে সেই সময়লৈ প্ৰতীক্ষা কৰা, যি কালৰূপী বিষ্ণু আমাৰ কাৰণে মঙ্গলকৰ হ'ব।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ -

এবেসে মিলিল আসি মোত শুক্ৰ শাপ।
হা বিধি কতনো কৰিলো ঘোৰ পাপ।।
দুষ্ট দৈত্যগণে নুশুনয় মোৰ বাক।
এহি বুলি বলি উঠি গৈয়া দেন্ত হাক।।
এৰ এৰ যুদ্ধ এভো দুষ্ট দৈত্যজাক।
সমৰ নকৰ শুনিয়োক মোৰ বাক।।

হে বিপ্ৰ চিন্তি ৰাখা আপোনাৰ প্ৰাণ।
আজিৰ যুদ্ধত নাহি কাহাৰো কল্যাণ।।
জগত ঈশ্বৰ বক্ৰ ভৈলন্ত আমাৰ।
সম্প্ৰতি বঢ়ান্ত বল বীৰ্য্য দেৱতাৰ।।
বিধাতাক বিবাদ কৰিবে কোনে পাৰে।
হাৰি কতো জিনয় জিনিয়া কতো হাৰে।।
বাৰে বাৰে এহি পাৰিষদ আছে হাৰি।
আজি দৰ্প কৰে দেখা তোমাসাক মাৰি।।
আসম্বাৰ উদয় প্ৰসন্ন ভৈল বিধি।
আমাক বিপাকে পাইলে নাহি একো সিদ্ধি।।
হেন জানি যুদ্ধ এৰি যায়োক সকলে।
যেন ভৈল ইবাৰ আমাৰ কৰ্ম্মফলে।।
যৈসানি সুদিন হোৱে জিনিবো দুনাই।
ধৈৰ্য্য ধৰি স্বস্থে থাকিয়োক বাট চাই।।

এই খিনি গুৰুজনাৰ বৰ্ণনা। ইয়াৰ পিছতে বলিৰ প্ৰস্তাৱমতে দৈত্যসকল পাৰিষদগণৰ দ্বাৰা বিতাড়িত হৈ ৰসাতল প্ৰবেশ কৰাৰ কথা ভাগৱতত বৰ্ণনা কৰা হৈছে (৮/২১/২৫)। পিছে গুৰুজনাৰ হস্তপৰশত দৈত্যসকলৰ প্ৰস্থানৰ সময়ত পুনৰ দৈত্যসকলৰ কি কি বিপত্তি হবলৈ পালে, তাৰ সুন্দৰ সৃষ্টিমূলক বৰ্ণনা কৰিছে এনে ধৰণেৰ —

বলিৰ শুনিয়া বাণী   ঘান্টিবা পাৰয় জানি
দৈত্য ভঙ্গ দিলা ৰণ এৰি।
পাৰিষদে পিঠি পাই   পাছুতে হানন্তে যাই
কাকো আগ ভেন্টি ধৰে বেঢ়ি।।
কাৰো খান্তে ছিণ্ডে মুণ্ড   কাৰো ভোসাৰয় তুণ্ড
মাজ কঙ্কালত কাৰো কাটে।
কাৰো কাটে হাত ভৰি   ঘাৱৰ বিষত পৰি
পৃথিবীত পৰি গেৰি বাটে।।
কাকো চিত কৰি আনি   পৰশু কুঠাৰ হানি
পেট ছিৰি বিচাৰন্ত আন্ট।
জাম্প দিয়া চুলে ধৰি   ঘন্টা লাৰি পাশ কৰি
চৰৱায়া কাৰো সাৰে দান্ত।।

কাটন্তে সাৰটি ধৰে কতো কাণ্ড বাণ্ড কৰৈ
হাত দান্তে তুলি লৱে খেৰ।
বোলে চৰণত ধৰি ফুৰিবো কান্দত কৰি
প্ৰাণ দান দিয়া মোক এৰ।।
হেন বিকৰ্থনা কৰি দানৱ গণক ধৰি
মাৰে পাৰিষদে সেনাজাক।
কতোহো হাতৰ এৰাই মৰো জীঁও কৰি পলাই
উলটি নচাৱে কেহো কাক।।
ঘাৱ আছে কাণ্ডে খাণ্ডে তেজ বহে ধাৰা দণ্ডে
ৰুধিৰে হোৱয় পথ পঙ্ক।
উশাস বজাই মুখে পাৰিষদময় দেখে
পাইলে বুলি নুগুচয় চঙ্ক।।
পেলাৱে হাতৰো অস্ত্ৰ শৰীৰত নাই বস্ত্ৰ
পলাই যেন বাতুলৰ ঠান।
কাহাতো বণ্ডৰা লাগে ছায়াতো শৰণ মাগে
নকাট নকাট ৰাখ প্ৰাণ।।
এহিমতে দৈত্যচয় হুয়া আতি মহাভয়
পশিল পাতালপুৰ মাজে।
বৰা বৰা দৈত্যগণে যুদ্ধ হাৰি কষ্ট মনে
নোলায় নপশয় আউৰ লাজে।।
এহিমতে ৰণে পাৰিষদ গণে
দানৱক জিনি পাছে।
বাৱে বাদ্যভণ্ড তুলি ছত্ৰ দণ্ড
লৰিলা বিষ্ণুৰ কাছে।।
বিষ্ণুৰ প্ৰসাদে আতি অপ্ৰমাদে
আনন্দে সাধিলা জয়।
দুন্দভি কোবাই আকাশ উৰাই
চতুৰ্ভুজ সেনাচয়।।
আকাশ উথলি বাৱে হাত তালি
বিষ্ণুৰ কীৰ্ত্তন কৰি।

হুয়া কৃত কৃত্য   কতো কৰে নৃত্য
মাধৱক মনে ধৰি।।
নানা ভক্তি ভাৱে   যূথে যূথে গাৱে
গোবিন্দৰ গুণ গীত।
উপজয় ভাৱ   সিহৰয় গাৱ
আনন্দে নধৰে চিত্ত।।
বিষ্ণুৰ সন্নিত   চাপিলা ত্বৰিত
অষ্টাঙ্গে কৰিয়া সেৱ।
দুনাই সাৱধানে   ৰহিলা যোগানে
চতুৰ্ভুজ যত দেৱ।।
ৰত্ন সিংহাসনে   বসিয়া বামনে
কৰন্ত আতি দীপিতি।
মুখ্য পাৰিষদে   দিব্য পৰিচ্ছদে
সেৱা কৰে চতুৰ্ভিতি।।
কায় বাক্য মনে   বিষ্ণুৰ চৰণে
চিত্ত সাৱধান কৰি।
কতো অনুচৰে   মাথাৰ উপৰে
শ্বেত ছত্ৰ তুলি ধৰি।।
বিষ্ণুৰ দুই পাশে   কতো লয় লাসে
ধৱল চামৰ ঢুলে।
যত দেৱ ঋষি   পৰম হৰিষি
কৰ যোৰে তুতি বোলে।।
হাতে তাল ধৰি   সুললিত কৰি
গন্ধৰ্ব্বে গীত যোগাৱে।
যত বিদ্যাধৰ   মহা মনোহৰ
ৰুদ্ৰক বিলাস বাৱে।।
কৰ্পূৰ ধূপৰ   গন্ধে নিৰন্তৰ
সৱাকে সুৰভি কৰে।

দিব্য পুষ্পচয় সিদ্ধে বৰিশয়
বিষ্ণুৰ ছত্ৰ উপৰে।।
আছন্ত তহিতে ত্ৰিদশ সহিতে
ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ দেৱ।
বিষ্ণুৰ দীপিতি দেখি সচকিতি
পৰি পৰি কৰে সেৱ।।

পূৰ্ব্বোক্ত উদ্ধৃতিখিনি গুৰুজনাৰ পৰিকল্পিত সৃষ্টি। এই সৃষ্টিত এটি সত্যনিষ্ঠ ভূমিকা আছে। উদাহৰণ স্বৰূপে দুজন বীৰৰ মাজত যুঁজ হলে এজনৰ পৰাজয় সুনিশ্চিত। বিজয়ী বীৰজনে আনন্দত অধীৰ হৈ পৰাজয়ী বীৰজনক পিছে পিছে খেদি গৈ কৰি যোৱা অত্যাচাৰ আৰু পলায়িত জনে ছাঁটোকে বাঘটো যেন দেখি খৰ খেদাকৈ যথাস্থানৰ পৰা আতঁৰি যোৱাৰ যত্ন কৰে। ভাগৱতত পলায়িত দৈত্যসকলৰ তেনেকুৱা আচৰণৰ বৰ্ণনা দিয়া নাই যদিও সাধাৰণতে তেনেকুৱা আচৰণ পলায়িত ব্যক্তিজনে কৰে কাৰণেই গুৰুজনাৰ দৃষ্টিত সেইখিনি পৰিকল্পিত ৰূপ পাইছে। আমি এই প্ৰসঙ্গটি সামান্য মাত্ৰ উল্লেখ কৰিছোঁ। ওপৰত উদ্ধৃতি সমূহত ভালকৈ দৃষ্টি নিবদ্ধ কৰিব পাৰিলে অধিকৰূপে সুন্দৰ তথ্য প্ৰকাশ পাব।

বলিৰ সঙ্গী দৈত্য সেনাসকল পৰাজিত হৈ ৰসাতললৈ পলায়ন কৰাৰ পিছৰ ঘটনা সমূহ এনেধৰণৰ (ভাগ-৮/২১/২৬-৩৪)।

(১) ইয়াৰ পিছত পক্ষীৰাজ গৰুড়ই বিষ্ণুৰ অভিপ্ৰায় জানিব পাৰি যজ্ঞৰ সোমাভিষেকৰ দিনা বলিক বৰুণৰ পাশেৰে বন্ধন কৰিলে।

(২) বিষ্ণুৱে দৈত্যেন্দ্ৰ বলিক বন্ধন কৰাত স্বৰ্গ আৰু পৃথিবীৰ সকলো দিশতে অতিশয় হাহাকাৰ ধ্বনি উত্থিত হল।

(৩) বৰুণ পাশত আবদ্ধ ৰাজ্যভ্ৰষ্ট স্থিতধী আৰু কীৰ্ত্তিমান বলিক বামনে কবলৈ ধৰিলে।

(৪) হে অসুৰ! তুমি মোক ত্ৰিপাদ ভূমি দান কৰিবলৈ প্ৰতিশ্ৰুতি বদ্ধ হৈছা। মোৰ দুটি পদেই পৃথিবীৰ সমস্ত স্থান অধিকাৰ কৰিলে। সম্প্ৰতি তৃতীয় পদৰ স্থান পূৰণ কৰা।

(৫) নিজৰ কিৰণৰ দ্বাৰা সূৰ্য্যই যলৈকে তাপ বিতৰণ কৰিছে, নক্ষত্ৰ সকলৰ সৈতে চন্দ্ৰই যলৈকে প্ৰকাশ কৰিছে, আৰু মেঘে যলৈকে বৃষ্টি দান কৰিছে, তালৈকে তোমাৰ অধিকাৰ আছে।

(৬) সৰ্ব্বব্যাপি আমি এটি পদৰ দ্বাৰা পৃথিৱী, শৰীৰৰ দ্বাৰা আকাশ আৰু দশদিক্ আৰু দ্বিতীয় পদৰ দ্বাৰা তোমাৰ স্বৰ্গধাম আক্ৰমণ কৰিছোঁ। তোমাৰ সৰ্ব্বস্ব আহৰণ কৰা হৈছে।

(৭) প্ৰতিশ্ৰুতিমতে দান কৰিবলৈ অসমৰ্থ হোৱা হেতুকে তোমাৰ নৰক বাস হোৱা উচিত। সেইকাৰণে শুক্ৰাচাৰ্য্যৰ অনুমোদিত নৰকলৈ তুমি প্ৰস্থান কৰা।

(৮) যিজনে ব্ৰাহ্মণৰ ওচৰত প্ৰতিশ্ৰুতি কৰি তাক ৰক্ষা কৰিব নোৱাৰে তেওঁৰ মনোভিলাষ বৃথা, স্বৰ্গ তেওঁৰ পৰা বহু দূৰত থাকে আৰু তেওঁ নৰকত পতি্ত হয়।

(৯) তুমি · ন মদে মত্ত হৈ দান দিম বুলি আমাক প্ৰবঞ্চনা কৰিছা। গতিকে কিছু বছৰ .ই মিছা কথাৰ ফলস্বৰূপে নৰক ভোগ কৰা।

পূ ৰ্বোক্ত নটি শ্লোকৰ আধাৰত গুৰুজনে কিকি এৰা ধৰা কৰি সৃষ্টিমূলক অনুবাদ আগ বঢ়াইছে, তাৰ উদ্ধৃতি দিয়া হল -

হেন চমৎকাৰ জগত আধাৰ
আছন্ত গুণি উপাই।
মনে কৰি সাৰ দিলা চক্ষু ঠাৰ
গৰুড় পক্ষীক চাই।।
প্ৰভুৰ ইঙ্গিত জানি উঠি পক্ষী মহা মানী
বামনক নমিলন্ত মাথে।
লৈয়া নাগ পাশ জৰী দৈত্যেৰ ৰাজাক ধৰি
বান্ধিবে লাগিলা পাছ হাতে।।
কচালি কচালি দাটি শৰীৰৰ বলে আটি
পিঠি কৰা বান্ধ দিলা ভিৰি।
বৰুণৰ পাশজৰী বান্ধি জড়পুৰ কৰি
ভৰি গলে লগাইলা জিঞ্জিৰি।।
আপুনি গৰুড় পক্ষী দানৱ ৰাজাক ৰাখি
থাকিলন্ত সাৱধান হুই।
ধৈৰ্য্য ধৰি বলিৰাই ধৰ্ম্মৰ পথক চাই
ৰহিলা বন্ধন দুখ সই।।
লৰিবে চৰিবে গাৱ নুৱাৰন্ত হাত পাৱ
বন্ধনৰ চোটে হিয়া ভাগে।

তথাপিতো মহা মানী নোবোলে কাৰ্পণ্য বাণী
কিঞ্চিতেকো বামনৰ আগে।।
দেখি দৈত্যেন্দ্ৰৰ শাস্তি হাহাকাৰ কৰে আতি
পৃথিবী স্বৰ্গৰ প্ৰজা মানে।
হা দৈত্যপতি শিষ্ট মহা দাতা জ্ঞান নিষ্ঠ
হেনসে অৱস্থা দিলা দানে।।
শুক্ৰৰ শুনিয়া বাণী বামনক শত্ৰু জানি
তথাপিতো নলৰিলা মতি।
উৎসৰ্গি সমস্তে ভূমি দিয়া বন্দী ভৈলা তুমি
নুবুজি ধৰ্ম্মৰ সূক্ষ্ম গতি।।
আপুনি জগত পতি কৰন্ত অন্যায় অতি
জগততে দুৰ্যশ থাকিল।
কহিবাক লাগে ডৰ আছে আৰ পটন্তৰ
যেন ওলগতে পঞ্চ কিল।।
যত সুৰাসুৰ নৰ সিদ্ধ মুনি নিৰন্তৰ
ঠাই ঠাই কহে এহি কথা।
চাই চাই কৰে মৰ্ম্ম কি ভৈল কালৰ ধৰ্ম্ম
মহন্তৰো হেনসে অৱস্থা।।
শুক মুনি বদতি শুনিয়ো ৰাজা পাছে।
এহি মতে বলি যেবে বন্দী হুয়া আছে।।
নষ্ট ভৈল প্ৰতাপ গুচিল স্বৰ্গ সুখ।
শৰীৰকো পীড়ে আতি বন্ধনৰ দুখ।।
নাহি বন্ধু বান্ধৱ এৰিলা নিৰন্তৰে।
শত্ৰুৰ হাতত বন্দী ভৈলা একেশ্বৰে।।
ভাৰ্য্যা ব্যতিৰেকে আন নাহিকে সহাই।
ভৈল দীন দৰিদ্ৰ দৈত্যেন্দ্ৰ সমুদাই।।
সকলে সৰ্ব্বস্ব হৰি কাঢ়ি লৈলা ছলে।
নাগ পাশে অন্যায়ে বান্ধিলা হাতে গলে।।
হৈবাক নৰৈল আউৰ বলিৰ দুৰ্গতি।
আপদ সিন্ধুত নিমজ্জিলা দৈত্যপতি।।

গৰুড়ে গৰ্জ্জন্ত আতি থাক থাক বুলি।
তথাপি নচান্ত দৈত্যপতি মাথা তুলি।।
মহন্ত পুৰুষ ধৈৰ্য্যশালী বলিৰাই।
আছন্ত দুখক সহি ধৰ্ম্ম পথ চাই।।
হেন দেখি বামনৰ ক্ৰোধ গৈলা জ্বলি।
ডাকিয়া বোলন্ত অৰে দুৰাচাৰ বলি।।
তিনি পদ ভূমিকে উৎসৰ্গি দিলি দান।
দুই পদ পাইলো দেখ প্ৰত্যক্ষ প্ৰমাণ।।
যে দূৰ প্ৰকাশে চন্দ্ৰ সূৰ্য্যৰ জেউতি।
পাতাল পৰ্য্যন্তে সমাগৰা বসুমতী।।
তোৰাসৱে অধিকাৰ জানোহো সকলে।
সবাকো জুৰিল মোৰ একভৰি তলে।।
দশোদিশ আকাশ জুৰিল মোৰ গাৱে।
সমস্ত স্বৰ্গক আক্ৰমিলো একপাৱে।।
তৃতীয় পদৰ আৱে কৈত দিবি ঠাই।
সত্য ৰাখি দিয়ো দান আমাক বুজাই।।
আগে দিবো বুলি যিবা পাছে নেদে দান।
দুৰ্যোৰ ৰৌৰৱ নৰকত হোৱে স্থান।।
হেন জানি দিয়ো দান সত্যক সাফলি।
নুহি তেবে সবান্ধৱে অধোগতি গলি।।
লৱা দান বুলিয়া কৰিলি সত্য বাণী।
তিনি পদ ভূমিক উৎসৰ্গি দিলি পানী।।
তিনিয়ো লোকক দুই পদকেসে আঁটে।
তৃতীয় তৰণ কৈত দিবো বোল ঝাণ্টে।।
আজি যেবে নেদ পাপী প্ৰতিশ্ৰুত দান।
গৰুড়ৰ হাতত নৰৈব তোৰ প্ৰাণ।।
জান যেবে দিবে নপাৰি বি দুৰাচাৰ।
আগে দিবো বুলি কেনে কৈলি অঙ্গীকাৰ।।
অসত্যবাদীৰ তোৰ জীৱন নিষ্ফল।
আপুনিও মৰিলি বংশকো নিলি তল।।

হেন জানি তোক আজি গ্ৰাসিলেক পাপে।
মোক দান নেদি এৰাই যাইবে কাৰ বাপে।।
জীয় মানে ভুঞ্জিবিহি যাতনা অহিত।
মৰিলেয়ো হৈবে তোৰ নৰকত স্থিত।।
নমাতি আচস কেনে লটক অসুৰ।
আজি তোৰ সকল ভাৱনা কৰো চুৰ।।
অনেক নিষ্ঠুৰ বুলি গৰ্জ্জন্ত বামনে।
শুনিয়া আছন্ত দৈত্যপতি ধৈৰ্য্য মনে।।

মূলৰ লগত পদৰ পাৰ্থক্যসমূহ ইয়াত দেখুউৱা হৈছে। গুৰুজনে মূলক সামান্য মাত্ৰ স্পৰ্শহে কৰিছে আৰু বাকীখিনি নিজৰ ধাৰণাৰে সজাইছে। এতিয়া বামনৰ তৰ্জ্জন-গৰ্জ্জনৰ পিছত তদুত্তৰত বলিয়ে মূলত কি কৈছে আৰু গুৰুজনাই নিজৰ ধাৰণাৰে কল্পিত ৰূপ কি দিছে - তাৰ উদ্ধৃতি দিয়া হল (৮/২২/১-১১)।

(১) শুকদেৱে কলে হে ৰাজন? দৈত্যেন্দ্ৰ বলিয়ে বামনৰ বাক্যত অভিভূত হৈ আৰু সত্য বাক্যৰপৰা অবিচলিতভাবে বামনক কবলৈ ধৰিলে।

(২) হে দেৱ শ্ৰেষ্ঠ! আপুনি যদি আমাৰ প্ৰতিশ্ৰুত বাক্য মিছা কৰিবলৈ চেষ্টা কৰে, তথাপি আমি সেই বাক্য সত্যত পৰিণত কৰিম। আমাৰ বাক্য বৃথা নহব। আমি কওঁ আপোনাৰ তৃতীয় পদ আমাৰ মস্তকত স্থাপন কৰক।

(৩) আমি পদচ্যুত হলেও অপযশৰ কাৰণে যিমান ভয় পাওঁ, দুৰতিক্ৰম্য নৰক দুখ, পাশ বন্ধনজনিত দুখ আৰু আপোনাৰ নিগ্ৰহ হেতু কোনো ভয় পোৱা নাই।

(৪) আপোনাৰ নিচিনা পূজ্যতম পুৰুষৰদ্বাৰা প্ৰদত্ত দণ্ড আমাৰ কাৰণে উত্তম বুলি বিবেচনা হৈছে। যিহেতু মাতা, পিতা, ভ্ৰাতা বা বন্ধুবৰ্গই এনেধৰণৰ দণ্ড বিধান কৰিব নোৱাৰে।

(৫) আপুনি শত্ৰু ভাৱাপন্ন হৈ আহিলেও আমাৰ অসুৰসকলৰ আপুনি পৰম গুৰু, যিহেতু আপুনি ধন মদে গৰ্ব্বিত আমাৰ গৰ্ব্ব বিনাশক জ্ঞানচক্ষু মোকোলাই দিছে।

(৬) আপোনাৰ প্ৰতি বদ্ধমূল শত্ৰুভাৱৰ দ্বাৰাও বহুসংখ্যক অসুৰে পৰম সিদ্ধি প্ৰাপ্ত হৈছে- যি সিদ্ধি ভক্তসকলৰ একান্ত অভিলষিত।

(৭) প্ৰচুৰ মঙ্গলকামী পৰম গুৰু আপুনি মোক নিগ্ৰহ কৰিছে, বৰুণৰ পাশেৰে

বন্ধন কৰিছে। তথাপি এই বিষয়ত কোনো লজ্জা বা অনুতপ্ত হোৱা নাই।

(৮) বিখ্যাত কীৰ্ত্তিমান আমাৰ পিতামহ প্ৰহলাদ আপোনাৰ একান্ত অনুগত হোৱাৰ কাৰণে প্ৰপিতামহ হিৰণ্যকশিপুৰদ্বাৰা নানা প্ৰকাৰ দুখ প্ৰাপ্ত হলেও আপুনিয়েই তেওঁৰ একমাত্ৰ আশ্ৰয় হৈছিল।

(৯, ১০) আয়ুস শেষ হলে যি শৰীৰটোৰে জীৱটোক স্বেচ্ছাই ত্যাগ কৰে সেই শৰীৰদ্বাৰা কি হব? ধন লোভী দস্যু সংসাৰ বৃদ্ধি হোৱা ভাৰ্য্যৰ পৰা কি ফল পোৱা যাব? সৰ্ব্বদা মৰণশীল প্ৰাণীৰ গৃহৰ প্ৰয়োজন কি? কেৱল আয়ু ক্ষয় হোৱাৰ বাহিৰে অন্য কি আছে। হে ভগৱান! ইয়াকে নিশ্চয় কৰি মহা জ্ঞানী আমাৰ পিতামহ প্ৰহলাদে অধাৰ্ম্মিক জনৰ পৰা ভয় পাই নিজ কুলৰ বিনাশকাৰী হলেও সৰ্ব্বভয়হাৰী আপোনাৰ পাদ পদ্মকে নিশ্চিত ভাবে আশ্ৰয় গ্ৰহণ কৰিছিল।

(১১) আমি সম্প্ৰতি ভাগ্যবশে নিজ শত্ৰু আপোনাৰ কাষত উপস্থিত হলোঁ। দৈবৰদ্বাৰা বলপূৰ্ব্বক আমাৰ শ্ৰী ভ্ৰষ্ট হৈছে-যি ঐশ্বৰ্য্যৰ গৰ্ব্বে গৰ্ব্বিত মূঢ় ব্যক্তিয়ে মৃত্যুৰ সমীপৱৰ্ত্তী এই জীৱন যে অনিত্য তাক জানিব নোৱাৰে।

পূৰ্ব্বোক্ত শ্লোকানুবাদত গুৰুজনাই কিমান এৰা ধৰা কৰিছে তাৰ উদ্ধৃতি তলত দিয়া হল —

মহন্ত পুৰুষ ধীৰ গম্ভীৰ সাগৰ।
বিষ্ণুক সাদৰি হেন দিলন্ত উত্তৰ।।
ত্ৰৈলোক্যৰ লক্ষ্মী মোৰ কাঢ়ি লৈলা ছলে।
গৰুড়ৰ পাশে বান্ধি থৈলা হাতে গলে।।
নগনোহো ইসব দুখক গাৱে সহে।
বুলিলা অসত্যবাদী ইসে দুখে দহে।।
ধন জন বিভৱ সকলে গৈল নষ্ট।
ইটো ঘোৰ নিগ্ৰহত কিছু নাহি কষ্ট।।
যম যাতনাকো লাগি নকপে হৃদয়।
লোক অপবাদতেসে মোৰ মহাভয়।
তুমি যেবে জানা মোৰ সত্য ভৈল ছন্ন।।

মাথা পাতি দেঞো তাতে থাপিয়ো চৰণ।
থোৱা পাৱ শিৰত সাফলো অঙ্গীকাৰ।
শৰীৰকো সমৰ্পিলো পাৱত তোমাৰ।।
জন্মে জন্মে তোমাৰ দাসৰো ভৈলো দাস।
তযু চৰণত মোৰ নুগুচোক আশ।।
ভাল ভৈল গুচিল বিষয় মহা বিষ।
নিঃকিঞ্চন ভৈলো মোৰ পৰম হৰিষ।।
শ্ৰীদুৰ কৰি কিনো কৰিলা আহ্লাদ।
বান্ধ নোহে ইটো মোৰ পৰম প্ৰসাদ।।
আজিসে তোমাৰ পাৱে সম্পজিল জ্ঞান।
যেন অন্ধলাক দিলা দুই চক্ষু দান।।
তুমিসি পৰম গুৰু দৈত্য দানৱৰ।
মাৰি মাৰি মোক্ষ সাধি আছা অনেকৰ।।
যিটো গতি মহা মহা যোগীয়ো নপাৱে।
দৈত্যগণে লভিল তোমাত বৈৰ ভাৱে।।
হেন ইষ্ট দেৱ মোৰ পৰম বান্ধৱ।
তুমি বান্ধি আছা আত কোন পৰাভৱ।।
যতেক বোলোহা মোৰ নলৰে মতিক।
তোমাৰ ক্ৰোধক দেখো বৰতো অধিক।।
জগততে প্ৰখ্যাত প্ৰহ্লাদ পিতামহ।
নগনিল মৃত্যুকো তোমাত কৰি গহ।।
বাপখনে দিলা দুখ অনেক নিকাৰ।
নকৰিলা তথাপি তোমাক পৰিহাৰ।।
ধন জন পুত্ৰ পৰিবাৰ মায়াময়।
সংসাৰত বিচাৰিয়া কৰিলা নিশ্চয়।।
কেৱল নিৰ্ভয় স্থান তোমাৰ চৰণ।
জানি পিতামহে তান্তে পশিল শৰণ।।
কুমাৰ কালৰে পৰা তোমাত ভকত।
তান গুণাগুণ তযু চৰণে বেকত।।
তুমি বিনে আন নিচিন্তন্ত পিতামহ।

দাস বংশ বুলি মোক কৰা অনুগ্ৰহ।।
যদ্যপি অজ্ঞানী মই নজানো ভকতি।
তথাপি তোমাৰ প্ৰভু ভৃত্যৰ সন্ততি।।
হেন জানি চক্ৰপাণি কৰা পৰিত্ৰাণ।
বিস্তৰ কহিবো কিবা তুমি সৰ্ব্বজান।।

আমি ওপৰত উদ্ধৃতি দিয়া মূল শ্লোক আৰু গুৰুজনাৰ অনুবাদিত ৰূপটিৰ মাজত সামান্য মাত্ৰ সম্পৰ্ক ৰক্ষিত হৈছে। অথচ মূলৰ অলপো হেৰ ফেৰ হোৱা নাই। ভক্তি অবিহনে প্ৰশান্তি লাভ কদাপিও নহয়। ভাগৱতৰ মূলত বলিৰ মুখত ভক্তিবাদৰ সূত্ৰৰ সুন্দৰ নিদৰ্শন পোৱা যায় যদিও গুৰুজনাৰ হস্ত পৰশত ভক্তিৰ অধিক চিত্ৰ উজ্বল হৈ পৰিছে। ভক্তিৰ দ্বাৰা বিষ্ণু পদ লাভ সম্ভব যদিও সেই ভক্তি আৰু ইয়াৰ লক্ষণ সম্পৰ্কে শাস্ত্ৰ সমূহত দিয়া সবল যুক্তি আৰু কৃচ্ছ্ৰ সাধনৰ চৰম লক্ষ্যত উপনীত হব নোৱাৰিলে মূল লক্ষ্যৰ পৰা ভ্ৰষ্ট হোৱাই স্বাভাৱিক। উদাহৰণ- বামন আৰু বলিৰ মাজত হোৱা কথোপকথনতে পৰিষ্কাৰ হৈ পৰিছে। সেইকাৰণে বিনয়ী, ত্যাগী, পৰোপকাৰী, নিঃস্বাৰ্থী, কষ্ট সহিষ্ণু, অহিংস, জীৱ জগতক আত্মবৎ দৰ্শন, ছয় ৰিপু দমন ইত্যাদি উল্লেখনীয় দিশবোৰ নিজত নাথাকিলে ভক্তিৰ চৰম লক্ষ্যত উপনীত হোৱা সম্ভৱ নহয়। দেৱতা আৰু অসুৰ এই দুটি পক্ষৰ মাতৃ পৃথক হলেও পিতৃ একে জনেই। তেওঁ হল মুনি কশ্যপ। এওঁ ব্ৰাহ্মণ হোৱা হেতুকে দেৱাসুৰ দুয়োটি পক্ষই ব্ৰাহ্মণ সন্তান। অথচ দেৱতা বুলি কলে তেওঁলোক যেন মাৰ্জ্জিত শান্ত শিষ্ট ধাৰ্ম্মিক তথা বিষ্ণুকেন্দ্ৰিক আৰু অসুৰ বুলি কলে যেন তেওঁ অধাৰ্ম্মিক, বিষ্ণুদ্বেষী, অশিষ্ট ইত্যাদি ভাবোদয় হয়। পিছে এই ধাৰণা শুদ্ধ নহয়। কাৰণ দেৱতা সমাজ সদায় স্বাৰ্থপৰ আৰু তেওঁলোক কোনো দিনেই প্ৰকৃত বিষ্ণু ভক্ত হব নোৱাৰিলে। আত্মকেন্দ্ৰিক মনোভাব সদায় ভক্তিৰ পৰিপন্থী। দেৱতা পৰিয়ালটিয়ে নিজৰ বিপদ হলেহে সাময়িক বিষ্ণু ভক্ত হয় আৰু সম্পদৰ সময়ত তেওঁলোকে বিষ্ণুক পাহৰে। কিন্তু দৈত্যেৰ পৰিয়ালটিয়ে তেওঁলোকে দেৱতাৰ সমধৰ্ম্মী হোৱা সত্বেও, সমান অংশীদাৰ হোৱা সত্বেও তেওঁলোকে দেৱতাৰ বিপক্ষে বিদ্ৰোহ আচৰণ কৰি আহিছে। তেওঁলোক প্ৰতিবাৰতে বিষ্ণুৰ সহায়ত দেৱতাৰ হাতত পৰাজয় বৰণ কৰিছে। বিষ্ণুৱে যদিও দেৱতাসকলক সকলো সময়তে ৰক্ষা কৰি আহিছে বা দেৱতাসতলেও বিষ্ণুক সাময়িক ভাবে বিচাৰিছে, তথাপি তেওঁলোক বিষ্ণু ভক্ত হব পৰা নাই আৰু বিষ্ণুৱেও ভক্ত হিচাপে গ্ৰহণ কৰা নাই। দেখা যায় যে দৈত্যসকলৰ বিদ্ৰোহাত্মক

দৃষ্টিভঙ্গী থাকিলেও বিষ্ণু দ্ৰোহ কৰা নাই। আনহাতে দৈত্যসকলৰ ভিতৰত প্ৰহ্লাদ আৰু বলি এই দুয়োজন বিষ্ণুৰ পৰম ভক্ত। ষষ্ঠ স্কন্ধ ভাগৱতত যম ৰজাই যম দূত সকলৰ আগত যি বাৰজন বৈষ্ণৱৰ নাম প্ৰকাশ কৰিছে, তাৰ ভিতৰত পূৰ্বোক্ত দুয়োটা নামেই আছে। (ভাগ -৬/৩/২০,২১)। তাত কিন্তু ইন্দ্ৰাদি দেৱতাৰ নাম নাই। জ্ঞানী ভক্ত প্ৰহলাদেই শ্ৰেষ্ঠ। বলি ৰজা বিষ্ণুৰ পৰম ভক্ত হৈ পৰিল আৰু তেওঁক স্বৰ্গতকৈয়ো অধিক উজ্জ্বল সুতল পুৰী দান কৰিলে। কেৱল সেয়ে নহয় সেই পুৰীৰ দ্বাৰ ৰক্ষক হিচাপে সদায় থাকিল বিষ্ণুহে, স্বৰ্গত বিষ্ণু থকা নাই। আকৌ সাৱৰ্ণি মন্বন্তৰত সুতল পুৰীৰপৰা বলি আহি স্বৰ্গত ইন্দ্ৰ হবহি বুলিও ইঙ্গিত দিছে। (৮/২২/৩১)। সেই কাৰণে ভাগৱত ধৰ্ম্মবেত্তা বলিৰ প্ৰাধান্য ইন্দ্ৰতকৈ বহুগুণে অধিক। বামনৰ আগত বলিৰ বিনয়ী বাক্যৰ পিছত হঠাতে পিতামহ প্ৰহলাদৰ প্ৰবেশ হল আৰু তেওঁৰ বামন প্ৰশস্তি, ব্ৰহ্মা আৰু বলি পত্নীৰ স্তুতি প্ৰসঙ্গ উত্থাপিত হৈছে। তলত শ্লোকানুবাদৰ উদ্ধৃতি দিয়া হল।

(১) শুক দেৱে কলে, হে ৰাজন! বলিয়ে এনেদৰে কৈ থাকোতে উদিত চন্দ্ৰৰ তুল্য বিষ্ণুপ্ৰিয় প্ৰহ্লাদ আহি বামনৰ সমুখত উপস্থিত হল।

(২) ইন্দ্ৰসেন বলিয়ে তেতিয়া কান্তিমান, পদ্মনেত্ৰ, উন্নত শৰীৰ, পীতাম্বৰ শ্যামাঙ্গ, আজানুলম্বিত বাহু, আৰু সৰ্ব্বশ্ৰেষ্ঠ সেই নিজ পিতামহ প্ৰহ্লাদক নিজৰ ওচৰত দেখা পালে।

(৩) বৰুণ পাশবদ্ধ বলিয়ে পূৰ্ব্বৰ দৰে পিতামহক পূজা কৰিব নোৱাৰিলে কেৱল মস্তক অৱনমিত কৰি অশ্ৰুপূৰ্ণ লোচনেৰে লজ্জা আৰু অধোবদনে থাকিল।

(৪) সুনন্দাদি পাৰিষদ সকলেৰে পৰিসেৱিত ভক্ত বৎসল বামন বিষ্ণুক উপবিষ্ট হৈ থকা দেখি প্ৰহ্লাদে নতমস্তকে পুলকিত হৈ বিহবল চিত্তে ভূমিত শিৰ থৈ সেৱা জনালে।

(৫) প্ৰহ্লাদে কলে, হে ভগৱান! আপুনিয়েই পূৰ্ব্বতে বলিক ইন্দ্ৰপদ দিছিল আৰু এতিয়া আপুনিয়েই সমৃদ্ধিশালী ইন্দ্ৰপদ হৰণ কৰিছে। ই অতি উত্তম কাৰ্য্য হৈছে বুলি আমি ভাবোঁ। বলিৰ প্ৰতি আপুনি বিশেষ অনুগ্ৰহেই কৰিছে। কাৰণ আত্মমোহনীয় সম্পদৰ দ্বাৰা এওঁ ভ্ৰষ্ট হৈছিল।

(৬) সম্পদসমূহে বিদ্বান আৰু যতী ব্ৰতী সকলক মুগ্ধ কৰে। এইবোৰ থাকিলে কোনো লোকেই যথাযথ ৰূপে আত্মতত্ত্ব দৰ্শন কৰিব নোৱাৰে। বলিৰ প্ৰতি মহা অনুগ্ৰহকাৰী সৰ্ব্বাশ্ৰয় স্বৰূপ জগদীশ্বৰ আপোনাক নমস্কাৰ কৰোঁ।

(৭) হে, ৰাজন! কৃতাঞ্জলিবদ্ধ দণ্ডায়মান প্ৰহ্লাদৰ সমুখত ব্ৰহ্মাই বামনক কবলৈ ধৰিলে।

(৮) হে, ৰাজন। বলি পত্নী সাধবী বিন্ধ্যাৱলীয়ে স্বামীক বৰুণ পাশে আবদ্ধ দেখি ভয়ত বিতত হৈ কৃতাঞ্জলিৰে প্ৰণাম কৰি অধোবদনে বামনক কবলৈ ধৰিলে।

(৯) হে, ভগবান? আপুনি নিজৰ ক্ৰীড়াৰ কাৰণে তিনিজগত সৃষ্টি কৰিছে। অল্প বুদ্ধিৰ লোকসকলে ইয়াতে প্ৰভুত্ব খটুৱাই থাকে আৰু আপোনাৰ কৰ্ত্তৃত্ব ৰহিত কৰিব খোজে। আমি কৰ্ত্তা এই ভাৱনাৰে অভিমানী সেই নিৰ্লজ্জ লোকসকলে জগতৰ সৃষ্টি স্থিতি আৰু লয়ৰ কৰ্ত্তা আপোনাক ভূমি প্ৰভৃতি দান কৰিব খোজে।

(১০)ব্ৰহ্মাই কলে, হে ভূত ভাৱন! ভূতেশ! দেৱদেৱ! হে জগন্ময়! হৃতসৰ্ব্বস্ব এই বলিক মোচন কৰক। সৰ্ব্বস্বদাতা বলি দণ্ডনীয় হব নোৱাৰে।

(১১)এই বলিয়ে কপট শূন্য হৈ আপোনাক সমগ্ৰ ভূমি আৰু কৰ্ম্মাৰ্জ্জিত স্বৰ্গাদি সমস্ত লোক আৰু, সৰ্ব্বস্ব দান কৰিছে আৰু নিজৰ শৰীৰকো সমৰ্পণ কৰিছে।

(১২)হে ভগৱান! কপট ৰহিত ব্যক্তিয়ে আপোনাৰ যুগল চৰণত জলমাত্ৰ সমৰ্পণ কৰি অথবা কেৱল দুৰ্ব্বাঙ্কুৰৰ দ্বাৰা অৰ্চ্চনা কৰি উত্তম গতি লাভ কৰিছে। কিন্তু এই বলিয়ে নিৰ্ব্বিকাৰ চিত্তে আপোনাক ত্ৰিভুৱন দান কৰিও কি কাৰণে দুখ ভোগ কৰিবলগীয়া হৈছে?

এই প্ৰসঙ্গটি প্ৰহ্লাদ, বিন্ধ্যাৱলী আৰু ব্ৰহ্মাৰ বামন প্ৰশস্তিৰ বিষয়ত বিবৃত হৈছে। পদ ভাঙনিতো গুৰুজনাৰ হস্ত পৰশত মূলৰ বিষয়ত পৰিকল্পিত ৰূপ প্ৰকাশ পাইছে। আনহাতে ৪৬৮, ৪৭২-৪৭৫ পদত ভাগৱত ৮/২২/১৯,২০ শ্লোকৰ শ্ৰীধৰ স্বামীৰ টীকাৰ প্ৰভাব পৰিছে। এতিয়া আমি মূল আৰু পদৰ মাজত থকা পাৰ্থক্য দেখুৱাবলৈ পদৰ উদ্ধৃতি দিলোঁ —

অনেক বোলন্ত বলি বচনে প্ৰবোধ।
কিঞ্চিতেকো নপাতলে বামনৰ ক্ৰোধ।।
ভ্ৰূকুটি কুটিল মুখ আখি আৰকত।
কাম্পে উৰু শিৰ কৰ অধৰ ক্ৰোধত।।
বলিক কটাক্ষে চান্ত অধৰ কামুৰি।
মূৰ্ত্তিক দেখন্তে যেন ধাতু যাই উৰি।।
হেন দেখি বলি মৌন হুয়া বসি আছে।
শুক নিগদতি পৰীক্ষিত শুনা পাছে।।
সেহি বেলা প্ৰহলাদ তহিতে উপস্থিত।

ভূমিত ভৈলন্ত যেন চন্দ্ৰমা উদিত।।
পীতবস্ত্ৰে শোভে আতি শ্যাম কলেৱৰ।
বিজুলি সুথিৰ যেন নৱ জলধৰ।।
কমল লোচন চাৰু বদন মণ্ডল।
সুন্দৰ কৰ্ণত জ্বলে মকৰ কুণ্ডল।।
শিৰ ছত্ৰাকৃত কেশ নীল আকুঞ্চিত।
সুবলিত ভুজ দুই আজানুলম্বিত।।
সুদীৰ্ঘ আঙ্গুলি আৰকত কৰতল।
কম্বুকণ্ঠ ৰুচিৰ বহল বক্ষস্থল।।
নাসা তিল কুসুম দশন কুন্দকৰি।
অৰুণ অধৰ যেন ৰত্নে আছে গঢ়ি।।
কৰিকৰ সম সুবলিত উৰু দুই।
সুকোমল পদক দেখন্তে সুখী হুই।।
পৰম মধুৰ মূৰ্ত্তিৰূপ আসৰিশ।
সৰ্ব্বকালে দেখি যেন বিংশতি বৰিষ।।
স্থানকো প্ৰকাশ কৰে শৰীৰৰ জ্যোতি।
মাধৱৰ মুখ্য পাৰিষদ মহামতি।।
দেখন্তে সন্তোষ মহা মনোহৰ বেশ।
ভৈলন্ত প্ৰহলাদ সেহি সভাত প্ৰবেশ।।
পিতামহ আসিল দেখিল বলিৰায়।
পাদ্য অৰ্ঘ্য দিবে একো নাহিকে উপায়।।
লৰিবে চৰিবে নুৱাৰন্ত দৈত্যনাথ।
তৈৰপৰা সাদৰে নমাইলা কিছু মাথ।।
পাছ হাত বান্ধত হৃদয় ভাগি যাই।
নোবোলন্ত বলি কিছু প্ৰহলাদক চাই।।
নয়নৰ হন্তে লোহ ধীৰে যাই বহি।
লাজে দুখে অধোমুখে থাকিলন্ত ৰহি।।
বলিৰ নিগ্ৰহ দেখি প্ৰহলাদ তবধ।
অন্তৰ্গতে দহে শোকে হৃদয় দগধ।।

অৱস্থা দেখন্তে আসে উথলি ক্ৰন্দন।
ক্ষণেক ৰহিলান্তি হিৰণ্য নন্দন।।
মহামৰ্ম্মে চক্ষুৰ পৰিৰে খোজে পানী।
জ্ঞান ধৈৰ্য্য অঙ্কুশে ধৰন্ত চিত্ত টানি।।
বলিক নুবুলি কিছু বচন আশ্বাস।
ধীৰে ধীৰে বামনৰ চাপিলন্ত পাশ।।
সুনন্দ প্ৰমুখ্যে পাৰিষদ নিৰন্তৰে।
দণ্ড ছত্ৰ বিচিত্ৰ চামৰ ধৰি কৰে।।
ভক্তি ভাৱে সেৱে সবে বিষ্ণুক আবৰি।
দেৱে সমে ব্ৰহ্মায়ো আছন্ত স্তুতি কৰি।।
নানা বিধ যন্ত্ৰ বাৱে গাৱে বিদ্যাধৰে।
চপয় পঢ়য সিদ্ধ চাৰণ কিন্নৰে।।
সভাৰ মধ্যত দিব্যৰত্ন সিংহাসনে।
চমৎকাৰে আছন্ত বামন ৰঙ্গমনে।।
প্ৰভুক প্ৰত্যক্ষ দেখি বৈষ্ণৱ প্ৰহলাদ।
সিহৰিল লোম মহা মিলন আহ্লাদ।।
নয়নৰ পৰা পৰে হৰিষ লোতক।
দণ্ডৱতে পৰি প্ৰণামিলা মাধৱক।।
উঠি প্ৰণামিলা পৃথিবীত থৈয়া মাথ।
কৰন্ত প্ৰণতি বুলি এহি জগন্নাথ।।
তুমি শুদ্ধ বুদ্ধ সৰ্ব্বসাক্ষী সদাশিৱ।
তুমি নিৰঞ্জন যত জগতৰ জীৱ।।
তুমিসে পৰমগুৰু পুৰুষ প্ৰধান।
সবাৰো চিত্তৰ পোৱা আপুনি প্ৰমাণ।।
অসন্তক বিনাশি সন্তৰ কৰা গতি।
তোমাৰ চৰণে মোৰ নচাড়োক মতি।।
তুমি দিলা বলিক ত্ৰৈলোক্য মহা ভাৰ।
কাঢ়ি লৈলা আত বৰ আনন্দ আমাৰ।।
গৰ্ব্ব গুচাই বলিক কৰিলা কিনো দায়া।

আতি অন্ধ কৰে পুৰুষক স্ত্ৰী মায়া।।
শ্ৰী যাক পাইলে সিটো জীৱন্ততে মৰা।
মাতন্তে নমাতে যেন আতুৰ নপৰা।।
শুনিয়ো নুশুনে যেন বসি থাকে কলা।
দেখিয়ো নেদেখে যেন দিনতে অন্ধলা।।
কোননো অৱস্থা নকৰয় শ্ৰীমদে।
শ্ৰীমন্ত ভৈলে পাৱে পৰম আপদে।।
তুমি হেন স্বামীক পাসৰে হত বুদ্ধি।
আজি বলি পাইল ভৱ ব্যাধিৰ ঔষধি।।
এবেসে তোমাক স্মৰি হৈবেক মুকুত।
,আউৰ দুখ দিতে প্ৰভু নুহিকে যুগুত।।
আতি ধৰ্ম্মৱন্ত সত্যৱন্ত বলিৰাই।
এতেক নিগ্ৰহ দিবে আৰু নুযুৱাই।।
শুক্ৰৰ বচনে সিটো নলাৰিল মতি।
শুদ্ধভাৱে কৰিলেক তোমাত ভকতি।।
হেন মহা দানী মানী মোৰ ইটো নাতি।
কোন অপৰাধে আৰু কৰা উগ্ৰ শাস্তি।।
ক্ষমিয়োক তোমাৰ দাসৰো হৈবো দাস।
আজ্ঞা কৰা গৰুড়ে মেলোক নাগ পাশ।।
বান্ধৰ ছোটত বলি ফুটি যায় প্ৰাণ।
তোমাত মাগোহো গোসাই দিয়ো নাতি দান।
কৰন্ত পাৱত পৰি প্ৰহলাদে কাতৰ।
তথাপি বামনে কিছু নেদন্ত উত্তৰ।।
বলিক কটাক্ষে চাই দশন চোবান্ত।
দেখি আগ বাঢ়ি ব্ৰহ্মা বুলিবাক চান্ত।।
সেহি সময়ত বিন্ধাবলী উঠিলন্ত।
দেখি ব্ৰহ্মাদেৱে পাছ গুছি বসিলন্ত।।

বিন্ধ্যাৱলী মহাসতী দেখি হেন বিসঙ্গতি
শোক শেলে হৃদয় বিদাৰে।

স্বামীৰ দেখিয়া শাস্তি যেন প্ৰাণ কুটে আতি
নেত্ৰৰ লোতক পৰে ধাৰে।।
উপায় নপান্ত খুজি মনে গুণি কাৰ্য্য বুজি
আপুনি উঠিলা ধৈৰ্য্য ধৰি।
লৰি গৈলা মহা সতী বিষ্ণুৰ পাশক প্ৰতি
দৈত্যেন্দ্ৰৰ প্ৰিয় পটেশ্বৰী।।
মাথাত ওৰণি লই অধোমুখে মহা দই
লাজে ভয়ে যান্ত ধীৰে ধীৰে।
গৈয়া কতিপয় ভৰি বিষ্ণুৰ আগত পৰি
প্ৰণাম কৰিল জানু শিৰে।।
নমো নাৰায়ণ দেৱ তুমি বিনে নাহি কেৱ
সৃষ্টি স্থিতি সংহাৰ কাৰণ।
যুগে যুগে অৱতৰি নানা বিধ মূৰ্ত্তি ধৰি
তুমি কৰা সন্তক পালন।।
তুমিসি গৰুড় কেতু আপোনাৰ ক্ৰীড়া হেতু
ত্ৰৈলোক্য নিৰ্ম্মিলা নিৰন্তৰ।
মূঢ়জনে এৰি লাজ বোলে সবে মোৰ ৰাজ
মই আৰ স্বতন্ত্ৰ ঈশ্বৰ।।
আতি উৰ্দ্ধপদ পাই কাহাকো কটাক্ষ নাই
তোমাক নকৰে গণাগণ।
ক্ৰীড়ি ফুৰৈ মত্তভাৱে আপদে নপাৱে যাৱে
নুসুমৰে তোমাৰ চৰণ।।
মোৰ স্বামী দৈত্যপতি দেখা কেন মূঢ়মতি
আহান নাহিকে কিছু জ্ঞান।
বৈষ্ণৱৰ নাতি হুই বুলিলন্ত কোন মুই
বিষ্ণুক ত্ৰৈলোক্য কৰো দান।।
তুমিসে জগত ভৰ্ত্তা এন্তে কি দিবাৰ কৰ্ত্তা
আন বাপঘৰীয়া ত্ৰৈলোক্য।
আন ইটো অহঙ্কাৰে যেন মাথে চুলিতাৰে
আতি বৰ পীড়া কৰে মোক।।

নজানন্ত মোৰ স্বামী অচিন্ত্য মহিমা তুমি
কোটি কোটি ব্ৰহ্মাণ্ডৰ পতি।
অন্ধ ভৈল শ্ৰীমদে পাইলেক সেহিসে পদে
হেন মহা দুৰ্য্যোধৰ দুৰ্গতি।।
আহ্ম মহা মূঢ় জানি কৃপা কৰা চক্ৰপাণি
সহস্ৰেক বাৰ কৰো সেৱ।
হুয়োক প্ৰসন্ন মুখ খণ্ডিয়ো দাৰুণ দুখ
তুমি দীন দয়াশীল দেৱ।।
অনেক কাৰ্পুণ্য কৰো দান্তে তৃণ তুলি ধৰো
আৰে মোৰ মেলিয়ো স্বামীক।
বান্ধৱ ছোটত আন হেৰা খুটি যাই প্ৰাণ
দেখি মই চেড়ি জীঞু কিক।।
তোমাৰ ক্ৰোধত আতি লাগে মানে ভৈল শান্তি
নকৰিলা কোন লটিঘটি।
তভো যেবে আছে কোপ আহ্ম এৰি বান্ধ মোক
মই মৰো স্বামীৰ পালটি।।
এহি বুলি বিন্ধাৱলী পৃথিবীত পৰি ঢলি
মকমকি কান্দন্ত সুন্দৰী।
যত দেৱ পাৰিষদ শোকে সবে নিশ্বদ
সবাৰো লোতক পৰে ঝৰি।।
কৰৈ কন্নাকণি এতেক কাৰণ্য শুনি
বিষ্ণুৰ নুগুচৈ এভো ৰাগ।
কৃপাময় নাৰায়ন ভৈল সদয় মন
কিনো দৈত্য ৰাজাৰ অভাগ।।
বলিৰ দেখিয়া শান্তি হাহাকৰ কৰে আতি
স্বৰ্গ মৰ্ত্ত্য পাতালৰ প্ৰজা।
আমাৰেসে কৰ্ম্মফলে তোমাক বিধাতা ছলে
কৈত পাইবো তুমি হেন ৰাজা।।
নেদেখিলো কোপ তাপ কিবা ৰাজা কিবা বাপ
পালিলাহা পুত্ৰতো অধিক।

তোমাৰ অৱস্থা দেখি কেনে আছো প্ৰাণ ৰাখি
এভো জীৱ ছাড়ি নযাই কিক।।
হেন গলাৰৱ শুনিয়া মাধৱ
নেৰন্ত কোপ কদাপি।
দেখি প্ৰজাপতি বোলন্ত মিনতি
বিষ্ণুৰ সমীপ চাপি।।
শুনা নাৰায়ন জগত কাৰণ
তুমি চৰাচৰময়।
মোৰ বাক্য ধৰা ক্ৰোধ পৰিহৰা
বলিক হুয়ো সদয়।।
সৰ্ব্বস্ব সকল পৃথিৱী মণ্ডল
তোমাক উৎসৰ্গি দিল।
আতি তুষ্ট মনে তোমাৰ চৰণে
আপোনাকো সমৰ্পিল।।
পুণ্যৱন্ত সন্ত পুৰুষ মহন্ত
মহাজন বলিৰাই।
মিত্ৰ জগতৰে মেলিয়ো সত্বৰে
নিগ্ৰহক নুযুৱাই।।
তোমাৰ পাৱত পূজে দুৰ্ব্বাক্ষত
জল দিয়া কৰে নাতি।
ভজে শুদ্ধ ভাৱে সিয়োজন পাৱে
তোমাৰ উত্তম গতি।।
ইটো দৈত্যপতি দিলে শুদ্ধ মতি
তোমাক ত্ৰৈলোক্য ৰাজ।
তথাপি ইহাৰ এমন নিকাৰ
কিনো অযুগুত কাজ।।
বলিৰ নিগ্ৰহে শৰীৰ নসহে
জগতে ক্ৰন্দন কৰে।
বিন্ধ্যাৱলী সতী স্বামীৰ বিপত্তি
দেখিয়া চিত্ত নধৰে।।

বৈষ্ণৱ প্ৰহলাদ তাহানো বিষাদ
নাতিৰ দেখি বন্ধন।
নকৰিয়ো হেলা দৈত্যেন্দ্ৰক মেলা
সবাৰো জুৰাওক মন।।
হুয়োক প্ৰসন্ন প্ৰভু নাৰায়ন
সম্বৰিয়ো ইটো ক্ৰোধ।
ধৰ্ম্মেসে আচৰে নতু বলি কৰে
তোমাৰ কিছু বিৰোধী।।
শুক্ৰে নিষেধিল তথাপিতো দিল
তোমাক সমস্ত ভূমি।
হেন ভকতৰ এভো দামোদৰ
দুখ দেখি আছা তুমি।।

পূৰ্ব্বোক্ত উদ্ধৃতিসমূহ বলি, প্ৰহলাদ, বিন্ধ্যাবলী আৰু ব্ৰহ্মাৰ স্তুতিৰূপে পৰিগণিত। এই স্তুতি সমূহৰ লগত মূল শ্লোকৰ বহু পৰিমাণে ব্যৱধান দেখা যায়। গুৰুজনাৰ কাপৰপৰা বিনিৰ্গত সৃষ্টিমূলক ৰূপটি মূল শ্লোকৰ লগত খাপ খোৱাকৈ ৰচিত হৈছে। মাজে মাজে শ্ৰীধৰ স্বামীৰ টীকাৰ আশ্ৰয়ো লোৱা হৈছে। এতিয়া আমি ইয়াৰ পিছৰ অধ্যায়টিলৈ আহিব খুজিছোঁ। ব্ৰহ্মাৰ বামন স্তুতিৰ পিছত বামনৰ ক্ৰোধ শূন্যভাব আৰু অন্যান্য বিষয় সামৰা হৈছে। তলত মূল শ্লোকৰ অনুবাদ তুলি দিয়া হল (৮/২২/২৪-৩৬)।

(১) বামনে কলে, আমি যাক অনুগ্ৰহ কৰোঁ তাৰ ধনাদি ঐশ্বৰ্য্যসমূহ অপহৰণ কৰি থাকোঁ। কাৰণ ধন ঐশ্বৰ্য্যই লোক সকলক গৰ্ব্বিত কৰে আৰু মোক তথা প্ৰাণীসকলক অৱজ্ঞা কৰে।

(২, ৩) জীৱাত্মা যদি কেতিয়াবা নিজ কৰ্ম্মসমূহৰ জৰিয়তে কীট পটঙ্গাদি নানা যোনিত ভ্ৰমণ কৰি কৰি কৰ্ম্মাধীন হৈ পুৰুষৰ জন্ম লয় আৰু সেই পুৰুষৰ জন্মত জন্ম, কৰ্ম্ম, বয়স, ৰূপ, বিদ্যা, ঐশ্বৰ্য্য আৰু ধনাদিৰ দ্বাৰা যদি গৰ্ব্বিত নহয়, তেন্তে সেয়ে আমাৰ অনুগ্ৰহ বুলি জানিবা।

(৪) অভিমান আৰু গৰ্ব্বৰ কাৰণে সৰ্ব্বপ্ৰকাৰ মঙ্গলৰ অন্তৰায় স্বৰূপ জন্ম আৰু ঐশ্বৰ্য্যাদিত আমাৰ ভক্তসকল কেতিয়াও বিমুগ্ধ নহয়।

(৫,৬) দৈত্য, দানৱৰ মাজত প্ৰধান; কীৰ্ত্তিমান এই বলিয়ে দুৰ্জ্জয় মায়াক জয় কৰিছে আৰু বিপদাপন্ন হৈয়ো বিচলিত হোৱা নাই। ধন হানি, স্থানচ্যুত

শত্ৰুসকলৰ দ্বাৰা তিৰস্কৃত, বৰুণৰ পাশত আবদ্ধ জ্ঞাতিগণৰ পৰিত্যজ্য আৰু যাতনা প্ৰাপ্ত হৈয়ো অৱসন্ন নহল।

(৭) এই স্থিৰ চিত্ত বলি শুক্ৰাচাৰ্য্যৰ দ্বাৰা তিৰস্কৃত হৈয়ো অভিশাপ পায়ো সত্যৰ পৰা বিচলিত নহল। আমি ছল ছাতুৰী বাক্য কলোঁ, তথাপি এই সত্যবাদী বলিয়ে সত্যধৰ্ম্ম ত্যাগ নকৰিলে।

(৮) আমি এই বলিক দেৱতাসকলৰো দুষ্প্ৰাপ্য স্থান প্ৰদান কৰিলোঁ। আমাৰ দ্বাৰা পৰিৰক্ষিত হৈ বলিয়ে পুনৰ সাবৰ্ণি মন্বন্তৰত এই স্বৰ্গৰ অধিপতি ই... হবহি।

(৯) সে... পৰ্য্যন্ত এওঁ বিশ্বকৰ্ম্মাৰ দ্বাৰা নিৰ্ম্মিত সুতল পুৰীত বাস কৰক। আ...ৰ কৃপা দৃষ্টিৰ দ্বাৰা সেইস্থানত থকা সকলৰ মানসিক পীড়া, দৈহিক পী...া, গ্লানি, আলস্য আৰু পৰাভৱ আদি কোনো উপদ্ৰব নহব।

(১০) হে...ন্দ্ৰসেন বলি! তোমাৰ মঙ্গল হওক। তুমি স্বজনসকলেৰে পৰিবেষ্টিত হৈ স্বৰ্গবাসীৰো অভিলষিত সুতল পুৰীলৈ যাত্ৰা কৰা।

(১১) অন্যৰ কথা দূৰে থাওক, ইন্দ্ৰাদি দেৱগণেও তোমাক পৰাভৱ কাৰব নোৱাৰিব। তোমাৰ শাসন অমান্য কৰা দৈত্যসকলক চক্ৰই নিধন কৰিব।

(১২) হে বীৰ! অনুচৰ আৰু পৰিচ্ছদাদিৰে সৈতে সৰ্ব্বপ্ৰকাৰ উপদ্ৰবৰ পৰা তোমাক ৰক্ষা কৰিম আৰু তুমি সেই স্থানত আমাক সদায় দেখিবলৈ পাবা।

(১৩) সেই সুতল পুৰীত দৈত্য দানবাদিৰ সংসৰ্গজনিত তোমাৰ আসুৰিক ভাববোৰ আমাৰ দৰ্শন প্ৰভাৱত তৎক্ষণাৎ নষ্ট পাব।

গুৰুজনাৰ অনুবাদ এনেধৰণৰ -

ব্ৰহ্মাৰ বচন শুনি নাৰায়নে মনে গুণি
অল্প কৰি তুলিলন্ত হাসি।
এৰিলন্ত ক্ৰোধ দৃষ্টি কৰিয়া অমৃত বৃষ্টি
মুখ চন্দ্ৰ বিম্বক প্ৰকাশি।।
সদয় নয়নে হৰি চাহিলন্ত হাস্য কৰি
সমস্ত লোকক মাথা তুলি।
এৰাই সৱে মহা ভয় কৰে আতি জয় জয়
এহি এহি নাৰায়ন বুলি।।
মাধৱৰ জয় ঘোষি দশোদিশে কৰৈ হুসি

নানা বিধ দেৱবাদ্য বাই।
সেহি বেলা দামোদৰে দৈত্যেন্দ্ৰক দয়াতৰে
সন্ধেটিলা গৰুড়ক চাই।।
স্বামীৰ বুজিয়া কাজ তাৱক্ষণে পক্ষীৰাজ
জট জট ছিণ্ডিলন্ত পাশ।
গুচাইলা সমস্তে বন্ধ হাত ভৰি কটি কন্ধ
ভৈলা সবে শৰীৰ উদাস।।
মুক্ত ভৈল দৈত্যৰাজা শুভ শুভ কৰে প্ৰজা
পাৰে দশোদিশত জোকাৰ।
হাসৈ সৱে খল খলি আজি উপজিল বলি
আৰে দিন পুহাইলা আমাৰ।।
আনন্দৰ সীমা নাই অনন্তৰে বলিৰাই
এৰাই হেন দুৰ্ঘোৰ দুৰ্গতি।
কাঢ়ি কতিপয় ভৰি আগে দণ্ডৱতে পৰি
বামনক কৰিলা প্ৰণতি।।
বিষ্ণুৰ দেখিয়া পাৱ শিহৰাইলা সৰ্ব্বগাৱ
আনন্দ লোতক বহি যাই।
এহি এহি বুলি পাছে দণ্ডৱতে পৰি আছে
মাধৱৰ পাদপদ্ম চাই।।
বিষ্ণুৰ আগত বলি কৰি পাছে কৃতাঞ্জলি
এক পাশ হুয়া বসি ৰৈল।
বিন্ধ্যাৱলী এৰাই দুখ স্বামীৰ দেখিয়া মুখ
আনন্দতে কৃতকৃত্য ভৈল।।
প্ৰহ্লাদৰ ৰঙ্গ আতি মুকুত ভৈলেক নাতি
ব্ৰহ্মাৰো আনন্দ আসৰিশ।
বিষ্ণুৰ সভাৰ কাছে যত সিদ্ধ মুনি আছে
সবে ভৈল পৰম হৰিষ।।
শুক নিগদতি শুনিয়োক মহাৰাজ।
ৰঙ্গে বসি আছা যেৱে সমস্ত সমাজ।।
ব্ৰহ্মাক বোলন্ত হৰি শুনা পিতামহ।

যি কাৰ্য্যে কৰিলো মই বলিক নিগ্ৰহ।।
মোৰ মহা অনুগ্ৰহ ভৈল যাক প্ৰতি।
সিজনৰ হৰো মই বিভৱ সম্পত্তি।।
পৰম প্ৰমত্ত হোৱে ধনৰ গৰ্ব্বত।
লোককো নমানে মোক নলয়ে মনত।।
শত কোটি জন্মান্তৰে হোৱে মহাভাগ।
নৰ শৰীৰক জীৱে তেবে পাৱে লাগ।।
তাত যেবে মোৰ দায়া ভৈল যাক প্ৰতি।
সেহিসে কৰিবে পাৰে আমাত ভকতি।।
কিনো সত্যবাদী বলি দেখিয়ো প্ৰত্যেক।
দৈত্যৰ মধ্যত ইটো মহাপুৰুষেক।।
সবাতো অধিক আতি স্নেহ মোৰ আক।
জিনিলেক বলি ইটো দুৰ্জ্জয় মায়াক।।
ত্ৰৈলোক্য কাঢ়িলো চলে লৈলো ধন বিত।
হাতে গলে বান্ধি দুখ দিলো বিপৰীত।।
একেশ্বৰ ভৈল সবে জ্ঞাতিয়ে এৰিল।
শুক্ৰৰ বাক্যত ইটো সত্যক নেৰিল।।
শত্ৰুৰ হাতত পৰি নিশঙ্ক হৃদয়।
অনেক ৰ্ভৎসিলো দৰশাইলো মহাভয়।।
ছলবাদে নিন্দিয়া জ্বালিলো মহামৰ্ম্ম।
তথাপিতো বলি নেৰিলন্ত সত্যধৰ্ম্ম।।
নাহি বলি সমদাতা ব্ৰহ্মাণ্ড ভিতৰ।
থাকিল কীৰিতি যাৱে চন্দ্ৰ দিবাকৰ।।
ইটো দৈত্যৰাজাৰ গুণৰ নাহি সীমা।
মোৰ মুখে কত আৰ বৰ্ণাইবো মহিমা।
ব্ৰহ্মা সমে হৰি হেন কৰিয়া আলাপ।
বলিক বোলন্ত শুন ইন্দ্ৰসেন বাপ।।
তোৰ সেনা যিহেতু একৈক ইন্দ্ৰ যেন।
সিকাৰণে তোৰ নাম থৈল ইন্দ্ৰসেন।।
তোহোৰ ভকতি মোক কৰিলে অধীন।

মোক্ষ যেবে দেওঁ তভো শুজা নযাই ঋণ।।
তথাপি বচন বোলো শুনা দৈত্যনাহা।
জ্ঞাতি বৰ্গ সমে সুতলক চলি যাহা।।
বৈকুণ্ঠতো অধিক মোহোৰ প্ৰিয় থান।
আতি বিতোপন বিশ্বকৰ্মাৰ নিৰ্ম্মাণ।।
দিন ৰাত্ৰি নজানিয় ৰত্নৰ প্ৰকাশে।
সদায়ে আমোদ কৰে সুৰভি ৰতাসে।।
নাহি আধি ব্যাধি উপসৰ্গ পীড়াচয়।
নাহি শোক মোহ জড়া মৰণক ভয়।।
যেহি মনে ৰাঞ্ছা কৰে সেহি মিলে তাত।
হেন মহা স্থান সিটো জগতে প্ৰখ্যাত।।
ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ চন্দ্ৰ পৱন পৰ্য্যন্তে।
তথাপিতো নেদিলোহো ইসবে খোজন্তে।।
তাক দিলো সপুত্ৰ বান্ধৱে যায়ো চলি।
মহা সুখে কতোকাল বঞ্চ তাত বলি।।
মোৰ চক্ৰ থাকিবেক তোহোৰ সভাত।
যিটো দৈত্য নমানে কৰিবেক স্কন্ধ পাত।।
দশদিগ পালো নলংঘিবে তোৰ পাশ
আজি ধৰি ভৈলি তই মোৰ নিজ দাস।।
তোৰ সঙ্গ লৈয়া থাকে যতেক দানৱ।
অসুৰ স্বভাৱ এৰি হৈবেক বৈষ্ণৱ।।
মোকেসে চিন্তিবে আচৰিবে মোৰ কাম।
বৃথা কথা এৰিয়া স্মৰিবে ৰাম নাম।।
দ্বাৰতে থাকিবো তোৰ কৰে ধৰি গদা।
আগতে প্ৰত্যেকে মোক দেখিবি সৰ্ব্বদা।।
মই যেবে তুষ্ট ভাবে ভৈলো সন্নিধান।
মহা প্ৰলয়তো তোৰ নাহি অকল্যাণ।।
হেন মতে সুতলত বঞ্চ কতো দিন।
যৈসানি পৰন্ত ইন্দ্ৰ হয়া পুণ্য ক্ষীণ।।
সাবৰ্ণি মন্বন্ত তই ইন্দ্ৰ হৈবি পাছে।

সিকালতো সদায়ে থাকিবো তোৰ কাছে।।
তোৰ মোৰ এৰাএৰি নাহি আজি ধৰি।
মোৰ ৰূপ চিন্তিবি চিত্তত ধ্যান কৰি।।
বৈষ্ণৱৰ সঙ্গত শুনিবি মোৰ কথা।
মোৰ নাম কীৰ্ত্তনক কৰিবি সৰ্বথা।।
গুচোক অজ্ঞান তোৰ মোৰ বৰ দানে।
সপুত্ৰ বান্ধৱে থাক পৰম কল্যাণে।।
ত্ৰৈলোক্যত ঘুষিবে তোহোৰ যশ বৰ।
এহি শুভক্ষণে বলি সুতলক লৰ।।

মূলৰ লগত পদৰ ব্যৱধানখিনি দেখুউৱা হল। বামনৰ এই প্ৰবোধৰ পাছত বলিয়ে কোৱা কথাখিনি মূলৰ লগত পদৰ কিমান পাৰ্থক্য আছে, তাকো তলত দেখুউৱা হল (৮/২৩/১-২)।

(১) শুকদেৱে কলে, হে ৰাজন! মহামনস্বী আৰু সাধুসকলৰ প্ৰশংসনীয় বলিয়ে প্ৰেমাশ্ৰুপূৰ্ণনেত্ৰ ভক্তি ভাব বিহ্বল হৈ গদ গদ বাক্যে এই প্ৰকাৰ নিৰ্দ্দেশক বিষ্ণুক কবলৈ ধৰিলে।

(২) অহো! আমি আপোনাক প্ৰণাম কৰিবলৈহে উদ্যম হৈছিলো মাত্ৰ। তাতেই আমি শৰণাগত ভক্তসকলৰ বাঞ্ছিত অভীষ্টলাভৰ অধিকাৰী হৈছোঁ। লোকপালক আৰু দেৱতাগণে ইতিপূৰ্ব্বে যি অনুগ্ৰহ লাভ কৰিব পৰা নাই, নীচ যোনি অধম অসুৰে আপোনাৰ পৰা তেনে অনুগ্ৰহ লাভ কৰিব পাৰিছোঁ।

পৰীক্ষিত ৰাজাত কহন্ত শুক মুনি।
মাধৱৰ অমৃত বচন বলি শুনি।।
ৰোমাঞ্চিত ভৈল তনু দ্ৰবিল হৃদয়ঁ।
আনন্দে লোতক ঝৰে বচন নাসয়।।
বিষ্ণুৰ চৰণ মনে আলিঙ্গিয়া ধৰি।
কতো ক্ষণে স্থিৰ ভৈল ৰাম কৃষ্ণ স্মৰি।।
শিৰৰ উপৰে পাছে কৰি কৃতাঞ্জলি।
ভক্তি ভাৱে মাধৱক কৰিলা সেৱলি।।
অধম অসুৰ নোহো ভকতিৰ পাত্ৰ।
প্ৰণামৰ উদ্যোগ কৰিলো মই মাত্ৰ।।

এতেকতে দিলা মহা প্ৰসাদ আমাক।
দেৱগণে প্ৰবঞ্চিয়া নতু পাৱে যাক।।
আমি দৈত্য জাতি আতিশয় পাপ দেহ।
তথাপি কৰিলা মোক এতমান স্নেহ।।
মাৰিবাক লাগে যাক তাকে সতকাৰ।
কোনে বুজিবেক প্ৰভু প্ৰভাব তোমাৰ।।
অচিন্ত্য মহিমা হৰি পুৰুষ প্ৰধান।
শত্ৰু মিত্ৰ উদাসীন সবাতে সমান।।
ভকত বৎসল দীন দয়াশীল দেৱ।
তোমাৰ চৰণে কৰো লক্ষ কোটি সেৱ।।
কিন্তু গোসাই কৰো মই এখনি গোচৰ।
তুমি জানা মোহোৰ হৃদয় দামোদৰ।।
দুনাই ইন্দ্ৰ হইবি হেন বুলিলা বচন।
ইহাতেসে আতি উতপাত কৰে মন।।
ইটো শ্ৰীমদে অন্ধ কৰিলেক মন।
নিচিন্তিলো তুমি হেন স্বামীৰ চৰণ।।
হেন চাৰ ইন্দ্ৰৰ পদত নাহি মতি।
ইন্দ্ৰ ভৈলে পাসৰিবো তোমাত ভকতি।।
তযু চৰণত স্থিৰ কৰিলো বুদ্ধিক।
ত্ৰৈলোক্য সম্পত্তি দেখো তৃণতো অধিক।।
ব্যৰ্থে জন্ম গৈল মোৰ যিটো শ্ৰীমদে।
আৰ কি মজিবো মই সেহিসে আপদে।।
নুবুজিলো প্ৰভু দেব ইটো কোন বুন্দা।
বান্ধ গুচাই যেন মোক দিবে চাহা কুন্দা।।
ই কাৰ্য্যক লাগি গোসাই তোমাতে শৰণ।
মাগি খাই চিন্তিবোহো তোমাৰ চৰণ।।
কানি কন্থা উৰিয়া তোমাৰ লৈবো নাম।
আউৰ ইন্দ্ৰ পদতো মোহোৰ নাহি কাম।।
তোমাৰ চৰণে মোৰ নখগোক আশ।
সেহি দিয়া দুনাই নকৰিয়ো সৰ্ব্বনাশ।।

বলিৰ এইখিনি ভক্তিৰ পিছতে তেওঁ নাগ পাশৰ পৰা মুক্ত হৈ ব্ৰহ্মাদি দেৱতা সকলক প্ৰণাম জনাই তাৰ পৰা বিদায় হৈ সুতল পুৰীত প্ৰবেশ কৰিলে আৰু বামনৰ আদেশ মতে প্ৰহ্লাদেও প্ৰস্থান কৰিলে। সেই প্ৰসঙ্গতে মূল ভাগৱতত অন্যান্য বিষয়ো প্ৰকাশ পাইছে। সেয়ে আমি তলত মূল শ্লোকৰ অনুবাদ প্ৰকাশ কৰিলোঁ (৮/২৩/৩-১২)।

(১) শুকদেৱে কলে, বলিয়ে এনেকৈ বামন, শিৱ, ব্ৰহ্মাক প্ৰণাম কৰি বৰুণৰ পাশমুক্ত হৈ আৰু প্ৰীতি সহকাৰে অসুৰসকলৰ সৈতে সুতল পুৰীত প্ৰৱেশ কৰিলে।

(২) বামনে এনেকৈ বলিৰ পৰা স্বৰ্গ ৰাজ্য গ্ৰহণ কৰি ইন্দ্ৰক সেইখিনি সোধাই অদিতিৰ আভিলাষ পূৰ্ণ কৰিলে আৰু পৃথিবী পালন কৰিবলৈ ধৰিলে।

(৩) ভক্তিপ্ৰবণ চিত্ত প্ৰহলাদে বংশধৰ নাতি বলিক বিষ্ণুৰ অনুগ্ৰহ প্ৰাপ্ত আৰু পাশমুক্ত হোৱা দেখি এনেদৰে কবলৈ ধৰিলে।

(৪) প্ৰহলাদে কলে হে, ভগৱান! জগত পূজ্য ব্ৰহ্মাদি দেৱগণেও যাৰ পদ বন্দনা কৰে, সেই আপুনি যে দৈত্য যোনি প্ৰাপ্ত আমাৰ দ্বাৰৰক্ষক হল। আপোনাৰ এনেকুৱা অনুগ্ৰহ ব্ৰহ্মা, লক্ষ্মী শিৱ প্ৰভৃতি কোনেও লাভ কৰিব পৰা নাই, অন্যৰ কথা আৰু কি কম?

(৫) হে আশ্ৰয় দাতা? ব্ৰহ্মাদি দেৱগণ যাৰ পদ পদ্ম মকৰন্দ সেৱাৰ দ্বাৰা নিজ নিজ ঐশ্বৰ্য্য লাভ কৰিছে। কিন্তু অসুৰ যোনি প্ৰাপ্ত অতিশয় দুৰ্ব্বৃত্ত খল স্বভাৱৰ আমি কি কাৰণে আপোনাৰ সেই কৃপা দৃষ্টি লাভ কৰিব পাৰিলোঁ তাক নাজানিলোঁ।

(৬) আপোনাৰ কৰ্ম্ম অতি আচৰিত। যিহেতু আপুনি অচিন্ত্য যোগমায়া আদিৰে লীলা কৰিবলৈ এই ত্ৰিভুবন সৃষ্টি কৰিছে। আপুনি সৰ্ব্বজ্ঞ আৰু প্ৰাণীসকলৰ চৈতন্যস্বৰূপ আৰু সমদৰ্শী। আপুনি ভক্তপ্ৰিয়। ভক্তৰ কাৰণে আপোনাৰ বিষম চৰিত্ৰ। কল্পতৰু যেনেকুৱা আশ্ৰিত সকলৰ বাঞ্ছা পূৰণ কৰে, আপুনিও তদ্ৰূপ ভকতসকলৰ কামনা পূৰণ কৰি থাকে। সেয়ে আপোনাৰ গুণৰ উৎকৰ্ষতাৰ পৰিচয়।

(৭) বামনে কলে হে, বৎস প্ৰহ্লাদ! তোমাৰ মঙ্গল হওক। সুতল পুৰীলৈ তুমি গমন কৰা আৰু নাতি বলিৰ লগত আনন্দৰে বাস কৰি জ্ঞাতি সকলৰ প্ৰীতি সম্পাদন কৰা।

(৮) তুমি আমাৰ দৰ্শনজনিত আনন্দৰ দ্বাৰা কৰ্ম্মবন্ধন ছিন্ন কৰি সেই সুতল

পুৰীত সদায় গদাপাণিৰূপে অৱস্থিত মোক দৰ্শন পাবা।

(৯,১০) শুকদেৱে কলে হে, ৰাজন! সকলো অসুৰৰ মাজত শ্ৰেষ্ঠ জ্ঞানী প্ৰহ্লাদে বামনৰ আজ্ঞা শিৰত ধাৰণ কৰি অৱনত মস্তকে কৃতাঞ্জলি হৈ বিষ্ণুৰ অনুমতি লৈ তেওঁক প্ৰদক্ষিণ কৰি, প্ৰণাম কৰি সুতল পুৰীলৈ যাত্ৰা কৰিলে।

গুৰুজনাৰ অনুবাদ কৰিছে এনেপ্ৰকাৰে —

শুনি বিষ্ণু বোলন্ত নোবোল বলিৰাই।
আউৰ ইন্দ্ৰ পদে তোৰ উৰুৰাইবে ছাই।।
মোৰ চৰণত ভৈল্ল আতি দৃঢ়মতি।
স্বৰ্গভোগ ভুঞ্জিলেও লভিবি মুকুতি।।
যিটো পুণ্য কৰি আছ ভুঞ্জিলেসে ক্ষয়।
সুতলক চল বাপ এৰিয়া সংশয়।।
কৈত শুনি আছা ভকতৰ ভয় আছে।
কৰে গদা ধৰি ৰাখি ফুৰো পাছে পাছে।।
একো কালে নেৰে যেন শৰীৰক ছায়া।
আপোনাতো কৰি মোৰ ভকতক দায়া।।
ভকতসে প্ৰাণ মোৰ বলি হেন জান।
যৈতে তৈতে থাক তোৰ নাহি অকল্যাণ।।
হেন শুনি বলি উল্লসিলা আনন্দত।
দণ্ডবতে পৰিলন্ত বিষ্ণুৰ পাৱত।।
উঠি উঠি পুনৰপি কৰিলা প্ৰণাম।
প্ৰহলাদে বোলন্ত সিদ্ধি ভৈল মনস্কাম।।
এড়াইলা বন্ধন মোৰ চেনেহৰ নাতি।
ভৈলা বিষ্ণু ভকত আনন্দ কৰে আতি।।
নাসে গদ গদ মাত মনত আহ্লাদ।
বিষ্ণুক প্ৰণামি হেন বুলিলা প্ৰহ্লাদ।।
ব্ৰহ্মা আদি কৰি যত দেৱতা প্ৰত্যেক।
তোমাৰ সেৱাত পাৱে মহা সম্পত্তিক।।
আমি দৈত্য পাপ মতি আতি অনাচাৰ।
আমাত পৰিল কেনে সুদৃষ্টি তোমাৰ।।

ইটো কাৰ্য্য দেখন্তে আকুল কৰে মতি।
ক্ৰুৰ অসুৰৰ হোৱে তোমাত ভকতি।।
ব্ৰহ্মা লক্ষ্মী মহাদেৱ নপাৱন্ত যাক।
হেনয় প্ৰসাদ দিলা দৈত্যক আমাক।।
যদ্যাপি সবাতে সম তুমি দামোদৰ।
তথাপিতো ভকতত কৰুণা বিস্তৰ।।
যেন কল্পতৰু জগততে তুল্য হিত।
মাগন্তাসে পাৱে ফল মনৰ বাঞ্চিত।।
কৰিলা কৰুণা কিনো বলিক সম্প্ৰতি।
তোমাৰ পাৱত পাইলে পৰম ভকতি।।
জ্ঞানীয়ো নপাৱে যাক কোটি জন্মে সীমা।
কি কহিবো দৈত্যেন্দ্ৰৰ ভাগ্যৰ মহিমা।।
আৰ কাক আমাৰ বংশত নাহি তুল।
তোমাৰ ভক্তিত নিস্তৰিল দৈত্যকুল।।
যাহাৰ বংশত হোৱে বৈষ্ণৱ এগুটি।
হোৱে তাৰ পুৰুষ উদ্ধাৰ কোটি কোটি।।
আমাক উদ্ধাৰি নিস্তৰিল দৈত্যপতি।
কোননো নসাধে কৰ্ম্ম তোমাৰ ভকতি।।
যাক লাগি ভৈল প্ৰভু তোমাৰ প্ৰবন্ধ।
ছিঁণ্ডে অপ্ৰয়াসে সিটো সংসাৰৰ বন্ধ।।
হেন শুনি নাৰায়নে দিলন্ত উত্তৰ।
শুনা পুত্ৰ প্ৰহলাদ দিতিৰ বংশধৰ।।
নাতি সমে সুতলক চলা মহামতি।
শিখায়ো বৈষ্ণৱ ধৰ্ম্ম বলিক সম্প্ৰতি।।
আনো দানৱক তুমি শিক্ষা দিবা ৰঙ্গে।
এড়োক আসুৰি ভাৱ তোমাৰ প্ৰসঙ্গে।।
শুনাইবাহা সবাকে মোহোৰ যশ কথা।
মোৰ গুণ কীৰ্ত্তনক কৰিয়ো সৰ্ব্বথা।।
মহা মনোহৰ ৰূপে কৰে ধৰি গদা।
সভাত থাকিবো মই দেখিবা সৰ্ব্বদা।।

মোৰ দৰশনে পাইবা পৰম আহ্লাদ।
কৰ্ম্ম বন্ধ এৰাই মোক্ষ লভিবা প্ৰহ্লাদ।।
মোৰ মহাপ্ৰিয় তুমি বৈষ্ণৱতে বৰা।
নকৰা বিলম্ব সুতলক লাগি লৰা।।
মোত লীন যাইবা সুখে সংসাৰক তৰি।
নকৰা সংশয় মই বোলো নিষ্ঠ কৰি।।

শুৰ্ক নিগদতি শুনা কৰুপতি
তাত পাছে যেন ভৈলা।
কহিবো নিশেষ বিষ্ণুৰ আদেশ
প্ৰহ্লাদে শিৰত লৈলা।।
বলি সমন্বিতে উঠিলা ত্বৰিতে
বোলন্ত কিনো সুদিন।
কৃতাঞ্জলি কৰি বিষ্ণুক সাদৰি
কৰিলন্ত প্ৰদক্ষিণ।।
দুয়ো দণ্ডৱতে পৰিয়া আগতে
বহুবিধ তুতি বুলি।
প্ৰণাম কৰিলা শিৰত ধৰিলা
বিষ্ণুৰ পাৱৰ ধুলি।।
কৰযোৰে উঠি ভক্তিভাৱে তুষ্টি
পাছ ভৰি যান্ত লৰি।
কতোক্ষণে গৈয়া দুয়োজনে ৰৈয়া
দুনাই প্ৰণামিলা পৰি।।
বিষ্ণুৰ চৰণ ছাড়ি নযাই মন
আনন্দে আকুল কৰে।
উপজয় ভাৱ শিহৰাই গাৱ
নেত্ৰৰ লোতক ঝৰে।
উঠন্ত পৰন্ত হৰি সমৰন্ত
দুয়ো মহা পুণ্যশালী।
হুয়া উপশান্ত দুয়ো চলি যান্ত
বিষ্ণুৰ আদেশ পালি।।

যত দৈত্যেচয় প্ৰাণৰ সংশয়
আছিল পলাই নিচুকি।
ভয় দূৰ ভৈল আসি লাগ লৈল
কৰিয়া উকিয়া উকি।।
দৈত্যেন্দ্ৰক পাইল দুনাই ধাতু আইল
আনন্দৰ নাহি পাৰ।
দুয়ো হাত তুলি শুভ শুভ বুলি
চৌপাশে পাৰে জোকাৰ।।
ৰাজাক আবৰি স্তুতি নতি কৰি
কতো দৈত্য যাই চলি।
ৰঙ্গে যেন নাচে এহিমতে পাছে
সুতলক পাইলা বলি।।

বলিৰজা সুতলপুৰী পোৱাৰ পিছত বামনে শুক্ৰচাৰ্য্যক দিয়া পৰামৰ্শ, শুক্ৰৰ যজ্ঞ সমাপন, ইন্দ্ৰৰ হাতত বামনৰ স্বৰ্গৰাজ্য অৰ্পণ, বামনৰ উপেন্দ্ৰ নাম গ্ৰহণ, দেৱতা মুনিসকলৰ আনন্দ লাভ বামনৰ শাসনত পৃথিবীত শান্তি লাভ, বামনাৱতাৰ কথা শ্ৰৱণত পৰমগতি লাভ ইত্যাদি বৰ্ণনা উনৈশটি শ্লোকৰ এৰা ধৰা কাৰ্য্যৰে নিজৰ সৃষ্টিমূলক বৰ্ণনা সম্ভাৰ আমাক দান কৰিছে। শ্লোকৰ অসমীয়া ৰূপ প্ৰকাশ কৰা হল। অধ্যায়টি ইমানতে যতিও পৰিছে।

(১) হে, ৰাজন! বামনদেৱে ব্ৰহ্মবাদী ঋত্বিক সকলৰ মাজত অৱস্থিত শুক্ৰাচাৰ্য্যক কবলৈ ধৰিলে।

(২) বামনে কলে হে, ব্ৰাহ্মণ! যজ্ঞানুষ্ঠানকাৰী আপোনাৰ শিষ্যৰ যজ্ঞসম্বন্ধে যি কাম অসম্পূৰ্ণ হৈ থাকে, সেইখিনি ব্ৰাহ্মণ সকলৰ দ্বাৰা পূৰ্ণ হয়।

(৩) শুক্ৰাচাৰ্য্যই কলে হে, ভগৱান! যি বলিৰ দ্বাৰা সকলো কৰ্ম্মৰ প্ৰৱৰ্ত্তক যজ্ঞ ফলদাতা আৰু যজ্ঞময় মহাপুৰুষ আপুনি পূজিত হৈ আছে, সেই বলিৰ কৰ্ম্ম বিষয়ত অসম্পূৰ্ণতা কি থাকিব পাৰে।

(৪) কৰ্ম্ম বিষয়ত স্বৰ বিকৃতি, আনুষ্ঠানিক ব্যতিক্ৰম হোৱা হেতুকে দেশ কাল, পাত্ৰ আৰু দক্ষিণাদি দ্বাৰা যিখিনি অসম্পূৰ্ণ হৈ থাকে সেই খিনি একমাত্ৰ আপোনাৰ নাম কীৰ্ত্তনৰ দ্বাৰাই পৰিপূৰ্ণ হয়।

(৫) হে সৰ্ব্বব্যাপী? তথাপি আপুনি যি আদেশ দিছে, আমি আপোনাৰ

সেই আদেশ পালন কৰিম। কাৰণ আপোনাৰ আজ্ঞা পালন কৰাই পুৰুষৰ ধৰ্ম্ম।

(৬) শুকদেৱে কলে শুক্ৰাচাৰ্য্যই এই বুলি সসম্মানে হৰিৰ আদেশ স্বীকাৰ কৰি মুনিসকলৰ সৈতে বলিৰ যজ্ঞ কৰ্ম্মৰ অসম্পূৰ্ণ ক্ৰিয়াসমূহৰ অনুষ্ঠান সম্পূৰ্ণ কৰিলে।

(৭) হে ৰাজন! বামনাৱতাৰ হৰি এনেদৰে বলিৰ ওচৰত পৃথিবী ভিক্ষা কৰি শত্ৰুগণৰ অধিকৃত স্বৰ্গৰাজ্য ইন্দ্ৰক সমৰ্পণ কৰিলে।

(৮, ৯) তেতিয়া ব্ৰহ্মাই কশ্যপ আৰু অদিতিৰ প্ৰীতি হেতু আৰু পৃথিবীৰ মঙ্গলৰ কাৰণে দেৱৰ্ষি, পিতৃ ৰাজৰ্ষি, দক্ষ, ভৃগু, অঙ্গিৰা, কাৰ্ত্তিকেয় আৰু মহাদেৱৰ সৈতে মিলিত হৈ বামনক লোকপাল সকলৰ ওপৰত অধিপতি পাতিলে।

(১০, ১১) এনেদৰে সৰ্ব্বমঙ্গল হেতুকে বেদবোৰ, দেৱগণ, ধৰ্ম্ম, যশস্যা শ্ৰী, মঙ্গল, ব্ৰত আৰু স্বৰ্গ অপবৰ্গৰ ৰক্ষা বিধানৰ কাৰণে বামনক উপেন্দ্ৰৰূপে কল্পনা কৰিলে। হে মহাৰাজ! তেতিয়া প্ৰাণী সমূহে অতিশয় আনন্দিত হৈ পৰিল।

(১২) ইয়াৰ পিছত ব্ৰহ্মাৰ অমুমোদন অনুসৰি বামনক আগত লৈ ইন্দ্ৰাদি দেৱগণ দেৱবাহনত উঠি স্বৰ্গলৈ যাত্ৰা কৰিলে।

(১৩) বামনৰ বাহু বলত সুৰক্ষিত হৈ ইন্দ্ৰই ত্ৰিভুবন লাভ ভয় ৰহিত আৰু সৰ্ব্বসম্পদশালী হৈ পৰমানন্দ অনুভৱ কৰিবলৈ ধৰিলে।

(১৪, ১৫) হে মহাৰাজ! ব্ৰহ্মা, শিৱ, কাৰ্ত্তিক, ভৃগু আদি মুনি, পিতৃ প্ৰাণীসমূহ আৰু যি সকলে সিদ্ধ বৈমানিক সেই ঠাইত আছিল সেইসকলোৱেই বিষ্ণুৰ সেই মহৎ অদ্ভুত কৰ্ম্মৰ গান কৰি কৰি নিজ নিজ ঠাইলৈ গমন কৰিলে আৰু অদিতিকো প্ৰশংসা কৰিবলৈ ধৰিলে।

(১৬) হে কুল তিলক! শ্ৰৱণকৰ্ত্তাৰ পাপনাশক বামনদেৱৰ এইবোৰ চৰিত্ৰ কথা আমি তোমাৰ ওচৰত প্ৰকাশ কৰিলোঁ।

(১৭) নানাৰূপে প্ৰকাশিত বিষ্ণুৰ মহিমা বৰ্ণনা যি ব্যক্তিয়ে শেষ কৰিব পাৰে সেইজনে পৃথিবীৰ ধূলি কণা সমূহো গণনা কৰিবলৈ সক্ষম হব। পৰম পুৰুষ বিষ্ণুৰ গুণ বৰ্ণনা বিষয়ে মন্ত্ৰদ্ৰষ্টা বশিষ্ঠই এনেদৰে কৈছে যে তেনেকুৱা মানুহ জন্ম নাই বা জন্মিবও নোৱাৰে যি বিষ্ণুৰ মহিমা বৰ্ণনা কৰি শেষ কৰিব পাৰে।

(১৮) যিজনে অদ্ভুত কৰ্ম্ম দেৱ দেৱ শ্ৰীহৰি এই বামনাৱতাৰ কথা শ্ৰৱণ কৰে, তেওঁ পৰমাগতি লাভ কৰি থাকে।

(১৯) দেৱ পিতৃ অথবা মানৱ সম্পৰ্কীয় যিকোনো কামত এই বামন চৰিত্ৰ কীৰ্ত্তন কৰিব, সেই সেই কাৰ্য্যই তেওঁলোকৰ সফল হব- এই কথা পণ্ডিত সমাজে জানে।

এতিয়া গুৰুজনাৰ মূলগত আৰু সৃষ্টিমূলক অনুবাদৰ উদ্ধৃতি দিয়া হল।

সবান্ধৱে যেবে বলি সুতলক গৈলা চলি
শুক্ৰক বোলন্ত হৰি হাসি।
এৰে দৈত্যে পুৰোহিত শিষ্যৰ চিন্তিয়ো হিত
ঝাণ্টে যজ্ঞ সাঙ্গ কৰা আসি।।
কেনে কষ্ট এতমান নহৰাৱে যজমান
এৰা ইটো মনৰ বিকল।
পঢ়ি বেদ মন্ত্ৰ স্তুতি কৰিয়োক পূৰ্ণ হুতি
হৌক ইটো যজ্ঞৰ সাফল।।
হেন শুনি শুক্ৰ ঋষি কৰযোৰে বিমৰিষি
বামন বিষ্ণুক মাতিলন্ত।
শুনা প্ৰভু নাৰায়ন হেন নাহি একোজন
তোমাৰ মায়াৰ পাৱে অন্ত।।
যাৰ নাম সুমৰণে সাঙ্গ হোৱে তাৱক্ষণে
মহা তপ জপ কৰ্ম্ম যত।
হেন হৰি আছা আগে আৰো সাঙ্গ হুইবে লাগে
ভৈল পূৰ্ণ যজ্ঞ বিধিৱত।।
খুজিলা ত্ৰিপদ ভূমি উৎসৰ্গি সমস্তে তুমি
স্বহস্তে তোমাক দিলা বলি।
ভকতক দয়া আতি লৈলা দান হাত পাতি
দৈত্যেন্দ্ৰৰ যজ্ঞক সাম্ফলি।।
প্ৰবেশিলা যজ্ঞস্থলি তযু পাদোদকে বলি
পৱিত্ৰ কৰিলা সবে অঙ্গ।
আপুনি যেখানে আইলা সদয় নয়নে চাইলা
ভৈল যজ্ঞ তেখনে সুসাঙ্গ।।

তোমাৰ আদেশ হৰি তথাপি শিৰত ধৰি
পুৰিবো যজ্ঞৰ সবে মন।
এহি বুলি পুৰোহিত বহ্নিত ঢালিয়াঘৃত
দিলা পূৰ্ণাহুতি অৰ্ঘ্য দান।।
নমো হৰি নমো হৰি বাৰ তিনি চাৰি স্মৰি
যজ্ঞ সমাপিলা শুক্ৰ ঋষি।
ত্ৰিদশে সহিতে হৰি চাহি আছা ৰঙ্গ কৰি
হৰিনাম ঘোষে দশোদিশ।
যজ্ঞ সমাপিত কৰি লক্ষ্মীপতি
ইন্দ্ৰক দিলা উত্তৰ।
আমাৰ বচন কৰি একমন
শুনা দাদা পুৰন্দৰ।।
তোমাৰ কণিষ্ঠ জানা মোক নিষ্ঠ
অদিতিত জাত ভৈলো।
মাতৃ বাক্য পালি বলিক নিকালি
ত্ৰৈলোক্য কাঢ়িয়া লৈলো।।
তোমাৰ অন্তৰে অদিতি মাৱৰে
নখণ্ডে হৃদয় খেদ।
দিৱস নযায় ৰাত্ৰি নুপুহায়
লোতকৰ নাহি ছেদ।।
এবে দেৱৰাজ লৈয়ো নিজৰাজ
শুনা সবে দিগপাল।
খণ্ডিল দুৰ্গতি লোৱা অম্ৰাৱতী
উদয়ৰ ভৈল কাল।।
বামনৰ বাণী শুনি বজ্ৰপাণি
ভৈলন্ত পৰম তুষ্টি।
ত্ৰিদশে সহিতি আলচি তহিৰি
বিষ্ণুক বুলিলা উঠি।।
শুনিয়ো গোসাই তুমি মোৰ ভাই
ভৈলা যদি স্বৰূপত।

হুয়া যুবৰাজ চৰ্চ্চা ৰাজকাজ
পালা মোৰ ত্ৰিজগত।।
তোমাৰ আশ্ৰয়ে আনন্দ হৃদয়ে
থাকো কতোকাল সুখে।
ভুঞ্জিলো নিকাৰ অৱস্থা আমাৰ
কি কৈবো আপোন মুখে।।
নপালো আহাৰ নাছিল আমাৰ
পলাইবাৰ কৈতোপুৰী।
ভয়ে শ্ৰুতি হৰে হেন নতু কৰে
আমাক আন আসুৰি।
তুমি বিনে মোৰ হেনয় দপ ৰ্ঘোৰ
দুৰ্গতি তাৰন্তা নাই।
কুলৰ প্ৰদীপ নেৰিবা সমীপ
লগে থাকো দুয়ো ভাই।।
কৃপা কৰা মোক পালিয়ো ত্ৰৈলোক্য
নকৰিবা মোক ভিন্ন।
তোমাৰ প্ৰসাদে আতি অপ্ৰমাদে
নিদ্ৰা কৰো কতো দিন।।
ব্ৰহ্মায়ে বুলিলা পাছে মোৰ অভিপ্ৰায় আছে
সৱে সিদ্ধ.মুনিৰ সন্মত।
যেৱে সুখে থাকে ত্ৰিজগত।।
হেন শুনি চক্ৰপাণী হাসি বুলিলন্ত বাণী
সবাকো সম্বুধি অনুৰাগে।
যেবে ভাল দেখে সবে কৰা ইন্দ্ৰ দাদা তেবে
তযু আজ্ঞা পালিবাক লাগে।।
হেন শুনি মহাতুষ্টি ব্ৰহ্মা ৰুদ্ৰ ইন্দ্ৰ উঠি
লাগে মানে মিলাইলা সম্ভাৰ।
কৰ্পূৰ কুঙ্কুমময় লগাইলা প্ৰদীপচয়
পূৰ্ণ কুম্ভ যত উপহাৰ।।
দুৰ্ব্বাক্ষত দধি ফল চাৰি সাগৰৰ জল
অনাইলা সুবৰ্ণ ঘট ভৰি।

ইন্দ্ৰ ৰুদ্ৰ দুই পাছে ঢুলি যাও লাসে লাসে
ধৱল চামৰ কৰে ধৰি।।
সৰ্পৰাজে প্ৰণামিয়া মাথাৰ উপৰে নিয়া
ধৰিলন্ত ধৱল ছত্ৰক।
বাজে মহা দিব্য যন্ত্ৰ ঋষিগণে পঢ়ে মন্ত্ৰ
ব্ৰহ্মায়ে কৰন্ত অভিষেক।।
ভৈলা ৰাজা ত্ৰৈলোক্যৰ এহি বুলি সৃষ্টিকৰ
থৈলন্ত উপেন্দ্ৰ তান নাম।
দেখি দিগপালগণে পৰম আনন্দমনে
পৰি পৰি কৰন্ত প্ৰণাম।।
গন্ধৰ্ব্বে যোগাৱে গীত অপেস্বৰা কৰে নৃত্য
বিদ্যাধৰে বজাৱে মৃদঙ্গ।
বাৱে নানা বাদ্যচয় মেঘে পুষ্প বৰিষয়
কিন্নৰ চাৰণে কৰে ৰঙ্গ।।
বামন ভৈলন্ত ৰাজা শুনি ত্ৰৈলোক্যৰ প্ৰজা
মহা মহোৎসৱ আতি কৰে।
ত্ৰৈলোক্যৰ ৰাজা পাছে ভৈলন্ত বামন।
পৰম মঙ্গল আসি মিলিল তেখন।।
গুচিল দুৰ্ভিক্ষ দুখ শোক উতপাত।
সদায়ে সুৰভি সুমঙ্গল বহে বাত।।
এড়িলা প্ৰচণ্ড তাপ সহস্ৰ কিৰণ।
অকালত নাহি কৈতো প্ৰজাৰ মৰণ।।
পাপ পথ এৰি সবে পুণ্যকেসে ভজে।
বুৱাক নলাগে শস্য আপুনি উপজে।।
বৰিষয় মেঘে যেতিক্ষণে যৈত লাগে।
সমস্তে সম্পূৰ্ণ কেহো কাহাতো নমাগে।।
ঘটস্ৰৱা ধেনুৰ আপুনি দুগ্ধ স্ৰৱে।
পঞ্চামৃত্তে প্ৰলম্পি আপুনি নদী বৱে।।
বামনৰ প্ৰসাদে প্ৰত্যেক ঘৰে নিধি।
যেহিমনে বাঞ্ছা কৰে সেহি হোৱে সিদ্ধি।

হৃষ্ট পুষ্ট ভৈল প্ৰজা পৰম সন্তোষে।
বামন বিষ্ণুৰ যশ দশোদিশে ঘোষে।।
অনন্তৰে হৰ সৰ্পৰাজ প্ৰজাপতি।
উপেন্দ্ৰক কৰিলন্ত অনেক ভকতি।।
বামনো কৰিলা তাসম্বাক বহু মান।
মেলানি মাগিয়া গৈলা যাহাৰ যি স্থান।।
আনো যত সমজ্যাৰ সিদ্ধ মুনিগণ।
চাহি অভিষেক সবে মহাৰঙ্গ মন।।
স্বকি স্বকি স্থানে লৰি গৈলা দিব্য যানে।
অন্যো অন্যে বামনৰ মহিমা বখানে।।
এহিমতে উপেন্দ্ৰে বিসৰ্জ্জি সমজ্যাক।
বাসৱক সম্বুধি বুলিলা হেন বাক।।
উঠা দাদা আমিয়ো স্বৰ্গক লাগি যাঞো।
মাৰুৰ পাৰত নিয়া তোমাক ভেটাঞো।।
শুনি পুৰন্দৰে আৰোহিলা বিমানত।
লৰিলা যোগানে দেৱগণ কোটি শত।।
চলিলা বামন বাসৱক আগ কৰি।
দিগপালগণে যান্ত দোভাইক আৱৰি।।
বহুবিধ জয় বাদ্য বাৱে আগে পাছে।
উপৰত ধৱল ছত্ৰক ধৰি আছে।।
ঢোলে শ্বেত চামৰ মিলিল মহাসুখ।
ভৈলা মহালক্ষ্মী দুনাই ইন্দ্ৰক সমুখ।।
মহা চমৎকাৰে চলে ইন্দ্ৰৰ বিমান।
পাছে অভ্ৰাৱতীত ৰহিলা গৈয়া যান।।
আসন্ত বাসৱ দুনাই দুৰ্গতি নিস্তৰি।
উসল মাসল কৰে সমস্তে নগৰি।।
শাৰী শাৰী দুৱাৰত ৰোৱে যাত্ৰা কল।
জল ভৰি ঘটৰ উপৰে থৱৈ ফল।।
লগাৱৈ প্ৰদীপ ধূপ সিঞ্চে দুৰ্ব্বাক্ষত।
পথে পথে পাৰিলা বিচিত্ৰ পাটি নেত।।

দিব্য বস্ত্ৰ ভূষণে ভূষিত্ত সবে নাৰী।
অন্যো অন্যে মাতা মাতি কৰে ৰিঙ্গ পাৰি।।
আগ বাঢ়ি যান্ত ৰঙ্গে হাতে পুষ্প ফল।
কতো নাৰীগণে গাৱে যাত্ৰাৰ মঙ্গল।।
অদিতি শুনিল আসে পুত্ৰ পুৰন্দৰ।
আনন্দতে লোতক নিগৰে নয়নৰ।।
আগ বাঢ়ি যান্ত মন উৎসুক অনেক।
আৱৰি লড়িল দিব্য নাৰী সহস্ৰেক।।
আগত গন্ধৰ্ব্বগণে যাই গীত গাই।
বিদ্যাধৰে বাৱে খোল আনন্দ বঢ়াই।।
দিব্য কাছে কাছি নাচি যাই অপেশ্বৰা
লড়িলা উলটি প্ৰজা নগৰৰ পৰা।।
এহিমতে ইন্দ্ৰ আসি পাইলা অম্ৰাৱতী।
বিমানৰ হন্তে নামিলন্ত সুৰপতি।।
মাৱক প্ৰণাম কৰিলন্ত দুয়ো ভাই।
ধৰিল ইন্দ্ৰক দেৱী চিৰকালে পাই।।
আনন্দতে কান্দিলন্ত সাবটিয়া গলে।
তিয়াইলা শৰীৰ তান নয়নৰ জলে।।
কিনো কষ্ট পাইলা পুতাই দানৱে বুৰাইল।
পুৰিল হৃদয় পুতাই আজিসে জুড়াইল।।
হেন জানো তোক আৰ নেদেখিবো আখি।
বামন পুতাই আনিলন্ত প্ৰাণ ৰাখি।।
উপেন্দ্ৰক ভাই পাইলি কত তপসাই।
মহা কৌতুহলে আৱে থাকো দুয়ো ভাই।।
পাছে বামনক আনি কোলাত বৈসাইলা।
গলত বান্ধিয়া দেৱমাতা চুমা খাইলা।।
সাৰ্থক নয়ন মোৰ কুলৰ উদ্ধাৰ।
মোক শোক সাগৰত কৰিলাহা পাৰ।।
মহা ঘোৰ আপদত ত্ৰিদশ মজিল।
তোমাৰেসে প্ৰসাদত দুনাই উপজিল।।

যতেক বুলিলা পুত্ৰ পাইলো সবে দান।
এবে দিতি সতিনীৰ সুজিলোহো মান।।
বামনক বুলি আনো অনেক বনে।
গৃহক গৈলন্ত লগে লৈয়া পুত্ৰগণ।।
বজাৱে দুন্দুভি ভেৰী কাহাল কৰ্ত্তাল।
মাত নুশুনিয় আৰ প্ৰজাৰ ঘঞ্চাল।।
শচীসমে পুৰন্দৰ পশিলা ওৱাৰি।
বেঢ়িলেক সুন্দৰী অনেক দিব্য নাৰী।।
আগে অপেস্বৰা পাতিলেক দিব্য নাট।
যেনমতে ইন্দ্ৰে দুনাই পাইলা দণ্ডপাত।।

আমি পূৰ্ব্বতে উদ্ধৃতি দি অহা মূলৰ অসমীয়া অনুবাদৰ লগত পদৰ বিভিন্নতা দেখা পোৱা হৈছে যদিও মূলৰ “তদা সৰ্ব্বাণিভূতানি ভৃশংমুমুদিৰে নৃপ” (৮/২৩/২৩) অৰ্থাৎ তেতিয়া প্ৰজাসকলে অতিশয় আনন্দ লাভ কৰিলে আৰু “শ্ৰিয়া পৰময়া জুষ্টো মুমুদে গত সাধ্বসঃ” (৮/২৩/২৫) অৰ্থাৎ ভয়শূন্য আৰু সৰ্ব্ব সম্পত্তিশালী হৈ পৰমানন্দ অনুভৱ কৰিলে” এই দুটি সূত্ৰৰ আধাৰতে গুৰুজনে পূৰ্ব্বোক্ত সৃষ্টিমূলক বৰ্ণনা কৰিছে। শেষত তিনিটিমান শ্লোকৰ অনুবাদ গুৰুজনে কৰা নাই। আমি এই অধ্যায়ৰ আৰম্ভনিতে শ্লোক সংখ্যা, গুৰুজনাই অনুবাদ নকৰা শ্লোক সংখ্যা, পদৰ সংখ্যা আদি পৰিষ্কাৰ ৰূপত দাঙি ধৰা হৈছে। আনহাতে অধ্যায়টিত গুৰুজনাই নিজৰ বংশ পৰিচয়, ভাৰতবৰ্ষ প্ৰশংসা আদিও দাঙি ধৰিছে। অতিৰিক্ত সৃষ্টিমূলক বৰ্ণনাৰে মূলৰ ওপৰত অধিক ভাৰষা নাৰাখি যিখিনি বৰ্ণনা ইয়াত দাঙি ধৰা হৈছে, সেই খিনিয়ে কোনো প্ৰকাৰে সম্পৰ্ক বিচ্ছিন্ন নোহোৱাকৈ ৰাখিছে। ইয়াতকৈ আমাৰ কাৰণে অধিক ব্যাখ্যাৰ নিষ্প্ৰয়োজন।

● ● ●

(৮) বলিছলন - (২ - খ)

ভাগৱতৰ ৮/২৩/৩১ শ্লোকতে বলিছলন অধ্যায়ৰ সামৰণি পৰিছে। কিন্তু গুৰুজনে বলিছলনৰ অংশবিশেষ ৰূপে আৰু এটি পৰিশিষ্টাংশ যোগ দিছে। এই অংশটি ভাগৱতোক্ত নহয় আৰু সেইদৰে বামন পুৰাণ নাইবা আমাৰ দৃষ্টিত পৰা অন্য পুৰাণতো এই কাহিনীটিৰ অভাব দেখা গৈছে। গুৰুজনাৰ ৰচিত কীৰ্ত্তনঘোষাতো একে নামৰ এই অধ্যায়টি আছে। কিন্তু কীৰ্ত্তনঘোষাৰ আৰম্ভণি ইয়াৰ লগত অমিল। বাকীখিনি একে। ভাগৱতত গুৰুজনাই বামন বিষ্ণুৱে উপেন্দ্ৰ নামলৈ স্বৰ্গস্থিত হোৱাৰ পিছত একেখিনি পদৰ লগতে একেটি ছন্দতে মিলাই পিছৰ ঘটনাটি আৰম্ভ কৰিছে। তদুপৰি সুতলপুৰীৰ মনোৰম বৰ্ণনা আৰু প্ৰাকৃতিক দৃশ্যৰ অৱতাৰণা কৰা হৈছে। তলত উদ্ধৃতি দিয়া হ'ল।

শুক নিগদতি ৰাজা শুনা কুৰুপতি।
কহিলো ইন্দ্ৰৰ কথা তোমাক সম্প্ৰতি।।
ত্ৰৈলোক্য লৈলন্ত হৰি যেবে ভিক্ষা ছলে।
শুনা যেনমতে বলি পশিলা সুতলে।।
বামনৰ আজ্ঞা বলি শিৰত চড়াই।
সবন্ধু বান্ধৱে সবে হুয়া এক ঠাই।।
সুতল পুৰত গৈয়া প্ৰবেশিলা পাছে।
দেখিলন্ত দিব্য পুৰী প্ৰকাশন্তে আছে।।
দিব্য ৰত্ন জ্যোতিৰ স্বৰ্গতো কৰি বলে।
নানাবিধ গৃহ চন্দ্ৰ সূৰ্য্য সম জ্বলে।।
সুবৰ্ণৰ কাঠি কামি ৰজত ৰুৱালি।
চিকি মিকি কৰে শুদ্ধ সুবৰ্ণ মাৰলি।।
স্ফটিকৰ স্তম্ভ বৈদুৰ্য্যৰ দিলা বাৰ।

পদ্মৰাগে গান্থি আছে কপাট দুৱাৰ।।
হীৰাৰ জিঞ্জিৰী মাণিকৰ কুন্দৰুখ।
আগ চালি চয়ক দেখন্তে মহাসুখ।।
আশী হাত মান তাৰ সুবৰ্ণৰ কান্থি।
আলি মুৰালি মুকুতাৰ মালা গান্থি।।
প্ৰৱালৰ বাট মৰকত খাট খাৰি।
শুদ্ধ সুবৰ্ণৰ পাতে আছে গৃহ ভৰি।।
দিব্য শয্যা সৱ হেন মেঘত বিজুলি।
বিচাই আছে তাত মনোহৰ হংস তুলি।।
সুকোমল ধৱল দুগুধ ফেনময়।
উপৰত দিব্য চন্দ্ৰতাপ প্ৰকাশয়।।
অনেক পদ্মিনী নাৰী ভ্ৰমৈ লয়লাসে।
গাৱৰ সুৰভি গন্ধে পদ্ম যেন বাসে।।
ৰুণঝুন কৰি বাজে পাৱত নূপুৰ।
দৰশনে কৰে মদনৰো দৰ্পচুৰ।।
তাৰ কাছে আছে দিব্য দীঘি সৰোবৰ।
চাৰিয়ো কাখৰে খাট খৰি সুবৰ্ণৰ।।
পাৰে পাৰে দিব্য পুষ্পবন অসংখ্যাত।
মন্দাৰ মল্লিকা কল্পতৰু পাৰিজাত।।
বলয় আকাৰ কৰি প্ৰতি গাছে গাছে।
সুবৰ্ণ মাণিকে খচি ভিণ্ডা বান্ধি আছে।।
পুষ্পৰ সুৰভি আমোদিত আতি কৰে।
মধুপানে মত্ত হুয়া ভ্ৰমৰে গুঞ্জৰে।।
দিব্য পক্ষীগণে তেজে সুললিত ৰাৱ।
সৰ্ব্বকালে বসন্ত মলয়া বহে বাৱ।।
নাহি তাত ক্ষুধা তৃষ্ণা ক্ৰোধ অহঙ্কাৰ।
নাহি জৰা মৃত্যু ৰোগ শোকৰ সঞ্চাৰ।।
যেহিমতে অভিলাষ কৰে সেহি পাৱে।

সদায় আনন্দময় বিষ্ণুৰ প্ৰভাৱে।।
দ্বিতীয় বৈকুণ্ঠ যেন মাধৱৰ পুৰ।
দেখি সচকিত ভৈল যতেক অসুৰ।।
সংসাৰৰ দুখ মানে এৰাইলা সবাকে।
বৃদ্ধ সবো যুৱা ভৈল প্ৰবেশ মাত্ৰকে।।
মিলিল মনত আসি পৰম আহ্লাদ।
জানিলন্ত বলি পাইলা বিষ্ণুৰ প্ৰসাদ।।
প্ৰত্যেকে দেখিলা আসি মাধৱৰ স্থান।
বিষ্ণুৰ চৰণ মনে কৰিলা সন্মান।।
গৃহক সমুখ হুয়া ৰাম কৃষ্ণ ৰড়ি।
সবান্ধৱে প্ৰণামিলা দণ্ডৱতে পড়ি।।
হেন দেখি নাৰীগণে গৃহৰ বজাইলা।।
শুভক্ষণে দৈত্যেন্দ্ৰক গৃহ প্ৰবেশাইলা।।
অভ্যন্তৰে পশিয়া ফুৰন্ত বলিৰাই।
আছে অষ্ট নিধিৰ ভাণ্ডাৰ ঠাই ঠাই।।
ৰত্নময় পাত্ৰ দিব্য বস্ত্ৰ অলঙ্কাৰ।
শয্যাসব আছয় দেখন্তে চমৎকাৰ।।
ভৈলন্ত আশ্চৰ্য্য দেখি গৃহৰ জেউতি।
ওচৰো নপাৱে কোটি কোটি অম্ৰাৱতী।।
বিষ্ণুৰেসে কৃপা ইটো দেখি দৈত্যেশ্বৰ।
যাৰ যেন যোগ্য প্ৰবেশাইলা ঘৰে ঘৰ।।

এই আৰম্ভনি বৰ্ণনা কীৰ্ত্তনঘোষাত নাই। এইখিনি গুৰুজনাৰ সৃষ্টিমূলক বৰ্ণনা। আনহতে এই অধ্যায়টি ৰচনা কৰিবলৈ প্ৰেৰণা যোগালে ভাগৱত ৮/২২/৩৪ সংখ্যক শ্লোক আৰু বামন পুৰাণৰ ৯৩/৫-১৯ সংখ্যক শ্লোক কেইটিয়েহে। উদ্ধৃতি দিয়া হল—

নত্বামভিভবিষ্যন্তি লোকেশঃ কিমুতাপৰে।
ত্বচ্ছাসনাতিগান্ দৈত্যাংশ্চক্ৰংমে সূদয়িষ্যতি।।(ভাগ-৮/১২/৩৪)

অৰ্থাৎ- অন্যৰ কথা দূৰে থাকক - ইন্দ্ৰাদি লোকপাল সকলেও তোমাক পৰাভৱ

কৰিব নোৱাৰিব। তোমাৰ শাসন লংঘনকাৰী দৈত্যসকলক আমাৰ এই চক্ৰই নিধন কৰিব।

বামন পুৰাণৰ তিৰান্নৱৈ অধ্যায়ৰ পাঁচ সংখ্যাৰ পৰা ঊনৈশ সংখ্যালৈকে মুঠ পোন্ধৰটি শ্লোকত সুতলপুৰীত চক্ৰ প্ৰবেশৰ এটি বৰ্ণনা আছে। অলপ দীঘলিয়া হোৱাৰ কাৰণে শ্লোকৰ উদ্ধৃতি আৰু অসমীয়া ভাঙনিও বহলকৈ নিদিওঁ।

এবাৰ ভোগাসক্ত দৈত্যসকল সুতলপুৰীত থকা সময়ত তেওঁলোকৰ তেজ হৰণ কৰোতা সুদৰ্শন চক্ৰই পাতালত প্ৰবেশ কৰিলে। তেতিয়া সমুদ্ৰৰ জোৱাঁৰ উঠাৰ নিচিনা ভীষণ শব্দ হ'ল। সেই মহাশব্দ শুনি বলিয়ে হাতত তৰোৱাল লৈ "এইটো কিহৰ শব্দ" বুলি প্ৰশ্ন কৰাত ধৰ্ম্মপত্নী বিন্ধ্যাৱলীয়ে তেওঁক সান্ত্বনা দি ক'লে যে এয়া আন একো নহয় - মহাত্মা বামনৰ দৈত্য সংহাৰী আৰাধনীয় চক্ৰহে। তেতিয়া বলিয়ে বিধিমতে চক্ৰ পূজা সমাপন কৰিলে। ইয়াৰ পিছত বলিৰ দ্বাৰা পূজিত হৈ চক্ৰই অসুৰৰ তেজ ৰহিত কৰি পাতালৰ পৰা বিদায় লৈ দক্ষিণ ফালে প্ৰস্থান কৰিলে; ইত্যাদি (বাঃপুঃ -৯৩/৫-১৯)।

পূৰ্ব্বোক্ত দুয়োখনি পুথিৰ দুয়োটি সূত্ৰৰ আধাৰতে গুৰুজনে সৃষ্টিমূলক এটি বৰ্ণনা দাঙি ধৰিছে। কীৰ্ত্তনত গুৰুজনে "শুক মুনি বোলন্ত শুনিয়ো পৰীক্ষিত। বামনৰ বাক্যে বলি সুতল পুৰীত" বুলিহে আৰম্ভ কৰিছে। ভাগৱতৰ উদ্ধৃতি আমি পূৰ্ব্বতে দিছোঁৱেই। সুতল পুৰীৰ বলিৰ সভাখনিৰ বৰ্ণনাত বলিৰ নিস্পৃহ, উদাৰতা ভাবৰ মাজত ভক্তিমাৰ্গৰ সঙ্গীৰূপে কৰুণ, হাস্যৰসে স্থান পাইছে। শেষলৈ বীৰৰস, অদ্ভুত, ভয়ানক আদি ৰসৰ সমাবেশ ঘটিছে। প্ৰথম অধ্যায়ৰ বৰ্ণনাত কি কি প্ৰকাশ পাইছে তলত উদ্ধৃত কৰা হ'ল।

নিয়মিলা দানৱক বিষ্ণুধৰ্ম্ম কই।
আপুনি থাকিলা এক মুখ্য গৃহ লই।।
দিব্য ভোগ যতেক আপুনি লবৈ লাগ
বৈষ্ণৱ বলিৰ তাত নাহি অনুৰাগ।।
এড়িলা বিষয় ভোগ প্ৰহলাদৰ নাতি।
সদায়ে থাকন্ত দিব্য সভা এক পাতি।।
মাধৱৰ চক্ৰে আসি ভৈলা সভাসদ।
যাহাৰ ভয়ত দৈত্যগণ নিশবদ।।

প্ৰহ্লাদে কহন্ত শুনি থাকা কৃষ্ণ কথা।
দ্বাৰতে আপুনি হৰি থাকন্ত সৰ্ব্বথা।।
শ্যামল শৰীৰ শিৰে কিৰীটি উজ্জ্বল।
কমল লোচন চাৰু মকৰ কুণ্ডল।।
কণ্ঠত কৌস্তুভ কৰে কঙ্কণ কেয়ুৰ।
কটিত মেখলা পাদ পঙ্কজে নূপুৰ।।
গাৱে পীতবস্ত্ৰ যেন অগণিৰ জ্বালা।
আপাদলম্বিত জ্বলে গলে বনমালা।।
প্ৰসন্ন বদনে হৰি কৰে ধৰি গদা।
বলিৰ সমুখ হুয়া থাকন্ত সৰ্ব্বদা।।
হৰি দৰশনত নিৰ্ম্মল ভৈল মতি।
বিষ্ণুৰ চৰণে অনুক্ষণে বাঢ়ে ৰতি।।
ভৈলন্ত বিমুখ বলি বিষয় সুখত।
সদায়ে কৃষ্ণৰ নাম নুগুছে মুখত।।
উঠি কতো কীৰ্ত্তন কৰন্ত তাল ধৰি।
দৈত্যগণে বেঢ়ি বাৱে চৌপাসে চাপৰি।।
প্ৰহ্লাদে শিখান্ত গাৱে গোবিন্দৰ গীত।
পৰম আনন্দে দৈত্যপতি কৰে নৃত্য।।
গোবিন্দ দেখিয়া আনন্দে দ্ৰৱে চিত্ত।
হৰিৰে লোতক ঝৰৈ তনু ৰোমাঞ্চিত।।
হোন্ত নিশবদ গদ গদ কৰে মাত।
প্ৰেমভাৱ উপজি পৰন্ত ঢাত ঢাত।।
ভকতৰ বশ্য হৰি আকলিয়া বলি।
কতো আতি হৰিষে হাসন্ত খলখলি।।
কতো হুক হুক কৰি কৰন্ত ক্ৰন্দন।
কতো গীত গান্ত বিৰোচনৰ নন্দন।।
কতো হৰি বুলি গেড়িয়ান্ত ইন্দ্ৰসেন।

উঠি উঠি পড়ন্ত নাচন্তে বাউল যেন।।
কতো মৌন হুয়া পৃথিবীত পৰি থাকে।
কৰয় কীৰ্ত্তন তান্ক বৈঢ়ি দৈত্য ঝাকে।।
হেন ভক্তি ভাৱে দৈত্যেন্দ্ৰৰ দিন যাই।
বলি সম ভাগ্যৱন্ত ত্ৰৈলোক্যত নাই।।
জগতকে পৱিত্ৰ কৰন্ত দৈত্য পতি।
হৰিয়ো বিস্ময় দেখি বলিৰ ভকতি।।
অন্তৰীক্ষে মহিমা বখানে সিদ্ধ মুনি।
হেনতো বৈষ্ণৱ নতু দেখি নতু শুনি।।
সদায়ে থাকন্ত দামোদৰ যাৰ কাছে।
বলি সম ভাগ্যৱন্ত আন কোন আছে।
মাধৱৰ পাৱত অৰ্পিলা আপোনাক।
বলিসে জিনিলা সিটো দুৰ্জ্জয় মায়াক।
এহি বুলি পুষ্প বৰিষত ঘনে ঘনে।।

এয়া হ'ল সুতল পুৰীৰ ৰাজসভা আৰু বলিৰ ভক্তিমাৰ্গৰ ভাবনা প্ৰশান্তিৰ পাতনি তথা কাহিনীটিৰ পূৰ্ব্বাভাস। ইয়াৰ পিছতে প্ৰকৃত ঘটনা আৰম্ভ হৈছে। বলিৰ ভক্তি ভাৱনাত বহু দানৱ সন্তুষ্ট হব পৰা নাই। তেওঁলোকে বিষ্ণুৱে দানৱসকলৰ ওপৰত কৰা অত্যাচাৰৰ পুৰণি স্মৃতি মানস পটৰ পৰা আতৰাব পৰা নাই। অথচ তেওঁলোকে সুতলপুৰীত স্বৰ্গতকৈয়ো অধিক সা-সুবিধা আৰু ৰম্যস্থান লাভ কৰিছে। সেইবোৰ পায়ো তেওঁলোকৰ মনত শান্তি নাই। এনেকুৱা কিছুমান অশান্তিকৰ পৰিস্থিতি বিচৰা লোকো সমাজত আছে। তাকে কৰি তেওঁলোকে আনন্দ উপভোগ কৰি থাকে অথচ সেইবোৰ কাৰ্য্যৰ পৰা তেওঁলোকৰ একো লাভ নহয়। বিদ্ৰোহাত্মক তথা আন্দোলনাত্মক দৃষ্টিভঙ্গী যদি বিভাজন মুখী নহৈ গঠনমূলক হয়, সেই কাৰ্য্যই সামাজিক স্থিতি সবলহে কৰে। হিংসা বা ঈৰ্ষাগ্নিয়ে সামাজিক সাংগঠনিক ভেটিত অৱস্থিত সুন্দৰ সুন্দৰ মানসিক অট্টালিকা পুৰি ছাই কৰি দিয়ে। সুতলপুৰীত সেয়ে হল। বিশ্বকৰ্ম্মা নিৰ্ম্মিত বিষ্ণুৰ দ্বাৰা আবিষ্কৃত তথা স্বীকৃত "স্বৰ্গতোধিক" সুতলপুৰী লাভ কৰিও; সুখ স্বাচ্ছন্দ্যৰ

মাজেৰে বাস কৰিও তেওঁলোকে বিভাজনমুখী বিদ্ৰোহ কৰিবলৈ লোৱাত তেওঁলোকৰ কি অৱস্থা হ'ল, পিছৰ ঘটনাক্ৰমে তাকে কৈছে। উদ্ধৃতি দিয়া হ'ল।

শুক মুনি নিগদতি শুনিয়োক কুৰুপতি
বৈষ্ণৱ বলিৰ দেখি কৰ্ম্ম।
বৰা বৰা দৈত্যগণ কৰৈ হেন আলোচন
কিনো বিপৰীত ভৈল ধৰ্ম্ম।।
ইটো মূৰ্খ দৈত্যৰাজ এড়িলেক ৰাজ কাজ
শত্ৰুৰ সদায়ে লৱৈ নাম।
আন নাই হৰি বিনে নাচে গাৱৈ ৰাত্ৰি দিনে
কৰৈ কিনো গৰিহিত কাম।।
ছাড়িল দৈত্যৰ নীতি ভৈল বিষ্ণুৰেসে ভিতি
জানা আক পাইলেক বিবুদ্ধি।
হৰি বুলি মৰৈ মাত্ৰ নভৈল একোৰে পাত্ৰ
যেন ভৈল শোভৰ আসুধি।।
আটাসতে গল ফাৰৈ যেন কাণে সূচি তাৰৈ
সৰ্ব্বদায়ে শুনৈ হৰি কথা।
কিবা কদৰ্থনা চাঞ্ৰু আসা উঠি ঘৰে যাঞ্ৰু
হৰি নাম নুশুনোহো বৃথা।।
কুল ধৰ্ম্মে ভৈল হীন যেন বাতুলৰ চিন
আহাৰ সেৱাত নাহি ফল।
হেন কণা কণি কৰি উঠি গৈলা ঘৰা ঘৰি
কতো কতো দানৱ নিস্পল।।
শ্ৰৱণে আনন্দ কৰৈ কীৰ্ত্তনে পাতক হৰৈ
হৰি নাম মুকুতি দায়ক।
পাতকে শুনিবে নৈদে যেন কিলাই কোবাই খেদৈ
দুষ্ট শঠ অধৰ্ম্মী জনক।।
পৰম মঙ্গল ৰাম নাম ইটো অনুপাম
বৈষ্ণৱৰ যাক শুনি তুষ্টি।

দৈত্যগণ দুৰাচাৰে তাক কি শুনিতে পাৰে
উচ পিচ কৰি গৈলা উঠি।।
বলিৰ নুশুনৈ হাক দানৱৰ বিচেষ্টাক
মাধৱৰ চক্ৰে দেখি আছে।
জ্বলৈ যেন সূৰ্য্য কোটি বিস্বাদ সৱদে উঠি
ক্ৰোধে খেদি গৈলা পাছে পাছে।।

পৱিত্ৰ স্থানত পৱিত্ৰ ভাৱৰ অভাব হ'লে তেওঁৰ সমস্ত কাৰ্য্যই দুষ্কাৰ্য্যলৈ পৰ্যবসিত হয়। অম্ৰাৱতী পুৰী সদায় কন্দলৰ ঘৰ। বিষ্ণুৱে ভকতক অসৎ কাৰ্য্যত প্ৰবৃত্ত হবলৈ নিদিয়ে। সেয়ে ভক্ত বলিক পৱিত্ৰ স্থান সুতলত পুৰী নিৰ্ম্মাণ কৰি ভক্তি, ভক্ত, ভগৱন্তৰ ত্ৰিবেণী সঙ্গমৰ ব্যৱস্থা কৰিছে। সেয়ে তাত কোনোপ্ৰকাৰে ভক্তি বিৰোধী কাম হ'বলৈ দিয়া নহয়। বিষ্ণুৱে তাত গদা ধৰি ৰক্ষা কৰি থকাৰ কাৰণ সেইটোৱেই। বিষ্ণুৰ চক্ৰৰ কপটপূৰ্ণ গোপন ষড়যন্ত্ৰৰ কথা জানিব পাৰি দৈত্যৰ বিৰুদ্ধে খেদি গৈ কি কৰিলে তলত উদ্ধৃত কৰা হ'ল -

দৈত্যৰ পুৰীত পশিল ত্বৰিত
বাঘে যেন ধৰৈ খেদি।
যত দ্ৰোহীয়াৰ ৰাখ নাহি তাৰ
পেলাৱৈ মাথাক ছেদি।।
কাৰো নাক কাণ কৰৈ খান খান
কাৰো কঙ্কালত কাটে।
হাত ভৰি টেঙ্গি কৰয় চৌৰাঙ্গি
পড়ি গড়াগড়ি বাটে।।
কাৰো জিহ্বা আনি কাটে টানি টানি
ধৰি দুয়ো চক্ষু কাঢ়ে।
কাৰো দান্ত সাৰে কদৰ্থিয়া মাৰে
দৈত্যৰ লাগ নছাড়ে।।
কাৰো বুক চিৰি তপত ৰুধিৰি
ভুঞ্জাৱৈ গৃধ্ৰ শৃগাল।

অধৰ্ম্মে গ্ৰাসিল ক্ষণেকে নাসিল
দৈত্যে ভৈল বুন্দামাল।।
বিষ্ণুৰ চক্ৰৰ নভৈল ভাগৰ
হস্তী যেন মাৰৈ মাখি।
পুত্ৰ ভাৰ্য্যা এড়ি মৰো জীওঁ কৰি
কতো পলাই প্ৰাণ ৰাখি।।
ই তিনি লোকত ভ্ৰময় ভয়ত
চক্ৰো পাছে পাছে ফুৰে।
হেৰা পাইলে বুলি মৰয় সমূলি
দানৱে দান্ত নুঘুৰে।।
ব্ৰহ্মাতো লাগিল শৰণ মাগিল
হাতে দান্তে খেৰ তুলি।
চক্ৰক ডৰাই কেহো নেদে ঠাই
বলিৰ দ্ৰোহীয়া বুলি।।
বুদ্ধি ভৈল চুৰি পলাইবাৰ পুৰী
কহিতো নপাইল খুজি।
বলিৰ চৰণে পশিল শৰণে
দুনাই সৱে মান্য বুজি।।

বিষ্ণুৰ চক্ৰই দুৰন্ত শাসন কৰাৰ পিছত দৈত্য সকলৰ শাৰীৰিক আৰু মানসিক অৱস্থা অতি দুখ লগা ধৰণৰ হ'ল। তেওঁলোকে বাধ্যত পৰি বলিৰ শৰণাপন্ন হোৱাত বলিয়ে নানা হিত উপদেশ বাক্য প্ৰদান কৰি ভৱিষ্যতে যাতে এনেধৰণৰ ঘটনাৰ পুনৰাবৃত্তি নহয়, তাৰে ব্যৱস্থা কৰিলে আৰু হৰিনাম লবলৈ সকলোকে বাধ্য কৰাই এটি সংগঠন প্ৰস্তুত কৰিলে। পূৰ্ব্বতে হয়তো সমূহীয়াকৈ হৰিনাম উচ্চাৰণৰ ব্যৱস্থা কৰিছিল। এতিয়া প্ৰতি ঘৰে ঘৰে প্ৰতিজনে যাতে মুক্তভাবে হৰিনাম উচ্চাৰণ কৰিব পাৰে, তাৰে একোটা বিভাগ খুলি একোজন দায়িত্বশীল ব্যক্তিক নিয়োগ কৰিলে। কোনে ক'ত নাম লৈছে বা নাই লোৱা সেই সকলৰ ওপৰত চকু ৰাখিবলৈ এটি চোৰাংচোৱা বাহিনী গঠন কৰিলে।

সেয়ে গুৰুজনাৰ ভাষাত "নিতে কৰে ওৱাচিল বান্ধি"। তাকে গুৰুজনে সুন্দৰকৈ সজাই এনেকৈ লিখিছে। যেনে -

এহিমতে চক্ৰে ধৰি কাটি মাৰি বশ্য কৰি
কতো দানৱক দিলে আনি।
দৈত্যগণো ত্ৰাস হুয়া কাণ মুণ্ড নলাৰিয়া
থাকিলা বলিৰ বাক্য মানি।।
কৃপাময় দৈত্যপতি শিক্ষা দেন্ত প্ৰতি প্ৰতি
শুনিয়োক সমস্তে দানৱ।
যিটো হৰি কথা কৰৈ হৰিনাম সদা লৰৈ
সি সি মোৰ পৰম বান্ধৱ।।
কৰ যোৰে বোলো হেৰা অসুৰ স্বভাৱ এৰা
হৰি ভকতিত দিয়া চিত্ত।
মুখে হৰিনাম স্মৰৈ হৃদয়ত ৰূপ ধৰৈ
তাহাৰ ভৃত্যৰো মঞি ভৃত্য।।
শুনিয়োক জ্ঞাতিলোক সবে কৃপা কৰা মোক
হৰি স্মৰি হুয়ো পৰিত্ৰাণ।
মুহি তেবে পাইবা ফল এহি বুলি মহাবল
ভকতিৰ পাতিলা দেৱান।।
কোনে হৰি কথা কৰৈ কোনে কৈত নাম লৰৈ
নিতে কৰে ওৱাচিল বান্ধি।
যাহাৰ নুপজৈ ভাই তাহাৰ জীৱন নাই
চেঙ্গি দিয়া মাৰৈ প্ৰাণ টান্ধি।।
ফুৰৈ পাইক ঘৰে ঘৰে সবংশকে বেঢ়ি ধৰে
যাহাৰা নলবৈ হৰিনাম।
সৰ্ব্বস্ব আগ্ৰহি লৰৈ জীয়ে মানে সাঞ্চ থৰৈ
গলাত লগাবৈ বড় চাম।।
কীৰ্ত্তনত চিত্ত নেদি গ্ৰাম্য কথা কৰৈ যদি
তাহাৰ কাণত সূচি তাৰৈ।

হৰি ভকতিক এড়ি হাসৈ উপহাস কৰি
চৱড়তে তাৰ গাল ফাৰৈ।।
সুমৰিবে নাহি ইচ্ছা ডৰতে ভটকে মিছা
জানি তাৰ জিহ্বা বিন্ধৈ টানি।
যিবা থাকৈ মৌন হুই তাৰ গলে দেই জুই
কেনে নোবোলস হৰি বাণী।।
অৰজৰ নাই ৰাতি প্ৰতি ঘৰে ঘৰে মাতি
ফুৰৈ কোটোৱাল বাটে বাটে।
ফাকটে বজাৱৈ ভেৰী জাগ জাগ নিদ্ৰা এৰি
হৰি বোল হৰি বোল ঝান্টে।।
ৰাজাৰ দণ্ডিত থাকি সুতলপুৰীক ঢাকি
নিৰন্তৰে কৰৈ হৰি ঘোষ।
আন গৃহ কৃত্য এড়ি হৰি বুলি পাৰৈ গেড়ি
শুনি মিলে বলিৰ সন্তোষ।।

বিষ্ণু চক্ৰৰ প্ৰশাসনৰ পিছত নিষ্পাপ বলিয়ে দৈনন্দিন হৰিনাম ধ্বনিত সুতলপুৰী পৱিত্ৰ হ'বৰ কাৰণে আৰু সকলো দৈত্যই ভক্তৰ শাৰীত উঠিবৰ কাৰণে "ভকতিৰ দেৱান" পাতিলে, "ওৱাচিল বাঙ্কি" পাতিলে, 'পাইক' কোটোৱাল আৰু 'ফাকট' নামৰ নিৰ্ভৰযোগ্য বিভাগীয় দায়িত্বশীল ব্যক্তিক নিয়োগ কৰিলে। এওঁলোকেই চোৱা চিতাৰ দায়িত্ব গ্ৰহণ কৰিলে। উক্ত শক্তিশালী বিভাগটিৰ হস্তক্ষেপত দৈত্যসকলে ব্যৰ্থ আলাপ বৰ্জ্জন কৰি হৰিনাম স্মৰণৰ যোগে শৰীৰ নিষ্পাপ কৰিলে আৰু হৰি ভকত হৈ পৰিল। ইয়াকে গুৰুজনে পিছৰ অধ্যায়ত সুন্দৰকৈ বৰ্ণনা কৰিছে। যেনে -

এহি মতে তৈত আছে যত দৈত্য
এড়িল আন আলাপ।
কৰৈ হৰি ধ্বনি হৰি কথা শুনি
শৰীৰ ভৈল নিষ্পাপ।।
কৃষ্ণৰ চৰণ চিন্তে অনুক্ষণ
অক্ষয় পুণ্যক সাঞ্চে।

বলিৰ প্ৰসাদে আতি অপ্ৰমাদে
সুতলপুৰীত বঞ্চে।।
সিটো দৈত্যেশ্বৰে মাধৱত পৰে
নিচিন্তিলা আন কাম।
শয়নে ভোজনে সচেতে সোপনে
নেড়িলা হৰিৰ নাম।।
সুদৃঢ় ভকতি ভাৱে দৈত্যপতি
কৰিলা কৰ্ম্ম নিৰ্ম্মূল।
সংসাৰক তৰি পুৰুষ উদ্ধাৰি
নিস্তাৰিলা দৈত্যকুল।।
বলিৰ সদৃশ নাহি সুপুৰুষ
বৈষ্ণৱতে সাৰতৰ।
যাৰ যশ ৰাশি থাকিল প্ৰকাশি
যাৱে চন্দ্ৰ দিবাকৰ।।

ইমানতে এই অধ্যায়টিৰ পৰিসমাপ্তি ঘটিছে। এই অধ্যায়টিৰ পৰা আমি বহু শিক্ষা পাব পাৰোঁ। হৰিনাম বিমুখ প্ৰাণীসকলৰ যে কি অৱস্থা হয় আৰু হৰি ভক্ত সকলৰ যে ভক্তি মাৰ্গৰ যোগে কিমান প্ৰশান্তি লাভ কৰিব পাৰে, সেই কথা ইয়াত স্পষ্ট হৈছে। ভক্তিমাৰ্গৰ ভূমিকা সদায় কৃষ্ণমুখী আৰু প্ৰশান্তি লাভৰ উপায়। ভক্তি অবিহনে মানৱ জীৱন সম্পূৰ্ণ নহয়। সেইকাৰণে ভক্তৰ চৰম লক্ষ্য আৰু চৰম সিদ্ধান্ত হল —

এহিমাত্ৰ মহাপুৰুষাৰ্থ পুৰুষৰ।
শ্ৰৱণ কীৰ্ত্তন কৰিবেক নিৰন্তৰ।।
সমস্ত ভূততে দেখিবেক নাৰায়ন।
আত পৰে আন ধৰ্ম্ম সবে বিড়ম্বন।।

'বলিছলন' নামটি গুৰুজনাৰ নহয়, পিছৰ সকলে দিয়া নামহে। আচলতে এই নামটি এই অধ্যায়ৰ বাবে প্ৰযোজ্য নহয়। বামনে বলিক সুতলপুৰীলৈ ছল কৰি পঠোৱা হেতুকে 'বলিছলন' নামটি প্ৰযোজ্য হয় আৰু হৈছেও। কিন্তু সুতলপুৰীত দৈত্য সকলৰ বিষ্ণু নামত অনীহা অহাত তেওঁলোকৰ ওপৰত হোৱা

অত্যাচাৰ আৰু তেওঁলোকৰ শুদ্ধ ভাৱোদয়ৰ সন্দৰ্ভত হোৱা কাহিনীৰ ওপৰত মিলাকৈ নামটি হোৱা উচিত আছিল। কীৰ্ত্তনত সুকীয়া অধ্যায়ৰূপে ইয়াৰ নাম প্ৰকাশিত আৰু ভাগৱতত বলিছলনৰ লগত ই সংযুক্ত। যি নহওক আমি পূৰ্ব্বতে উল্লেখ কৰা ভাগ -৮/২২/৩৪ সংখ্যাৰ শ্লোকটিৰ আধাৰতে যে গুৰুজনাই ইমান বহলকৈ সৃষ্টিমূলক বৰ্ণনাটি দিলে, সেইটিহে এই প্ৰসঙ্গত উল্লেখ্য। গুৰুজনাৰ হস্ত পৰশত আদ্যন্ত এনেধৰৰ সুকীয়া প্ৰসঙ্গানুপাতে যে একোটি সূত্ৰৰ আধাৰত বহল ভাবে সৃষ্টিমূলক বৰ্ণনা হৈছে, সেইটিহে ইয়াত দেখুউৱা হৈছে। অল্পমতি বিস্তৰেণ।

• • •